# মধুপুৰৰ মধুকৰ

## শীলভদ্ৰৰ নিৰ্বাচিত গল্প

সংকলন আৰু সম্পাদনা

মুনীন বায়ন

# মধুপুৰৰ মধুকৰ

## শীলভদ্ৰৰ নিৰ্বাচিত গল্প

MADHUPURAR MADHUKAR: Shilabhadrar Nirbāchita Galpa
an anthology of selected stories of Shilabhadra: compiled & edited by Munin Bayan and published by Sristilekha, Guwahati. Price Rs.70.00
First edn.: Guwahati Book Fair, 2000

প্ৰথম প্ৰকাশ ঃ গুৱাহাটী গ্ৰন্থমেলা, ২০০০

প্ৰচ্ছদ
উৎপল বৰুৱাৰ পেইন্টিং 'ৰিচিং আউট'
(মাধ্যম ঃ এক্ৰিলিক)

দাম ঃ ৭০ টকা

প্ৰকাশক
ভূপেন্দ্ৰ নাথ দাস
সৃষ্টিলেখা, গুৱাহাটী

মুদ্ৰণ ঃ
বয়েল [illegible] কোঃ
৪, সৰকাৰ বাই লেন, কলিকতা-৭০০ ০০৭



স্কেচঃ বেণু মিশ্র

# সূচী


পাতনি ক
শীলভদ্ৰৰ গল্পৰ নেপথ্য কথা ছ
অভিযোগ ১
আপোচ ১২
অভিশপ্ত ১৮
বৌৱৰ ২৮
পিতা-পুত্ৰ আৰু বোৱাৰী ৩৫
অপৰাজেয় ৩৯
অন্বেষণ ৫০
তৰুৱা কদম ৫৬
অস্পষ্ট ৬০
কৃত্ৰিম ৬৪
তুচ্ছ ঘটনা ৬৮
ব্যৱধান ৭২
পতন উত্থান বন্ধুৰ পন্থা ৭৬
ঐতিহ্য ৯৪
দৃষ্টি ৯৮
নিস্তব্ধতা ১০৬
সমদল ১০৯
চিনাকি-অচিনাকি ১১৬
আকৰ্ষণ ১২০
পূৰ্ব নিদৰ্শন ১২৪
দুৰ্ভাগ্য ১২৭
ভিন্ন সমতল ১৩০
হৃদয় বৃত্তি ১৩৪
অপৰিচিত ১৪১
যোগেন মাষ্টৰ আৰু ৰামপ্ৰসাদ ১৪৫
মূৰ্চ্ছনা ১৫০
সংগ্ৰাম ১৫৩
থিৰিকীখন নুখুলিবা ১৬৩
বহিৰ্ভূত ১৭০
জীৱনৰ অৰ্থ ১৭৪
মনোবৃত্তি ১৭৭
সংগী ১৮১
ব্যতিক্ৰম ১৮৫
মোপাচাঁৰ নিৰ্দেশ ১৮৮
বন্ধু ১৯২
অনুভূতি ১৯৮
অন্য এক মধুপুৰ ২০২
অভিজাত ২২২
সহযাত্ৰী ২২৭
উত্তৰ নাই ২৩২
পৰিশিষ্ট-১ ২৩৭
পৰিশিষ্ট-২ ২৩৮

# পাতনি

ষাঠিৰ দশকত গল্প লিখিবলৈ লোবাৰ সময়ত শীলভদ্ৰৰ বয়স হৈছিল ৪০ বছৰ। তেওঁৰ প্ৰথম গল্প ‘অভিযোগ’ প্ৰকাশ পায় ১৯৬৪ চনৰ ‘মণিদীপ’ নামৰ আলোচনীখনৰ পূজা সংখ্যাত। অভিজ্ঞ মনৰ স্বাক্ষৰ বহন কৰা ‘অভিযোগ’ৰ প্ৰকাশ অসমীয়া গল্প সাহিত্যত নিঃসন্দেহে আছিল গুৰুত্বপূৰ্ণ ঘটনা। কিয়নো ষাঠিৰ দশকত অসমীয়া সাহিত্যত ‘ৰামধেনু’ৰ উদ্ভাৱনী ক্ষমতা তথা সৃজনশীলতা কিছু পৰিমাণে স্তিমিত হৈ আহিছিল। সৌৰভ কুমাৰ চলিহা আৰু ভবেন্দ্ৰ নাথ শইকীয়াৰ দৰে দুগৰাকীমান গল্পকাৰৰ বাহিৰে পঞ্চাছৰ দশকৰ কেবাগৰাকী প্ৰভাৱশালী গল্পকাৰৰ সাৰ্থক সৃষ্টিৰ সংখ্যা কমি আহিছিল। হোমেন বৰগোহাঞিয়ে প্ৰত্যাশাৰ দশক বুলি অভিহিত কৰা চল্লিছৰ দশকৰ বিপৰীতে ষাঠিৰ দশকটো সঁচাকৈয়ে অসমীয়া সাহিত্যত আছিল মোহভংগৰ দশক। পঞ্চাছৰ দশকৰ বৈচিত্ৰ্যৰ তুলনাত ষাঠিৰ দশকত গুণগত আৰু পৰিমাণগতভাৱেও অসমীয়া গল্পৰ বৈচিত্ৰ্য হ্ৰাস পাইছিল। ভাৰত স্বাধীন হোৱাৰ ঠিক পাছত অসমীয়া লেখকসকলে আধুনিক ভাৱাদৰ্শৰ বিচিত্ৰ উপকৰণ লৈ যিদৰে সাহিত্য ৰচনাত নিমগ্ন হৈছিল, ষাঠিৰ দশকৰ হতাশাজনক ৰাজনৈতিক-অৰ্থনৈতিক পৰিস্থিতিত সেই প্ৰেৰণা সংকুচিত হৈ আহিছিল। নগেন শইকীয়া, প্ৰণৱজ্যোতি ডেকা আৰু পাছলৈ অপূৰ্ব শৰ্মাৰ গল্পত আধুনিকতাৰ অন্য কিছুমান দিশ, যেনে—সংশয়, আয়ৰনি, অনাস্থা উন্মোচিত হ’বলৈ ধৰিছিল। কিন্তু বয়সৰ পিনৰপৰা পঞ্চাছৰ দশকৰ গল্পকাৰসকলৰ সমসাময়িক শীলভদ্ৰৰ গল্পত সম্পূৰ্ণ এক পৃথক মেজাজ ফুটি উঠিছিল। নামনি অসমৰ গৌৰীপুৰ অঞ্চলৰ জীৱন-যাত্ৰা আৰু অধিবাসীসকলক লৈ গল্প লিখা শীলভদ্ৰৰ গল্প-উপন্যাসত মধুপুৰে এক গভীৰ সাংস্কৃতিক ব্যঞ্জনা লাভ কৰিছে। মধুপুৰৰ অতীত আৰু অবক্ষয়ৰ বৃত্তান্ত শীলভদ্ৰৰ সংবেদনশীল কলমত বিৰল বেদনা বিধুৰভাৱে ধ্বনিত হৈছে।

ষাঠিৰ দশকৰপৰা শীলভদ্ৰই এতিয়ালৈ নিৰৱচ্ছিন্নভাৱে গল্প লিখি আছে। তেওঁৰ প্ৰকাশিত গল্প-সংকলনৰ সংখ্যা ২২ খন, উপন্যাস ৭খন। ২২ খন গল্প-সংকলনত অন্তৰ্ভুক্ত গল্পৰ সংখ্যা তিনি শতাধিক। ইয়াৰ উপৰি উল্লিখিত সংকলনবোৰত অন্তৰ্ভুক্ত নোহোৱা সাম্প্ৰতিক কালৰ গল্প কিছুমানো আছে। চৈয়দ আব্দুল মালিকৰ পিছতে অতিলেখ সংখ্যক গল্প লিখি শীলভদ্ৰই অসমীয়া আধুনিক সাহিত্যক চহকী কৰিছে। প্ৰথম গল্পটোৰপৰাই শীলভদ্ৰই সংবেদনশীল পঢ়ুৱৈৰ (পৰিশিষ্ট-১ দ্ৰষ্টব্য) দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ’লেও

সমালোচকসকলৰপৰা এতিয়াও পৰ্যাপ্ত মনোযোগ লাভ কৰা নাই। অথচ আব্দুল মালিক, ভবেন্দ্ৰ নাথ শইকীয়া, যোগেশ দাস, লক্ষ্মীনন্দন বৰাৰ প্ৰথাগত শৈলীৰ গল্প আৰু সৌৰভ কুমাৰ চলিহা, হোমেন বৰগোহাঞি, নগেন শইকীয়াৰ আধুনিক শৈলীৰ পৰীক্ষামূলক গল্প— এই দুটা ধাৰাৰ বিপৰীতে শীলভদ্ৰই কথিত ভাষাৰ মেজাজ আৰু ভংগীৰে গল্প কৈ পঢ়ুৱৈক অন্য এক স্বাদ দি আহিছে।

শীলভদ্ৰৰ প্ৰথম গল্প-সংকলন 'বাস্তৱ' ১৯৭৫ চনত প্ৰকাশ হৈছিল। অৱশ্যে এই সংকলনৰ কেবাটাও সাৰ্থক গল্প ষাঠিৰ দশকতে বিভিন্ন আলোচনীত প্ৰকাশ পাইছিল। ১৯৬৭ চনত হোমেন বৰগোহাঞিৰ সম্পাদনাত অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত 'বিংশ শতাব্দীৰ অসমীয়া সাহিত্য' শীৰ্ষক গ্ৰন্থত বিশিষ্ট সমালোচক স্বৰ্গীয় ত্ৰৈলোক্যনাথ গোস্বামীয়ে লিখা 'চুটিগল্প'নামৰ প্ৰবন্ধটিত স্বৰাজোত্তৰ কালৰ অসমীয়া গল্পৰ বিষয়ে কৰা আলোচনাত শীলভদ্ৰৰ বিষয়ে কোনো উল্লেখ নাই। ষাঠি-সত্তৰৰ দশকত প্ৰকাশিত কেবাখনো অসমীয়া সাহিত্যৰ বুৰঞ্জীত শীলভদ্ৰৰ কথা নাই। ১৯৭৬ চনত অসম প্ৰকাশন পৰিষদৰপৰা প্ৰকাশিত আৰু হোমেন বৰগোহাঞি সম্পাদিত 'অসমীয়া গল্প সংকলন'ৰ দ্বিতীয় খণ্ডৰ পাতনি (অসমীয়া চুটি গল্প ১৯৪০-১৯৭০)ত বৰগোহাঞিয়ে শীলভদ্ৰৰ গল্পৰ সুকীয়া ভংগী আৰু বৈশিষ্ট্যৰ পিনে আঙুলিয়াই অসমীয়া সাহিত্যত তেওঁৰ সুকীয়া গুৰুত্বৰ কথা উল্লেখ কৰে। এই দীৰ্ঘ প্ৰবন্ধত শীলভদ্ৰৰ গল্প কোৱাৰ ভংগীৰ কথা উল্লেখ কৰি বৰগোহাঞিয়ে লিখিছিল, "ভাষা প্ৰয়োগত অসামান্য পৰিমিতি-বোধ, সূক্ষ্ম মনস্তাত্বিক অন্তৰ্দৃষ্টি, মানবিক দুৰ্বলতা আৰু অন্তৰ্দ্বন্দ্বৰ প্ৰতি গভীৰ সহানুভূতিশীল দৃষ্টিভংগীৰ লগতে প্ৰচ্ছন্ন আৰু মাৰ্জিত ব্যংগ-দৃষ্টি—এই সকলোবোৰ মিলি আন সকলো গল্প লেখকতকৈ তেওঁৰ গল্পক সুকীয়া বৈশিষ্ট্যৰে চিহ্নিত কৰিছে।....পৰিচিত লোকসকলৰ চৰিত্ৰ আঁকোতে তেওঁ কেতিয়াও ভাৱালুতাক প্ৰশ্ৰয় নিদিয়ে; এক বিৰল-দৃষ্ট নিৰ্লিপ্তি আৰু নৈৰ্ব্যক্তিকতা তেওঁৰ গল্পৰ এটা প্ৰধান বৈশিষ্ট্য। ....শীলভদ্ৰ ষাঠিৰ দশকৰ অন্যতম শ্ৰেষ্ঠ লেখক আৰু অসমীয়া সাহিত্যৰ প্ৰথম শ্ৰেণীৰ গল্পকাৰসকলৰ শাৰীত ঠাই পাবৰ যোগ্য।"

ইয়াৰ পূৰ্বে ১৯৭৪ চনত ডঃ হীৰেন গোহাঁয়ে 'অসমীয়া সাহিত্যৰ যুগ পৰিবৰ্তন' নামৰ প্ৰবন্ধটোত (১৯৭৭ চনত 'সাহিত্য আৰু চেতনা'ত অন্তৰ্ভুক্ত) শীলভদ্ৰৰ আদি পৰ্বৰ গল্প-উপন্যাসৰ এটা প্ৰধান বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰি লিখিছিল, "বুৰ্জোৱা মানৱতাবাদৰ ভাবপ্ৰৱণতাৰপৰা নিৰ্মমভাৱে নিজকে মুক্ত কৰি মোহমুক্ত বৈজ্ঞানিক আৰু শ্ৰেণীভিত্তিক দৃষ্টিকোণেৰে সৰ্বহাৰাৰ সাহিত্য সৃষ্টি কৰিবলৈ শীলভদ্ৰক বদ্ধপৰিকৰ যেন দেখা যায়। বুৰ্জোৱা জমিদাৰ শ্ৰেণীৰ প্ৰতি তীব্ৰ বিতৃষ্ণা আৰু সৰ্বহাৰাৰ প্ৰতি ভাবপ্ৰৱণতাহীন একাত্মবোধ তেওঁৰ ৰচনাত সুস্পষ্ট।" অৱশ্যে তেওঁৰ এই শ্ৰেণীভিত্তিক দৃষ্টিকোণ আদি সময়ছোৱাত লিখিত 'বাস্তৱ', 'ৰৌৰৱ', 'অপৰাজেয়' প্ৰভৃতি গল্পতহে পৰিলক্ষিত হয়। পাছলৈ শীলভদ্ৰই মধুপুৰৰ দুৰ্গত-দুস্থ লোকসকলৰ বিচিত্ৰ জীৱন-চৰ্যা লৈ গল্প লিখিলেও শ্ৰেণী দৃষ্টিকোণৰ তীব্ৰতাৰ ঠাইত উদাৰ মানৱতাবাদ আৰু এক বিৰল ধৰণৰ নৈৰ্ব্যক্তিকতাহে প্ৰতিফলিত হৈছিল। পাছৰ

পৰ্বৰ গল্পৰ এই নৈৰ্ব্যক্তিকতাৰ কথা স্বীকাৰ কৰি ডঃ গোহাঁয়ে ১৯৯৩ চনত 'আধুনিকতাৰ পিছত?' শীৰ্ষক প্ৰবন্ধত (১৯৯০ চনত 'এগছ বন্তিৰ এন্ধাৰ'ত অন্তৰ্ভুক্ত) লিখিছিল, "সৌৰভ কুমাৰ চলিহা (গল্প নহয়) আৰু শীলভদ্ৰ (আকৌ মধুপুৰ)। মানৱতাবাদী পৰম্পৰাতে দীক্ষা লৈ দুয়ো যাত্ৰাৰম্ভ কৰিছিল এদিন। কিন্তু আধুনিক, সাম্প্ৰতিক জীৱনৰ ছন্দপতন দুয়ো স্থিতধী হৈ গ্ৰহণ কৰিছে....আধুনিকতাৰ 'উচ্চমনা নিষ্ঠা'ৰ (high seriousness) ভংগী এৰি বৈঠকী মেজাজ আৰু ভংগীৰে গল্প কৈছে দুয়ো। নিৰ্মাণ কৌশল বা আংগিক নিখুঁত কৰাত দুয়ো উৎকণ্ঠাময় আগ্ৰহ দেখুৱা নাই। আলাপ, গল্প, সাহিত্যৰূপ এইবোৰ সীমাৰেখাও মানি চলা নাই। কিন্তু সমসাময়িক জীৱনৰ নানা অদ্ভুত পৰিস্থিতি, সংশয়, মোহভংগ, নিষ্ঠুৰতা আৰু 'অমানৱিকতা' সম্পৰ্কে পাঠকক সচকিত কৰিছে।" 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' (ষষ্ঠ খণ্ড)ত সমালোচক উপেন্দ্ৰ নাথ শৰ্মাই 'চুটি গল্প' (১৯৫০-১৯৯০) শীৰ্ষক প্ৰবন্ধটোত শীলভদ্ৰৰ গল্প-ৰীতিক সমালোচনাত্মক বাস্তৱতাৰ ৰীতি বুলি আখ্যা দি লিখিছে, "ঘটনা-বিন্যাসক তেওঁ সামাজিক পৰিস্থিতিৰ আলমত পৰীক্ষা কৰে। শ্ৰেণী বিদ্বেষ আৰু ভ্ৰান্তি কেনেকৈ মানুহৰ দুৰ্দশাৰ কাৰণ হয় সেই কথা তেওঁৰ গল্পত ভালদৰে ফুটি উঠিছে। জটিল সামাজিক পৰিস্থিতিৰ বিশ্লেষণক তেওঁ জটিলতম মনস্তাত্ত্বিক পৰিস্থিতিৰ বিশ্লেষণৰ বাবে অপৰিহাৰ্য বুলি গণ্য কৰে। এনে দৃষ্টিভংগীৰে লিখা 'সংগ্ৰাম' স্বৰাজোত্তৰ কালৰ সৰ্বশ্ৰেষ্ঠ গল্পৰ অন্যতম।"

বিশিষ্ট সমালোচকসকলৰ এই মন্তব্য সমূহৰপৰা শীলভদ্ৰৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ প্ৰকট হৈ পৰে। তেওঁৰ গল্পৰ প্ৰথম বৈশিষ্ট্য হৈছে নৈৰ্ব্যক্তিকতা। এই নৈৰ্ব্যক্তিকতাৰ বাবেই তেওঁৰ গল্পত আবেগৰ প্ৰকাশ অতি সংযত। তেওঁৰ প্ৰায়বোৰ গল্পতেই আবেগৰ আতিশয্য নাই; কিছুমান গল্পত কথক হিচাপে গল্পকাৰ উপস্থিত থাকিলেও তেওঁৰ নিৰ্লিপ্তি লক্ষণীয়। ৰোমাণ্টিক সাহিত্যৰ বিপৰীতে আধুনিক সাহিত্যৰ নিৰ্ভুল লক্ষণ হৈছে আবেগৰ শাসন। টি. এছ. এলিয়টৰ এই কথা কেৱল কবিতাতে নহয়, গল্প-উপন্যাসত বাৰুকৈয়ে প্ৰযোজ্য। সেয়ে ভাব-প্ৰৱণতাৰে ভৰা অসমীয়া গল্প-সাহিত্যত শীলভদ্ৰ আজিও এক উজ্জ্বল ব্যতিক্ৰম। তেওঁ নামনি অসমৰ গৌৰীপুৰ (মধুপুৰ)ৰ বাসিন্দাসকলৰ অতীত জীৱন-চৰ্যা গভীৰ অন্তৰ্দৃষ্টি আৰু নিৰ্লিপ্ততাৰে গল্পত অংকন কৰিছে। তেওঁৰ গল্পত মধুপুৰৰ বাসিন্দাসকল একো একোটা তেজ-মঙহৰ চৰিত্ৰ হিচাপে ভুমুকি মাৰিছে। কিন্তু শীলভদ্ৰই বাস্তৱ জীৱনৰ চৰিত্ৰসমূহক লৈ গল্প ৰচনা কৰিলেও তেওঁৰ গল্পত কল্পনা বা ভাবালুতা পৰিলক্ষিত নহয়। সেয়েহে তেওঁৰ গল্পই পঢ়ুৱৈক আবেগাপ্লুত কৰাতকৈ জীৱন আৰু জগত সম্পৰ্কে ভৱাই তোলে।

শীলভদ্ৰৰ গল্পত আংগিকৰ পৰীক্ষা-নীৰিক্ষা নাই। তেওঁৰ গল্প পঢ়িলে তেওঁ আংগিকৰ প্ৰতি মনোযোগী নহয় বুলিয়ে ধাৰণা হয়। শীলভদ্ৰৰ গল্পৰ ই এক চকুত লগা বৈশিষ্ট্য। তেওঁ 'গল্প আৰু গল্পকাৰ' শীৰ্ষক প্ৰবন্ধ এটাত কৈছে, "চুটি গল্প লিখাৰ কোনো নিৰ্দিষ্ট সূত্ৰ বা ফৰ্মুলা নাই। যিদিনা এই সূত্ৰ বান্ধি দিয়া হ'ব সিদিনাৰপৰা বোধহয় গল্প লিখাৰ প্ৰক্ৰিয়া বন্ধ হৈ যাব।" ভাবাৰ দীৰ্ঘদিনীয়া অনুশীলনৰ মাজেদি শীলভদ্ৰই আংগিকৰ প্ৰতি মনোযোগী নোহোৱাকৈয়ে নিজৰ গল্পৰ এক স্বতন্ত্ৰ আংগিক গঢ়ি তুলিছে। বৰ্ণনাত্মক সাহিত্যৰীতিৰ বাহুল্য বৰ্জন কৰি

তেওঁ নিৰাভৰণ বাক্যৰে পঢ়ুৱৈক উদ্দেশ্যি গল্প কোৱাৰ ভংগী গ্ৰহণ কৰিছে। ডঃ হীৰেন গোহাঁয়ে শীলভদ্ৰৰ গল্প কোৱাৰ এই ভংগীক বৈঠকী ৰীতি বুলি অভিহিত কৰিছে। শীলভদ্ৰৰ গল্পৰ এই 'বৈঠকী মেজাজ' বহু পৰিমাণে নামনি অসমৰ, বিশেষকৈ ধুবুৰী অঞ্চলৰ কথ্য ভাষাৰ প্ৰভাৱৰপৰাই আহিছে। সাহিত্যগন্ধী ভাষাৰ সলনি কথ্য ভাষাত সংলাপ আৰু বিশেষণহীন চুটি পোনপটীয়া বাক্যৰ সহায়ত তেওঁ প্ৰায়বোৰ গল্প কৈছে। নিৰাবেগ, নিৰলংকাৰ শব্দবন্ধৰে শীলভদ্ৰই চৰিত্ৰ আৰু পৰিস্থিতিৰ অন্তৰ্জগত চকামকাকৈ এনেদৰে আলোকিত কৰে যে পঢ়ুৱৈ চকিত নহৈ নোৱাৰে। অসমীয়া ভাষাৰ যথাৰ্থতা আৰু পৰিমিতিবোধত শীলভদ্ৰৰ লেখিয়া দখল অসমীয়া সাহিত্যত বিৰল বুলিয়ে ক'ব পাৰি।

শীলভদ্ৰৰ গল্পত 'গল্প'ৰ উপাদান প্ৰায়ে পৰিলক্ষিত নহয়। তেওঁৰ গল্পত কিছুমান চৰিত্ৰৰ কাৰ্যকলাপৰ বিৰল মুহূৰ্ত কিছুমান নতুন তাৎপৰ্যৰে উন্মোচিত হয়। বিষয়তকৈ সেয়ে তেওঁ বিষয়ীৰ অন্তৰ্জগতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিহে বেছি সজাগ। বাস্তৱ জগতৰ কিছুমান মানুহক লৈ ৰচনা কৰা এনে গল্পবোৰত কাহিনী বুলি কোনো ধৰাবন্ধা গতি নাই। স্মৃতিৰ খিৰিকীৰে তেওঁ মধুপুৰৰ কিছুমান অতীত চৰিত্ৰ খেপিয়াই আনিছে আৰু বৰ্তমানৰ আলোকত তেনে চৰিত্ৰবোৰৰ জীৱনৰ বিড়ম্বনা বিৰল নিৰ্লিপ্ততাৰে লক্ষ্য কৰিছে। মধুপুৰ বিষয়ক অধিকাংশ গল্পত একধৰণৰ স্মৃতিমেদুৰতা বা নষ্টালজিয়া অনুভৱ হয় যদিও মধুপুৰৰ জীৱন বৃত্তান্ত বা অতীতৰ চৰিত্ৰক ফ্ৰেছবেকৰ দৰে যথাযথ উপস্থাপন কৰা এনে গল্পসমূহৰ উদ্দেশ্য নহয়। বহু সময়ত শীলভদ্ৰই flashing the back পদ্ধতিৰে মধুপুৰৰ বিলীয়মান অতীতত অৱলোকন কৰিছে। সেয়ে মধুপুৰৰ অতীতৰ সামন্ত ব্যৱস্থাৰ গুণ-গৰিমা-প্ৰাচুৰ্যৰ লগতে তাৰ অমানৱিকতা, ভংগুৰতা আৰু অন্তসাৰশূন্যতা তীব্ৰ শ্লেষ আৰু কাৰুণ্যৰে তেওঁৰ গল্পত উন্মোচিত হৈছে। বহু সময়ত তেওঁ গল্পত গল্প কোৱাৰ পৰিবৰ্তে কিছুমান পৰিস্থিতিহে উপস্থাপন কৰিছে। কিছুমান গল্পত আকৌ কাহিনী আৰু চৰিত্ৰক চেৰাই গৈ কাল বা সময় প্ৰধান বিষয় হৈ পৰিছে। 'তৰুবা কদম', 'মূৰ্ছনা' আৰু 'আকৰ্ষণ' এনে কেইটামান গল্পৰ নিদৰ্শন। তিনিওটা গল্পত প্ৰধান চৰিত্ৰৰ লগত সময়ে দুৰতিক্ৰম্য ব্যৱধান গঢ়ি তুলিছে; কিন্তু কিছুমান নগ্ন-নিৰ্মোহ মুহূৰ্তত সেই ব্যৱধান ক্ষণিকৰ বাবে নাইকিয়া হোৱাত মনত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াই জীৱনৰ নিৰ্মম সত্যকে নিৰাভৰণ কৰি তুলিছে। মধুপুৰৰ অতীত সমাজৰ প্ৰতি মমতা থাকিলেও শীলভদ্ৰই সেই সমাজ ব্যৱস্থাৰ অমানৱিকতা আৰু স্বাৰ্থপৰতা মানি ল'ব পৰা নাই। সেয়ে মধুপুৰৰ উজ্জ্বল অতীততকৈ তাৰ ক্ষয়িষ্ণু ৰূপটোহে তেওঁৰ গল্পত বাৰে বাৰে উকি মাৰিছে। জমিদাৰ শ্ৰেণীৰ প্ৰতি তেওঁৰ মানৱিক সহৃদয়তা সত্বেও তেওঁ সেই উৰলি যোৱা ব্যৱস্থাৰ প্ৰতীক সামন্ত শ্ৰেণী আৰু তেওঁলোকৰ গোমস্তাস্বৰূপ পৰজীৱী শ্ৰেণীটোৰ জীৱন বৃত্তান্ত তৌখিক ভাষাৰে অংকন কৰিছে। সেই লোকসকলৰ স্বাৰ্থান্ধতা আৰু অবিমৃশ্যকাৰিতা দেখি তেওঁৰ প্ৰতিক্ৰিয়াই ক'ৰবাত ক্ৰোধৰ ৰূপ লৈছে আৰু ক'ৰবাত ৰূপ লৈছে শাণিত ব্যংগৰ। অৱশ্যে তেওঁৰ প্ৰথম পৰ্বৰ ভালেমান গল্পত সেই প্ৰতিক্ৰিয়াই শ্ৰেণীভিত্তিক আয়তন লাভ কৰি উত্তাপ সঞ্চাৰ কৰিছে। তেওঁৰ 'ৰৌৰৱ', 'সংগ্ৰাম', 'বাস্তৱ', 'অপৰাজেয়' আদি গল্পত এনে উত্তাপ অনুভূত নোহোৱাকৈ নাথাকে। 'ৰৌৰৱ'

আৰু 'সংগ্ৰাম'ত সেই ৰূঢ় বাস্তৱতাৰ জটিলতা তিৰ্যক ভংগীৰে প্ৰতিফলিত হৈছে। আনহাতে 'বাস্তৱ', 'অপৰাজেয়'ত সেয়া পোনপটীয়া ভংগীৰে প্ৰকাশ পাইছে। 'অপৰাজেয়'ত উদ্বাস্তু সমস্যা আৰু মানৱসৃষ্ট অনাটনে এচাম মানুহৰ জীৱনলৈ নমাই অনা দুৰ্দৈৱ মৰ্মান্তিক ৰূপত প্ৰকাশ পাইছে। এই গল্পটোত গল্পকাৰে অন্ন-বস্ত্ৰহীন, ছিন্নমূল এটা পৰিয়ালৰ জীৱন-সংগ্ৰামৰ খুটিনাটি যি নিৰাবেগ আৰু পৰিমিত ভাষাৰে বৰ্ণনা কৰিছে তাত বিস্মিত নহৈ নোৱাৰি। সমস্ত গল্পটোৰ ক'তো গল্পকাৰৰ বক্তব্য আৰু অভীপ্সাই মূৰ দাঙি উঠিব পৰা নাই। গল্পটোৰ আগৰপৰা শুৰিলৈ ফল্গুধাৰাৰ দৰে অনুচ্চ ক্ৰোধ বিয়পি থাকিলেও সমাপ্তিত তাৰ বহিঃপ্ৰকাশ ঘটা নাই। গল্পটোৰ সমাপ্তিত সমস্ত বন্ধন ছিন্ন কৰি কিশোৰ মধু প্ৰাপ্তবয়স্ক হোৱাৰ যি বৰ্ণনা পোৱা যায় সিয়ে আমাক এই সমাজ ব্যৱস্থাৰ নিৰ্মমতা সম্পৰ্কে নতুনকৈ সজাগ কৰে। সচৰাচৰ প্ৰগতিশীল লেখকৰ শ্লোগানধৰ্মী ক্লাইমেক্স সৃষ্টিৰ প্ৰলোভনৰপৰা আঁতৰি আহি শীলভদ্ৰই এনেদৰেই শোষণ-নিপীড়নৰ ধাৰাবাহিকতা আৰু সমাজ ব্যৱস্থাৰ জটিলতাৰ পিনে আঙুলিয়াই দিয়ে। শেহৰ পৰ্বৰ গল্পবোৰত অসমৰ অস্থিৰ ৰাজনৈতিক পৰিস্থিতিবো প্ৰতিফলন ঘটিছে। এনে পৰিস্থিতিয়ে মধ্যবিত্তৰ নাগৰিক জীৱনলৈ নমাই অনা অনিৰাপত্তাবোধ আৰু অনিশ্চয়তা তেওঁৰ কেবাটাও গল্পত সুন্দৰকৈ প্ৰতিফলিত হৈছে। শীলভদ্ৰৰ পাছৰ বেছিভাগ গল্প-উপন্যাসতে আধুনিক জীৱন-যাত্ৰাৰ অৱসাদ, নৈঃসঙ্গ আৰু নিৰাপত্তাহীনতা তথা নিসংগতাৰ বিচিত্ৰ প্ৰকাশ ঘটিছে। নগৰ-কেন্দ্ৰিক জীৱনত মানবীয় প্ৰমূল্যৰ অৱক্ষয়, আত্মিক সম্পৰ্কৰ অৱনতিয়ে বৃদ্ধকালৰ জীৱন কিদৰে দুৰ্বিসহ কৰি তুলিছে তাৰ বৰ্ণনা তেওঁৰ কেবাটাও গল্পত সাৰ্থক ৰূপ গ্ৰহণ কৰিছে।

শীলভদ্ৰৰ গল্প প্ৰসংগত এটা গুৰুত্বপূৰ্ণ কথা হৈছে তেওঁৰ 'আঞ্চলিকতা'। আমি আগতেই কৈছোঁ, মধুপুৰ প্ৰসংগ বাদ দি শীলভদ্ৰৰ গল্পৰ কথা ভাবিবলৈকে টান। তেওঁৰ প্ৰায়বোৰ গল্পতে মধুপুৰ জৈৱিক বন্ধনেৰে সম্পৃক্ত। তেওঁৰ প্ৰায়বোৰ চৰিত্ৰ জীৱন-জীৱিকাৰ তাড়নাত গুৱাহাটী বা আন নগৰত সংস্থাপিত হ'লেও মধুপুৰৰ স্মৃতি আৰু সংস্কৃতিয়ে তেওঁলোক আটাইকে তাড়িত কৰে। এই কথা 'সমদল'ৰ ভদ্ৰ, 'অন্য এক মধুপুৰ'ৰ সুনীল বাবুৰ ক্ষেত্ৰতেই নহয়, 'সহযাত্ৰী'ৰ মতি আৰু জীৱনৰ বেলিকাও প্ৰযোজ্য। কিছুমান গল্পত আকৌ মধুপুৰৰ জীৱন বৃত্তান্তৰ পোনপটীয়া প্ৰতিফলন ঘটিছে। এই মধুপুৰ ক্ষয়িষ্ণু হ'লেও তাৰ নাড়ীৰ স্পন্দন প্ৰতিটো গল্পতে অনুভূত হয়। চৰিত্ৰৰ চাৰিত্ৰিক ভংগী, কথা কোৱাৰ ধৰণ সম্পৰ্কে সংক্ষিপ্ত উল্লেখৰ জৰিয়তে শীলভদ্ৰই মধুপুৰৰ চৰিত্ৰ কিছুমানক জীৱন্ত কৰি তোলে। গল্পৰ সংলাপত প্ৰায়ে কথিত ভাষা প্ৰয়োগ কৰাৰ লগতে বৰ্ণনাতো কথিত ভাষাৰ মেজাজ আনি তেওঁ মধুপুৰক অসমীয়া সাহিত্যত অংগীভূত কৰিছে। মূল অসমীয়া সমাজৰ উন্নাসিকতা আৰু সেই সমাজৰ সৈতে নামনি অসমৰ সাংস্কৃতিক ব্যৱধান শীলভদ্ৰৰ সাহিত্য-সাধনাই এনেদৰেই সংকুচিত কৰি আনিছে। শীলভদ্ৰৰ বেছিভাগ চৰিত্ৰৰ আত্মবিচ্ছিন্নতা আৰু নিসংগতাও বিলীয়মান মধুপুৰৰ প্ৰতি হা-হুমুনিয়াহৰ জৰিয়তে প্ৰতীকী তাৎপৰ্য লাভ কৰে। তাৰাশংকৰ বন্দোপাধ্যায়ৰ দৰে শীলভদ্ৰৰ সাহিত্যও 'আঞ্চলিক' চৰিত্ৰৰ। অসমীয়া সাহিত্যত সম্ভৱতঃ আন কোনো এটা অঞ্চলৰ এনে জীৱন্ত আৰু সৰ্বগ্ৰাসী প্ৰতিনিধিত্বৰ দ্বিতীয় এটা দৃষ্টান্ত পাবলৈ নাই। কিন্তু

'আঞ্চলিক' হ'লেও তেওঁৰ গল্প-সাহিত্যত মানুহ আৰু সমাজৰ চিৰন্তন সমস্যা-সংকটে বিশ্বজনীন ৰূপো লাভ কৰিছে।

বহুতেই ক'ব পাৰে শীলভদ্ৰৰ গল্প-উপন্যাসত জীৱনৰ সামগ্ৰিক ৰূপটো নতুন তাৎপৰ্যৰে প্ৰোজ্জ্বল হৈ উঠা নাই। কিন্তু এনে অভিযোগেৰে শীলভদ্ৰৰ সাহিত্য-কৃতি লঘু কৰিব পৰা নাযায়। তেওঁ তেওঁৰ গল্প-উপন্যাসত মধুপুৰৰ বৃত্তান্ত আৰু আৰু বাসিন্দাসকলৰ অনুভৱ-পৰিস্থিতি-সমস্যাৰ অন্বেষণৰ মাজেৰে সামূহিক জীৱনৰ লগতে ব্যক্তি জীৱনৰ সংগ্ৰাম আৰু অস্তিত্ব বিষয়ক মৌলিক আৰু সাৰ্বজনীন সমস্যা কিছুমান উত্থাপন কৰিছে। এই অৰ্থতে শীলভদ্ৰৰ 'আঞ্চলিক' সাহিত্যই সাৰ্বজনীন আবেদন লাভ কৰিছে।

এই সংকলনৰ বাবে শীলভদ্ৰৰ 'বাস্তৱ'ৰপৰা শেহতীয়া 'উত্তৰ নাই'লৈকে ২২ টা গল্প- সংকলনৰপৰা কুৰিটা গল্প নিৰ্বাচন কৰা হৈছে। গল্প নিৰ্বাচনত সম্পাদকৰ ব্যক্তিগত ৰুচিৰ প্ৰতিফলন ঘটিলেও বিষয়-বৈচিত্ৰ্য আৰু গল্পৰ সৌষ্ঠৱ—এই দুয়োটা দিশতে গুৰুত্ব দিয়া হৈছে। বৈচিত্ৰ্য আৰু উৎকৰ্ষ বিচাৰত এই সংকলন প্ৰতিনিধিত্বমূলক ৰূপে বিবেচিত হ'ব বুলি আশা কৰিছোঁ। কিবা কাৰণত সেই আশা পূৰণ নহ'লে তাৰ দোষ গল্পকাৰৰ নহয়, সম্পাদকৰ ওপৰত পৰিব বুলি আগতীয়াকৈ জনাই থলোঁ।

মুনীন বায়ন

১৭ ডিচেম্বৰ, ২০০০
নবীন নগৰ, গুৱাহাটী ৭৮১ ০২৪

# শীলভদ্ৰৰ গল্পৰ নেপথ্য-কথা

**আপুনি গল্প লিখিবলৈ লৈছিল বহু পলমকৈ। পলমকৈ হ'লেও সাহিত্য জগতত প্ৰৱেশ কৰাৰ আঁৰত অন্তৰৰ তাগিদা নে আন কিবা কাৰণ নিহিত আছিল?**

**শীলভদ্ৰঃ** প্ৰথম অৱস্থাত মই বোধহয় প্ৰমাণ কৰিবলৈ বিচাৰিছিলোঁ যে অসমৰ পশ্চিম প্ৰান্তৰ মানুহেও অসমীয়া লিখিব পাৰে। পিছে এতিয়া উপলব্ধি কৰিছোঁ যে সেইয়া আচল কাৰণ নহয়। এইয়া খুব বেছি এটা 'কেটালিটিক এজেন্ট' মাত্ৰ। অন্তৰৰ তাগিদাই হ'ল প্ৰধান কাৰণ। লিখিব বিচাৰোঁ কাৰণেই মই লিখোঁ। নহ'লে এই বয়সলৈ লিখি থাকিব নোৱাৰিলোঁ হয়। পলমকৈ লিখিবলৈ আৰম্ভ কৰিলেও সাহিত্যৰ প্ৰতি মোৰ অনুৰাগ আছিল সৰুৰেপৰাই। আমাৰ স্কুলৰ পুথিভঁড়াল আছিল সঁচাকৈ চহকী। এই পুথিভঁড়ালৰ দায়িত্বত আছিল গুৰুপ্ৰসন্ন মুখাৰ্জী ছাৰ। ক্লাছ নাইন মান পোৱাৰ লগে লগে তেওঁ মোক বিশ্ব-সাহিত্যৰ শ্ৰেষ্ঠ কিতাপবোৰৰ ইংৰাজী ছাত্ৰ সংস্কৰণবোৰ পঢ়িবলৈ দিছিল। দেউতাৰ কিতাপৰ সংগ্ৰহো আছিল ভাল। তেঁৱো মোক বাহিৰা কিতাপ পঢ়িবলৈ প্ৰেৰণা দিছিল। যি কামকেই নকৰোঁ কিয় কিতাপ পঢ়া মই কেতিয়াও বাদ দিয়া নাছিলোঁ। ইয়াক মই মোৰ প্ৰস্তুতি পৰ্ব বুলি ক'ব পাৰোঁ।

**আপোনাৰ বেছিভাগ গল্পই স্মৃতিকথনমূলক। এয়া কি অধিক বয়সত গল্প লিখিবলৈ লোৱাৰ পৰোক্ষ পৰিণতি?**

**শীলভদ্ৰঃ** অধিক বয়সত লিখিবলৈ লোৱাৰ কাৰণে ঠিক নহয়, কাৰণ মই যেতিয়া লিখিবলৈ লওঁ তেতিয়া মই মধুপুৰ (গৌৰীপুৰ) এৰবকম এৰিছোঁ বুলিয়েই ক'ব পাৰোঁ। মোৰ মধুপুৰো কিন্তু আজিৰ মধুপুৰ নহয়। "স্বপ্ন দিয়ে গড়া সে যে, স্মৃতি দিয়ে ঘেৰা।"

যি দেখিছোঁ, যি শুনিছোঁ তাকেই লিখিছোঁ। মনত যি প্ৰতিক্ৰিয়া বা অনুভূতিৰ সৃষ্টি হৈছে অকপটভাৱে তাকেই প্ৰকাশ কৰাৰ চেষ্টা কৰিছোঁ। তদুপৰি মোৰ ব্যক্তিত্ব গঢ় লোৱাৰ অনুকূল সময়খিনিত মই গৌৰীপুৰত (মোৰ ৰচনাত মধুপুৰত) আছিলোঁ। ঠাইডোখৰৰ প্ৰতি, তাৰ মানুহবোৰৰ প্ৰতি মোৰ এক আৱেগিক আকৰ্ষণ আছে। নষ্টালজিয়া বুলি ক'লে অধিক অৰ্থবহ হ'ব। মই মোৰ শৈশৱ, কৈশোৰ আৰু যৌৱনৰ স্বপ্নিল দিনবোৰ মধুপুৰত এৰি থৈ আহিছোঁ।

**আপোনাৰ গল্প পঢ়িলে ধাৰণা হয় গল্পৰ craft অৰ্থাৎ আংগিকৰ প্ৰতি আপুনি সিমান সচেতন নহয়। অথচ আপোনাৰ গল্পত এক ধৰণৰ নিজস্ব শৈলী বা স্বকীয়তা আছে। আপোনাৰ কথন-শৈলীৰ এই বৈশিষ্ট্য আপোনাৰ কাৰণে সঁচাকৈয়ে গুৰুত্বপূৰ্ণ?**

**শীলভদ্ৰঃ** নিশ্চয় গুৰুত্বপূৰ্ণ। এগৰাকী সতৰ্ক আৰু সংবেদনশীল পাঠকে লেখকৰ ৰচনা অধ্যয়ন কৰি লেখকজনৰ মানসিক গঠনৰ এটা ধাৰণা নাপায় জানো? কোনো এজন লেখকেই তেওঁৰ মানসিক পৰিধিৰ সীমা অতিক্ৰম কৰি যাব নোৱাৰে। অন্তৰংগ মানুহৰ সৈতে কথা পতাৰ দৰে মই মোৰ কথাবোৰ কৈ যাওঁ। প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা বা মানুহৰ চেহেৰাৰ বৰ্ণনাত মই সিমান গুৰুত্ব নিদিওঁ। সূৰ্যাস্তৰ চিত্ৰ দেখি মনত যি ধূনীয়া অনুভূতিৰ সৃষ্টি হয় বৰ্ণনাৰে পাঠকৰ মনত সেই অনুভূতিৰ প্ৰতিফলন কৰা সম্ভৱ জানো? পোখৰাণৰ ফিচ্‌টেইল শৃংগৰ বৰফত প্ৰতিফলিত উদীয়মান সূৰ্যৰ প্ৰতিফলিত ৰশ্মিৰ বৰ্ণাঢ্য দৃশ্য চাইহে উপলব্ধি কৰা সম্ভৱ। বৰ্ণনা কৰি বুজোৱা অসম্ভৱ। অন্ততঃ মোৰ সেই ক্ষমতা নাই।

**আপোনাৰ গল্পত আত্মকথা, সামাজিক বৃত্তান্ত আৰু ব্যক্তিগত উপলব্ধি একাকাৰ হৈ আছে। গল্পৰ সাৰ্থকতা লেখকৰ ব্যক্তিগত অভিজ্ঞতা-নিৰ্ভৰ বুলি আপুনি ভাবে নেকি?**

**শীলভদ্ৰঃ** এইটোক এটা সাধাৰণ ধৰ্ম বুলি ক'ব নোৱাৰি। ইমান দিন আগতে লিখা এমিলি ব্ৰঁতেৰ আদাৰিং হাইটচ্‌ কিতাপখনত লেখিকাই অনুভূতিৰ তীব্ৰতা কেনেকৈ প্ৰকাশ কৰিলে? মোৰ গল্পবোৰ অৱশ্যে মোৰ ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। এইয়া মোৰ কল্পনাৰ দৈন্যৰ কাৰণেও হ'ব পাৰে। পিছে, বৰ্ণনা কৰিবলৈ যাওঁতে মই সম্পাদনা কৰি লওঁ।

**আধুনিক অসমীয়া লেখকসকলৰ ভিতৰত আপোনাৰ সৃষ্টিয়ে সবাতোকৈ বেছি 'আঞ্চলিক' চৰিত্ৰৰ। গৌৰীপুৰৰ প্ৰসংগ নহাকৈ থকা আপোনাৰ গল্প বোধহয় দুৰ্লভ। মধুপুৰ সম্পৰ্কে আপোনাৰ এই অবচ্ছেদন কিয়?**

**শীলভদ্ৰঃ** ইয়াৰ দুটা কাৰণ আছে। এটা হ'ল নষ্টালজিয়া আৰু আনটো হ'ল আমাৰ অঞ্চলটো অসমীয়া সাহিত্যত প্ৰায় অনুপস্থিত। মই মোৰ ৰচনাত কথোপকথনত কেতিয়াবা আমাৰ সিফালৰ কথ্য ভাষা ব্যৱহাৰ কৰোঁ। সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতিয়ে অভিযোগ কৰিছিলে, "আপুনি এইবোৰ কি ভাষা ব্যৱহাৰ কৰিছে? এইবোৰ তো অসমীয়া নহয়।" মই কৈছিলোঁ, "হয়, এইবোৰ অসমীয়াই। তাৰ গাৱঁৰ সাধাৰণ মানুহ এজনৰ মুখত নিভাঁজ লিখিত অসমীয়া ভাষা দিলে কৃত্ৰিম হৈ যাব।" এইয়া অভিজ্ঞতাৰ অভাৱ। নৃতত্ত্ববিদৰ মতে প্ৰতি আঠ কিলমিটাৰ অন্তৰে অন্তৰে কথ্য ভাষা সলনি হৈ পৰে।

পিছে এটা কথা। মধুপুৰক পটভূমি হিচাপে নোলোৱাকৈও মই বহুতো গল্প-উপন্যাস লিখিছোঁ, বিশেষকৈ মোৰ লেখক জীৱনৰ শেষৰ ফালে। মোৰ 'অনুসন্ধান' উপন্যাসখন তো আধুনিক নাগৰিক জীৱনৰ অনিশ্চয়তা আৰু অস্থিৰতা লৈ লিখা। ভাৰতীয় জ্ঞানপীঠে হিন্দীত প্ৰকাশ কৰা এইখন মোৰ অন্যতম কিতাপ। হিন্দী নাম—"জো মন টুটা আপনা।" ১৯৯৮ অৰ অক্টোবৰত প্ৰথম সংস্কৰণ ওলাইছে আৰু দ্বিতীয় সংস্কৰণ ওলাইছে ২০০০ অৰ এপ্ৰিলত। অৰ্থাৎ হিন্দীভাষী পাঠকে কিতাপখন গ্ৰহণ কৰিছে।

**মধুপুৰৰ লগতে কিছুমান চৰিত্ৰও আপোনাৰ গল্পত ঘূৰি ঘূৰি আহিছে। কিয় এই বিশেষ দুৰ্বলতা?**

**শীলভদ্ৰঃ** মোৰ আটাইতকৈ আপোন আৰু ঘনিষ্ঠ মানুহবোৰ প্ৰায়েই মধুপুৰৰ (অৰ্থাৎ

গৌৰীপুৰৰ)। ৰামবাবু, নীৰুবাবু, মোৰ দেউতা, মোৰ মা, এওঁলোকৰ কথা মই নক'লে কোনে ক'ব? হীৰা ড্ৰাইভাৰ, আতপজান পাগলী, আমীৰ্ হোচেন বা কেতু এওঁলোক মোৰ আত্মীয় নহ'লেও অতি আপোন। নকী চোৰ বা ৰবি পাগলাৰ কথাও পাহৰা নাই। আনকি হত্যাকাৰী বাবুৰামৰ কথাও। পৰিচিত চৰিত্ৰ।

**আপোনাৰ গল্পত মধুপুৰৰ মূলতঃ ক্ষয়িষ্ণু অতীতেই প্ৰাধান্য পাইছে। মধুপুৰৰ এই বিশেষ ৰূপটোৱে আপোনাক পীড়িত কৰি থাকে?**

**শীলভদ্ৰঃ** ময়ো তেনেকুৱা পৰিবেশৰ সৃষ্টি। এইয়া মোৰ জীৱনৰো কথা। সামন্ততন্ত্ৰৰ অৱসান ঘটিবলৈ ল'লেও সম্ভ্ৰান্ত শ্ৰেণীয়ে পৰিবৰ্তিত পৰিস্থিতিৰ লগত তেতিয়াও নিজকে খাপ খুৱাই ল'ব পৰা নাই। "মাই নেম ইজ ওডিম্নডিয়াছ, কিং অব কিঙছ্!" লগে লগে অৱশ্যে নতুন শ্ৰেণীৰ উত্থান ঘটিছে। মোৰ 'মধুপুৰ' উপন্যাসখনত ইয়াৰ ইঙ্গিত আছে। "পতন উত্থান বন্ধুৰ পন্থা।" নহয় জানো? ক্ষোভ থাকিলেও হতাশা নাই।

**মধুপুৰৰ ক্ৰমবিলীয়মান অতীতৰ প্ৰতি মোহ, তাৰ পৰিচয়ৰ সংকটে আপোনাৰ গল্প আৰু চৰিত্ৰসমূহক কেনেদৰে প্ৰভাৱিত কৰিছে?**

**শীলভদ্ৰঃ**৭ নম্বৰ প্ৰশ্নতেই ইয়াৰ উত্তৰ আছে। অতীতৰ প্ৰভাৱৰপৰা মুক্ত হোৱা টান। তেনেকৈ মোৰ বৰ্তমানৰ গল্পবোৰত মই সামাজিক আৰু নৈতিক বিশৃঙ্খলতাৰ কথাও প্ৰকাশ কৰিছোঁ। মুঠতে যি দেখিছোঁ তাকেই কোৱাৰ চেষ্টা কৰিছোঁ।

**সমাজ আৰু মানুহৰ পৰিচয়ৰ সংকটৰ মাজেৰে আপোনাৰ গল্পত আপুনি কি সামাজিক সত্যৰ অন্বেষণ কৰে?**

**শীলভদ্ৰঃ** মই ঠিক অন্বেষণ নকৰোঁ। মোৰ ভূমিকা নিৰপেক্ষ দৰ্শকৰ ভূমিকা। এই ভূমিকাও একেবাৰে অপ্ৰয়োজনীয় নহয়। খেলুৱৈৰ প্ৰয়োজন থকাৰ দৰে দৰ্শকৰো প্ৰয়োজন আছে। সমাজ আৰু মানুহৰ পৰিচয়ৰ সংকটৰ সমস্যাই মোক উদ্বিগ্ন কৰে ঠিকেই কিন্তু অংকৰ ছাত্ৰ হিচাপে বুজি পাওঁ যে এইয়া হ'ল সময়ৰ ফলন (a function of time)। সমাজৰ অপসৃয়মান মূল্যবোধক ধৰি ৰখাৰ ক্ষমতা মোৰ নাই। ৰূপান্তৰ ঘটি আছিল আৰু ঘটি থাকিব। এতিয়া আৰু অন্বেষণ নকৰোঁ, চাই থাকোঁ। মই জানো যে "truth is what one wants to believe."

**গল্পৰ লগতে উপন্যাসতো আপুনি দ্ৰুত সামাজিক পৰিবৰ্তনে এচাম মানুহৰ জীৱনলৈ অনা অনিৰাপত্তাবোধ আৰু সংকটৰ স্বৰূপ অন্বেষণ কৰিছে। উপন্যাসত আপুনি বিষয়বস্তু লৈ পৰীক্ষা-নীৰিক্ষাৰ সুযোগ পায় নেকি?**

**শীলভদ্ৰঃ** আচলতে মই এজন গল্পকাৰ আৰু আজিৰ পৰিবেশ চুটি গল্প লিখাৰ পৰিবেশ। আজি মানুহৰ জীৱনত আগৰ দৰে ধাৰাবাহিকতাও নাই। এটা নিৰ্দিষ্ট বিন্দুৰপৰা আৰম্ভ কৰি সুনিৰ্দিষ্ট পথেৰে আন এটা বিন্দুত শেষ হ'ল, এনেকুৱা নহয়। মানুহৰ জীৱন বিক্ষিপ্ত আৰু আপাত অসংলগ্ন ঘটনাৰ সমষ্টি। মোৰ উপন্যাসো হ'ল কিছুমান গল্পৰ সমষ্টি।

**আপুনি এগৰাকী কৌতূহলী পঢ়ুৱৈও। শেক্সপীয়েৰৰ, মপাচাঁৰপৰা আৰম্ভ কৰি ষ্টাইনবেক,**

টনী মৰিছন, ডষ্টয়েভস্কি, মম, কুন্দেৰা, মাৰ্কেজ বহু বিচিত্ৰ লেখকৰ লিখনীৰ প্ৰতি আপোনাৰ আগ্ৰহ বহুভাৱে জাত। বিদেশী কোনো লেখকে আপোনাক অনুপ্ৰাণিত বা আপোনাৰ গল্পত পৰোক্ষভাৱে প্ৰভাৱিত কৰা বুলি আপুনি অনুভৱ কৰে নেকি ?

শীলভদ্ৰঃ প্ৰত্যক্ষ বা পৰোক্ষভাৱে মোৰ ৰচনাত অসংখ্য লেখকৰ প্ৰভাৱ পৰিছে। এই কথা মই অকপটে স্বীকাৰ কৰিম। যৌৱনত মই বিভূতিভূষণ আৰু তাৰাশংকৰৰ বাংলা কিতাপ পঢ়িও অভিভূত হৈছিলোঁ। এবাৰ এগৰাকী অসমীয়া কবিৰ ওপৰত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ পৰিছে বুলি কোৱাত কবিজনে ৰবীন্দ্ৰনাথৰ কবিতা পঢ়াই নাই বুলি গৰ্ব কৰিছিল। মোৰ তেনেকুৱা মৌলিকতা নাই। অধ্যাপক উপেন শৰ্মাই মোৰ ৰচনাত চল বে'লৰ প্ৰভাৱ পৰিছে বুলি উল্লেখ কৰিছে। হ'ব পাৰে। চল বে'লৰ হাৰ্জগ, মিষ্টাৰ চেমলাবছ প্লেনেট, মচ্‌বিজ মেময়ৰ্ছ, আদি মোৰ প্ৰিয় কিতাপ। তাৰ নায়কবোৰো প্ৰায় বুঢ়া মানুহ। তেওঁৰ 'দ্য চিলভাৰ প্লেট' মোৰ অন্যতম প্ৰিয় গল্প।

# অভিযোগ

ৰাতিপুৱা চাহ-পানী খাই উঠিছোঁ মাত্র এনেতে বাৰাণ্ডাৰপৰা কোনোবাই মোক সৰুকালত মতা নামকাঢ়ি মাতিছে, "ভুটু, ভুটু আছনেকি অ'।" কোননো? নিশ্চয় আমাৰ সিফালৰে মানুহ। ইয়াত মোক এই নামেৰে মাতিব পৰা মানুহ কোননো আছে? বাহিৰ ওলাই দেখিলোঁ ব্রজেন বৰুৱা।

ব্রজেনদাক বহুত দিন পিছত দেখা পালোঁ। তেওঁক দেখি আনন্দত আত্মহাৰা হোৱাৰ কথা নহয়। নহলোঁও বৰং তেওঁ খুলি থৈ অহা গেটখনেৰে এটা গৰু সোমাই ডালিয়াজোপাত মুখ লগাব ধৰা দেখি গৰুটো খেদিবৰ কাৰণে মই লৰালৰিকৈ দৌৰি গলোঁ। পোনছাটেই তেওঁক মাত লগাবৰে নহ'ল, ব্রজেনদা অপ্রস্তুত হ'ব পাৰে, এইটো আৰু ভাবিবলৈকে নহ'ল। ডালিয়াকেইজোপা মোৰ বৰ মৰমৰ।

ড্ৰইংৰুমত বহি ব্রজেনদাই ক'লে, "কালি সন্ধিয়াপৰত আহি পালোঁ। তোৰ ইয়াতেই উঠিলোঁ হয়। পিছে বাছ ষ্টেছনৰ কাষতে যোগেন থাকে, তাৰ মেচতে উঠিলোঁ। যোগেন মোৰ মামাৰ ল'ৰা, ৰেলৱেত কাম কৰে। চিনি পাৱ কিজানি।" নাপাওঁ। কিন্তু একো নামাতিলোঁ। যোগেনৰ ইতিবৃত্ত জনাৰ আগ্রহ নাই। আচলতে মই উদ্বিগ্ন হৈ উঠিছোঁ। ব্রজেনদা এনেয়ে অহা নাই, মতলব আছে।

"তহঁতৰ ঘৰত মাত লগাই আহিছোঁ। বাকীবোৰৰ ভালেই। খুৰীৰ গাটোহে ভাল নাই।"

"কিয়? কি হৈছে?" মই উৎকণ্ঠিতভাৱে সুধিলোঁ।

"নাই তেনে একো হোৱা নাই। বয়স হৈছেতো। কিবা এটা লাগিয়ে থাকে। তোৰ লগতে আনি নাৰাখ কিয় অ'?" ব্রজেনদাৰ কণ্ঠত উপদেশৰ সুৰ।

ইয়াৰো উত্তৰ নাই। মাই চহৰত আহি থাকিলে জেলখানাত থকা যেন পায়। দিনৰ দিনটো আৰু কিমান ঘৰটোত সোমাই থাকিব? কাষে-পাঁজৰে সমনীয়া লগ এজনো নাই। দুই-চাৰি দিন থকাৰ পিছতে যাওঁ যাওঁকৈ অস্থিৰ হৈ উঠে।

মই উচপিচাই আছোঁ। ব্রজেনদাই অনর্গল কথা কৈ আছে। কথা বন্ধ কৰিলেই যেন আঁত হেৰাই যাব—এনে এটা ভাব।

"তই গাড়ী কিনিছ বোলে? কি গাড়ী? কিমানত কিনিলি?"

মই অলপতে দহ হেজাৰ টকাৰে এখন গাড়ী কিনিছোঁ। আদপুৰণি গাড়ী হ'লেও খুব ভাল অৱস্থাতে আছে। কিন্তু সেইবোৰ কথা কিয়? আজি মোৰ অৱস্থা যে ভীষণ বেয়া সেইটো

প্ৰমাণ কৰিব পাৰিলেই ভাল আছিল।

"নকৰা আৰু। গাড়ীখন কিনিয়েতো বিপদত পৰিলোঁ। পুৰণি গাড়ী, লেঠা লাগিয়েই আছে। পেলাবও নোৱাৰোঁ, ৰাখিবও নোৱাৰোঁ।"

"ভালেই কৰিছ, গাড়ী এখন লাগেও তোক। টুৰ কৰা কাম। ট্ৰেনে-বাছে ফুৰা আজিকালি যে কি দিগদাৰী নকবি আৰু। কেইমাইল যায়?"

"লিটাৰত ছয় মাইলমান যায় বোধহয়।"

"গেলনত কিমান যায় তাকে ক। লিটাৰ-ফিটাৰ আমি বুজি নাপাওঁ।"

মানে বেছ ঘৰুৱা ধৰণৰ কথা-বতৰা।

ব্ৰজেনদাই ইমানপৰে মোৰ মুখৰ ফালে চাই কথা পাতি আছিল। হঠাতে তেওঁৰ দৃষ্টি চঞ্চল হৈ উঠিল। লগে-লগে মোৰো উদ্বেগ বাঢ়ি গ'ল। এতিয়াহে আচল কথা ওলাই আহিব।

"ভুটু, তই এটা কাম কৰিব লাগিব ভাই। মোক পাঁচশমান টকা ধাৰলৈ দিব লাগিব। মই তোক দুমাহমানৰ ভিতৰতে ঘূৰাই দিম। একো ভয় নকৰিবি।"

মই ৰুমালখনেৰে কপালখন মচি ক'লোঁ, "ভয়ৰ কথা নহয়। মোৰ হাতত টকা থাকিলেহে দিব পাৰিম।"

"শুন, আমাৰ ঠিকাৰ কামৰ বিলবোৰ এতিয়াও পোৱা নাই। বহুত টকা সোমাই আছে। নকবি আৰু। অফিচৰপৰা টকা উলিয়াই অনা কি যে জঞ্জাল। অফিচাৰে নিজৰ ঘৰৰ টকা দিয়া যেন পায়। পিছে মই খবৰ লৈছোঁ। পাম। এই মাহৰ ভিতৰতে চেক পাম। তথাপি ক'ব নোৱাৰি ক'ত কি লেঠা লাগে। হাতত অলপ সময় ৰখা ভাল। সেই কাৰণে মই তোক দুই মাহৰ পিছত দিম বুলি ক'লোঁ। খুব সম্ভৱ আগতেই দিব পাৰিম।" অৰ্থাৎ তেওঁক টকাখিনি নিদিয়াৰ মোৰ সঙ্গত কোনো কাৰণ নাই। নিদিয়াৰ চেষ্টাটো মোৰ মগৰামিৰ লক্ষণ। তথাপি যথেষ্ট বীৰত্ব দেখুৱাই মই ক'লোঁ, "বিশ্বাস কৰা, সঁচাই মোৰ হাতত টকা নাই।"

"তই ক'লেই হ'ল নে?" ব্ৰজেনদাই ঘৰৰ চাৰিওপিনে দামী আচবাব-পত্ৰৰ ওপৰেদি এপাক চকু ফুৰাই আনি ক'লে, "আচল কথা মই তোৰ টকাখিনি মাৰি দিম বুলি ভাবিছ।" ব্ৰজেনদাৰ কণ্ঠত অভিমান আৰু ক্ষোভ।

হয়। আচল কথা এইটোৱেই। কিন্তু কওঁ কেনেকৈ? অসম্ভৱ খং উঠি গ'ল। কিন্তু প্ৰকাশ কৰিব নোৱাৰোঁ। মই গাড়ী কিনিছোঁ। চহৰত মাটি লৈছোঁ। ঘৰো বান্ধিম। মোৰ সুখ-সুবিধাৰ কাৰণে মই টকা উপাৰ্জন কৰিছোঁ। মই এটা দাতব্য প্ৰতিষ্ঠান নহওঁ। বিলাই দিবৰ কাৰণে মই পইচা ঘটা নাই। আৰু ব্ৰজেন বৰুৱাৰ নিচিনা মানুহক দিবৰ কাৰণে নিশ্চয় নহয়। ঠিকাৰ কামৰ বিলৰ কথা মই জানো। তেওঁ শইকীয়াৰ লগত ঠিকাৰ কাম কৰিছিল বুলি শুনিছিলোঁ। তেওঁ নিজকে শইকীয়াৰ 'পাৰ্টনাৰ' বুলি কয়। মই ভালকৈয়ে জানো। শইকীয়াই নিজে মোক কৈছে। একো কাম-বন নাই, ল'ৰা-ছোৱালীবোৰে নাখাই মৰে কাৰণেই শইকীয়াই তেওঁক ডেৰশ টকা দৰ্মহা দি কাম চাবৰ কাৰণে ৰাখিছিল, কিন্তু হিচাপত বহুতো কিবাকিবি বেমেজালি কৰাৰ কাৰণে এৰি দিছে। বিতৃষ্ণাত মুখখন বিকৃত কৰি শইকীয়াই মোক কৈছিল, "কি হ'ব এই

মানুহজনৰ? এনেভাৱে চলিবলৈ আৰম্ভ কৰিলে যেন তেঁৱেই মালিক। কেম্পত কি খোৱা-বোৱাৰ ধুম। তথাপি মই সহ্য কৰি আছিলোঁ। পিছে চোৰাংকৈ পি.ডব্লিউ. ডি.-য়ে দিয়া চিমেন্ট বিক্ৰী কৰিবলৈ আৰম্ভ কৰিলে। নাই, এনে মানুহক কামত ৰাখিব নোৱাৰি। বদনাম হ'ব মোৰহে। খেদাই দিলোঁ। মানুহৰ আগত কৈ ফুৰে মই তেওঁক ঠগিলোঁ বুলি।"

হঠাতে ব্ৰজেনদাৰ মুখখন কোঁচ খাই গ'ল। কন্দাৰ আগতে মানুহৰ মুখৰ যেনে ভাব হয় তেনেকুৱা। মই অত্যন্ত ভীতিগ্ৰস্ত হৈ পৰিলোঁ। কান্দিবই নেকি? লাজ, হতাশা আৰু ক্ষোভ সকলোবোৰ অনুভূতি লগ লাগি তেওঁৰ গোটেই মুখখন বিকৃত কৰি পেলালে। মই চকু ঘূৰাই আনিলোঁ। ঈৰ্ষা আৰু ঘৃণা তেওঁৰ চকুত নগ্নভাৱে জিলিকি উঠিছে। নিজক চম্ভালি তেওঁ কৰুণভাৱে ক'লে, "একো উপায় নাই ভাই। শেষ চেষ্টা হিচাপে তোৰ তালৈকে আহিছিলোঁ।" তোৰ বৌৱেৰৰ গল-ব্লাডাৰত পাথৰ হৈছে। অপাৰেশ্বন নকৰিলে নাবাচে। কেতিয়াবাই কৰিব লাগিছিল। হাতত এটা পইচা নাই। ক'ৰবাৰপৰা যোগাৰ কৰি দে। হাতত নাথাকিলেও তইঁতৰ পক্ষে দুই-চাৰিশ টকা যোগাৰ কৰি দিয়া একো টান কথাই নহয়।"

ব্ৰজেনদাই মোক মোৰ আগৰ উক্তিৰ বান্ধৰপৰা ফালৰি কাটি ওলাবৰ এটা বাট দেখুৱাই দিলে। উপায় নাই। ময়ো সেই বাটেৰে আগবাঢ়িলোঁ।

"চাওঁচোন কি কৰিব পাৰোঁ। এতিয়াতো নহ'ব। তুমি আবেলি এপাক আহিব পাৰিবা নে?"

"কিয় নোৱাৰিম? আহিবই লাগিব। তোৰ ল'ৰা দুটা ক'ত?"

"তেওঁ মাকৰ ঘৰলৈ গৈছে। আহিব দুই এদিনৰ ভিতৰতে।"

"স্কুলত দিছনে নাই? কিমান ডাঙৰ হ'লনো? তয়ো ঘৰৰ ফালে যোৱা একৰকম বাদেই দিছ।" ইত্যাদি ইত্যাদি।

ব্ৰজেনদাই আকৌ অনৰ্গল কথা কৈ আমাৰ দুয়োজনৰ মাজত অলপ আগতে টকা-পইচাৰ কথা লৈ হৈ যোৱা ধস্তাধস্তিৰ চিন ঢাকিবৰ চেষ্টা কৰিলে। মই হাৰিলোঁ। কিন্তু উপায় নাই। ছাত্ৰ অৱস্থাত মোৰ ঘৰৰ অৱস্থা ভাল নাছিল, মানে বৰ বেয়াই আছিল। ব্ৰজেনদাৰ হাতত তেতিয়া টকা আছিল। তেওঁ নিজেই মোৰ খবৰ কৰি উপযাচি মোক দৰকাৰ মতে মাজে-সময়ে টকা ধাৰলৈ দিছিল। মই অৱশ্যে ঘূৰাই দিছোঁ। তেতিয়া মোৰ আগত আছিল ভৱিষ্যৎ। বৰ্তমানে ব্ৰজেনদাৰ সপক্ষে আছে অতীত। মই যে হাৰিম, জনা কথা।

মনত আছে বেঙ্কৰপৰা তুলি ব্ৰজেনদাক তিনি শ টকা দিছিলোঁ। ব্ৰজেনদাই নোচোৱাকৈয়ে টকাখিনি জেপত ভৰাই নানা ধৰণৰ কথা পাতি আছিল। ৰাতি বোধহয় মোৰ তাতে ভাতো খালে। ব্ৰজেনদাই আজিলৈকে সেই টকা মোক ঘূৰাই দিয়া নাই। ময়ো বিচৰা নাই। নাপাওঁ বুলি জানিয়েই দিছিলোঁ। বৌৰ অপাৰেশ্বন নহ'ল। আগতেই ঢুকাল। দুৰ্বল শৰীৰক নানা ব্যাধিয়ে আগুৰি ধৰিছিল। হাৰ্টফেল কৰিলে। ব্ৰজেনদাৰ অৱস্থা আৰু বেয়া হৈছে। মাজতে হেনো মৰাপাটৰ কাৰবাৰ কৰিছিল। কাৰবাৰ মানে আচলতে এজন মাৰোৱাৰী মহাজনৰ হৈ গাৱঁৰপৰা মৰাপাট কিনিছিল। তাতো হেনো কিবা গণ্ডগোল লগালে। এই ধৰণৰ কথা। মোৰ টকাখিনিৰ

কথা মই পাহৰিয়ে গৈছিলোঁ। মাজতে কেইবাবাৰো ব্ৰজেনদাক লগ পালেই মোৰ টকাখিনি অলপতে ফিৰাই দিব বুলি তেঁৱেই মাজে-সময়ে সোঁৱৰাই দিছিল। মই অতীতৰ ঋণৰ অলপ প্ৰতিদান দিছোঁ—এই ধৰণে লৈছোঁ। আৰু তেওঁতো মোৰপৰা ভিক্ষা লোৱা নাই, পাৰিলেই সুজিব। কাজেই এই লৈ দুয়োপক্ষৰ মাজত কোনো অস্বস্তিৰ সৃষ্টি হোৱা নাছিল।

ব্ৰজেন বৰুৱা হ'ল আমাৰ গাৱঁৰ গোবিন্দ জেঠাৰ ল'ৰা। একে চুবুৰীৰে। তেনে একো সম্বন্ধ নাই। একে গাৱঁৰে একেলগে ডাঙৰ-দীঘল হোৱা স্বজাতি মানুহ। মই তেওঁক দাদা বুলি মাতোঁ, ইফালে তেওঁৰ ল'ৰা-ছোৱালীয়ে মোক দাদা বুলি মাতে। এই, আৰু কি?

গোবিন্দ জেঠা যথেষ্ট প্ৰতাপশালী মানুহ আছিল। ধান-চাউলৰ কাৰবাৰ কৰি প্ৰচুৰ টকা আৰ্জিছিল। তেওঁ সেই খণ্ডত চহকী মানুহ বুলি জনাজাত আছিল। ব্ৰজেনদা ঘৰৰ একমাত্ৰ সন্তান। সেই কাৰণে সৰুৰেপৰা তেওঁ বৰ আলসুৱা আছিল। চহৰৰ কলেজত পঢ়িবলৈ গৈ কেইদিনমানৰ পিছতে ঘৰলৈ উভতি আহিল। আৰু নগ'ল। হোষ্টেলৰ মোটা চাউলৰ ভাত, আৰু যিহে খাৱন, সেইবোৰ খাই তেওঁ তিষ্ঠিব নোৱাৰে। জহা চাউলৰ ভাত খাবৰ কাৰণে পঢ়া এৰিলে, আৰু পঢ়া এৰিলে কাৰণে এতিয়া ভাতকে নোপোৱা হৈছে।

হঠাতে গোবিন্দ জেঠা ঢুকাল। মই তেতিয়া ক্লাছ নাইন নে টেনত। তেওঁ টকা-পইচা যথেষ্ট ৰাখি গৈছিল। আগৰ কাৰবাৰ চলাই থকা হ'লে ব্ৰজেনদাই ভালকৈয়ে চলি থাকিব পাৰিলেহেঁতেন কিন্তু ব্ৰজেনদাই ধান-চাউলৰ কাৰবাৰত হাতকে নিদিলে। বৰ পুৰণি ধৰণৰ কাৰবাৰ। আভিজাত্য নাই।

তেওঁ কাপোৰৰ দোকান দিলে। চহৰৰপৰা দামী দামী কাপোৰ আনি চহৰৰ ধৰণেৰে স্নো-কেচেৰে দোকান সজালে। সৰু ঠাইত এইবোৰ দামী কাপোৰ কিনে কোনে? বিক্ৰী নোহোৱা নহয়, বিক্ৰী হ'ল কিন্তু বাকীত। ব্ৰজেনদা বাকী সাধি ফুৰা মানুহ নহয়। দোকান উঠি গ'ল। ভালেখিনি টকা নষ্ট হ'ল।

বাকী টকাখিনিৰে তেওঁ এখন ট্ৰাক কিনিলে। ড্ৰাইভাৰৰ ওপৰতে নিৰ্ভৰ। লাভ একো নাই। কিবা মেৰামতি কৰিব লগা হ'লে ঘৰৰপৰাহে টকা দিবলগীয়া হয়। লাহে লাহে ট্ৰাকখনৰ প্ৰতিও তেওঁৰ মন-কাণ নোহোৱা হ'ল। ক'ৰবাৰ দূৰৈৰ পাহাৰী বাটত গৈ ট্ৰাকখন মাজ বাটতে বেয়া হৈ থাকিল। তেনেকৈয়ে থাকিল গোটেই বাৰিষাটো বাটতে পৰি। তেনেকৈ থাকোঁতে ট্ৰাকৰ বডিৰ ফাকেৰে গছ গজিল। পাৰ্টছবোৰো নোহোৱা হ'বলৈ ধৰিলে এটা এটাকৈ। শেষত তেনে অৱস্থাতে নাম মাত্ৰ দামতে মাৰোৱাৰী মহাজন এজনৰ তাত বিক্ৰী কৰি তেওঁ যেনিবা মুক্তি পালে।

এনেকৈয়ে টকা-পইচা নাথাকিলেও পুৰণি আভিজাত্যবোধ তেওঁৰ পূৰাদমে থাকি গ'ল। সৰু-সুৰা সাধাৰণ কাম কৰিবলৈ গলে তেওঁৰ সম্মানত আঘাত লাগে; কিন্তু ভাল ডাঙৰ কাম কিবা কৰাৰ শিক্ষা, সামৰ্থ্য আৰু যোগ্যতা কোনোটোৱেই নাই। পিছত অৱস্থাৰ হেঁচাত সৰু কাম আৰু ডাঙৰ বাক্য তেওঁৰ সম্বল হ'ল।

এনেকৈয়ে চলি আছে। মযেই বুঢ়া হ'লোঁ। মূৰৰ চুলি পকিবলৈ আৰম্ভ কৰিছে। ব্ৰজেনদা

মোতকৈ সাত-আঠ বছৰে ডাঙৰ। এই বয়সত আৰু ক'তনো কি কৰিব? এনেকৈয়ে চলিব। ব্ৰজেনদাৰ ডাঙৰজন ল'ৰা সমীৰ। তাৰো একো নহ'ল। মদ-ভাঙো খায় বুলি শুনিছোঁ। ঘৰৰ লগত তাৰ সম্বন্ধ নাই। একো খবৰো নলয়, নিদিয়েও। কেতিয়াবা কাৰোবাৰ মুখত খবৰ আহে, নগাওঁত ট্ৰাকৰ হেণ্ডিমেনৰ কাম কৰিছে। কিছুদিন পিছতে তেজপুৰৰ ফালে কোনোবা চিনাকি মানুহে বাছৰ ড্ৰাইভাৰ হৈ থকা দেখা পালে বোলে। শেহতীয়া বাতৰি মতে ডিব্ৰুগড়ৰ কাষৰ চাহ বাগিচা এখনত ফিটাৰৰ কাম কৰি আছে।

সিবাৰ গাওঁৰ ঘৰলৈ যাওঁতে শুনিলোঁ ব্ৰজেনদাৰ অসুখ। হাপানি-কাঁহ আগৰপৰাই আছিল। এতিয়া হেনো বেছি হৈছে। সন্ধিয়া খবৰ ল'বলৈ গ'লোঁ। ঘৰৰ অবস্থা শোচনীয়। চল্লিছ বছৰৰ আগতে গোবিন্দ জেঠায়ে বন্ধা ঘৰ। আগৰ দিনৰ প্ৰকাণ্ড খুটি পুতি বন্ধা বিৰাট ঘৰ। খুটাৰ গুৰিবোৰ উঁয়ে খাই তলৰ ফালে একো নোহোৱা কৰিছে। গোটেই ঘৰটো একফালে কাতি হৈ আছে। কেতিয়া বাগৰি পৰে ঠিক নাই। বেৰ-চেৰ ভাগি আছে, ইচ্ছা কৰিলেই চোৰ সোমাব পাৰে। অৱশ্যে চোৰে ল'ব পৰা বস্তু ঘৰত যে কিবা আছে সন্দেহ।

বাহিৰৰ কোঠাটোত তিনিজন ডেকা ল'ৰা বহি ভিতৰৰ ফালে যোৱাৰ দুৱাৰডলিত থিয় হৈ থকা ছোৱালী এজনীৰ লগত কথা পাতি আছে। বুজিলোঁ এইজনীয়েই মিনতি, ব্ৰজেনদাৰ ছোৱালী। মাজতে বহুদিন দেখা নাই। বেছ ডাঙৰ হৈছে। ধুনীয়াজনী হৈ উঠিছে। ধুনীয়াৰ কথা ঠিক ক'ব নোৱাৰোঁ, কিন্তু প্ৰথমতেই চকুত পৰে ছোৱালীজনীৰ অতুলনীয় কমনীয়তা। শান্ত, স্নিগ্ধ, লাজুকী কোমলতা। ছোৱালীজনীয়ে মোক দেখি মাত লগালে, "আহক, দেউতাৰ গা ভাল নাই। শুই আছে, ভিতৰলৈ আহক।" মই দুৱাৰমুখৰপৰা ক'লোঁ, "মোক চিনি পাইছা নে?" ছোৱালীজনীয়ে লাজকুৰীয়া হাঁহি মাৰি কলে, "পাইছোঁ।" হাঁহিখিনি অত্যন্ত স্নিগ্ধ আৰু কোমল। ল'ৰাকেইটাক দেখি মোৰ কিন্তু ভ্ৰূ কোঁচ খাই গ'ল। ঘৰত অইন মানুহ কোনো নাই। ব্ৰজেনদা অসুখত বিছনাত পৰি আছে। ভালে থাকিলেও নো কি? ক'ত ঘূৰি ফুৰে, কেতিয়া ঘৰলৈ আহে, কি পাত্তা। গাভৰু ছোৱালী থকা ঘৰত ৰাতিখন কি এইবোৰ ডেকা ল'ৰাৰ আড্ডা। মানুহৰ এটা দায়িত্বজ্ঞান থকা উচিত। ব্ৰজেনদাৰ ওপৰত মোৰ বিৰক্তি বাঢ়ি গ'ল।

মই ভিতৰত সোমোৱাৰ লগে লগে ল'ৰাকেইজনে "মিনতি, আমি যাওঁ দেই" বুলি গুচি গ'ল।

ব্ৰজেনদাৰ চেহেৰা সঁচাকৈয়ে বৰ বেয়া হৈছে। টানি টানি উশাহ লৈছে। কথা কওঁতে বেছ প্ৰয়াস কৰিব লগা হৈছে।

"ভুটু, আহিছ। বহ। তই ঘৰলৈ অহা খবৰ পাইছোঁ।"

ঘৰৰ ভিতৰৰ পৰিস্থিতি অত্যন্ত অসহনীয়। মজিয়াৰ চিমেণ্ট প্লাষ্টাৰ উঠি গৈছে। এফালে ওখ হৈ আছে, এফাল বহি গৈছে। বিছনাখনৰ অৱস্থা জৰাজীৰ্ণ। পুৰণি ঘৰৰ ভেকুৰা গোন্ধটোও অস্বস্তিকৰ। মই ব্ৰজেনদাক সুধিলোঁ, "কি চিকিৎসা কৰাইছা?"

ব্ৰজেনদাই বিৰক্তভাৱে ক'লে, "কিহৰ চিকিৎসা? মোৰ এনেকুৱা অসুখ হৈয়ে থাকে।

দুদিন পিছতে ভালো পাম। একো নহয়। কিহৰ চিকিৎসা কৰিব লাগিছে?"

সিদিনা ব্ৰজেনদাৰ তাত বেছিপৰ থকা নাছিলোঁ। ব্ৰজেনদাই চাহ খোৱাৰ কথা কৈছিল। মিনতি লাজতে ৰঙা পৰি কৈছিল, "গাখীৰ নাই।" ব্ৰজেনদাই খং কৰি ক'লে, "ভবেন খুৰাৰ ঘৰৰপৰা অলপ গাখীৰ লৈ আহগৈ।"

"কিয় লাগিছে এই ৰাতিখন গাখীৰ আনিবলৈ যাবলৈ?"

মোৰ মাতত বিৰক্তিখিনি বোধহয় ওলাই পৰিছিল। ব্ৰজেনদা অস্বস্তিকৰভাৱে নিস্তেজ হৈ শুই থাকিল। অলপ পিছতে মই গুচি আহিলোঁ।

ৰাতি মোৰ ভালকৈ টোপনি নহ'ল। চহৰত ফেনৰ তলত শোৱা অভ্যাস। গৰমত চটফটাই আছিলোঁ। টোপনি নাহিলে নানা ৰকম চিন্তাই আগুৰি ধৰে। মূৰটো গৰম হৈ যায়। ব্ৰজেনদাৰ ঘৰত দেখা ল'ৰাকেইটাৰ ওপৰত খং উঠিল আৰু লগতে ব্ৰজেনদাৰ ওপৰতো। ব্ৰজেনদাৰ ঘৰত বান্দৰকেইটাৰ কি কাম? সিহঁতৰ লগৰ বন্ধু কোন আছে তাত? ফুলৰ নিচিনা—এৰা মিনতিৰ কথা মনত পৰাৰ লগে লগে মোৰ ফুলৰ কথা মনত পৰিল—কোমল ছোৱালীজনীক নষ্ট কৰাৰ মতলব। ব্ৰজেনদাৰেই বা কি আক্কেল? তেওঁ প্ৰশ্ৰয় নিদিলে তাত গৈ আড্ডা জমাবৰ সাহস কৰিব পাৰেনে? ধাৰো ল'ব পাৰে, কি ঠিক?

ইয়াৰ পিছত ব্ৰজেনদা মোৰ তালৈ এদিন আহিল, টকাখিনি এতিয়া দিব নোৱাৰে বুলি খবৰটো দিবৰ কাৰণে। মানুহজন আৰু বুঢ়া হৈছে, আগতকৈ কথাও কম কয় যেন লাগিল। লোকৰ আগত নিজকে যোগ্যতাসম্পন্ন মানুহ বুলি দাঙি ধৰাৰ চেষ্টা কৰি থকাৰ শক্তি নাই। অথবা প্ৰয়াসটো বোধহয় অৰ্থহীন বুলি ধৰা পৰি গৈছে। এইবাৰ তেওঁ অহাত মই আতংকগ্ৰস্ত হৈ উঠা নাই। তেওঁৰ প্ৰতি সস্নেহ প্ৰশ্ৰয়ৰ ভাব এটাহে মোৰ মনত বিস্তাৰ লাভ কৰিছে। তেওঁক বেছ চিন্তাগ্ৰস্ত যেন দেখা পালোঁ। কিবা এটা কথা আৰম্ভ কৰিলেও শেষ পৰ্যন্ত টানি লৈ যাবৰ শক্তি নাই। গোটেই জীৱনৰ অক্ষমতা, অসম্পূৰ্ণতা আৰু তাৰে মাজতে নিজৰ বীৰত্ব দেখুৱাবৰ নিষ্ফল অভিনয়ৰ কৰুণতাই তেওঁক যেন ৰিক্ত কৰি পেলাইছে। হঠাতে তেওঁ কৈ উঠিল, "ক'ৰপৰা দিওঁ তোৰ টকা? মিছাকৈ ভাও দি কি লাভ? কোনোফালে এটা পইচা পাবৰ বাট নাই। পেটৰ ভাতকেইটা মোকোলোৱাই টান। অকলে হোৱা হ'লে একো কথাই নাছিল। বাটে-ঘাটে ক'ৰবাত মৰি থাকিলোঁ হয়। বচ লেঠা মৰি গ'ল। ছোৱালীজনীক লৈহে হৈছে কথা। বিয়া দিবৰ উপায় নাই। যাকে-তাকে দিবৰ মনো নাযায়। কিন্তু ভাল দৰা বিচাৰিলেই বা পাম ক'ত? মিনতিক তইতো দেখিছ। পিছে অকল ছোৱালী চালেইতো নহ'ব, মোৰ দৰে লোফাৰৰ ছোৱালীক ভাল দৰা এজনে বিয়া কৰিবলৈ ওলাবইবা কিয়?" অলপ নিমাত থাকি ব্ৰজেনদাই ক'লে, "পঢ়াতো ভাল আছিল। ইমান কষ্টৰ মাজতো পঢ়ি এইবাৰ ফাৰ্ষ্ট ডিভিজনত মেট্ৰিক পাছ কৰিছে। কলেজত পঢ়ুৱাম কেনেকৈ? প্ৰশ্নই নুঠে। গাৱঁৰ হাইস্কুলতে কোনো ৰকমে পঢ়ি আছিল। পঢ়াবও নোৱাৰিম, বিয়াও দিব নোৱাৰিলোঁ।"

মই বেছ গৰম বোধ কৰিলোঁ। ফেনখন বন্ধ হৈ আছিল। চলাই দিলোঁ। ব্ৰজেনদা আকৌ গভীৰ চিন্তাত বুৰ গ'ল। হঠাতে জোৰ কৰি আটাইখিনি সংকোচ ঠেলা মাৰি দি তেওঁ ক'লে,

"মিনতিক তোৰ ইয়াতে ৰাখিব পাৰিবি? ইয়াতে থাকি পঢ়িব।"

মই চক খাই উঠিলোঁ। অসম্ভৱ কথা, ব্ৰজেনদাৰ লগত মোৰ সম্বন্ধ ধৰিলে আছে, নধৰিলে নাই। পৰৰ ছোৱালী এজনীৰ দায়িত্ব মই ল'ম বুলি তেওঁ ভাবিব পাৰিলে কেনেকৈ? আৰু মোৰ কথাতেতো নহ'ব। পৰিবাৰকো সুধিব লাগিব। তেওঁ অহেতুক জঞ্জাল এটা গাত পাতি ল'বলৈ যাব কিয়? ব্ৰজেনদাৰ এয়েই দোষ। যাৰ লগত ভাল, খুব ভাল। যাক আপোন বুলি ভাবে তাক নিজৰ লগাভগা বুলিয়ে ভাবে। অপৰ পক্ষৰ প্ৰতিক্ৰিয়া কি ধৰণৰ হ'ব পাৰে সেইখিনি বিশ্লেষণ কৰি নাচায়।

ব্ৰজেনদা সিদিনাই গুচি গ'ল, কিন্তু মোক চিন্তাত পেলাই গ'ল। সঁচা, ছোৱালীজনীক ঘৰত বহাই থোৱাটোও যুক্তিযুক্ত কথা নহয়। মধু মহাজনৰ ল'ৰা, আৰু বাকীবোৰক চিনিও নাপাওঁ, সিহঁতক ব্ৰজেনদাৰ ঘৰত আড্ডা মাৰি থকা মই নিজ চকুৰে দেখি আহিছোঁ। নিশ্চয় মতলব ভাল নহয়। মোৰ নো তাতে কি? তথাপি। লীলাক কথাটো ক'লোঁ।

"পাগলৰ কাৰবাৰ দেখিছানে?"

"কি হ'ল?"

"ব্ৰজেনদাই কি ক'লে জানা? মিনতিক আমাৰ ইয়াতে ৰাখি কলেজত পঢ়ুৱাৰ কথা ক'লে।"

"আপুনি কি ক'লে?"

"মই তৎক্ষণাৎ কি কম? একো কোৱা নাই।"

"ভাবিবৰ কি আছে? পঠিয়াবলৈ কওক। ইমান মৰম লগা ছোৱালীজনী। পঢ়াৰ কাৰণে কি আগ্ৰহ। গাৱঁলৈ গলে তাই মোৰ কাষতে আহি ঘূৰ ঘূৰ কৰি থাকে।"

মই অলপ আচৰিত হ'লোঁ। মোৰ পৰিবাৰে কোনো ৰকম জঞ্জাল ভাল নাপায়। সিমান লগ বিচাৰি নুফুৰেও। ল'ৰা দুজন আৰু মোক লৈয়েই তেওঁ সন্তুষ্ট। মই তথাপি ক'লোঁ, "ভাবি চোৱা, লোকৰ গাভৰু ছোৱালী এজনী ৰখাটো বৰ দায়িত্বৰ কথা। অৱশ্যে আমাৰ ঘৰত ডেকা ল'ৰা নাই। আমি কম বয়সত বিয়া কৰালে আমাৰ ছোৱালী তাইতকৈ ডাঙৰ হ'লহেঁতেন কিজানি।"

"সেইবোৰ বাজে কথা বাদ দিয়ক।" তেওঁ অলপ টানভাৱেই ক'লে। মই মনে মনে থাকিলোঁ।

মিনতিয়ে সহজভাৱে আমাৰ ঘৰৰ লগত নিজকে খাপ খুৱাই ল'লে। দৰিদ্ৰ অৱস্থাৰ ল'ৰা-ছোৱালীৰ উগ্ৰ আত্মসচেতনবোধ আৰু প্ৰতিৰক্ষামূলক মনোভাৱ তাইৰ নাছিল। সহজভাৱে মিলি গ'ল।

ইয়াৰ পিছত ব্ৰজেনদা ঘনাই ঘনাই মোৰ ইয়ালৈ আহিবলৈ আৰম্ভ কৰিলে। মাজে-সময়ে দুই এদিন থাকিবও ধৰিলে। আমি একো বিৰক্তি বোধ কৰা নাই। মানুহজনৰ প্ৰতি মই এক আন্তৰিক সহানুভূতি বোধ কৰিছিলোঁ। আজিকালি তেওঁ নিজৰ অৱস্থাটো সহজভাৱে মানি লৈছে। অসুখটোও বেছি হৈছে। শেষত তেওঁ মোৰ তাতেই প্ৰায় স্থায়ীভাৱে থাকিবলৈ আৰম্ভ কৰিলে। অৱশ্যে তেওঁ যিমান পাৰে নিজকে সঙ্কুচিত কৰি ৰাখিছিল। একোণে সৰু কোঠা এটাত তেওঁ থাকিবলৈ ললে। একে ঘৰতে থাকিও তেওঁ আমাৰ মাজৰপৰা আঁতৰি ৰ'ল।

কোঠাটোত সোমাই থাকে। বাগানৰ মালী, গাড়ীৰ ড্ৰাইভাৰ এইবোৰৰ লগত মাজে-সময়ে কথা পাতে। খাবৰ সময়তো আমাৰ লগত নবহি আগতে পাকঘৰতে খাই লয়। আমি আপত্তি কৰাত কিবা এটা অজুহাত দেখুৱাইছিল, মনত নাই। অকল আমাৰ লগতে নহয়, মিনতিৰ লগতো তেওঁৰ সম্বন্ধ নোহোৱা যেন হৈছিল। মিনতিকো তেওঁ একৰকম এৰাই চলিছিল। চেষ্টাকৃতভাৱে নহয়। যেন মিনতি সম্বন্ধেও তেওঁ সম্পূৰ্ণ উদাসীন। আমি মাতি আনিলেও তেওঁ মনে মনে বহি থাকি অলপ পিছতে কিবা এটা চেলু উলিয়াই নিজৰ কোঠাটোলৈ গুচি যায়।

এনেতে তেওঁৰ অসুখ বেছি হ'ল। খবৰ লওঁতে একো হোৱা নাই বুলি ক'লে। এনেয়ে গাটো অলপ ভাল লগা নাই। মই বুজি পালোঁ অসুখ টান। ডাক্তৰেও তাকে ক'লে। ল'ৰাৰ খবৰ সোধাত ব্ৰজেনদাই তাৰ ঠিকনা নাজানে বুলি ক'লে।

ডাক্তৰে চাই যোৱাৰ পিছত তেওঁ ক'লে, "কিয়নো ব্যস্ত হৈছ? মৰোঁ যদি মৰিম। ইমান দিনে জীয়াই থাকি কিনো কৰিলোঁ। ছোৱালীজনী তোৰ তাতে আছে, ভালেই আছে। গাৱঁৰ মাটি-বাৰী শইকীয়াৰ তাত বন্ধকত আছে, তেঁৱে ল'ব।" কৰুণ এটা হাঁহি মাৰি ক'লে, "শইকীয়াই মই চিমেন্ট চুৰ কৰিছোঁ বুলি হুলস্থুলখন লগালে। তেওঁ নিজে শ-শ বস্তা চিমেন্ট মাৰি পকীঘৰ সজালে। মই দুই বস্তা চিমেন্ট ভবেন খুৰাক দিছিলোঁ। ভুল হৈছে, মানো। দিয়াৰ মোৰ অধিকাৰ নাছিল। পিছে বিক্ৰী কৰা নাছিলোঁ, এনেয়ে দিছিলোঁ। কুৱাঁৰ কাষখিনি পিছল হৈ ভৰি দিব নোৱাৰা হৈছিল। খুৰীয়ে পৰি এদিন কঁকালত দুখ পালে। কাষখিনি বন্ধাই ল'বৰ কাৰণে দুই বস্তা চিমেন্ট দিছিলোঁ।" মই ক'লোঁ, "বাদ দিয়া এইবোৰ পুৰণি কথা। কিয় এইবোৰ কথা ভাবি মনটো বেয়া কৰিছা?"

"নাই, মই দুখ কৰা নাই। এনেয়ে কৈছোঁ। গোটেই জীৱন অশ্ৰদ্ধা আৰু অপমান পাই আহিছোঁ। মোক দেখিলেই মানুহ বিৰক্ত হৈছিল। তয়ো হৈছিলি।"

কিবা প্ৰতিবাদ কৰিব খোজাত তেওঁ ক'লে, "নাই, তোক মই দোষ দিয়া নাই। হ'বৰ কথাই। ময়ো বুজিও নুবুজাৰ ভাও ধৰি আছিলোঁ। নহলে জীয়াই থাকিলোহেঁতেন কেনেকৈ? এতিয়া আৰু ভাও দি লাভ নাই, শক্তিও নাই। ছোৱালীজনীৰ ভাৰ তই লৈছ। নিশ্চিন্ত হৈ মৰিব পাৰোঁ।" অৰ্থাৎ? এইবোৰ কি কথা?

মোৰ ওপৰত ব্ৰজেনদাৰ প্ৰত্যয় দেখি অভিভূত হৈ পৰিলোঁ। কেইদিনমানৰ পিছতে ব্ৰজেনদা ঢুকাল। আমাৰ ঘৰখনেই মিনতিৰ নিজা ঘৰ হৈ পৰিল। আগতেই তাই নিজৰ ঘৰৰ দৰে আছিল, এতিয়া অৱস্থায়ো বাধ্য কৰিলে।

মিনতিৰ বি. এ. পৰীক্ষাৰ কেইদিনমান আগতে হঠাতে এদিন সমীৰ আমাৰ ঘৰত ওলালহি। নীলাই থাকিবলৈ ক'লে। থাকিল। মিনতিয়ে সমীৰক নিঃসংকোচে সোধপোছ কৰিলে। খাবৰ সময়ত তায়ে জোৰ কৰি ইটো-সিটো খাবলৈ দিলে। পিছদিনা সমীৰ বহুত ৰাতি ঘৰলৈ উভতিল। আহিয়েই যথেষ্ট গাম্ভীৰ্য সহকাৰে মোক ক'লে, কাইলৈ ৰাতিপুৱাই সি যাব। মিনতিকো লগতে লৈ যাব। সতীয়া মদ খাই আহিছে। উৎকট গোন্ধ ওলাইছে। এতিয়া তাৰ লগত তৰ্ক কৰি

লাভ নাই। ক'লোঁ, "বহুত ৰাতি হৈছে। এতিয়া খাই-বই লোৱা। কাইলৈ ৰাতিপুৱা কথা হ'ম।" সি মুখখন অসম্ভৱ ৰকমে বিকৃত কৰি ক'লে, "এওঁ দয়াৰ সাগৰ ওলাইছে। ধুনীয়া ছোৱালী হাতত পৰিলে সকলোৱে দয়াৰ সাগৰ হয়।" লগতে মিনতি সম্বন্ধে মোৰ আচল উদ্দেশ্য কি সেই বিষয়ে এটা অত্যন্ত অশ্লীল মন্তব্য কৰিলে। মোৰ উচিত আছিল তাৰ গালত প্ৰকাণ্ড এটা চৰ মাৰি দিয়াটোৱে। কিন্তু মোৰ বয়স বঢ়াৰ লগে লগে 'ব্লাড প্ৰেছাৰ' অলপ বাঢ়ি আহিছিল। মই এটা অথিৰ-অবিৰ ভাব বোধ কৰিলোঁ। গোটেই কোঠাটো মোৰ চকুৰ আগত দুলিবলৈ আৰম্ভ কৰিলে।

মই ধপ কৰি চোফাখনত কোনো ৰকমে বহি আতংকপূৰ্ণ বিহ্বল দৃষ্টিৰে সমীৰৰ ফালে চাই থাকিলোঁ। সমীৰ অহালৈ লীলা আৰু মিনতিয়েও বাট চাই আছিল। সমীৰ অহা গম পাই লীলাই শোৱা কোঠা আৰু মিনতিয়ে তাইৰ পঢ়া কোঠাৰপৰা ইতিমধ্যে আহি ওলাইছে। মিনতি স্তব্ধ হৈ দুৱাৰমুখতে শিলৰ মূৰ্তিৰ নিচিনাকৈ থিয় হৈ থাকিল। লীলাই লৰালৰিকৈ মোৰ কাষলৈ আহি মোৰ কান্ধত এখন হাত ৰাখি সমীৰৰ ফালে চাই অসম্ভৱ ৰকমৰ শান্ত স্বৰেৰে ক'লে, "সমীৰ, এওঁৰ গা ভাল নাই। তোমাৰ যি ক'ব লগা আছে কাইলৈ পুৱা কবা। পিছে মই মিনতিক তোমাৰ লগত এৰি নিদিওঁ। তুমি যি কৰিব পাৰা কৰিবা।" বোধহয় মোৰ অৱস্থা দেখি অথবা লীলাৰ শান্ত কিন্তু স্পষ্ট মাত শুনি সমীৰ অলপ অপ্ৰস্তুত হৈ পৰিছে। বাৰু সি এতিয়াই গুচি যাব। কিন্তু সিও সহজ মানুহ নহয়। ভালকৈ চাই ল'ব। লীলাই কঠিন মাতেৰে ক'লে, "ভাল কথা। যোৱা তুমি এতিয়াই গুচি যোৱা। যি পাৰা কৰিবা।" সমীৰে ভোৰভোৰাই গোৰ মাৰি দুৱাৰখন খুলি গুচি গ'ল।

মই অলপ প্ৰকৃতিস্থ হৈ লীলাক ক'লোঁ, "এই ৰাতিখন ক'ত ওলাই গ'ল? ক'ত থাকিব?" লীলাই ক'লে, "এইবোৰ ল'ৰাৰ আৰু ৰাতি-বেৰাতি। য'ত গৈ মৰে মৰকগৈ। আপোনাৰ সেইবোৰ কথা ভবাৰ দৰ্কাৰ নাই।"

মিনতি দুৱাৰমুখতে থৰ লাগি ৰৈ আছিল। প্ৰায় সম্বিৎ নোহোৱা অৱস্থা। লীলাই তাইক হাতত ধৰি লৈ তাইৰ কোঠালিত থৈ আহিল।

সমীৰ আৰু ইফালমুৱা হোৱা নাই। কোনো খবৰো লোৱা নাই। সমীৰ গুচি গ'ল, কিন্তু লীলা, মিনতি আৰু মোৰ মাজত স্বচ্ছ আৰু কঠিন কেইখনমান দেৱাল তুলি দি গ'ল। আমি পৰস্পৰে পৰস্পৰক দেখা পাই থাকিলোঁ, হাঁহি-মাতি কথা পাতি থাকিলোঁ, কিন্তু কোনেও কাকো স্পৰ্শ কৰিব নোৱাৰা হ'লোঁ। দেৱালৰ গাত আঘাত লগাৰ ভয়তে আমাৰ মাজত আড়ষ্টতাৰ ভাব এটা দেখা দিলে।

মিনতিয়ে বি. এ. পাছ কৰিলে। পৰীক্ষাৰ ফল খুব ভাল নহ'ল। বেয়াও নহ'ল। ঠিক আছে এম. এ. পঢ়িব। নাম লগাবৰ কাৰণে তাইক সময়মতে দৰ্খাস্ত দিবলৈ ক'লোঁ। একো নামাতিলে।

লীলাই মোক ক'লে তাই হেনো এম. এ. ক্লাছত নাম নলগায়। আচৰিত হৈ সুধিলোঁ, "কিয়?"

"তাই কৈছে জয়ন্ত বিলাতলৈ যোৱাৰ আগতে বিয়া কৰাই তাইকো লৈ যাব।"

"কি বিয়া? কেতিয়া ঠিক হ'ল? কি কথা এইবোৰ? তাৰ মানে প্ৰেম। কেতিয়া পৰিলে? তাইক মই বৰ ভাল ছোৱালী বুলি ভাবি আছিলোঁ। তলে তলে এই কথা।"

লীলাই শান্তভাৱে ক'লে, "আপুনি ইমান উত্তেজিত হৈ উঠিছে কিয়? জয়ন্তই যে বিয়া কৰাব খুজিছে তাইৰ ভাগ্যৰ কথা। আপুনি চেষ্টা কৰিলেও জয়ন্তৰ দৰে ভাল দৰা এজন যোগাৰ কৰিব পাৰিব জানো?"

ঠিক, ঠিক, সঁচা কথা। ভাল কথা। কথাখিনি মোৰ বোধগম্য হ'ল। ক'লোঁ, "ঠিকেইতো।"

মিনতিৰ বিয়া হ'ল। বেছি আড়ম্বৰ কৰা নহ'ল। মিনতিয়ে হাক দিলে। লীলায়ো তাইক সমৰ্থন কৰিলে। বিয়াখন ভালে ভালে হৈ গ'ল। জয়ন্ত ইঞ্জিনিয়াৰিঙৰ নাম কৰা ছাত্ৰ। সৎচৰিত্ৰ, ভদ্ৰ। মিনতিৰ এটা গতি লাগিল। আনন্দৰ কথা।

আমাৰ সকল্যোৰে মনবোৰ বেয়া হ'ল। হাজাৰে হওক, ইমান দিনে তাই নিজৰ ঘৰৰ নিচিনাকৈ আছিল। দুখ বৰং বেছিকৈয়ে লাগিল। ভনী নহয়, কন্যা নহয়, পূজাত, বিহুত, উৎসৱে-আনন্দে কিহৰ দাবী লৈ তাই সঘনে আকৌ আমাৰ ঘৰলৈ আহিব? কোন অবিচ্ছেদ্য সূত্ৰ অনুসৰণ কৰি তাই আনন্দৰ মূৰ্চ্ছনাত বা বেদনাৰ উদ্বেলতাত আমাৰ পদূলি মুখত থিয় হৈ হৃদয়াবেগ বিলাই দিবৰ প্ৰেৰণা আৰু সঙ্কেত পাব?

মোৰ বয়সৰ লগে লগে ব্লাড প্ৰেছাৰ অলপ বাঢ়িছে। হাৰ্টৰো অলপ অসুখ দেখা দিছে। ঘৰত থকা সময়খিনি হৈ-চৈ নকৰাকৈ প্ৰায়ে কিতাপ এখন লৈ চুপ-চাপ পঢ়ি থাকোঁ।

মিনতিয়ে বিলাতলৈ যোৱাৰ আগতে আমাৰ তালৈ আহি মোক ভৰিত ধৰি সেৱা কৰি হুকহুকাই কান্দিলে। আশীৰ্বাদ কৰি ক'লোঁ, "পাগল নেকি। কান্দিব লগা কি হৈছে?"

তাইৰতো কন্দাৰ কথা নহয়। অনিশ্চিত পথ পৰিক্ৰমাৰ অন্তত তাই নিশ্চিন্ত আশ্ৰয় পাইছে। দুৰ্যোগৰ দিনত ভাহি যোৱা নাছিল। ভুৰ এখনত থাকিবলৈ পাইছিল। ঠিকেই। কিন্তু এতিয়া তাই কূল পাইছেহি। আনন্দৰ কথা। বেদনাৰ উৎস তাইৰ বুকুৰ মাজত থকাৰ কথা নহয়। এইয়া কি তেনেহলে আমাৰ হৃদয়ৰে বেদনাৰ প্ৰতিধ্বনি?

এক, দুই, তিনি কোনে গণি যায়? দিন পাৰ হৈ গৈ আছে। ল'ৰা দুটা ডাঙৰ হৈ আহিছে। লীলাই ল'ৰা দুটা আৰু মোক লৈ বিভোৰ হৈ আছে। মোৰ চুলি প্ৰায় গোটেইখিনি পকি গৈছে। ব্লাড প্ৰেছাৰ বাঢ়িছে।

লীলাই কেইদিনমানৰপৰা চকুৰ কিবা অসুখ হৈছে বুলি কৈ আছিল। ডাক্তৰে তেনে একো নাই বুলি ক'লে। মই ধেমালি কৰি লীলাক ক'লোঁ, "আচলতে তুমি মোক দেখিব নোৱাৰা হৈছা। এইটো তোমাৰ অৱচেতন মনৰ মানসিক প্ৰতিক্ৰিয়া।"

মই সাধাৰণতে লীলাৰ লগত ধেমালি কৰি কথা নাপাতো। কথাষাৰ কৈ মোৰ নিজৰ কিবা অস্বস্তি লগা যেন পালোঁ। লীলাই স্থিৰ দৃষ্টিৰে মোৰ ফালে চাই ক'লে, "কোনো কাক দেখিব নোৱাৰে মই জানো। আপুনি ক'ব নালাগে।"

মই অপ্ৰস্তুত হৈ সুধিলোঁ, "কি কৈছা?"

লীলাক কেতিয়াও উত্তেজিত হৈ উঠা দেখা নাছিলোঁ। আজি তেওঁ অসম্ভৱ ৰকমে অস্থিৰ

হৈ উঠিল।

"ঠিকেই কৈছোঁ। আপুনি যে মোক ভাল নাপায় মই ভালকৈয়ে জানো।"

মই বিপন্নভাৱে পুনৰায় সুধিলোঁ, "কি কৈছা?" লীলাই ক'লে, "আপুনি যে মোক মৰম নকৰে তেনে নহয়, কিন্তু ভাল নাপায়। আপুনি এজনকহে ভাল পায়। এজনৰ স্মৃতিৰ সুৰভি আপোনাৰ গোটেই হৃদয়তে বিয়পি আছে। আপোনাৰ সমস্ত অনুভূতি মিনতিয়ে আচ্ছন্ন কৰি ৰাখিছে।"

লীলাই মুখখন ঘূৰাই জোৰ কৰি ওঁঠ কামুৰি ঠেলি উঠা কান্দোনৰ বেগ দমন কৰাৰ চেষ্টা কৰিলে। নোৱাৰিলে। হুকহুকাই কান্দি দিলে। মই স্তব্ধ হৈ ৰলোঁ। কি নিদাৰুণ অভিযোগ। কি অসম্ভৱ কথা।

ব্ৰজেনদাই পৰম নিৰ্ভৰতাত মোৰ ওপৰত মিনতিৰ ভাৰ এৰি থৈ নিশ্চিন্তভাৱে সিপাৰলৈ যাত্ৰা কৰিলে। সমীৰে বিকৃত ঈৰ্ষাৰ জ্বলনত জ্বলি মোক কদৰ্যভাৱে অপমান কৰিলে। তেওঁলোকেও কি একে ধৰণৰ কথাকে ভাবি লৈছিল? আৰু লীলায়ো আজি এই কথা লৈ অভিযোগ কৰিলে। আশ্চৰ্য! এই তিনিজনেই মিনতিৰ ওচৰ সম্বন্ধীয় আত্মীয়। দুইজন আত্মীয়তাৰ দাবীত আৰু লীলা চেনেহৰ দাবীত। তথাপি আচৰিত! নহয়, ছিঃ। মইতো জনাত মিনতিক কেতিয়াও কোনো বেয়া চকুৰে চোৱা নাছিলোঁ, নে মই নিজৰ মনৰ অৱস্থাক চিনি ল'বলৈ অস্বীকাৰ কৰি আহিছোঁ? নহয়। কি এইবোৰ অবাস্তৱ কথা। চিন্তিতভাৱে মই তলমূৰ কৰি বাহিৰলৈ ওলাই গ'লোঁ।

# আপোচ

এছ. ডি. অ'.জনৰ নাম অভয় খাটনিয়াৰ। বহুতো ঠাই ঘূৰি ঘূৰি আহি কেবা বছৰৰপৰাই ভাওনাগুৰিত আছে। শকত-আৱত মানুহ। ইস্ত্রি নোহোৱা ঢিলাঢোলা পোছাক-পাতি পিন্ধি থপ্‌থপ্‌কৈ ঘূৰি ফুৰে। মূৰত চুটিকৈ কটা কদম ফুলৰ নিচিনা পকা চুলি। ভলভলীয়া মেল্‌কি মানুহ। পৰিবাৰক লগত ৰখা নাই; অকলে থাকে। গধূলি সদায় তেওঁৰ তাত তাছৰ আড্ডা বহে। সুধীৰ ডাক্তৰ, হৰেকৃষ্ণ কম্পাউণ্ডাৰ, আৰু সদানন্দ মাষ্টৰ আহিবই, বতাহেই হওক কিম্বা বৰষুণেই দিয়ক।

ৰজত দাস নতুনকৈ এছিষ্টেণ্ট ইঞ্জিনিয়াৰ হৈ আহিছে। তাৰো মানুহজনক বেছ ভাল লাগিছে। খোলা মনৰ মানুহ। মানুহক যি ক'ব লাগে মুখৰ আগতেই কৈ দিয়ে, আৰু বেছ চিঞৰ-বাখৰ কৰিয়েই। কাকো খাতিৰ কৰি চলা বিধৰ মানুহ নহয়। ভেম, ফষ্টি একো নাই। পোছাক-পাতি, আচবাব-পত্র সম্বন্ধে একো মন-কাণ নাই। থকা ঘৰটোত কাঠৰ চকী কেইখনমান। মেজত টেবুল ক্লথ নাই। খিৰিকীত যি কেইখন পৰ্দা আছে সেইকেইখনো লেতেৰা আৰু ফটা। কেৱল খোৱা সম্বন্ধে অলপ দুৰ্বলতা আছে। নিজেও খায়, মানুহকো খুৱায়। সেই বিষয়ে কৃপণালি নাই।

এই খোৱাৰ কথা লৈয়েই মানুহজন জ্বলি উঠিল। ৰক্তচাপ বৃদ্ধি হৈ এটা দুৰ্ঘটনা ঘটে বুলি ৰজত উদ্বিগ্ন হৈ পৰিল।

"দেশখন অধঃপাতে গ'ল। তলৰপৰা ওপৰলৈ দুৰ্নীতি বিয়পি পৰিছে। সততা বোলা কথাটোকে অভিধানৰপৰা তুলি দিব লগা হৈছে। প্ৰত্যেকেই যেনেকৈ নহওক পইচা ঘটাৰ তালতে ব্যস্ত। দেশৰ মানুহ মৰকে বা চৰকে, নিজৰ পেটটো শকত হ'লেই হ'ল। নাই, বেছি দিন নাই। এনেকুৱাকৈ চলিলে দেশ ৰসাতলে যাব।"

খাটনিয়াৰে ৰজতক বেছ মৰম কৰে। হেজাৰ হওক ল'ৰাৰ বয়সীয়া ল'ৰা। নতুন মানুহ ৰজত। খাটনিয়াৰক সুধি-পুছি কাম কৰাত একো সঙ্কোচ নাই। অভিজ্ঞ মানুহ, মনটোও ভাল।

ৰজতে কওঁ নকওঁ বুলি কথাষাৰ কৈয়েই পেলালে। মানে অনন্ত ঠিকাদাৰৰ কথা।

নাম শুনিয়েই খাটনিয়াৰ জ্বলি উঠিল, "তাৰ কথা নকবা মোক। এক নম্বৰ বদমাচ।"

"সেইটোৱেতো কথা। সি মোক ধৰিছে মাটিৰ খণ্ডিবোৰ জোখোঁতে মাপত বঢ়াই দিব লাগে। অতিৰিক্ত যিখিনি হ'ব তাৰ শতকৰা পঁচিছ ভাগ মোক দিব। চাওকচোন কি সাংঘাতিক কথা।"

খণ্ডতে খাটনিয়াৰ ৰঙা পৰি গ'ল। ৰজতৰ অলপ ভয়েই লাগি গ'ল। অনন্ত ঠিকাদাৰ আগত থকা হ'লে আজি কিজানি মাৰপিটেই হৈ গ'ল হয়। কথাবাৰ মানুহজনৰ কাণত তোলাটো বৰ ভাল হোৱা নাই।

"হুঃ। ইমান সাহস বদমাচটোৰ। কি হ'ল? তোমাক পঁচিছ পাৰ্চেন্ট দিব খোজে? কি ক'লা তুমি?"

"মই ডাবি দি দিলোঁ। মোৰ লগত সেইবোৰ কথা নহ'ব।"

"ঠিকেই কৰিছা। মাপত ওপৰঞ্চি যিখিনি দিয়া যায় তাৰে পঞ্চাছ পাৰ্চেন্ট দিব লাগে; এইটো এটা ধৰা-বন্ধা নিয়ম। নতুন মানুহ পাই তোমাক ঠগাব খুজিছে। চয়তান ক'ৰবাৰ। কৈছোঁ নহয়, ৰাজ্যত ভাল মানুহ এটা নাই। কোনে কাক কেনেকৈ ঠগাব পাৰে সেই তালতে আছে।"

ৰজত দাস দেবেন মহন্তৰ ঘৰতেই থাকে। ভাওনাগুৰি সৰু ঠাই। বিভাগীয় আৱাসস্থল নাই। ভাড়া ঘৰ পোৱাও টান। মহন্ত সম্বন্ধত ৰজতৰ কিবা এটা হয়। তেনেকৈ লগাভগা একো নহয়। মহন্তই ক'লে, "কিনো কথাটো? আমাৰ ইয়াতেই থাকিবা। অকলশৰীয়া মানুহ। তোমাৰ বেলেগকৈ কিহৰ আৰু এখন সংসাৰ পাতিব লগা হৈছে?"

সেই একেটা কথাকে সুভদ্ৰা বৌৱে অলপ ঘূৰাই ক'লে, "আপুনিও যে কি কয়। আমাৰ ইয়াত থাকিব ক'লেই থাকিবনে? গাৱঁলীয়া খেতিয়ক মানুহৰ ঘৰত থাকি তেওঁ ভাল পাব জানো?"

দেবেন মহন্ত ক্ষীণ ধৰণৰ অতি ঠাণ্ডা মেজাজৰ মানুহ। নিজেই কয়, "বুদ্ধিৰ বলতহে খাই আছোঁ; আগতেনো মোৰ কি আছিল?"

সঁচাই। আগতেনো কি আছিল? ধানৰ কাৰবাৰ কৰে। গাৱঁৰ মানুহে বিক্ৰী কৰিব খুজিলেও আজিকালি বহুতো লেঠা। ধানেই বা কাক দিয়ে, পইচাৰ কাৰণেই বা ক'ত ঘূৰি ফুৰে? হাটে-বজাৰে লৈ বিক্ৰী কৰিবও নোৱাৰি, মহা জুলুম। মহন্তই পাৰে। বুদ্ধি থকা মানুহ। এবাৰ এখন অনুমতি পত্ৰ আনি তিনিবাৰমান ধান লৈ যায়। ক'ত কি কৰিব লাগে নিয়ম-কায়দা জানে। হওক তেওঁ। মানুহজন পিছে বেয়া নহয়। বৰ মিঠামুখীয়া মানুহ। নিজৰ বুদ্ধিত দুটা পইচা ঘটিছে; ঘটক।

মহন্ত চৰকাৰীভাৱে খেতিয়কেই। নিজে খেতি নকৰে। মাটিখিনি আধি দিয়ে। জনা-বুজা মানুহ। কৃষি বিভাগৰপৰা ক'ত কেনেকৈ সা-সুবিধা কি পাব পাৰি খা-খবৰ ৰাখে। আদায় কৰিব জানেও। পাৰেও। গাৱঁৰ সাধাৰণ খেতিয়কে এইবোৰ কথাৰ কি তলানলা পাব? ঘূৰাঘূৰি কৰোঁতে মহন্তৰ পইচা কিছু খৰচ নোহোৱা নহয়; হয়। ইফালে-সিফালেও অলপ দিব লগা হয়। খৰচখিনি ক'ৰপৰা আহিব? গুটি, সাৰ এইবোৰ দি তেওঁ গাৱঁৰ খেতিয়কৰপৰা পইচা লয়। সঁচা কথা। নহলেনো তেওঁলোকৰ পিছে পিছে ঘূৰি ভৰিত ধৰি ফুৰাৰ কি দৰকাৰ? আনকচোন, যাওকচোন গেজেলা কৰিভাই। ক'ৰপৰা সাৰ, গুটি এইবোৰ আনে, আনক। কাজেই মহন্তই নিজেও একো অন্যায় কাম কৰিছে বুলি নাভাবে, আনেও নাভাবে।

সুভদ্রা বৌ ওখ-পাখ বেছ ধুনীয়া মানুহগৰাকী। মহন্ততকৈ বয়সত ভালেখিনি সৰু। ল'ৰা-ছোৱালী হোৱা নাই। দেখাতো একেবাৰে ছোৱালী যেন হৈ আছে। কথা-বতৰাত বেছ খোলামেলা। পিছে নিয়ম-নীতি বৰ বেছি। ৰাতিপুৱা বাহীবন কৰি, চোতাল সাৰি, গোবৰ-পানী ছটিয়াই, গা-পা ধুইহে চাহ-জলপান কৰাত হাত দিয়ে। জাৰেই হওক কিম্বা বৰষুণেই হওক। মহন্তই ঘূৰাঘূৰি কৰি দুপৰীয়া কেতিয়া ঘৰ পায়হি একো ঠিক নাই। সুভদ্রা বৌয়ে ভাত-পানী নোখোৱাকৈ মহন্ত নহালৈকে বৈ থাকে। মহন্তই ৰজতক ক'লে, "কৰাচোন তুমিয়েই। কৈ কৈ মই হায়ৰান হৈছোঁ। নুশুনিলে কি কৰিবা?"

সুভদ্রা বৌয়ে সলজ্জভাৱে হাঁহিলে, "সেই বুলিনো সাতামপুৰুষীয়া নিয়ম-নীতিবোৰ বাদ দিম নে? ইমান খকে পোৱা নাই মোক। তোমালোক চাহাব মানুহ, তোমালোকৰ কথা বেলেগ। তুমি বিয়া কৰালে কইনাক আগতে খাব দি সেইখন পাততে খাবা।"

ৰজতে মহন্তক ক'লে, "দাদা, ইয়াৰ হাটত মুৰ্গী দেখোন বৰ সস্তা। খাব নেকি? আনিম?"

মহন্তই মিচিকিয়াই হাঁহি ক'লে, "তোমাৰ বৌয়েৰাক কৰা।"

সুভদ্রা বৌয়ে জাপ মাৰি উঠিল, "হয়তো। সেইখিনিয়েই বাকী আছে। ইমান মেলেছ হ'ব নালাগেচোন।"

ৰজতে ক'লে, "তোমাক খাব কোৱা নাই। আমি বাৰাণ্ডাত ৰান্ধি খাম।"

বৌ উদ্বিগ্ন হৈ উঠিল, "হে বোপাই, নালাগে দিয়া। বাচন-বৰ্তন গোটেই লেটিপেটি হ'ব। বৰ বেয়া কথা। ইমান অনাচাৰ কৰিব নালাগে দিয়া। মুৰ্গীৰ মাংসৰ বাহিৰেও আৰু খোৱা বস্তু আছে। পঠা, পাৰ এইবোৰ খালেই আমাৰ হ'ব দিয়া।"

মহন্তই খেকখেক কৰি হাঁহি দিলে। খঙতে এটা পাক মাৰি সুভদ্রা বৌয়ে ক'লে, "এওঁৰ হাঁহিখন চোৱা। ইমান চাহাব হোৱাৰ ইচ্ছা যদি মেমচাহাব এজনীক বিয়া নকৰালে কিয়?"

সুভদ্রা বৌয়ে দিনৰ দিনটো কাম কৰি থাকে। ৰজত ঘৰত থাকিলে কামৰ মাজতে তেওঁৰ লগত কথা পাতে। বিয়াৰ কথা কৈ ৰজতক জোকায়। পিছে নাই। এতিয়াই ৰজতে বিয়া নকৰায়। বিয়া মানেই 'ঝামেলা'। পৃথিবীৰ পৰিধি বৰ সৰু হৈ যায়। পিছে কি যে কুক্ষণ ঠাইত কাম কৰিবলৈ আহিছে। এজনী ছোৱালীৰ লগত কথা পাতিবৰো সুযোগ নাই। বাটত দুই-এজনী ছোৱালী চকুত নপৰা নহয়। দেখাতো বেয়া নহয়। কিন্তু কি সূত্ৰ লৈ সিহঁতৰ ঘৰলৈ যোৱা-অহা আৰম্ভ কৰিব পাৰি? চহৰৰ কথা বেলেগ। এজন ইঞ্জিনিয়াৰক কইনা গতাবৰ কাৰণে সকলোৱে উৎসুক হৈ উঠিব। ইয়াত নো ওখ গছত কোনে হাকোটা লগাবলৈ আগবাঢ়িব?

চহৰত অফিচৰ কামত যাওঁতে ৰজতে দেখিছিল ভট্টই স্কুটাৰৰ পিছফালে ছোৱালী এজনীক তুলি ঘূৰি ফুৰিছে। "উৰি ফুৰা, উৰি ফুৰা। আমাৰো দিন আহিব।"

সুভদ্রা বৌৰ ভৰি দুখন দীঘলীয়া ধৱধৱ, অলপ ভৰা ভৰা। মুখখন আৰু ভৰি দুখনৰ মাজত অদ্ভুত এটা অসামঞ্জস্য। তেওঁৰ মুখখন যেতিয়া গম্ভীৰ আৰু চিন্তিত হৈ থাকে ভৰি দুখন তেতিয়াও ছন্দমুখৰ আৰু প্ৰগলভ হৈ উঠে। স্তব্ধ হৈ থিয় হৈ থকা অৱস্থাতো সিদুখনে অকম্পিত ছন্দত নিৰন্তৰ নাচি নাচি উঠে। সুভদ্রা বৌৰ লগত যেন ভৰি দুখনৰ সম্বন্ধ নাই।

সিদুখনৰ যেন এটা নিজস্ব বিশিষ্ট সত্তা আছে। সিদুখনক যেৰি এটা উৎসৱৰ সঙ্কেত, এটা ৰহস্যাচ্ছাদিত আহ্বান যেন জটপট লগাই বাগৰি ফুৰে। মহন্তৰ এই বাৰাণ্ডা, এই চোতাল আৰু এই ধান ভঁৰালৰ গণ্ডীৰ মাজত ঘূৰি ফুৰিলেও সুভদ্ৰা বৌৰ ভৰি দুখনে যেন বহুতো অজ্ঞাত আৰু অদৃশ্য ৰাজ্যৰ সন্ধান জানে। মহন্তৰ ঘৰৰ ধূলি-মাকতিৰ মাজে মাজে সিদুখনে যেন এখন সপোনপুৰীত বিচৰণ কৰি ফুৰে।

ৰজতে সুভদ্ৰা বৌৰ মুখৰ ফালে তধা লাগি চাই নাথাকে। এইখিনি শালীনতাবোধ তাৰ আছে, কিন্তু তেওঁৰ ভৰি দুখনে তাৰ দৃষ্টিক দুৰ্বাৰ আকৰ্ষণত টানি লৈ আছে। তাৰ চকুতো অদ্ভুত এটা ছন্দৰ আবেগ লাগি যায়। দৃষ্টিয়ে তাৰ সুভদ্ৰা বৌৰ প্ৰতিটো পদক্ষেপ নিৰ্ভুলভাৱে অনুসৰণ কৰে।

গধূলিতেই ট্ৰাকখন আহিছে। মহন্তৰ ঘৰৰপৰা ধান বোজাই কৰি ৰাতি ট্ৰাকখন যাবলৈ ওলাল। মহন্তই ক'লে, "ময়ো যাওঁ দিয়া ট্ৰাকখনতে। বাটত কিবা দিগদাৰী হ'ব পাৰে। মই গ'লে চম্ভালিব পাৰিম। বাটতে সকলোৱে বৰালি মাছৰ নিচিনা হা মেলি বহি আছে। বেটাহঁতৰ কম খক নেকি। এঃ নকৰা। লাভৰ পইচা এনেকৈ মানুহক দিওঁতেই যায়। কি কৰিবা? সকলোৱে আছে কেৱল পইচা খোৱাৰ তালতে।"

বিছনাত শুই ৰজতে ভাবি আছে। টোপনি অহা নাই। অনন্ত ঠিকাদাৰে চল্লিছ পাৰ্চেন্টৰ ওপৰত কোনোমতেই নগ'ল। কম টেণ্ডৰ? তেওঁ হেনো মৰি যাব। কামত তেওঁৰ লোকচান হ'ল। কাম কৰা মানুহবোৰে অগ্ৰিম পইচা লৈ কাম নকৰাকৈ পলাল। কত ৰকমৰ কৈফিয়ৎ। ফাকি কথা। মাটি কটা কুলিক হিচাপ দিওঁতে জোখত সিহঁতক আগতেই ঠগালে। খন্তি মাপ কৰোঁতে দীঘল-বহল ঠিকেই জোখে। পিছে ওখত এক ইঞ্চি কমালে বহুত কমি যায়। কুলিয়ে যদি এক ফুট দ কৰিছে তেওঁ কুলিক হিচাপ দিওঁতে ধৰিব দহ ইঞ্চি। ইফালে ৰজতৰপৰা জোখত ধৰাই ল'ব পোন্ধৰ ইঞ্চি। সাংঘাতিক মানুহ।

অনন্ত ঠিকাদাৰে এতিয়া ভাওনাগুৰি বনগাওঁ পথত কালভাৰ্টৰ কাম কৰি আছে। চকুৱে চকুৱে ৰাখিব লাগে। ক'ত কেতিয়া কি কৰে পাত্তা নাই। আগতে মাটিৰ কামত যাওঁতে কেইদিনমান যাব পৰা নাছিল। বাটৰ দুয়োকাষে পুৰণি যিমানবোৰ খন্তি আছে গোটেইবোৰ জ্বালাই কৰি বহি আছে। শৰীৰত লাজ-লজ্জা বুলি বস্তুও নাই। চুৰি কৰি ধৰা পৰিলেও কোনোৰকম অপ্ৰস্তুত ভাব নাই। যুক্তি ঠিক আছে। "আপুনিয়ে হিচাপ কৰি চাওক। যি ৰেটত কাম পাইছোঁ সেইমতে নিয়মমতে কাম কৰিলে লাভ হ'বনে ঘৰৰপৰা দিব লাগিব, আপুনিয়ে হিচাপ কৰি চাওক।"

"কম ৰেট দি আপোনাক কাম ল'বলৈ কোনে কৈছে?"

"ৰেট কমকৈ নিদিলে কাম পাম কেনেকৈ? সৰু-সুৰা কামত আজিকালি কি ধৰণৰ খোৱা-কামোৰা লাগি যায় আপুনিতো জানেই। কিবা কৰিতো খাব লাগিব। ডাঙৰ কামত ৰেট ভাল। প্ৰতিযোগিতা কম। ঠিকাদাৰে যি ৰেট দিয়ে সেই ৰেটতে কাম পায়। আমাৰ নিচিনা সৰুবোৰৰ হৈছে মহা মুস্কিল। ইফালে ডাঙৰ কাম ল'ব নোৱাৰোঁ। টকা ক'ত?"

কাজেই অনন্ত ঠিকাদাৰক লাভ কৰিবৰ সুবিধা দিয়াৰ দায়িত্ব যেন ৰজতৰ। পিছে অকল মিঠা মাতেৰে কাম নহ'ব। ৰজত এতিয়াও আগৰ দৰে বুৰ্বক হৈ থকা নাই।

তথাপি যিয়েই নহওক অনন্ত ঠিকাদাৰৰপৰা পোৱা টকাখিনিৰে এটা ট্ৰেনজিষ্টৰ ৰেডিঅ' কিনিব পৰা হৈছে। নিজান ঠাইত সেইটোকে পকাই কিছু সময় কটাব পাৰি। স্কুটাৰ এখন ল'ব পাৰিলে বেয়া নাছিল। নাই, এতিয়াই নহ'ব। মাৰ্চৰ শেষত কি হয় দেখা যাওকচোন।

ৰজতৰ টোপনি অহা নাই। বাৰু ভট্টই স্কুটাৰৰ পিছফালে সেইজনী কাকনো তুলি লৈ উৰি ফুৰিছে? এইখন ঠাই এৰিবৰ চেষ্টা কৰিব লাগিব। এনেকৈ জঙ্ঘলৰ মাজত সোমাই থাকিব নোৱাৰি।

চাৰিওপিনে নিস্তব্ধতা। ৰাতি বহুতো হ'ল। সুভদ্ৰা বৌৱেও শুলে কিজানি। শুবইতো। গোটেই দিনটো কাম কৰি ঘূৰি ফুৰে। পিছফালে নাদৰপৰা পানী আনিব লাগে। কম দূৰ? নাদৰপৰা পানী আনোতে সুভদ্ৰা বৌৰ ভৰি দুখনে কিন্তু অদ্ভুতভাৱে নাচি নাচি আহে।

ৰজতে গাৰুটো ওলোটাই লৈ বাগৰ সলাই শুলে।

কাষৰ কোঠাটোত কোনোবাই অলপ লৰচৰ কৰা যেন বোধ হ'ল। ৰজত হঠাতে উৎকৰ্ণ হৈ উঠিল। কোনোবাই লাহে লাহে আগবাঢ়ি দুয়োটা কোঠাৰ মাজৰ দুৱাৰখনৰ কাষত যেন নিশ্চলভাৱে থিয় হৈ ৰ'লহি। চোৰ, বদমাচ কিম্বা অইন বাহিৰা মানুহতো হ'ব নোৱাৰে। ৰজতৰো টোপনি অহা নাছিল। উত্তেজনাত তাৰ গা হাত-ভৰি অদমনীয়ভাৱে কঁপিবলৈ আৰম্ভ কৰিলে।

তাৰ পিছত গভীৰ নিস্তব্ধতা। শুনাত কিবা ভুল হৈছিল নেকি? উত্তেজিত মস্তিষ্কৰ অশান্ত চিন্তাৰ বিকৃত প্ৰতিফলন?

সকলোবোৰ ইন্দ্ৰিয়ৰ অনুভূতি আহি কাণ দুখনত গোট খাইছে। সামান্য শব্দৰ ক্ষিপ্ৰ ব্যাখ্যা কৰাৰ কাৰণে মস্তিষ্ক উদগ্ৰীৱ হৈ আছে। হঠাতে আৰু এটা শব্দ হ'ল। শব্দটো শুনাত ঠিক যেন কেইপাতমান খাৰু হাতৰ সৰু গাঁঠিৰপৰা অলসভাৱে আৰম্ভ কৰি হঠাতে অতি দ্ৰুতবেগে কিলাকুটিৰ ফালে বাগৰি গ'ল। নিজান ৰাতি কি শব্দ যে কিভাবে শুনা পায় ধৰা বৰ টান। খুট কৰি দুৱাৰৰ খিলিটো খোলাৰ নিচিনা এটা শব্দ হ'ল। উত্তেজনাত ৰজতৰ উশাহবোৰ চুটি হৈ আহিল। লণ্ঠনটো এটা চুকত কমাই থোৱা আছিল। অনুজ্জ্বল পোহৰত সমস্ত শক্তি দৃষ্টিত কেন্দ্ৰীভূত কৰি ৰজতে দুৱাৰখনৰ ফালে চাই থাকিল। আকৌ বাহিৰা শব্দ একো নোহোৱা হৈ পৰিল। ৰজতৰ হৃৎপিণ্ডৰ 'ধক ধক' শব্দৰ বাহিৰে পৃথিৱীত অইন একো শব্দ নাই। ক্ৰমাৎ উশাহ লোৱাৰ কাৰণে কোঠাটোত যথেষ্ট বতাহ নোহোৱা হৈ পৰিল। ৰজতে বুজি পালে এনেকুৱাকৈ থাকিলে তাৰ মৃত্যু হ'ব। শ্বাসৰুদ্ধ হৈ সি মৰি থাকিব।

হঠাতে দুৱাৰখন খুলি এটা নাৰীমূৰ্তি হেঁচোক মাৰি সাউৎকৰে ভিতৰলৈ সোমাই আহিল। খোলা দুৱাৰখন ধৰি অলপ পৰ চিন্তিতভাৱে শিলৰ মূৰ্তিৰ দৰে থিয় হৈ থাকিল। তাৰ পিছত লাহেকৈ দুৱাৰখন জপাই ইফালৰপৰা খিলিটো লগাই দিলে।....

ৰজতৰ উঠাত বহুত পলম হ'ল। টোপনিৰ ভাব কাটি যোৱা নাই। ৰাতি এটা অদ্ভুত

সপোন দেখি ৰাতিপুৱা সপোনৰ ঘটনাটো মনত পেলাবলৈ চেষ্টা কৰিলে যেনে অৱস্থা হয় তেনেকুৱা। পৃথিৱীৰ গোটেইখিনি কুঁৱলীয়ে যেন মুৰটোৰ ভিতৰত পাক খাই ফুৰিছে। চিন্তা, ভাৱনা, অনুভূতি সকলোবোৰ ঢাক খাই গৈছে।

সুভদ্ৰা বৌৱে চোতাল সাৰি আছিল। ৰজতৰ মনত পৰিল বনগাৱঁত কালভাৰ্ট এটাৰ ঠাই দেখুৱাই দিব বুলি অনন্ত ঠিকাদাৰক আঠ বজাত উপস্থিত থাকিবলৈ কৈছে। আঠ বাজি গলেই।

ৰজতে লৰালৰি লগাই দিলে। সুভদ্ৰা বৌক ক'লে, "সোনকালে চাহ একাপ লাগিছিল। এতিয়াই ওলাব লাগে।"

সুভদ্ৰা বৌৱে অভিযোগৰ সুৰত ক'লে, "ও আই। কালিতে কৈ নথলা কিয় ? কি যে কৰা। মোৰ বাহী কাম শেষ হোৱাই নাই। গা-পা ধোৱাই নাই। কেতিয়া যে কি কৰোঁ ?"

ৰজতে বিৰক্তভাৱে ক'লে, "হ'ব দিয়া, হ'ব দিয়া। শুদা চাহ কাপ বাহী গায়েই বাকি দিয়াচোন। মহাভাৰত অশুদ্ধ নহয়।"

সুভদ্ৰা বৌৱে স্থিৰ দৃষ্টিৰে ৰজতৰ চকুৰ ফালে চাই ক'লে, "তুমি ক'লা বুলিয়েইতো মই এইখন অনিয়ম কৰিব নোৱাৰোঁ। পৃথিৱীত ধৰম-কৰম একেবাৰে নোহোৱা হৈ গৈছে নেকি ?"

# অভিশপ্ত

অজিতদাই বিপন্নভাৱে ইফালে সিফালে চাই দেখিলে নিত্যই তেওঁৰ বিছনাখন পাৰি শুই আছে। অজিতদাই উপায় নাপাই চুৰিয়া এখন পাৰি তাতেই কাতি হ'ল। ৰাতি এঘাৰ হ'ল। বীৰেশে মধু কলিতাক লৈ ওলাই গৈছে। এতিয়াও আহি পোৱা নাই। মধু কলিতা বৰপেটাৰপৰা আহিছে মাল খৰিদ কৰিবলৈ। বে-পৰোৱা মানুহ। কথাত মেৰপাক নাই। চিনাকি অচিনাকি যাক যি ক'ব তৎক্ষণাৎ মুখৰ আগতে কৈ দিয়ে। কোনে ভাল পালে কোনে বেয়া পালে সেই লৈ ভ্ৰূক্ষেপ নাই। বীৰেশহঁতে লাজ পায়। কেতিয়াবা কথা-বতৰা, চাল-চলন নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে। চিৰিংকৈ তেওঁৰ খং উঠি যায়। "কি? কোনে মোক কি কৰিব?" স্পষ্ট প্ৰশ্ন।

মহানগৰীৰ চকুত টোপনি নাই। ট্ৰাম বন্ধ হৈছে, কিন্তু হেৰিচন ৰোডত যান-বাহনৰ চলাচল অব্যাহত আছে। মধু কলিতা আৰু বীৰেশ আহি পালে। কোঠাত সোমায়েই টান মাৰি চুটকেচটো আনি তাৰপৰা এক বাণ্ডিল নোট লৈ কলিতাই বীৰেশৰ ফালে আগবঢ়াই দিলে। বীৰেশে নলয়, কলিতাই নেৰে। হয়তো বীৰেশহঁতৰ নিস্বাৰ্থ সাহচৰ্য, সিহঁতৰ এই চিৰন্তন অভাৱ আৰু দৰিদ্ৰতা, মদৰ নিচা, সকলোখিনিৰ সংমিশ্ৰণত কলিতাৰ মনত বিচিত্ৰ এক ভাৱৰ উদয় হৈছিল। কৃতজ্ঞতাৰ ভাবো হ'ব পাৰে। এটা ভাল কাম কৰি সুন্দৰ অনুভূতি বোধ কৰাৰ প্ৰেৰণাও হ'ব পাৰে। মুঠতে ৰাতি এঘাৰ বজাত হেৰিচন ৰোডৰ কোঠাত হুলস্থূল এটা লাগি গ'ল। বীৰেশক হেঁচা মাৰি ধৰি এক বাণ্ডিল নোট গতাবৰ চেষ্টাত ব্যৰ্থ হৈ কলিতাই দুখ আৰু অভিমানত প্ৰায় কান্দিয়েই দিলে। চকুলো ৰখাব নোৱাৰি কলিতাই ধপকৈ অনিৰুদ্ধৰ বিছনাত অনিৰুদ্ধৰ লগতে মুখ ঢাকি শুই থাকিল।

কোঠাটোত তক্তাপোছ এখনো নাই। গোটেই কোঠাৰ মজিয়াতে শাৰী শাৰী বিছনা পতা। ৰাতিপুৱা মেৰাই থৈৰ কাষ চপাই থোৱা হয়। ৰাতি যেয়েই যিখন আগত পায় সিখনকে মেলি শুই থাকে। কাৰোবাৰ অহাত পলম হ'লে বিছনা বেহাত হৈ যায়। ঠেলা-হেঁচা লাগে। ৪৮ নম্বৰ হেৰিচন ৰোডৰ মেচৰ ন নম্বৰ কোঠাত থাকে এই কেইজন অসমীয়া ল'ৰা। অজিতদা, বীৰেশ, বনমালী, অনিৰুদ্ধ আৰু নিত্য। এই কেইজন হ'ল স্থায়ী বাসিন্দা। আলহীৰ পিছে লেখ-জোখ নাই। আহি উঠিলেই হ'ল। কেতিয়াবা মালে-পত্ৰে কোঠাৰ অৱস্থা এনেকুৱা হয় যে ভৰি থবৰ ঠাই নোহোৱা হয়।

ইফালে মেচত থকা কাৰো অৱস্থা ভাল নহয়। ঘৰৰপৰা টকা আহে অতি অনিয়মিতভাৱে। কেতিয়াবা নাহেও। অজিতদাই এম. এ. পঢ়ে। আজি কেইবা বছৰো ধৰি তাকেই কৈ আছে।

দুয়ো বেলা টিউচন কৰে। অতিশয় নিৰীহ মানুহ। কথা-বতৰা খুব কম কয়। বয়সত ডাঙৰ বুলি বাকীকেইজনে সমীহ কৰি চলে। ৰাতি আড্ডা জমি উঠিলে মুখৰ লাগ-বান্ধ নাথাকে। কোনোবা এজনে মাত লগায়—“অজিতদা, শুনে নেকি?”

বাধ্য হৈ অজিতদাই টোপনিৰ ভাও জুৰি পৰি থাকে। নামত বনমালীকো ছাত্ৰ বুলিব পাৰি। চিটী কলেজত বি. এ. পঢ়ে। বছৰি দুই-চাৰি দিন ক্লাছলৈ যায়। বিজ্ঞাপন কোম্পানী এটাত চুক্তি হিচাপে কাম কৰে। বিভিন্ন ভঙ্গীৰ ছোৱালীৰ ছবি আঁকে। ছবিত বৃত্ত আৰু দীৰ্ঘ-বৃত্তৰ অকৃপণ ব্যৱহাৰ। দদ্ৰুনাশিনী মলম লগালে কঁকালৰ খৰডোখৰ ভাল হয়। এইটো প্ৰত্যক্ষ। কিন্তু ব্যৱহাৰৰ ফলত যৌৱনো যে উচ্ছলিত হৈ উঠে এইটো ইঙ্গিত বোধহয় পৰোক্ষ। ব্ৰেড, চিগাৰেট, জোতাৰ বং সকলো বিজ্ঞাপনতেই উদ্ধত যৌৱনা গাভৰুৰ উপস্থিতিয়েই মনক কল্পনাবিলাসী কৰিবলৈ সহায় কৰে। অনিৰুদ্ধ জীৱন বীমা কোম্পানীৰ এজেন্ট, কলিকতাস্থ অসমীয়া সমাজৰ আতংক। অৱশ্যে স্থায়ী অসমীয়া সমাজৰ সহায়ো। আৰম্ভণিতে কোনোবাই বোধহয় কিটিপ শিকাই দিছে যে বীমাৰ এজেন্ট হ'বলৈ হ'লে মানুহৰ সৰু-সুৰা উপকাৰ কৰি বান্ধত পেলাই ল'ব লাগে। মানুহে বীমা নকৰে, পিছে উপকাৰখিনি লয়। গৰমৰ বন্ধৰ পিছত কাৰোবাৰ ছোৱালীক বেনাৰচৰ হোষ্টেলত থ'ব লাগে। আছে নহয় অনিৰুদ্ধ। পিৰিহঁতৰ আজৰি নাই। ঘৰৰ তিৰোতা মানুহৰ বজাৰ কৰিব লাগে, চিনেমা চাব লাগে, কিয়? অনিৰুদ্ধৰ কি হ'ল?

নিত্যই বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত কাম কৰে। কেৰাণীৰ কাম। কেইমাহমান পিছতেই চাকৰি যায়। বেলেগ এটা কামত সোমায়। কলিকতাত থকা কোনোবা ডাঙৰ মানুহে কাৰোবাক একাষাৰ কৈ দিয়ে। শ্ব ৱালেচ, জেমচ ওৱাৰেন কোনোবা এটা কোম্পানীয়ে দিয়ে এটা কাম। সৰু-সুৰা কাম। সিহঁতকো মানুহ লাগে, খাতিৰো কৰা হয় (নিত্যক নহয়, ডাঙৰ মানুহজনক)।

বীৰেশে কিবাকে গোৱালপাৰাৰ এক জমিদাৰৰ লগত খাতিৰ জমাই লৈছে। গধূলি ওলাই যায়, মাজৰাতি মেচলৈ উভতি আহে। এইটো তাৰ এটা কামেই। বিশেষ কষ্টসাধ্য কামো নহয়। জমিদাৰে যি কয় তাতেই হুকাৰ ধৰিব লাগে মাত্ৰ।

নিত্যই বনমালীৰ কামিজটো পিন্ধি টালিগঞ্জৰ ফালে ওলাই গৈছে। গজেন বোলা নলবাৰীৰ ল'ৰা এজনৰ চকুৰ অসুখ হৈছে। ক্ৰমাৎ বেয়া হৈ আহিছে। আৰু গাফিলতি কৰা উচিত নহয়। দুৰৰা চাহাবৰ লগত বিখ্যাত চকুৰ ডাক্তৰ সেনগুপ্তৰ ভাল। তেখেতৰ জৰিয়তে কিবা সুবিধা হয় নেকি সেই চেষ্টা। ইফালে বনমালীয়ে ইউনিভাৰ্চিটিৰ ফালে যাব লাগে। ইয়াৰ মাৰ্ক শ্বিট লাগে, তাৰ বিজাল্ট লাগে। বনমালীলে লিখিলেই হ'ল। এইবোৰ কৰোঁতেই বনমালীৰ দিনটো যায়। ছবি আঁকাৰ সময় নহয়। আঁকিব পাৰিলে ভাল পইচা আহিল, কিন্তু সময় নহয়।

ইহঁতৰ কাণ্ড কাৰখানা দেখি মোৰ বেয়াও লাগে, খঙো উঠে। কাজ-কৰ্ম খতি কৰি, ক্লাছ খতি কৰি ট্ৰাম বাছত নিজৰ পকেটৰ পইচা খৰচ কৰি দিনটো টো টো কৰি ঘূৰি ফুৰে। কাৰোবাৰ দুষ্প্ৰাপ্য দৰৱ এটাকে কিনি পঠিয়াব লাগে। কোনোবাই অস্পষ্ট অকলমান ফটো এখন পঠিয়াই দিছে। ডাঙৰকৈ আঁকাই দিব লাগে। গুৱেষ্ট এণ্ড কোম্পানীৰপৰা কাৰোবাৰ

ঘড়ী এটা ভাল কৰাই দিব লাগে। কাৰোবাৰ হাইকোৰ্টত মকৰ্দমাৰ খবৰ ল'ব লাগে। কামৰ কিবা শেষ আছেনে?

কোনোবাই বেমাৰী লগত লৈ আহি বেচামাল হৈ পৰিছে। ভাল ডাক্তৰ এজনক দেখুৱাবৰ ব্যৱস্থা, হাস্পতাল কিম্বা নাৰ্ছিংহোমত ৰখাৰ ব্যৱস্থা? কোনে কৰে এইবোৰ?

পিলপিলকৈ ঘূৰি ফুৰে ইহঁতে কলিকতাত। জানেও বহুতো। ক'ত কি বস্তু পোৱা যায়, কোন কথাৰ কাৰণে কাক লগ ধৰিব লাগে সকলো খবৰ ৰাখে। কত ৰকমৰ মানুহ আছে। অসমত হয়তো বেছ ডাঙৰ মানুহ, কিন্তু কলিকতালৈ আহি বেকুব। একোৰে তলা-নলা নাপায়। ইয়াত কোনে কাক পাত্তা দিয়ে? ইহঁতে নিজৰ কাম-কাজ খতি কৰি পাগুা হৈ এওঁলোকৰ লগত লাগি থাকে। দৰকাৰী কামবোৰতো কৰেই, অইন কথাতো লাগি থাকিবলগীয়া হয়। কলিকতালৈ আহিছে। লগতে ল'ৰা-ছোৱালী পৰিয়ালকো লৈ আনিছে। চাবলগীয়া সকলোখিনি চাই ন'গলে কেনেকৈ হ'ব? সদায় কিবা আহি থাকিবনে? চিৰিয়াখানা, হাইকোৰ্ট, বোটানিকেল গাৰ্ডেন, দক্ষিণেশ্বৰ, কালীবাড়ী। এইবোৰেইতো প্ৰশ্ন। উভতি গ'লে মানুহে এইবোৰৰ কথাই সুধিব। বনমালী, নিত্য ইহঁতেই লগত লৈ ফুৰিব লাগে। বাছ, ট্ৰাম, কোনখন ক'ত যায় কোনে জানে? ক'ত উঠিব লাগে ক'ত নামিব লাগে কি ঠিক? বাপৰে, মূৰ গৰম হৈ যোৱা কাৰবাৰ। ইহঁতৰ অলপ সহায় পোৱাটো প্ৰাপ্য বুলিয়েই ধৰি লয়। ইয়াৰ কাৰণে বৰ বেছি কৃতজ্ঞতাবোধ কৰাৰ প্ৰয়োজন অনুভৱ নকৰে। উপস্থিত সময়খিনি ল'ৰাকেইজনক বৰ আপোন আপোন যেন লাগে, মুক্তকণ্ঠে শলাগো লয়। ল'ৰাকেইজনেও লাইনত থিয় হৈ টিকট কাটি তেওঁলোকক 'আছাম মেইল'ত ভালকৈ শোৱা-বহাৰ ব্যৱস্থা কৰি দিহে মেচলৈ উভতি আহে। মানুহেও ইহঁতক পাহৰি যায়।

মুঠতে মই হেৰিচন ৰোডৰ এই মেচটোত দুইমাহমান আছিলোঁ। অস্থিৰ হৈ উঠিলোঁ। কলিকতালৈ আহিছোঁ পঢ়া-শুনা কৰাৰ কাৰণে। পঢ়ি-শুনি জীৱনত উন্নতি কৰিম। এইটোৱেই মোৰ লক্ষ্য। বুজিলোঁ এই মেচত থাকিলে পঢ়া-শুনা মোৰ একোৱেই নহ'ব। কলিকতালৈ অসমীয়া মানুহ আহিবই। চিকিৎসা আছে, মামলা-মকৰ্দমা আছে, মাল-পত্ৰ খৰিদ কৰিবলগীয়া আছে। এনেয়েও ফুৰিবলৈ অহাটো স্বাভাৱিক। এইবোৰ কথাত লাগি থাকিলে পঢ়া-শুনা হ'ব কেনেকৈ? কোন আহে আহি থাকক, কেনেকৈ কি ব্যৱস্থা কৰে কৰক। আমি কিবা কলিকতাত জন-কল্যাণ সমিতি স্থাপন কৰিছোঁনে? মহানন্দে এই সমিতিৰ অবৈতনিক সভ্য হৈ থাকিলেই আমাৰ কিবা হ'বনে?

বনমালীহঁতৰ সহজাত এটা অনুভূতি আছে। কেতিয়াবা অলৌকিক পৰ্যায়ত পৰে। পাচু খানচামা লেনৰ অখ্যাত মেচত কোনোবা অসমীয়া ল'ৰাই বেমাৰত অসহায় অৱস্থাত পৰি থাকিলে সিহঁতে ঠিক খবৰ পায়। ঠিক হাজিৰো হয়গৈ। বনমালীয়ে ল'ৰাজনক হাস্পতালত ভৰ্ত্তি কৰাই দিব পৰা যায় নেকি তাৰেই ধান্দাত ঘূৰি ফুৰে। নিত্যই আকৌ টালিগঞ্জৰ ফালে গতি কৰে। খৰচ-পত্ৰৰ ব্যৱস্থা এটা কৰিব লাগে।

অসমখন এখন সৰু ঠাই নহয়। এখন প্ৰদেশ অৰ্থাৎ বৰ্তমান সংজ্ঞাত এখন ৰাজ্য। বিভিন্ন

প্ৰয়োজনত মানুহে কলিকতালৈ আহে। শিক্ষা-দিক্ষা, চিকিৎসা। কতজনৰ কত প্ৰয়োজন। অইন মানুহেও কাৰোবাৰ কিবা বিপদ-আপদ হোৱা বুলি গম পালে ৪৮ নং হেৰিচন ৰোডৰ ন নম্বৰ কোঠাত খবৰটো দিব পাৰিলেই দায়িত্ব শেষ। বিবেক দংশনৰপৰা মুক্ত।

মেচত থকা কেইজনৰ কাৰো অৱস্থাই বিশেষ ভাল নহয়। খোৱা-লোৱা কৰে অতি সাধাৰণভাৱে, অতি সাধাৰণ পোছাক-পাতি পিন্ধি ঘূৰি ফুৰে। তিনিদিন মানুহৰ লগত লাগি থাকি চতুৰ্থ দিনা অফিচলৈ গৈ নিত্যই গম পায় ইতিমধ্যে তাৰ চাকৰি খতম। আকৌ সি ইয়াক তাক ধৰাধৰি কৰে। বেলেগ কামৰ চেষ্টা কৰে। কোনোবা এজনৰো হাতত অলপ পইচা থাকিলেই সকলোৰে নিৰুদ্বেগ। কোনো এজনৰো হাতত এটা পইচাও নাথাকিলেই দুঃশ্চিন্তা। বনমালীয়ে বাধ্য হৈ তেতিয়াহে এখন ছবি আঁকি টকা কেইটামান লৈ আহে। আহোঁতে হয়তো জোতাও এযোৰ কিনি লৈ আহে; কিন্তু সি পিন্ধিবলৈ নাপাওঁতেই নিত্যই তুলা ভৰাই সেইযোৰ জোতা পিন্ধি ওলাই যায়। ভাত খাই আহি জোতাযোৰ নেদেখি বনমালীয়ে হুলস্থূল লগাই দিয়ে।

অজিতদা ছাত্ৰ, বনমালীও ছাত্ৰ। বীৰেশকো ছাত্ৰ বুলিব পাৰি। বি. এ. পৰীক্ষা দিয়েই আছে। কিন্তু কাকো এদিনো এখন কিতাপ লৈ বহা দেখা নাপালোঁ। কিতাপ নায়েই, বহিব কি? তাৰ উপৰি আছে আলহী। সেইকণতো কোঠা। এনেয়ে বহিবৰ ঠাই নাই। মাল-পত্ৰ লৈ আহি উঠিলেই হ'ল। ভৰি থবৰ ঠাই নাথাকে। মধু মহাজনে মাল খৰিদ কৰিবলৈ আহি তাতেই থাকি যায় সাতদিন। আজিৰ বহুত এম. এল. এ.কো মই ৪৮ নং হেৰিচন ৰোডৰ ন নম্বৰ কোঠাৰ মজিয়াত পেট পেলাই থকা দেখিছোঁ।

ময়ো দুইমাহমান আছিলোঁ। অস্থিৰ হৈ উঠিলোঁ। এনেকুৱাকৈ থাকিলে একো নহ'ব।

টকা-পইচাৰ অসুবিধাৰ কাৰণে এম. এ. ক্লাছত নাম লগোৱাত মোৰ পলম হ'ল। কোনো ছাত্ৰাবাসত ঠাই নাপালোঁ। মিৰ্জাপুৰ ষ্ট্ৰীটৰ হোটেল এটাত উঠিছিলোঁ। দৈনিক হিচাপে পইচা বহুতো। মাহিলি হিচাপত হ'লেও কথা নাছিল। ইমান খৰচ দি থকা অসম্ভৱ। হাতৰ পইচা প্ৰায় শেষ। ঘৰৰ অৱস্থা এনেকুৱা নহয় যে লিখিলেই পইচা পঠিয়াই দিব। অসম্ভৱ। এনেকৈ চলিব নোৱাৰিম। যি বুজিছোঁ পঢ়া বাদ দি গুচিয়েই যাব লাগিব। মনটো বৰ বেয়া। আচলতে হোটেলৰ পইচা দি ঘৰলৈ গুচি যাম—সিখিনি পইচাও হাতত নাই। বহুতো সপোন আৰু আশাৰ পৰিসমাপ্তি। মন মাৰি কলেজ স্কোৱাৰত বহি আছিলোঁ। নিত্য আৰু বনমালীক অসমীয়াত কথা পতা শুনি মাত লগালোঁ। সেয়ে প্ৰথম চিনাকি। দুৰ্বল মুহূৰ্তত কথাই কথাই নিজৰ কথা গোটেইখিনিয়েই কৈ পেলালোঁ। দুয়ো জাপ মাৰি উঠিল।

"পাগল নেকি? ক'ত যায়?"

মই ক'লোঁ, "উপায় কি?"

"ৰ'বচোন। হ'ব এটা উপায়। ঠিক আছে, এক কাম কৰক। সন্ধ্যাহতে আমাৰ মেচতেই উঠক। অসুবিধা হ'ব, পিছে উপায়তো নাই তাতেই মূৰটো গোঁজা মাৰি অইন ক'ৰবাত চেষ্টা কৰককচোন। আমিও চাম। এইটো কিবা এটা কথা হ'লনেকি? অসুবিধা হ'ব। পলাই গলেতো সমস্যাৰ সমাধান নহ'ব। ব'লক, আজিয়েই ব'লক আমাৰ তালৈ। এই কাৰণেই আমাৰ মেচ।"

মই অলপ ইতস্ততঃ কৰিলোঁ। তৎক্ষণাৎ হোটেল এৰাও টান। হোটেলৰ বাকী পইচাখিনি দিব পৰাকৈ হাতত পইচাও নাই। ভাবি আছিলোঁ মেট্ৰিক পৰীক্ষাত পোৱা সোণৰ মেডেলটোকেই বিক্ৰী কৰিম। লগতে আনিছিলোঁ। অৰ্দ্ধাবচেতন মনত বোধহয় এনেকুৱা অৱস্থাত পৰিব পৰাৰ সম্ভাৱনাৰ চিন্তা এটা আছিলেই।

মই পিছে একোকেই ক'বৰ ফাক নাপালোঁ। নিত্য আৰু বনমালী দুয়োই মোক লগত লৈ আহি মেনেজাৰৰ লগ ধৰিলে। হিচাপ-পত্ৰ বুজাই দি মই কিবা মাত লগোৱাৰ আগতেই মোৰ মাল বস্তু দাণ্ডি কান্ধত তুলি ৰাস্তাটো পাৰ হৈ ৪৮ নং হেৰিচন ৰোডৰ ন নম্বৰ কোঠাত আনি তুলিলে। কোঠাত বিছনাৰ সংখ্যা আৰু এখন বাঢ়িল। প্ৰথমতে মই ৰক্ষা পৰা যেন পালোঁ। দুদিন পিছতেই অস্থিৰ হৈ উঠিলোঁ। মানুহৰ উপকাৰ কৰা ভাল। কোনেও অস্বীকাৰ নকৰে; ময়ো নকৰোঁ। পৰোপকাৰ কৰা ভাল। মানুহৰ বিপদে-আপদে কোনোবাই সহায় কৰিবই লাগিব, কিন্তু সেই কোনোবাজন মই হ'ব লাগিছে কিয়? মই কলিকতালৈ আহিছোঁ পঢ়িবৰ কাৰণে। পঢ়া-শুনা কৰি নিজৰ উন্নতি কৰিম। লোকৰ কথাত ঘূৰি ফুৰিলে নিজৰ কথাৰ কি হ'ব? মানুহক হাইকোৰ্ট, চিৰিয়াখানা দেখুৱাই ফুৰিলেই হ'ব জানো? নিজৰ কাম-কাজ নাই? পঢ়া-শুনা নাই?

সৰোজ চৌধুৰীয়ে কাৰো লগ নলয়। হেদায়ত খাঁ লেনৰ মেচ এটাৰ এক্কাৰ কোঠা এটাত অকলে থাকে। অসমীয়া মানুহ কোনোবাই মাত একাৰাৰ লগালেও বিৰক্ত হয়। বিপিনে ক'লে, "সৰোজৰ মূৰৰ কিবা গণ্ডগোল হৈছে নেকি? 'গড়েৰ মাঠ'ত চুপচাপ বহি থাকে। মেচত হেনো ভাত-পানীও ঠিকমতে নাখায়। কিবা এটা কৰিব লাগিছিল।"

ময়ো লগতে গৈছিলোঁ। বাৰাণ্ডাৰ একাংশ ৰেৰি সৰু এটা কোঠা। মানুহ এজনে ভালকৈ থিয় হ'ব নোৱাৰে। লেতেৰা বিছনা এখনত চৌধুৰী শুই আছিল। আমাক দেখি বিৰক্ত হৈ উঠিল। বিৰক্ত কিয়? ৰীতিমত ক্ৰুদ্ধ হৈ উঠিল। বঙালীত টান মাতেৰে সুধিলে, "কি লাগে? কি লাগে আপোনালোকক?"

আমি মনে মনে থকাই বুদ্ধিমানৰ কাম বুলি ভাবিলোঁ।

"নাজিৰাৰপৰা আহিছে, নহয়? মোক দোষ দিলেই হ'ল নহয়? ক'লেই হ'ল? প্ৰমাণ কি? ওলাওক, ওলাই যাওক। মোৰ গাত একো দোষ নাই।"

উত্তেজিত সৰোজ চৌধুৰীয়ে তেওঁৰ বক্তব্য শেষ কৰি আমাৰ উপস্থিতিক অস্বীকাৰ কৰি মুখ ঘূৰাই শুই থাকিলে। আমি বেকুব হৈ উভতি আহিলোঁ।

অজিতদা ইমান সহজতে এৰি দিয়াৰ পাত্ৰ নহয়। শান্ত স্বভাৱৰ ধৈৰ্যশীল মানুহ, কথা কয় খুব কম। মানুহে স্বাভাৱিকতেই তেওঁক বিশ্বাস কৰে। অন্তৰৰ গোপনতম কথাও তেওঁক কৈ স্বস্তি পায়। অইন কাকো সহ্য কৰিব নোৱাৰিলেও সৰোজ চৌধুৰীয়ে অজিতদাৰ লগত ফুচফুচাই কথা পাতে। অজিতদাই চৌধুৰীৰ অসংলগ্ন কথাৰপৰা চালি-জাৰি ঘটনাটো মোটামুটি সজাই ল'লে। বেণু বোলা ছোৱালী এজনীৰ লগত চৌধুৰীৰ অলপ মিলা-প্ৰীতি আছিল। সেই বেণু বোলা ছোৱালীজনী গৰ্ভৱতী হ'ল। সকলোৰে দৃঢ় বিশ্বাস এই দুষ্কৃতি চৌধুৰীৰ। এই কলংকৰ

বোজা চৌধুৰীৰ মূৰত জাপি দিয়াত চৌধুৰী অস্থিৰ হৈ উঠিছে।

আমিও ভাবিলোঁ কীৰ্তি চৌধুৰীৰেই। ভাল ল'ৰা বুলি জনাজাত। বেকায়দাত পৰি বলিয়া হৈ শাস্তি পোৱাৰ চেষ্টা কৰিছে। বিচাৰি বিচাৰি অজিতদাই মাখন দত্ত বুলি ল'ৰা এজনকো বাহিৰ কৰিলে। নাজিৰাৰ ল'ৰা। অজিতদাৰ স্বাভাৱিক গুণটো কামত লাগিল। মাখন দত্তৰ লগতো খাতিৰ জমি উঠিল। চৌধুৰীৰ কথা সুধিলে।

দত্তই ক'লে, "বৰ ভাল ল'ৰা। বহুত দিন লগ পোৱা নাই। মোৰ ছায়েন্স কলেজত ক্লাছ। সিফালে যোৱাও নহয়। আপুনি চিনি পায় নেকি? ক'ত আছে। মূৰৰ কিবা অলপ গণ্ডগোল হোৱা বুলি শুনিছিলোঁ। সঁচা নেকি?"

অজিতদাই কথা কম কয়, মনে মনে শুনি গ'ল। দত্তই আকৌ আৰম্ভ কৰিলে।

"আগৰপৰাই অলপ কিবা ধৰণৰ। ঠিক অস্বাভাৱিক একো নহয়, তাৰমানে অলপ কেনেবা ধৰণৰ। মোৰ লগতো বৰ্তমানে সিমান ভাল নাই। ঠিক কাজিয়া নহয়। বাৰু, কওঁ আপোনাক। মোৰ ভনী ৰেণুক বিয়া দিয়াৰ কথা তুলিছিলোঁ। আমাৰ ঘৰৰ সকলোৰে লগত ভাল, আহ-যোৱা আছে। নকৰাও বুলি ক'লেই হ'ল। জঁকি উঠিল। কিয় কৰাব লাগিছে মই বিয়া? মোৰ কি দোষ? চাওকচোন বাৰু দোষৰ কথা কি আছে। ছোৱালী ঘৰত থাকিলে মানুহে চেষ্টা কৰে। নকৰালে নাই বুলি ক'লেই হ'ল। জোৰ কৰি বিয়া দিব পাৰিনে? আগৰেপৰাই অলপ অইন ধৰণৰ। আপোনাকহে ক'লোঁ দেই এইবোৰ কথা। অইনৰ আগত নক'ব?"

অজিতদাই সুধিলে, "আপোনাৰ ভনীয়েকৰ পিছে বিয়া হ'লনে নাই।"

"অ', হ'ল। দুবছৰেই হ'ব অহা ফাগুনত। ভাল ল'ৰা পাইছোঁ। উকিল।"

"বাঃ বেছ ভাল কথা। পূজাৰ বন্ধত ঘৰলৈ যাবনে নাই? বন্ধ হ'বৰ হ'লেই দেখোন।"

"যাম। কনছেছনত টিকট কটাৰ ব্যৱস্থা হৈছে।"

"বস্ত্ৰ-বাহানি কিনা হ'ল? ভাগিনৰ কাৰণে কি ল'লে?"

"ভাগিন? কাৰ ভাগিন? হোঃ হোঃ হ'ওকচোন আগে কিবা এটা। তাৰ পিছত দেখা যাব কি দিয়া যায়।"

সৰোজ চৌধুৰীৰ পাগলামিৰ মাত্ৰা ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰিলে। চিন্তাৰ কথা হ'ল খোৱা-লোৱা একদম বাদ দিছে। এনেকুৱাকৈ কেইদিন থাকিব? ৪৮ নম্বৰ হেবিচন ৰোডৰ ন নম্বৰ কোঠাৰ সকলোৰে দুঃচিন্তা। ইয়াক ধৰি, তাক ধৰি, চেষ্টা যত্ন কৰি, বুজাই-বঢ়াই সৰোজ চৌধুৰীক লুম্বিনী পাৰ্ক হাস্পতালত ভৰ্তি কৰি দিয়া হ'ল। মানসিক চিকিৎসালয়ত থাকি ভাল হৈ গ'ল। তেওঁ এতিয়া গুৱাহাটীৰ নাম কৰা উকিল। অজিতদাৰ ধৈৰ্য আৰু বনমালীহঁতৰ চেষ্টা আৰু অধ্যৱসায় নাথাকিলে এটা জীৱন নষ্ট হৈ গ'লহেঁতেন। চৌধুৰীক দেখিলে এতিয়াও মই ভাবোঁ—ৰেণুৰ আনুমানিক গৰ্ভাৱস্থাৰ লগত চৌধুৰীৰ নিজকে নিজেই তিৰ্যকভাৱে সংযোগ কৰাৰ কিবা থল আছিল নেকি? অৱশ্যে সেইটো কথা অবাস্তৱ। মুঠতে চৌধুৰী এজন নাম কৰা উকিল।

কিয়? গজেন মহন্ত? জীৱনত বোধহয় এটা মাত্ৰ হাবিয়াস আছিল। এপাক কলিকতাকপৰা

ঘূৰি আহিব। যোৰহাটৰ স্কুলত মাষ্টৰ কাম কৰিছিল। কষ্ট কৰি পইচা সাঁচি পৰিবাৰ আৰু ছোৱালী দুজনীক লৈ কলিকতা পালেগৈ। শিয়ালদহৰ কাষৰে হোটেল এটাত উঠিছিল।

চৌৰঙ্গীত পাঞ্জাবী টেক্সিবালাই মানুহ এজনক ডাবি-ধমকি দি আছিল। মানুহজনে বিপন্নভাৱে কিবা ক'বৰ চেষ্টা কৰি আছিল। পিছে টেক্সিবালাৰ চিএৰ-বাখৰৰ আগত বিপন্ন মানুহজনৰ ক্ষীণ স্বৰ তিষ্ঠিব পাৰিব কিয়? নিত্য আৰু অনিৰুদ্ধই আৰু দহজন মানুহৰ দৰে সিফালে এবাৰ চাই পাৰ হৈ যাব ধৰিছিল। হঠাতে বৈ যাব লগা হ'ল। মানুহজনৰ লগৰ ছোৱালীজনীৰ পিন্ধনত মেখেলা-চাদৰ। দুয়ো লৰালৰিকৈ আগবাঢ়ি গ'ল। টেক্সিবালাই পাঁচগুণ ভাৰা দাবী কৰি বহি আছে। ওলোটা ডাবি-ধমকি দি সিহঁতে টেক্সিবালাক খেদিলে। মহন্তই ইহঁতক পাই হাতেৰে সৰগ ঢুকি পোৱা যেন পালে। তেওঁৰ পৰিবাৰৰ মুখতো লাজকুৰীয়া হাঁহি ওলাল।

মহন্তৰ পিছে জীৱনৰ হ্যাবিয়াস পূৰ্ণ হোৱাৰ লগে লগে হাতেৰে খামোচ মাৰি ধৰিবলৈ যেন একেবাৰেই নাথাকিল। শিয়ালদহৰ কাষতেই হাত পিছলি চলন্ত ট্ৰামৰপৰা চকাৰ তলত পৰি তেওঁ মৰি থাকিল। ৪৮ নম্বৰ হেৰিচন ৰোডৰ ন নম্বৰ কোঠাৰ সকলোৰে উধাতু খাই উপস্থিত হ'ল। মহন্তৰ পৰিবাৰ সৰু ছোৱালী। খুব কম বয়সতে বিয়া হৈছে। দুজনী ছোৱালীৰ মাক যদিও বয়স আৰু কিমান হ'ব? এই নিদাৰুণ শোক পাই তেওঁ বিহ্বল আৰু হতবুদ্ধি হৈ পৰিল। বনমালীহঁতে লগ লাগি গজেনৰ সৎকাৰৰ ব্যৱস্থা কৰিলে। মহন্তৰ পৰিবাৰৰ চিন্তাশক্তি সম্পূৰ্ণ লোপ পাইছিল। যেয়ে যি ক'ব তাকেই কৰিব, এনেকুৱা অৱস্থা। আজিতদাই ছোৱালী দুজনীৰ সৈতে তেওঁক টালিগঞ্জৰ দূৰৰা চাহাবৰ ঘৰত থৈ আহিলে। নিত্য আৰু বনমালী দুয়ো লগত লৈ তেওঁলোকক যোৰহাটত থৈ আহিলে। নিত্যই আহি দেখিলে আৰৌ তাৰ চাকৰি নাই।

শিয়ালদহৰপৰা কলেজ ষ্ট্ৰীটলৈকে এক আঁঠু পানী। যান-বাহন চলাচল বন্ধ। হাৰ্ডিঞ্জ হোষ্টেলৰপৰা সত্যেন বৰুৱাই আহি খবৰটো দি গ'ল। হাৰ্ডিঞ্জ হোষ্টেলক মানুহে কৈছিল 'জামাই বাবু'ৰ হোষ্টেল অৰ্থাৎ জোঁৱায়েকৰ হোষ্টেল। শহুৰেকৰ খৰচত জমিদাৰী চলি থাকে। আইন পঢ়ে। বছৰৰ পিছত বছৰ কাটি যায়। সত্যেনহঁতৰ সিফালৰ মানুহ এজন হঠাতে কেম্পাৰ হাস্পতালত ঢুকাল। খবৰটো দিয়েই সত্যেন হোষ্টেললৈ গুচি গ'ল। তাৰ দায়িত্ব শেষ। এই বতৰত ৰাতিখন ৪৮ নম্বৰ হেৰিচন ৰোডৰ কেউজন ওলাই পৰিল। বিদেশত মানুহজনৰ গতি এটা নকৰিলে কেনেকৈ হ'ব?

এনেকুৱা বিভিন্ন ধৰণৰ ঘটনা। লাগিয়েই আছে। দুইমাহমান ৪৮ নম্বৰ হেৰিচন ৰোডৰ মেচত থাকি মই থৌৱা-কোঁৱা দেখিলোঁ। অসমীয়া মানুহ কলিকতালৈ আহিবই। অসমীয়া মানুহো মানুহ। জৰা, মৃত্যু, দুখ, শোক মানুহৰ এইবোৰ থাকিবই। সমস্যাৰ শেষ কেতিয়াও নহয়। এইবোৰ কথাত লাগি থাকিলে আচল কথাৰ কি হ'ব? আমি কিবা বেচৰকাৰী জনকল্যাণ প্ৰতিষ্ঠান নেকি? এইবোৰকে কৰি থাকিবলৈ হ'লে দেখোন ৰামকৃষ্ণ মিছনত যোগ দিয়াটোৱেই ভাল আছিল। এম. এ. ক্লাছত নাম লগাই পঢ়া-শুনা কৰাৰ নামত এই ভাওনাখন পতাৰ কি

দৰকাৰ আছিল? আৰে বাপৰে কত ৰকমৰ অসমীয়া মানুহ দেখিলোঁ বনমালীহঁতৰ লগত থাকি। অসমীয়া সাধু-জটাধাৰী বাবাজী। ভাবকচোন কথাটো। ৪৮ নম্বৰ হেৰিচন ৰোডৰ ন নম্বৰ কোঠাৰ মজিয়াতে লাং খাই শুই আছে। হাওড়াৰ সিদ্ধেশ্বৰী আশ্ৰমৰপৰা বনমালীয়ে লৈ আহিছে। প্ৰথমতে হিন্দীত, পিছত খাচ বৰপেটাৰ ভাষাত বাক্যালাপ। বাবাজীয়ে সংসাৰৰ মায়া ত্যাগ কৰিলেও ৪৮ নম্বৰ হেৰিচন ৰোডৰ মায়াত বান্ধ খাই গ'ল। মাজে মধ্যে আহে। কেতিয়াবা ৰাতিটোও থাকি যায়। অসমীয়া পাগল? মানে কলিকতাত? কাৰোবাৰ চকুত পৰে জানো তেওঁলোক? সুৰেন শৰ্মাই ফটা পায়জামা পিন্ধি চকু পাবাক-পিৰিক কৰি কলেজ ষ্ট্ৰীটৰ কিতাপৰ দোকনবোৰৰ সমুখত ঘুৰি ফুৰে। কোনেও লক্ষ্য কৰা নাছিলোঁ। কত ৰকমৰ পাগল আছে কলিকতাৰ বাটে-ঘাটে। বীৰেশে এদিন মেচলৈ লৈ আনিলে। শৰ্মাই জমিদাৰৰ ঘৰলৈ গৈ মাজে মধ্যে ভাত খাই আহে। ইয়াৰ পিছত শৰ্মা মাজে-সময়ে মেচলৈ আহে। ভাৰতীয় দৰ্শন সম্বন্ধে ইংৰাজীত বক্তৃতা দিয়ে। অজিতদাই কথা কম কয়। শ্ৰোতা হিচাপে তেওঁ অৱশ্যে অদ্বিতীয়।

পাৰ্ক ষ্ট্ৰীটৰ ৰেষ্টুৰাঁত কাম কৰা কোকৰাঝাৰৰ ল'ৰা খগেন নাৰ্জাৰী। বনমালীহঁতক দেখিলে হাঁহিত গোটেই মুখখন মেল খাই যায়। পইচা ল'ব নোখোজে অৰ্থাৎ নিজৰপৰাই দিয়াৰ মতলব। বনমালীহঁতে ডাবি দি নিবৃত্ত কৰে।

ঘৰৰপৰা পলাই আহি চাৰ্কাছ পাৰ্টীত কাম কৰি থকা ল'ৰা। তাকো লগ পাইছিলোঁ। শিৱসাগৰৰ ফালৰ ল'ৰা। ত্ৰিশূলৰ খেল দেখুৱায়। বনমালীহঁতক দেখি কি আনন্দ। কি খুৱাব, কি কৰিব, গাত তত নাই। কত ৰকমৰ মানুহ আছে এই কলিকতাত। বনমালীহঁতে জানেও চব। প্ৰত্যেকটো অলি-গলি ইহঁতৰ নখ দৰ্পণত। পিতাকৰ বাকচ ভাঙি দুই হেজাৰ টকা লৈ ঘৰৰপৰা পলাই অমল বোলা ল'ৰাজনে কলিকতা পালেহি। পিতাকে ছবি দি খবৰ কাগজত বিজ্ঞাপন দিলে। পিন্ধনত বগা পেন্ট আৰু বগা হাফচাৰ্ট। ক'ৰ বগা পেন্ট ক'ত গৈছে। এতিয়ালৈ বগা হৈ আছেনে? ফটা নীলা লুঙি পিন্ধা, গাত এটা ফটা গেঞ্জি। খালি ভৰি কঁকালত মেৰোৱা ফুলাম গামোচাখন দেখিয়েই নিত্যই ধৰি পেলালে। বৌবাজাৰৰ ফুট-পাথত শুই আছিল। কাণত ধৰি মেচলৈ লৈ আহিল। হবাওৰাৱে কান্দোন অমলৰ। কাপোৰ-কানি কিনি দি খুৱাই-ধুৱাই সকলোৱে গৈ টিকট কাটি তাক 'আছাম মেইল'ত উঠাই দি আহিল। শিয়ালদহৰ পাঁচ নম্বৰ প্লেটফৰ্মৰপৰা সদায় ডেৰ বজাত 'আছাম মেইল' এৰে। নিত্য, অনিৰুদ্ধ আৰু বনমালীয়ে প্ৰায়েই শিয়ালদহ ষ্টেচনলৈ আহে। লাইনত থিয় হৈ টিকট কাটি মানুহক ট্ৰেইনত তুলি দিয়ে। 'আছাম মেইল' গুচি যায়। ক্লান্তভাৱে সিহঁতে মেচলৈ উভতি আহে। অফিচলৈ যোৱা নহয়, ক্লাছলৈ যোৱাও নহয়।

মানুহে বিভিন্ন কামত কলিকতালৈ আহে। কাম শেষ হয়, আকৌ গুচি যায়। কিন্তু ৪৮ নম্বৰ হেৰিচন ৰোডৰ এই ল'ৰাকেইজনে যেন এটা আৱৰ্তত পৰি গৈছে। নিজৰ উদ্দেশ্য কি আছিল তাকো পাহৰিছে, নিজৰ লক্ষ্য কি তাকো পাহৰি গৈছে। এনেকৈয়েই বছৰৰ পিছত বছৰ পাৰ হৈ গৈ আছে। স্বাভাৱিকতে লাহে লাহে এই মেচটো এটা অনুষ্ঠানত পৰিণত হয়।

মানুহে আপদে-বিপদে এই মেচত আহি উপস্থিত হয়। কাৰোবাৰ কিবা হ'লে মেচত খবৰ দিয়ে। মেচত খবৰ এটা দিব পাৰিলেই অইনৰ দায়িত্ব শেষ।

মেচৰ ইইতৰ কাৰো অৱস্থাই ভাল নহয়। ঘৰৰপৰা অতি অনিয়মিতভাৱে কাৰোবাৰ কেইটামান টকা আহে। কেতিয়াবা তাকো নাহে। নিজেই কিবাকিবি কৰাৰ চেষ্টা কৰে। কোনোবা এজনৰ হাতত পইচা থাকিলেই সকলোৱে নিশ্চিন্ত। থাকেও অতি সাধাৰণভাৱে। কাৰোবাৰ বিছনাৰ চাদৰ ফাটি গৈছে, তেনেকৈয়েই আছে। পোছাক-পাতিৰ অৱস্থাও তেনেকুৱা। উদ্দেশ্যহীন বিশৃঙ্খল জীৱন। মই অস্থিৰ হৈ উঠিলোঁ। আচলতে আতঙ্কিত হৈ পৰিলোঁ। মোৰ জীৱনৰ এটা উদ্দেশ্য আছে। লিখা-পঢ়া কৰি জীৱনত প্ৰতিষ্ঠিত হ'ব লাগিব। এইটো কি বাতাবৰণত পৰিলোঁ? এনেকুৱাকৈ থাকিলে মোৰ ভৱিষ্যৎ নষ্ট। ৪৮ নম্বৰ হেৰিচন ৰোডৰ ন নম্বৰ কোঠাৰ সৰ্বনাশী বাতাবৰণে মোৰ সত্তাকো লাহে লাহে গ্ৰাস কৰি আহিছে বুলি মযো বুজি পালোঁ। লোৱাৰ চাৰ্কুলাৰ ৰোডৰ ছেন্ট জেভিয়াৰ্ছ কলেজ হোষ্টেলৰ অসমীয়া ল'ৰা এজনৰ অসুখ হৈছে বুলি খবৰ পালে মযো ক'ব নোৱাৰাকৈ ১০ এ নম্বৰ বাছত উঠি হোষ্টেলত ওলাওঁগৈ। মই অস্থিৰ হৈ উঠিলোঁ। দুমাহৰ পিছত শ্ৰীগোপাল মল্লিক লেনৰ স্নাতকোত্তৰ মেচত চিট এটা পাই তালৈ গৈহে মই শান্তিৰে উশাহ ল'ব পৰা হ'লোঁ। বনমালীয়ে লাগি-মিলি চিটটো যোগাৰ কৰি দিলে। যথেষ্ট খা-খবৰ ৰাখে। কাক ক'ত ধৰাধৰি কৰিব লাগে তাকো জানে।

৪৮ নম্বৰ হেৰিচন ৰোডৰ অশুভ আকৰ্ষণৰপৰা ওলাই আহি মই স্বস্তিৰে উশাহ ল'লোঁ। কথাবোৰ ভাবিলে এতিয়াও মই আতঙ্কিত হৈ উঠো। এই মেচত আৰু কিছুদিন থকা হ'লে মোৰো জীৱনত একো নহ'ল হয়। নিত্যাই মাজ বয়সত গুৱাহাটী বিশ্ববিদ্যালয়ত তল খাপৰ কাম কৰে। অজিতদাই বিভিন্ন স্কুলত অস্থায়ীভাৱে কাম কৰি আছে। বীৰেশে হেনো মধু কলিতাৰ লগত কাৰবাৰ কৰে। কাৰবাৰ নে হাতী। কলিতাৰ নিজৰে কাৰবাৰৰ অৱস্থা হেনো বৰ বেয়া এতিয়া।

একমাত্ৰ বনমালী এতিয়াও কলিকতাতেই আছে। সাধাৰণ বিজ্ঞাপন কোম্পানী এটাত বিভিন্ন ধৰণৰ ছোৱালীৰ ছবি আঁকে। বিয়াবাৰু কৰোৱা নাই। কোনোৰকমে নিজৰ পেটটো প্ৰবৰ্তাই আছে।

মই গুৱাহাটীত মোটামুটি ভাল কামেই কৰোঁ। এটা চাকৰিৰ সাক্ষাৎকাৰৰ কাৰণে বোম্বাইলৈ যাব ওলাইছোঁ। যোৱা-অহাৰ খৰচ দিব, সেই কাৰণেই যোৱা। চাকৰি নহলেও ফুৰা হ'ব। যাওঁ নাযাওঁকৈ ভাবি থাকোঁতে পলম হৈ গ'ল। গুৱাহাটীৰপৰা কলিকতালৈ প্লেনেৰে আহিলোঁ। কলিকতাৰপৰা ট্ৰেইনত যাম বুলি ভাবিছিলোঁ। টিকট নাপালোঁ। প্লেনৰো টিকট নাই।

নিউ মাৰ্কেটত বনমালীক পালোঁ। মোক দেখি দূৰৰপৰাই মিচিক-মাচাককৈ হাঁহি আছে। মই উল্লসিত হৈ স্বয়ংক্ৰিয়ভাৱে প্ৰথমেই ক'লোঁ—"হেৰি মোক আজিকালিৰ ভিতৰতে বোম্বাইৰ এখন টিকট যোগাৰ কৰি দিব পাৰিব?"

বনমালী তৎক্ষণাৎ গম্ভীৰ হৈ গ'ল, "নাই, নোৱাৰোঁ।"

মই অপ্ৰস্তুত হৈ পৰিলোঁ। সঁচা কথা। বনমালী নো কি এনে প্ৰতিপত্তিশালী মানুহ। অৱস্থা আৰু বেয়া হৈছে যেন লাগে। পিন্ধনত সাধাৰণ ধুতি-কামিজ। মুখত বয়স আৰু ক্লান্তিৰ ছাপ।

লজ্জিতভাৱে ক'লোঁ, "বেয়া নাপাব দেই। ভাল আপোনাৰ?"

বনমালীয়ে গম্ভীৰভাৱে সুধিলে, "বোম্বাইলৈ কিয়?"

"ইন্টাৰভিউ এটা আছিল।"

"কেতিয়া?"

"সোমবাৰে।"

"আজি শুকুৰবাৰ দেখোন।"

"তাকেই তো। ক'তো নাপালোঁ। বাদ দিয়ক। ন'গলেও একো কথা নাই। কামটো পালেও যে লম তাৰো ঠিক নাই।"

অস্বস্তিকৰ মুহূৰ্ত পাৰ হৈ গ'ল। বনমালীয়ে একে ধৰণে গম্ভীৰভাৱে ক'লে, "তেনেকুৱা হঠাৎকাৰে এইবোৰ কাম কৰিবলৈ হ'লে পাঁচ টকা দহ টকা খৰচ কৰিবলগীয়া হ'ব পাৰে। আজি মোৰ অৱস্থাও ভাল নহয়। নিজৰ জেপৰপৰা খৰচ কৰাৰ শক্তি নাই। কাম হৈ গ'লে মানুহে পইচা খোৱা বুলি বদনাম দিয়ে। কোনোবাই কাগজতো লিখিছে দেখোন। দেখা নাই?"

মই অতিশয় লজ্জিত হৈ ক'লোঁ, "ছিঃ ছিঃ। এইবোৰ কি কথা? মই আপোনাক নাজানো নেকি কিবা? আপোনাক লগ নাপালে মোৰ এম. এ. পঢ়াই নহ'ল হয়।"

বনমালীয়ে ক'লে, "বাদ দিয়ক সেইবোৰ কথা। চাওঁ, চেষ্টা কৰি চাওঁ। কেইটামান টকা অতিৰিক্ত খৰচ কৰিবলগীয়া হ'ব পাৰে। ক'ত আছে আপুনি? ক'ত লগ ধৰিম?"

"আপুনি লগ ধৰিব নালাগে। মই আপোনাৰ মেচত যাম।"

"কোন মেচ? অহো, হেৰিচন ৰোডৰ মেচ? কেতিয়াবাই এৰিলোঁ।"

টিকট পাওক বা নাপাওক গধূলি বনমালীয়ে খবৰ দিব বুলি আশা কৰিছিলোঁ। ৰাতিপুৱাও নাই। ক্ৰমাৎ অস্বস্তি বাঢ়ি যাবলৈ ধৰিলে। মৰহি যোৱা বিশ্বাসটো জীয়াই ৰখা টান হৈ পৰিছে। নিজৰ ওপৰত খং উঠিছে। পইচাখিনিৰ কাৰণে ঠিক নহয়। বহুতো বিশ্বাস লাহে লাহে ভাঙি শুৰি হৈ গৈছে। আৰু এটা ধুনীয়া বিশ্বাসকো নো কিয় নিজহাতে চূৰ্ণ কৰিবলৈ গ'লোঁ?

কেইকাপমান চাহ খালোঁ। হন্তদন্ত হৈ বনমালী উপস্থিত। ভংগীত আগৰ সেই উদ্দীপনা।

"নিয়ক, ওলাওক। ট্ৰেইনৰ বৰ বেছি সময় নাই। আজিকালি হাতত কিছু সময় লৈ যোৱা ভাল। বাটত জাম হ'লে মহা জুলুম হ'ব।"

"পালে টিকট?"

"পালোঁ। ছিচাপটো দিওঁ। ওলাওঁকচোন আপুনি। মই টেক্সি এখন চাওঁ। দৰকাৰৰ সময়ত টেক্সিও নোপোৱা হয় নহয়।"

'আঠ অনা।"

"এক টকা।"

"আঠ অনা।"

"এক টকা।"

"এক টকা।"

বাকীবোৰে হুলস্থূল কৰি উঠিল। ব্লাইণ্ড আঠ অনা, চিন এক টকা। অৰ্থাৎ তাচপাত নেদেখিলে আঠ অনা আৰু দেখিলে এক টকা। ইয়াৰ বেছি ধৰিব নোৱাৰি। এইটো হ'ল সৰ্বসম্মতিক্ৰমে স্থিৰ কৰা অনুশাসন।। নহ'লে হেনো জুৱাৰ আড্ডা হ'ব।

সত্যেনে অলস ভঙ্গীৰে তাচ তিনিপাত উঠাই লৈ নিৰ্বিকাৰভাৱে ক'লে, "এক টকা।"

মদনে গধূলিৰপৰা হাৰি আছে। এইবেলি পাইছে দুটা গোলাম। বৰ বেছি আগবঢ়া উচিত নহ'ব।

"শ্বো।" অৰ্থাৎ দেখুওৱা।

সত্যেনে অত্যন্ত ধীৰভাৱে এখন এখনকৈ তাচ পেলাই দিলে। হৰ্তনৰ মেম, ইস্কাবনৰ তিনি আৰু শেষত ইস্কাবনৰ মেম।

"ধেৎতেৰি।"

মদনে তাৰ তাচ তিনিপাত গাৰ ফালে মাৰি পেলাই দিলে।

সত্যেনে পইচাখিনি গোটাই গাৰ ফালে টানি ল'লে। মদনে পেন্টৰ পকেট আৰু বুক পকেটত হাত দি চালে। পইচা নাই। সত্যেনক ক'লে, "পাঁচটা টকা ধাৰলৈ দিয়াচোন।"

সত্যেনে তৎক্ষণাৎ আপত্তি জনালে, "নহ'ব। তাচ খেলত ধাৰ আৰু বাকী নহ'ব। পইচা আছে যদি খেলা, নহ'লে বাদ দিয়া।"

বিতৃষ্ণাত মদনৰ মনটো তিক্ত হৈ গ'ল। হাত ঘড়ীটো চালে। ৰাতি বহুতো হৈছে। বিৰক্তভাৱে ঘৰৰ ফালে খোজ ল'লে।

"ছালা শুৱাৰকা বাচ্চা।"

বাটত আপোন মনে সত্যেনক কেইবাৰমান গালি পাৰি মনটো অলপ পাতল কৰাৰ চেষ্টা কৰিলে। অজস্ৰ টকা এই সত্যেনৰ। কিন্তু অইনৰ কাৰণে এটা পইচা খৰচ কৰিবলৈ হ'লে মৰি যাব পাৰে। সত্যেনৰ পিতাকৰ নানা ধৰণৰ কাৰবাৰ। প্ৰেছ এটাৰ তত্ত্বাৱধানত আছে সত্যেন। আগফালে প্ৰেছ, পিছফালে তিনি কোঠালিৰ আটকধুনীয়া ঘৰ এটাতে থাকে। কাম-কাজ চায় মেনেজাৰে। তেওঁ মাজে মধ্যে প্ৰেছলৈ গৈ ইয়াক তাক অলপ ডাবি ধমকি দি আহে। সত্যেন

বন্ধু-বান্ধৱ, আড্ডা লৈ ব্যস্ত। উচ্চপদস্থ বিষয়া, ৰাজনৈতিক কৰ্মী, সাহিত্যিক, লবাৰ ডিভিজন এছিষ্টেণ্ট, বেকাৰ সকলো ধৰণৰ মানুহ আছে তেওঁৰ বন্ধু গোষ্ঠীৰ ভিতৰত। বুঢ়া মানুহো আছে, কলেজত পঢ়া ডেকা ল'ৰাও আছে। কেতিয়া কাৰ লগত খাতিৰ জমি উঠে আৰু কিমান দিন এই খাতিৰ বজাই থাকে কোনো পাত্তা নাই। মদন ডি. টি. অ.' অফিচৰ কেৰাণী। পৰাগ বৰুৱা গাড়ীৰ দালাল। পৰাগ বৰুৱাৰ জৰিয়তেই সত্যেনৰ লগত খাতিৰ। স্ফূৰ্তিবাজ ল'ৰা। দুদিনতেই অন্তৰঙ্গ হৈ উঠিল।

ঘৰৰ ফালে খোজ কাঢ়ি গৈ গৈ মদনৰ মনটো বিৰক্তিত ভৰি গ'ল। এটা ভয়ঙ্কৰ প্ৰতিবোধৰ মাজেৰে তেওঁ আগবাঢ়ি গৈ থাকিল। বিধবা মাকে ভাত লৈ বহি আছে। ভনীয়েক তিনিজনীয়েও খোৱা নাই। অতিৰিক্ত। মনটো অধিকতৰ বিৰক্তিৰে ভৰি গ'ল।

"নিৰ্বোধ ক'ৰবাৰ।"

দাঁত কামুৰি তিনিবাৰমান কথাষাৰ উচ্চাৰণ কৰিলে। খণ্ডতে গোটেই গাটো জ্বলি যোৱা যেন বোধ হ'ল। মাকৰ ওপৰত খং, ভনীয়েকৰ ওপৰত খং, সত্যেনৰ ওপৰত খং, নিজৰ ওপৰতো খং। কি জীৱন! এনেকৈয়ে চলিব লাগিব। দিনৰ পিছত দিন, তাৰো পিছত দিন। উদ্ধাৰৰ কোনো বাট নাই।

ডাঙৰজনী ভনীয়েক মালতীয়ে দুৱাৰ খুলি দিলে। অনাহাৰক্লিষ্ট ৰুক্ষ চেহেৰা। চকুৰ কাষবোৰ ক'লা। দেখিলেই খং উঠি যায়। মদনে তীক্ষ্ণ দৃষ্টিৰে তাইৰ ফালে চালে। সুধিলে, "কোনোবা আহিছিল নেকি মোক বিচাৰি?"

"নাই অহা।"

ভাত-আঞ্জাৰ চেহেৰা দেখি বিতৃষ্ণাত মদনৰ ভোক পিয়াহ নাইকিয়া হ'ল। তেওঁ জানে যে আটাইতকৈ ভাল বস্তুখিনি তেওঁকেই দিয়া হৈছে। অহেতুক আক্ৰোশত ভাতৰ কাহীখন দলি মাৰি দিবৰ মন গ'ল। ভাতৰ পাতত বহি একেটা কথাই আকৌ এবাৰ মাককো সুধিলে, "কোনোবা আহিছিল নেকি মোক বিচাৰি?"

"অ'। পৰামানন্দই তোৰ খবৰ কৰিছিল?"

"কিয়?"

"একো কোৱা নাই তো।"

"ছালা শুৱাৰকা বাচ্চা।" দাঁত কামুৰি মদনে মনে মনে গালি পাৰিলে। "গাভৰু ছোৱালী থকা ঘৰত মজা লুটিবৰ তাল।"

এৰা, মালতীয়ে কোনো অহা নাই বুলি কৈছিল কিয়? কিয়? ধৰিব নেকি তাইক? আধা খোৱাকৈ মদনে গম গমকৈ নিজৰ কোঠালিলৈ সোমাই গ'ল।

আঠুৱাখন কেইবা ঠাইতো ফাটি গৈছে। ফটা কাপোৰেৰে তাপলি লগাই দিছে। টানি মাৰি ফালি দিবৰ মন গ'ল। এই খঙৰ অৰ্থ নাই। তেওঁ জানে বাকীবোৰৰ কাৰো আঠুৱাই নাই। আঠুৱা কিয়, মূৰত ল'বলৈ ভাল গাৰু পৰ্যন্ত নাই। সামান্য পইচাত নিকৃষ্টতম খাদ্যৰ ব্যৱস্থা কৰাৰ পিছত আইন কোনো কথাত এটা পইচা খৰচ কৰাৰ উপায় নাই। ভনীয়েক কেইজনীৰ

তেলৰ অভাৱত মূৰৰ চুলি ৰঙচুৱা, অনাহাৰক্লিষ্ট ৰুক্ষ চেহেৰা। চকুত লুব্ধ বুভুক্ষ দৃষ্টি। ডাঙৰজনীয়ে পাঁচ বছৰ আগতে মেট্ৰিক পৰীক্ষা দি ফেল কৰিছে। বাকী দুজনীৰ তাকো নহ'ল। বিয়া-বাৰুৰ চেষ্টা কৰি লাভ নাই। ৰূপ-গুণ সেই পৰ্যন্ত। লিখা নাই, পঢ়া নাই, টকা নাই, পইচা নাই। পৰমানন্দই নিঃসঙ্কোচে প্ৰেম কৰিবলৈ আগবাঢ়ি আহে। যৌৱনে বিচাৰে স্বীকৃতি, বিচাৰে মুগ্ধ দৃষ্টিৰ অৰ্চনা। বিচাৰে দেৱী নে মানৱী সেই ভ্ৰম কৰাৰ মোহময় অনুভূতি। পৰমানন্দই সিহঁতৰ এই দুৰ্বলতাৰ সুযোগ ল'বলৈ বিচাৰে।

মদনৰ মূৰটো গৰম হৈ উঠে। পৰমানন্দৰ ওপৰত উঠা খংটোৱে আৰু বিস্তাৰ লাভ কৰে। পৰমানন্দৰ ইমান সাহস হয় কেনেকৈ? প্ৰেম? তাও ধৰি লাভ নাই। পৰমানন্দৰ এই ঘনিষ্ঠ হ'বৰ চেষ্টাত আছে দৰিদ্ৰৰ প্ৰতি সহজাত অশ্ৰদ্ধা আৰু সহজলভ্যতা সম্বন্ধে নিশ্চিত বিশ্বাস। মদনে তেওঁৰ ভনীয়েক কেইজনীৰ যৌন শুচিতা ৰক্ষা সম্বন্ধে উগ্ৰভাৱে সজাগ।

নিজে ঘৰত থাকি সিহঁতৰ ওপৰত লক্ষ্য ৰাখিম বুলি ভাৱে, কিন্তু নোৱাৰে। বাহিৰৰ প্ৰতি তেওঁৰ নিজৰ আকৰ্ষণ অধিকতৰ প্ৰবল। হাঁহি, স্ফূৰ্তি, আড্ডা, জুৱা। এইতো জীৱন। উত্তেজনাৰ চাকনৈয়া, বিস্মৃতিৰ মধুৰ সম্মোহন। কোন তেওঁৰ মাক, কোন তেওঁৰ ভনীয়েক? ক'ত থাকে তেওঁলোকে, কি কৰি চলে? কোনে পৰোৱা কৰে? কেতিয়াবা মদনে দল বান্ধি পিকনিক খাবলৈ গৈ খা-খবৰ নিদিয়াকৈ তিনি দিন ঘৰলৈ নাহে। ঘৰ পায়েই আকৌ সন্দেহাকুল হৈ উঠে। সম্ভৱ অসম্ভৱ অজস্ৰ কল্পনাই তেওঁক অস্থিৰ কৰি তোলে। সকলোৰে ওপৰতে তেওঁৰ আক্ৰোশ। নিজৰ ওপৰতো।

বিছনাত শুই শান্তি নাই। পৰমানন্দ আৰু মালতী। পিছে এইটো হ'ল এটা প্ৰতীক মাত্ৰ। বিশেষ প্ৰক্ৰিয়াত পৰমানন্দ ৰূপান্তৰিত হয় মদনলৈ আৰু মালতী ৰূপান্তৰিত হয়...। নাই প্ৰতিকৃতি স্থিৰ হৈ নাথাকে। কনকলতা আৰু ৰূপমাই, ৰেবা, ৰেখা, মন্দিৰা, চিনাকি, অচিনাকি অসংখ্য গাভৰুৰ অন্তহীন সমদল। নাৰী আৰু পুৰুষ। চিন্তাই এটা মাত্ৰ বিন্দুক কেন্দ্ৰ কৰি ঘূৰি থাকে।

মদনৰ মূৰটো ৰাইজাই কৰে। কিন্তু বৃত্তৰ পৰিধিৰপৰা কোনো পথেৰেই আঁতৰি যাব নোৱাৰে। সকলো চিন্তা, সকলো ধাৰণা, সকলো কল্পনা এটা মাত্ৰ বিন্দুত কেন্দ্ৰীভূত হৈ পাক খাই থাকে। মুক্তিৰ কোনো পথ নাই। কোনো উপায় নাই সুস্থ আৰু সফল পৰিণতিৰ ফালে আগবাঢ়ি যাবলৈ। মদন অস্থিৰ হৈ উঠে। এই আৱৰ্তৰপৰা মুক্তি লাগে।

কাম-কাজ, উন্নতি-অৱনতি একোৰেই একো মূল্য নাই, অৰ্থ নাই। পিয়াহত তেওঁৰ অষ্ঠ-কণ্ঠ শুকাই যায়। মৰুভূমিৰ মাজত পিপাসাৰ্ত মানুহৰ দৰে এটোপ পানীৰ কাৰণে তেওঁ ছটফট কৰি উঠে। অইন সকলো কথাই তুচ্ছ হৈ পৰে। এগিলাচ ক্লেদাক্ত পানীৰ কাৰণে তেওঁ নিজৰ আত্মাকো বিক্ৰী কৰিবলৈ প্ৰস্তুত। কনকলতা আৰু ৰূপমাই, ৰেবা, ৰেখা, মন্দিৰা, অজস্ৰ গাভৰুৰ অন্তহীন সমদল তেওঁৰ চকুৰ আগেদি বৃত্তৰ কেন্দ্ৰত গোট খায়গৈ। তেওঁ ঘূৰি থাকে, ঘূৰি থাকে। হাত বঢ়াই কোনো এজনীকো ছুব নোৱাৰে। তেওঁ কেন্দ্ৰৰ ফালে আগবাঢ়িবলৈ আপ্ৰাণ শক্তি প্ৰয়োগ কৰে। ফলত পৰিধিতহে তেওঁৰ গতিবেগ ক্ৰমাৎ বাঢ়ি গৈ থাকে। তেওঁৰ দৃষ্টিৰ

স্বচ্ছতা নাইকিয়া হৈ আহে। সকলো ছোৱালীৰ উচ্ছল ভঙ্গীবোৰ মিহলি হৈ একাকাৰ হৈ যায়। আপ্ৰাণ চেষ্টাত নিজৰ ভাৰসাম্য ঠিক ৰাখিবলৈ গৈ তেওঁ ধূলিতে বাগৰি পৰে।

দেহৰ উত্তেজনা কমি আহিলেও মনৰ উত্তেজনাৰ অলপো উপশম নহয়। অৱসাদ, বিতৃষ্ণা আৰু আত্মধিক্কাৰত দেহৰ প্ৰতিটো ৰক্তবিন্দু তিক্ত হৈ উঠে। অৱসন্ন দেহত টোপনি আহে কিন্তু সেই টোপনিয়ে মনক নিদিয়ে শান্তি, স্নিগ্ধতা আৰু শুচিতাৰ মধুৰ আবেগ। মদনে মাকক সাংসাৰিক কথা পাতিবৰ সুবিধা নিদিয়ে। তেওঁ মাকক এৰাই ফুৰে, পলাই ফুৰে। সজ্ঞানে অৱশ্যে নহ'বও পাৰে। ৰাতিপুৱাই মাকক দুৱাৰ মুখত থিয় হোৱা দেখি মদনৰ ভ্ৰূ কোঁচ খাই গ'ল। অভাৱ আৰু অভিযোগ। মাকে ক'লে, "এই সপ্তাহৰ কণ্ট্ৰোলৰ বস্তুখিনি আনিব লাগিছিল।"

"অনাই ল'বা।"

"কোনে আনিব? যোৱা সপ্তাহত ৰঘুৰ ল'ৰা মানিকক ধৰি-মেলি পঠিয়ালোঁ। চেনিখিনি বিক্ৰী কৰি দি মোক চেনি পোৱা নাই বুলি ক'লে। শীতলৰ দোকানৰপৰা এটা টকা দি এপোৱা চেনি অনাই কোনোৰকমে এই কেইদিন তোক চাহখিনি দিলোঁ।"

মদন মনে মনে থাকিল। মাকে অলপ ইতস্ততঃ কৰি আকৌ ক'লে, "তোৰ যদি সময় আছে তেনেহলে ডিপোৰপৰা কেৰাচিন তেলখিনিকে লৈ নাহ কিয়? শীতলৰ দোকানত এবটল তেলত বাৰ অনা পইচা লয়। দিয়েও কমকৈ নেকি।"

মাকে আপোন মনে কৈ গ'ল, "মানিকো আজিকালি টেঙৰ হ'ল। মাতিলেও নাহে। বজাৰ কৰিবলৈ দিলে পইচা ঘূৰাই নিদিয়ে। ৰাজ্যৰ বেয়া বস্তুখিনি লৈ আহে। হিচাপ খুজিলে গেৰগেৰাই উঠে।"

মদনে লাহেকৈ মাকৰ কাষেদি বাহিৰলৈ ওলাই গ'ল।

মদনে মাহৰ প্ৰথমতে বিৰক্তভাৱে মাকৰ হাতত টকা কেইটামান দি খালাচ। তেওঁৰ দায়িত্ব এইখিনিতেই শেষ। হিচাপ কৰি নিয়াৰিকৈ চলালে তাৰেই কিছু পৰিমাণে ভালকৈ চলিব পাৰি। কিন্তু চলায় কোনে? মদন ঘৰত নাথাকেই। ঘৰত যিখিনি সময় থাকে মেজাজৰ ওপৰত থাকে। বাহিৰত হ'লে খুব ভাল। স্ফূৰ্তিবাজ, ৰঙিয়াল। বন্ধু-বান্ধৱো বহুত, মানুহৰ লগত খাতিৰো জমাব পাৰে তৎক্ষণাৎ।

ভাত খোৱাৰ সময়ত মাকে কওঁ নকওঁ কৰি কৈ পেলালে, "ইহঁতৰো কাপোৰ-কানিবোৰ ফাটিছিটি গৈছে। মানুহ এজন আহিলে আগত ওলোৱাই টান হৈ পৰিছে।"

মদনে গজগজাই উঠিল, "কোন মানুহ আহে? কাৰ আগত ওলাব লাগে?"

কি কথাৰ কি উত্তৰ। মাকে বাধ্য হৈ মনে মনে থাকিল।

আজিকালি সত্যেনৰ তাত ক্লাবৰ আড্ডা নবহে। তেওঁৰ পাত্তা পোৱাই টান। খগেনৰ লগত বেলেগ কিবা তালত ঘূৰি ফুৰে।

নন্দন হোটেলৰ ওপৰৰ তলাত হাউচিৰ আড্ডা বহে। মদনেও তাতেই লম্ভিছে।

"নাম্বাৰ ফাইভ কিছু ইয়ৰ ওৱাইফ্।"

মদনে ব্যগ্ৰভাৱে নম্বৰটো বিচাৰে। ৰাতি বাৰ কেতিয়া বাজে গমেই নাপায়।

অফিচৰপৰা মদনে পোনে পোনে ঘৰলৈ নাহে। সিদিনা আহিছিল কোটটো ল'বৰ কাৰণে। ৰাতি বৰ ঠাণ্ডা লাগে। দেখিলে মালতীয়ে সিফালৰ বাটেদি ক'ৰবালৈ ওলাই গ'ল। পোছাক-পাতি মোটামুটি ভালেই। সস্তীয়া ঘোৰ নীলা শাড়ী এখন পিন্ধিছে। ক'লা ব্লাউজ এটা, কিন্তু পিঠিখন গোটেই উদং। অনাহাৰক্লিষ্ট চেহেৰা। অত্যন্ত দৃষ্টিকটু।

ঘৰত ভৰি দিয়েই মাকক কৈফিয়ৎ তলব কৰিলে, "মালতী নো সেইফালে ক'লৈ ওলাই গ'ল?"

মাকেও প্ৰথমতে অলপ খক মক খাই গ'ল। প্ৰতিৰক্ষাৰ ভঙ্গীৰে ক'লে, "ক'ত আৰু যাব? নাৰী সমিতিত কাম শিকে। পইচাও অলপ কিবা পায়। তালৈকে গ'ল।"

"কোন নাৰী সমিতি? কি কাম?"

"কি কাম আৰু? ছুৰেটাৰ গোঁঠা হাতৰ কাম, এইবোৰ। আৰু কি।"

"হুঃ। হাতৰ কাম? ফাকি দিবলৈ ঠাই নাই?"

মাকৰ হঠাতে খং উঠি গ'ল।

"কিহৰ ফাকি? ফাকি কিহৰ? সকলো ভাল ভাল ঘৰৰ ছোৱালীয়ে কাম কৰে তাত। বৰুৱাৰ ভতিজা ছোৱালী, বৰপূজাৰীৰ ভনীয়েক, সকলোৱে যায় দেখোন তালৈ।"

"হুঃ। ক'লেই হ'ল। ক'ত নো আছে এই নাৰী সমিতিটো?"

"নৰ্মদা মাষ্টৰণীৰ ঘৰত। বাৰোৱাৰীৰ কাষত। ইমান নো কিয় লাগিছে তোক?"

"ইমান কিয় লাগিছে? খবৰ নালাগিব? গাভৰু ছোৱালী এজনীয়ে ক'ত যায়, কি কৰে খবৰ নালাগিব? আজিয়েই গৈছোঁ মই। কোন নাৰী সমিতি, কি কাম, সকলো কথাৰ খবৰ কৰি আহিম।"

মুৰটো অসহ্য ধৰণে গৰম হৈ উঠিল। নাৰী সমিতিত হাতৰ কাম শিকে। পইচাও পায়। ফাকি দিবলৈ ঠাই নাই। ক্ৰুদ্ধভাৱে তেওঁ ঘৰৰপৰা ওলাই গ'ল।

সত্যেনৰ হেৰল্ড গাড়ীখন তাৰ কাষত বৈ গ'ল। গাড়ীত খগেনো আছে।

সত্যেনে সুধিলে, "এইফালে ক'ত গৈছিলা?"

"এই এঘৰ মানুহৰ তালৈ। অলপ কাম আছিল।"

"কি কাম?" সত্যেনে চকুৰে অৰ্থপূৰ্ণ ইঙ্গিত কৰিলে।

মদনে তেওঁৰ বন্ধু-বান্ধৱক কেতিয়াও নিজৰ ঘৰলৈ নৈ নাহে। আচলতে সি কোনখিনিত থাকে তাকো স্পষ্টভাৱে নকয়।

মদনে সুধিলে, "তোমালোকৰ এইফালে কি মতলব?"

খগেনে ফুচফুচাই মদনৰ কাণে কাণে কথাখিনি ক'লে।

"ধেৎ। মিছা কথা।"

"মিছা কথাহে ক'লোঁ তেনেহ'লে।"

"কিয় মিছাকৈ জোকাইছা? কোৱা না, সঁচা?"

"মিছা কথা কোৱাৰ দৰকাৰ কি?"

সত্যেনে গহীনাই মাত দিলে, "সঁচা নে মিছা প্ৰমাণ চাবা নেকি? ভাগ ল'লে কিন্তু ভাগৰ পইচাও দিব লাগিব।"

"কিমান?"

"এশ টকাৰ তিনি ভাগৰ এভাগ। বাৰু তুমি ত্ৰিছ টকা দিলেই হ'ব।"

মদনে খগেনক ক'লে, "নামা। মই পিছফালে বহোঁ।"

সত্যেনে হাক দিলে, "ইমানবোৰ মানুহৰ দল বান্ধি যোৱা ঠিক নহ'ব। তুমি খোজ কাঢ়িয়েই যোৱাচোন। এঘণ্টামান পিছত মোৰ তালৈ আহিবা।"

সত্যেন পইচা সম্বন্ধে খুব হুচিয়াৰ। গাড়ী চলোৱাৰ আগতে হাতখন পাতি দিলে।

"টকা কেইটা দিয়া।"

আগদিনা দৰ্মহা পাইছিল, মদনে তিনিখন দহ টকীয়া নোট বাহিৰ কৰি সত্যেনৰ হাতত দিলে।

সত্যেনে ভিতৰৰ কোঠালিটোৰপৰা ওলাই আহি চকী এখনত বহি কাৰো ফালে নোচোৱাকৈ কিতাপ এখন টানি ল'লে। এটা আখৰো নপঢ়াকৈ কিতাপৰ পাতবোৰ লুটিয়াবলৈ ধৰিলে। মদনে অধৈৰ্য হৈ দাঁতেৰে নখ কামুৰি ইফালে সিফালে অস্থিৰ হৈ চাবলৈ ধৰিলে। এইটো কোন? সত্যেন। পিছ মুহূৰ্ততে সত্যেনৰ উপস্থিতি সম্পূৰ্ণৰূপে পাহৰি যায়। দৃষ্টি আকৌ ঘূৰি আহে। এইটো কোন? সত্যেন।

খগেন দেখোন নোলায়হে নোলায়। কিমান সময় গ'ল? দহ মিনিট নে দহ ঘণ্টা। এইটো কোন? সত্যেন। তাৰ ফালে এনেকুৱাকৈ চাইছে কিয়? কি বুলি ভাবিছে তাক? আৰু এই খগেন। তামাছা আৰম্ভ কৰিছে নেকি তাৰ লগত? মজা চাইছে নেকি? যাম নেকি জোৰ কৰি সোমাই? দিম নেকি তাক গোৰ এটা মাৰি বাহিৰ কৰি? "ছাল্লা, গুৱাৰকা বাচ্চা।" উত্তেজনাত মদন থিয় হৈ উঠিল। খগেনেও দুৱাৰ খুলি ওলাই আহি আকৌ দুৱাৰখন জপাই দিলে।

দুই ইঞ্চি মান ফাঁক থাকি গ'ল। আলোকৰশ্মি সৰল ৰেখাত গতি কৰে। দুই ইঞ্চি ফাঁকেৰে ভিতৰৰ বহুতোখিনি চকুত পৰে।

মুখখন ভালকৈ চকুত নপৰে। তলমূৰকৈ বিছনাৰ কাষত ক্লান্তভাৱে ছোৱালীজনী বহি আছে। পিন্ধনত অসম্বৃত সস্তীয়া ঘোৰ নীলা চিক্কৰ শাড়ী এখন। পিঠি উদং ক'লা ব্লাউজ এটা। অনাহাৰক্লিষ্ট ক্ষীণ চেহেৰা। বহাৰ ভঙ্গীটো অত্যন্ত অসহায়। শৰীৰৰ ৰেখাত ক'তো নাই অলপো উচ্ছৃঙ্খলতাৰ চিন, অলপো ঔদ্ধত্যৰ প্ৰকাশ। চেহেৰাটো সঁচাই বৰ শান্ত, ঘৰুৱা ঘৰুৱা। বহাৰ ভঙ্গীটো বৰ ক্লান্ত, বৰ বিপন্ন, অত্যন্ত অসহায়।

নহয়। এইজনী মালতী হ-ব-ই নোৱাৰে। মদন বিজুলী সঞ্চাৰে দুৱাৰমুখৰপৰা ঘূৰি আহিল। সত্যেন আৰু খগেন দুয়ো আচৰিত হৈ তাৰ ফালে চালে।

"কি হ'ল?"

"গাটো হঠাতে বৰ বেয়া লাগিছে।"

"অপদাৰ্থ ক'ৰবাৰ। যা, একো নহয়। ভয় কৰিবলগীয়া একো নাই।"

মদন বিনাবাক্যব্যয়ে ঘৰৰপৰা ওলাই গ'ল। অন্ধকাৰ। একো নেদেখি। থৰক-বৰককৈ কোনোৰকমে ঘৰ পালেহি।

মাক উদ্বিগ্ন হৈ আছিল। মদন অহাৰ লগে লগে তেওঁ অভিযোগ কৰিলে।

"ইমান ৰাতি হ'ল। মালতী এতিয়াও উভতি অহা নাই। দেখিছনে কাণ্ড?"

মদনে একো নামাতি নিজৰ কোঠালিৰ ফালে আগবাঢ়ি গ'ল। মাকৰ কথাত আকৌ উৎকণ্ঠা প্ৰকাশ পালে, "গাভৰু ছোৱালী এজনী ইমান ৰাতিলৈ কিয় বাহিৰত থাকিব লাগিছে? ইমান ৰাতিলৈ নো কিহৰ কাম? খবৰ লৈছিলি নেকি তই নাৰী সমিতিত?"

মদনে থিয় হৈ থাকিবলৈ টান পাইছে। ক্লান্তভাৱে ক'লে, "ইমান অস্থিৰ হৈছা কিয়? আহিব।"

# পিতা-পুত্ৰ আৰু বোৱাৰী

দীৰ্ঘ দিন অসুখত ভুগি ৰঘুনাথ গোস্বামী ঢুকাল। যোৱা কেইবছৰমান ধৰি তেওঁ শাৰীৰিক আৰু মানসিকভাৱে পংগু হৈয়েই আছিল। চহৰৰ মানুহেও তেওঁৰ কথা সম্পূৰ্ণভাৱে পাহৰি গৈছিল। তেওঁৰ মৃত্যু ঘটাত হঠাতে সকলোৱে আকৌ তেওঁৰ সম্বন্ধে সচেতন হৈ উঠিল।

"বৰ ডাঙৰ পণ্ডিত এজন গ'ল।" পিছে শেষৰ ফালে তেওঁ পণ্ডিত হৈ থকা নাছিল। তেওঁৰ মগজুৱে কাম নকৰা হৈছিল। জড়পিণ্ডৰ দৰে জীয়াই থাকি থাকি মানুহৰ সহানুভূতিৰপৰাও তেওঁ বঞ্চিত হৈ পৰিছিল।

মই মাজে সময়ে তেওঁৰ খা-খবৰ ল'বলৈ গৈছিলোঁ। সময়ে ৰঘুনাথ গোস্বামীৰ শৰীৰত বাৰুকৈ আঁচোৰ মাৰি গৈছে। তেওঁৰ মুখমণ্ডল যেন গাড়ী এখনৰ বিধ্বস্ত উইণ্ড স্ক্ৰীণ। আঘাত লাগি সহস্ৰ খণ্ডত ভাঙি গৈছে কিন্তু কিবাকৈ নপৰাকৈ লাগি ধৰি আছে। চকুৰ তলত যেন দুটা পানী ভৰোৱা প্লাষ্টিকৰ টোপোলা। মূৰত চুলি নাই, কাণ দুখন অস্বাভাৱিক ধৰণে ডাঙৰ।

তেওঁ যে মোক চিনি পাইছিল সেই সম্বন্ধেও মই নিশ্চিত নহওঁ। মই ডাঙৰ ডাঙৰকৈ মোৰ নামটো কৈছিলোঁ; কিন্তু মোৰ নামটো শুনিও তেওঁৰ মুখৰ ভাবৰ কোনো পৰিবৰ্তন হোৱা নাছিল। সেই একে ধৰণৰ শূন্য দৃষ্টিৰে তেওঁ দূৰৰ ফালে চাই থাকিছিল।

"খুৰা, কেনে আপোনাৰ গা?"

"কোন?"

মই মোৰ নামটো আকৌ এবাৰ কওঁ।

"মহেশক লগ পালে ক'বাচোন এনেকুৱা কৰিলে নহ'ব।"

যোগসূত্ৰ স্থাপন কৰাৰ নিষ্ফল প্ৰয়াস। তেওঁৰ ডাঙৰ ল'ৰা মহেশৰ মৃত্যু হোৱাৰ পাঁচ বছৰমানেই হ'ল। মৃত্যু নহ'লে একো শুংসূত্ৰ নোহোৱাকৈ ইমানদিন ক'ত থাকিব?

হঠাতে ৰঘুনাথ গোস্বামী অত্যন্ত বিৰক্ত হৈ উঠে।

"ধুই নিদিয়া কিয়হে, এইবোৰ ধুই নিদিয়া কিয়? উঃ কি শাস্তি!"

তেওঁ কি ক'ব খুজিছে মই ঠিক ধৰিব নোৱাৰোঁ। বিব্ৰতভাৱে প্ৰশ্ন কৰোঁ, "কি কৈছে?"

"এই ঘাবোৰ। তিৰোতাজনী ক'ত?"

তেওঁৰ চিন্তাবোৰ সান-মিহলি হৈ গৈছে। অনবৰত বিছনাত পৰি থকা কাৰণে তেওঁৰ তপিনা আৰু পিঠিত ঘা হৈছে। এই ঘাৰ যন্ত্ৰণাৰ লগত আইন কিম্বা অনুভূতি মিহলি হৈ গৈছে।

সৰুকালত আমি ৰঘুনাথ গোস্বামীক যথেষ্ট শ্ৰদ্ধা কৰিছিলোঁ। বৰ ডাঙৰ পণ্ডিত বুলি

সকলোৱে তেওঁক সম্ভ্ৰম কৰি চলিছিল। অৱশ্যে তেওঁৰ পাণ্ডিত্য বিচাৰ কৰাৰ যোগ্যতা আমাৰ তেতিয়াতো নাছিলেই, এতিয়াও নাই। সকলোৱে নিৰ্বিচাৰে মানি লোৱা কথা। পিছে তেওঁৰ বেদৰ ওপৰত লিখা কিতাপখন পঢ়ি মই ভাল পোৱা নাই। মৰফ'লজী অৰ্থাৎ অংগ সংস্থান বিদ্যাৰ কিতাপ বুলি ক'ব পাৰি। আমাৰ নিচিনা সাধাৰণ মানুহে এই কিতাপখনৰপৰা বেদত থকা উচ্চ খাপৰ চিন্তাৰ কোনো ধাৰণা কৰিব নোৱাৰে।

বংশানুক্ৰমে তেওঁৰ ৰক্তধাৰাই কি বিষাক্ত স্মৃতি কঢ়িয়াই আনিছে কোৱা টান কিন্তু অইন ধৰ্মৰ মানুহৰ প্ৰতি আছিল তেওঁৰ দাৰুণ অৱজ্ঞা, ঘৃণা বুলিয়েই ক'ব পাৰি। তেওঁ বিশ্বাস কৰিছিল যে বৈদিক যুগটো পুনৰুজ্জীৱিত কৰি তোলাটোৱেই ভাৰতৰ উদ্ধাৰৰ একমাত্ৰ উপায়। আচল কথা হ'ল বিশ্বাস। যুক্তি থাকিলে ভাল, নাথাকিলে নাই। আমাৰ বয়স অলপ বঢ়াৰ লগে লগে আমি ৰঘুনাথ গোস্বামীৰপৰা আঁতৰি আহিলোঁ। অসাক্ষাতে তেওঁৰ সম্বন্ধে বিদ্রূপাত্মক মন্তব্যও কৰিবলৈ ধৰিলোঁ।

উদ্ভ্ৰান্তৰ দৰে মহেশ মোৰ ওচৰলৈ আহিছিল।

"আত্মঘাতী হোৱাৰ বাহিৰে মোৰ আৰু অইন একো উপায় নাই।"

মই সমালোচকৰ দৃষ্টিৰে তাৰ ফালে চালোঁ। নন্দিতাৰ লগত মহেশৰ ঘনিষ্ঠতা বৰ বেছি হৈছে বুলি আমি সকলোৱে জানিছিলোঁ।

"দেউতাই এই বিয়াত কোনোপধ্যে সন্মতি নিদিয়ে।"

"কিয়? বেদত প্ৰেমৰ উল্লেখ নাই নেকি?"

মই নিজৰ চপলতাৰ কাৰণে লজ্জিত হৈ পৰিলোঁ। ৰঘুনাথ গোস্বামীৰ মতে নন্দিতাৰ প্ৰতি মহেশৰ আকৰ্ষণৰ কাৰণ প্ৰেম নহয়, লম্পটতা।

"নন্দিতাই কি কয়?"

"তাইও মৰিব।"

"বাঃ। একেবাৰে সস্তীয়া চিনেমা। নমৰাকৈ জীয়াই থাকিলে দোষ কি? দৰকাৰ হ'লেতো পিছতো মৰিব পাৰিবা।"

ৰঘুনাথ গোস্বামীয়ে মোক দেখিলে ঘৃণাত মুখ ঘূৰাই লৈছিল। আমাৰ দৰে চৰিত্ৰহীন ডেকাইতৰ অশুভ প্ৰভাৱে মহেশক তেওঁৰ মতৰ বিৰুদ্ধাচৰণ কৰিবলৈ সাহস গোটাইছে বুলি তেওঁৰ দৃঢ় বিশ্বাস।

পিছে আমি ভুল কৰিছিলোঁ। উৎসাহৰ আতিশয্যত সামগ্ৰিক পৰিস্থিতি বিচাৰ কৰি চোৱা নহ'ল। মহেশ সঁচাকৈয়ে বৰ ভাল ল'ৰা। দোষ আমাৰেই। তাৰ নিজস্ব কোনো মতামত নাছিল। দেউতাকৰ ব্যক্তিত্বৰ প্ৰভাৱত সি সম্পূৰ্ণভাৱে অভিভূত হৈ আছিল। মহেশৰ কিবা নিজস্ব মতামত বা ব্যক্তিত্ব আছে বুলি তাৰ দেউতাকে ভবা নাছিল। মহেশ আছিল তেওঁৰেই অস্তিত্বৰ বিস্তৃতি। প্ৰতিটো পদক্ষেপ কৰোঁতে সি নিৰন্তৰ দেউতাকৰ মুখৰ ফালে চাই দেউতাকৰ অনুমোদন বিচাৰি লৈছিল। মহেশ আমাৰ লগত পঢ়িছিল। তাক আমি ভালকৈ জানো। সদায় অলপ সংকোচৰ ভাৱ। কেতিয়াও চাহ নাখাইছিল। মাছ-মাংস খোৱা নাছিল, চৰিত্ৰ নষ্ট হ'ব বুলি

চিনেমা-থিয়েটাৰ চোৱা নাছিল। আমাৰ লগ ল'লেও নিজে কথা নকৈছিল আৰু দেউতাকে আড্ডা মাৰি আছে বুলি গম পায় নেকি বুলি সন্ত্ৰস্ত হৈ থাকিছিল। আমি তাক জোকাইছিলোঁ। সি লাজকুৰীয়াভাবে হাঁহিছিল।

দেউতাকৰ মতৰ বিৰুদ্ধে মহেশে নন্দিতাক বিয়া কৰালেও ইয়াৰ পৰিণতি শেষ পৰ্যন্ত বিষময় হৈ পৰিল। সংৰক্ষিত পৰিধিৰ কোনোবা সুৰুঙাৰে ওলাই আহি নন্দিতাক লগ পাই সি অভিভূত হৈ পৰিছিল, কিন্তু সুৰক্ষিত আশ্ৰয় এৰি থকাৰ মানসিক প্ৰস্তুতি তাৰ নাছিল। পদে পদে সি নন্দিতাৰ দোষ দেখিবলৈ ধৰিলে। সি তাইৰ আৰু লগতে নিজৰ জীৱনো দুৰ্বহ কৰি তুলিলে। তিলতিলকৈ তাৰ মনত বিহ জমা হৈ তাৰ গোটেই বিচৰণ-ক্ষেত্ৰ বিষাক্ত কৰি তুলিলে। নন্দিতাই আমাৰ আগত ওলাই আমাৰ লগত কথা পাতিলেও মহেশে সহ্য কৰিব নোৱাৰা হ'ল।

"ই কৰাচোন, যোৱাচোন। বগা কামিজটো ইস্ত্ৰী কৰি থোৱাচোন।"

মহেশে পি. ডব্লিউ. ডি অফিচত একাউন্টেন্টৰ কাম কৰি চৰকাৰী ঘৰত আছিল। অফিচতো কাৰো লগত কথা পতা নাছিল। আমাৰ লগ তো ইতিমধ্যে এৰিলেই। অফিচলৈ যাওঁতেও হেনো নন্দিতাক কোঠা এটাত সুমুৱাই বাহিৰৰপৰা তলা লগাই গৈছিল।

এবাৰ কিবা কথাত লাগি ধৰিলে ৰঘুনাথ গোস্বামীয়ে তাক এৰি দিব নোৱাৰে। আঁকোৰগোজ হৈ তাকেই ধৰি থাকে। এইটো চৰিত্ৰৰ বলিষ্ঠতাৰ লক্ষণ, আকৌ আনফালেদি চালে দুৰ্বলতাৰো লক্ষণ। মূল কথাতকৈ ৰীতি-নীতিক বেছি গুৰুত্ব দিলে এনেকুৱা হয়েই। মহেশে শেষ পৰ্যন্ত দেউতাকৰ লগত আপোচ কৰিবলৈ চেষ্টা কৰিছিল। লাগিলে নন্দিতাক এৰি দিব বুলিও ইংগিত দিছিল। কিন্তু ৰঘুনাথ গোস্বামীয়ে মহেশৰ কোনো কথাই শুনিবলৈ মান্তি নহ'ল। নিজৰ জেদ এৰি দিয়াটো তেওঁৰ পক্ষে অসম্ভৱ।

দেউতাকৰ অসন্মতিৰ বাতাৱৰণত মহেশৰ পক্ষে বাস কৰা সম্ভৱ নাছিল। তাৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হ'ল। এদিন সি নোহোৱা হৈ গ'ল। মানে মুঠতে অদৃশ্য হৈ গ'ল।

মোৰ ধৰণা সি ক'ৰবাত কিবাকৈ মৰিল। নিজৰ ভৰিত থিয় হৈ চলাৰ শক্তি তাৰ নাছিল। তাক ৰক্ষা কৰাৰ কাৰণে এজন দেউতাকৰ প্ৰয়োজন।

দেখদেখকৈ চেলু এটা আছেই। তেওঁলোকৰ মতৰ বিৰুদ্ধে নন্দিতাই বিয়াত বহিছে। নন্দিতাৰ ককায়েকহঁতে নন্দিতাৰ দায়িত্ব ল'বলৈ অস্বীকাৰ কৰিলে। ইমানখিনিৰ পিছত ৰঘুনাথ গোস্বামীৰ ঘৰত উঠাও তাইৰ কাৰণে টান। পিছে তাই মনৰ বল থকা ছোৱালী। বি.এ. পৰীক্ষা নিদিলেও তাই পাঠ্যক্ৰম সমাপ্ত কৰিছিল। পি. ডব্লিউ. ডি. অফিচত কাম এটা যোগাৰ কৰি তাই আগৰ ঘৰটোতেই থাকিল।

সময় বৈ নাথাকে। ৰঘুনাথ গোস্বামী সোনকালে বুঢ়া হৈ গ'ল। ইমান বলিষ্ঠ চৰিত্ৰৰ মানুহজন হঠাতে যেন ভাঙি পৰি গ'ল।

যাৰ যি স্বভাৱ। আমি আকৌ উদ্বিগ্ন হৈ পৰিলোঁ। এই অক্ষম বুঢ়া মানুহজনক কোনে চায়? ৰঘুনাথ গোস্বামীৰ আৰু দুজন ল'ৰাই অসমৰ বাহিৰত কাম কৰে। ঘৰৰ লগত যোগাযোগ

নায়েই। উপায় নাপাই নন্দিতাক লগ ধৰি ক'লোঁ, "কি কৰা যায়?"

"শহুৰ যেতিয়া দায়িত্ব এটা আছে। পিছে মই তেওঁৰ ঘৰত গৈ থাকিব নোৱাৰিম, ক্ষমা কৰিব। মোৰ ইয়াত আনি থয় যদি মই বিমানখিনি পাৰোঁ কৰিম।"

তাইৰ কথা শুনি প্ৰথমে মোৰ খং উঠিছিল। বুঢ়া মানুহজনক অপমান কৰাৰ মতলব। ঘৃণাৰ সলনি প্ৰেম, কিন্তু এই প্ৰেম তাইৰ চৰ্ত মতেহে হ'ব লাগিব।

পিছে উপায় নাছিল। বুঢ়া মানুহজনৰ যে অকল বল-শক্তি নোহোৱা হৈছে তেনে নহয়, বুদ্ধি-বৃত্তিও নোহোৱা হৈ আহিছে। কাকো চিনিও নাপায়, একো বুজিও নাপায়। বাধ্য হৈ আমি তেওঁক আনি নন্দিতাৰ ঘৰত থ'লোঁ। তেঁৱো কোনো আপত্তি নকৰিলে। বুজি পোৱাৰ শক্তিও তেওঁৰ নাছিল।

পিছে নন্দিতাই কৰিছে, তেওঁৰ কাৰণে যথেষ্ট কৰিছে। ৰঘুনাথ গোস্বামীয়ে নন্দিতাক চিনি পাইছিল বুলি মোৰ সন্দেহ। তেওঁ তাইক মহিলাজনী বা তিৰোতা মানুহজনী বুলি উল্লেখ কৰিছিল। নন্দিতাৰ অসাক্ষাতে মোক ফুচফুচাই সুধিছিল, "এই তিৰোতাজনী কোন?"

নন্দিতাই কৰিছে, যথেষ্ট কৰিছে। শুনিলেই ঘিণ লাগে। ৰঘুনাথ গোস্বামীয়ে বিছনাত মলত্যাগ কৰি হাতেৰে পিটিকি সেই হাতেৰে গা-মূৰ খজুৱাইছে। নন্দিতাই নিৰ্বিবাদে গৰম পানী আৰু ডেটলেৰে ধুই পখালি তেওঁক চাফা কৰিছে। বেয়াও লাগে। এজন দৃঢ়-চিত্ত মানুহৰ কি করুণ পৰিণতি।

মাহেকে-পষেকে আমি ৰঘুনাথ গোস্বামীৰ খবৰ ল'বলৈ গৈছিলোঁ। তেওঁৰ শ্ৰৱণ শক্তি কমিছে নে নাই ক'ব নোৱাৰোঁ। তথাপি বেছ ডাঙৰকৈ চিঞৰি কওঁ, "খুৰা, কেনে আছে?"

"কোন?"

মই মোৰ নামটো কওঁ। চকুত পৰিচয়ৰ কোনো চিন ফুটি নুঠে। তেওঁ একেদৰে শূন্য দৃষ্টিৰে চাই থাকে। আমি মনে মনে কিছুপৰ বহি থাকোঁ। দুৱাৰমুখ পোৱাত হঠাতে তেওঁ কৈ উঠে, "হেৰা, মহেশক কবাচোন।"

মহেশক কি ক'ব লাগে তাকে জানিবলৈ আমি অধীৰ আগ্ৰহেৰে ৰৈ থাকোঁ। পিছে নাই, আকৌ অসহ্য পীড়াদায়ক নিস্তব্ধতা।

# অপৰাজেয়

ক্লান্তি, অপৰিসীম ক্লান্তি। বলৰামৰ ইচ্ছাও দুৰ্বল হৈ পৰিছে। কিবা এটা খামোচ মাৰি ধৰাৰ তাৰ আৰু ইচ্ছা নাই। ক্লান্তিত হাতৰ মুঠি অজ্ঞাতে শিথিল হৈ যায়, খাদ্য, আশ্ৰয়, এইবোৰ বিষয়ে তাৰ আৰু সামান্যতম উৎসাহ নাই।

"গ'ল, গ'ল, গ'ল।"

নাই, নমৰিল। বলৰামৰ পৰিবাৰ মেনোই হাতত ধৰি হেঁচোক মাৰি তাক দ্ৰুতগামী ট্ৰাক এখনৰ তলত পৰাৰপৰা ৰক্ষা কৰিলে। বলৰামৰ নিজৰপৰা এইখিনি প্ৰয়াস কৰাৰো ইচ্ছা নাই।

পাণবজাৰত ইমান ভিৰৰ মাজতো নিঃসঙ্গ মৰণাপন্ন মানুহজনক দেখি বলৰামৰ আৰু যুঁজ কৰি থকাৰ ইচ্ছা নাইকিয়া হৈছে। মিছাকৈ ইমান চেষ্টা, ইমান শাস্তি। বলৰামৰ একমাত্ৰ ইচ্ছা হ'ল সি ক'ৰবাত শুব। পাৰিলে সি যেন মাজবাটতে গা এৰি দি পৰি থাকিব। তাক খাদ্য, আশ্ৰয় এইবোৰ একোকে নালাগে। হাত-ভৰি মেলি ক'ৰবাত শুব পাৰিলেই হ'ল। অচেতনতাৰ অটল গহ্বৰত তল যোৱাৰ মন। নৰক যাতনাৰপৰা মুক্তিৰ একমাত্ৰ উপায়।

বাটৰ কাষত গছজোপা দেখা পাই গছৰ তলত বলৰামে গা এৰি দিলে। ওপৰফালে মুখ কৰি দীঘল হৈ শুই পৰিল। কঁকালত মেৰোৱা ফটা কাপোৰ ডোখৰৰ গাঁঠি খুলি তাৰ জননেন্দ্ৰিয় ওলাই পৰিল। মেনোই কাপোৰ টানিটুনি ঢাকি দিলে।

গাত বল আছিল বলৰামৰ। বলবিজ্ঞানৰ সূত্ৰমতে ঘণ্টাত সি কিমান ফুট-পাউণ্ড কাম কৰিব পাৰিছিল উলিওৱা টান নাছিল। পিছে পেশীশক্তিক কাৰ্যকৰীভাৱে ৰূপান্তৰিত কৰি ধুনীয়াকৈ জীয়াই থকাৰ কোনো সুযোগেই সি নাপালে।

বংশানুক্ৰমে সিহঁতে বৰুৱা পৰিয়ালৰ মাটিত আধিয়াৰ হিচাপে খেতি কৰিছিল। বলৰামে নিজেও গজানন বৰুৱাৰ মাটিত খেতি কৰিছিল। অখণ্ড প্ৰতাপ এই বৰুৱা পৰিয়ালৰ। সাধাৰণ মানুহে বৰুৱাক 'ৰজা' বুলি কয়।

"উমৰা আমাৰ ৰজা।"

অৰ্থাৎ তেওঁ আমাৰ ৰজা। বৰুৱাৰ ইচ্ছাৰ বিৰুদ্ধে যোৱাৰ উপায় বা সাহস কাৰো নাই। গতিকে নিৰ্বাচনী ৰাজনীতিত বৰুৱাৰ প্ৰতিপত্তি অসীম। তেওঁৰ সহায়ৰ মূল্যও তেওঁ পুৰা আদায় কৰি লৈছে। নিৰ্বাচনত বিজয়ী প্ৰাৰ্থীৰ দলে কৃতজ্ঞভাৱে তেওঁক সকলো ধৰণৰ সহায় কৰি আছে। কৃষি, মীন, বিভিন্ন বিভাগৰপৰা তেওঁ কিমান টকা ধাৰ পাইছে তৎক্ষণাৎ হিচাপ

কৰি কোৰা টান। পিছে হিচাপ কৰাৰ দৰকাৰো নাই। তেওঁ এই টকা কেতিয়াও ফিৰাই দিবলগীয়া নহয়। তেওঁক অসন্তুষ্ট কৰি এই অঞ্চলৰপৰা কোনো দলে নিৰ্বাচনত জয়লাভ কৰিব নোৱাৰে।

গজানন বৰুৱাৰ প্ৰতাপ দিনকদিনে বাঢ়ি গৈ আছে। আৰু সেই অনুপাতে সাধাৰণ মানুহৰ অৱস্থা ক্ৰমাৎ বেয়া হৈ আহিছে। বৰুৱাই যেতিয়া ট্ৰেক্টৰ আদি লৈ আধুনিক পদ্ধতিৰে খেতি কৰিবলৈ ল'লে তেতিয়া তেওঁৰ মাটিত খেতি কৰি খোৱা মানুহবোৰৰ অৱস্থা নাইকিয়া হ'ল। এখন ট্ৰেক্টৰৰ অশ্বশক্তি পঞ্চাছৰপৰা বাঠি। বলৰামৰ সামান্য শক্তিৰ মূল্য নোহোৱা হ'ল। ফলত বৰুৱাই সেউজীয়া বিপ্লৱ ঘটালেও গাৱঁৰ অইন বহুতৰে লগত বলৰামো নিঠৰুৱা হ'ল।

বলৰামৰ মাক জলোবুঢ়ীৰ চকুত ছানি পৰিছে। চকু দুটা ঘঁহা আয়নাৰ দৰে। বুঢ়ীয়ে চকুৰে একো দেখা নাপায়। তথাপি ঘৰত বহি নাথাকে। লাখুটি এডাল টক্‌টকাই ঘূৰি ফুৰে। সকলোৰে ঘৰত হাহাকাৰ। গাৱঁৰ সকলোৰে অৱস্থা কিয় এনেকুৱা হ'ল বুঢ়ীয়ে একো তলানলা নাপায়। মানুহবোৰৰ কি হ'ল? বহিবলৈ নকয়, ভালকৈ মাতবাৰো নিদিয়ে। ধানৰ মোন হেনো তিনিকুৰি টকা। কথাবাৰ বুঢ়ীৰ ধাৰণাৰ অতীত। আলোকবৰ্ষৰ দৰে এটা অনুমানসিদ্ধ কথা মাত্ৰ।

বলৰামৰ বাপেকে গণি গণি তিনিকুৰি টকা দি তাইক আনিছিল। এই লৈ সকলোৱে কোৱাকুই কৰিছিল। আহু ধানৰ মোন আছিল ন অনা, দহ অনা। অইন ন'হলেও ভাতকেইটা খাই আছিল। এতিয়া তাকো নাই। নাতি ল'ৰা দুটাই দিনেৰাতি পেটৰ ভোকত কান্দে। কিবা দায়দোষ লাগিছে। নহ'লে এনেকুৱা হ'ব কিয়?

কাৰো কথা নুশুনে জলোবুঢ়ীয়ে। চকুৰে একো নেদেখে পিছে টক্‌টক্‌কৈ ঘূৰি ফুৰা বন্ধ কৰিবৰ নাই। মণ্ডলইঁতৰ এটা ভেড়া ছাগলী আছে, স্ফূৰ্তি লাগিলে লৰৰি আহি মানুহক মূৰেৰে খুন্দা মাৰি দিয়ে। জলোবুঢ়ীকো ধুমমাৰি খালত পেলাই দিলে। কঁকালত দুখ পাই বুঢ়ী লৰিব-চৰিব নোৱাৰা হ'ল। তাইৰ মূৰত সোমালে যে গোটেই পৰিয়ালটোক অমঙ্গলে চুইছে। একেটা কথা কৈ কৈ বুঢ়ীয়ে সকলোকে অস্থিৰ কৰি তুলিলে।

"হে মাও, ছোৱছনী (সুবচনী) পূজা পাতেক। নাহইলে অক্ষা (ৰক্ষা) নাই। যেমন কৰি হউক পূজাৰ যোগাৰ কৰেক।"

এই পূজাৰ বহুতো যা-যোগাৰ লাগে। নেজপাত (আগলতি কলপাত) একো একোখনত একো আখি কল তামোল-পাণ আদিৰে নবুদ (নৈবেদ্য) সজাই কলপাতত সেন্দুৰৰ ফোট দি ল'ব লাগে। জীয়ৰী-বোৱাৰীসকলে শুদ্ধ কাপোৰ পিন্ধি হাতত ফুল লৈ আঠু কাঢ়ি বহে। কোনোৱা এজনীয়ে সুবচনীৰ আখ্যান বৰ্ণনা কৰে; অইন এজনীয়ে হুকাৰ ধৰি থাকে। একোটা একোটা অধ্যায়ৰ বৰ্ণনা শেষ হ'লে আয়তীসকলে ফুল লৈ নেজপাতত অঞ্জলি দিয়ে। বংশ পৰম্পৰাই শুনি শুনি জলোবুঢ়ীয়ে খুব শুদ্ধভাৱে আখ্যান বৰ্ণনা কৰিব পাৰে। অইন কাৰোবাৰ ঘৰত পূজা পাতিলেও বুঢ়ীক মাতি নিয়ে। তন্ময় হৈ বুঢ়ীয়ে উপাখ্যান বৰ্ণনা কৰি যায়।

"ৰজাৰ গুৱালনীৰ চাণ্ডালিনীৰ লগত খুব মিল। দুয়ো এদিন একেলগ হৈ নৈৰ পাৰত সুবচনী পূজা কৰি কলপাতত প্ৰসাদ খাই সেই কলপাত পুতি থলে। কোনোবাই দেখা পাই ৰজাক লগালে। শুনি ৰজাৰ খুব খং উঠি গ'ল। এই গুৱালনীয়ে যোগান ধৰা বস্তু তেওঁ খায়।

পাইক পঠিয়াই গুৱালনীক ধৰি আনিলে। ৰজাই ক'লে তোমাৰ গোসাঁনী কিমান ডাঙৰ চাওঁ। এবছৰ আগতে মোৰ পাটহাতী মৰিছে। সেই হাতীক জীয়াই দিব লাগিব। গুৱালনীয়ে শুদ্ধাচাৰে সুবচনী পূজা আৰম্ভ কৰিলে। পূজা শেষ হোৱাত পাটহাতী মাটিৰ তলৰপৰা উঠি গা জোকাৰি থিয় হ'ল।"

বুঢ়ীৰ পেনপেননি শুনি শুনি বলৰামৰ মনতো খোকোজা লাগিল। এনেকুৱা দুৰৱস্থাতো সিহঁতৰ কেতিয়াও নাছিল। কিয় এনেকুৱা হ'ল? গুৰু গোসাঁই নামানিলে অমঙ্গল নহ'ব তো কিটো হ'ব? বৰুৱাৰ ঘৰত বাৰ মাহে তেৰ পূজা লাগিয়েই আছে। দুৰ্গা পূজা, লক্ষ্মী পূজা, কিমান ধুমধাম, কিমান খৰচ। বৰুৱাহঁতৰ অৱস্থা ভাল নহ'ব তো কাৰ হ'ব? ঘৰ-দুৱাৰেই চাবা নে গাড়ী-ঘোঁৰাই চাবা।

"চাওঁ, গুচ গুচ।"

জগন্নাথ ডাক্তৰৰ মাত। ডাক্তৰৰ চাইকেলৰ ব্ৰেকো নাই, বেলো নাই। দূৰৰপৰা আবাজ কৰি ডাক্তৰে মানুহক সাৱধান কৰি দিয়ে। চেৰাবলিয়া মানুহ। বহুদিন আগতে চহৰৰ যতীন ডাক্তৰৰ ফাৰ্মাচীত কম্পাউণ্ডাৰৰ কাম কৰিছিল। এতিয়া গাৱঁতে চিকিৎসা কৰে। সাধাৰণ মানুহৰ সাধাৰণ দৰৱ। ল'ৰা-ছোৱালীৰ পানী লাগিলে মিঠাতেল গৰম কৰি মালিচ কৰিবলৈ দিয়ে। কৃমি বিকাৰ হ'লে মাটিকঠালৰ পাতৰ গুৰিৰ ফালৰ বগা অংশৰ ৰস উলিয়াই খাব দিয়ে। লাও,' কোমোৰা যি পায় তাতেই সন্তুষ্ট। অত্যন্ত দুৰ্মুখ। সকলোৱে তেওঁক ভয় কৰে।

চাইকেলখনে বলৰামক খুন্দা মাৰিলেই। ওলোটাই ডাক্তৰৰে খং।

"কি সোমাইছেহে তোমাৰ কাণত? একো শুনা নোপোৱা। পৰি ভৰিৰ ছাল গ'ল।"

সুবচনীৰ পূজাৰ যোগাৰ কৰাৰ কাৰণে বলৰামে মনে মনে মদনৰ দোকানত কাঁহৰ বাচন বেচি আছিল। যাওঁতে দেখা পালে ডাক্তৰে খালে হয়। খাবলৈ নোপোৱা মানুহৰ এনেবোৰ কাণ্ড দেখিলে ডাক্তৰে কুকুৰে কাঁইট নোখোৱাকৈ গালি পাৰিবলৈ ধৰে। শেষ পৰ্যন্ত তেওঁ খণ্ডতে মাতিব নোৱাৰা হয়।

"মূৰ্খৰ দল, অন্ধৰ দল।"

এই একেটা বাক্যৰ পুনৰাবৃত্তি কৰি থাকে।

লাভ একো নহ'ল। কাঁহি-বাটিবোৰ গ'ল। বান অহাৰ আগৰপৰাই অনাহাৰ আৰম্ভ হ'ল।

প্ৰতি বছৰে বান আহে, ঘৰৰ ভিতৰতো পানী সোমায়। সাময়িকভাৱে পি. ডব্লিউ. ডি.ৰ বাটত আশ্ৰয় লোৱাটো এটা সাধাৰণ কথা। মানুহে মালবস্তু, গৰু-ছাগলী আনি বাটত তোলে। ঢাৰি, চট ইত্যাদিৰে চালি সাজি বাটতে সংসাৰ পাতে। পানী কমিলে আকৌ ঘৰলৈ উভতি যায়। ঘৰৰ লগত সম্বন্ধ ছিণ্ডি নাযায়, শিপা উভালি নাহে।

আগতে পানী খুব বেছি হ'লে বলৰামহঁতেও বাটত আশ্ৰয় লৈছিল। ধান-চাউল লগতে লৈ আনিছিল। মেনোই বাটত মেলি দি ধান শুকাই লৈছিল। বাটত থাকিলেও গৃহস্থালিৰ নিয়ম-নীতি বাদ দিবলগীয়া নহৈছিল। ইজনে সিজনৰ খা-খবৰ কৰিবলৈ আহিলে সোধপোছ কৰিছিল, বহিৰৰ কাৰণে পীৰা এখনো আগবঢ়াই দিছিল। বলৰামৰ মাকে পাণ এপাত আঠুৰ

কাপোৰত মচি লৈ মানুহক তামোল-পাণো যাচিছিল।

ইবাৰৰ কথা বেলেগ। বান হ'ল উপলক্ষ্য মাত্ৰ। ব'হাগৰপৰাই মানুহৰ খাবলৈ একো নাই। ধানৰ দাম মোন্নে ইতিমধ্যে ষাঠি টকা পালেগৈ। যিসকলৰ ধান আছে তেওঁলোকে ধৰি থাকিল। যি লক্ষণ, ধানৰ দাম কিমান পায়গৈ ঠিক নাই। আগতেই বেচি দি লোকচান ভৰিব নেকি?

জলোবুঢ়ীয়ে চকুৰে নেদেখে, কঁকালত দুখ পাই ভালকৈ খোজ কাঢ়িবও নোৱাৰে। বলৰামে বুঢ়ীক দাণ্ডি লৈ আহিল।

আৰম্ভ হ'ল অনাহাৰ। পেটত নহয়, হৃৎপিণ্ডৰ ঠিক তলতে চৌবিছ ঘণ্টা এটা ভোটা বিষ। কাণত সদায় তালমাৰি ধৰা এটা অস্বস্তিকৰ অনুভূতি। প্ৰথমতে ভোকত পেট কলকলাই আছিল যদিও পিছত বন্ধ হ'ল। পিছে হৃদ্‌পিণ্ডৰ তলত খিল মাৰি ধৰা বিষটো অলপ সময়ৰ কাৰণেও নুগুচে। আৰু অৱসাদ, শৰীৰৰ কোঁহে কোঁহে অৱসাদ। ভৱিষ্যতৰো কোনো আশা নাই। বলৰামৰ মনত হতাশা আৰু তীব্ৰ আতংক। খেতিপথাৰৰ কাম বন্ধ। ক'তো কোনো কাম-কাজ নাই। নিৰুৎসাহ মন লৈ সি কাম বিচাৰি যায়, হতাশ হৈ উভতি আহে।

বলৰামৰ ডাঙৰ ল'ৰা যদুৰ বয়স আঠ বছৰ। সৰুজন ল'ৰা মধু পাঁচ বছৰৰ। অকণমান ল'ৰা যদু হঠাতে বৰ কৰিৎকৰ্মা হৈ উঠিল। কাকো নোকোৱাকৈ সি ক'ৰবাত গুচি যায়। কচু, লাও, অমিতা কিবাকিবি এসোপা লৈ ঘূৰি আহে। কোনেও তাক একো প্ৰশ্ন নকৰে। মেনোই সেইবোৰ সিজাই দিয়ে। তলমূৰ কৰি সকলোৱে খায়।

বৰষুণত তিতি থকা আৰু জেকা মাটিত শুই থকা কাৰণে বলৰামৰ কাহ হৈছে। চৌবিছ ঘণ্টা কাহি থাকে। ৰাতি কাহি কাহি উশাহ বন্ধ হোৱাৰ উপক্ৰম। কাষৰ চালিটোত থকা ভৰত অস্থিৰ হৈ উঠে। যান্ত্ৰিকভাৱে মাতি দিয়ে, "এই বলৰাম।" জলোবুঢ়ীয়ে শুই শুই দিনটো গুণগুণাই কান্দে।

"ইবাৰ কায়ো বাচিব নাহয়, সগায় মৰবে। পেটেৰ ভোকত সগায় শুকি মৰবে।"

শুনি শুনি বলৰামৰ অসহ্য লাগি যায়। আতংকত বুকু কঁপি উঠে। হঠাতে চিঞৰি মাতি দি উঠে।

"এই চুপ থাক। কু-ডাক ডাকি নাথাকিস।"

জগন্নাথ ডাক্তৰেও মদন দোকানীক ভেঙুচাই মাতি দি উঠিল।

"যোৱা, যোৱা, তুমি মোৰ ই ছিঙিবা।"

সিদিনা আবেলিলৈ ঘৰত নহাত বলৰামে যদুক বিচাৰি গ'ল। মদনৰ দোকানৰ সন্মুখত কিছু মানুহ গোট খাই থকা দেখিলে। যদুৰ সমনীয়া ল'ৰা হলা দূৰত বলৰামক দেখি লৰি আহিল।

"যদুক মদন দোকানীয়ে বান্ধি থৈছে। দোকানৰপৰা সি লাড়ু চুৰ কৰিছে।"

মদনে যদুক তাৰ দোকানৰ বাৰাণ্ডাৰ খুঁটাত বান্ধি থৈছে। প্ৰথমতে মাৰধৰ কৰিছিল। বন্ধা অৱস্থাতো যদুৱে সেও মনা নাই। সি ঠেকত পৰা জন্তুৰ দৰে আক্ৰোশত মানুহবোৰৰ ফালে চাই আছে। বলৰামক দেখি মদনৰ খং চৰি গ'ল।

"এই বয়সতে ছলিৰ ইমান গুণ। ডাঙৰ হ'লে ই বেটা ডকাইত হ'ব।"

দুটা মুড়িৰ লাড়ু চুৰ কৰাৰ অপৰাধত সৰু ল'ৰা এজনক এনেকৈ বান্ধি থোৱা দেখিলেও উপস্থিত কোনেও প্ৰতিবাদ কৰা নাছিল। বৰং সন্তানৰ দুষ্কৰ্মৰ কথা শুনি বলৰামে হিতাহিত জ্ঞানশূন্য হৈ তাকেই মাৰিবলৈ খেদি গ'ল।

ইতিমধ্যে জগন্নাথ ডাক্তৰ ক'ৰবাৰপৰা ওলালহি। তেওঁ বলৰামক ধৰা মাৰি ধৰিলে।

"হৈছে, বীৰত্ব দেখুৱাব নালাগে।"

মুখ ঘূৰাই তেওঁ মদনক গালি পাৰিবলৈ ধৰিলে।

"পাষণ্ড ক'ৰবাৰ। লাড়ু চুৰ কৰাৰ কাৰণে সৰু ল'ৰা এটা বান্ধি থোৱাৰ তুমি কোন হে? এওঁ ধৰ্মপুত্ৰ যুধিষ্ঠিৰ। চোৰাং বেপাৰ কৰি টকা ঘটি তুমি সকলোৰে দণ্ডমুণ্ডৰ কৰ্তা হৈছা। নহয়?"

জগন্নাথ ডাক্তৰে আগবাঢ়ি নৈ নিজহাতে যদুৰ বান্ধ খুলি দিলে। মদন জাপমাৰি আহিল। ইমান পৰে মনে মনে চাই থকা মানুহবোৰেও একেলগে এক খোজ আগবাঢ়ি গ'ল। সকলোৰে নিষ্প্ৰভ চকুবোৰ হঠাতে ধকধককৈ জ্বলি উঠিল।

মদন তৎক্ষণাৎ বৈ গ'ল। বাৰাণ্ডাত থিয় হৈয়েই ডাক্তৰক ভাবুকি দিলে, "ডাক্তৰ, কথা ভাল নহ'ব।" ডাক্তৰে চাইকেল লৈ আগবাঢ়ি গৈ থাকিয়েই ক'লে, "যোৱা, যোৱা। তুমি মোৰ ই ছিঙিবা।"

চাৰিওপিনৰ হাহাকাৰ অৱস্থা দেখি জগন্নাথ ডাক্তৰ অস্থিৰ হৈ উঠিছে। ইফাল সিফালৰপৰা অলপ-অচৰপ বস্তু যা-যোগাৰ কৰি আনি মানুহখিনিক সহায় কৰাৰ চেষ্টা কৰি আছে। অতি অকিঞ্চিৎকৰ এই চেষ্টা। যি সকলৰ চক্ৰান্তত বাকীবোৰৰ এই অৱস্থা হৈছে সিহঁতৰহে দিব পৰা অৱস্থা। পিছে সিহঁতে নিদিয়ে।

মানুহে ঘৰ-দুৱাৰ এৰি সহায় বিচাৰি গৌৰীপুৰ আৰু ধুবুৰীৰ ফালে গৈ আছে। কি ভয়ংকৰ কথা। চকুৰ আগত হেজাৰ হেজাৰ গৃহস্থ ভিক্ষাৰীত পৰিণত হ'ল। যুদ্ধ নাই, বিগ্ৰহ নাই অথচ অসংখ্য পৰিয়াল ছিন্নমূল হৈ বাটেপথে সিঁচৰিত হৈ পৰিল। নিজৰ দেশতেই উদ্বাস্তু ভিক্ষাৰী।

এনেকুৱা অৱস্থা হ'ব বুলি ডাক্তৰে আগতেই গম পাইছিল। যাৰ কোনোমতে তিনিমাহৰ খোৱাৰ সংস্থান হয় সিহে চৰকাৰক ধান দিলে। যাৰ বহুত আছিল সি এতিয়া তিনিগুণ দামত ধান বেচিছে। যাৰ নাই সি এতিয়া তিনিগুণ দামত কিনিবলগীয়া হৈছে। গতিকে যি ধনী সি আৰু ধনী হ'ল। যাৰ নাই তাৰ পানীত হাঁহ নচৰা অৱস্থা হ'ল। এই মদনৰ অৱস্থা আগৰপৰাই ভাল আছিল কাৰণে সি দেশৰ এই অৱস্থাতো লাখ টকা খৰচ কৰি নতুনকৈ দালান বান্ধি আছে। বলৰামে কোনো প্ৰকাৰে খাইপিন্ধি আছিল। এতিয়া সি বাটৰ ভিকহু হ'ল।

জগন্নাথ ডাক্তৰৰ ৰাজনৈতিক চেতনা খুব স্পষ্ট নহয়, তেওঁৰ বিশেষ অধ্যয়নো নাই। পৰিস্থিতি লক্ষ্য কৰি তেওঁ বুজি পাইছে যে ক'ৰবাত কিবা এটা ডাঙৰ ফাকি আৰু গণ্ডগোল আছে। ক'লাবজাৰী, চোৰাং বেপাৰী, ভেজালকাৰীক জব্দ কৰাৰ ক্ষেত্ৰতহে ইমান সাৱধান। আইনৰ সামান্যতম ত্ৰুটি হয় বুলি কিমান সংশয়। কিন্তু বৰ্তমান সমাজ ব্যৱস্থাৰ বিৰুদ্ধে

কোনোবাই কিবা মাত মতা বুলি সন্দেহ মাত্র হ'লেই সকলোৱে তৎক্ষণাৎ সন্ত্রস্ত হৈ উঠে। তেতিয়া সন্দেহৰ বশত বিনাবিচাৰে আটক কৰাত বা শাস্তি দিয়াত বাধা নাই।

ভগা চাইকেলখনেৰে গৈ থাকিয়েই ডাক্তৰে মুখটো জোকাৰি দিয়ে। তেওঁৰ মনত চৈতন্যৰ অংকুৰ এটাই পোখা মেলি উঠিবলৈ ধৰিছে। বৰ্তমান ব্যৱস্থা কি তেনেহ'লে এক বিশেষ শ্ৰেণীৰ সুবিধাৰ কাৰণে?

মানুহৰ এই দুৰৱস্থাতো কাৰো তৰফৰপৰা বিশেষ কোনো চাঞ্চল্য নাই। ডাক্তৰে জানে যে বাংলাদেশ স্বাধীন হোৱাৰ আগতে তাৰপৰা অহা এক কোটি শৰণাৰ্থীক দীৰ্ঘদিন ধৰি খুৱাই পিন্ধাই ৰখা হৈছিল। ইয়াতো এটা কেম্প আছিল। বৰ্তমানে এই মানুহবোৰক সহায় কৰাত তেনেহ'লে কি কোনো ৰাজনৈতিক স্বাৰ্থ নাই? ডাক্তৰৰ মুখটো গৰম হৈ যায়। তেওঁ গাৰ বলেৰে পেডেল মাৰি আপোনমনে কৈ উঠে, "ছাল্লা।"

ৰাজআলিত এনেকৈ থাকিলে অনাহাৰে মৃত্যু অৱশ্যম্ভাৱী। ইতিমধ্যে ইফালৰ অৱস্থাৰ কথা প্ৰচাৰ হৈ গৈছে। গাড়ী লৈ মানুহে পানী চাবলৈ আহে, নিজ চকুৰে মানুহৰ দুৰৱস্থা চাবলৈ আহে। স্বাস্থ্যবান ডেকা, ধুনীয়া সুসজ্জিতা গাভৰু। আজি কিমান দিন হ'ল বানপানীয়ে গঙ্গাধৰ দলঙৰ প্ৰবেশ পথ খহাই নিছে। কেইবছৰমানৰপৰা তেনেকৈ পৰি আছে। অতি গুৰুত্বপূৰ্ণ বাট। গোলকগঞ্জৰপৰা এই দলং পাৰ হৈ একেবাৰে আগমনী আৰু বক্সীৰহাট হৈ কোচবিহাৰলৈ বাছ-মটৰ চলিছিল।

গাড়ী লৈ মানুহে পানী চাবলৈ আহে। গাড়ীৰপৰা নামি ছোৱালীবোৰে লাস্যময় ভঙ্গীত খোজ কাঢ়ি নৈৰ পাৰলৈ আগবাঢ়ি গ'লে ডেকাবোৰে আতংকিত হৈ হুচিয়াৰ কৰি দিয়ে। ছোৱালীবোৰে ভুৰু কোঁচাই কৃত্ৰিম ৰং প্ৰকাশ কৰে। সকলোৱে পানীৰ ফটো তোলে, কংকালসাৰ ভোকাতুৰ মানুহৰ ফটো তোলে। মানুহ আহে, মানুহ গুচি যায়। কোনো ফালৰপৰা কোনো সাহায্য আহি নাপায়।

ৰাজআলিত এনেকৈ থাকিলে মৃত্যু অৱশ্যম্ভাৱী। কাকো নোকোৱাকৈ একো একোটা পৰিয়ালে ধুবুৰীৰ ফালে যাবলৈ আৰম্ভ কৰিলে। চহৰত অজস্ৰ ধন-সম্পদ। তাত গৈ পালে কিবাকৈ নিশ্চয় আহাৰ জুটিব। আশাই অৱসন্ন দেহবোৰক চঞ্চল কৰি তুলিলে।

ৰাতিপুৱাই বলৰামে দেখিলে যে কাষত থকা ভৰতহঁত নাই। বস্তু-বাহানি অৰ্থাৎ ভগা টিন, ফটা কানি-কাপোৰ লৈ সিহঁতো গ'ল। কথাবাৰ গম পাই জলোবুঢ়ী আতংকিত হৈ উঠিল।

"হে বাপ, মোক ফেলে নাযাইসৰে। তুই মোক ফেলে গেইলে মই মৰ্লে মোক খৰি দিয়ে কায়? শিয়াল, কুকুৰে মোক ছিৰি ছিৰি খাইবে। বাপৰে, অ' মোৰ বাপ।"

বুঢ়ীয়ে হুৱাওৱাৰে কান্দিবলৈ ধৰিলে।

মানুহ সামাজিক জীৱ। যুগ যুগ ধৰি গঢ়ি উঠিছে বহুতো সামাজিক নীতি-নিয়ম, আচাৰ আৰু অনুষ্ঠান। এই সকলোবোৰ হৈছে জীৱনৰ অবিচ্ছেদ্য অঙ্গ। মাকৰ মৰা-শ মানুহে পেলাই নিদিয়ে, হয় কবৰ দিয়ে, নহয় দাহ কৰে, শ্ৰাদ্ধ-শান্তি কৰে। মাকে সন্তানক এইবোৰ কথা

সকীয়াই দিয়াৰ প্ৰয়োজন নাই। পিছে সন্তানৰ এই অৱশ্যকৰণীয় কথাখিনিও বলৰামে কৰিব নোৱাৰিলে।

জলোবুঢ়ী আৰু মেনোই বছৰত এবাৰকৈ মাত্ৰ গাৱঁৰপৰা ওলাইছিল, দুৰ্গাপূজাৰ বিসৰ্জনৰ মেলা চাবলৈ। সিহঁতৰ পৃথিবীৰ সীমা ইমানেই। এইবেলি প্ৰথমবাৰৰ কাৰণে এই সীমা পাৰ হৈ সিহঁতে ধুবুৰীৰ পিনে যাত্ৰা কৰিলে। বুঢ়ীয়ে খোজ কাঢ়িব নোৱাৰে। পিছ পৰি গ'লে ভয়তে চিঞৰ-বাখৰ, হুলস্থূল লগাই দিয়ে। বুঢ়ীক টানি-আজুৰি দাঙি-মিলি ক্লান্ত হৈ সিহঁত কোনো ৰকমে বালাজান ষ্টেছন পালেহি। বুঢ়ীৰ আৰু উঠাৰ শক্তি নাই। ৰাতি ধুবুৰীলৈ যোৱা ট্ৰেইন পাই বুঢ়ীক দাঙি লৈ ঠেলি হেঁচি ট্ৰেইনত তুলি ল'লে।

ধুবুৰী চহৰত আৰু পাঁচজন ভিক্ষাৰীৰ সংখ্যা বাঢ়িল। আচল হিচাপত চাৰিজন বুলিহে ক'ব লাগিব। বুঢ়ী ট্ৰেইনতেই মৰিল। বলৰামে মাকৰ মৰা-শ লৈ কিংকৰ্তব্যবিমূঢ় হৈ বহি থাকিল। সি যেন ঘূৰ্ণায়মান চক্ৰ এটাৰ কেন্দ্ৰত অস্থিৰ ভাৰসাম্য লৈ থিয় হৈ আছে। কেন্দ্ৰৰপৰা দূৰত্ব অনুপাতে গতিৰ তীব্ৰতা বাঢ়ি গৈ আছে। বলৰামে সংকুচিত হৈ কেন্দ্ৰবিন্দুত নিজকে স্থিৰ ৰখাৰ প্ৰাণান্তকৰ প্ৰয়াসত ব্যস্ত। চক্ৰ ঝন ঝন কৈ ঘূৰি আছে। এই অস্থিৰ ভাৰসাম্য হেৰাই সি উদ্দাম গতিৰে গ্ৰহ-নক্ষত্ৰৰ সিপাৰে ছিটিকি যাব। অসহায়ভাৱে সি চিঞৰি উঠিল, "মুই এলায় কি কৰং?"

মেনোই তাক ঘূৰ্ণায়মান চক্ৰৰপৰা নমাই আনিলে।

"উঠো।"

"হু?"

"উঠো।"

"উঠো। ছাৱাদুটা পেটৰ ভোকত কান্দি কান্দি মূৰ্চা গেইল। এমন কৰি বসি থাকলে হয়?" মেনোক অনুসৰণ কৰি যন্ত্ৰচালিতৰ দৰে বলৰাম বাটত নামি গ'ল।

ধুবুৰী চহৰখন ভিক্ষাৰীৰে ভৰি গ'ল। ডেকা, গাভৰু, বৃদ্ধ, নাৰী, শিশু, অক্ষম আৰু দুৰ্বল। কংকালৰ সমদল। ভিক্ষা বলৰামৰ বৃত্তি নহয়। ডালদৰিদ্ৰ হ'লেও ইমান দিনে কিছুমান সামাজিক আৰু পাৰিবাৰিক মূল্যবোধ জীয়াই ৰখাৰ চেষ্টা কৰি আছিল। হাত পাতি মানুহৰ আগত থিয় হ'বলৈ যাওঁতে সংকোচত হাতখন কোঁচ খাই আহে। লাজ, সংকোচ আৰু আড়ষ্টতা। তিনিদিন বলৰাম একপ্ৰকাৰ অনাহাৰে থাকিল। অলপ কিবা পালে ল'ৰা দুটাক দিছিল। তিনিদিন পিছত নেতাই ধুবুনীৰ ঘাটৰ কাষত মেনোই ভিক্ষা কৰি পোৱা চাউলকেইটা সিজাই যেতিয়া তাক ভাত বাঢ়ি দিলে তেতিয়া দুয়ো চকুৰে তাৰ ধাৰাসাৰে পানী ব'বলৈ ধৰিলে।

ধুবুৰী চহৰখন ভিক্ষাৰীৰে ভৰি পৰিল। ভিক্ষা পোৱা টান। অইন এটা মহা অশান্তি হৈছে মেনোৰ। আজন্ম তাইৰ কষ্ট কৰা অভ্যাস। সকলোকে খুৱাই মেলি কিবা থাকিলেহে তাইৰ ভাগ্যত জুটিছিল। অনাহাৰে থকাটো তাইৰ কাৰণে নতুন কথা নহয়। ইমান কষ্টৰ পিছতো কিছুমান মানুহৰ কাৰণে তাইৰ দেহৰ আকৰ্ষণ এতিয়াও একেবাৰে শেষ হৈ যোৱা নাই। বহুতে তাইৰ দুৰৱস্থাৰ সুযোগ ল'বৰ চেষ্টা আৰম্ভ কৰিলে। এই এক উপৰুৱা যন্ত্ৰণা।

চহৰৰ বাটে-পথে ভিক্ষাৰী আৰু ভিক্ষাৰী। ভিক্ষা পোৱা টান। পেটত অনির্বাণ ক্ষুধা। হয়তো অইন চহৰত ভিক্ষাৰীৰ সংখ্যা কম। হয়তো অইন উৎপাতো নাই। সিহঁত পূব পিনে উজাই যাবলৈ ধৰিলে।

একেটা ঘটনাৰ পুনৰাবৃত্তি। কোকৰাঝাৰ, সৰভোগ, নলবাৰী। প্ৰতিখন ঠাই ইতিমধ্যে ভিক্ষাৰীৰে ভৰি গৈছে। ট্ৰেইনত, প্লেটফৰ্মত, বাটত, ভিক্ষাৰী আৰু ভিক্ষাৰী। বিনা টিকটে হৰমুৰকৈ প্ৰথম শ্ৰেণীৰ খোটালীত উঠিবলৈ যাওঁতে নলবাৰীত যাত্ৰী এজনে বলৰামক দুৱাৰমুখৰপৰা গোৰ মাৰি পেলাই দিলে। ফুটবোৰ্ডত লাগি তাৰ কপালৰ সোঁফালখন কাটি গ'ল। ঘা এতিয়াও শুকোৱা নাই।

এইদৰে গোলকগঞ্জৰ কাষৰ বিচনদৈৰ ছিন্নমূল পৰিয়াল এটাই ভাঁহি-ভাঁহি জালুকবাৰী ষ্টেছনৰ প্লেটফৰ্মত ছিটিকি পৰিল। তাৰপৰাও খেদা খাই গুৱাহাটীৰ বাটত হেৰাই গ'ল। কোনেও সিহঁতক দেখা নাপালে। সিহঁত ভিন্ন জগতৰ জীব, সিহঁতৰ গতিবিধি ভিন্ন স্তৰত। প্ৰেতৰ দৰে ঘূৰি ঘূৰি ভিক্ষাৰ কাৰণে সিহঁতে অশৰীৰী হাত মেলি দিলে। কোনেও সেই হাত দেখা নাপালে। ভিন্ন স্তৰৰপৰা ভাঁহি সিহঁতৰ কান্দোন কাৰো কাণত নপৰিল। চহৰৰ স্বাভাৱিক জীৱন-যাত্ৰাত ক্ষন্তেকৰ কাৰণেও কোনো ছেদ নপৰিল। চহৰত পান-ভোজন, গান-বাজনা, খেলাধূলা, সাংস্কৃতিক উৎসৱ একে ধৰণেই চলি থাকিল। অসীম শূন্যতা এটাই সিহঁতক বেৰি ধৰি থাকিল। উৎসৱ প্ৰাঙ্গণত অনাহুত অশৰীৰী অতিথি।

ইতিমধ্যে বলৰামৰ ডাঙৰ ল'ৰা যদুৰ ষষ্ঠ ইন্দ্ৰিয় এটা পুৰঠ হৈ উঠিছে। ক'ৰবাত কিবা খোৱা বস্তু দেখিলে তৎক্ষণাৎ তাৰ চকুত পৰে। মাক-দেউতাকৰ কাষৰপৰা পলাই সি অকলে ইফালে ঘূৰি ফুৰে। বজাৰৰ মাজত সোমাই যায়। পচাসৰা পোকে খোৱা পেলাই দিয়া ফল-মূল, আলু, পিয়াজ যিহকে পায় লৈ আহে। ভিৰৰ মাজত সুবিধা কৰিব পাৰিলে থাপ মাৰি বস্তু তুলি লয়। 'মাৰ মাৰ' বুলি খেদিলে মানুহৰ ভৰিৰ মাজেৰে সৰকি পলাই যায়। দ্ৰুতগামী ট্ৰাকৰ আগেদি বিদ্যুৎ গতিৰে লৰ মাৰে।

সিদিনা কাৰোবাৰ বাৰীৰপৰা কেঁচা বঙালাউ এটা চুৰ কৰি আনিছিল। বলৰামে যদুক প্ৰথমে খুব মাৰিলে, কিন্তু পিছত সেই বঙালাউ সিজাই সকলোৱে তৃপ্তিৰে খালে।

তথাপি যদুক লৈ বলৰাম আৰু মেনোৰ উদ্বেগৰ সীমা নাই। ক্ষীণ হ'লেও পাৰিবাৰিক বন্ধন এটা এতিয়াও থাকি গৈছে।

"খাবা হয়া চায়া থাকলেন কেনে? আগান।" মেনোই পিছফালৰপৰা বলৰামক ঠেলা মাৰি দিলে।

বলৰামে ৰেল ষ্টেছনত, নদীৰ পাৰত বহুতো কংকালসাৰ মৰা-শ পৰি থকা দেখিছে। কৰ্মচঞ্চল পাণ বজাৰৰ মাজবাটত কংকালসাৰ মানুহ এটাক পৰি থকা দেখি সি থমকি ৰৈ গ'ল। সকলো কংকাল দেখাত একেই। কিন্তু হ'লেও এইটো জানো ভৱত নহয়? গাড়ী-মটৰ-কিম্বা মানুহ ফালৰি কাটি কংকালটোৰ সোঁফালেৰে আৰু বাওঁফালেৰে গৈ আছে। তীব্ৰ বেগেৰে মটৰ গাড়ী চলাই অহা মানুহ এজনে শেষ মুহূৰ্তত তৎক্ষণাৎ ষ্টিয়াৰিং ঘূৰাই সোঁফালেৰে

ওলাই গ'ল। কংকালটোক কোনেও আমনি কৰা নাই। এই ভিৰৰ মাজতো সি সম্পূৰ্ণ নিঃসঙ্গ।

হাতত কেক আৰু পেটিছৰ পেকেট লৈ সুসজ্জিত নৰনাৰী মুখ ঘূৰাই ব্যস্তভাৱে ঠাইখিনি পাৰ হৈ সিফালে পাৰ্ক কৰি থোৱা গাড়ীত উঠিছে।

কংকালটোৰ চকুৰ পতা লাহে লাহে দুবাৰমান লৰি উঠা দেখি বলৰাম থমকি ৰৈ গ'ল। পিছে পিছে ল'ৰা দুজনৰ সৈতে মেনো আহি আছিল। আকস্মিকভাৱে বলৰামৰ গতি ৰুদ্ধ হোৱাত মেনোই তাৰ গাত খুন্দা খালে। কংকালৰ পিনে চকু যোৱাত ভয়ানক আতংকত বলৰামৰ পিঠিত ঠেলা মাৰি বেগাই ঠাইডোখৰ পাৰ হৈ যোৱাৰ কাৰণে খৰখেদা লগালে।

"খাৰা হয়া চায়া থাকলেন কেনে? আগান?" ডাঙৰ চহৰ গুৱাহাটী। দিনে দিনে আৰু ডাঙৰ হৈ আছে। অসমৰ ৰাজধানীক দিছপুৰ বুলি ক'লেও আচলতে ইয়ো গুৱাহাটীয়েই। আগতে অৰিয়েন্টাল বীমা কোম্পানীৰ দালানটোৱেই আছিল চহৰৰ আটাইতকৈ ডাঙৰ দালান; অৰিয়েন্টাল বিল্ডিং। গধূলি আলোকপ্ৰবাহ পেলাই উজ্জ্বল কৰি তোলা হৈছিল। চহৰলৈ নতুনকৈ অহা মানুহে চাবলৈ গৈছিল। চহৰখন ডাঙৰ হৈয়েই আছে। কিমান চকুত লগা বিৰাট অট্টালিকা। ইতিমধ্যে কিমান লক্ষ ঘনমিটাৰ কংক্ৰিটৰ কাম হৈছে সেই পৰিসংখ্যা হিচাপ কৰি উলিয়ালে অভিভূত হ'ব লাগিব। চহৰৰ উন্নতি হৈছে, বিস্ময়কৰ উন্নতি। মিছা কথা। এনেকুৱা চহৰত বাটত মানুহ পৰি থাকিব নোৱাৰে। গুৱাহাটীত কিয়? সমগ্ৰ দেশৰ উন্নতি হৈছে। এই ক্ষেত্ৰত অনাহাৰে মানুহৰ মৃত্যু হৈ আছে বুলি কোৱা কথা অতিশয় বিসঙ্গতিপূৰ্ণ। ৰাজ্য চৰকাৰে এই কথা দৃঢ়ভাৱে অস্বীকাৰ কৰিছে। উদ্দেশ্য প্ৰণোদিত মিথ্যা ৰটনা। কেন্দ্ৰীয় মন্ত্ৰী এজনেও তাকেই ক'লে—অতিৰঞ্জিত।

বলৰামহঁত উদঙীয়া কুকুৰৰ দৰে বাটে বাটে ঘূৰি ফুৰিছে। অদৃশ্য মানব। সি আৰু নোৱাৰে। ক্লান্তি, অসীম ক্লান্তি। কোনো প্ৰয়াস কৰাৰ বলৰামৰ আৰু অলপো আগ্ৰহ নাই। তাক খাদ্য নালাগে, আশ্ৰয় নালাগে। হাত-ভৰি মেলি ক'ৰবাত শুব পাৰিলেই হ'ল। কিবা এটাক খামুচি ধৰাৰ ইচ্ছা নাই। ক্লান্তিত হাতৰ মুঠি শিথিল হৈ আহিছে। বাটৰ কাষত গছজোপা দেখা পাই বলৰামে গা এৰি দিলে।

"কি হইল? অমন কৰেণ কেনে?"

গভীৰ আতংকত ঠেলিঠুলি মেনোই বলৰামক জগাই তুলিবলৈ চেষ্টা কৰিলে। বলৰামে মেনোৰ কথা শুনাৰ চেষ্টাও নকৰিলে। অকণো চেষ্টা নকৰাকৈ সি তললৈ গৈ থাকিল। শান্তি, ওম্, শান্তি। মেনো মৰা-শৱ কাষত স্তব্ধ হৈ বহি থাকিল।

যদুই ক'ৰবাত এখন ভগা পুতলা মটৰ গাড়ী পাইছিল। পিট্‌চ দিয়া বাটত সেই গাড়ীখন লৈ সি মধুৰ লগত খেলাত মগ্ন হৈ ৰ'ল।

শোকত স্তব্ধ হৈ বহি থাকিলেও মেনোৰ দেহৰ কোষবোৰ সক্ৰিয় হৈ থাকিল। ৰাতি তাই প্ৰস্ৰাৱ কৰিবলৈ বাটৰ সিফালে দেখা নোপোৱা ঠাইলৈ গ'ল। ল'ৰা দুজনে আপোনমনে খেলি থাকিল। মেনো আৰু উভতি নাহিল।

অফিচৰ চৌকিদাৰৰ সৈতে চাৰিজন মানুহে মুখত সোপা দি তাইক অফিচৰ ভিতৰলৈ

টানি লৈ যাওঁতে তাই প্ৰাণপণে বাধা দিয়াৰ চেষ্টা কৰিলে। গতিকে নিজৰ উদ্দেশ্য সিদ্ধি কৰি সিহঁতে যেতিয়া তাইক গেটৰ বাহিৰলৈ উলিয়াই দিলে, তেতিয়া তাইৰ কাপোৰখন ডোখৰ ডোখৰ হৈ ফালি গৈছে। নিজৰ এই সম্পূৰ্ণ নগ্ন ৰূপ দেখি হঠাতে তাইৰ মূৰটো বিকল হৈ গ'ল।

ইয়াত ক'ৰপৰা আহিল তাই? ইমান ৰাতি হ'ল, আন্ধাৰ। ইচ ৰাম। গধূলি তুলসীৰ তলত চাকি জ্বলোৱা হোৱা নাই দেখোন আজি। মণ্ডলহঁতৰ ভেড়া ছাগলীটোৱে বাটত খুন্দা মাৰি দিয়ে নেকি? তাই ব্যস্ত হৈ উঠিল আৰু লগে লগে নিজৰ নগ্ন অৱস্থা দেখি চক খাই উঠিল। আন্ধাৰৰ দৰে ক'লা টৌ এটাই সবেগে আহি তাইৰ মগজুৰ কোষবোৰ প্লাবিত কৰি দিলে। সজ্ঞানে বিবেচনা কৰি নহয়, জন্মৰপৰা আহৰণ কৰা সংস্কাৰৰ নিষ্ঠুৰ সংকেতত তাই স্বয়ংক্ৰিয়ভাৱে অঁলপ দূৰৰ বাটৰ কাষত থকা পুখুৰীটোৰ পিনে লাহে লাহে আগবাঢ়ি গ'ল। ডোখৰ ডোখৰ হৈ ফালি যোৱা কাপোৰেৰে ডাঙৰ শিল এটা ডিঙিত বান্ধি তাই পানীত নামি গ'ল। জীৱনৰ এই শেষ কামটোও তাই নিয়াৰিকৈ কৰিব নোৱাৰিলে। দ্বিতীয় দিনাৰ ৰাতিপুৱা বাটেৰে গৈ থকা সকলো মানুহে তাইৰ উলঙ্গ তপিনাখন পানীৰ ওপৰত ভাঁহি থকা দেখা পালে। বাটৰ ফালে পিছমুৱাকৈ হাউলি চহৰৰ সকলো মানুহকে তাই যেন এটা অশ্লীল ভঙ্গীৰে বিদ্ৰূপ কৰি আছে।

আগদিনা জমাদাৰে কৰ্পোৰেশ্বনৰ জাবৰ পেলোৱা গাড়ীত জাবৰৰ লগত বলৰামৰ মৰা-শটো তুলি লৈ গ'ল। যদু আৰু মধু দুয়োজনে মাকৰ প্ৰতীক্ষাত গছজোপাৰ তলতেই থাকিল। ৰাতিপুৱা যদু এবাৰ ওলাই গ'ল। পচা আপেল এটা লৈ আহিল। মধুই অকলে অকলে আপোনমনে গাড়ীখন লৈ বাটত খেলি থাকিল।

সিদিনা বিশ্বকৰ্মা পূজা। জলোবুঢ়ীৰ সাধুকথাৰ ভাণ্ডাৰ আছিল অফুৰন্ত। বুঢ়ীয়ে কোৱা উপাখ্যানৰ কথা যদুৰ মনত পৰিল, বিশ্বকৰ্মাৰ পুত্ৰ হেনো চুঙাবাদুলি। পুত্ৰক আটাইতকৈ ধুনীয়া কৰিবলৈ গৈ বেন্দা মাৰি চিকুণ কৰি থাকোঁতে থাকোঁতে পাখিৰ ছাল ইমান পাতল হ'ল যে আৰু একো কৰাৰ উপায় নাথাকিল। নিজৰ কদাকাৰ ৰূপ লৈ লাজতে চুঙাবাদুলি দিনত ওলাব নোৱাৰা হ'ল।

পূজাৰ দিনা ইনষ্টিটিউটত আবেলি অভ্যাগতক চাহ-মিঠাই খুৱায়। যদুৱে বিচাৰি বিচাৰি সেইখিনি পালেগৈ। পেলাই দিয়া আধাখোৱা চিঙাৰা আৰু মিঠাইৰ টোপোলা লৈ গধূলি উভতি আহিল। মিঠাই খাই মধুৰ হাঁহি বন্ধই নহয়। মাজে মাজে সি যদুৰ ফালে চায় আৰু হাঁহে।

"কোটে পালুৱে দাদা।"

পিছদিনা ৰাতিপুৱা যদু কৌতূহলী মানুহৰ লগত পুখুৰীৰ পাৰত থিয় হৈ উভতি আহিল। আহিয়েই একহাতে মধুৰ হাতত খামোচ মাৰি ধৰি আৰু আনহাতে পুতলা মটৰখন লৈ দ্ৰুতবেগে সি সেই অঞ্চলৰপৰা গুচি গ'ল।

সি আজি মুক্ত। মাক-দেউতাকে জাপি দিয়া সঞ্চিত সংস্কাৰৰ হেঁচাৰপৰা মুক্ত হৈ সি

নিজকে খুব ডাঙৰ বুলি অনুভৱ কৰিলে। লাজ, সংকোচ, আড়ষ্টতা তাৰ নাই। পৃথিৱীখনৰ মুখামুখি হৈ থিয় হ'বলৈ তাৰ সংশয় আৰু শংকাও নাই। অইনে ঠিক কৰি দিয়া খেলৰ নিয়ম মানি চলিবলৈ সি বাধ্য নহয়, নামানেও।

গভীৰ প্ৰত্যয় লৈ মধুৰ হাতত ধৰি সি ষ্টেছনৰ প্লেটফৰ্মৰ ফালে গৈ থাকিল। সি নিজেও জীয়াই থাকিব, মধুকো জীয়াই ৰাখিব।

মধুই প্লেটফৰ্মত পুতলা মটৰখন লৈ আপোনমনে খেলি থাকে। নানা ধান্দাত ঘূৰি থকা যদুৰ বুকুখন মাজে মাজে হেঁচা মাৰি ধৰে। তাৰ বুকুৰ মাজত থাকি গ'ল শিলৰ দৰে কঠিন এডোখৰ গোটখোৱা ঘৃণা। যিমানদিন শোষণৰ সমাপ্তি নহয় এই ঘৃণা তাৰ বুকুৰ মাজত থাকিয়েই যাব।

# অন্বেষণ

গেটৰ মুখৰপৰা গুণগুণাই গান গাই থকা মানুহজন সোমাই আহিল। দুৱাৰত টুকুৰিয়ালে। টুকুৰিওৱাতো নহয়, একেবাৰে তবলাৰ বোলে। বুজিলোঁ অনন্ত ৰায়চৌধুৰী। মনটো ভাল লাগি গ'ল। তেওঁৰ সংগ সঁচায় আকৰ্ষণীয়। আচল কথা তেওঁ নিজৰ কথাকে কৈ নাথাকে।

"কি খবৰ চৌধুৰী? আজিকালি দেখোন আপোনাক দেখা পাবৰে নাই।"

"ওলাবৰে সময় নাপাওঁ।"

তৎক্ষণাৎ স্বয়ংক্রিয়ভাৱে অপ্ৰয়োজনীয় এষাৰ মিছা মাতিলোঁ। আচলতে ক'ব লাগিছিল— ভাল নালাগে, একোৱে ভাল নালাগে। একোকে কৰাৰ ইচ্ছা নাই। আড্ডা, গল্প একোৱে ভাল নালাগে। আগ্ৰহ কৰি ক'ৰবালৈ গ'লেও অতৃপ্তি লৈ উভতি আহোঁ। কাৰোবাৰ লগত কথা পাতিলেও নিৰ্দিষ্ট দূৰত্বত থাকি পৰস্পৰক প্ৰদক্ষিণ কৰোঁ। সমান্যতমো কাষ চাপি নাহোঁ। দূৰত্ব আগৰ দৰেই থাকি যায়। নিষ্ফল অনুশীলন, অতৃপ্তি।

কথাই কথাই ৰায়চৌধুৰীয়ে ক'লে, "আজিকালি সকলোৰে যে কি হৈছে ক'বই নোৱাৰোঁ। প্ৰত্যেকে একো একোটা ধান্দাত ব্যস্ত। মাজে সময়ে ইন্দ্ৰনাথৰ তালৈ গৈছিলোঁ। আজিকালি সিফালে যোৱাৰো উপায় নাই।"

"কিয়? কি হৈছে?"

"নাজানে নেকি? সি এক জটাধাৰী সাধুবাবাৰ চেলা হৈছে। পূজা, সংকীৰ্তন, ঘৰত চৌবিছ ঘণ্টা এয়েই চলি আছে।"

"হয় নেকি? আচৰিত। বিলাত ফিৰত মস্ত চাহাব দেখোন আমাৰ ইন্দ্ৰনাথ।"

"খোদ বিলাতৰ মতগজ একো একোজন চাহাবে মূৰ খুৰাই ধেই ধেই কৰি নাচি আছে আৰু সিতো বিলাত ফিৰত মাত্ৰ।"

ৰায়চৌধুৰীয়ে নিজেই ব্যাখ্যা দিয়াৰ চেষ্টা কৰিলে।

"এইবোৰ চব ফ্ৰাষ্ট্ৰেছনৰপৰা হয়। পলায়নবাদ।"

মই সুধিলোঁ, "ইন্দ্ৰনাথৰ পৰিবাৰে কি কয়?"

"তেওঁতো আৰু একখোপ চাৰ। ৰাতিপুৱা গা-পা ধুই অইন কিবা মুখত দিয়াৰ আগতে প্ৰথমতে সাধুবাবাৰ ভৰিধোৱা পানী একঢোক খাই লয়।"

"এ্যাঃ।"

"এ্যাঃ নহয়, সঁচা। কিবা কওঁতে মোক ওলোটাই প্ৰশ্ন কৰিলে, "পৰকালৰ কথা আপুনি

কি ভাবিছে। মই কি উত্তৰ দিম? ফিট হোৱাৰ উপক্ৰম।"

"একজন মত্ত হৈ থাকিলে বেলেগ কথা, দুয়োই যদি সাধু বাবাক লৈ মত্ত হৈ থাকে তেনেহ'লে কেনেকৈ চলিব?"

"আপুনি বোধহয় বহুতদিন সিফালে যোৱা নাই। চৌবিছ ঘন্টা খোল-কৰ্তাল লৈ কীৰ্তন চলি থাকে। ঘৰৰ যি আধ্যাত্মিক বাতাবৰণ নিজকে বহিৰাগত যেন লাগে।"

মোৰ পৰিবাৰেও কথা শুনি আছিল। তেঁৱো আচৰিত হৈ ৰায়চৌধুৰীক সুধিলে, "শিপ্ৰাৰ ধৰ্মত মতি। আচৰিত কথা।"

"আচৰিত কিয়? তেওঁ অতি উচ্চ স্তৰত উঠিছে? মাছ, মাংস স্পৰ্শ নকৰে। অতি সূক্ষ্ম বাতাৱৰণত বিচৰণ কৰে। পৰকাল, অনিত্য, পৰমাৰ্থ, এইবোৰ শব্দ ফৰফৰকৈ যেতিয়া কয় তেতিয়াতো মোক নিজকে এটা পাষণ্ড যেন লাগে।"

"যাব লাগিবতো একদিন।"

মই ব্যস্তভাৱ দেখুৱাই ক'লোঁ, "কোনো দৰকাৰ নাই। তুমিও ধৰ্মকৰ্মত মত্ত হৈ উৰ্দ্ধবাহু হৈ কীৰ্তন আৰম্ভ কৰি দিলে আমাৰ গতি কি হ'ব? আমাৰ ঘৰততো দহজন কামকৰা মানুহ নাই।"

ৰায়চৌধুৰীয়ে ক'লে, "হ'ব বাৰু। ধৰ্মকৰ্ম লৈ মত্ত হৈ পৰাৰ আগতে আমাক চাহ-তাহ নিদিয়ে?"

"দিওঁ। বাৰু, আমাৰ আইতাইঁতকোতো দেখিছোঁ। তেওঁলোকৰতো ইমান ভৰং নাছিল। কাৰো ভৰি ধোৱা পানী খোৱা দেখা মনত নপৰে। এম. এ. পাছ ছোৱালী। আচৰিত!"

"এম. এ. বি. এ. পাছ লৈ কথা নাই। এইবোৰ একেবাৰে বেলেগ লাইনৰ কথা। আমি বুজি নাপাওঁ। বেলেগ স্বতঃসিদ্ধৰ ওপৰত প্ৰতিষ্ঠিত। একেবাৰে বেলেগ জ্যামিতি। তৎক্ষণাৎ ভৰং বুলি কৈ দিব নোৱাৰে।"

মই ক'লোঁ, "মোৰ আইতাৰ কথাই ধৰকচোন। মোৰ খুৰা এজনে জীৱনত একোকে নকৰিলে। শেষ বয়সত খুব জ্যোতিষীৰ পিছে পিছে ঘূৰা আৰম্ভ কৰিলে। পঞ্জিকাত বিজ্ঞাপন চাই বগলামুখী কবচ আৰু কত কি কবচ তাবিজ অনা আৰম্ভ কৰিলে। আইতাই ভাল কথা কৈছিল, "আন আন। নিজেতো জীৱনত একো নকৰিলি, এই তাবিজ কবচৰ জোৰত কিবা যদি হয় হওঁক।" সঁচাকৈ আইতাৰ ব্যৱহাৰিক বুদ্ধি অতিশয় প্ৰখৰ আছিল।

আমাৰ ভিতৰত এই ৰায়চৌধুৰীহে এই বয়সতো সেই আগৰ দৰে আছে। এই বয়সতো তেওঁ ভাৰসাম্য বজায় ৰাখি যি কোনো সমস্যাৰ সন্মুখীন হ'ব পাৰে। এতিয়াও ফুটবল খেল চাবলৈ যায়। এতিয়াও চিনেমা চায়, বাহিৰা কিতাপ পঢ়ে। পাৰিলে দাৰ্জিলিং বা পুৰীৰপৰাও এপাক ঘূৰি আহে। গুণগুণাই গান গায়। ভাল আঞ্জা এখন খালে অসংকোচে তৃপ্তি প্ৰকাশ কৰে।

(২)

খেমালিৰ সুৰত ক'লেও কথাষাৰ একেবাৰে খেমালি কৰি কোৱা নহয়। দেখি শুনি আচলতে

নিজৰ ওপৰত বিশ্বাস নোহোৱা হৈছে।

পৰিবাৰক ক'লোঁ, "হেৰা, মই যদি পগলা হৈ বাটত নঙঠা হৈ ওলাবৰ চেষ্টা ক'ৰোঁ তেনেহলে ওলাবলৈ নিদিবা। নিজেতো একো বেয়া কাম কৰিছোঁ বুলি গম নাপাওঁ। আগতেই মানুহ-দুনুহ মাতি ভালকৈ বান্ধি-চান্ধি থবা।"

পৰিবাৰৰ খুব খং উঠি গ'ল।

"বাজ্যৰ নোহোৱা কথা।"

একো নোহোৱা কথা নহয়। আমাৰ সহকৰ্মী ৰমেশ নাথৰ কি হ'ল? ইমান শান্ত আৰু ভদ্ৰ আছিল মানুহজন। এই সিদিনালৈ ইমান জ্ঞানী আৰু বিবেচক আছিল। কথা-বতৰাত ইমান ভাল। হঠাতে নিৰ্দিষ্ট লাইনৰপৰা ছিটিকি ওলাই পৰিল। মোতকৈ বয়সত অলপ সৰু কাৰণে মোক দাদা বুলি মাতিছিল। মই জোৰকৈ কোৱাতো মোৰ আগত চিগাৰেট খোৱা নাছিল। মোক দেখিলেই ফচকৈ চিগাৰেট জ্বলোৱা দেখিয়েই মোৰ অলপ সন্দেহ হৈছিল। তাৰ পিছতো আৰু কথাই নাই।

ৰাতিপুৱা মই বিছনা এৰি উঠাৰ আগতেই মোৰ সৰু ল'ৰাজনে উত্তেজিত হৈ আহি মোক জগালে।

"পিতা, পিতা, নাথ খুৰা আমাৰ ঘৰৰ ফালে আহি আছে।"

মই উঠি চকুত অলপ পানী দি ওলাই গ'লোঁ।

গাত কামিজ নাই, খালী ভৰি। পিন্ধনত এখন ফটা লুঙি। ৰমেশ নাথ বাৰাণ্ডাত থিয় হৈ আছে।

মই দুৱাৰ খুলি মাতিলোঁ, "কি খবৰ নাথ? অসুখ নেকি ঘৰত? আহাচোন, ভিতৰলৈ আহা। বহা।"

একো নামাতিলে। মোৰ মুখৰ ফালে একেথৰে চাই থাকিল। মোৰ অস্বস্তি লাগিবলৈ ধৰিলে। মোৰ মনত এক অদ্ভুত অনুভূতিৰ সঞ্চাৰ হ'ল। তেওঁ মোৰ সম্বন্ধে কি ভাবিছে? মোক তেওঁ কি ধৰণে দেখিছে? মানুহে যি ধৰণে দেখে, তেওঁ জানো মোক সেই একে ধৰণে দেখিছে? মোৰ অস্বস্তি ক্ৰমাৎ বাঢ়ি যাবলৈ ধৰিলে। অসহ্য লাগি গ'ল। অজ্ঞাতে মোৰ মাতটো কৰ্কশ হৈ উঠিল।

"কিবা দৰকাৰ আছিল নেকি? কিবা কথা আছে যদি কোৱা।"

এবাৰ মাত নমতাকৈ তেওঁ একেথৰে আগৰ দৰে মোৰ ফালে চাইয়েই থাকিল। মই গোটেই গাতে এক শীতলতা অনুভৱ কৰিলোঁ।

"কি হ'ল? কিবা কথা আছে যদি কোৱা, নহ'লে যোৱাগৈ। ইমান আজাৰে-পোহৰে মই টোপনিৰপৰা নুঠো। যাওঁ, আৰু অলপ শোওঁগৈ।" ভিতৰলৈ সোমাই মই দুৱাৰখন বন্ধ কৰি দিলোঁ। পৰিবাৰৰ ভীষণ আতংক।

"নাথ আহিলে আপুনি এনেকৈ পটকৈ ওলাই নাযাব।"

চাই থাকোঁতে থাকোঁতে কিছুদিনৰ ভিতৰতে ৰমেশ নাথে উগ্ৰ মূৰ্তি ধাৰণ কৰিলে। এজন

ল'ৰা-ছোৱালী থকা মানুহ। অতি ভদ্ৰ আৰু অমায়িক। আগতে যাৰ মাজত আমি কোনো ৰকম অস্বাভাৱিক লক্ষণ দেখা নাছিলোঁ তেনেকুৱা মানুহ এজন হঠাতে ভয়ংকৰ হৈ উঠিল। এনেকুৱা হোৱা দেখিলে নিজৰ ওপৰতেই বা প্ৰত্যয় থাকে কেনেকৈ?

শেষ পৰ্যন্ত নাথক ধৰি বান্ধি পগলা ফাটেকলৈ পঠিয়াবলগীয়া হ'ল। উপায় নাছিল।

ভয় খাবলগীয়া কথা। পগলাই কিবা অন্যায় কৰিব পাৰে সেই ভয় নহয়। প্ৰত্যেকৰে ভৰিৰ কাষতে আছে এটা অতলস্পৰ্শী গহ্বৰ। এখোজ ইফাল-সিফাল হ'লে চৰম সৰ্বনাশ। খুৰস্য ধাৰঃ।

কি হৈছে? স্বাভাৱিক আৰু অস্বাভাৱিকৰ মাজৰ সীমাৰেখা বিলীন হৈ যাব ধৰিছে নেকি? মানুহবোৰ কি বিভ্ৰান্ত হৈ পৰিছে? ভাৰসাম্য বজায় ৰখাৰ চেষ্টাত মানুহে সমুখত যিহকে পাইছে তাকেই খাপ মাৰি ধৰাৰ চেষ্টা কৰিছে? যিজনে ধৰিবলৈ একো নাপায়, তাৰ কি কোনো উপায় নাই? বাপৰে!

(৩)

গায়নৰ ঘটনাটোও উদ্বেগজনক। ভিতৰৰ কথা কি নাজানো। বেছ আৰামপ্ৰিয় মানুহ। নিজৰ যি আছে তাতেই সন্তুষ্ট। তেওঁৰ পৰিবাৰৰ মাজত কোনোদিন কোনো বেচাল লক্ষ্য কৰা নাছিলোঁ। গায়নৰ আৰামপ্ৰিয়তা সম্বন্ধে মুখত অভিযোগ কৰিলেও চকুত প্ৰশ্ৰয়ৰ ভাব ফুটি উঠিছিল। বেছ সুখী পৰিয়াল। হঠাতে গায়নৰ পৰিবাৰে গায়নক এৰি গুচি গ'ল।

সেই একেজন মানুহ কিবা হৈ গ'ল। আমাৰ লগত দেখা হ'লেও অলপ ৰখি সুস্থিৰভাৱে এক মিনিট কথা কোৱাৰ সময় নাই। দূৰৰপৰা ভুক নচুৱাই সম্ভাষণ শেষ কৰি দিয়ে। চহৰত মাটি কিনিয়েই আছে। এটাৰ পিছত এটা ঘৰ বান্ধিয়েই আছে। ল'ৰা-ছোৱালী কেইজনকো সিহঁতৰ মোমায়েকৰ মূৰত জাপি দিছে। পইচা-পাতিও নিদিয়ে, খা-খবৰো নলয়। পইচা-পাতি সম্বন্ধে নিৰ্ভৰযোগ্য নহয় বুলি বদনামো শুনা যায়। তিৰী ছলী নাই। ইমান সম্পত্তি কাৰ কাৰণে? ক'ব নোৱাৰোঁ।

সঁচাই ক'ব নোৱাৰোঁ। চাৰিওপিনে কি হৈছে একো বুজি নাপাওঁ। কিবা আউল লাগি যায়। নিজৰ মস্তিষ্কৰ সুস্থতা সম্বন্ধে সন্দেহ হয়। খেলিমেলি লাগি যায়।

(৪)

হয়তো এনেকুৱা সময় এটা আহে যেতিয়া উপলব্ধি কৰোঁ যে আৰু সময় নাই। ইচ্ছা থাককে বা নাথাকক যিটো সাঁচ বহি গৈছে সেই সাঁচেৰে আগবাঢ়ি যাবই লাগিব। বাছনিৰ সুযোগ অতিশয় সীমিত। দৈনন্দিন চলনতে বাছনিৰ প্ৰশ্নই নুঠে। ভাৱ-ভংগী, স্বভাৱ সকলো হৈ পৰিছে স্বয়ংক্ৰিয় আৰু যান্ত্ৰিক। পৰিচিত পৰিস্থিতিত নিৰ্দিষ্ট প্ৰতিক্ৰিয়া।

মোৰেই কেতিয়াবা অসহ্য লাগি যায়? এটা অপূৰ্ণতাৰ ভাব, এক অসীম শূন্যতা। জীৱনত অৰ্থপূৰ্ণ কাম এটাও কৰা নহ'ল। এনে এটা কাম কৰা নাই যাক সুঁৱৰি গৰ্ব বোধ কৰিব পাৰোঁ।

এনে কোনো অমূল্য সম্পদ আহৰণ কৰা নাই যি উজ্জ্বল নক্ষত্ৰৰ দৰে এতিয়াও জিলিকি আছে। মই যি পৰিয়ালত উপজিছোঁ, যি পাৰিপাৰ্শ্বিকতাত মানুহ হৈছোঁ সেই পৰিবেশে মোক টানি লৈ গৈছে। বেলেগ একো কৰাৰ উপায় নাছিল। এনেকুৱা নোহোৱাটোৱেই আছিল আচৰিত। কোনোবাই মোতকৈ অলপ বেছি আৰ্জিছে, কোনোবাই অলপ কম। কোনোবাই মোৰ ঘৰতকৈ ডাঙৰ ঘৰ সাজিছে, কোনোবাই সৰু। হৰি দাসৰ ভাষাত ক'বলৈ হ'লে নাইনটিন এণ্ড টুৱেন্টি। সমাজে মোৰপৰা যি আশা কৰিছিল মই কেৱল তাকেই কৰিছোঁ। নিজে কি কৰিবলৈ বিচাৰোঁ কোনোদিন বিশ্লেষণ কৰি চোৱাৰ চেষ্টা কৰা নাই। মই দহজনৰ এজন। ব্যতিক্ৰম নহওঁ।

মই সুখী নে অসুখী সেই কথাও মই নাজানো। নিজকে সেই প্ৰশ্ন কৰাৰ সাহসো নাই। মোৰ এটা অস্পষ্ট ধাৰণা হৈছে যে বেলেগ মানুহৰ কাৰণে সুখৰ সংজ্ঞাও বেলেগ। নিৰ্দিষ্ট আকাৰত সুখ পোৱা নাযায়। প্ৰয়োজন মতে হাত বঢ়াই টানি ল'ব নোৱাৰি।

সিদিনা ভাগিনজনে মোৰ পৰামৰ্শ বিচাৰিলে।

"কলেজত এটা কাম পাইছোঁ। বেংকৰ কামটোও পোৱাৰ আশা আছে। কি কৰোঁ?"

উপদেশ দিবলৈ গৈ মই সংশয় বোধ কৰিলোঁ। মোৰ উপদেশ সংস্কাৰমুক্ত হ'ব নোৱাৰে। প্ৰচলিত চিন্তাধাৰাৰ প্ৰভাৱৰপৰা মই মুক্ত নহওঁ। সাময়িক সংস্কাৰ মোৰ মাজতো প্ৰবল। মই এনেকুৱা বহুতো অধ্যাপকক জানো যিসকলে ডিগ্ৰী পোৱাৰ পিছত নতুনকৈ এখাৰ কথা শিকা নাই। পঢ়া-শুনাৰ লগত কোনো সম্বন্ধ নাই। শিক্ষা বিভাগৰ লগত সম্বন্ধ নথকা মানুহেও যথেষ্ট পঢ়া-শুনা কৰে। এইটো হ'ল ৰুচি আৰু প্ৰবৃত্তিৰ কথা। পিছে আমি প্ৰচলিত ধাৰণাৰ হাত সাৰিব নোৱাৰোঁ। অধ্যাপক হ'লেই শিক্ষিত হ'ব লাগিব আৰু ঠিকাদাৰ হ'লেই হ'ব গণ্ডমূৰ্খ। টাইপ চৰিত্ৰ। নিজৰপৰা একো চিন্তা কৰাৰ প্ৰয়োজন নাই। সহজ আৰু সুবিধাজনক ব্যৱস্থা।

স্বাভাৱিকভাৱে নিজৰ মাজত হাস্যৰস নাথাকিলে হাস্যৰসৰ প্ৰকাশ কৰিবলৈ গ'লে অস্বস্তিকৰ পৰিস্থিতিৰ সৃষ্টিহে হ'য়।

বিৰাজ শৰ্মাৰ লগত একেলগে স্কুল-কলেজত পঢ়িছিলোঁ। বিছ বছৰ পিছত ফাঁচী বজাৰত লগ পাই হাস্যৰস প্ৰকাশ কৰাৰ চেষ্টা কৰিলোঁ।

"কি অ'। তই এতিয়াও জীয়াই আছ?"

"নকৰি আৰু। ভেলোৰত যাই কোনো ৰকমে ৰক্ষা পৰিলোঁ। ইয়াৰ ডাক্তৰে ধৰিবই পৰা নাছিল। কেন্সাৰ বুলি সন্দেহ কৰিছিল। সকলোৱে আশা এৰি দিছিল। জানই নহয়।"

তাৰ যে ইমান টান অসুখ হৈছিল মই নাজানিছিলোঁ।

হাস্যৰস পৰিবেশন কৰিবলৈ গৈ মই মহা অপ্ৰস্তুত।

বিৰাজ ইয়ালৈ বদলি হৈ আহিছে। শান্তিপুৰত ঘৰ লৈ আছে।

মোক ক'লে, "আহিবি। আমাৰ তালৈ আহিবি।" ভৈৰব দাস কাষত আছিল। বিৰাজ গুচি যোৱাত তেওঁ মোক ক'লে, "গ'লে দিনে পোহৰে যাব। গধূলিৰ পিছত তেওঁ মানুহক চিনি নাপায়।"

"অৰ্থাৎ?"

"বাপৰে, পিপা। আগতে খালেও এনেকুৱা অত্যাচাৰ নাছিল। অসুখৰ পিছৰপৰাই মাত্ৰা নোহোৱা হৈছে।" বিৰাজ শৰ্মা? মেন অৱ প্ৰিন্সিপেল। নীতি মানি চলা মানুহ। পৃথিৱীখন কি হৈছে? প্ৰত্যেকজন মানুহে স্বাভাৱিক পথেৰে নগৈ স্পৰ্শক ৰেখাৰে কিয় এনেকৈ ছিটিকি যাবলৈ ধৰিছে। ভয় লাগে। নিজৰ সুস্থতা সম্বন্ধে সন্দেহ হয়।

গেটৰ মুখৰপৰাই গুণগুণাই গান গাই মানুহজন সোমাই আহিল। দুৱাৰত টুকুৰিওৱাতো নহয়, একেবাৰে তবলাৰ বোল। অনন্ত ৰায়চৌধুৰী। মনটো ভাল লাগি গ'ল। মনত গোটখাই থকা অশান্তিখিনি তৎক্ষণাৎ ক'ৰবাত গুচি গ'ল। এইতো এজন মানুহ আছে। জীৱনত হয়তো যথেষ্ট সাফল্য অৰ্জন কৰা নাই। এতিয়াও গাৱেঁ-ভুঁঞে ঘূৰি ফুৰে। সাধাৰণ মানুহক যিখিনি পাৰে সহায় কৰে। থিয়েটাৰ আহিলে এতিয়াও ৰাতি থিয়েটাৰ চাবলৈ যায়। গুণগুণাই গান গায়। জীৱনত কি পালে আৰু কি নাপালে লোকৰ আগত সেই হিচাপ কেতিয়াও দাঙি নধৰে। মই আগ্ৰহেৰে মাত দিলোঁ।

"আহক, আহক ৰায়চৌধুৰী। আহক।"

# তৰুৱা কদম

অতি অস্পষ্ট আৰু মৃদু, কিন্তু ভুল কৰাৰ কাৰণ নাই। তৰুৱা কদমৰ গোন্ধ। তেওঁ ভালকৈ জানে যে আশে-পাশে তৰুৱা কদমৰ গছ নাই। পঞ্চাছ বছৰৰ দূৰত্ব অতিক্ৰম কৰি এই গোন্ধ তেওঁৰ নাকত আহি লাগিছে। নহয়, এই গোন্ধ তেওঁৰ মনতেই সঞ্চিত হৈ আছে। তাৰপৰাই ওলাই আহিছে। পাৰিপাৰ্শ্বিকতাৰপৰা বিচ্ছিন্ন হৈ কেৱল গোন্ধখিনি তেওঁৰ নাকত সোমাইছে। কোন পটভূমিত কেনেকৈ এই গোন্ধ আহিছিল এইখিনি স্মৰণ কৰাৰ চেষ্টা কৰিবলৈ যোৱাৰ লগে লগে গোন্ধখিনিও নোহোৱা গৈ গ'ল। চৰাই এটাই যেন চক খাই উৰা মাৰি অদৃশ্য হৈ গ'ল। চৌধুৰীয়ে এটা হুমুনিয়াহ কাঢ়িলে।

আমি অতীতৰ স্মৃতি ৰোমন্থন কৰোঁ, ভৱিষ্যতৰ সপোন দেখোঁ। পিছফালে এৰি অহা অতীত আৰু অনাগত ভৱিষ্যত। বৰ্তমান এটা অৰ্থহীন শব্দ। বৰ্তমান কি? সময়ৰ সোঁতত ভেটা দি তাৰ কোন কালছোৱাক বৰ্তমান বুলি ক'ব পাৰি? পাঁচ মিনিট? পাঁচ চেকেণ্ড? এক চেকেণ্ডৰ এক শতাংশ, এক নিযুতাংশ। বৰ্তমানৰ যদি অস্তিত্বই নাই তেনেহ'লে কি এই বৰ্তমান? বৰ্তমানত একো ঘটনাই ঘটিব নোৱাৰে, কাৰণ যি কোনো ঘটনা ঘটিবলৈ হ'লে এছোৱা সময়ৰ প্ৰয়োজন। ঘটনা এটা ঘটিছিল বা ঘটিব। আমি হয় অতীত নহয় ভৱিষ্যত, এই দুটাৰ কোনোবা এটাত বাস কৰোঁ। অতীতৰ স্মৃতি আৰু ভৱিষ্যতৰ সপোন, ইয়েই আমাৰ জীৱন। চৌধুৰীৰ বয়স বাঢ়ি আহিছে, বহুতো কামেই তেওঁ কৰিব নোৱাৰে, কৰিবৰ ইচ্ছাও নাই। ফুটবল খেলিব নোৱাৰে, জঁপিয়াব নোৱাৰে, প্ৰেমত পৰিব নোৱাৰে। ভৱিষ্যতৰ সপোন দেখাৰ শক্তিও তেওঁৰ নাই।

চৌধুৰীয়ে আৰামী চকীখনত চকু বন্ধ কৰি শুই আছিল। দৃশ্যটো আকৌ স্পষ্ট আৰু উজ্জ্বল হৈ উঠিল। আগতে বহুতো সৰুসুৰা অংশ তেওঁৰ চকুত পৰা নাছিল। তেতিয়া হয়তো তেওঁ মন কৰাও নাছিল, কিন্তু সকলোখিনি তেওঁৰ মনৰ কোনোবা ঠাইত সঞ্চিত হৈ আছে। এতিয়া সমগ্ৰ দৃশ্যটো তেওঁৰ চকুৰ আগত স্পষ্ট হৈ উঠিল।

হয়, কাষৰ গছত চৰাইবোৰে মাতি আছিল। চৌধুৰী এজন ডেকা ল'ৰা, নিজৰ ওপৰত অগাধ বিশ্বাস, ভৱিষ্যত তেওঁৰ হাতৰ মুঠিত। বিস্মিত আৰু মুগ্ধ নেত্ৰে তেওঁ চাই আছে। অপলক দৃষ্টিত—আনন্দ আৰু স্তুতি উপচি উঠিছে।

ৰাতি পুৱাইছে মাত্ৰ। তেওঁ বিছনাৰপৰা উঠি শিতানৰ খিৰিকীখন খুলি স্তব্ধ হৈ ৰৈ গ'ল। নাদৰ পাৰত ছোৱালীজনীয়ে গা ধুই আছে। ক'তো এজন মানুহ নাই। নিশ্চিত নিৰাপত্তাত

নিঃশংকচিত্তে তাই নাদৰপৰা পানী তুলি গা ধুই আছে। নাদৰপৰা পানী তুলি থাকোঁতে তাইৰ উন্মুক্ত স্তনযুগল তালে তালে নাচি আছে।

চৌধুৰী শিলৰ মূৰ্তিৰ দৰে বৈ থাকিল। খিৰিকীখন আধাখোলা অৱস্থাত থাকি গ'ল, তেওঁৰ হাতখন ছিটকিনিৰ ওপৰত তেনেকৈ ৰৈ থাকিল। আনন্দৰ মাজতো অব্যক্ত এক মধুৰ বেদনাত তেওঁৰ বুকুখন টনটনাই উঠিল। এই এক অপৰিচিত অনুভূতি। ঠিক এই সময়তে তেওঁ তৰুবা কদমৰ সুবাস সম্বন্ধে সচেতন হৈ উঠিল। এই গোন্ধটো আহি কিবা এক অদ্ভুতভাৱে তেওঁৰ অনুভূতিৰ লগত মিহলি হৈ গ'ল। তেওঁ অস্পষ্টভাৱে নিজৰ ভিতৰত নতুন এক ইন্দ্ৰিয়ৰ উন্মেষৰ সংকেত অনুভৱ কৰিলে। চকুৰে দেখি, কাণেৰে শুনি। তেনেকৈ এই নতুন ইন্দ্ৰিয়টোৰে অইন কিবা এটা কৰিব পাৰি। কিন্তু কি? লাহে লাহে অতি সন্তৰ্পনে এই নতুন ইন্দ্ৰিয়টোৰ বোধশক্তি যেন বিকশিত হোৱাৰ ইঙ্গিত পোৱা গৈছে। তেওঁৰ দৃশ্যমান ত্ৰৈমাত্ৰিক জগতত যেন আৰু এক নতুন মাত্ৰাৰ সংযোগ ঘটিবলৈ লৈছে। অতি সন্তৰ্পনে, ৰুদ্ধ নিশ্বাসে তেওঁ ৰৈ থাকিল। হয়তো তৰুবা কদমৰ গোন্ধটোৰ লগত ইয়াৰ কিবা যোগাযোগ আছে। গোন্ধটোৰ যেন ৰং আছে, মাত্ৰা আছে, শাৰীৰিক অস্তিত্ব আছে। হঠাতে যেন এই গোন্ধটো তেওঁৰ মনৰ ভিতৰত সোমাই গ'ল। মনটোক সুবাসিত আৰু উজ্জ্বল কৰি তুলিলে। উপলব্ধিৰ ঠিক আগ মুহূৰ্তত চৌধুৰী আকৌ সাৰ পাই উঠিল।

"দেউতা।"

ডাঙৰ বোৱাৰীৰ মাতত তেওঁ সাৰ পালে। অলপ বিৰক্ত হৈ উঠিল।

"কি হ'ল?"

"হৰলিক্সটোপা খাই লওঁক।"

"কিমাননো খাই থাকিব লাগে? অলপ আগতেই খালোঁ দেখোন।"

বোৱাৰীয়ে প্ৰতিবাদ নকৰিলে। সকলোৱে জানে আজিকালি চৌধুৰীৰ একো কথাই মনত নাথাকে। তৎক্ষণাৎ পাহৰি যায়।

সমৰ আহি চৌধুৰীৰ কাষত থিয় হ'ল। চৌধুৰীয়ে বোৱাৰীক সুধিলে, "এওঁ কোন?"

সমৰে ক'লে, "মই, মই সমৰ।"

"তই কেতিয়া আহিলি? কলেজ বন্ধ নেকি?"

চৌধুৰীৰ অসুখ বেছি হোৱা বুলি খবৰ পাই তেওঁৰ মাজু ল'ৰা সমৰ ৰাতিপুৱা আহি পাইছে। দেউতাকৰ লগত ইতিমধ্যে তেওঁৰ কথা-বতৰাও হৈছে। কিন্তু দেউতাকে কথাবাৰ ইতিমধ্যে সম্পূৰ্ণৰূপে পাহৰি গৈছে।

পিছে তেওঁ পুৰণি কথা একো পাহৰা নাই। ১৯৩১ চনৰ জানুৱাৰীৰ ১৪ তাৰিখ গধূলি সাত বাজি তেৰ মিনিট। চৌধুৰীৰ ডাঙৰ ল'ৰা অমৰৰ জন্মৰ সময়। চিন্তা, ভাবনা আৰু আশংকাত মানুহজন কিবা হৈ আছিল। ভিতৰত উকলি দিয়াৰ লগে লগে কথা নাই বতৰা নাই হঠাতে তেওঁৰ সৰু ভায়েকজনে ধমধমকৈ বেৰত কোবাবলৈ ধৰিলে। তেওঁৰ মাকেও হাঁহিবলৈ ধৰিলে। অভিকৰ্মক প্ৰয়োগ কৰাত অধঃক্ষেপণ দ্ৰবীভূত হোৱাৰ দৰে তেওঁৰ মনৰ অশান্তিবোৰ তৎক্ষণাৎ

নোহোৱা হ'ল। তেওঁ ভায়েকক ভাবি দিয়াৰ চেষ্টা কৰিলে,

"এই, কি কৰ? ভাঙিবি নেকি বেৰখন?"

কিন্তু ভাবিটো তেওঁ ভালকৈ শেষ কৰিব নোৱাৰিলে। অদমনীয় হাঁহিৰ বেগে তেওঁক অস্থিৰ কৰি তুলিলে।

ডাঙৰ ল'ৰা অমৰৰ উৎকণ্ঠিত মাতত সাৰ পাই তেওঁ বাস্তৱলৈ উভতি আহিল।

"কি হৈছে? এনেকুৱা কৰিছা কিয়? গা বেয়া লাগিছে নেকি?"

"নাই।"

"কিবা কষ্ট পাইছা নেকি?"

"গ্লুকোজ পানী খাবা অলপ?"

চৌধুৰীৰ অলপ খং উঠি গ'ল।

"কিনো খোৰা খোৰা কৰি থাকা? কিমান খাব লাগে? অলপ আগতেই খালোঁ দেখোন।"

সকলোৱে উদ্বিগ্ন হৈ উঠিছে। ডাঙৰ বোৱাৰীয়েকে উৎকণ্ঠা প্ৰকাশ কৰিলে, "ৰাতিপুৱাই জোৰকৈ অলপ কমপ্লান খুৱাইছিলোঁ, তাৰ পিছত দিনটো কিবা খোৱাৰ কথা ক'লেই খং উঠি যায়।"

চৌধুৰী আৰামী চকীত চকু বন্ধ কৰি শুই থকা এজন বৃদ্ধ নহয়। তেওঁ এজন ডেকা ল'ৰা। বাইছ-তেইছ বছৰ বয়স। ৰাতিপুৱা উঠি তেওঁ আগৰ দৰে খিৰিকীখন খুলিলে। হঠাতে সুৰ সমলয়ৰ তাল কাটি গ'ল, ছন্দস্পন্দনময় পৃথিবীৰ ছন্দপতন ঘটিল। হঠাতে এটা জোকাৰণি খাই পটভূমিৰ উপাদানবোৰ বিশৃঙ্খল হৈ পৰিল। ছোৱালীজনীয়ে খিৰিকীৰ পৰ্দাৰ ফাকেৰে তেওঁক দেখা পালে। ত্ৰস্তভাৱে নিজকে আবৃত কৰাৰ অক্ষম চেষ্টা কৰি কৰি দ্ৰুতবেগে তেওঁ গুচি গ'ল। হঠাতে জোকাৰণি লগাত চৌধুৰীৰ ইন্দ্ৰিয়বোৰৰ সংবেদন নষ্ট হৈ গ'ল। তৰুৱা কদমৰ গোন্ধখিনি তেওঁ নোপোৱা হ'ল।

পাৰিপাৰ্শ্বিকতাৰ উজ্জ্বলতা নোহোৱা হৈ গ'ল। পৃথিৱীখন ধূসৰ হৈ পৰিল। ভাল ল'ৰা বুলি চৌধুৰীৰ নাম আছে। কিবা এটা ছিঙি যেন তেওঁৰ ভৱিৰ কাষত মাটিত পৰি গ'ল। তেওঁ আবৰণ মুক্ত হৈ মানুহৰ আগত থিয় হৈ থকা যেন অনুভৱ কৰিলে। লুকাই থকাৰো উপায় নাই। ইচ্ছা কৰিলেই অইনৰ মনৰপৰা নিজকে আঁতৰাই আনিব পাৰি জানো?

সিহঁতৰ ঘৰত নতুনকৈ অহা এই ছোৱালীজনীয়ে সিহঁতৰ ঘৰৰ সকলোকে কথাষাৰ কৈ দিব। চৌধুৰীৰপৰা তেওঁৰ এই কাৰ্যৰ ব্যাখ্যা বিচাৰি কোনেও নাহে। তেওঁৰ অজ্ঞাতেই সকলোৱে তেওঁৰ সম্বন্ধে নিজ মতামত স্থিৰ কৰি ল'ব। অনৈসৰ্গিক সৌন্দৰ্যৰ উপলব্ধিৰ বাহিৰে তেওঁৰ মনত যে কোনো বেয়া ভাব নাছিল এই কথা কোনেও বিশ্বাস নকৰিব। কৈফিয়ৎ তেওঁ দিবও নোৱাৰে। কৈফিয়ৎ দিয়াৰ চেষ্টা হ'ব কৰ্দমাক্ত হাতেৰে মোনালিচাৰ ছবিখন স্পৰ্শ কৰাৰ চেষ্টাৰ দৰে।

গোটেই দিনটো এক অপৰাধবোধে তেওঁক হেঁচা মাৰি ধৰি থাকিল। বুকুখন গধুৰ গধুৰ আৰু মনটো উকণ্ডা হৈ থাকিল।

আবেলি চৌধুৰী বজাৰলৈ যাবলগীয়া হ'ল। সিহঁতৰ ঘৰৰ অইন দুজনী ছোৱালীৰ লগত সেই ছোৱালীজনীকো বাটৰ কাষত দেখি তেওঁ সংকুচিত হৈ পৰিল। কাষেৰে পাৰ হৈ যাওঁতে ছোৱালীজনীয়ে ভ্ৰূকুটি কৰি তেওঁৰ ফালে চোৱাও তেওঁ লক্ষ্য কৰিলে। ছোৱালীজনীয়ে তেওঁ শুনাকৈ কোৱা কথাষাৰো তেওঁৰ কাণত পৰিল, "চকু দুটা ফুটাই দিব লাগে।"

নাই ক্ষমাৰ কোনো প্ৰশ্ন নাই। কলংকৰপৰা উদ্ধাৰৰ কোনো উপায় নাই। অন্ততঃ এজনৰ মনত চিৰকাল কলংকিত ৰূপ এটা লৈয়েই তেওঁ থাকি যাব। ৰাতিও ভালকৈ তেওঁৰ টোপনি নহ'ল। ভাৰাক্ৰান্ত মন লৈ ৰাতিপুৱা অভ্যাসবশতঃ তেওঁ খিৰিকীখন খুলিলে। পাৰিপাৰ্শ্বিকতা সম্বন্ধে সম্পূৰ্ণ উদাসীন হৈ নিঃশংকচিত্তে ছোৱালীজনী আগৰ দৰে গা ধুই আছে। মুক্তি আৰু শান্তিৰ ঢৌবোৰে তেওঁৰ মনটো ভৰাই দিলে। হঠাতে আকৌ পৃথিবীৰ ৰং উজ্জ্বল হৈ উঠিল। চৰাইবোৰে একেলগে গান গাই উঠিল। হঠাতে অহা বতাহজাকে তৰুৱা কদমৰ সুবাসখিনি আনি তেওঁৰ সত্তাৰ লগত মিহলাই দিলে। গোটেই মনটো তেওঁৰ সুবাসিত হৈ উঠিল।

ঘটনাটোৰ কথা চৌধুৰীয়ে পাহৰি গৈছে। ছোৱালীজনীৰ কথাও পাহৰি গৈছে। কিন্তু পটভূমিৰপৰা বিচ্ছিন্ন হৈ সেই তৰুৱা কদমৰ সুবাসখিনি তেওঁ সত্তাৰ লগত মিহলি হৈ সত্তাৰ উপাদান হিচাপে ৰৈ গৈছে। পঞ্চাছ বছৰৰ ব্যৱধান অতিক্ৰম কৰি এই সুবাসখিনি তেওঁৰ জীৱনৰ শেষ মুহূৰ্তটোক সুবাসিত কৰি তুলিলে।

# অস্পষ্ট

জীৱনত সাৰ্থক গল্প মাত্ৰ এটাহে লিখিছোঁ। কিন্তু আপ্ৰাণ চেষ্টা কৰিও মনত পেলাব পৰা নাই গল্পটো কি আছিল। গল্পটোৰ নামেইবা কি দিছিলোঁ, কোনখন আলোচনীত ওলাইছিল একেবাৰেই দেখোন মনত নপৰে। গল্পৰ কাহিনীটোৱে বা কি আছিল? নাই, একোৱে মনত নপৰে। মোৰ নিজৰ জীৱনৰ কোনোবা এটা ঘটনাক কেন্দ্ৰ কৰিয়েই হ'ব নিশ্চয়। কিন্তু কি ঘটনা? কেতিয়াবা এটা জিলিকনি দেখা যেন লাগে, আকৌ তৎক্ষণাৎ অদৃশ্য হৈ যায়। আন্ধাৰ ৰাতি বাৰাণ্ডাত বহি বাটত পিৰিক-পাৰাককৈ থকা নিয়ন লাইটৰ পোহৰত বাটেৰে গৈ থকা কাৰোবাক দেখাৰ দৰে। পোহৰ হোৱাৰ লগে লগে মানুহৰ আকৃতি এটা দেখা পালে। মগজুত মানুহজনৰ গঢ়-গতিৰ ছাপ স্পষ্টকৈ পৰাৰ আগতেই আকৌ তৎক্ষণাৎ পোহৰ নোহোৱা হৈ গ'ল। এনেকুৱা হৈয়েই থাকিল। মানুহজনৰ ৰূপ স্পষ্টকৈ ফুটাই তোলাৰ জোখাৰে সময় পোৱা নগ'ল। তেনেকৈ মানুহজন পাৰ হৈ গ'ল। অতি পৰিচিত মানুহ এজনক আপুনি চিনি নাপালে।

গল্পৰ কাহিনীটো মনত পৰা যেন লাগে, কিন্তু স্পষ্টকৈ ধৰিব পৰাৰ আগতেই দৃশ্যটো আকৌ অস্পষ্ট হৈ যায়। এটা অভাববোধে মনটোক আবৰি ধৰে। মনৰ শূন্যতাবোধ আঁতৰাই দিয়া টান হৈ পৰে।

ঘটনাটো কি হ'ব পাৰে? অনুধাৱন কৰি চোৱা যাওক। মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা কি? কি আচৰিত কথা! মোৰ জীৱনত কিবা গুৰুত্বপূৰ্ণ ঘটনা ঘটিছে বুলিতো মনত নপৰে। নে কথাটো ওলোটা ধৰণৰ। গুৰুত্বপূৰ্ণ ঘটনাৰ গুৰুত্ব নাইকিয়া হৈ পৰিছে। শুষ্ক কাষ্ঠখণ্ডক শিথিলভাৱে মেৰাই থকা শুকান লতা এডালক দেখি ধাৰণা কৰা অসম্ভৱ যে এই লতাডালেই এদিন আকুল আৰু তীব্ৰ আবেগেৰে উদ্ধত গছজোপাক কঠিন আলিংগনেৰে সাবটি ধৰিছিল।

মোৰ জীৱনত গুৰুত্বপূৰ্ণ ঘটনা যিবোৰ ঘটিছে একালৰপৰা সেইবোৰক বিশ্লেষণ কৰি চোৱা যাওক। মই স্কুলত পঢ়ি থাকোঁতেই হঠাতে দেউতাৰ অকাল মৃত্যু হ'ল। আমাৰ পৰিয়ালটো বৰ দুৰৱস্থাত পৰিল। অভাৱ-অভিযোগৰ মাজেৰে মই লিখা-পঢ়া শেষ কৰিলোঁ। পৰীক্ষাৰ ফলাফল মোটামুটি ভালেই হ'ল। তাৰ পিছত নানা ধৰণৰ কাম কৰি পইচা আৰ্জিলোঁ। ভাই-ভনীবোৰক মানুহ কৰিলোঁ। বিয়া কৰালোঁ, ল'ৰা-ছোৱালী হ'ল, ইত্যাদি, ইত্যাদি। লাখ লাখ মানুহে ইতিমধ্যে এনে এটা ভূমিকা সাৰ্থকভাৱে লৈ আহিছে, ভৱিষ্যতেও ল'ব। মোৰ নিজৰ ভূমিকা বাকীবোৰৰ ভূমিকাতকৈ বেয়াও নাছিল, ভালো নাছিল। বিশেষত্বহীন এটা সহজ

ভূমিকা বাকীবোৰৰ ভূমিকাতকৈ বেয়াও নাছিল, ভালো নাছিল। বিশেষত্বহীন এটা সহজ সৰল অতি সাধাৰণ ভূমিকা।

ডাঙৰ ঘটনাবোৰ সঁচাকৈ ইমান ডাঙৰ যে গোটেই জীৱন ধৰি এইবোৰ গধুৰ বোজা সন্ধানে কঢ়িয়াই ফুৰা অস্বস্তিকৰ। প্ৰথম সুযোগতেই আমি ভালকৈ বান্ধি-কুন্ধি গুদামত ভৰাই থওঁ। সৰু-সুৰা ঘটনাবোৰেই বোধহয় শেষ পৰ্যন্ত জীৱনৰ লগত ঘনিষ্ঠভাবে লাগি থাকি জীৱনত বিভিন্ন ৰঙৰ আলপনা আঁকি যায়।

ক্লাছ ফোৰ নে ফাইভত পঢ়োঁ। পূজাৰ সময়ত সৰু মামীৰ ককায়েকৰ ল'ৰা-ছোৱালীবোৰ মামাৰ ঘৰলৈ আহিছিল। ডাঙৰ ছোৱালীজনীৰ নাম মীৰা। আমি মীৰা বাইদেউ বুলি মাতিছিলোঁ। আমাতকৈ কেইবছৰমানে ডাঙৰ। অপূৰ্ব ধুনীয়া—অন্ততঃ মোৰ চকুত তেতিয়া তেনেকুৱাই লাগিছিল। চহৰৰ ছোৱালী। এটা স্বাভাৱিক সপ্ৰতিভতা থকা কাৰণে আৰু ভাল লাগিছিল।

ৰাতিপুৱাই ডাঙৰ মামাৰ ল'ৰা বীজুৰ লগত ওলাই গৈছিলোঁ। উভতি আহোঁতে বীজুৱে দুই পইচাৰ পদুমৰ চকা কিনি ল'লে। বাটতে মীৰা বাইদেউহঁতক লগ পালোঁ। সৰু মামাই কাপোৰ কিনি দিয়াৰ কাৰণে লগত লৈ ওলাইছিল। মীৰা বাইদেৱে পদুমৰ চকাৰ কাৰণে বীজুক কাবৌ কৰিবলৈ ধৰিলে।

"দেনা ভাই, দেনা। কেতিয়াও খোৱা নাই। দেনা।" বীজুৱে নিদিলেতো নিদিলেই নিৰাপদ দূৰত্বত থিয় হৈ দেখুৱাই দেখুৱাই গুটিবোৰ মুখত ভৰাবলৈ ধৰিলে।

মীৰা বাইদেউৰ এই আগ্ৰহ দেখি বহুতো সাহস সঞ্চয় কৰি মই সসংকোচে ক'লোঁ, "এইয়া, লোৱা।" মীৰা বাইদেৱে মই আগবঢ়াই দিয়া চকা নল'লে।

"নাই নালাগে। বীজুৰ মনটো কেনেকুৱা তাকে চাবৰ কাৰণেহে খুজিছিলোঁ। নালাগে।" পদুমৰ চকাৰ কাৰণে বীজুক ইমান কাবৌ কৰি আছিল, কিন্তু মই আগ্ৰহেৰে আগবঢ়াই দিয়া চকা প্ৰত্যাখ্যান কৰিলে। মোৰ মনটো খুব বেয়া লাগি গ'ল। লাজ আৰু অপমানত মোৰ কাণ-মুখ ৰঙা পৰি গ'ল। জোৰকৈ কোনোমতে চকুপানী বোধ কৰিলোঁ। জীৱনত বহু উপেক্ষা আৰু অপমান পাইছোঁ। সকলো পাহৰি গৈছোঁ। সিদিনাৰ সেই উপেক্ষাৰ স্মৃতি আজিও জীৱন্ত হৈ আছে। ক'ব নোৱাৰোঁ কিয়। ইমান বছৰৰ মূৰতো সেই চিত্ৰ আৰু লগতে সিদিনাৰ অনুভূতি আজিও স্পষ্ট হৈ আছে। অতি তুচ্ছ ঘটনা, কিন্তু কেনেবাকৈ মনত ৰৈ গৈছে।

গুণ্ডা প্ৰকৃতিৰ মানুহ নহ'লেও কাৰো লগত যে কেতিয়াও মাৰপিট কৰা নাছিলোঁ তেনে নহয়। সিবাৰতো এজন ডেকা ল'ৰাক কেইটামান ভাল চৰ শোধাই শেষত তপিনাত এটা গোৰ মাৰি দিলোঁ। আচলতে এইটো মই বৰ এটা অন্যায় কাম কৰিছিলোঁ। পিছে পৰিস্থিতি আছিল বেলেগ। ল'ৰাজনৰ দোষৰ কাৰণে নহ'লেও পৰিস্থিতিৰ কাৰণেই মোৰ এই কাৰ্যৰ এটা যুক্তিসংগত ব্যাখ্যা আছে। বিয়াৰ কেইদিনমান পিছতেই পৰিয়ালক লৈ গধূলি ফুৰিবলৈ ওলাইছিলোঁ। বেচেৰা ল'ৰাজনে বাহাদুৰী দেখুৱাবলৈ গৈ অনাহক গাৰ কাষেৰে কায়দা কৰি চাইকেল চলাই যাওঁতে চক্ৰালিৰ নোৱাৰি পৰিয়ালক খুন্দা মাৰি বগৰাই দিলে। তেনেকৈ চাবলৈ গ'লে ল'ৰাজনৰ গাত খুব এটা দোষ নাছিল। বগৰাই দি লুটি খাই পৰি তাৰ মুখৰ যি অৱস্থা।

পিছে এই কামৰ কাৰণে মোৰ কোনো ক্ষোভ নাই, মনত অস্বস্তিৰ ভাবো নাই।

নৰ বুলি আমাৰ ঘৰত আদহীয়া কাম কৰা বিশ্বাসী মানুহ এজন আছিল। বহুদিন আমাৰ ঘৰত আছিল। আমাক খুব মৰম কৰিছিল, অভিভাৱকৰ দৰে ডাবিও দিছিল। বজাৰ কৰোঁতে সদায় হিচাপত গণ্ডগোল কৰে। সি যি দামত বস্তু কিনা বুলি কয়, মায়ে অইনৰপৰা শুনি গম পালে যে বস্তুৰ সেই দাম হ'বই নোৱাৰে। মই এদিন খণ্ডতে তাক লগত লৈ দোকানত বস্তুৰ দাম সুধিবলৈ গ'লোঁ। সমুখৰ সৰিপৰা দাঁতৰ ফাঁকেৰে নৰৰ অপ্ৰস্তুত হৈ বেকুবৰ দৰে অসহায় আৰু শিথিল হাঁহিৰ ছবিখনে এতিয়াও মোৰ মনটোত অশান্তিৰ সৃষ্টি কৰে। মোৰ এই নিষ্ঠুৰতাৰ কাৰণে এতিয়াও মই লাজ পাওঁ, অস্বস্তি বোধ কৰোঁ। একেবাৰেই মাত্ৰাজ্ঞান নাছিল। ছিঃ। পৰিবাৰে কাম কৰা ল'ৰাজনে বজাৰৰ পইচা খাই আছে বুলি অভিযোগ কৰিলে এতিয়া মই বৰং ৰসিকতাহে কৰোঁ।

"তেনেহলে দেখোন ৰামকৃষ্ণ পৰমহংসে দেৱক কামকৰা মানুহ হিচাপে ৰাখিব লাগে। ৰ'বা, কোনোবা জটাধাৰী সন্ন্যাসীয়ে আমাৰ ঘৰত কাম কৰিবলৈ মান্তি হয় নেকি খবৰ কৰি চাওঁ।"

লগে লগে মনত পৰে নৰৰ সেই বুৰ্বকৰ দৰে শিথিল অপ্ৰস্তুত হাঁহি। ইমান যুগৰ পিছতো মই নিজকে অপৰাধী যেন লগা বোধ কৰোঁ।

গুৰুত্বপূৰ্ণ ঘটনাতো নহয়েই, সাধাৰণ ঘটনা বুলিও ক'ব নোৱাৰি। অতি তুচ্ছ ঘটনা। মনৰ সৰহখিনি ঠাই এইবোৰ তুচ্ছ ঘটনাৰ স্মৃতিয়ে অধিকাৰ কৰি আছে।

নহয়, এইবোৰ ঘটনাক ভিত্তি কৰি মই মোৰ গল্পটো লিখা নাছিলোঁ। বাৰু, আকৌ ভাবি চাওঁ। স্মৃতিৰ দুৱাৰ খুলি গৈছে। এনেকুৱা তুচ্ছ ঘটনাৰ ছবিবোৰ এখনৰ পিছত এখনকৈ চকুৰ আগত ভাঁহি উঠিছে। ইমান দিনৰ মূৰতো ছবিবোৰ ম্লান হোৱা নাই।

আৰে, হেমবাই দেখোন। বেচেৰীৰ এখন ভৰি খোৰা। আমাৰ ঘৰৰ কাষৰ অনুসূচিত জাতিৰ ছোৱালী। বৰকান্দা গাৱঁত বিয়া হৈছে। হেমবাইৰ খোৰাই খোৰাই খোজকাঢ়া, কপালৰ বিয়পি পৰা সেন্দুৰৰ ফোটটো, সকলো স্পষ্ট। মহাত্মা গান্ধীক চাবৰ কাৰণে ঘৰৰ কাকো নজনোৱাকৈ আন্ধাৰে-পোহৰে ওলাইছোঁ। মই, মধু আৰু বদন। বিছ মাইল বাট। দুদিন আগৰপৰাই ট্ৰেইনত উঠাৰ সাধ্য নাই। খোজ কাঢ়ি যাম। জনাৰণ্য। বহুত দূৰৰপৰা গান্ধীজীক দেখিলোঁ নে দেখা বুলি ভাবিলোঁ ক'ব নোৱাৰোঁ। তাতেই আনন্দ। ইতিমধ্যে উৎসাহ স্তিমিত হৈ আহিছে। ভোকত প্ৰাণ যায়। কংগ্ৰেছ ভলন্টিয়াৰে চাউল দিছে বুলি শুনি বদনে ঠেলিহেঁচি অলপ চাউল সংগ্ৰহ কৰি আনিলে। চাউল লৈ কি কৰিম? মধুৱে ক'লে চাউল ভিজাই তাকে খোৱা যাওক। বদনৰ চাদৰৰ মূৰত ভালকৈ চাউলখিনি টোপোলা বান্ধি পানীত ডুবাই থৈ নৈত ভালকৈ গা-পা ধুই ল'লোঁ। কাপোৰ ফাটি গোটেইখিনি চাউল নষ্ট। তাকে দেখি ভোক আৰু বাঢ়ি গ'ল। ভোক যে আচলতে কি তাক নজনাকৈ বহুতে জীৱন পাৰ কৰি দিয়ে। ভোকৰ আচল ৰূপ যে কি সিদিনাহে গম পালোঁ। নিৰাকাৰ সৰ্বগ্ৰাসী সত্তা। পৃথিৱীৰ ৰূপ সলনি কৰি দিয়ে। সদায় দেখি থকা বস্তু এটাকো বেলেগ যেন দেখি। মনৰ চিন্তা-ভাৱনাবোৰো কিবা ওলট

পালট হৈ যায়। এনেতে মনত পৰিল যে ওচৰৰ গাৱঁখনত হেমবাইৰ বিয়া হৈছে। হেমবাই খোৱা কাৰণে বিচাৰি উলিওৱা টান নহ'ল। হেমবাইৰ কি আনন্দ। থৰক বৰক লাগি গ'ল। কি কয় কি নকয় ঠিক নাই—একেবাৰে বেচামাল অৱস্থা। ৰাতিপুৱাৰপৰা একো খোৱা নাই বুলি শুনি আৰু অস্থিৰ হৈ উঠিল। তেওঁৰ অৱস্থা নিছলা, বিয়া হৈছে তেনেকুৱা ঘৰত।

"ৰ, তইঁতৰ ৰন্ধাৰ যা-যোগাৰ কৰি দিওঁ।"

"আমি ৰান্ধিব নোৱাৰোঁ। তয়ে ৰান্ধি দে।"

হেমবাইৰ অস্থিৰতা অসম্ভৱ ধৰণে বাঢ়ি গ'ল। খৰধৰ কৰোঁতে দুবাৰমান বাগৰিয়েই পৰিব ধৰিছিল।

আহু চাউলৰ ভাত আৰু বঙালাউৰ আঞ্জা। জীৱনত বহুতো খাইছোঁ। নিজেও খাইছোঁ, লোকেও খুৱাইছে।

ভাত খাই এক তীব্ৰ আনন্দ সেই এদিনহে পাইছোঁ। ৰাতি হেমবায়ে আমাক খেৰ পাৰি শুৱলৈ দিলে। কিমান কথা, বেবেৰিবাং অজস্ৰ কথা। "শো, শো, শুই থাক। দিনটো কম ধকল গৈছে নে?" আকৌ নিজেই কথা আৰম্ভ কৰে, "তইঁত কম ল'ৰা নহয় দে। ঘৰত নোকোৱাকৈ এনেকৈ আহিব পায় নে? ঘৰ পালে ভাল মজা পাবি যা।" অকাৰণে খিলখিলকৈ হাঁহি। আমিও হাঁহিয়েই অস্থিৰ। কোনো কাৰণ নাই। কাৰণৰ প্ৰয়োজনো নাই। মনত স্বতঃস্ফূৰ্ত অফুৰন্ত আনন্দৰ ভাণ্ডাৰ। কাইলৈ কি শাস্তি পাম সেই প্ৰশ্ন অপ্ৰাসংগিক।

নাই, এই ঘটনাটো লৈও মই গল্পটো লিখা নাই। খুব সম্ভৱ লিখিছোঁ বুলি ভাবিহে আছোঁ, আচলতে গল্পটো মই লিখাই নাই। মোৰ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনাটো বোধহয় এটা অস্পষ্ট ধাৰণাৰ দৰে মনৰ অন্তৰালত সোমাই আছে। ইয়াৰ অস্তিত্ব উপলব্ধি কৰোঁ, তথাপি সঠিক যেন ধৰিব নোৱাৰোঁ। আখৰৰ বন্ধনীৰে বান্ধিবলৈ চেষ্টা কৰি চাওঁ ধৰা পৰা নাই, কোনোবা ফাঁকেৰে পলাই সাৰিছে। ঠিকেই, যিটো সাৰ্থক গল্প মই লিখিছোঁ বুলি ভাবি আছোঁ, আচলতে সেই গল্পটো মই লিখাই নাই।

# কৃত্রিম

এইটো এটা বৰ জুলুমৰ কথা হৈছে। তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীৰ ঘৰকেইটাৰ লগ লাগি এই চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীৰ ঘৰকেইটা থকাত মহা অশান্তি হৈছে। সদায় কিবা নহয় কিবা হুলস্থূল লাগিয়েই আছে। কাৰ্তিক ফিটাৰ সকলোতকৈ চাৰ। মাজু চাহাবৰ পিয়াৰৰ মানুহ বুলি কোনেও একো নকয়। বহু অভিযোগ জমা হৈ আছে তাৰ বিৰুদ্ধে। আচলতে কামত খুব পাকৈত কাৰণে তাৰ সাতখুন মাফ।

মাজৰাতি হুলস্থূল কৰি সিয়েই গোটেই চুবুৰিৰ মানুহক গোট খুৱালে। মহেশো লৰালৰিকৈ ওলাই গ'ল। মাজৰাতিৰপৰাই ঘূৰি আহিল। পৰিবাৰ উৎকৰ্ণ হৈ আছিল। সুধিলে, "কি হ'ল?" মহেশে গম্ভীৰভাৱে ক'লে, "ছোটলোকৰ কাৰবাৰ। শুই থাকা, একো নহয়।" ইমান হুলস্থূল গণ্ডগোল—মিছাকৈ? মহেশৰ গম্ভীৰ মুখৰ ফালে চাই প্ৰশ্ন কৰাৰ সাহস নহ'ল। শুই থাকিল। সিফালৰপৰা মানুহৰ কিৰীলি, সুহুৰিবোৰ কাণত পৰিল।

কাৰ্তিকৰ ৰাতিৰ কাম আছিল। মাজতে কোনোবা টলকতে মদ খাই টং হৈ আহিল। বোস চাহাবে ভাবি-গমকি দি কাৰখানাৰপৰা বাহিৰ কৰি দিলে। আচলতে ঘৰলৈ যোৱাৰ তাৰ মতলব নাছিল। বলৰামহঁতৰ তালৈ যাওঁ বুলি গতি কৰি কিবাকৈ ঘৰ পালেগৈ। কোনোবা এজন তাৰ ঘৰৰপৰা ওলাই সাউৎকৰে পিছফালে লৰ মাৰিলে। কাৰ্তিকে 'চোৰ' 'চোৰ' বুলি চিঞৰি উঠিল। ওচৰ-চুবুৰীয়া ওলাই আহিল। কাৰ্তিকৰ পৰিবাৰৰ কিন্তু ঘোৰ টোপনি। সাৰ-সুৰ নাই। দুৱাৰত ঢকিয়াই ঢকিয়াই কোনো ৰকমে জগাব লগা হ'ল। ঘৰৰ দুৱাৰ ভিতৰৰপৰা বন্ধ। ৰজনীয়ে ক'লে, "হৈছে দিয়া। কি দেখোঁতে কি দেখিছা। হৈছে, বাদ দিয়া এতিয়া এইবোৰ কথা।" কাৰ্তিকে উত্তেজিতভাৱে প্ৰতিবাদ কৰিলে, "নহয়, মই নিজ চকুৰে পৰিষ্কাৰ দেখা পাইছোঁ। দুৱাৰেদি ওলাই সাউৎকৰে সিফালে গ'ল।"

হঠাতে সি একেবাৰে চুপ হৈ গ'ল। পিছফালৰপৰা কোনোবাই গাই দিলে, "বল ৰাধা বল।" কাৰ্তিকে ঘৰৰ ভিতৰত সোমাই সজোৰে দুৱাৰখন বন্ধ কৰি দিলে। ভিতৰৰপৰা কাৰ্তিকৰ পৰিবাৰৰ কাণতাল মৰা চিঞৰ আৰম্ভ হ'ল। কোনোবাই ক'লে, "হেৰি, মাইকীজনীক মাৰি পেলায় দেখোন।" ৰজনীয়ে ক'লে, "ব'লা, ব'লা, এইবোৰ লেতেৰা কথাত থকাৰ কোনো দৰকাৰ নাই। যি কৰে কৰি থাকক।" জুম বান্ধি থকা মানুহবোৰে নানা ধৰণৰ সৰস মন্তব্য কৰি ঘৰাঘৰি গুচি গ'ল।

শিল্প নগৰীৰ আবাসিক অঞ্চল। চতুৰ্থ শ্ৰেণীৰ এই ঘৰকেইটা তৃতীয় শ্ৰেণীৰ ঘৰকেইটাৰ

লগালগিকৈ থকাত এইখিনিত থকা তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী কেইজনৰ মনত বৰ এটা অশান্তি। হুলস্থূল লাগিয়েই আছে।

মহেশৰ ৰাতিৰ কাম আছিল। পানীলগা কাৰণে গাটো ভাল নাই। সহকৰ্মী মাধৱ তালুকদাৰে হাতখন ধৰি ক'লে, "জ্বৰ উঠিছে দেখোন। নালাগে কাম কৰিব। ঘৰলৈ গৈ শুই থাকক।"

মহেশে আপত্তি কৰিলে, "একো নহয়, একো নহয়।"

বাকীবোৰে জোৰকৈ পঠিয়াই দিলে। মহেশৰ এনেকৈ অকস্মাৎ অসময়ত ঘৰলৈ যোৱাত কিবা থকা-থৈয়া লাগিল। এইটো যেন তাৰ এটা ফন্দি। অৱশ্যে ভাৱটো ঠিক স্পষ্ট নহয়। কিন্তু এটা সংকোচ। কিহৰ এই সংকোচ ঠিক ব্যক্ত কৰিব নোৱাৰি। ৰতিকান্তই ৰাতিৰ কাম থাকিলে হেনো পৰিবাৰক কোঠা এটাত ভৰাই তলা বন্ধ কৰি থৈ যায়। এই ভিতৰুৱা কথাটো প্ৰকাশ হৈ পৰিছে। সেই লৈ সকলোৱে হাঁহে। কিছুমানে ৰতিকান্তক পুতৌ কৰে। নিজৰ পৰিবাৰক অবিশ্বাস কৰাটো গৌৰৱৰ কথা নহয়।

কাৰ্তিক আৰু তাৰ পৰিবাৰে ৰিক্সাত উঠি মহেশৰ কাষেদি পাৰ হৈ গ'ল। চিনেমাৰ শেষ প্ৰদৰ্শনী চাই আহিছে বোধহয়। দুয়োৰে খুব স্ফূৰ্তি। কিবা ৰসৰ কথা কৈ হাঁহি ইজনে সিজনৰ গাত বাগৰি পৰিছে। মহেশৰ ভুৰু কোঁচ খাই গ'ল, "ছালা, নিৰ্লজ্জ। এইজনী তিৰীক লৈ বাটত হলিগলি কৰি ফুৰিছে! আমি হ'লে...।"

আমি হ'লে কি কৰিলেহেঁতেন সেই চিন্তাটোক ঠিক বাক্যৰ দ্বাৰা বান্ধি পেলোৱা নহ'ল। তেওঁলোকৰ জীৱনত এনেকুৱা পৰিস্থিতিৰ উদ্ভৱ নহয়। ভদ্ৰলোকৰ পৰিয়ালত এইবোৰ লাজলগা ঘটনা নঘটে। এইবোৰ হ'ল ছোটলোকৰ কাৰবাৰ। কাৰ্তিকৰ ওপৰত তাৰ এটা বিজাতীয় ক্ৰোধ আৰু ঘৃণা উপজিল। বাটতে দুবাৰমান থুই পেলালে। সেইদৰে যদি প্ৰেমৰ কথা পাতি আকৌ পৰিবাৰৰ লগত বাটত ঘূৰি ফুৰেই তেনেহলে মিছাকৈ হুলস্থূল কৰি ৰাজ্যখন ৰজনজনাৰৰ কি দৰকাৰ আছিল? "ছালা, বুৰ্বক। মন বোলা বস্তু কিবা আছে নেকি এইবোৰ মানুহৰ? ছোটলোকৰ কাৰবাৰ।"

ৰিক্সাৰপৰা নামি মহেশে লাহে লাহে ঘৰৰ ফালে আগবাঢ়িল। কোঠাত লাইট জ্বলি আছে। কি হ'ল? খটখটিত ভৰি দিবলৈ গৈ হঠাতে ভৰি দুখন তাৰ নিশ্চল হৈ গ'ল। এখন অজ্ঞাত ভয়ঙ্কৰ ৰাজ্যত সি যেন ভৰি দিবলৈ ওলাইছে। কি আছে তাত সি একো নাজানে। আইন-কানুন হয়তো সকলো তাত ওলোটা। কিবা অসুখ হ'ল নেকি পৰিবাৰৰ? অকলে আছে। আশ্চৰ্য। এনেয়েই হয়তো লাইট জ্বলি আছে। কিন্তু....। কিন্তু আকৌ কি? তথাপি ভয়ত মহেশৰ হাতভৰিবোৰ থক্ থক্‌কৈ কঁপিবলৈ ধৰিলে। অদ্ভুত, শ্বাসৰোধকাৰী এটা ভয়। সি দুৱাৰত টুকুৰিয়াই দিব আৰু লগে লগে দৈত্য-দানৱ, ভূত-প্ৰেত এইবোৰ ওলাই আহি তাক চাৰিওপিনৰপৰা আগুৰি ধৰিব। এটা ভয়ঙ্কৰ বিপদৰ সমুখত পৰি যেন তাৰ গোটেই গাটো অৱশ হৈ পৰিল। সি নিজকে সান্ত্বনা দিয়াৰ চেষ্টা কৰিলে। "নাই, ভয় একো নাই।" সি নিজে নিজে এটা দুঃস্বপ্নৰ সৃষ্টি কৰি লৈছে। তথাপি তাৰ দুৱাৰত টুকুৰিয়াবৰ সাহস নহ'ল। হাতত সাৱে ভৰিত সাৱে পিছফালৰ বাৰাণ্ডাত গৈ ভৰিৰ আঙুলিত ভৰ দি বেণ্ডা মেলি খিৰিকীৰ

পৰ্দাৰ ওপৰেদি কোঠাৰ ভিতৰলৈ চাই পঠিয়ালে। তাতেই বাগৰি পৰিবলৈ ধৰিছিল। চিঞৰৰ এটা ওলাই আহিবলৈ গৈয়ো ডিঙিত লাগি ধৰি থাকিল। কোনো প্ৰকাৰে চোঁচৰাই চোঁচৰাই নিঃশব্দে গেটখন খুলি বাটলৈ ওলাই আহিল।

ক'ত যাব একো ক'ব নোৱাৰে। কি কৰিব একো নাজানে। বেছি দূৰ কিন্তু যাব নোৱাৰিলে। উত্তেজনা আৰু দুৰ্বলতাৰ কাৰণে এটা বমিৰ ভাবে তাক অস্থিৰ কৰি তুলিলে। ধপকৈ বাটৰ কাষতে বহি পৰিল। 'ওৱাক' 'ওৱাক'কৈ বমি ওলাই আহিব খোজে কিন্তু নাহে। কেৱল চকুৰে পানী ওলাবলৈ ধৰিলে। মহেশে থিয় হ'বলৈ চেষ্টা কৰিলে, নোৱাৰিলে। গোটেই পৃথিৱীখন ওলট-পালট হৈ গৈছে। তাৰ নিজৰো ভাৰসাম্য নোহোৱা হৈ গৈছে।

ৰমেনে আহি তেনেকৈ তাক পালে।

"কোন? কি হৈছে?"

মহেশক চিনি পাই চক খাই উঠিল, "কি হৈছে তোৰ?"

"একো হোৱা নাই।"

টান মুখেৰে কোৱা হ'ল নেকি? ৰমেনে তাৰ এই মাতৰ সুৰুঙাৰে সোমাই অন্তৰখন দেখা পালে নেকি? সংযতভাৱে আকৌ ক'লে, "গাটো খুব বেয়া লাগিছে। কামৰপৰা সেই কাৰণে গুচি আহিলোঁ। এইখিনি আৰু যাব নোৱাৰা হৈছোঁ।"

ৰমেনে মহেশক দাঙি ধৰি তুলিলে। বিহ্বল নাৰীৰ ঘনিষ্ঠ আলিঙ্গনৰ ফলত সেই নাৰীৰ চুলিৰ বিশেষ গোন্ধ এতিয়াও ৰমেনৰ গাত লাগি আছে। ৰমেনৰ গালৰ ওপৰৰ ফালে লাগি থকা অস্পষ্ট সেন্দুৰৰ দাগে মহেশক নিৰ্লজ্জভাৱে বিদ্ৰূপ কৰি উঠিল। মহেশে ৰমেনৰ মূৰটো পাকমাৰি ছিঙি বাটৰ কাষত দলি মাৰি পেলাই দিলে। নাই, এই ধৰণৰ দুৰ্বল ইচ্ছা এটা মহেশৰ মনত খেলি গ'ল মাত্ৰ। কিন্তু তাৰ হাত দুখন বৰ দুৰ্বল আৰু অৱশ হৈ পৰিছে। এই দুৰ্বল হাতেৰে ৰমেনক সাৱটি ধৰি সি নিজৰ ভাৰসাম্য ঠিক কৰি ল'বৰ চেষ্টা কৰিলে।

আড্ডা বহিছে। মহেশে মাজে মাজে চোৰাংকৈ ৰমেনৰ ফালে চাই আছে। ৰমেন তাৰ বন্ধু, ঘনিষ্ঠতম বন্ধু। ৰমেনে কিয় এনেকুৱা কৰিলে? ব্যভিচাৰৰ ধৰ্মীয় অনুশাসনৰ কথা বাদকে দিয়া বাৰু। কিন্তু বিশ্বাস আৰু নিৰ্ভৰতাৰ কথাৰ কি হ'ব? ৰমেনে যদি সুবিধা পালে বুলিয়েই বন্ধুপত্নীৰ লোভ চম্ভালিব নোৱাৰে, তেনেহ'লে সিতো তাৰ লোভ চৰিতাৰ্থ কৰাৰ কাৰণে বিনা দ্বিধাই মহেশৰ সকলো ধৰণৰ ক্ষতি কৰিব পাৰে। এইটো হ'ল ৰুচিৰ কথা, অলিখিত অনুশাসনৰ কথা।

মহেশ কাৰ্তিক নহয়। কোনোৰকম দৃশ্য অৱতাৰণা কৰাৰ শক্তি তাৰ নাই। চোৰাংকৈ সি মাজে মাজে ৰমেনৰ ফালে চাই আছে। একেলগে গৈ থাকোঁতে হঠাতে তাক চলন্ত ট্ৰাক এখনৰ তলত ঠেলামাৰি পেলাই দিলে কেনেকুৱা হয়। অথবা ধৰা....।

আড্ডাত আকৌ কাৰ্তিকৰ কথা ওলাইছে। "আৰে ধেৎ, আৰে ধেৎ।" সকলোৰে বিতৃষ্ণা প্ৰকাশ কৰিলে। মহানন্দই মাজতে মাত দিলে, "খুবতো ধেৎ, ধেৎ কৰি আছা। কিনো কৰিব লাগিছিল তাৰ? পৰিবাৰক কাটি নিজে ফাঁচী যাব লাগিছিল নেকি? তেনেকুৱা কৰিলে

তোমালোক সন্তুষ্ট হ'লাহেঁতেন নেকি? গতানুগতিক জীৱনত চাঞ্চল্য এটাৰ সৃষ্টি নকৰি সি তোমালোকক বৰ হতাশ কৰিছে, নহয়?"

হঠাতে মহেশক সুধিলে, "তুমি হ'লে কি কৰিলাহেঁতেন?"

মহেশে থতমত খাই ক'লে, "মই? মোক কিয় কৈছা এইবোৰ কথা?"

"এনেয়ে সুধিছোঁ। তুমি হ'লে নো কি কৰিলাহেঁতেন?"

মহেশৰ গোটেই শৰীৰ খঙতে জ্বলি উঠিল। হঠাতে সি ইমান উত্তেজিত হৈ পৰিল যে তাৰ কপালত তৎক্ষণাৎ ঘামৰ টোপাল বিৰিঙি উঠিল। অদম্য উত্তেজনাত দাঁতত দাঁত চেপি থোকাথুকি মাতেৰে সি ক'লে, "মই? মই হ'লে দুয়োটাকে কাটি দুডোখৰ দুডোখৰ কৰি বাটত দলিমাৰি পেলাই দিলোঁহেঁতেন।"

মহানন্দই স্থিৰ দৃষ্টিৰে তাৰ ফালে চাই ক'লে, "নাটক বাদ দিয়া। দুডোখৰ কৰিলাহেঁতেন। কিহেৰে দুডোখৰ কৰাহে? তুমি লগত তৰোৱাল এখন লৈ ফুৰা নেকি? দা-চা গোটাই অনালৈকে দুয়োটা দুডোখৰ হোৱাৰ কাৰণে বাট চাই বহি থাকিব, নহয়।"

উপস্থিত সকলোৱে অস্বস্তি বোধ কৰিছে। পিছে কোনোৱে একো মাতিবলৈ নাপাওঁতেই মহেশে মহানন্দক আক্ৰমণ কৰিলে। "অসভ্যতাৰ এটা সীমা আছে। ধেমালিৰ এটা মাত্ৰা আছে।"

নিজৰ পৰিবাৰৰ প্ৰতি অভদ্ৰ ইঙ্গিত কৰিলে সেইজন অসভ্য মানুহক 'চায়েস্তা' কৰাৰ অধিকাৰ সকলোৰে আছে। এই কথা লৈ অপৰাধীক হত্যা কৰিলে আইনত দোষী হ'লেও অগৌৰৱ একো নাই। পিছে খালী হাতে ইমানবোৰ মানুহৰ উপস্থিতিত কাৰোবাক হত্যা কৰা সহজ নহয়।

ৰমেনেই মহেশক সাৱট মাৰি টানি আনিলে।

"কি কৰিছ এইবোৰ?"

মহেশে তাকেই সাক্ষী মানিলে, "চাচোন এইবোৰ কি ধৰণৰ ঠাট্টা।"

"বাদ দে, বাদ দে।"

মহেশে থমথমকৈ বহি থাকিল। মহানন্দই অদ্ভুত দৃষ্টিৰে তাৰ ফালে চাই ৰ'ল।

ৰমেনে চিগাৰেট বাহিৰ কৰি মহেশকো এটা দিলে। মহেশে চিগাৰেটত টান এটা মাৰিয়েই খক্‌খক্‌কৈ কাহ মাৰি উঠিল। চিগাৰেটটো দলিয়াই পেলাই ৰমেনক ক'লে, "বল যাওঁ। যাবি নেকি আমাৰ ঘৰৰ ফালে? বল?" দুয়োটা ওলাই গ'ল। মহেশৰ বিশ্বাস তাৰ আৰু ৰমেনৰ মাজত যে কিবা থাকিব পাৰে, এই কথা পৃথিৱীৰ কাৰো জনাৰ সাধ্য নাই।

# তুচ্ছ ঘটনা

অলপতে মোৰ বন্ধু এজনে ভাল উদ্দেশ্য লৈয়েই মোক কৈছিল, "তোমাৰ বৰ বদনাম হৈছেহে। আজিকালি তুমি হেনো পেনপেনীয়া আবেগসৰ্বস্ব গল্প লিখিবলৈ আৰম্ভ কৰিছা।"

কথাষাৰ মই মিছা বুলি নকওঁ। পিছে উপায় নাই। মোৰ লিখা মোৰ মানসিক পৰিধিৰ মাজতে সীমাবদ্ধ। জীৱনৰ সৰহখিনি সময় আমি তুচ্ছ কথা লৈয়েই ব্যস্ত থাকোঁ। ডাঙৰ ঘটনা আমাৰ জীৱনত সতকাই নঘটে। ভাত খোৱা, মাছ খোৱা এই লৈয়েই আমাৰ কাৰবাৰ।

মেজাজটো বেয়া হৈ আছিল। (তাৰো কাৰণ অতি তুচ্ছ।) পাত্ৰই কৈছিল, "দাসে কৈছে আপুনি হেনো খুব হুচিয়াৰ মানুহ।" কোনোবাই হুচিয়াৰ মানুহ বুলি উল্লেখ কৰিলে মেজাজ বেয়া হোৱাৰ কাৰণ নাই। কিন্তু হৈছে। অকাৰণে পৰিবাৰক ডাবি দি উঠিলোঁ, "কি অবান্তৰ কথাবোৰ কৈ থাকাহে। পুতুলৰ গোঁফ আছে নে নাই সেই কথা তোমাক কিয় লাগে?"

"নহয়, হঠাতে মনত পৰিল। সদায় দেখি আছোঁ অথচ এই কথাষাৰ মন কৰা নাই। এই সামান্য কথাটোৱেই নাজানো।"

"জনাৰ একো দৰকাৰ নাই। ৰাজ্যৰ অদৰকাৰী কথাবোৰ কিবা লেপলেপাই থাকা।"

"ঠিক আছে। আজিৰপৰা দৰকাৰ নহ'লে যদি একাষাৰ কথা কওঁ তেনেহলে মোৰ নামেৰে কুকুৰ পুহিব?" ইয়ো এক অপ্ৰয়োজনীয় কথা। মই কুকুৰৰ ভক্ত নহওঁ, কুকুৰ পোহাৰ মোৰ চখো নাই। কথা হ'ল, বিনা প্ৰয়োজনে কথা নাপাতোঁ বুলি স্থিৰ কৰিলে দিনটো পৰিবাৰক এষাৰ মাত নিদিলেও দেখোন সংসাৰ সুকলমে চলি যাব।

যুক্তি, বুদ্ধি এইবোৰ আপেক্ষিক শব্দ। আচলতে কিছুমান স্বতঃসিদ্ধৰ ওপৰত ভিত্তি কৰি আমি এক জটিল জীৱন দৰ্শন গঢ়ি তোলোঁ। মূল কথা কিছুমানক সত্য বুলি ধৰি লওঁ। এইবোৰ কথাত হ'লে যুক্তিৰ প্ৰয়োজন নাই। যুক্তিৰ প্ৰয়োগ তাৰ পিছত। কিছুমান মহান ব্যক্তিয়ে যেতিয়া বিধবা বিবাহ প্ৰচলন কৰিবলৈ প্ৰয়াস কৰিছিল, তেতিয়া তেওঁলোকে শাস্ত্ৰ ঘাটি শাস্ত্ৰৰ উদ্ধৃতি দি এই কাৰ্য সমৰ্থন কৰিছিল। তেওঁলোকৰ যথেষ্ট সাহস আছিল বুলি মানি ল'লেও ক'ব লাগিব যে তেওঁলোকৰ সাহসো আছিল সীমাবদ্ধ। বাল-বিধবাৰ পুনৰ্বিবাহ হ'ব লাগে, যুক্তি আৰু বুদ্ধিয়ে এই কাৰ্য সমৰ্থন কৰে, শাস্ত্ৰত এই কাৰ্যৰ সমৰ্থন নাথাকিলেও ক্ষতি নাই।

যুক্তি ফুক্তি বাজে কথা। কথোপকথনত কেতিয়াবা এনেকুৱা অৱস্থাত পৰা নাই নেকি?

"কিয় নকৰিবা? কাৰণ কি?"

"একো কাৰণ নাই। মোৰ ইচ্ছা।"

এইটোৱেই হ'ল আচল কথা। অর্থাৎ 'মোৰ ইচ্ছা'; এইটোৱেই হ'ল প্ৰধান কথা।

ডাঙৰ কাম, ডাঙৰ তত্ত্ব লৈ যিসকলে ব্যস্ত হৈ থাকে তেওঁলোকৰ কথা বেলেগ। তেওঁলোক ডাঙৰ মানুহ, নমস্য ব্যক্তি। আমি সৰু-সুৰা সাধাৰণ মানুহ। সৰু-সুৰা সাধাৰণ ঘটনা লৈয়েই আমাৰ চৌবিছ ঘন্টা সময় কাটি যায়। সৰু-সুৰা আনন্দ, সৰু-সুৰা ক্ষোভ, সৰু-সুৰা বিৰক্তি এই লৈয়েই আমাৰ জীৱন।

চাৰি বজাত বাছ। পিছৰ বাছ ছয় বজাত। যোগেন বৰুৱাৰ ঘৰৰ আগেদি যাওঁতে তেওঁলোকৰ ঘৰত সোমালোঁ। হাতত কিছু সময় আছে, মাত লগাই যাওঁ। বহুত দিন লগ পোৱা নাই। বচ, লাগিল লেঠা।

বৰুৱাক ঠেলা মাৰি বগৰাই ওলাই আহিব পাৰিলোঁ হয়। বৰুৱাতকৈ মোৰ শক্তি কম নহয়। কিন্তু উপায় নাই। বৰুৱাই চাহ নুখুওৱাকৈ নেৰে।

"ইমান দিনৰ মূৰত আহিছে। চাহ একাপ নোখোৱাকৈ যাব নোৱাৰে।"

"অইন এদিন খাম। আজি বাদ দিয়ক। বাছৰ সময় হলেই।"

"হ'ব, হ'ব। চাহ একাপ খাওঁতে নো কিমান সময় লাগে? বহকচোন, বহক। এতিয়াই হৈ যাব।"

বহিলোঁ। বৰুৱা ভিতৰলৈ গ'ল। কাম কৰা ল'ৰাজন সাউৎকৰে ওলাই গ'ল। বোন্দাপৰ দি বহি ৰ'লোঁ। চাৰি বাজিবৰ হ'লেই। মোৰ অস্বস্তি, পৰিবাৰৰ মুখ গম্ভীৰ। বৰুৱা আহি বহিল। ছেগাচোৰোকা কথোপকথন। কৰ্পোৰেশ্বনৰ চেয়াৰমেন কোন হ'ব সেই লৈ নিস্পৃহ গৱেষণা। বস্তুৰ মূল্য বৃদ্ধি সম্বন্ধে ক্ষোভ। জনা প্ৰশ্ন, জনা উত্তৰ। মোৰ অস্বস্তিৰ ভাব নাইকিয়া হ'ল। চাৰি বজাৰ বাছ পোৱাৰ আৰু কোনো সম্ভাৱনা নাই। চাৰে চাৰি বজাত থিন এৰাৰুট বিস্কুটৰ সৈতে চাহ খালোঁ। ছয় বজাৰ আগতে বাছ নাই। এতিয়া আৰু ব্যস্ততাৰ প্ৰয়োজন নাই।

মস্কিল হ'ল বৰুৱাইতে গধূলি চিনেমা চাবলৈ যাব, আগতীয়াকৈ টিকট কাটি থৈছে। তেওঁলোকৰ ওলাবৰ হ'লেই। বৰুৱা ভয়ানক অপ্ৰস্তুত।

"বুজিছে, মোৰ নিজৰ হ'লে চিনেমা চাবলৈ অলপো ভাল নালাগে। অলপ পৰ চোৱাৰ পিছতেই কিবা বিৰক্তি লাগি যায়। আজিকালিৰ এইবোৰ চিনেমানে? ডেকাকালত ভাল ভাল চিনেমা চাই আজিকালিৰ এইবোৰ চিনেমা চাব নোৱাৰা হৈছোঁ। মনত আছে? কলিকতাত আপোনাৰ লগত একেলগে 'গন উইথ দ্য উইণ্ড' চাইছিলোঁ। এওঁৰ অত্যাচাৰত ৰক্ষা নাই। মই কওঁ, চোৱা না তুমি, কিমান চিনেমা চাবা। মোক লৈ কিয় টনা আজোৰা? কথা নুশুনে। হেঃ, হেঃ।"

বৰুৱাই হাঁহিলে। ময়ো হাঁহিলোঁ। পৰিবাৰক উদগনি দিবলৈ তেওঁৰ ফালেও চালোঁ। তেওঁ নাহাঁহিলে, তৎক্ষণাৎ উঠি থিয় দিলে। মোক ক'লে, "ব'লা।"

"চিটী বাছেৰে মালিগাৱঁলৈ আহিলোঁ। তাত ৰখি ৰখি বহু সময়ৰ মূৰতহে এখন অ'টোৰিক্সা পালোঁ। ছয় বজাৰ বাছখনৰ লগত একে সময়তে ঘৰ পালোঁ।

আপোনালোকে বিনা দ্বিধাই বৰুৱা আৰু মোৰ ভূমিকা সলনি কৰি ল'ব পাৰে। তাৰ ফলত

উক্ত আখ্যানৰ সত্যতা ব্যাহত নহ'ব। বক্তা আৰু মোৰ মাজত কিবা পাৰ্থক্য আছে বুলি মই বিশ্বাস নকৰোঁ।

আকৌ ঠিক এটা বিপৰীত পৰিস্থিতিলৈ মন কৰক। কিছুদিন আগতে লক্ষ্মীবাইৰ ছোৱালী ৰাণু আমাৰ ইয়ালৈ আহিছিল। গুৱাহাটীলৈ আহিছে যেতিয়া আমাক এবাৰ মাত লগাই যোৱাৰ ইচ্ছা। পেহীয়েকৰ ডাক্তৰী পঢ়ি থকা ল'ৰা অমলক খাতিৰ কৰি গধূলি আমাৰ ঘৰত ওলালহি।

লক্ষ্মীবাই মোৰ নিজা বাই নহয়। তেনেকৈ চাবলৈ গ'লে একো সম্বন্ধই নাই। হ'লে কি হ'ব? নিজৰ বাইতকৈ কোনো গুণে তেওঁ কম নাছিল। বিয়াৰ ঠিক পিছতেই আগৰ কামটো এৰি দি মহা বিপাঙত পৰিছিলোঁ। কাম বিচাৰি শ্বিলঙলৈ গৈ পৰিবাৰৰ ককায়েকৰ ঘৰত উঠিছিলোঁ। কবিত্ব কৰি পৰিবাৰকো লগত লৈ গৈছিলোঁ। কবিত্ব ক'ৰবাত গ'ল। জেঠেৰিৰ ঘৰত ঠাইৰ অভাৱ। পৰিবাৰে শোৱে ভিতৰত ৰাজহুৱাভাৱে, মই থাকোঁ ড্ৰইং ৰুমত। অকলে থাকিলেও কথা নাছিল। লগতে থাকে দ্বিতীয়জন আলহী জেঠেৰিৰ শ্বাসৰোগী খুৰা শহুৰেক। চমৎকাৰ পৰিস্থিতি। মাজৰাতি খুৰা শহুৰেকে হাত দুখনত ভৰ দি বিছনাত বহি লৈ মোৰ ফালে ক্ৰুদ্ধ দৃষ্টি নিবদ্ধ কৰি ক্ৰমাগত শ্বাস টানি থাকে।

লক্ষ্মীবাই তেতিয়া শ্বিলঙত আছিল। তেওঁ প্ৰায়েই আমাক দুয়োকে ৰাতি খাবলৈ মাতিছিল আৰু ৰাতিটো তাতেই ৰাখিছিল।

"এই ৰাতিখন আৰু ক'ত যাবি। সিফালৰ কোঠাটো খালি পৰি আছে। তাতেই দুয়ো শুই থাক।"

অতি তুচ্ছ ঘটনা। আজি মই নিজেই ঘটনাৰ গুৰুত্ব উপলব্ধি কৰিব নোৱাৰোঁ। তেতিয়া পিছে কথা আছিল বেলেগ।

লক্ষ্মীবাই নাই, তেওঁলোকৰ লগত যোগাযোগো নাই। ৰাণু অহাত ভাল পালোঁ।

সুধিলোঁ, "কিবা কাম কৰি আছ নেকি?"

"হয়। তাৰে স্কুলখনত সোমাইছোঁ।"

"স্কুলত? বাৰু, তই ফাৰ্ষ্ট ক্লাছ পোৱা নাছিলি?"

"পালে কি হ'ব?"

সঁচাই ভাল লাগিছে। সৰুৰপৰাই লগ পাইছোঁ। মোক নিজৰ মোমায়েকৰ দৰে দেখে। খুব ভাল লাগিছে।

আমাৰ ইয়াৰপৰা শেষ বাছখন যায় ৰাতি আঠ বজাত। তাৰ পিছত আৰু বাছ নাই। এই বাছখনত যাব নোৱাৰিলে তাই বৰ জুলুমত পৰিব। অইন কিবা যান-বাহন যে পাব তাৰো কোনো সম্ভাৱনা নাই। ময়েই খৰধৰ কৰি নিজেই লগত লৈ আগে ভাগে বাছত তুলি দিলোঁ। অমলক কৌতুকৰ দৃষ্টিৰে দুই এবাৰ ৰাণুৰ ফালে চোৱা লক্ষ্য কৰিলোঁ। বায়েকৰ লগত কিবা খেমেলীয়া কথা আছে বুলি ভাবিলোঁ।

পিছতহে কিবাকে কাৰণটো জানিলোঁ। এইবোৰ খবৰ কাণত পেলাই দিয়া মানুহ ওলায়েই। মোৰ ইয়ালৈ অহাৰ আগতে ৰাণুই হেনো পেহীয়েকৰ ঘৰত কৈছিল, "আজি আৰু ক'ত

আহিব পাৰিম। ইমান দিনৰ মূৰত মামাৰ তালৈ যাম। মামাই ক'ত এৰি দিব?"

বেচেৰী।

# ব্যৱধান

দুজন সম্পূৰ্ণ অচিনাকি মানুহ। গাত গা লগাই দোকানত বস্তু কিনিছে, চিটি বাছত ওচৰা-উচৰিকৈ বহি পাণবজাৰৰপৰা চানমাৰিলৈ গৈছে, কিন্তু কোনেও কাকো চিনি নাপায়। অচিনাকিয়েই নহয়, অচিনাকিতকৈও বেছি। পৰস্পৰক ক'বলগীয়া কোনো কথাই নাই।

বহা কোঠাৰ এফালে বহি ৰমলা চৌধুৰীয়ে নিবিষ্ট মনে এখন উলৰ স্কাৰ্ফ গুঠি আছে আৰু কোঠাৰ আনটো ফালে চোফাখনত বহি সৰোজ চৌধুৰীয়ে উচপিচাই আছে। ক'বলগীয়া কোনো কথাই নাই। কিবা বাক্য এটা ক'বলৈ যোৱাৰ লগে লগে ভাব হয় যে অবান্তৰ আৰু অপ্ৰয়োজনীয় কথা। "আগবেলা বৰষুণ দিয়াত আজি বেছ ঠাণ্ডা পৰিছে, নহয়?" একেবাৰে অপ্ৰয়োজনীয় বাক্য। ক'বলগীয়া কথাই নহয়। ঠাণ্ডা বুলি আনজনেও গম পাইছে। ক'ব লাগিছে কিয়? সম্পূৰ্ণ অপ্ৰয়োজনীয় কথা।

কিন্তু, হয় কিন্তু। এসময়ত কথাৰ শেষ নাছিল। ঘণ্টাৰ পিছত ঘণ্টা সময় কেনেকৈ পাৰ হৈ গৈছিল কোনেও ক'ব নোৱাৰিছিল। আলোচনাৰ বিষয় নো কি আছিল? কি এনে গভীৰ দাৰ্শনিক তত্ত্ব, জটিল ৰাজনৈতিক সমস্যা? লঘু, তৰল, অপ্ৰয়োজনীয় কথা। পিছে তেতিয়াতো অপ্ৰয়োজনীয় যেন লগা নাছিল। কিমান দিন আগৰ কথা নো?

হঠাতে ৰমলাই জাপ মাৰি উঠিছিল।

"ৰাতি কিমান হ'ল গম পাইছা? ইচ ৰাম, দহ বাজি গ'ল। কেতিয়া খাওঁ? ভাত খাব নালাগিব? গোটেই ৰাতি এনেকৈ কথা পাতি থাকিলেই পেট ভৰিব।"

"ভৰিব।"

সংযুক্ত আঙুলিবোৰ বিচ্ছিন্ন হ'বলৈ নিবিচাৰে।

"চাওঁ, এৰি দিয়া। আৰে, আৰে, কি কৰা? বাহিৰ বাৰাণ্ডাত এইবোৰ কি?"

"বাদ দিয়াহে। এই মাজৰাতিখন কোনে ইফালে চাই আছে? কাম নাই।"

যাব লাগে বুলি জানিলেও আঁতৰি যোৱা টান। অলপ সময়ৰ কাৰণে আঁতৰিব লাগিলে ছিণ্ডি যোৱা যেন লাগে। দুয়োৰে বেলেগ সত্তা গলি গৈ গোট মাৰি যেন একাকাৰ হৈ গৈছে।

সংযোগকাৰী কৰাল শুকাই গৈছে, বন্ধন শিথিল হৈ পৰিছে। দুয়ো পৰস্পৰৰপৰা আঁতৰি গৈছে, অজ্ঞাতসাৰে, লাহে লাহে, কোনেও ক'ব নোৱাৰাকৈ। সৰোজ চৌধুৰীয়ে এদিন আতংকিত হৈ উপলব্ধি কৰিলে যে সময়ৰ সোঁতত উটি গৈ তেওঁলোকে পৰস্পৰৰপৰা বহুত দূৰলৈ গুচি গৈছে। এজনে দেখিলে যে আনজন দিগন্তত, প্ৰায় বিলীয়মান অৱস্থাত। কোনেও কাকো

স্পষ্টকৈ দেখা নাপায়, কোনেও কাৰো মাত স্পষ্টকৈ নুশুনে। মাজত সীমাহীন ব্যৱধান।

প্ৰত্যেক আলসুৱা বস্তুক ৰখাৰ দৰে প্ৰেম আৰু প্ৰীতিকো নিৰন্তৰ আলফুলকৈ ৰাখিব লাগে। অৱজ্ঞা আৰু ঔদাসীন্যত এইবোৰো মৰহি যায়।

পিছে ৰমলাই তেওঁক জোৰকৈ পঠিয়াই দিছিল। এইটোৱেইতো আৰম্ভণি। সৰোজ চৌধুৰীৰ মুখৰ চেহেৰা দেখি ৰমলাই হাঁহি দিছিল।

"চোৱাচোন চোৱা আইনাত মুখখন চোৱা। বৰ বেয়া খবৰহে এটা যেন পাইছা।"

"নাই নাযাওঁ। একো লাভ নাই। ফৰেণ ডিগ্ৰী ললে আৰু দুখন হাত গজিব নে?"

ৰমলাই জকি উঠি ক'লে, "হয়তো, খুব ভাল কথা হ'ব। মানুহে খুব শলাগিব। তিৰিক এৰি থৈ যাব নোৱাৰা কাৰণে মানুহে খুব শলাগিব। কি পত্নীভক্তি!"

"তিৰিক এৰি যোৱা কথা নহয়হে। একো লাভ নাই। দেখিছোঁ নহয় বিলাত ফিৰং পণ্ডিতবোৰক। ইয়ো এক ধৰণৰ স্নবাৰী। অইন একো নাই।"

"হ'ব দিয়া, মোক বুজাবলৈ নাহিবা। অইনৰ আগত কবা। মই তোমাৰ মনৰ কথা নাজানো? কাক কি কৈছা?"

এইয়েই আৰম্ভণি। ৰমলাই তেওঁক ওপৰৰ পিনে ঠেলি দিলে। হয়তো নিস্বাৰ্থ প্ৰেম, অন্তহীন শুভ কামনা, হয়তো সৰোজৰ লগত নিজেও ওপৰলৈ উঠাৰ সপোন। কিন্তু কিবাকৈ বন্ধন-ৰজ্জু ছিঙি গ'ল। ৰমলাই অসহায়ভাৱে দেখিলে যে সৰোজ ওপৰলৈ উঠি গ'ল, আৰু ওপৰলৈ; তেওঁ শূন্য প্ৰান্তৰত অসহায়ভাৱে অকলশৰীয়া হৈ পৰি ৰ'ল।

এতিয়া সৰোজ চৌধুৰী এজন ডাঙৰ মানুহ। তেওঁ বহুতো বিদগ্ধ সমিতিৰ সভ্য, সৰ্বভাৰতীয় প্ৰতিষ্ঠানৰ সভাপতি। সকলো দেশতে আৰু সকলো সমাজতে তেওঁৰ বন্ধু আৰু গুণগ্ৰাহী ভক্ত। ডঃ জে. ৰিচাৰ্ডশ্বন, লুই মলৰোঁ, এছ. মালহোত্ৰা, ভি. নায়াৰ। ৰমলা চৌধুৰীয়ে গৰ্ব বোধ কৰিব পাৰে।

এই আটাইবোৰৰে এক মাদকতা আছে। এক আত্মতৃপ্তিৰ মণ্ডলে সৰোজ চৌধুৰীক আবৰি ৰাখে। ৰমলা বৰ ভাল ছোৱালী, সঁচাকৈ বৰ ভাল ছোৱালী। যদিও ৰমলা দুজনী ছোৱালীৰ মাক তথাপি ৰমলাৰ কথা চিন্তা কৰিলে চিন্তাত চৌধুৰীয়ে তেওঁক ছোৱালী বুলিয়েই উল্লেখ কৰে। সদায় নেপথ্যত থাকি স্বামীৰ মংগলৰ হকে জীয়াই আছে। আদৰ্শ হিন্দু গৃহিণী। ৰমলাৰ উৎসাহ পাইহে চৌধুৰীৰ এই উন্নতি। অন্তৰংগ বন্ধু-বান্ধৱৰ আগত তেওঁ নিঃসঙ্কোচে এই কথা স্বীকাৰ কৰে। তেওঁৰ বন্ধুবোৰে হাঁহে। মুখৰ আগত নকলেও সৰোজ চৌধুৰীক স্ত্ৰৈণ বুলিয়েই ভাবে। ৰমলা বৰ ভাল ছোৱালী, সঁচাই বৰ ভাল ছোৱালী। সকলোৱে তেওঁক ভাল পায়। তেওঁৰ সৰলতা, আতিথেয়তা, অমায়িক ব্যৱহাৰ আৰু নিজকে আঁৰ কৰি ৰখা স্বভাৱৰ কাৰণে সকলোৱে তেওঁক ভাল পায়। সৰোজ চৌধুৰীৰ বন্ধুবোৰে অজ্ঞাতে হুমুনিয়াহ কাঢ়ে। নহ'ব কিয়? কপাল। কপাল ভাল চৌধুৰীৰ। এনেকুৱা পৰিবাৰ পোৱা ভাগ্যৰ কথা। চৌধুৰীয়ে পৰিবাৰৰ প্ৰশংসা নকৰিব কিয়?

কিন্তু কি অনতিক্ৰম্য দূৰত্ব? একেটা কোঠাত বহি থাকিও সৰোজ চৌধুৰীয়ে ৰমলা চৌধুৰীৰ

ওচৰ চাপি আহিব পৰা নাই। বহাগ বিহু। ছোৱালী দুজনীক আইতাকে লৈ গৈছে। ভক্ত আৰু ভাবকৰ সমাবেশ নাই। সৰোজ চৌধুৰী কোঠাৰ এক ফালে আৰু ৰমলা চৌধুৰী আনফালে। মাজত কেইফুটমানৰ নহয়, কেইবাখনো মহাদেশৰ ব্যৱধান। চৌধুৰীয়ে ৰমলাৰ ফালে চালে। তেওঁ নিবিষ্টমনে স্কাৰ্ফ গুঠি আছে। সৰোজ চৌধুৰী যে কোঠাত আছে সেই কথাও তেওঁ যেন ক'ব নোৱাৰে।

সৰোজ চৌধুৰী আপেক্ষিকভাৱে খুব কম বয়সতে উপাচাৰ্য হৈছে। এইটো খুব ডাঙৰ কথা নহয়। সকলোৱে জানে যে তেওঁ আৰু বহু ওপৰলৈ উঠিব। ইতিমধ্যে তেওঁ বহুতো গুৰুত্বপূৰ্ণ সমিতিৰ সভ্য মনোনীত হৈছে।

আজিকালি কাচিৎহে তেওঁ বাটত এনেয়ে ফুৰিবলৈ ওলায়। ওলোৱা দিগদাৰীও। কেইখোজমান দিয়াৰ লগে লগে এপাল মানুহ লগ্নি যায়। সকলোবোৰৰ সংগ বাঞ্ছনীয় নহয়। অকলে নিশ্চিন্তমনে ফুৰাৰ উপায় নাই। তেওঁ আজিকালি কেম্পাচৰ বাটত ফুৰিবলৈ নোলায়। তদুপৰি সময়ো নাই।

বহুত দিনৰ মূৰত তেওঁ বাটত ওলাই গ'ল। বিহু কাৰণে বোধহয়, বাটত মানুহ দুনুহ বিশেষ নাই। বাছ ৰখা ঠাইত কিছুমান মানুহ ৰখি আছে। সংগত কাৰণত সৰোজ চৌধুৰীয়ে বাটেৰে গৈ থাকোঁতে আজিকালি মানুহৰ মুখৰ ফালে নাচায়। কিন্তু তেওঁৰ চকুত পৰিল যে পৰিবাৰ আৰু ল'ৰা-ছোৱালীকেইটাক লৈ শ্ৰীকান্ত দত্তই বাছষ্টেশুত বাছৰ কাৰণে ৰখি আছে। দত্ত চৌধুৰীৰ সমনীয়া, দুয়ো একে বছৰতে মেট্ৰিক পাছ কৰিছে। ইমান দিনৰ মূৰত এই সিদিনাহে দত্ত ৰীডাৰ হৈছে, সেইয়াও সম্ভৱ হৈছে চৌধুৰীয়ে বিশেষ আগ্ৰহ দেখুৱাইছে কাৰণেহে।

চৌধুৰীয়ে ভালকৈ জানে যে তেওঁ নামাতিলে দত্তই আগধৰি কেতিয়াও তেওঁক নামাতে।

"ক'ত যায়, দত্ত?"

"বিহুতলীৰপৰা এপাক মাৰি আহোঁ।"

"বাছত ভিৰ নহ'ব?"

"হ'লেও কিবাকৈ যাব লাগিব।"

"ৰাতি উভতিব কেনেকৈ?"

"বাৰ বজাত স্পেচিয়েল বাছ এখন দিব বুলি শুনিছোঁ। নহ'লে অ'টো-চটো কিবা এখন লৈ আহিব লাগিব।"

এনেতে সিফালৰপৰা বাছ এখন আহি পালে। তিল ধাৰণৰ ঠাই নাই। বাছ ৰখাৰ লগে লগে শ্ৰীকান্ত দত্তই দুৱাৰমুখত জপিয়াই পৰিল। ক'ত উঠিব? অসম্ভৱ। তেওঁ উঠিলেও ল'ৰা-ছোৱালীবোৰ? কোলাত কেচুৱা লৈ তেওঁৰ পৰিবাৰ? চৌধুৰীয়ে মুখ মেলি থৰ লাগি চাই ৰ'ল। বাছখন যোৱাতহে তেওঁৰ সম্বিত আহিল। বাছষ্টেশুত কোনো নাই। শ্ৰীকান্ত দত্ত নাই তেওঁৰ পৰিবাৰো নাই, ল'ৰা-ছোৱালীৰ এজনো বৈ থকা নাই।

হঠাতে সৰোজ চৌধুৰীৰ মনত এটা অস্পষ্ট শূন্যতাৰ ভাব আহি গ'ল। এটা যুক্তিহীন অভাববোধ। এই অতৃপ্তিৰ কোনো কাৰণ নাই। জীৱনত আৰু নো তেওঁ কি বিচাৰে? মানুহে

কয় "মিটিয়ৰিক ৰাইজ," উল্কাৰ দৰে উন্নতি। কথাষাৰ মিছা নহয়। সুখ-শান্তিপূৰ্ণ সংসাৰ। মৰম লগা ছোৱালী, সেৱাপৰায়ণ পৰিবাৰ। কোনো অভিযোগ নাই, অশান্তি নাই। আৰু নো কি লাগে?

ৰাতিপুৱা গা-পা ধুই ৰমলা সৰোজ চৌধুৰীৰ ওচৰত থিয় হ'ল।

"চাওঁ, থিয় হোৱাচোন।"

"এ্যাঃ?"

ৰমলাই নতুন গামোচা এখন হাতত লৈ চৌধুৰীৰ ওচৰত থিয় হৈ আছে। গামোচাখন চৌধুৰীৰ হাতত দি ৰমলাই আঠু কাঢি তেওঁক সেৱা কৰিলে।

ৰমলা চৌধুৰীৰ প্ৰতিটো ভংগী নিখুঁত আৰু শুদ্ধ। সৰোজৰ সুখ-স্বাচ্ছন্দ্যৰ প্ৰতি সদা জাগ্ৰত দৃষ্টি। নাই, চৌধুৰীৰ অভাৱবোধৰ কোনো সংগত কাৰণ নাই।

কেম্পাচ নিৰ্জন। সকলোৱে বিহু চাবলৈ গৈছে। চৌধুৰী ঘৰলৈ উভতি আহিল। ৰমলা চৌধুৰীয়ে নিবিষ্টমনে স্কাৰ্ফ গুঠি আছে।

চৌধুৰীয়ে ক'লে, "ব'লা, এপাক ঘূৰি আহোঁ।"

"ক'ৰপৰা?"

ৰমলাই প্ৰশ্নসূচক দৃষ্টিৰে তেওঁৰ ফালে চালে।

'নোসোমাওঁ, বিহুতলীৰ আগেদি গাড়ীৰে এনেয়ে এপাক ঘূৰি আহিম।"

"নাঃ।"

উত্তৰ দিওঁতে ৰমলাৰ মুখত কান্দোনৰ চিন ফুটি উঠিছে নেকি? নহয়, চৌধুৰীৰ ভ্ৰম। ৰমলা চৌধুৰীৰ মুখৰ ভাব শান্ত আৰু  সংযত। কিন্তু সৰোজ চৌধুৰীয়ে জানে যে ৰমলা চৌধুৰীৰ এই সিদ্ধান্ত অপৰিবৰ্তনীয়।

# পতন উত্থান বন্ধুৰ পন্থা

সুনীল ড্ৰাইভাৰে কয়, "এইবোৰ ভাবি-চিন্তি একো লাভ নাই। আচল কথা হ'ল কপাল, মানে ফোৰহেড। ফোৰহেডত থাকিলে হ'বই, ফোৰহেডত নাথাকিলে নহয়।"

"সেইবুলি চেষ্টা-নকৰাকৈ হাত সাৱটি বহি থাকিলে হ'ব নে?"

"ফোৰহেডত থাকিলে নিজৰপৰাই চেষ্টা কৰিব নহয়।"

সুনীলে কপালৰ কথা ক'ব পাৰে। কপাল নহয় কি? তাৰ দেউতাক আছিল মেঞ্জাৰ। মাটি-বাৰী, ঘৰ-দুৱাৰ তেঁৱেই কৰিছিল। হঠাতে মৰি থাকিল। খুৰাকহঁতে মাটি-বাৰী দখল কৰিলে। বাপেকে দিয়া কুৱাঁৰপৰা মাকক পানীখিনি আনিবলৈও নিদিয়ে। ককায়েক বিপিনে বাটে-পথে বক্তৃতা দি ঘূৰি ফুৰে। মাজে মাজে খুৰাকহঁতৰ ঘৰত জুই লগাই দিয়াৰ চেষ্টা কৰে, সকলোৱে ধৰি বান্ধি গৰুপিটা দিয়ে। ভ্ৰূক্ষেপ নাই। মাৰ খোৱাৰ অলপ পিছত আকৌ চিঞৰিবলৈ আৰম্ভ কৰে, "জ্বলা দেও, দুনিয়া জ্বলা দেওঁ।"

পবিত্ৰ চক্ৰবৰ্তীয়ে বক্সীৰহাট লাইনত বাছ চলায়। হেজাৰ হেজাৰ যাত্ৰী কঢ়িয়ায়। তাৰ বাছৰ কেইঘনফুটমান ঠাইত কত ৰকমৰ মানুহ ঠাহ খাই অহা-যোৱা কৰে। চোৰ, হত্যাকাৰী, সাধু আৰু ধাৰ্মিক। বিদ্বান, জ্ঞানী আৰু মূৰ্খ। ভাল আৰু বেয়া। প্ৰত্যেকে একো একোটা উদ্দেশ্য লৈ নিৰন্তৰ গৈ আছে, আহি আছে। প্ৰত্যেকে নিজ নিজ ঠাইত নিৰ্বিকাৰভাৱে বহি আছে, কিন্তু কাৰ মনত কি ধুমুহাৰ তাণ্ডৱ চলি আছে, কোনে ক'ব পাৰে? বুঢ়া মানুহ এজন ইমানপৰে বেছ মনে মনে বহি আছিল। মুছলমান মানুহ—পকা ডাঢ়ি, শান্ত মুখৰ ভাব। গোলকগঞ্জৰ ওচৰ পাই হঠাতে তেওঁ হাহাঁকাৰ কৰি কান্দি উঠিল। পবিত্ৰই গাড়ী ৰখাই দিলে। বুঢ়াৰ লগৰ মানুহজন বিব্ৰত হৈ পৰিল। পৰহি আহিছিল বুঢ়াই হালাকুৰাত ছোৱালীৰ খবৰ ল'বলৈ, কালি ব্ৰহ্মপুত্ৰত নাওঁ ডুবি তেওঁৰ ডাঙৰ ল'ৰাজনৰ কোনো পাত্তা নাই।

কপাল নহয় কি? পবিত্ৰই ষ্টিয়াৰিং হুইল ধৰি সমুখৰ ফালে দৃষ্টি নিবদ্ধ কৰি বাছ চলাই আছে। তেওঁৰ মনৰ মাজত শত-সহস্ৰ চিন্তাই পাকখাই ঘূৰি ফুৰিবলৈ ধৰিলে।

তেওঁ বাৰ বছৰ ধৰি এই লাইনত বাছ চলাই আছে। লাইনত তেওঁৰ সুনাম আছে। সাধাৰণতে ড্ৰাইভাৰৰ যিবোৰ দোষ আছে বুলি ধৰি লোৱা হয়, তেওঁৰ তেনেকুৱা কোনো দোষ নাই। সৎ, ভদ্ৰ আৰু দায়িত্বশীল বুলি সকলোৱে জানে। ধৰ্মানন্দ প্ৰধানীৰ ছোৱালী দুজনী ধুবুৰী কলেজত পঢ়ে। পূজাৰ বন্ধৰ পিছত প্ৰধানীয়ে খবৰ লয় পবিত্ৰই কোন সময়ত বাছ লৈ যাব। তেতিয়া হ'লে লগত অইন মানুহৰ যোৱাৰ প্ৰয়োজন নাই। পবিত্ৰক গতাই দি নিশ্চিন্ত। পবিত্ৰই ধুবুৰীত

নমাই চিনাকি ৰিক্সাৱালাক দি হোষ্টেললৈ পঠিয়াই দিব।

সুৰেশ ধুবুৰীলৈ যোৱাৰ কাৰণে আগমনীৰ বাছষ্টেণ্ডত বৈ আছিল। পবিত্ৰৰ বাছ দেখি পোনতে বাছত নুঠি সিফালেদি ঘূৰি ড্ৰাইভাৰৰ খিৰিকীখনৰ ওচৰ পালে।

"দাদা, কেতিয়া উভতি আহিব?"

"ধুবুৰীৰপৰা আঢ়ে বজাত ৰাওনা হ'ম।"

সুৰেশে প্ৰেছকিপশ্বন আৰু টকা পবিত্ৰৰ হাতত দিলে।

"পিতাৰ বৰ অসুখ। দৰবটো লৈ আহিব। মই আৰু নাযাওঁ। দিনটো যাব, ঘৰতো মানুহ নাই।"

কাৰোবাৰ দৰৱ, কাৰোবাৰ স্কুলৰ কিতাপ, জনতা ষ্টোভ এটা। আপত্তিৰ কাৰণ নাই। বাছষ্টেণ্ডৰ ওচৰতে দোকানবোৰ, লৈ আনিলেই হ'ল।

পবিত্ৰক দেখি বাটৰ কাষৰ দোকানৰপৰাই বিৰিজলালে চিঞৰিবলৈ আৰম্ভ কৰে।

"এ ভাই, এ পবিতৰ, থোৰা ঠাহৰ যাও।"

শকত মানুহ। থপথপকৈ লৰৰি আহোঁতে সময় লাগে। পবিত্ৰই যাতে বাছ এৰি নিদিয়ে। টোপোলা এটা পবিত্ৰৰ হাতত দি কয়, "এই পাঁচ হেজাৰ টকা গদীত জমা দিবা।"

লাইনত পবিত্ৰৰ এটা সুনাম আছে। প্ৰথমে অইন ড্ৰাইভাৰবোৰে তাক জোকাইছিল, বিদ্ৰূপ কৰিছিল, মিছা কথাতে কাজিয়া কৰাৰ চেষ্টা কৰিছিল। আজিকালি সকলোৱে তেওঁক মানে। কিবা সমস্যাৰ সৃষ্টি হ'লে পবিত্ৰৰ উপদেশ বিচাৰে।

সুনীল ড্ৰাইভাৰ পবিত্ৰ চক্ৰবৰ্তীৰ বাছত আহি হালাকুৰাত নামি গ'ল। আগৰপৰাই গেৰুৱা কাপোৰ পিন্ধে, কান্ধ পৰ্যন্ত ওলমি থকা দীঘল চুলি। ড্ৰাইভাৰ, হেণ্ডিমেনে 'সাধুবাবা' বুলি মাতে। বক্সীৰহাট লাইনত পূৰ্ণচন্দ্ৰ মেধিৰ বাছ চলায়।

পবিত্ৰই সুধিলে, "কি হ'ল, আজি লাইন নাই নেকি?"

"ছোড় দিয়া। দুনিয়া ঝুটা হ্যায়। ফুলমন বাবুকা ভী বোলা—পিতা ফৰেষ্ট ৰেঞ্জাৰ আছিল। তেওঁৰ ল'ৰা এজন পাগল, এজন ড্ৰাইভাৰ। মোৰ ল'ৰা হ'লে হয় পকেটমাৰ হ'ব, নহয় মানুহৰ ঘৰত সিন্ধি দিব। তেনেহ'লে?"

"কি তেনেহ'লে?"

"তেনেহ'লে খাটি-খুটি পইচা আৰ্জি কি লাভ?"

"তোমাৰ পিতাৰ এজন ল'ৰা পাগল বুলি কিয় কৈছিলা? দুয়োজনেই পাগল।"

"একদম খাটি বাৎ।"

সুনীল ড্ৰাইভাৰ সঁচাই সাধু হ'ল। হালাকুৰাৰ ওচৰত গংগাধৰ নৈৰ পাৰৰ বৰগছৰ তলত চালি এখন তুলি তাতেই আশ্ৰয় পাতিলে। পবিত্ৰই মাহেকে-পষেকে গাড়ী ৰখাই হেণ্ডিমেন বুদুৰ হাতত খোৱা বস্তু পঠিয়াই দিয়ে।

পবিত্ৰ চক্ৰবৰ্তীৰ এটা সুনাম হৈছে। এই লাইনত নিয়মিতভাৱে যোৱা মানুহে তেওঁক ভাল পায়, শ্ৰদ্ধাও কৰে। তেওঁলোকৰ কাৰোবাৰ ঘৰত বিয়া-বাৰু হ'লে তেওঁক মাতে।

প্ৰথম প্ৰথম তেওঁ সংকোচবোধ কৰিছিল, নিজকে লুকুৱাই ৰখাৰ চেষ্টা কৰিছিল। বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰপৰা পলাই ফুৰিছিল। এতিয়া আৰু ড্ৰাইভাৰ কাম কৰাৰ কাৰণে সংকোচ নাই। কিন্তু নিঃসংগ জীৱন যাপন কৰাটো তেওঁৰ অভ্যাসত পৰিণত হৈছে; মনত এটা স্থিৰতা আহিছে। প্ৰথম প্ৰথম কিছুমান কথাত বৰ পেয়া পাইছিল। তুমি বুলি সম্বোধন কৰিলে বেয়া পাইছিল। এতিয়াও কিছুমানে কয়, তুমি কিয় তই বুলিও কয়—বিশেষকৈ তলৰ খাপৰ চৰকাৰী বিষয়া যেনে পুলিচৰ চাব ইন্সপেক্টৰ, প্ৰকিওৰমেন্ট ইন্সপেক্টৰ ইত্যাদিয়ে। এতিয়া তেওঁ এইবোৰ কথাত উত্তেজিত হৈ নুঠে।

প্ৰতাপ কণ্ডাক্টৰ যাদৱৰ দৰে উচ্ছৃঙ্খল নহয়। ভদ্ৰ, মিষ্টভাষী। লাইনৰ মানুহে তাকো ভাল পায়।

"এ দাদা, এইখনু কি চাওকচোন।"

প্ৰতাপে হাতত লৈ থকা সোণৰ হাৰডালৰ পিনে চাই পবিত্ৰই নিশ্চিতভাৱে কয়, "বুজিছোঁ। আগমনীত নামি গ'ল নহয় নতুন দৰা-কইনাহাল? প্ৰধানীৰ জীয়েক আৰু জোঁৱায়েক। অলপতে বিয়া হৈছে। পাম দে, যাওঁতে তোক নমাই দিম। প্ৰধানীক মোক লগ ধৰিব কবি। বিয়াৰ পানী পৰিছে, ছোৱালীৰ গাত তত নাই।"

বুদু হেণ্ডিমেনো নাই। কিছুদিন হৈছে সিও ড্ৰাইভাৰ হৈছে। ৰতিকান্ত ৰায়ৰ টেক্সিৰ ড্ৰাইভাৰ হৈছে। আচলতে টেক্সি নহয়, প্ৰাইভেট কাৰ। টেক্সিৰ পাৰমিট নাই। ভাৰা পালে ৰতিকান্ত নিজেও লগতে যায়। যাত্ৰীক বাৰে বাৰে সকিয়াই দিয়ে, "ভাৰা লৈছোঁ বুলি নক'ব কিন্তু।"

ভাল হৈছে। বুদুৰ জীৱনৰ একমাত্ৰ আশা আছিল—সি এদিন ড্ৰাইভাৰ হ'ব অথবা কণ্ডাক্টৰ হ'ব। কাৰোবাৰ জীৱনৰ আশা হ'ল ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী হোৱাৰ, কাৰোবাৰ আশা ড্ৰাইভাৰ হোৱা। কাৰোবাৰ আশা পূৰণ হয়, কাৰোবাৰ নহয়। বুদুৰ আশা পূৰণ হ'ল। ভাল হৈছে। পবিত্ৰই ভাল পাইছে। ল'ৰাজন বেয়া নহয়। যাদৱৰ প্ৰভাৱত নষ্ট হ'বলৈ ধৰিছিল। ল'ৰা মানুহ, দোষ দিব নোৱাৰি। কুসংগত পৰি ডাঙৰ মানুহো নষ্ট হয়, সিতো সৰু ল'ৰা।

ষ্টিয়াৰিঙত ধৰি পবিত্ৰই বহুতো কথাই চিন্তা কৰে। তেওঁৰ ককাদেউতাক গগন চক্ৰৱৰ্তী আছিল উকিল। অৱশ্যে বি. এল. নহয় পি. এল.। হ'লেও প্ৰেকটিচ খুব ভাল আছিল, দুয়োহাতে পইচা উপাৰ্জন কৰিছিল। যিমান পাইছিল তাতোকৈ বেছি খৰচ কৰিছিল। আচলতে পৰিয়ালটোৰ পতন আৰম্ভ হৈছিল গগন চক্ৰৱৰ্তীৰ দিনতেই।

কেইবাজনী ছোৱালীৰ পিছত বুঢ়া বয়সত পবিত্ৰৰ পিতাকৰ জন্ম হয়। ল'ৰাক কৰি তুলিছিল একেবাৰে ৰাজপুত্ৰ। মাটিত থ'লে পৰুৱাই খায়, মূৰত থ'লে ওকণিয়ে খায়। পঢ়াত বেয়া নাছিল। কোচবিহাৰ কলেজত নাম লগাইছিল। হোষ্টেলৰ খাৱন খাব নোৱাৰি গুচি আহিল। মেট্ৰিক পাছ হ'লেও পবিত্ৰৰ দেউতাক মহিম চক্ৰৱৰ্তীয়ে ভাল ইংৰাজী লিখিব পাৰে, ক'বও পাৰে। ক'ত কি প্ৰিপজিছন বহুৱাব লাগে শুদ্ধকৈ ক'ব পাৰে। শুদ্ধ ইংৰাজী লিখিব পাৰে। এটা দোষ হ'ল তেওঁ ডাঙৰ ডাঙৰ শব্দ ব্যৱহাৰ কৰে। সেইটো অৱশ্যে তেওঁলোকৰ দিনৰ প্ৰভাৱ।

প্ৰথমে যেতিয়া পবিত্ৰই বক্সীৰহাট লাইনত শশী দত্তৰ বাছ 'যোগমায়া' চলাবলৈ আৰম্ভ

কৰে তেতিয়া বাছৰ কণ্ডাক্টৰ আছিল যাদৱ আৰু হেণ্ডিমেন আছিল বুদু। আবেলিৰ ট্ৰিপ হ'লে বাছ্ ৰাতি বক্সীৰহাটত থাকি যায়। ৰাতিপুৱা আকৌ উভতি আহে। যাদৱ আৰু বুদু বাছৰপৰা নামিয়ে নোহোৱা হয়। ৰাতিপুৱা ছয় বজাত উভতি যোৱা ট্ৰিপ। বুদু আহি পালেও যাদৱ আহি নাপায়। হৰ্ণ দি দি অস্থিৰ হৈ উঠিলে চকু-মুখ মোহাৰি উৰ্দ্ধশ্বাসে দৌৰি আহি কোনোৰকমে বাছত উঠে। কামিজটো পিন্ধাৰ সময় নহয়। পেণ্টৰ বুটামবোৰ বাছত উঠিহে লগাই লয়।

সিহঁতে ওচৰৰ গাওঁত বন্ধু গোটাই লৈছে, বিশেষকৈ গাভৰু ছোৱালী থকা ঘৰৰ ডেকাবোৰৰ লগত। সাংঘাটিক ল'ৰা এই যাদৱ। বিনা সংকোচে যিকোনো দুষ্কৰ্ম কৰিব পাৰে। বিবেক বোলা কোনো বস্তু নাই। কোনো দুষ্কৰ্মৰ কাৰণে সামান্য অনুশোচনা নাই। কাৰোবাক হত্যা কৰি আহিলেও বোধহয় সি বিনা দ্বিধাই দোকানত বহি তৃপ্তি সহকাৰে চাহ-মিঠাই খাব পাৰিব। কোনোবা ছোৱালীক নষ্ট কৰিব পৰাটো তাৰ কাৰণে বাহাদুৰিৰ কথা। সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত এবাৰ হেনো সি তিনিজন মানুহক কাটিছে। যাদৱে নিজে গৰ্ব কৰি কোৱা কথা। মিছাও হ'ব পাৰে, পিছে সঁচা হ'লেও অবিশ্বাস কৰাৰ কাৰণ নাই।

উপায় নাই। বিচাৰিলেই এজন মাৰ্জিত ৰুচিৰ এম. এ. পাছ ল'ৰাকতো আৰু তেওঁ কণ্ডাক্টৰ হিচাপে পাব নোৱাৰে। বুদুটো বেঙা। ঢোলৰ লগত টেমেকা। যাদৱ হ'ল তাৰ আদৰ্শ। কেতিয়া সিও যাদৱৰ নিচিনা কণ্ডাক্টৰ হ'ব পাৰে তাৰ কাৰণে ৰখি আছে। তেতিয়া সিও ফিটাহি মাৰি সমনীয়াৰ মনত ঈৰ্ষাৰ উদ্ৰেক কৰিব পাৰিব। বুদু কেতিয়াও বাছৰ ভিতৰত নোসোমায়। ফুটবৰ্ডত এখন ভৰি থৈ বাহিৰৰ ফালে পঞ্চচল্লিছ ডিগ্ৰীৰ কোণ এটা কৰি ওলমি যোৱাটোৱেই তাৰ অভ্যাস। বাছত তিল ধাৰণৰ ঠাই নাথাকিলেও সি তাৰস্বৰে চিঞৰে, "চলা আও, চলা আও, একদম খালী গাড়ী।" বাছৰ সমুখত গৰু গাড়ী দেখিলে হুলস্থূল কৰি গৰু গাড়ীৰ গাৰোৱানক অশ্লীল ভাষাত গালি পাৰিবলৈ আৰম্ভ কৰে। গাৰোৱানক গৰু চম্ভালি বাটৰ কাষলৈ যোৱাৰ সময়কণ নিদিয়ে।

উপায় নাই। ড্ৰাইভাৰ বৃত্তি ল'বলগীয়া হ'ব বুলি পবিত্ৰই কেতিয়াও ভবা নাছিল। আচলতে কল্পনাও কৰা নাছিল। প্ৰতাপ ল'ৰাজন ভাল, সঁচাই সোণৰ হাৰডাল সিয়েই পাইছিল। পবিত্ৰই দেখা নাছিল। কোনেও গম নোপোৱাকৈ আত্মসাৎ কৰিব পাৰিলে হয়। তাকে নকৰি সি পবিত্ৰক ক'লে, "এ দাদা, এইখন কি চাওঁকচোন।"

কিছুমানৰ কাৰণে ড্ৰাইভাৰ হ'ব পৰাটো জীৱনৰ চৰম সাৰ্থকতা। তাৰ কাৰণে এইটো হ'ল চূড়ান্ত অধঃপতন। অইন ড্ৰাইভাৰে বুকু ফিন্দাই ফুৰে। পবিত্ৰই নিজকে লুকাই ৰখাৰ চেষ্টা কৰে। চিনাকি কোনোবা বাছত উঠিছে বুলি গম পালে তেওঁ মুখখন ঘূৰাই পিছফালে নাচায়। চকুত চকু পৰে বুলি ভয়।

বক্সীৰহাটত মোহনৰ চাহৰ দোকানৰ সমুখত বাছৰ ভিতৰত শুই পবিত্ৰ চক্ৰবৰ্তীয়ে চিন্তা কৰে। নহয়, অলপ ভুল হ'ল, চিন্তা নকৰে, তেওঁৰ চিন্তা কৰাৰ শক্তি নষ্ট হৈ গৈছে। ঠিক নষ্টও নহয়। চিন্তা কৰিবলৈ তেওঁ ভয় কৰে। পৰিবাৰ, ল'ৰা-ছোৱালী সিহঁতৰ ভৱিষ্যৎ? মূৰটো গৰম হৈ উঠে। চিন্তা নকৰাই ভাল। কিন্তু বিশৃঙ্খলভাৱে অতীতৰ দৃশ্যবোৰ চকুৰ আগত ভাহি

উঠে। নিঃসংগ শয্যাত শুই আপোনমনে কিবাকিবি বকি সাৰ পাই উঠে।

তেওঁৰ বহুতো গুণ আৰু যোগ্যতা আছিল। গাড়ী চলাব পাৰে, বন্দুক চলাব পাৰে। সম্ভ্রান্ত পৰিয়ালৰ ল'ৰা, জমিদাৰৰ ল'ৰাৰ লগৰীয়া। স্বয়ংক্রিয়ভাৱে এইবোৰ গুণ আয়ত্ত কৰিছিল। ভাল ফুটবল খেলিব পাৰে। পাৰে নহয়, পাৰিছিল। স্থায়ীভাৱে টাউন ক্লাবৰ বেকত খেলিছিল। বিপক্ষ দলৰ খেলুৱৈৰ পক্ষে তেওঁক অতিক্রম কৰি যোৱা সহজ নাছিল। তেওঁৰ আৰু এটা গুণ আছিল। ভাল চেতাৰ বজাব পাৰিছিল। চেতাৰ এটা এতিয়াও তেওঁৰ ঘৰত আছে। চেতাৰ কিন্তা মানুহ নাই কাৰণে থাকি গৈছে। পিছে সেই যুগত এইবোৰৰ এটাও অৰ্থকৰী বিদ্যা নাছিল। এইবোৰ গুণ পবিত্ৰই স্বয়ংক্রিয়ভাৱে আয়ত্ত কৰি লৈছিল। ফলত আচল কথাই বাদ পৰি গ'ল। লিখা-পঢ়া নহ'ল। নিজৰো আগ্ৰহ নাছিল, ঘৰৰপৰাও তেনেকৈ জোৰ দিয়া হোৱা নাছিল। জীৱন-যাত্ৰাৰ পৰিবৰ্তন নহয়, এইয়েই আছিল বিশ্বাস। ভুল হৈছিল। বাহিৰৰপৰা দেখাত মজবুত যেন দেখিলেও গাঁথনি ইতিমধ্যে দুৰ্বল হৈ পৰিছিল।

ভুল হৈছে, মহাভুল হৈ গৈছে। ইমান সুবিধা পাইয়ো লিখা-পঢ়া নকৰি মহা ভুল হৈছে। কাষেৰে পাৰ হৈ যোৱা হিন্দুস্থান গাড়ীখন দেখি পবিত্ৰৰ মনটো কিবা লাগি গ'ল। খগেন কলিতাৰ গাড়ী। কলিতাই নিজেই চলাই গৈছে। খগেন কলিতা ধৰ্ম খুৰাৰ ঘৰত থাকি মধুপুৰৰ হাইস্কুলত পঢ়িছিল। আচলতে তেওঁলোকৰ ঘৰৰ কামকৰা ল'ৰা আছিল বুলি ক'ব পাৰি। ইমান কষ্ট কৰি থাকিও প্ৰথম বিভাগত মেট্ৰিক পাছ কৰিলে। অলপতে এছ. ডি. অ'. হৈ ধুবুৰীলৈ আহিছে। তেওঁলোকে খগেনক কিমান জোকাইছিল। "হাও বাপা খগেন, তোমাৰ মোকচাখান নু কি কম্লা?"

মাজবাটত গৰু পোৱালিটো নিশ্চিত মনে শুই আছিল। পবিত্ৰই লক্ষ্য কৰা নাছিল। শেষ মুহূৰ্তত ষ্টিয়াৰিং কাটি ঘূৰাই কোনো ৰকমে কাষেদি পাৰ হৈ গ'ল। পবিত্ৰ সতৰ্ক হৈ পৰিল।

আয় নাই, কিন্তু জাকজমক ঠিকেই আছে, আয় নাই কিন্তু বাহাদুৰি আছে, আয় নাই কিন্তু ব্যয় আছে। দোকানীয়ে গগন চক্ৰৱৰ্তীক হুজুৰ বুলি মাতিছিল। আগৰফালে মহিম চক্ৰৱৰ্তীকো হুজুৰ বুলি মাতিছিল। জোৰ কৰি বস্তু গতাই দিছিল। পইচা নাই বুলি ক'লে ঢেক ঢেকাই হাঁহিছিল। হুজুৰে যেন ৰৰ ৰসৰ কথাহে কৈছে। হুজুৰৰ ৰসজ্ঞানৰ পৰিচয় পাই নিজেও ৰসিকতা কৰিছিল। "নাই যদি নিদিব। কি আৰু কৰা যাব? আপকে লিয়ে ইয়ে সামান কলকাত্তাচে লায়া। আপুনি নল'লে এই বস্তু অইন কোনে ল'ব পাৰিব? এনেয়ে দোকানত পৰি থাকিব।"

পবিত্ৰৰ ডেকা কালতো ইমাৰতটো বাহিৰৰপৰা দেখাত ঠিকেই আছিল, কিন্তু ভেটি ইতিমধ্যেই দুৰ্বল হৈ পৰিছিল। দোকানীবোৰে গম পাইছিল। সিহঁতে গম পায়। তেতিয়াও সিহঁতে মহিম চক্ৰৱৰ্তীক হুজুৰ বুলিয়েই মাতিছিল, কিন্তু দেখিলে উচ্ছ্বসিত হোৱাৰ পৰিবৰ্তে আতংকিত হৈ উঠিছিল।

পবিত্ৰ চক্ৰৱৰ্তীয়ে বুজি পাইছিল। কিয় বুজি নাপাব? লাগ বুলিলেই বস্তু পোৱা নাযায়। ইটো নাই, সিটো নাই—ঘৰত সদায় অশান্তি। বাহিৰৰ মানুহৰপৰা দৈন্য লুকুৱাৰ চেষ্টাতো আছেই, ঘৰৰ মানুহৰপৰাও লুকুৱাৰ চেষ্টা। ভৰবেগত তেতিয়াও অৱশ্যে চলি আছিল। পিছে

মধুপুৰৰ অৱস্থা পৰি অহা এই সম্ভ্ৰান্ত মানুহবোৰে পৰিবৰ্তিত অৱস্থাৰ লগত নিজকে খাপ খুৱাই লোৱাৰ কোনো চেষ্টাই নকৰিলে। বৰং নানা ধৰণৰ উপপথেৰে তেওঁলোকে পলাই যোৱাৰ চেষ্টা কৰিলে। গোবিন্দ চক্ৰৱৰ্তী মাদ্ৰাজৰপৰা দুখনমান জ্যোতিষশাস্ত্ৰৰ কিতাপ আনি জ্যোতিষী হ'ল। মানুহৰ ভাগ্য গণনা কৰে। ৰামধন বৰুৱাই নাম-কীৰ্তন গাবলৈ ধৰিলে। নিজৰ ঘৰতেই নহয়, মূৰত পাগুৰি মাৰি, ভোৰতাল বজাই তেওঁ গ্ৰাম-গ্ৰামান্তৰত নাম-কীৰ্তন কৰি ফুৰিবলৈ ধৰিলে। কাৰোবাৰ হাতত তেওঁক এটা খবৰ দিলেই হ'ল। মূৰত পাগুৰি মাৰি ওলাবগৈ।

মহিম চক্ৰৱৰ্তী কালীসাধক হ'ল। তেওঁ ৰঙা কাপোৰ পিন্ধি কপালত সেন্দূৰৰ ফোট ল'বলৈ আৰম্ভ কৰিলে। মদ খোৱাৰ পইচা নাই কাৰণে গাঁজা খাবলৈ ধৰিলে। প্ৰত্যেকে একো একোটা বেলেগ উপপথেৰে পলাই যোৱাৰ চেষ্টা ল'লে।

ওচৰা-উচৰিকৈ ঘটা দুটা ঘটনাই তেওঁলোকক সম্পূৰ্ণ ধৰাশায়ী কৰি পেলালে। প্ৰথম হ'ল পূৰ্ব পাকিস্তানৰপৰা অহা ভগনীয়াৰ সোঁত। সকলো প্ৰতিকূল অৱস্থাৰ মাজতো জীয়াই থকাৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ এই কৰ্মক্ষম মানুহবোৰৰ লগত প্ৰতিযোগিতাত তেওঁলোকে সম্পূৰ্ণৰূপে হাৰি গ'ল। কোনো স্থানীয় মানুহ এতিয়া আৰু মধুপুৰৰ টাউন কমিটীৰ চেয়াৰমেন হ'ব নোৱাৰে। দোষ নিজৰ, নিজৰ অক্ষমতাৰ। দ্বিতীয় হ'ল জমিদাৰী প্ৰথাৰ উচ্ছেদ। অইন নাথাকিলেও যিখিনি জলক আছিল তাকো নোহোৱা হ'ল।

ভাল দাম পাই মহিম চক্ৰৱৰ্তীয়ে গোটেই মাটি বিক্ৰী কৰি দিলে। সেই টকাৰে ডাঙৰ ব্যৱসায় কৰিব বুলি নানা ধৰণৰ যুক্তি-পৰামৰ্শ কৰিলে। পিছত টকাখিনি শেষ হোৱাত কালীসাধক হ'ল।

অইন কোনো ঠাইতে ইমানবোৰ প্ৰকাণ্ড প্ৰকাণ্ড জৰাজীৰ্ণ টিনপাতৰ ঘৰ নাই। ঘৰৰ চালবোৰ ৰঙা। ৰং দিয়া নহয়, মামৰে ধৰি তেনেকুৱা হৈছে। ঘৰ সাজিবলৈ হ'লে বা মেৰামতি কৰিবলৈ হ'লে একেলগে বহু টকাৰ প্ৰয়োজন।

পলাবলৈ খুজিলেই পলাব নোৱাৰি। কঠোৰ বাস্তৱে পলাবলৈ নিদিয়ে। অন্ন লাগে, বস্ত্ৰ লাগে। পবিত্ৰই বুজি পালে যে এনেকুৱাকৈ নচলে। কিন্তু কৰে কি? কি কৰে? শশী দত্তৰ তালৈ আৰু ধাৰ বিচাৰি কিমান যাব? আজিলৈ এটা টকা ঘিৰত দিব পৰা নাই। ধাৰ কিহৰ? ভিক্ষাহে। ইতিমধ্যে বিয়াও কৰাইছে। ল'ৰাও এটা হৈছে।

মহিম চক্ৰৱৰ্তী দুৰ্বল চৰিত্ৰৰ মানুহ। উপায় নাপাই কালীসাধক হৈছে। ৰঙা কাপোৰ পিন্ধি ঘূৰি ফুৰে। দোকানীয়ে বাকী নিদিলে দোকানীক গালি পাৰে।

"তোৰ ইমান ফুটনি? এই সামান্য বস্তু বাকীত নিদিয়? তোৰ বাপেৰে সিদিনালৈ হুজুৰ হুজুৰ বুলি ভৰিত ধৰিছিল?"

বজাৰৰ সিফালৰ ল'ৰাবোৰে নতুন তামাচা এটা আৱিষ্কাৰ কৰিছে। মহিম চক্ৰৱৰ্তীক বাটত দেখিলেই এদল ল'ৰাই 'হুজুৰ হুজুৰ' বুলি চিঞৰি তেওঁৰ পিছে পিছে ঘূৰা কৰিছে। তেওঁ যিমানে খং কৰে, ল'ৰাবোৰৰ স্ফূৰ্তি সিমানে চৰিহে যায়। ইফালৰপৰা এজাক ল'ৰাক খেদি

গ'লে আইন এজাক ল'ৰাই পিছফালৰপৰা আগবাঢ়ি আছে। পিছফালৰপৰা তেওঁৰ কাপোৰত ধৰি টানে। টনা-টনি কৰোঁতে তেওঁৰ গোৰ্ছ খুলি যায়। খন্তৰ কোৰত তেওঁ লক্ষ্য কৰিবলৈ পাহৰি যায়। শশী দত্তই দুটামানক ধৰি কাণতলীয়া চৰ দিয়াতহে সিহঁত পলাই যায়।

এনেকৈ বিনা পইচাৰ প্ৰদৰ্শনী বন্ধ হোৱাত দৰ্শকৰ খং উঠে।

"কিহৰ হে কিহৰ? তাৰ ইমান কিহৰ?"

"পবিত্ৰৰ বন্ধু কাৰণে হ'ব পায়।"

"পবিত্ৰৰ বন্ধু? জানা ভালকৈ? পবিত্ৰৰ নে পবিত্ৰৰ পৰিবাৰৰ?"

নিজৰপৰাই সজাগ কাৰণে পবিত্ৰৰ ধৈৰ্য্যচ্যুতি ঘটি গ'ল। বাপেকে তাক শুনাই শুনাই বকি আছে।

"হে ভগবান। ইয়ো চাবলগীয়া হ'লোঁ। ৰাম শাস্ত্ৰীৰ বংশৰ ল'ৰা ড্ৰাইভাৰ হৈছে। মই, এই মহিম চক্ৰবৰ্তী, জমিদাৰৰ ড্ৰাইভাৰ মথুৰাক বজাৰৰ মাজত চৰিয়াইছিলোঁ। মতলব কৰি পানীৰ ওপৰেদি গাড়ী চলাই মোৰ গাত বোকাপানী ছটিয়াই দিছিল। মুৰাৰীৰ দোকানৰ সমুখত গাড়ী ৰাখি বক্তৃতা মাৰি আছিল। কোনো কথা নাই। ঠাচকৰে এক চৰ লগাই দিলোঁ। শুনি জমিদাৰৰ প্ৰথমে খং উঠিছিল। বুজাই কোৱাত ওলোটাই মথুৰাৰ জৰিমনা কৰিলে। আমি হ'লোঁ পুৰোহিত বংশৰ মানুহ। কম সন্মান আছিল আমাৰ?"

তাৰ পিছত কিছু সময় ধৰি তেওঁ জমিদাৰৰ গুণৰ বৰ্ণনা দিলে। শেষত হাঁহি উঠিল। স্ফূৰ্তিৰ হাঁহি নহয়, বিদ্ৰূপৰ হাঁহি।

"শশী দত্ত আজি মস্ত ডাঙৰ মানুহ। হিজ ফাদাৰ ভৰত ফেৰিৱালাই মোৰ ভৰিত ধৰিছিল। টাচ্‌ট্ মাই ফিট উইথ হিজ হেণ্ডছ্। চকোৱাত লাগি থকা ভোলকেইটা দিব লাগে—ল'ৰা-ছোৱালীকেইটাক সিজাই খুৱাব। ড্ৰাইভাৰ কাৰ? নে ভৰত ফেৰিৱালাৰ ল'ৰাৰ? শশীক কি বুলি মাতিব লাগে? ছাৰ নে হুজুৰ? ভিক্ষা কৰি খোৱাও ভাল আছিল।"

হঠাতে পবিত্ৰৰ ধৈৰ্যচ্যুতি হ'ল।

"তাকেই কৰিবা, কোনে হাক দিছে। ড্ৰাইভাৰৰ পইচাৰ ভাত খাবলৈ লাজ লাগে যদি তাকেই কৰিবা। এনেকৈ ইতিকিং কৰি নাথাকিবা।"

হেণ্ডিমেন বুঢ়া আচৰিত হৈ গৈছে। কি হ'ল? দাদাইতো ইমান জোৰে গাড়ী নচলায়। দাদাৰ আজি হৈছে কি? যাত্ৰী কিছুমানে শংকিত হৈ উঠিছে, কিছুমানে বাহবা দিছে, "চাবাচ আৰু জোৰে। ড্ৰাইভাৰতো নহয়, পাইলট। নিয়া উৰুৱাই লৈ বোৱা।" বাটত থকা এপাল গৰুৰ মাজেৰে কথমপি বাছখন পাৰ কৰি লৈ গ'ল। পবিত্ৰ সজাগ হৈ গাড়ীৰ গতি কমাই আনিলে। অকল গতিবেগ সংযত কৰাই নহয়, পবিত্ৰই বাছখন ৰখাই দিলে। বাটৰ কাৰেদি মানুহ এজনে কেইটামান ঘৰিয়া মাছ লৈ গৈ আছে।

"বিক্ৰী কৰিবা নেকি?"

পবিত্ৰৰ পিতাকে ঘৰিয়া মাছ খাবলৈ বৰ ভাল পায়। আগতে জানকালি মানুহ পঠিয়াই আগমনীৰপৰা ঘৰিয়া মাছ অনাইছিল। এইবিধ মাছ সকলো ঠাইতে নাপায়। গংগাধৰ নৈতহে

এই মাছ আছে। তাকো সকলো সময়তে নাপায়। আজকালি পূৰ্ণিমাৰ ওচৰে-পাজৰেহে পায়। বৌ মাছৰ দৰেই, পিছে বৰ বেছি ডাঙৰ নহয়। পবিত্ৰই এটা মাছ ল'লে। আজকালি বেয়া নহয়। কাইলৈ বাতিপুৱা উভতি যাব। বুদুক মধুপুৰত নমাই দি গ'লে হ'ব। সি ঘৰত দি থৈ বেলেগ এখন বাছেৰে ধুবুৰীলৈ যাব পাৰিব।

বাপেকৰ কাৰণে বেয়াও লাগে। কি আছিল আৰু কি হৈছে। আজি মনত কৰি ধুবুৰীৰপৰা লেপ এখন কিনি আনিবই লাগিব। ঘৰত কোনে কৰাই ল'ব? তেওঁৰ লেপখনৰ একো নাই। বুঢ়া মানুহজনে জাৰত বৰ কষ্ট পাই আছে।

সংজ্ঞামতে শশী দত্তইতক ভগনীয়া বুলি ক'ব নোৱাৰি। ১৯৪৫ চনতেই ভবত দত্তইত মধুপুৰলৈ আহে। তেওঁলোক আচলতে কঁহাৰ মানুহ। তেওঁলোকৰ সম্প্ৰদায়ৰ বহুতো মানুহ আগৰপৰাই তাত আছিল। বুঢ়া নীলমণি দত্তৰ দোকানখন মধুপুৰৰ এখন ডাঙৰ দোকান। বুঢ়াক দেখি কোনে ক'ব যে বুঢ়াৰ ইমান টকা আছে। পিন্ধনত লেতেৰা ধুতি, গাত এটা ফতুৱা অৰ্থাৎ ঠিক কামিজো নহয়, বনিয়নো নহয় এনেকুৱা এটা চোলা। কপালত চন্দনৰ ছাপ আৰু ডিঙিত তুলসী কাঠৰ মালা। এওঁলোকক ভাবসা কৰি হতদৰিদ্ৰ ভবত দত্ত মধুপুৰলৈ আহিছিল। ভবত দত্তই তেওঁৰ দিনত উন্নতি কৰিব পৰা নাছিল। নীলমণি দত্তৰ দোকানৰ কিছু বস্তু লৈ ফেৰি কৰি ফুৰিছিল।

পবিত্ৰ শশীৰ সহপাঠী। পঢ়াত দুয়ো সমান। দুয়োজনে ফেল কৰি কৰি অগা-পিছাকৈ ক্লাছ নাইনতেই পঢ়া এৰিছে। শশীয়ে নিজৰ চেষ্টাত উন্নতি কৰিছে। স্কুলত থাকোঁতেই ইটো-সিটো কৰিছিল। স্কুল এৰি দেহে-কেহে লাগি গ'ল। ভগা চাইকেল এখনৰ আগে-পিছে, দুয়োকাষে পৰ্বত প্ৰমাণ বস্তু লৈ হাটে-বজাৰে ঘূৰি ফুৰিছিল। আঠ-দহ বছৰৰ ভিতৰতে খেৰৰ চালি ভাঙি পকীঘৰ তুলিলে। মানুহে কোৱা-কুই কৰিলে যে তেওঁৰ বেলেগ কাৰবাৰ আছে। বৰ্তমানে তেওঁ চাৰিখন বাছৰ মালিক।

শশীয়ে পবিত্ৰক ক'লে, "চাচোন কাণ্ড। এই মেলাৰ সময়ত ১৩৭ ৰ ড্ৰাইভাৰজনৰ অসুখ হ'ব পায়নে?"

১৩৭ হ'ল তেওঁৰ এখন বাছৰ নম্বৰ এ. এছ. জি. ১৩৭। আৰু মেলা হ'ল বগ্ৰীবাৰীৰ মহামায়াৰ মেলা। এই মেলাত মানুহৰ অভাৱনীয় সমাগম হয়। অইন লাইনৰ বাছবোৰো সেই সময়ত বিশেষ অনুজ্ঞাপত্ৰ লৈ এই লাইনত চলোৱা হয়। তথাপি যাত্ৰী কঢ়িয়াই শেষ কৰিব নোৱাৰি। যেয়ে যিমান ট্ৰিপ মাৰিব পাৰে, সিয়ে সিমান লাভ কৰিব পাৰে। এই সময়ত গাড়ী বহি থাকিলে ভয়ানক লোকচান। বাছবোৰ এই গৈছে, এই আহিছে। বাছ ৰখাৰ লগে লগে মানুহে জুমুৰি দি ধৰে। ড্ৰাইভাৰ, কণ্ডাক্টৰ নামি লৈ চাহ এটোপা খোৱাৰ আহৰি নাই। মেলাৰ কেইদিন দৰ্মহাৰ উপৰি ট্ৰিপ প্ৰতি সিহঁতক অতিৰিক্ত পইচা দিয়া হয়।

"মই নিজে কেইটামান ট্ৰিপ মাৰিম। দিবি নেকি কেইটামান ট্ৰিপ মাৰি?"

"কেনেকৈ হ'ব? মোৰ বাছ চলোৱাৰ লাইচেন্স নাই নহয়।"

"সেই লৈ তই চিন্তা কৰিব নালাগে। মই যি কৰিব লাগে কৰিম। কোন বেটাই তোৰ

নিচিনা গাড়ী চলাব পাৰে অ'?"

সেয়েই আৰম্ভণি। কেইটামান ট্ৰিপ মাৰিব পৰাটো এটা স্ফূৰ্তিৰ কথা। ডেকাকালত গাড়ী চলাব পৰাটো এটা আনন্দদায়ক কথা। এটা নিচাও। যৌন আবেদনৰ দৰে উগ্ৰ।

বিছ ট্ৰিপ মৰাৰ কাৰণে শশীয়ে পবিত্ৰক ২০০ টকা দিলে। তেতিয়াৰ দিনত এটা ডাঙৰ অংক। পবিত্ৰই গৰ্ব বোধ কৰিলে। এইটোৱেই আছিল তেওঁৰ জীৱনৰ প্ৰথম উপাৰ্জন। মেলা শেষ হ'ল, কথা তাতেই শেষ হ'ল।

তাৰ পিছত? কিবা এটা কৰিব লাগিব, কিন্তু কি? পবিত্ৰৰ দেউতাকেতো পলাই ফুৰিছে। ৰঙা কাপোৰ পিন্ধি বাটে-বাটে বক্তৃতা দি ফুৰে। পুৰণি দিনৰ কথা কৈ গৰ্ব কৰে। মানুহে মজা পায়। এদল ল'ৰা পিছত লাগে। হুজুৰ, হুজুৰ বুলি চিঞৰিবলৈ ধৰে। ঘৰত খাবৰ নাই। দেউতাকে মাটিবোৰ বিক্ৰী কৰি কৰি শেষ কৰিছে। ঘৰত থকা বিক্ৰী কৰিব পৰা সকলো বস্তু বিক্ৰী কৰা হৈ গৈছে। আ-অলংকাৰ, গধুৰ বাচন নীলমণি দত্তই কিনি লৈছে। অতি সস্তা দামত। লুকাই চোৰাংকৈ বিক্ৰী কৰিলে দাম কম পাবই। পবিত্ৰৰ পিন্ধা কাপোৰ-কানি নোহোৱা হৈ আহিছে। এটা মাত্ৰ কামিজ, এইটোও কান্ধৰ কাষত ফাটি যাবলৈ ধৰিছে।

পবিত্ৰ আকৌ শশীৰ তালৈ গ'ল। এই হৃতসৰ্বস্ব অভিজাত শ্ৰেণীৰ মানুহৰ প্ৰতি শশীৰ এটা মিশ্ৰ অনুভূতি আছে। সকলো সুবিধা থকা সত্ত্বেও একো এটা কৰিব নোৱাৰাৰ কাৰণে ঘৃণা আৰু পংগু আৰু অক্ষম মানুহৰ প্ৰতি সংবেদনশীল মানুহৰ স্বাভাৱিক কৰুণাৰ ভাব। অলপ ঈৰ্ষাৰ ভাবো আছে। তেওঁলোকে জীৱনক উপভোগ কৰিব জানে। অন্ততঃ জানিছিল। তেওঁৰ উপাৰ্জন কম নহয়, কিন্তু মৰিবৰ সময় নাই। ধুবুৰীলৈ গৈ এখন চিনেমা চোৱাৰ সময় নাই। পৰিবাৰে খেচখেচাই আছে। তেওঁ ক'লে, "যোৱা তুমি, মালতীহঁতক লৈ যোৱা। গাড়ী-ঘোৰা সকলো ব্যৱস্থা কৰি দিওঁ।"

পৰিবাৰে উচাট মাৰি উঠিল, "নালাগে দিয়া।"

যায় কেনেকৈ? বাতি বাছবোৰ উভতি আহে। হিচাপ বুজি ল'ব লাগে। অলপ ঢিলা দিলে শেষ কৰি দিব। তদুপৰি ক'ৰবাত গাড়ী বেয়া হৈ থাকিব পাৰে, কিবা একচিডেন্ট কৰিব পাৰে, কিবা পাৰ্টছ বেয়া হ'লে বাতিৰ ভিতৰত ভাল কৰি বাতিপুৱা লাইনত দিব লাগে। ইমানখিনি কৰি আছে কাৰণে কাৰবাৰ চলি আছে। নহ'লে কাৰবাৰ ভাহি যাব। লালবাতি জ্বলিব।

শশীক কেইটামান টকা হাওলাত লাগে বুলি কোৱাত তেওঁ একো নামাতিলে। হিচাপ-পত্ৰ চাই খকাত বেছিহে ব্যস্ত হ'ল। পবিত্ৰৰ কাণ-মূৰ গৰম হৈ উঠিল। বহুত সময়ৰ মূৰতো শশীয়ে যেতিয়া একো নকলে, পবিত্ৰ তেতিয়া যোৱাৰ কাৰণে থিয় হ'ল।

"ৰবি।"

পবিত্ৰ ৰৈ গ'ল।

"কিমান টকা লোৱা হৈছে হিচাপ আছে?"

"দিম নহয়।"

"ক'ৰপৰা দিবি? হাণ্ডি?"

এই প্ৰশ্নৰ উত্তৰ পবিত্ৰৰ জনা নাই। উত্তৰ দিব নোৱাৰি তেওঁ মনে মনে ৰ'ল।

"বেয়া নাপাবি। তোৰ ভালৰ কাৰণে কৈছোঁ। এনেকৈ কিমান দিন চলিব?"

"কিবা এটা কৰিব লাগিব।"

"পিছে কি কৰিবি? লিখা-পঢ়া নাই, ভাল চাকৰি এটা যোগাৰ কৰি ল'বি যে তাৰো উপায় নাই। টকা-পইচা নাই যে কাৰবাৰ কৰিবি। আমাৰ দৰে হাটে-বজাৰে মাল কঢ়িয়াই তই ঘূৰি ফুৰিবও নোৱাৰিবি। টকা থাকিলেও পিছে তইঁতে কাৰবাৰ কৰিব নোৱাৰ। ইমান জামেলা সহ্য কৰাৰ সাধ্য নাই। তেনেহ'লে? কথাবাৰ দকৈ ভাবি চা।"

পবিত্ৰই জানে, এইবোৰ সকলো কথা জানে। পবিত্ৰই অস্বস্তি বোধ কৰিলে, ঘামিবলৈ ধৰিলে। ক'ব নোৱাৰাকৈ দুয়ো হাতে মুখখন মোহাৰিবলৈ ধৰিলে। শশীয়ে নিজেও অস্বস্তি বোধ কৰিছে। পিছে তেওঁ তেওঁৰ নিজস্ব ধৰণে পবিত্ৰৰ প্ৰতি সহানুভূতিশীল।

"এনেকৈতো চলিব নোৱাৰ। কিবা এটা নকৰিলে নহ'ব?"

"নহ'ব।"

"কি কৰিবি?"

"তাকেইতো।"

"নিজৰ যেনেকুৱা কেপাচিটী সেইমতে কাম কৰিব লাগিব।"

"সেইটো তো হয়েই।"

"তেনেহলে?"

"কি তেনেহলে?"

শশী ৰৈ গ'ল। সংকোচ কৰি জোৰকৈ কৈ পেলালে।

"তইতো খুব ভাল গাড়ী চলাব পাৰ। ইয়াত তো লাজৰ....।"

পবিত্ৰ ঘপহকৈ থিয় হৈ উঠিল।

"যাওঁ দে।"

"ৰবি পইচা লাগে বুলি কৈছিলি নহয়, লৈ যা।"

"নালাগে দে।"

পবিত্ৰই ষ্টিয়েৰিঙৰপৰা হাত উঠাই মুখখন মোহাৰি ল'লে। সিদিনা শশীৰ কথা শুনি তেওঁ অপমানবোধ কৰিছিল ঠিকেই। তাতোকৈ বেছি অসহায় বোধ কৰিছিল।

পবিত্ৰৰ পৰিবাৰ উৰ্মিলাও একে অৱস্থাৰ পৰিয়ালৰ ছোৱালী। বৰ ভাল ছোৱালী। ইমান কষ্ট, কিন্তু কোনো অভিযোগ নাই। মৰি গ'লেও নিজৰ অভাৱ-অনাটনৰ কথা কাকো জানিবলৈ নিদিয়ে। নিজৰ মাক-বাপেককো নকয়। কিন্তু সহ্যৰ এটা সীমা আছে।

ৰজনী মহাজনে মাজ চোতালত থিয় হৈ অশ্লীল ভাষাত গালি পাৰি গ'ল। দোকানৰ বহুত বাকী জমা হৈ আছে। এতিয়া মহাজনে বাকী নিদিয়ে। এইবোৰ বহুত দিন আগৰ বাকী। অহা মাহত দিম, বিহুৰ সময়ত দিম, পূজাৰ সময়ত দিম, আজি দিম, কালি দিম বুলি দিন পাৰ হৈ

গৈ আছে।

আজি মহাজন দৃঢ়প্ৰতিজ্ঞ।

"ছলাহী ক'ৰবাৰ, জুৱাচোৰ ক'ৰবাৰ।"

এইখিনিয়েই যি মোটামুটিভাৱে অশ্লীল নহয়। বাকীবোৰ পুনৰুক্তি কৰিব নোৱাৰি। দূৰতে মহাজনক অহা দেখি মহিম চক্ৰৱৰ্তী পলাইছে। পবিত্ৰ ঘৰত নাছিল। মহাজনেও সেই কাৰণে নিশ্চিন্ত গৈ গালি পাৰিব পাৰিছে।

যোৱাৰ সময়ত মহাজনে স্পষ্ট নিৰ্দেশ দি গ'ল।

"তোৰ পৰিবাৰজনী বোলে দেখাত ধুনীয়া। নিজৰ উপাৰ্জন কৰাৰ ক্ষমতা নাই যদি পৰিবাৰক ভাৰা খটুৱাই আৰ্জিব পাৰা দেখোন।"

উৰ্মিলাই পবিত্ৰক একো কোৱা নাছিল। কান্দি কাটি তেওঁ বিছনাত পৰি আছিল।

পবিত্ৰই সুধিলে, "কি হৈছে?"

"একো হোৱা নাই।"

উৰ্মিলাই একো নকলেও ৰজনী মহাজন ওলাই যোৱাৰ লগে লগে মহিম চক্ৰৱৰ্তীয়ে ঘৰলৈ আহি জপিয়াবলৈ আৰম্ভ কৰিলে।

"হাতী খালত পৰিলে বেঙেও লঠিয়ায়। এতিয়াই কি হৈছে? আৰু হ'ব। বাটেৰে যোৱা মানুহে একোটা গোৰ মাৰি যাব। নাযাব কিয়? গাত মানুহৰ তেজ থাকিলেহে মানুহে মানুহ বুলি গণ্য কৰিব। নহ'লে বাটৰ কুকুৰ এটাইও ঘৰৰ তিৰীক অপমান কৰি যাবৰ সাহস কৰে নে? মৰদ হ'লে কোনোবাই এতিয়াও ঘৰত সোমাই থাকিব পাৰে নে? অইন হ'লে ইমানপৰে কুকুৰৰ পুতেক ৰজনীৰ মূৰটো ছিঙি আনিলে হয়। তাৰ পিছত যি হয় হ'ব। জেল হয়, ফাঁচী হয় কুচ্ছ পৰোৱা নাই।"

পবিত্ৰ হঠাতে উঠি ঘৰৰপৰা ওলাই গ'ল। উৰ্মিলা আতংকিত হৈ উঠিল। মহিম চক্ৰৱৰ্তীৰ মাত তৎক্ষণাৎ একেবাৰে বন্ধ হৈ গ'ল। ভয়ে ভয়ে পবিত্ৰই কোনফালে গ'ল সেইফালে চাই ৰ'ল।

পবিত্ৰই খালী হাতে ৰজনী মহাজনক হত্যা কৰিবলৈ যোৱা নাছিল। তেওঁ পোনে পোনে শশী দত্তৰ তালৈ গ'ল।

"কিবা এটা ব্যৱস্থা কৰ।"

"কি ব্যৱস্থা কৰিম?"

"কাম এটা দে।"

"মই কি কাম দিম? সৰু মানুহ মই। ডি. চি., এছ. পি.ৰ কাম আছে জানো মোৰ হাতত?"

"এইবোৰ ফালতু কথা বাদ দে। তোৰ খাছৰ ড্ৰাইভাৰ নালাগে জানো?"

"কৰিবি জানো?"

"নকৰি কি কৰিম? আছে নেকি?"

"বৰীবহাটি লাইনৰ ৰামপ্ৰসাদক আজিয়েই খেদিছোঁ। যোৱাকালি আকৌ মদ খাই

গোলকগঞ্জত বাটৰ কাষৰ দোকান এখনত গাড়ী তুলি দিছে। ছালা, দোকানত এশ টকাৰ বস্তু নাছিল। দহ হেজাৰ টকা দাবী কৰিছে। পাঁচশমান টকা নাপালে জুলুম কৰিব।"

"ঠিক আছে। কেতিয়াৰপৰা যাব লাগিব?"

"কালিয়েই যা। ৰাতিপুৱা এটা এটা ট্ৰিপ আছে। যাদৱৰ পিনে অলপ লক্ষ্য ৰাখিবি। সি কণ্ডাক্টৰ। কামত খুব পাকৈত কিন্তু অতি বজ্জাত। হেন্দিমেন বুদু পিছে বৰ ভাল ল'ৰা।"

প্ৰথম বাছ লৈ যোৱাৰ দিনাই পবিত্ৰই অনুমান কৰিছে গোলকগঞ্জৰ নিৰ্দিষ্ট বাছষ্টেণ্ড পোৱাৰ আগতেই যাদৱে ঘন্টি মাৰি বাছখন ৰখাই দিলে। দুজন মানুহ নামি গ'ল। যাদৱো সিহঁতৰ লগতে নামি বাছখনৰ পিছফালে গ'ল। তাৰে এজনে হাতৰ টিপতে কিবা এটা দিলে। আগমনীত বেপাৰী এজনে হুলস্থূল লগাই দিলে। ইটো জেপ খেপিয়ায়, সিটো জেপ খেপিয়ায়, ইফালে বিচাৰে, সিফালে বিচাৰে। পকেটত পাঁচশ টকা আছিল। নাই, কোনোবাই ল'লে। পবিত্ৰই যাদৱৰ ফালে চালে। যাদৱেও নিষ্পলক উদ্ধত দৃষ্টিৰে পবিত্ৰৰ ফালে চালে।

যাদৱে পবিত্ৰক শুনাই শুনাই নিজৰ বীৰত্বৰ গল্প কৰে। কাক কেনেকৈ ঠগালে, কাক বেকায়দাত পাই কেনেকৈ মাৰিলে, কোন ছোৱালীক ফুচুলাই কেনেকৈ নষ্ট কৰিলে, এইবোৰ গল্প। মহা বাহাদুৰিৰ কথা। গল্পটো কৈ খিকখিকাই হাঁহে। অতি বজ্জাত আৰু টেঙৰ। অৱশ্যে টেঙৰ নহ'লে এইবোৰ কাম কৰাও টান। ভাল মানুহ এজনে নিজেও পইচা খাব নোৱাৰে, মালিককো পইচা দিব নোৱাৰে। মালিকেও জানে। অতিৰিক্ত মাল আৰু মানুহ লৈ ড্ৰাইভাৰ, কণ্ডাক্টৰে পইচা খালে সেইফালে বিশেষ চকু-কাণ নিদিয়ে। নিজৰখিনি ঠিকমতে পাই থাকিলে হ'ল। বৰ বেছি লাগি থাকিলে খাই দিব। মতলব কৰি পাৰ্টছ ভাঙিব, সময়ৰ মূৰত গাড়ী বেয়া কৰি ট্ৰিপেই বন্ধ কৰি দিব।

ষ্টিয়েৰিং ধৰি থকা পবিত্ৰ চক্ৰবৰ্তীৰ মূঠি স্বয়ংক্ৰিয়ভাৱে টান হৈ উঠিল। তেওঁ আড্ডাবাজ মানুহ আছিল। কিন্তু আজিকালি তেওঁ সকলোৰে লগ এৰিছে। বন্ধু-বান্ধৱ, আত্মীয়-স্বজন কাকো লগ নধৰে, কাৰো ঘৰত নাযায়। ৰাতি বাহিৰত থাকিব লগা হ'লে বাছতে থাকে। নহ'লে বাছখন শশী দত্তৰ ঘৰৰ আগত থৈ পোনে পোনে ঘৰত সোমায়। খুলশালীয়েকৰ বিয়াত যোৱাটোৱেই ভুল হৈছিল। তেওঁৰ শহুৰেকৰ ঘৰো পৰি যোৱা ঘৰ। বাহিৰে ৰং চং, সেই আৰু কি? অৱশ্যে ঠায়ে ঠায়ে ৰঙৰ চিন এতিয়াও অলপ আছে। একে অৱস্থা। তেওঁৰ পিতাকৰ দৰে শহুৰেকৰো মানসিক বিকৃতি ঘটিছে। লুঙি এখন পিন্ধি গাঁঠি নিদিয়াকৈ হাতেৰে খামোচ মাৰি ধৰি থাকে। কোনোবাই নমস্কাৰ কৰিলে তেঁৱো দুয়ো হাত যোৰ কৰি প্ৰতি নমস্কাৰ কৰিবলৈ যায়। লুঙি সোলোকি ভৰিত পৰি যায়। তেওঁক বাহিৰৰ চোতালত ঘূৰি ফুৰা দেখিলে ৰং চোৱাৰ মনেৰে কোনোবাই মাত লগায়ঃ

"নমস্কাৰ, দেউতা।"

দৰাঘৰৰ মানুহৰ লগত পৰিচয় হওঁতে দৰাৰ ডাঙৰ ভিনিহিয়েকে সুধিলে, "কি কৰা হয়?"

পবিত্ৰই উত্তৰ দিবলৈ নাপাওঁতেই তেওঁৰ খুলশালিয়েকে ক'লে, "কি আৰু কৰিব? মাটিবাৰী আছে, তাকে চলাই খায়।"

পবিত্রই ক'লে, "নহয় দিয়ক, মাটিবাৰী কেতিয়াবাই গ'ল। মই এতিয়া ড্রাইভাৰ কাম কৰোঁ।"

সকলোৰে কথা-বতৰা বন্ধ হৈ গ'ল। অতি অস্বস্তিকৰ পৰিস্থিতি। শেষত পবিত্রই উর্মিলাক লগ ধৰি সুধিলে, "কি কৰিবা? মই যাওঁ, ৰাতিপুৱা ট্রিপ আছে। তুমি থাকিলে থাকা।"

উর্মিলাৰ মুখখনো অসম্ভৱ গম্ভীৰ।

"মইয়ো আপোনাৰ লগতে যাওঁ, অলপ ৰ'ব।"

বক্সীৰহাটত সকলোৱে বাছৰপৰা নামি গ'ল। ছোৱালীজনীৰ নমাৰ দেখোন কোনো চেষ্টাই নাই। বাছ আৰু তো নাযায়, ইয়াতেই শেষ। গধূলি হৈছে। জাৰকালিৰ ৰাতি, ইতিমধ্যে আন্ধাৰ হৈ আহিছে।

"কি হ'ল? নামা। কাৰ লগত আহিছা? লগৰ মানুহ ক'ত গ'ল?" ছোৱালীজনী নিমাত।

"কাৰ লগত আহিছা? ক'ত যাবা?"

তথাপি নিমাত। পবিত্রই ছোৱালীজনীক বেলগুৰিত উঠা দেখিছে। লগত অইন মানুহ আছিল নে নাই লক্ষ্য কৰা নাই।

"তুমি বেলগুৰিত উঠিছা নহয়?"

"হয়।"

"কাৰ ছোৱালী?"

আকৌ নিমাত।

এয়াতো মহা জুলুমৰ কথা। ইতিমধ্যে যাদৱ ওচৰ চাপি আহিছে। তাৰ চেহেৰাই সলনি হৈ গৈছে। তাৰ চকুত লোভ আৰু কামনাৰ নগ্ন প্রকাশ, পাৰিলে যেন জাপ মাৰি ধৰি তাতেই ৰমণ কার্য আৰম্ভ কৰি দিয়ে। উত্তেজনাত যাদৱৰ উশাহবোৰ চুটি হৈ আহিছে। যাদৱৰ ফালে চাই আতংকত মূহ্র্ছ যোৱা যেন হৈ তাই পবিত্রক সাৱটি ধৰিলে।

"দাদা, আপুনি মোক ৰক্ষা কৰক।"

নিষ্ঠুৰ অভিভাৱকে প্রেমৰ মর্যাদা দিব নাজানে। বয়ঃসন্ধিক্ষণৰ এক অস্পষ্ট স্বপ্নময় আবেশত তাই ঘৰ এৰি পলাই আহিছে। কল্পনাৰ জালত মেৰ খাই তন্দ্রাচ্ছন্নভাৱে বাছত উঠিছে। মুহূর্তৰ উত্তেজনাত কি ভয়ংকৰ বিপদত তাই জাপ মাৰি দিছে সেইটো উপলব্ধি কৰি আতংকত তাই মূর্চ্ছিত হৈ পৰাৰ দৰে হৈছে। একপাল হিংস্র কুকুৰে তাইক ছিঙি টুকুৰা-টুকুৰ কৰি পেলাব। আতংকত তাই পবিত্রক সাৱটি ধৰিলে।

"দাদা, মোক ৰক্ষা কৰক।"

"হ'ব বাৰু, ভয় নাই। কোননো তুমি? ক'লৈ যাম বুলি ওলাইছা?"

আকৌ নিমাত।

"মনে মনে থাকিলে নহ'ব নহয়। কাৰ ছোৱালী তুমি?"

"ৰত্নেশ্বৰ ৰায়ৰ ভনী।"

"ৰত্নেশ্বৰ ৰায়, মাষ্টৰ?"

"হয়।"

"এই বুদু, ৰেডিয়েটৰত পানী ঢাল।"

উত্তেজনাত যাদৱে কথা ক'ব নোৱাৰা হৈছে, বিকৃত সুৰত ক'লে, "কি কৰে? এই গাভৰু ছোৱালীজনীক ৰাতিখন অকলে ক'ত লৈ যায়? মই মহেশ্বৰৰ ঘৰত লৈ যাওঁ। মহেশ্বৰৰ পৰিবাৰৰ লগত থাকিব। ৰাতিপুৱা দেখা যাব কি কৰা যায়।"

"এই বুদু, হ'ল তোৰ পানী ঢালা?"

আশাভংগৰ সম্ভাৱনা দেখি যাদৱ ক্ষিপ্ত হৈ উঠিছে।

"কি কৰিব খুজিছে?"

"যি কৰোঁ কৰিম। তই মনে মনে থাক।"

"কথা ভাল নহ'ব কিন্তু।"

"শ্বাট আপ।"

পবিত্ৰই ইমান জোৰে চিঞৰিলে যে যাদৱে চক খাই উঠিল। যাদৱে বিনা সংকোচে যিকোনো দুষ্কৰ্ম কৰিব পাৰে—হত্যা, ধৰ্ষণ; কোনো অন্যায় কৰি তাৰ মনত কোনো ৰকমৰ প্ৰতিক্ৰিয়া নহয়। পবিত্ৰই অনুমান কৰি ল'ব পাৰে। ঠিক সময়ত তেওঁ এনেকৈ চিঞৰি ডাবি দি উঠিছে। যাদৱে পবিত্ৰক ডাবি দিয়াতো দূৰৰ কথা, ডাঙৰকৈ মতাই শুনা নাই। হঠাতে এনেকৈ ডাবি দিয়াত সি থতমত খাই উঠিল। ওচৰৰ চাহৰ দোকানৰ নকুলে চিঞৰি উঠিল, "অ' পবিত্ৰদা, কি হ'ল?"

"একো নহয়।"

তেওঁ ইঞ্জিন ষ্টাৰ্ট দিলে। যাদৱক ক'লে, "নাম, নামি যা।"

যাদৱে ক্ৰোধ, ঘৃণা, আক্ৰোশ মিহলি জ্বলন্ত দৃষ্টিৰে পবিত্ৰৰ ফালে চাই নামি গৈ গাৰ বলেৰে দুৱাৰখন মাৰি দিলে।

পবিত্ৰই ভগৱানক ধন্যবাদ দিলে। ভাগ্যে তেওঁৰ গাড়ীত আহিছে। ৰত্নেশ্বৰে মধুপুৰৰ স্কুলত পঢ়িছিল। তলৰ ক্লাছত আছিল, পিছত অৱশ্যে পবিত্ৰক লগ ধৰিছিল। সেই অপৰিণত বয়সৰ ৰোমাণ্টিক প্ৰেম। সেই অবিমৃশ্যকাৰিতা। ক্লাছ এইটত পঢ়ে ছোৱালীয়ে। গাৱঁৰ ছোৱালী, অলপ বেছি বয়সত পঢ়িলেও কিমাননো বয়স। বৰ বেছি যোল্ল, নহ'লে সোতৰ। অভিভাৱকে প্ৰেমৰ মূল্য বুজি নাপায়। ধুনীয়া ছোৱালী। ভাল দৰা পাই অইন ঠাইত বিয়া ঠিক কৰিছে। প্ৰকৃত নায়িকাৰ দৰে তাই ঘৰ এৰি পলাই আহিছে। একেলগে আহিলে মানুহৰ চকুত পৰিব পাৰে কাৰণে নায়কৰ আগতে আহি ৰখি থকাৰ কথা।

"ব'লা, ঘৰত থৈ আহোঁ।"

"বলক, দাদা বলক।"

কোনোমতে ঘৰ পালে ৰক্ষা। হে ভগৱান, ভালে ভালে ঘৰ পোৱাই দিয়া।

ৰত্নেশ্বৰৰ ঘৰতো মহা চিন্তা। স্কুলৰপৰা ৰাহিৰে ৰাহিৰে কাৰোবাৰ ঘৰত গ'লেও তো ইমান পৰে আহিব লাগিছিল!

পবিত্ৰই দঢ়াই দঢ়াই ৰত্নেশ্বৰক ক'লে, "খবৰদাৰ, মাৰপিট-হুলস্থূল নকৰিবি। গোটেইখন ৰজনজনাই যাব। যি হৈছে হৈছে, সোনকালে বিয়াখন পাতি দে।"

"বিয়াতো ঠিকেই হৈ আছে। ৰৰ ভাল দৰা। দৰাঘৰৰপৰাই সম্বন্ধ আহিছে। ছোৱালীৰো মূৰত একো নাই। পঢ়া-শুনা নহয়, মিছা কথা। পিছত এনেকুৱা দৰা ক'ত পাম? ভাগ্যে তোমাৰ গাড়ীত গৈছে। ভাগ্যে তুমি পাইছা।"

অন্যথা পৰিণতিৰ কথা চিন্তা কৰি ৰত্নেশ্বৰ শিয়ৰি উঠিল। ৰত্নেশ্বৰৰ ঘৰত ভাত-পানী খাই বক্সীৰহাটলৈ উভতি আহোঁতে বহুত ৰাতি হ'ল। যাদৱ নাই, নাথাকেও। ৰাতিপুৱা বাছ এৰাৰ আগতে চকু-মুখ মোহাৰি কোনোৰকমে আহি পাব। পবিত্ৰই বাছৰ দুৱাৰ-খিৰিকীবোৰ বন্ধ কৰি শুই থাকিল। টোপনি নাই। স্বাভাৱিকতে মনটো অস্থিৰ হৈ আছে। হঠাতে গাৱঁৰ পিনৰপৰা এটা হুলস্থূলৰ শব্দ ভাহি আহিল। "ধৰ, ধৰ, মাৰ, মাৰ।" লাহে লাহে গণ্ডগোল শাম কাটিল। অলপ সময়ৰ মূৰত যাদৱক বিচাৰি কেইজনমান মানুহ ওলালহি।

"পলালে ছালা, ইয়াতো নাই।"

পবিত্ৰই সুধিলে, "কি হৈছে, হৈছে কি?"

"এ্যাঃ নহয় একো। ছালাৰ মূৰটো কাটি ৰাখি থ'ব নোৱাৰিলোঁ, ছ্যাঃ।"

তেতিয়াৰ দিনত গাড়ী জ্বলাই দিয়াৰ কথা তৎক্ষণাৎ মানুহৰ মনত খেলোৱা নাছিল আৰু কোনোবা এজনে দোষ কৰিলে তাৰ সম্প্ৰদায়ৰ সকলোকে বা তাৰ সমবৃত্তিধাৰী সকলোকে উচিত শিক্ষা দিয়াৰ প্ৰথাও বাৰুকৈ প্ৰচলিত হোৱা নাছিল।

পবিত্ৰই ইহঁতক সকলোকে চিনি পায়। লগত মহেশ্বৰক দেখি সুধিলে, "কি অ' মহেশ্বৰ, কি হৈছে কচোন ক।"

"নহয় একো। কম দিয়ক পিছত। জাপ মাৰি দাখন আনোতে বেটাই পলালে। ক'ত যাবি ছালা। মহেশ্বৰে তোক নেৰে।"

পিছত মহেশ্বৰে ক'বলগীয়া নহ'ল। যাদৱেই ক'লে। মধুপুৰৰ বাছষ্টেশুত যাদৱে গল মেলি ভুমুকা-ভুমুকি কৰি চাই আছিল। তাক দেখি পবিত্ৰই বাছৰপৰা নামি গ'ল।

যাদৱে সুধিলে, "মহেশ্বৰহঁতৰ কোনোবা আছে নেকি গাড়ীত?"

"নাই। কি হৈছিল কচোন। মাজৰাতি মহেশ্বৰে দা লৈ তোক কাটিব আহিছিল।"

যাদৱে খিক্‌খিক্‌কৈ হাঁহিবলৈ ধৰিলে।

"হয়তো, মহেশ্বৰে মোক কাটিব বুলি মই ৰাছত আহি তাৰ কাৰণে ৰখি থাকিম। ইমান বুৰ্বক বুলি নাভাবিবচোন।"

"পিছে কিনো হৈছিল?"

"আহক ইফালে। কাকো নক'ব। যোৱাকালি কিবা দিনটোৱেই বেয়া আছিল। আপুনি বাঢ়া ভাত খাব নিদিলে। দিয়া অৱশ্যে উচিতো নাছিল। ৰত্নেশ্বৰ আপোনাৰ বন্ধু মানুহ। আপুনি যি কৰিছে ভালেই কৰিছে। আপুনি নহৈ আইন কোনোবা হ'লে তাতেই পেট ফালি দিলোঁ হয়। পিছত যি হ'বৰ হ'ল হয়। মহেশ্বৰৰ পৰিবাৰ ৰাতি বাহিৰলৈ ওলাইছিল। হাতত ধৰি টানি

আনিছোঁ মাত্ৰ, তাই বেটীয়েতো মস্ত চিঞৰে। চাওকচোন কপালখন। কোনো ৰকমে পলাই আহি হালাকুৰাৰপৰা মৰাপাটৰ ট্ৰাক এখনত উঠি এইখিনি পালোঁ।"

দুষ্কৰ্মৰ কাৰণে কোনো অনুশোচনা নাই। আনুসংগিক অসুবিধাবোৰৰ কাৰণেহে বিৰক্ত।

"এই লাইনত কিছুদিন মই যাব নোৱাৰিম। আপুনি প্ৰতাপক ল'ব। আপোনাৰ লগত মিলিব। বাছৰ কণ্ডাক্টৰ হৈ ফটা কামিজ পিন্ধি ফুৰে। বেঙাটো ক'ৰবাৰ। মই কিছুদিন বিলাসীপাৰা লাইনতেই থাকিম। ভাল পইচা আছিল এইটো লাইনত। কি আৰু কৰিম, কপাল বেয়া।"

দিন পাৰ হৈ গৈ আছে। উৰ্মিলাৰ মূৰৰ দুয়ো কাষৰ চুলিবোৰ পকিছে। পবিত্ৰৰ চেহেৰাতো বয়সৰ ছাপ পৰিছে। ড্ৰাইভাৰ বুলি এতিয়া আৰু মনত কোনো সংকোচ নাই। লাইনৰ নিয়মিত যাত্ৰীবোৰে কুশল প্ৰশ্ন কৰে।

মহিম চক্ৰবৰ্তী ঢুকাইছে। শেষৰ ফালে তেওঁ অতিশয় শান্ত হৈ পৰিছিল। পবিত্ৰকো বিদ্ৰূপ কৰা নাছিল। ৰঙা কাপোৰ পিন্ধাও এৰিছিল। শেষৰ ফালে তেওঁ ঘৰৰপৰা নোলাইছিল। একেবাৰে নিস্পৃহ। ঠিক নিস্পৃহ নহয়। পবিত্ৰৰ ল'ৰা ফটিকৰ পঢ়া-শুনাৰ প্ৰতি প্ৰখৰ দৃষ্টি। ৰাতিপুৱাই আন্ধাৰ থাকোঁতে মাতি মাতি তুলি দিছিল। এপ্ৰ'প্ৰিয়েট প্ৰিপোজিশ্বনৰ প্ৰশ্ন সুধি ফটিকক অস্থিৰ কৰি তুলিছিল। হয়তো অৱচেতন মনত আশা আছিল যে ফটিকে ভিন্ন পথেৰে আগবাঢ়ি বংশৰ মান ৰাখিব। ফটিক পঢ়াত খুব ভাল, ক্লাছত প্ৰথম হয়। ৰাম শাস্ত্ৰীৰ বংশধৰ, হুঁ, হুঁ, বিদ্যাচৰ্চাই এই বংশৰ আচল কাম। মাজতে বিচ্যুতি ঘটিছিল। ফটিকে আকৌ ঠিক লাইন ল'ব।

"ডাইভৰণী।"

বুদুৰ মাকে চিৰা-মুড়ি বিক্ৰী কৰে। এনেকৈ মাতিলে প্ৰথম প্ৰথম উৰ্মিলাৰ বৰ বেয়া লাগিছিল, আজিকালি মনেই নকৰে। বিয়াৰ কইনা হৈ যেতিয়া আহিছিল, শাহুৱেক জীয়াই আছিল। কায়স্থ জমিদাৰৰ অৱস্থা পৰি আহিলেও কিছুমান পৰম্পৰাগত ক্ৰিয়াকৰ্ম তেতিয়াও চলি আছিল। পুৰোহিত বংশৰ মহিলাবোৰকো বছৰি এবাৰ ৰাজবাৰীত অৰ্থাৎ জমিদাৰৰ ঘৰত নিমন্ত্ৰণ কৰা হৈছিল। বৌৰাণীয়ে অৰ্থাৎ জমিদাৰৰ ডাঙৰ বোৱাৰীয়েকে নিজ হাতে কেইগৰাকীমান বয়সস্থা মহিলাৰ ভৰি ধুৱাই দিছিল।

উৰ্মিলাৰ শাহুৱেক সংকোচত মৰি যোৱা যেন হৈছিল।

"নালাগে মাও, নালাগে। কি কাম যে কৰেণ তোমৰা। আমাৰ কাকে খাওৱা ফাটা ঠেং। লাজ লাগে মাও, হৈছে, হৈছে।"

অলপ পানী দিয়াৰ লগে লগে তেওঁ সসংকোচে ভৰি দুখন টানি নিছিল। এইবোৰ কথা উৰ্মিলাৰ এতিয়াও স্পষ্ট মনত আছে। বৌৰাণীয়ে সকলোৰে উপদেশ দিছিল। স্বামীৰ প্ৰতি কৰ্তব্য, সংসাৰৰ দায়িত্ব, বামুণৰ ঘৰৰ জীয়ৰী-বোৱাৰীৰ যোগ্য চলন-ফুৰণ সম্বন্ধে উপদেশ দিছিল। শুনি পিছে বেয়া লগা নাছিল। সেইবোৰ দিনৰ কথা সপোন যেন লাগে।

পবিত্ৰই উৰ্মিলাক সুধিলে, "কি ঠিক কৰিলা?"

"কিহৰ কি?"

"কক্কায়েৰাৰ ছোৱালীৰ বিয়াত যোৱাৰ?"

"কেনেকৈ যাওঁ? ফটিকৰ মেট্ৰিক পৰীক্ষা আহিলেই দেখোন। সি তো কোনো ৰকমে নাযায়। তাক এৰি মইনো যাওঁ কেনেকৈ? আপুনি কি কৰিব? যাব নেকি?"

"কেনেকৈ যাওঁ। বগ্ৰীবাৰীৰ মেলাৰ সময়ত নাথাকিলে শশীৰ দিগদাৰী নহ'ব?"

আচল কাৰণ কোনেও ন'কলে। কোৱাৰ প্ৰয়োজনো নাই।

গোটেই লাইনতে সংবাদটো প্ৰচাৰ হৈ পৰিছে। পবিত্ৰৰ ল'ৰাই চাৰিটা লেটাৰ লৈ মেট্ৰিক পৰীক্ষা পাছ কৰিছে। প্ৰতাপৰ গাত তত নাই। সিয়েই প্ৰচাৰ কৰিছে। য'তেই বাছ ৰৈছে, চিনাকি মানুহ দেখিলেই প্ৰতাপে খবৰটো জনাইছে।

সুৰেশ বাছষ্টেশুত ৰৈ আছে।

"দাদা, মিঠাই খুৱাব লাগিব।"

বিৰিজলাল শকত মানুহ। খালী ভৰিৰে শিলগুটিৰ ওপৰেদি কছৰৎ কৰি লৰৰি আহি বাছৰ আগত থিয় হ'ল।

"এ, পবিতৰ, ই না হোবে। মিঠাই নাখিয়ালে হাম বাছকো জানে নাহি দিবে।"

উভতি আহোঁতে আৰু বহুতে তাৰ কাৰণে ৰখি আছে। ৰত্নেশ্বৰৰ লগত তাইৰ ল'ৰা দুটাক লৈ ৰত্নেশ্বৰৰ ভনীয়েকো বেলগুৰিৰ বাছষ্টেশুত ৰৈ আছে।

তাই গভীৰ শ্ৰদ্ধাৰে সৈতে পবিত্ৰৰ ভৰি ছুই সেৱা কৰিলে।

"দাদা ইহঁত দুটাক আশীৰ্বাদ কৰক ইহঁতেও যেন আপোনাৰ দৰে হয়। আপোনাৰ ল'ৰাৰ ভাল নহয় যদি কাৰ হ'ব?"

ষ্টিয়াৰিঙত হাত থৈ পবিত্ৰই ভাবে, বহুতো কথা ভাবে। চৰকাৰীভাৱে হয়তো চিন্তা কৰাৰ অধিকাৰ তেওঁৰ নাই, শিক্ষা-দীক্ষা নাই, বিশ্ববিদ্যালয়ৰ ডিগ্ৰী নাই। তেওঁ যিখিনি শিকিছে, জীৱনৰ বাস্তৱ অভিজ্ঞতাৰপৰাই শিকিছে। স্পষ্ট আৰু প্ৰত্যক্ষ। যাত্ৰা তেওঁৰ শেষ হোৱা নাই। "পতন উত্থান বন্ধুৰ পন্থা, যুগ যুগ ধাবিত যাত্ৰী।"

বুনিয়াদ ধ্বংস হৈ যোৱা দালান এটাক ওপৰে ওপৰে মেৰামতি কৰি বেছি দিন থিয় কৰাই ৰাখিব নোৱাৰি। আজি নহয় কালি এইটো ধ্বংসস্তূপত পৰিণত হৈ সকলোকে হেঁচি মাৰিব। ইয়েই ইতিহাসৰ শিক্ষা। নতুন ভিত্তি স্থাপন কৰি সকৈকে হ'লেও নতুন ঘৰ এটাহে সাজিব লাগিব। পুৰণি ধ্বংসস্তূপৰ ফালে চাই হাহাকাৰ কৰি থাকিলেই নহ'ব।

প্ৰতিকূল অৱস্থাৰ লগত যুদ্ধ কৰি, সকলো বিদ্ৰূপ আৰু লাঞ্ছনা তুচ্ছ কৰি দৃঢ় প্ৰতিজ্ঞ হৈ পবিত্ৰই বলিষ্ঠ হাতেৰে ষ্টিয়াৰিং খামোচ মাৰি ধৰি গাড়ী চলাই আছে। মনত ক্ষোভ থাকিলেও দুৰ্বলতা নাছিল। আজি কিন্তু পবিত্ৰই কান্দিছে। উৰ্মিলাৰ চকুত যাতে ধৰা নপৰে তাৰ কাৰণে অলপ আঁতৰি ফুৰিছে। উৰ্মিলাইও পলাই ফুৰিছে। বুঢ়া বয়সত উৰ্মিলা চঞ্চল হৈ পৰিছে। বৃদ্ধ পবিত্ৰ চক্ৰবৰ্তীৰ কাৰণে এক সীমাহীন মৰমে তাইৰ বুকুখনত হেঁচা মাৰি ধৰিছে।

ফটিকে জোৰ কৰি মাক-বাপেকক তাৰ কাম কৰা ঠাইত কেইদিনমানৰ কাৰণে লৈ আহিছে।

সি ভাৰত চৰকাৰৰ এক বিখ্যাত ৰিছাৰ্চ চেণ্টাৰত কাম কৰে। ডক্টৰ সেন সেই প্ৰতিষ্ঠানৰ এক উচ্চ পদস্থ বিষয়া। তেওঁৰ ছোৱালী সুধন্যাৰ সেই প্ৰতিষ্ঠানতে কাম কৰা ফটিকৰ লগত এটা হৃদ্যতাপূৰ্ণ সম্বন্ধ গঢ়ি উঠিছে। মাক-দেউতাক অহা বুলি তাইক ফটিকে খবৰ দিছে। ডক্তৰ সেনক লগত লৈ তাই তেওঁলোকক মাত দিবলৈ আহিছে।

পবিত্ৰৰ ঘোৰ আপত্তি।

"মোক কিয় ? মই কিয় ? মইনো তেওঁলোকৰ লগত কি কথা পাতিম ? একো নাজানো। কিবা কওঁতে কিবা কম। নালাগে যা।"

ফটিকে শুনা নাই। জোৰকৈ দুয়োকো টানি আনিছে।

দুয়োজনে অতি আত্মসচেতনভাৱে হাঁহি হাঁহি অসহায় আৰু আড়ষ্টভাৱে বহি আছে।

ডক্তৰ সেনে ক'লে, "মধুপুৰৰ কথা মই জানোঁ। খুৰাৰ মুখত বহুত গল্প শুনিছোঁ। তেওঁ কিছুদিন মধুপুৰৰ দেৱান আছিল। আমি সৰু। তেওঁ কৈছিল যে তাৰ ব্ৰাহ্মণ আৰু কায়স্থ মানুহবোৰ হাইলি এডুকেটেড আৰু কালচাৰ্ড। ফটিকৰ সংস্পৰ্শত আহিলেই গম পায় যে তেওঁ এৰিষ্ট্ৰ'ক্ৰেটিক ফেমিলিৰ ল'ৰা।"

ফটিকে ডক্তৰ সেনৰ কথাৰ মাজতে হাঁহি দিলে।

"এৰিষ্ট্ৰ'ক্ৰেটিক মানে আপুনি কি বুজাইছে? মোৰ দেউতাই ড্ৰাইভাৰ কাম কৰিছিল। হি ওৱাজ এ ড্ৰাইভাৰ।"

কোনেও একো কোৱাৰ চেষ্টা নকৰিলে।

"তাৰ কাৰণে মোৰ কোনো লাজ নাই। তেখেতৰ ড্ৰাইভাৰ হোৱাৰ সাহস আছিল কাৰণে আজি মই এই প্ৰতিষ্ঠানত কাম কৰিছোঁ। তেখেতৰ কাৰণে মই গৰ্ববোধ কৰোঁ। ক'ৰবাত পঢ়িছোঁ মোগল সম্ৰাট বাহাদুৰ শাঁহৰ বংশধৰবোৰে আজিকালি দিল্লীৰ গলিত তৃতীয় শ্ৰেণীৰ বেশ্যাৰ দালালি কৰে। ঈশ্বৰক ধন্যবাদ যে তেখেতৰ ল'ৰা-ছোৱালীৰ তেনেকুৱা পৰিণতি হোৱা নাই। আই এম প্ৰাউড অৱ্ দ্য ওল্ড মেন।"

# ঐতিহ্য

খুব কম মানুহৰে ভূমিধৰ বৰুৱাৰ কথা মনত আছে। কাৰোৱেই মনত নাই বুলি ক'লেও ভুল নহ'ব। ভূমিধৰ বৰুৱা বৰ ডাঙৰ মানুহ আছিল বুলি ক'লে আজি আৰু কোনেও আপত্তি কৰিবলৈ নাযায়। হ'ব পাৰে, ইমান দিনৰ মূৰত কোনে কাৰ খবৰ ৰাখে? আজি ভূমিধৰ বৰুৱা ভৱনৰ দেৱালত আঁৰি থোৱা তেওঁৰ প্ৰমাণ আকাৰৰ তৈলচিত্ৰখন দেখিলে মানুহৰ মনত স্বয়ংক্ৰিয়ভাৱে সমীহৰ ভাব উদ্ৰেক হ'ব। পিন্ধনত 'গিলাকৰা' ধুতি, কাষলতিৰ তলেদি পাক মাৰি লোৱা গাত এখন অতি মূল্যবান কাশ্মিৰী শ্বাল। এখন হাতত ধুনীয়া এডাল লাঠি, খুব সম্ভৱ হাতীৰ দাঁতৰ, আনখন হাত ৰাজ-সিংহাসনৰ দৰে এখন চকীৰ পিছফালে ভেজা দি তেওঁ থিয় হৈ আছে। ভূমিধৰ বৰুৱাৰ চেহেৰা-পাতি সঁচাকৈ খুব ভাল আছিল। বাকীবোৰ হ'ল কলিকতাৰ প্ৰতিকৃতি অঁকা বিখ্যাত চিত্ৰশিল্পী এজনৰ কীৰ্তি। কাশ্মিৰী শ্বাল? ভূমিধৰ বৰুৱাই জনমত ছুই পাইছে নে? জাৰকালি সাধাৰণতে তেওঁ এখন লেতেৰা ফটা এৰী চাদৰ গাত মেৰাই ফুৰিছিল। পিছে শেষ পৰ্যন্ত সেই চাদৰখনো তেওঁ ৰাখিব নোৱাৰিলে। কেতিয়াবা দয়া কৰি জমিদাৰে তেওঁক পুৰণি পৰিত্যক্ত কাপোৰ-কানি দিছিল। তেনেকৈ পোৱা হাত দীঘল চুৰেটাৰ এটা আৰু গাত টানকৈ লাগিধৰা কোট এটাও আছিল। সেইবোৰৰ অৱস্থা নাইকিয়া হৈ পৰিছিল। ভঙা হওক, চিঙা হওক....। পিছে কথাষাৰ সঁচা নহয়। তেনেকুৱা পাটিৰ টঙালিয়ে দৈন্যক অধিকতৰ প্ৰকট কৰিহে তোলে।

যিবোৰে ভূমিধৰ বৰুৱাক জানিছিল তেওঁলোকে বৰুৱাৰ এই প্ৰতিকৃতিখন চাই হো-হোকৈ হাঁহি দিব। তেওঁলোকৰ চকুৰ আগত ভাহি উঠিব ফটা নীলা লুঙি পিন্ধা, চুচুক-চামাককৈ ফুৰা এজন মানুহৰ ছবি।

ভূমিধৰ বৰুৱা ভৱন। সদ্যহতে তাত প্ৰমাণ আকাৰৰ প্ৰতিকৃতিখন আঁৰি থোৱা হৈছে। তাৰপৰাই তীক্ষ্ণ দৃষ্টিৰে তেওঁ হলটো পৰ্যবেক্ষণ কৰি আছে। এক বিৰাট ব্যক্তিত্বৰ উপস্থিতিয়ে সকলোকে অভিভূত কৰি ৰাখিছে। ভৱিষ্যতে ভূমিধৰ বৰুৱা ভৱনত নন্দন বৰুৱাৰ দেউতাকৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তি এটাও প্ৰতিষ্ঠা কৰাৰ ইচ্ছা আছে। নন্দন বৰুৱা এজন কৰ্মকুশল মানুহ। তেওঁ সকলো কাম নিয়াৰিকৈ কৰে। এই ভূমিধৰ বৰুৱা ভৱন স্থাপন কৰাটোও তেওঁৰ সুশৃঙ্খল কৰ্মকুশলতাৰ এক সাৰ্থক অভিব্যক্তি, সফলতাৰ প্ৰতীক। জীৱনৰ সকলো দিশতেই তেওঁ সফল হৈছে। আনকি তেওঁ এক যোগ্য পিতৃৰ উপযুক্ত সন্তান বুলিও গৌৰৱ কৰিব পাৰে। এক অপদাৰ্থ পিতাকৰ পুত্ৰ হোৱাটো গৌৰৱৰ কথা নহয়। নন্দন বৰুৱাৰ দেউতাক যদিও ডাঙৰ

মানুহ নাছিল, নন্দন বৰুৱাই তেওঁক ডাঙৰ মানুহ হিচাপে গঢ়ি তুলিবলৈ দৃঢ় প্ৰতিজ্ঞ।

ভূমিধৰ বৰুৱাৰ কথা আজি আৰু কাৰো মনত নাই। অতীতে তেওঁক ঢুকি নাপায়। ৰামেশ্বৰ ডিহিদাৰৰ কথা নন্দন বৰুৱাই পাহৰি গৈছিল। পাহৰি যোৱাৰ কথাও। মানুহজন ঘৰৰপৰা নোলায়। তেওঁৰ মুখৰ দোষ হৈছে বুলি মানুহে কয়। একো কথা নহয়। নিশ্চয় গোপন কৰি ৰখা ছিফিলিছৰ বিলম্বিত আক্ৰমণৰ ফল। খুব এটা আদৰ্শ চৰিত্ৰৰ মানুহ তো নাছিল। ডিহিদাৰ আছিল ভূমিধৰ বৰুৱাৰ ঘনিষ্ঠ বন্ধু, অৰ্থাৎ একে ধৰণৰ পাখি থকা চৰাই।

কিবা এটা সহজাত অনুভূতিৰ প্ৰেৰণাৰ বশৱৰ্তী হৈ ভূমিধৰ বৰুৱা ভৱনৰ দ্বাৰোদ্‌ঘাটনৰ দিনা ৰামেশ্বৰ ডিহিদাৰ ভৱনটোত আহি উপস্থিত হ'ল।

"ৰাঃ, ৰাঃ বঢ়িয়া,"

ভূমিধৰ বৰুৱাৰ প্ৰতিকৃতিৰ সন্মুখত থিয় হৈ মুখ লুপিয়াই থকা দেখি নন্দন বৰুৱা ব্যস্ত-ভাৱে তেওঁৰ ওচৰলৈ আহিল।

"খুৰা, আপুনি ইয়াত। ক'ৰপৰা আহিলে? আহক, আহক, এইফালে আহক।"

গণ্যমান্য মানুহবোৰ গোট খাইছে। উপাযুক্তৰ অহাৰ সময় হৈছে।

"ভেৰি গুড, ভেৰি গুড। একেবাৰে ভদ্ৰলোক যেন দেখা হৈছেহে; ভূমি বুলি কোনে ক'ব? একদম চেঞ্জ হৈ গৈছে। ভেৰি গুড, ভেৰি গুড। আমিহে একে ধৰণে থাকি গ'লোঁ, নোম চোম গুচি ফাঁপৰে খোৱা কুকুৰ। মাতাচোন তাক, কেনেকুৱা ভদ্ৰলোক হৈছে চাওঁ।"

মহা জুলুমৰ কথা। মানুহৰ আগত ক'ত কি কয় ঠিক নাই।

"আহকচোন আহক, এইফালে আহক।"

নন্দন বৰুৱাই কৌতূহলী জনতাৰপৰা তেওঁক আঁতৰাই অনাৰ কাৰণে ব্যস্ত হৈ উঠিল।

"উহু, এনেয়ে নহ'ব। মিঠাই খুৱাব লাগিব। ইমান উন্নতি তোমাৰ পিতাৰৰ, বাপৰে।"

নন্দন বৰুৱাই তৰ্কা-তৰ্কি নকৰি দহ টকাৰ নোট এখন উলিয়াই তেওঁৰ হাতত গুজি দিলে।

"হেৰা, ওচৰৰ এই চাহৰ দোকানখনত মদ ৰাখে নেকি, ক'ব পাৰা।"

"ক'ব নোৱাৰোঁ, আহক আপুনি।"

এইবুলি তেওঁ হাতত ধৰি ডিহিদাৰক টানি উলিয়াই আনিলে।

নন্দন বৰুৱাৰ মানসিক প্ৰশান্তি নষ্ট হৈ গ'ল। ভূমিধৰ বৰুৱাৰ প্ৰতিকৃতিখনৰ ফালে চাই চাই তেওঁৰ নিজৰেই প্ৰায় এনেকুৱা এটা ধাৰণা হৈছিল যে তেওঁৰ দেউতাক সঁচাই এজন ডাঙৰ মানুহ আছিল। এতিয়া ডিহিদাৰে দেখি থকা ছবি এখন প্ৰতিকৃতিখনৰ ওপৰত অধ্যাৰোপিত হৈ সেইখন বিকৃত কৰি তুলিবলৈ ধৰিলে। ডিহিদাৰে দেখি থকা ছবিখন তেওঁ মচি পেলাব নোৱাৰে। ডিহিদাৰে জানে।

কিয় নাজানিব? একেলগে বহি মদ খাই হুলস্থূল কৰা মানুহ ভূমিধৰ বৰুৱাই মদ খাই হুলস্থূল কৰিছিল। তেওঁ যে কিমান উচ্চ বংশৰ সন্তান ঘাটে-বাটে উচ্চকণ্ঠে সেই কথা প্ৰচাৰ কৰি টলং-ভলংকৈ ঘৰলৈ আহিছিল।

"হিঃ হিঃ হিঃ। ককাদেউতা কম মানুহ নাছিল দে। ধুনীয়া জীয়ৰী-বোৱাৰী চকুত পৰিলে হেনো ঘৰৰ মানুহক হুকুম দিছিল, "আজি ৰাতি মোৰ তাত পঠিয়াই দিবি।" কাৰো সাধ্য নাছিল হুকুম অমান্য কৰাৰ। বাঘ আছিল, বাঘ। সেই কাৰণে মানুহে বাঘ বৰুৱা বুলি কৈছিলেই।"

ভূমিধৰ বৰুৱা বাঘ নাছিল। ক'লে শিয়াল বুলি ক'ব পাৰি। মাটি-বাৰী, সা-সম্পত্তি বিক্ৰী শেষ। পাওনাদাৰৰপৰা তেওঁ পলাই ফুৰিছিল। মদ খাই লগৰীয়াবোৰৰ আগত পাওনাদাৰ আৰু নিজৰ পূৰ্বপুৰুষৰ আপেক্ষিক অৱস্থা লৈ মজাৰ কথা কৈ হাঁহিছিল। হিঃ হিঃ হিঃ। উত্তমৰ্ণৰ উৎপাত বেছি হ'লে মানুহজনেই কিছুদিনৰ কাৰণে অদৃশ্য হৈ পৰিছিল। নিজৰ খোৱাবোৱাৰ কাৰণে চিন্তা নাই। চেহেৰা-পাতি ভাল, কথা-বতৰা পাতি মানুহক মুহিবও পাৰে; কোনোবা এজন জমিদাৰৰ ঘৰত উঠিলেই হ'ল। জমিদাৰবোৰকো মোচাহেব লাগে, ৰং-তামাছাৰ লগ লাগে, মদ খোৱাৰো সংগী লাগে। গতিকে ভূমিধৰ বৰুৱাৰ কোনো চিন্তা নাই। ঘৰত কি হৈছে, কেনেকৈ চলিছে, সেই লৈ তেওঁৰ কোনো উদ্বেগ নাই। যাব চলি কিবাকৈ।

মানুহে কয় নন্দন বৰুৱাৰ ওপৰত তেওঁৰ দেউতাকৰ কোনো প্ৰভাৱ পৰা নাই। কথাষাৰ যথাৰ্থতে সঁচা নহয়। সৰুতে নন্দন বৰুৱাই সমালোচকৰ দৃষ্টিৰে দেউতাকৰ প্ৰতিটো ভঙ্গী লক্ষ্য কৰি গৈছিল আৰু তেতিয়াই তেওঁ প্ৰতিজ্ঞা কৰিছিল যে তেওঁ কেতিয়াও তেওঁৰ দেউতাকৰ দৰে নহয়। ভাবাবেগহীন, কৰ্মঠ, সংযমশীল, হিচাপী; ইয়াৰ এটাও ভূমিধৰ বৰুৱাৰ নাছিল। নন্দন বৰুৱাৰ বৰ্তমান অৱস্থা ভূমিধৰ বৰুৱাৰ কাৰণেই।

তেওঁৰ লিখা-পঢ়া বিশেষ নহ'ল। তামাৰহাটৰ সুধীৰ মিত্ৰৰ বিৰাট কাৰবাৰ। নন্দনে প্ৰথমে তেওঁৰ কৰ্মচাৰী হিচাপে সোমাইছিল। পিছে সৰু-সুৰাকৈ নিজেই ধান-চাউলৰ কাৰবাৰ আৰম্ভ কৰিলে। যুদ্ধৰ সময়ত সপ্তাহটোৰ ভিতৰতে ধানৰ দাম দুগুণ-তিনিগুণকৈ বাঢ়ি যাবলৈ ধৰিলে। ভিতৰুৱা দুৰ্গম অঞ্চলৰ উপজাতিৰ মানুহে এইবোৰ কথা গম নাপায়—ধানৰ ওজন সম্বন্ধেও খুব বেছি সচেতন নহয়। কিছুদিনৰ ভিতৰতে নন্দন বৰুৱা সঁচাকৈ 'লাল' হৈ গ'ল। হাতত এবাৰ টকা গোট খালে আৰু কিহৰ চিন্তা? কৰ্মক্ষম মানুহ, কাৰবাৰ বিভিন্ন শাখা-প্ৰশাখাত বিস্তৃত হৈ পৰিল।

নন্দন বৰুৱা নামজ্বলা মানুহ। ধন-সম্পত্তি, মান-সন্মান সকলো তেওঁ নিজৰ চেষ্টাত আহৰণ কৰি লৈছে। অপদাৰ্থ, দায়িত্বজ্ঞানহীন, পাওনাদাৰৰ তাগিদাত পলাই ফুৰা দেউতাকৰ ইতিহাস সলনি কৰিব পাৰিলেই তেওঁক আৰু একো নালাগে।

ৰামেশ্বৰ ডিহিদাৰ আৰু নো কেইদিন জীয়াই থাকিব? নন্দন বৰুৱাই বহুতো টকা খৰচ কৰিছে। দৰকাৰ হ'লে আৰু সামান্য কিছু টকা খৰচ কৰিবলৈ তেওঁ আপত্তি নকৰে। মাজে মাজে দহ টকা দলি মাৰি দিলেই প্ৰতিকৃতিখনত যিধৰণে দেখুওৱা হৈছে ডিহিদাৰেও তেওঁৰ দেউতাকক সেই ৰূপতেই দেখিব। ছবিখন দেখিলেই গম পোৱা যায় যে তেওঁ এজন অতি সম্ৰান্ত মানুহ আছিল।

নন্দন বৰুৱাই তেওঁৰ ককাদেউতাক আৰু আজোককাক দেখা নাই। তেওঁলোক ডাঙৰ মানুহ আছিল বুলি কল্পনা কৰাত তেওঁৰ বিশেষ অসুবিধা নহয়। মদ খাই পইচা দিব নোৱাৰি

পলাই ফুৰি থাকোঁতে সীতানাথে থাপ মাৰি ধৰাত এৰী চাদৰখন তাৰ হাতত থৈ লৰৰি আহি গোটেই জাৰকালি কঁপি থকা দেউতাকৰ ছবিখনেই নন্দন বৰুৱাৰ চকুৰ আগত ভাহি উঠে।

দেউতাকে সন্তানক মানুহ কৰে। দেউতাকক অকল মানুহ নহয়, ডাঙৰ মানুহ কৰি তোলাৰ দায়িত্ব নন্দন বৰুৱাই নিজে লৈছে। জীৱনৰ সকলো ক্ষেত্ৰতে তেওঁ সফল হৈছে। এই ক্ষেত্ৰতো তেওঁ সফল হ'ব।

# দৃষ্টি

তাই দৃষ্টিৰ সমুখত নিজকে প্ৰকাশিত কৰি তুলিবলৈ বিচাৰে আৰু সি দৃষ্টিৰপৰা নিজকে লুকুৱাই ৰাখিবলৈ বিচাৰে। নগেন চৌধুৰী অভিজাত পৰিয়ালৰ ল'ৰা। বিদ্বান আৰু ধুনীয়া চেহেৰাৰ। গীতাও প্ৰতিষ্ঠিত পৰিয়ালৰ ছোৱালী। তাইৰ দেউতাক উচ্চখাপৰ পুলিচ বিষয়া। তায়ো ধুনীয়া, মৰম লগা, শিক্ষিতা।

দুয়ো পক্ষৰ মনত সুখ। বৰ ভাল দৰা এজন পোৱা গৈছে, বৰ ভাল ছোৱালী এজনী পোৱা গৈছে। ইয়াৰ পিছত দুয়োজনে সুখ আৰু শান্তিৰে জীৱন যাপন কৰিব। বোধহয় কৰিব, নকৰাৰতো কোনো কাৰণ নাই।

সৰুতে ফুৰিবলৈ ওলাওঁতে গীতাই যেতিয়া আপোন মনে জঁপিয়াই জঁপিয়াই ফুৰিছিল, তেতিয়া বাটৰ মানুহেও ক্ষন্তেক বৈ সপ্ৰশংস দৃষ্টিৰে তাইৰ ফালে চাইছিল। মানুহবোৰৰ মুখত স্বয়ংক্ৰিয়ভাৱে তৃপ্তি আৰু আনন্দৰ হাঁহি ফুটি উঠিছিল। তাই দেউতাকৰতো চকুৰ মণি। ঘৰত আহি তাইক কোলাত তুলি লোৱাৰ লগে লগে তেওঁৰ সকলো বিৰক্তি আৰু বিতৃষ্ণা আঁতৰি গৈছিল।

'গীতুমণি, ঋতুমণি,
গুণগুণনি, ঘূণঘূণনি।'

গম্ভীৰ প্ৰকৃতিৰ পুলিচ বিষয়াৰ এই অসংলগ্ন কথাৰ সোঁত শুনি গীতাৰ মাকে কপট খং প্ৰকাশ কৰে, "হ'ব দিয়া, ছোৱালীজনীক একেবাৰে মূৰত তুলিব ধৰিছা।"

"মূৰতেইতো থাকিব। চি উইল ৰিমেইন অন দ্য হেড।"

নগেন আৰু গীতা; সুখী দম্পতী। অসুখী হোৱাৰ কাৰণ নাই। গীতা দুদিনৰ কাৰণে মাকৰ ঘৰলৈ গৈছিল। উভতি আহোঁতে দুদিনমান দেৰি হ'ল। নগেনৰ মুখ গম্ভীৰ। মানুহজন অলপ কথা চহকী; কিন্তু আজি মুখত মাত নাই।

"কি হৈছে তোমাৰ?"

"কি আৰু হ'ব। একো হোৱা নাই।"

"খং কৰা কিয়? বালটি এটা দাঙোতে মাৰ ক'কাল লৰিল। অসহ্য বিষ, দুদিনমান নাথাকি কেনেকৈ আহোঁ?"

"কৈফিয়ৎ দিয়াৰ কি দৰ্কাৰ? কোনে তোমাক কি কৈছে?"

এইবোৰ খং বেছিপৰ নাথাকে। নগেন গীতাৰ ফালে আগবাঢ়ি গ'ল। বেৰত প্লাষ্টিকৰ ক্লিপ

লগাই আঁৰি থোৱা কেলেণ্ডাৰখন ধপকৈ মাটিত পৰি গ'ল। নগেনে জাঁপ মাৰি অস্বাভাৱিক ধৰণে চিঞৰি উঠিল, "কোন?"

নগেন হঠাৎ শান্ত হৈ পৰিল আৰু চিন্তিতভাৱে কোঠাৰপৰা ওলাই গ'ল।

গীতা উৎকণ্ঠিত হৈ উঠিল। কি হ'ল? কিবা কাৰণে এদিন তাই ঘৰত নাথাকিলে সি অধৈৰ্য হৈ উঠে। গীতাক কাপোৰ-কানি সলাবৰ সময় নিদিয়ে।

"ৰবাচোন ৰ'বা, কাপোৰযোৰ গ'ল। কোঁচমোচ খাই একেবাৰেই গ'ল।"

দুটা ভিন্ন সুঁতি একেলগ হৈ ফেনিল উচ্ছ্বাসত উদ্দাম হৈ উঠিছিল। আকৌ কেতিয়া কেনেকৈ ভিন্ন সোঁতত ব'বলৈ ধৰিলে কোৱা টান। মাজৰ কালছোৱাৰ স্মৃতি যেন এটা সপোনৰহে স্মৃতি। আগৰ সেই উচ্ছ্বাস নাই।

"এই বিকাশ, কিহে ক'ত আছা আজিকালি।" ফাঁচী বজাৰত ঘূৰি থাকোঁতে গীতাই বিকাশ বৰাক লগ পালে।

"আৰে গীতা। তোমাৰ বিয়া হৈ গ'ল বোলে। কোন সেই হতভগা?"

"বৰ ভাল মানুহ। এ ভেৰি নাইচ মেন।"

"নাইচ মেন তো হ'বই লাগিব; নহ'লে নো তোমাক বিয়া কৰায়নে।"

গীতাৰ চুলিখিনি বাৰে বাৰে আহি তাইৰ চকুৰ ওপৰত পৰে। কেতিয়াবা তাই চুলিখিনি মুঠা মাৰি ধৰি চুলিকোছাৰ ওপৰেদি হাতখনো পিছলাই চুলিখিনি আঁতৰাই দিয়ে। কেতিয়াবা মূৰটো এক বিশেষ ধৰণে জোঁকাৰ মাৰি চুলিখিনি তাই গুচাই দিয়ে।

বিকাশে ক'লে, "ক'ত যাবা? আহা, নমাই দি যাম।"

"মোৰ অলপ কাম আছে। তুমি যোৱা। এটা কাম নকৰা কিয়? কালি আবেলি আমাৰ তালৈ আহিবাচোন। চিনাকি কৰি দিম।"

"ঠিক আছে।"

"প্ৰমিজ?"

"প্ৰমিজ।"

গীতা ঘৰৰ ভিতৰত সোমাই থাকিব নোৱাৰে। চহৰৰ ফালে যাবই। বাটে বাটে অকলেই ঘূৰি ফুৰে। ইখন দোকানত সোমায়, সিখন দোকানত সোমায়। বস্তু যে এসোপা কিনে তেনে নহয়। এক ডজন চেফটি পিন বা এক বটল নেইল পলিচ। এনেকৈ অকলে অকলে ঘূৰা-ঘূৰি কৰিয়েই তাই ভাল পায়। বন্ধু-বান্ধৱৰ লগত চিনেমা চোৱা বা ৰেস্ত'ৰাত বহি খোৱাত তাইৰ আগ্ৰহ নাই। মাকৰ ঘৰলৈও তাই নাযায়। অনিশ্চিতভাৱে বাটত ঘূৰিয়েই তাই ভাল পায়। বাটৰুৱাই যেতিয়া তাইৰ ফালে চায়, কেতিয়াবা তেনেকুৱা কৰোঁতে মূৰটো নব্বৈ ডিগ্ৰীৰ বেছি ঘূৰাবলগীয়া হয়, তেতিয়া তাই এক অদ্ভুত ধৰণৰ আনন্দ বোধ কৰে। যদি এনেকৈ গৈ থাকোঁতে এজাক ডেকা ল'ৰাই তাইক লক্ষ্য কৰি কিবাকিবি মন্তব্য কৰে তেতিয়াও তাইৰ মনত আনন্দৰ উদয় হয়। খোজ-কাটলত তাইৰ কোনো চপলতা নাই। গহীনভাৱে সমুখৰ ফালে চাই ধীৰ স্থিৰ খোজেৰে আগবাঢ়ি যায়। পিছে চাৰিওফালে কি হৈছে, কি নহৈছে, কোনে কি কৰিছে,

নৱকিশোৰে সকলো তাইৰ চকুত পৰে। চুলিখিনি বাৰে বাৰে চকুৰ ওপৰলৈ নামি আহে, বিশেষ ধৰণে মূৰটো জোঁকাৰি তাই চুলিখিনি চকুৰ ওপৰৰপৰা আঁতৰাই দিয়ে। অইন একো কথা নাই। মানুহৰ মুখ আৰু সম্প্ৰসাৰিত দৃষ্টি তাইৰফালে নিবদ্ধ হৈছে, তাতেই তাইৰ আনন্দ। এই অনুভূতিয়ে তাইক ৰোমাঞ্চিত কৰি তোলে।

পশ্চিম উত্তৰি আহোঁতে নগেন চৌধুৰীয়ে গীতাক ক'লে,

"আবেলি বিকাশ বৰুৱা বুলি মানুহ এজনে তোমাক বিচাৰি আহিছিল।"

"হয় হয়, কালি ৰাতি কলেজত লগ পাই ময়েই আহিবলৈ কৈছিলোঁ।"

"তেনেহ'লে ওলাই গ'লা কিয়?"

"একেবাৰে পাহৰি গৈছিলোঁ। ছিঃ, খুব বেয়া পাইছে বোধহয়। কি বা ক'লে?"

"এ জেন্টিলমেন ইয়ং মেন। অসমীয়া ল'ৰা মিলিটাৰীত খুব কমেই আছে। কথা পাতি বৰ ভাল লাগিল। কাশ্মীৰলৈ যোৱাৰ কাৰণে আমাক মাতি গৈছে। ফুৰা-চকাৰ সকলো ব্যৱস্থা কৰি দিব।"

গীতাক এই ধৰণে ঘূৰি ফুৰা দেখি মানুহে নানা ধৰণৰ মন্তব্য কৰে। "আছে কোনোবা, লগ ধৰিবলৈ ওলাই যায়। আৰু এওঁনো কেনেকুৱা মানুহ? সদায় যে ওলাই যায়, একো নকয় নেকি?"

পিছে মানুহৰ ধাৰণা ভুল। তাই কাকো লগ পাবলৈ ওলাই নাযায়। কাৰো লগত বহি আড্ডা নামাৰে, কাৰো লগত ঘূৰিও নুফুৰে। সন্মুখৰ ফালে দৃষ্টি নিবদ্ধ কৰি গহীনভাৱে অকলে বাটে বাটে ঘূৰি ফুৰে। চুলিখিনি বাৰে বাৰে চকুৰ ওপৰলৈ নামি আহে। বিশেষ এক ভংগীত মূৰটো জোঁকাৰি চুলিখিনি তাই আঁতৰাই দিয়ে।

"কোন?"

নগেন চৌধুৰীয়ে চিএৰি দিয়াৰ লগে লগে মুখখন সাউৎকৰে আঁতৰি গ'ল। খিৰিকীৰ তলৰ তিনি চতুৰ্থাংশ ঢাক খোৱাকৈহে পৰ্দা, ওপৰৰ এক চতুৰ্থাংশত পৰ্দা নাই। খিৰিকীৰ ওপৰৰ আইনাৰ মাজেৰে কোনোবা এজনে স্থিৰ দৃষ্টিৰে নগেনৰ ফালে চাই আছে। পিছে কেনেকৈ? খিৰিকীখন যথেষ্ট ওখ। কিহত উঠি থিয় হৈছে? চোৰ নেকি? চোৰেনো কিয় স্থিৰ দৃষ্টিৰে তাৰ ফালে চাই থাকিব?

কিছুদিনৰপৰা নগেনৰ আকৌ এইটো অনুভূতি হৈছে; তাৰ প্ৰতিটো ভংগী কোনোবাই যেন লক্ষ্য কৰি আছে। তাৰ মনৰ কথাও যেন এই দৃষ্টিৰ আগত প্ৰকাশ হৈ পৰিছে। তাক কোনো ধৰণৰ ব্যাখ্যা কৰাৰ সুযোগ নিদিয়াকৈ তাৰ সম্বন্ধে একপাক্ষিক ধাৰণা এটা সৃষ্টি কৰি লৈছে। কাৰোবাৰ অপলক দৃষ্টিৰ সন্মুখত সি যেন নাঙঠ হৈ থিয় দি আছে।

বাঃ, অপূৰ্ব। চলমান শিল্পকৃতি। নগেন চৌধুৰীয়ে মুগ্ধ বিস্ময়ে বাটেৰে গৈ থকা ছোৱালীজনীৰ ফালে তন্ময় হৈ চাই ৰ'ল। খোজৰ কি অপূৰ্ব ভংগী। খোজে প্ৰতি কি ছন্দোময় হিল্লোল। নগেনে পাৰিপাৰ্শ্বিকতাৰ কথা পাহৰি গ'ল।

কিন্তু ইকি? সি কি কৰি আছে সেই সম্বন্ধে সচেতন কৰি দিয়াৰ কাৰণে কোনোবাই যেন

ধেমালি কৰি তাৰ গাত লাহেকৈ এটা ঠেলা মাৰি দিলে। সি চক খাই উঠি চাৰিওফালে চালে। কোনোতো নাই। এইবোৰ কি? কোনে তেনেহ'লে তাৰ প্ৰতিটো কাৰ্য নিৰীক্ষণ কৰি আছে?

আকৌ তাৰ মেজাজটো বেয়া হৈ গ'ল। ইমানপৰে সি পাহৰি আছিল, এতিয়া আকৌ তাৰ এনেকুৱা এটা ভাব হ'ল যে কোনোবাই তাৰ ফালে মৰ্মভেদী দৃষ্টিৰে চাই আছে।

কিবা কাৰণে ওলাব নোৱাৰিলে গীতাৰ মেজাজ খিংখিঙীয়া হৈ উঠে। নগেনে অৱশ্যে একো ধৰিব নোৱাৰে। সি সকলোৰে ফালে চকু দিয়ে, কিন্তু গীতাক হ'লে দেখা নাপায়।

দোকানৰ কৰ্মচাৰীবোৰে খৰিদ্দাৰক বিধে বিধে বস্তু দেখুৱাবলৈ টান পায়। দুটা বস্তু চাই তৃতীয়টো চাবলৈ বিচাৰিলে বিৰক্ত হৈ উঠে আৰু এই বিৰক্তি প্ৰকাশো কৰে। পিছে গীতাৰ ক্ষেত্ৰত এই কথা নাখাটে। তাইক বস্তু দেখুওৱাটো এটা আনন্দদায়ক কাম। নালাগে বুলি ক'লেও নুশুনে। কাউন্টাৰত বস্তুৰ দ'ম লাগি যায়। গীতাই বিব্ৰত বোধ কৰে। অবাধ্য চুলিকোছাক বাৰে বাৰে গুচাবলৈ গৈ আৰু বেছি বিব্ৰত হৈ পৰে।

সুশীলা অপেশ্বৰীতো নহয়, ধুনীয়া বুলিও তাইক ক'ব নোৱাৰি। তাইৰ সম্পদ হ'ল যৌৱন, উদ্ধত যৌৱন। তাই নিজে নিবিচাৰিলেও তাইৰ যৌৱনৰ এক দুৰ্বাৰ আকৰ্ষণ আছে। তাইৰ বিয়া হৈছে। তথাপিতো তাই দেউতাকৰ ঘৰতে থাকে। তাইৰ দেউতাক কৃপানাথ বুঢ়া হ'লেও এতিয়াও যথেষ্ট কৰ্মক্ষম হৈ আছে। বুঢ়াই ঘৰৰ চাৰিওপিনে ফলৰ গছ লগাইছে; আম, লেটেকু, ৰবাব টেঙা। বুঢ়াই দিনটো বাৰীত লাগি থাকে, চৰাই-চিৰিকতি আৰু মানুহৰ আক্ৰমণৰপৰা ফলবোৰ ৰক্ষা পৰে। আবেলি একপাচি ফল লৈ বজাৰত বিক্ৰী কৰিবলৈ যায়। বুঢ়াৰ বস্তুৰ দাম সদায় বেছি, গ্ৰাহকে যুঁজি থাকিলেও এক পইচা দাম কমোৱাত নাই, তথাপিতো বস্তুবোৰ বিক্ৰী হয়। বৰ ভাল ফল, এনেকুৱা সোৱাদ থকা ফল এই অঞ্চলত পাবলৈ নাই। বুঢ়াৰ জোঁৱায়েক ৰঘুনাথ বুঢ়াৰ ঘৰতে থাকিলেও ঘৰত সি প্ৰায়েই নাথাকে। সি সোণাৰিৰ কাম কৰে। সেই কাৰণে মানুহে তাক কয় ৰঘু বণিয়া। জনজাতি অধ্যুষিত অঞ্চলত থাকি সি তাতেই কাম কৰে। মাজে সময়েহে ঘৰলৈ আহে। সুশীলাৰ ককায়েক ধৰণীয়ে তামোল-পাণৰ কাৰবাৰ কৰে। ধৰণীয়ে ওচৰৰ গাৱঁবোৰত তামোল-পাণ বিচাৰি ঘূৰি ফুৰে। মৰাৰ আগলৈকে সুশীলাৰ মাকে নগেন চৌধুৰীহঁতৰ ঘৰত কাম কৰিছিল। সৰুতে সুশীলা নগেনহঁতৰ খেল-ধেমালিৰ লগ আছিল। চিএন্দ্ৰ-বাথৰ হুলস্থূলত সুশীলাহঁতৰ চোতাল মুখৰিত হৈ উঠিছিল,

"ঘোঁৰিয়াল তোৰ পানীত নামি—লোঁ, তোৰ পানী খা-লোঁ।"

অসহ্য হ'লে কৃপানাথে ভাবি দি উঠিছিল।

"যা যা, যা ইয়াৰপৰা। বাপৰে ইমান হুলস্থূল!"

কোনে শুনে কাৰ কথা? ঘোঁৰিয়ালৰ আক্ৰমণৰপৰা নিজকে ৰক্ষা কৰিবলৈ উধাতু খাই লৰৰি যাওঁতে কোনোবাই কৃপানাথকেই খুন্দা মাৰি দিয়ে। কৃপানাথেও বৰ বেছি আপত্তি নকৰে। গোটেইবোৰেই 'ভদ্ৰলোক'ৰ ল'ৰা-ছোৱালী।

জপনাখনৰ ওচৰত সুশীলা থিয় হৈ আছিল। নগেনক ঘৰৰ সমুখেদি গৈ থকা দেখি তাৰ ফালে নোচোৱাকৈ তাই মাত লগালে।

"বাপৰে, মানুহে আজিকালি আমাৰ ফালে ঘূৰিও নাচায়।"

"কি অ', কি খবৰ? ভালে আছ?"

"আমাৰ আৰু ভাল বেয়া।"

নগেনে সুশীলাৰ ফালে চালে। এজাক গৰম বতাহ আহি তাৰ গাত লাগিল; বেছিকৈ পকা ফলৰ গোন্ধৰ দৰে তীব্ৰ গোন্ধ এটা তাৰ নাকত সোমাল। সি তৎক্ষণাৎ চকু দুটা ঘূৰাই বেগাবেগিকৈ গুচি গ'ল।

"শুনচোন শুন, এটা কথা শুনি যা।"

এদিন নহয়, দুদিন নহয়। সুশীলা এতিয়া দেখাত কেনেকুৱা হৈছে নগেনে ক'ব নোৱাৰে। সি তাইৰ ফালে মুখ তুলি চোৱা নাই। পিছে সেই লৈ কথা নাই। এটা দুৰ্নিবাৰ জান্তৱ আকৰ্ষণ, লগতে এটা আতংকৰ ভাব।

"এই সন্ধিয়াখন ঘৰত এটাও প্ৰাণী নাথাকে ইমান যে বেয়া লাগে।"

"বল।"

নগেনে কিয় যে তেনেকৈ ক'লে নিজেই নাজানে। সুশীলাই সচকিত দৃষ্টিৰে তাৰ ফালে চালে। দৃষ্টিত প্ৰশ্ন, শংকা আৰু আগ্ৰহ।

"বল।"

খেৰৰ ঘৰ, বাঁহৰ বেৰ। মাটিৰ মজিয়া। আন্ধাৰ হৈ আহিবলৈ ধৰিছে, কিন্তু এতিয়াও সম্পূৰ্ণ অন্ধকাৰ হোৱা নাই। হাতত ধৰি নগেনে সুশীলাক ঘৰৰ ভিতৰলৈ লৈ গ'ল। গোটেই কোঠাটো আগুৰি এখন বিছনা। এইখন বিছনাতে তাই ৰঘুনাথৰ লগত থাকে।

"এই কি কৰ? কোনোবাই দেখিব।"

প্ৰতিৰোধ কৰিলেও দুৰ্বল প্ৰতিৰোধ। দুয়ো লুটি খাই বিছনাত পৰিল। হঠাতে সুশীলাই গভীৰ আতংকত চেপা মাতেৰে চিঞৰি উঠিল।

"কোন?"

সুশীলাৰ দৃষ্টি অনুসৰণ কৰি নগেনৰ দৃষ্টি খিৰিকীখনত নিবদ্ধ হ'ল। খিৰিকী মানে বেৰখন কাটি অলপমান ফাক ৰখা হৈছে। খিৰিকীখনৰ সিফালে ছাঁয়ামূৰ্তিৰ দৰে এটা মানুহৰ মূৰ। ঘনীভূত আন্ধাৰত চকু দুটা জ্বলি আছে। নগেনে সিফালে চোৱাত সাউৎকৰে মূৰটো গুচি গ'ল। কোন সেইজন? কৃপানাথ নে ৰঘুনাথ নে ধৰণী?

জোতাৰ দোকানৰ মেনেজাৰজনে উদ্বিগ্ন হৈ গীতাক সুধিলে, "আপুনি আহিল কেনেকৈ?"

"কিয়? বাছেৰে।"

"সিফালে ভীষণ গণ্ডগোল আৰম্ভ হৈছে। কাৰফিউ দিছে বুলি শুনিলোঁ। যাব কেনেকৈ?"

আহি থাকোঁতে তাই ঠায়ে ঠায়ে মানুহে জুম বান্ধি থকা দেখিছিল। বাছৰ মানুহেও কিবাকিবি কৈ আছিল। তাই সিমান মন কৰা নাছিল।

কথাবাৰ শুনি তাই বৰ ব্যস্ত নহ'ল। দেউতাক উচ্চখাপৰ পুলিচ বিষয়া। প্ৰয়োজন হ'লে পুলিচৰ গাড়ীত তাইক পঠিয়াই দিব পাৰিব। দোকানৰপৰা ওলাই তাই বাটেৰে মন্থৰ গতিৰে

খোজ কাঢ়িবলৈ ধৰিলে। নিশ্চিন্তভাবে বাটেৰে খোজকাঢ়ি থকা একমাত্ৰ মহিলা গীতা। ভীতগ্ৰস্তভাৱে বেগাবেগিকৈ মানুহবোৰ গৈ আছে। তাৰ মাজতেই গীতাক দেখি সিহঁতৰ গতি মুহূৰ্তৰ বাবে হ'লেও মন্থৰ হৈ পৰে। আতংকৰ মাজতো সিহঁতে মুগ্ধ দৃষ্টিৰে গীতাৰ ফালে চায়। তাইৰ মনটো ভাল লাগি যায়। সিফালৰপৰা তিনিজন ডেকা ল'ৰা উৰ্ধশ্বাসে লৰৰি আহি আছিল। গীতাক বাটেৰে যোৱা দেখি সিহঁত ৰৈ গ'ল। অকৃত্ৰিম শুভেচ্ছাৰ সৈতে ক'লে,

"বাটত নাথাকিব, সোনকালে ঘৰলৈ যাওক। যিকোনো মুহূৰ্তত ইফালেও গণ্ডগোল আৰম্ভ হৈ যাব পাৰে।"

গীতাৰ মনত কোনো উদ্বেগ নাই। চকুৰ ওপৰত পৰি থকা চুলিকোছা হাতেৰে গুচাই নিশ্চিতভাৱে তাই আগবাঢ়ি গৈ থাকিল।

পৰৱৰ্তী কালত ঘটা বহুতো ঘটনাৰ তলত আগৰ ঘটনাটো চেপা পৰি আছিল। নগেন চৌধুৰীয়ে সেই অপ্ৰীতিকৰ ঘটনাটোৰ কথা পাহৰি গৈছিল। আকৌ সেই দৃশ্য আৰু আনুষংগিক অনুভূতিবোৰ ওপৰলৈ ভাহি উঠিল। নগেনে আতংক, উদ্বেগ আৰু আশংকা আকৌ উপলব্ধি কৰিলে। বিভিন্ন ধৰণৰ আশংকা, এটা আনটোতকৈ বেছি ভয়াবহ। ৰঘুনাথে জনজাতীয় অঞ্চলৰপৰা হঠাতে উভতি আহি সিহঁতক অশালীন অৱস্থাত আৱিষ্কাৰ কৰিলে নেকি? ৰঘুনাথে সুশীলাক মৰিয়াবলৈ আৰম্ভ কৰিব নেকি? মাৰৰ কোবত ৰ'ব নোৱাৰা হৈ তাই ক'ব নেকি যে তাইৰ কোনো দোষ নাই, নগেনে তাইক অকলে পাই জোৰ খটুৱাব বিচাৰিছিল। ৰঘুনাথে তাইক মাৰিয়েই পেলাব পাৰে নেকি? তেতিয়াহ'লে কি হ'ব? থানা, পুলিচ হুলস্থূল। তাৰ ভূমিকাৰ কথাও ওলাই পৰিব নিশ্চয়। গোটেই ৰাজ্য ৰজনজনাই যাব। এইহে নগেন চৌধুৰী, এটা দুৰ্বৃত্ত আৰু লম্পট।

বাৰু, সেইজন কৃপানাথ আছিল নেকি? তেওঁ কি কৰিব? মনে মনে থাকিব নে? নগেনৰ দেউতাকক কৈ দিব নেকি? হে ভগবান। এই জঘন্য অভিযোগত অভিযুক্ত হৈ সি দেউতাকৰ সমুখত থিয় হ'ব কেনেকৈ?

সেইজন ধৰণী নহয়তো? তমীজ বেপাৰীৰ লগত তাৰ খুব ভাল। তমীজ বেপাৰী হ'ল আচলতে তমীজ গুণ্ডা। সি একাধিক মানুহক খুন কৰিছে বুলি সকলোৱে জানে। ধৰণীয়ে নগেনকো শেষ কৰি দিয়াৰ কাৰণে তমীজক ধৰিব নেকি? এক ঘৃণ্য অপৰাধৰ কাৰণে এক লজ্জাজনক মৃত্যু।

এই উদ্বেগ অসহ্য। হঠাতে সুশীলাই আৰ্তনাদ কৰি উঠে নেকি তাকে শুনাৰ কাৰণে নগেনে কাণ পাতি ৰয়। কৃপানাথক এইপিনে অহা যেন দেখিলে তাৰ বুকুখন ধপধপাবলৈ ধৰে। তীক্ষ্ণ দৃষ্টিৰে সি ধৰণীৰ গতিবিধি লক্ষ্য কৰে। অসম্ভৱ। এই উদ্বেগ অসহ্য।

উদ্বিগ্ন হৈ মাকে তাক প্ৰশ্ন কৰে, "কি হৈছে তোৰ? ভাত-পানী নোখোৱা হৈছ দেখোন? গা বেয়া নেকি?"

"নাই হোৱা একো।"

মুগৰাহ ভাত মুখত দি সি লৰালৰিকৈ আঁতৰি যায়। ঘটনাটো জনাৰ পিছত থাকিলে

একমাত্ৰ মাকৰহে তাৰ প্ৰতি সহানুভূতি থাকিব। তেতিয়াও নগেনৰ প্ৰতি তেওঁৰ মৰম নোহোৱা হৈ নাযায়। মাকৰ মৰমৰ মাত শুনি মনৰ এই দুৰ্বল অৱস্থাত সি কান্দি দিব পাৰে। লৰালৰিকৈ সি মাকৰ সমুখৰপৰা আঁতৰি গ'ল।

চৌবিছ ঘণ্টা কাৰোবাৰ দৃষ্টিগোচৰ হৈ থকা এই অস্বস্তিকৰ অনুভূতি সঁচাকৈ বৰ কষ্টকৰ। কাৰ চকু সেইটো নজনা কাৰণে পৰিস্থিতি আৰু বেছি যন্ত্ৰণাদায়ক। অস্পষ্টভাৱে নগেনৰ ধাৰণা হয় চকু দুটা যেন প্ৰতীকহে, কিহৰ প্ৰতীক সি ধৰিব নোৱাৰে।

পৰিস্থিতিয়ে দুয়োকো দুইফালে উটাই নিবলৈ ধৰিলে। নগেনে স্থিৰ নিবদ্ধ দৃষ্টিৰপৰা নিজকে আঁতৰাই ল'বলৈ বিচাৰে আৰু গীতাই মুগ্ধ দৃষ্টিৰ সমুখত নিজকে দাঙি ধৰিবলৈ বিচাৰে। এজনে ঘৰৰ ভিতৰত নিজকে আবদ্ধ কৰি ৰাখিলে আৰু আনজন ঘৰৰপৰা বাটলৈ ওলাই আহিল।

সিদিনালৈ জীৱনটো কি ধুনীয়া আৰু ভাবনাহীন আছিল। নিশ্চিত নিৰাপত্তাত পাখি মেলি ভাহি ফুৰি আছিল। মুহূৰ্তৰ দুৰ্বলতা আৰু অবিমৃষ্যকাৰিতাৰ কাৰণে সকলো নষ্ট হৈ গ'ল। এই মানসিক উদ্বেগ অসহ্য। এনেকুৱা অৱস্থাত মানুহ বোধহয় আত্মঘাতী হয়। সকলো যন্ত্ৰণাৰ সমাপ্তি।

নগেনৰ মেজাজ হ'ল খিংখিঙীয়া, কোনো কাম কৰাৰ মন নাই। ক্লাছ লোৱাৰ ইচ্ছা নাই। ইমান ৰং-ধেমালি কৰি থকা মানুহজন সদায় বিমৰ্ষ হৈ থকা হ'ল। মানুহে লক্ষ্য কৰি কোৱাকুই কৰিবলৈ ধৰিলে, "কি হৈছেহে মানুহজনৰ? ক্লাবতো নাহে, কাকো নামাতেও।"

"কিয় নহ'ব? বভাহ হওক ৰৰষুণ হওক তেওঁৰ পৰিবাৰ হ'লে সদায় ওলাই যাব। এনেয়ে যায় নে? কিবা এটা আছে নিশ্চয়। মানুহজনৰ কাৰণে বেয়া লাগে।"

গীতাৰ দেউতাককো কোনোবাই ক'লে,

"গীতাৰ কি হৈছে? সদায় পাণবজাৰ-ফাঁচীবজাৰত অকলে অকলে ঘূৰি ফুৰা দেখা পাওঁ। সিদিনা দেখিলোঁ আইচক্ৰীম চুহিচুহি আপোনমনে বাটেৰে গৈ আছে। এতিয়াও এনেকৈ ফুৰিলে ভাল নেদেখি নহয়।"

নগেন চৌধুৰীয়ে মাজতে ঘটনাটোৰ কথা পাহৰি গৈছিল। এটা বিস্মৃত দুঃস্বপ্ন। অজানিতে ক'ত কি স্পৰ্শ কৰিলে যে বন্ধ খিৰিকীখন আকৌ খোল খাই গ'ল। পুৰণি অনুভূতিবোৰ আকৌ সি নতুনকৈ অনুভৱ কৰিলে।

ভাল শিক্ষক বুলি নগেন চৌধুৰীৰ সুনাম আছে। ক্লাছ লৈ থাকোঁতে হঠাতে সূত্ৰ ছিগি গ'ল। কি কৈ আছিল সি পাহৰি গ'ল আৰু কি ক'ব লাগিব সেই কথাও তাৰ মনত নপৰা হ'ল। স্থিৰ দৃষ্টিৰে চাই থকা এযোৰ চকুৰ বাহিৰে এইন একোকে সি নেদেখা হ'ল। এক মিনিট দুই মিনিট সময় পাৰ হৈ যাবলৈ ধৰিলে। গোটেই ক্লাছত বিস্মিত নিস্তব্ধতা। তলমূৰকৈ নগেন ক্লাছৰপৰা ওলাই গ'ল। নাই, এনেকৈ নচলিব। মানুহজন কোন আছিল সেইটো জানিব পৰা হ'লেও এটা কথা আছিল।

কৃপানাথ ঢুকাইছে, ধৰণীয়ে বিয়া-বাৰু কৰাইছে। ধৰণীৰ পৰিবাৰে সুশীলাইতক খেদিছে,

অৰ্থাৎ তাইৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি সিহঁত বেলেগে থাকিবলৈ লৈছে। সুশীলাই হয়তো গম পাইছে মানুহজন কোন আছিল।

নগেন চৌধুৰী গাৱঁৰ ঘৰলৈ গ'ল। সুশীলাক কেনেকৈ লগ ধৰা যায়? কোলাত এটা ল'ৰা লৈ সুশীলা সিহঁতৰ ঘৰত উপস্থিত। নগেনৰ মাক ঘৰত নাছিল।

সুশীলাই খুব সহজভাৱে তাক মাত লগালে।

"হোঃ, তই দেখোন। কেতিয়া আহিলি? অ' সেইকাৰণে খুৰীয়ে মোক মাতিছে; বৰা চাউল খুন্দি দিব লাগে। ল'ৰাক পিঠা খুৱাব।"

সন্তান কোলাত লৈ সুশীলাক মেডোনাৰ দৰে দেখা গৈছে বুলি ক'ব পাৰি। মহিমাময়ী মহিলা। দৈহিক আকৰ্ষণৰ কোনো প্ৰশ্ন নাই।

"ৰবিচোন তোৰ লগত এটা কথা আছে।"

নগেনৰ গহীন মাত শুনি সুশীলা অলপ সন্ত্ৰস্ত হ'ল।

"এতিয়া তেনেহলে যাওঁ; পিছত আহিম।"

"নহ'ব নিষ্পত্তি এটা কৰিবই লাগিব।"

"সিদিনা খিৰিকীৰে কোনে চাই আছিল গম পাইছনে?"

সুশীলাই বিবুদ্ধি হৈ তাৰ ফালে চালে।

"কোনদিনা কোনে কি চাই আছিল?"

"সেই যে এদিন গধূলি....।"

সুশীলাই হাঁহিবলৈ ধৰিলে। হাঁহি যেন শেষেই নহ'ব।

"ৰ, এনেকৈ হাঁহি আছ কিয়?"

"নাহাঁহি কি কৰিম?"

"হাঁহিৰ কথা কি হ'ল?"

"হাঁহিৰ কথা নহয়? ভয়ত যিটোহে জঁাপ মাৰি উঠিছিলি। কোনো নাছিল।"

"কোনো নাছিল?"

"নাছিলতো। তোক ভয় খুওৱাৰ কাৰণে কৈছিলোঁ। নহ'লে জানো ৰক্ষা আছিল?"

# নিস্তব্ধতা

"আজি কিমান তাৰিখ কোৱাচোন।"

ইভাৰ মাত শুনি সুৰেশে চক খাই উঠিল। ইভাই তেওঁক প্ৰশ্ন কৰিছে, এইটো এটা অস্বাভাৱিক ঘটনা। তেওঁ সমুখত থকা ট্ৰিবিউনখন চাই ল'লে।

"পোন্ধৰ অক্টোবৰ। কিয় ?"

"নাই, এনেয়ে সুধিছোঁ।"

"ঠিকেই তো, তোমাৰ ঠিকেই মনত আছে তো।"

"অক্টোবৰ পোন্ধৰ তাৰিখে মই এই নতুন কামত জয়েন কৰিছোঁ। পোন্ধৰ অক্টোবৰ নহয় জানো ?"

নতুন কামত যোগ দিয়াতো তেওঁলোকৰ বিয়াৰ তিনি বছৰৰ পিছৰ ঘটনা। সেই একেই তাৰিখে সুৰেশে শিক্ষকৰ কাম এৰি প্ৰশাসনিক বিভাগৰ কামত যোগ দিছে।

সুৰেশ পৰিবাৰৰ উপস্থিতি সম্বন্ধে সচেতন নহয়। পৰিবাৰ নেপথ্যত আছে, বিদেহী আত্মাৰ দৰে অথবা অদৃশ্য দেৱীৰ দৰে। সংলাপৰ প্ৰয়োজন ক'ত? চাহ বা ভাত খাবলৈ মুখেৰে কোৱাৰ প্ৰয়োজন ক'ত? সমুখত চাহৰ কাপ বা ভাতৰ কাঁহীখন আগবঢ়াই দিলে খোৱাৰ কাৰণেই দিছে বুলি জনা কথা। "খোৱা" বুলি কোৱাৰ কি প্ৰয়োজন ? ভাষা নো কিয় লাগিছে? মুখৰ কথাতকৈ সবল বাহুৰ আকৰ্ষণ অধিকতৰ অৰ্থবোধক নহয় জানো ? ইভাৰো জানো সুৰেশৰ প্ৰয়োজনৰ কথা বুজাত কিবা অসুবিধা হয় ? ভাষা নো কিয় লাগিছে? বাটত কেতিয়াবা ওলালেও তেওঁলোকৰ মাজত কথা-বতৰা নহয়। খোজকাঢ়ি গ'লে সুৰেশ থাকে দহ খোজমান আগত আৰু ইভা দহ খোজমান পাছত। ইভাই ঠিকেঠাকে আহি আছে নে নাই সুৰেশে কেতিয়াও ঘূৰি নাচায়। উজুটি খাই পৰিছে নে ভিৰ ঠেলি আগবাঢ়িব পাৰিছেনে নাই সেইবোৰলৈ সুৰেশৰ লক্ষ্য নাই। চিটী বাছৰ ওচৰ পালে আগজাননী নিদিয়াকৈ হঠাতে সুৰেশে বাছত উঠি যায়। ইভাইও অকাই-পকাই ঠেলি-হেঁচি ভিৰৰ মাজেৰে বাছত উঠে। এতিয়ালৈ কেতিয়াও বৈ যোৱা নাই।

সুৰেশৰ কথা বেলেগ। বাহিৰত বা অফিচত মানুহক লগ পায়, কথা ক'বলৈ বাধ্য হয়। ইভাৰ মাজে মাজে আতংক হয়, তেওঁ কথা ক'বলৈ পাহৰি গ'ল নেকি? নিজে নিজে অকলে অকলে কথা পাতে। কাল্পনিক সুৰেশক প্ৰশ্ন কৰে।

"আমাৰ বিয়াৰ দিনা হঠাতে কেনেকৈ বৰষুণ দিবলৈ আৰম্ভ কৰিলে তোমাৰ মনত আছে?

ৰভাৰ তলত কেনেকৈ পানীৰ সোঁত ব'বলৈ ধৰিছে, আছে মনত?”

“খোবা-খুবীৰ দিনা পেন্ট পিন্ধা ছোৱালী এজনীয়ে যে খুব কায়দা কৰি ফটো তুলি আছিল তাই তোমাৰ কি হয় বুলি কৈছিলা? বিয়া হ'ল নে নাই তাইৰ?”

কোনো প্ৰশ্নৰে কোনো উত্তৰ নাই। অৱশ্যে এইবোৰ প্ৰশ্নৰ কোনো গুৰুত্ব নাই, অৰ্থহীন প্ৰশ্ন। ইভাই নিজে নিজে কথা পাতি থকাও বাদ দিলে।

সহকৰ্মী সকলে নিজৰ নিজৰ পৰিবাৰৰ কথা কয়। কিছুমানে ধেমালি কৰি কয়। (পাৰিবাৰিক ভয়ংকৰ বুলি দেখুওৱা এটা প্ৰচলিত ধেমালিৰ সমল) কিছুমানে সঁচাকৈ অকৃত্ৰিম তিক্ততাৰ সৈতে কয়।

“ঘৰত তিষ্ঠিব নোৱাৰি। ঘৰৰ মানুহজনীয়ে চৌবিছ ঘন্টা কেট কেট কৰি থাকে। এইটো নাই, সেইটো নাই। এইটো লাগে, সেইটো লাগে। তদুপৰি কথাই কথাই দোষ। বহাকোঠাৰ মজিয়াত চিগাৰেটৰ ছাঁই পৰিল, গছকত গোবৰ আহিল। চৌবিছ ঘন্টা সন্ত্ৰস্ত হৈ থাকিব লাগে। পাণৰপৰা চূণ খহিলেই হুলস্থূল।”

লগৰবোৰে সুৰেশক জোকায়।

“বৰদলৈক পৰিবাৰৰ এগেইনষ্টে কেতিয়াবা কিবা কোৱা শুনিছে?” সঁচাকৈ কোনেও কেতিয়াও শুনা নাই।

সুৰেশে যি অৱস্থাত তাইৰপৰা আঁতৰি গৈছে ইভা ঠিক সেই একে অৱস্থাতে অলপো লৰচৰ নকৰাকৈ চিং হৈ বিছনাত শুই আছে। কি ভয়ংকৰ ঠাণ্ডা। তেওঁ যেন এটা বৰফ-স্তূপৰ ওপৰতহে শুই আছে। ক'ৰবাত অদ্ভুত এটা শব্দ হৈ আছে—পিছে তেওঁ এই শব্দৰ উৎসৰ সংযোগ কৰিব নোৱাৰিলে। বহুত দূৰত জুই জ্বলি থাকিলেও এনেকুৱা শব্দ হ'ব পাৰে। পিছে ইতিমধ্যে তেওঁৰ গোটেই শৰীৰ জাৰত চেঁচা পৰি গৈ আছে। শৰীৰ ভেদ কৰি ৰন্ধ্ৰে ৰন্ধ্ৰে অনুপ্ৰৱেশ কৰি এই শীতলতাই তেওঁৰ অন্তৰখনকো হিমশীতল কৰি তুলিছে। প্ৰচণ্ড শীতৰ প্ৰকোপত তেওঁৰ গোটেই সত্তা কঁপিবলৈ ধৰিলে। দক্ষিণ মেৰুৰ বিষয়ে ইভাই একো নাজানে। কিন্তু ইয়াত, এই বিছনাখনত সুৰেশৰ কাষত শুই তেওঁ দক্ষিণ মেৰুৰ নিৰ্জনতা আৰু শীতলতা উপলব্ধি কৰিবলৈ ধৰিলে।

কঁপি কঁপি বিনিদ্ৰ অৱস্থাত তেওঁ সপোন দেখিবলৈ ল'লে। মাঘৰ দোমাহীৰ দিনা ৰাতিপুৱাই গা-পা ধুই যি জুইকুৰাৰ ওচৰলৈ আহিছিল তেওঁ সেই জুইকুৰাৰ সপোন দেখিলে। আকাশৰ পিনে ঊৰ্দ্ধমুখী অগ্নিশিখাক আলিংগনৰ কাৰণে মেলি দিয়া হাত বুলি তেওঁ কল্পনা কৰিলে। উলাহত নাচি থকা জুইকুৰাৰ ফালে মন্ত্ৰমুগ্ধৰ দৰে চাই থাকি থাকি তেওঁ শীতৰ কথা পাহৰি গ'ল।

ইভা নাই। ইভা নো কোন? হেজাৰ চেষ্টা কৰিও সুৰেশে ইভাৰ ছবিখন স্পষ্টকৈ চকুৰ সমুখত দাঙি ধৰিব নোৱাৰিলে। চোতালৰ বোকাখিনি ডেও দি পাৰ হৈ যোৱাৰ কাৰণে সাৱধানে মেলি দিয়া সোঁভৰিৰ ছবিখন, কৰচেৰে ভাত দি থকা হাতৰ একাংশৰ ছবি, এনেবোৰ খণ্ড খণ্ড চিত্ৰহে চকুৰ আগত ভাহি উঠিবলৈ ধৰিলে। নাই, সুৰেশে ইভাৰ সামগ্ৰিক ৰূপটো কেতিয়াও

দেখা নাছিল।

হয়, মনত আছে। তেওঁলোকে নৈৰ পাৰৰ শ্মশানলৈ গৈছিল। স্বভাৱ অনুসাৰে কোনে কি কৰি আছে সুৰেশে লক্ষ্য কৰা নাছিল। দিগন্তৰ ফালে উদাস দৃষ্টিৰে চাই থাকি তেওঁ এটাৰ পিছত এটা চিগাৰেট হুপি আছিল। উভতি আহোঁতে একেই ধৰণে তেওঁ এবাৰো ঘূৰি চোৱা নাছিল ইভাই তেওঁৰ পিছে পিছে আহি আছে নে নাই। কোনোদিনাই প্ৰয়োজন হোৱা নাছিল। আনকি বিয়াঘৰ এখনতো ইভাৰ জা-জলপান খোৱা হ'ল নে নাই সেই কথা বিচাৰ নকৰাকৈ তেওঁ ঘৰৰ পিনে খোজ লৈছিল। তেওঁ নিশ্চিত আছিল যে ইভা তেওঁৰ পিছে পিছে আহি থাকিব।

টেৰিলিনৰ শাৰীত ষ্টোভৰ জুই লাগি ইভাৰ মৃত্যু হোৱাত সকলোৱে মনত বৰ দুখ পালে। সুৰেশৰ প্ৰতি সহজাত এক সমবেদনা বোধ কৰিলে। বেচেৰা, অত্যন্ত ভাল মানুহ। আচল দোষ টেৰিলিনৰ শাৰীৰ। এইবোৰ কাপোৰ পিন্ধি জুইৰ ওচৰলৈ যাব নাপায়। আত্মহত্যা বুলি কোনোবাই অলপ সন্দেহ প্ৰকাশ কৰাত সকলোৱে জাঙুৰ খাই উঠিল।

"কিয় চুইচাইড কৰিবহে? মানুহে পৰিবাৰক কিমান গালি-গালাজ কৰে। নাম নকওঁ দিয়কচোন, দুই এজনে হাতো চলায়। বৰদলৈয়ে কোনোবা দিনা পৰিবাৰক কিবা কৈছে? কওকচোন কোনে ক'ব পাৰে।"

# সমদল

কেতিয়াবা কেতিয়াবা মোৰ ধাৰণা হয় যে নতুন পৃথিৱীখনত বাস কৰাৰ যোগ্যতা মোৰ নাই। জাপ জাপ অচল নোট লৈ বহি আছোঁ। মই এক ভিন্ন পৃথিৱীৰ মানুহ। মূল্যবোধ ভিন্ন, প্ৰতিক্ৰিয়া ভিন্ন, ভাব ভিন্ন, ভাষাও ভিন্ন। এই নতুন পৃথিৱীখনৰ লগত মই নিজকে খাপ খুৱাই ল'ব পৰা নাই।

ঘৃণা, বিদ্বেষ আৰু তিক্ততাৰ বিভিন্ন ঘটনাৰ বিৱৰণবোৰ পঢ়ি মই অসহায় বোধ কৰোঁ। গোটেই পৃথিৱীখন যেন হিংসাত উন্মত্ত হৈ উঠিছে। এইখন এখন নতুন পৃথিৱী, অপৰিচিত আৰু আচহুৱা। বিনা প্ৰৰোচনাত, ধীৰ-স্থিৰভাৱে মানুহে নিৰীহ বাছৰ যাত্ৰীবোৰক কেনেকৈ হত্যা কৰে, মই এই কামৰ কোনো যুক্তি বিচাৰি নাপাওঁ। মই যে মোৰ ঘৰৰ নিৰাপদ আশ্ৰয়ত ল'ৰা-ছোৱালী লৈ বাস কৰি আছোঁ এইটো যেন এটা স্বাভাৱিক ঘটনা নহয়, এটা ব্যতিক্ৰমহে। কেতিয়াবা মোৰ ভাব হয় এইটো যেন এটা সপোন, অতীতৰ অবিস্মৃত স্মৃতি।

পিছে এই সকলোবোৰেই যেন স্বাভাৱিক ঘটনা। আজি পৃথিৱীত জীৱনৰ অস্তিত্ব কেইজনমান মদগৰ্বী উন্মাদৰ খাম-খেয়ালিৰ ওপৰত নিৰ্ভৰ কৰি আছে। এই পৰিপ্ৰেক্ষিতত প্ৰেম আৰু ঘৃণাৰ প্ৰচলিত সংজ্ঞাৰ কিবা অৰ্থ থাকিব পাৰে নে? জীৱন আৰু মৰণৰ কিবা গুৰুত্ব আছে নে? অজ্ঞাতে অনুপ্ৰৱেশ কৰি এই আতংকৰ বিষবাষ্পই প্ৰতিজন মানুহৰ মনক বিষাক্ত কৰি তুলিছে। আমাক নিসাৰ কৰি তুলিছে। প্ৰেম, প্ৰীতি এইবোৰ শব্দই হাঁহিৰ উদ্ৰেক কৰে। আজিৰ দিনটোত জীয়াই থকাটোৱেই কথা। ভৱিষ্যৎ নো ক'ত? ভৱিষ্যতৰ এটা খণ্ডিত অংশ দেখোন হিৰোছিমা আৰু নাগাচাকিত মুখ থেকেচা খাই পৰি আছে। ইয়াৰ পিছতো ভৱিষ্যতৰ ৰূপ নো কেনেকুৱা সেই সম্বন্ধে কাৰো কিবা সন্দেহ থাকিব পাৰে নে? স্পষ্ট নিদৰ্শন। নতুনকৈ ঘৰ-দুৱাৰ সাজিলেও এই নিদৰ্শন ঢাক খাই নাযায়। কোনো এজনী মাতৃয়ে যেতিয়া তেওঁৰ সন্তানৰ ফালে হাত দুখন আগবঢ়াই দিয়ে, তেওঁ নিশ্চিত নহয় যে শেষ পৰ্যন্ত তেওঁ সন্তানটিক আঁকোৱালি ল'ব পাৰিব। কোনোবা এজন প্ৰেমিকে তেওঁৰ প্ৰেমিকাৰ কাণে কাণে কিবা ক'বলৈ গৈ নিশ্চিত হ'ব নোৱাৰে যে তেওঁ বাক্য এটা শেষ কৰিবলৈ পাৰিব নে নাই। সম্ভাব্য ভয়ংকৰ ভৱিষ্যতৰ কথা পাহৰি থোৱাই ভাল। ভৱিষ্যৎহীন মানৱজাতি। পৃথিৱী মৰুভূমিত পৰিণত হ'ব? কি নো হ'ল আতে? ভূপালত বিষাক্ত বাষ্পৰ কুণ্ডলীয়ে হেজাৰ হেজাৰ মানুহৰ মৃত্যু ঘটালে। তাতেই বা কি ক্ষতি? পাঞ্জাবত বাছৰ যাত্ৰীবোৰক এজন এজনকৈ গুলীয়াই মাৰিলে? ক্ষতি কি? ঠিকেই। কিনো ক্ষতি? ভৱিষ্যৎহীন মানুহৰ কাৰণে এইবোৰ

অতি তুচ্ছ ঘটনা।

সমুখৰ দেৱালত প্ৰতিহত হৈ মোৰ দৃষ্টি অতীতৰ ফালে উভতি যায়। মোৰ অতীতক মই নতুনকৈ ভাল পাবলৈ লৈছোঁ। মোৰ চিনাকি অতীত। সকলো বাধা-বিঘিনি, বঞ্চনা আৰু অসম্পূৰ্ণতা লৈ মোৰেই অতীত। উভতি যাবলৈ হ'লে একেটা বাটেৰে উভতি যাব লাগিব, ফালৰি কাটি যোৱাৰ উপাই নাই। অতিকৈ চিনাকি এই পথ।

এক হিচাপে মই ভাগ্যবান। জীৱনত বহুতো মানুহক ঘনিষ্ঠভাৱে জনাৰ সুযোগ পাইছোঁ। সৰুসুৰা অতি সাধাৰণ মানুহ, এজন আনজনতকৈ বেলেগ, প্ৰত্যেকৰে সমস্যাও বেলেগ।

বসন্তদা আছিল ঘোৰ মদাহী, চৰিত্ৰ নিৰ্মল নহয়। পিছে মোৰ স্বভাৱ-চৰিত্ৰ যাতে ভালে থাকে সেই বিষয়ে অতিশয় সচেতন। ভালকৈ থিয় হ'ব নোৱাৰে, চকু দুটা ভালকৈ মেলি ৰাখিব নোৱাৰে, তথাপি লগ পালেই মোক সতৰ্ক কৰি দিয়ে।

"কেতিয়াও নাখাবি। বৰ বেয়া বস্তু। এবাৰ ধৰিলে আৰু ৰক্ষা নাই।"

বাৰে বাৰে চেষ্টা কৰিও ৰক্ষা শব্দটো তেওঁ আয়ত্তত আনিব নোৱাৰে। পিছে মোৰ বুজাত কোনো অসুবিধা নহয়। মই তেওঁক আশ্বস্ত কৰোঁ।

"নাই, নাখাওঁ।"

"ঠিক। তই বৰ ভাল ল'ৰা। কাৰ ল'ৰা। চাব লাগিবতো। কাৰোবাৰ লগত তোৰ কিবা লাগিছে নেকি?"

"নাই লগা।"

"কোনোবাই কিবা ক'লে মোক ক'বি, পিটি লাচ বনাই দিম।"

নিশ্চয় ক'ম বুলি মই তেওঁক কথা দিওঁ।

"বাৰু, মোৰ লগত কথা পাতিবলৈ তোৰ ভয় নালাগে?"

"কিহৰ ভয়?"

"গধূলি মোৰ লগত দেখিলে মানুহে তোকোতো বেয়া বুলি ভাবিব পাৰে। কোনোবাই কিবা ক'লে মোক কবি কিন্তু।"

"নিশ্চয় ক'ম।"

ইন্টাৰভিউ দিবলৈ যাম। পেণ্ট এটা চিলাব লাগিছিল। হৰেশ্বৰ খুব পাকৈত দৰ্জী। পূজাৰ সময়। হৰেশ্বৰ ভীষণ ব্যস্ত।

"উশাহ ল'বৰ সময় নাই। পাৰিলে আৰু নলওঁ নে? সঁচাকৈ নোৱাৰিম।"

বাটত বসন্তদাৰ লগত দেখা হ'ল। মোৰ আপত্তি আওকাণ কৰি মোৰ হাতত ধৰি টানি হৰেশ্বৰৰ দোকানলৈ লৈ গ'ল।

"এই হৰেশ্বৰ, তই ইমান ডাঙৰ মানুহ হৈছ? ইয়াক পেণ্টটো লাগে বুলি তোৰ তালৈ আহিছে, তই ঘপকৈ নোৱাৰোঁ বুলি কৈ দিলি? চাওঁ ভদ্ৰৰ জোখ লচোন।"

"নাই ভাই, ইমান কাম জমা হৈ আছে যে উশাহ ল'বৰ সময় নাই।"

ময়ো আপত্তি কৰিলোঁ। বসন্তদাই মোৰ কথাত কাণ নিদিলে।

"সময় নাই যদি বাজে কথা কৈ সময় নষ্ট কৰিছ কিয়? চটপট জোখটো ল। কেতিয়া লাগিব?" শেষৰ প্ৰশ্নটো কৰিলে মোক।

"শনিবাৰে গধূলি পালে হ'ব।"

"এদিন হাতত ৰখা ভাল। তেনেহ'লে এই কথাই থাকিল। ভদ্ৰই লৈ যাব নে মই আহিম? শুকুৰবাৰে গধূলি, মনত থাকিব?"

"থাকিব।"

হঠাতে বসন্তদা জকি উঠিল।

"ভদ্ৰৰ ফালে ঘোপাকৈ চাইছ কিয়?"

"ক'ত ঘোপাকৈ চাইছোঁ?"

"খবৰ্দাৰ ঘোপাকৈ নাচাবি।"

"নাচাওঁ।"

সৰুৰেপৰা বিভিন্ন মানুহৰ লগত মোৰ ঘনিষ্ঠতা হৈছে। মোৰ গতি-বিধি এটা নিৰ্দিষ্ট গণ্ডীৰ মাজত সীমাবদ্ধ নাছিল। জীৱনত অসংখ্য মানুহৰ মৰম আৰু শুভেচ্ছা পাইছোঁ। এই মানুহবোৰ অৱশ্যে ডাঙৰ মানুহ বা বিখ্যাত মানুহ নহয়। আদৰ্শ চৰিত্ৰৰ মানুহো নহয়, সাধাৰণ মানুহৰ দোষ-ত্ৰুটীৰপৰাও মুক্ত নহয়। টুকুৰা শীল, কান্দুৰা ভূঁইমালী, নেত্ৰবাহাদুৰ নেপালী। কাৰো লগত মিলামিচা কৰাত মোৰ কোনো সংকোচ নাছিল।

নিচেই সৰুকালৰপৰা সকলো ধৰণৰ মানুহে মোক গভীৰভাৱে আকৰ্ষণ কৰিছিল। কাঠমিস্ত্ৰীয়ে কাম কৰিবলৈ আহিলে ময়ো সিহঁতৰ লগত কামত লাগি গৈছিলোঁ। প্ৰথম প্ৰথম সিহঁত বিৰক্ত হৈছিল, পিছত কিন্তু সহজভাৱে মোক গ্ৰহণ কৰিছিল। নিঃসংকোচে মনৰ কথা কৈছিল। ৰঘুনাথ মিস্ত্ৰীৰ এষাৰ কথা মনত পৰিলে এতিয়াও মই বিস্ময়ত অভিভূত হৈ পৰোঁ। মিস্ত্ৰী খুব স্ফূৰ্তিবাজ মানুহ। কাম কৰি থাকোঁতে থাকোঁতে হঠাতে উচ্চকণ্ঠে গান গাই উঠে। নিজৰ অৱস্থাৰ বৰ্ণনা দিবলৈ গৈ মিস্ত্ৰীয়ে কৈছিল, "বাবু, অথাই পানী। পাঁচ হাতেই হওক বা পঞ্চাছ হাতেই হওক।"

ৰাজমিস্ত্ৰীৰ লগত লগ লাগি মই ৰাজমিস্ত্ৰীৰ কামো কৰিব পৰা হৈছিলোঁ। মই লক্ষ্য কৰিছোঁ যে সকলো ৰাজমিস্ত্ৰীৰ ভংগীবোৰ বৰ মন্থৰ। ৰাজমিস্ত্ৰীক সহায় কৰা কৰ্মীবোৰ তিৰোতা মানুহ। মিস্ত্ৰীৰ গালি খোৱাটো সিহঁতৰ কাৰ্য-তালিকাৰ অংশ। এজনী ছোৱালীৰ কথা এতিয়াও মোৰ মনত আছে। নাম আছিল চিৰিয়া। জীৱনত বহুতো ধুনীয়া ছোৱালী দেখিছোঁ, কিন্তু তাইৰ দৰে যৌৱনৰ এনেকুৱা অপূৰ্ব ছন্দ মই আইন কাৰো দেখা নাই। এদিন তাই নহা দেখি মই সুধিলোঁ,

"আজি চিৰিয়া অহা নাই?"

"চিৰিয়া ভাগ গিয়া।"

তাই হেনো কাৰোবাৰ লগত গুচি গৈছে।

ৰমেশ্বৰ কলিতাই তেওঁৰ মনৰ আন্তৰিকতা প্ৰথমে মোৰ আগত প্ৰকাশ কৰিছিল। তেওঁ

জমিদাৰৰ তলত আমিনৰ কাম কৰিছিল। খুব পাৰদৰ্শী কৰ্মী। ভাৰতবৰ্ষৰ সমস্যাৰ সমাধান কৰাটো তেওঁৰ কৰ্তব্যৰ ভিতৰত নপৰে। পিছে হঠাতে তেওঁ ভাৰতবৰ্ষৰ অৱনতিৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় আৱিষ্কাৰ কৰি পেলালে। বৈদিক যুগৰ আদিতে বৰুণ হেনো প্ৰধান দেৱতা আছিল। এই বৰুণ দেৱতাক পূৰ্ব সম্মানত প্ৰতিষ্ঠা কৰিলে তেঁৱেই সকলো সমস্যাৰ সমাধান কৰি দিব। তেওঁৰ এই বিশ্বাসৰ কথা প্ৰথমে তেওঁ মোকেই কৈছিল। মই তেওঁৰ কথা শুনি হাঁহিছিলোঁ। তেওঁ লাহে লাহে মানুহৰ মাজত তেওঁৰ মতবাদ প্ৰচাৰ কৰিবলৈ ধৰিলে। তাতেই সন্তুষ্ট নাথাকি তেওঁ ডাঙৰ ডাঙৰ মানুহক চিঠি লিখিবলৈ ধৰিলে। শেষ পৰ্যন্ত তেওঁ ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদ, প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰু সকলোকে চিঠি লিখিবলৈ আৰম্ভ কৰি দিলে। দিনটো তেওঁ তাকেই কৰে, বৰুণৰ প্ৰাচীন গৌৰৱ আৰু কীৰ্তিৰ নিদৰ্শন দাঙি ধৰি চিঠি লিখে। কাম-কাজ একেবাৰেই বাদ দিলে। নিদি উপায়ো নাই। ইমান ডাঙৰ এটা সমস্যা লৈ তেওঁ ব্যস্ত। এইবোৰ তুচ্ছ কাম কৰাৰ তেওঁৰ সময় ক'ত? মই মানুহজনক ভাল পাইছিলোঁ। বৰ নিৰ্বিৰোধী আৰু শান্ত স্বভাৱৰ মানুহ। সম্পূৰ্ণ পগলা হৈ গ'ল মানুহজন।

সাধু, চোৰ, খুনী, পণ্ডিত, কাৰো লগত ঘনিষ্ঠভাৱে মিলাত মোৰ কোনো অৰুচি নাই। হয়তো মই এই সকলোবোৰৰ এক বিচিত্ৰ সংমিশ্ৰণ। তেওঁলোকে যি কৰে অনুকূল অৱস্থাত ময়ো হয়তো তাকেই কৰিব পাৰোঁ।

বাবুৰামে মোক ভাল পাইছিল। যদিও সি এজন হত্যাকাৰী তথাপি এতিয়াও সি মোক ভাল পায়। গাৱঁৰ ঘৰলৈ গ'লে মোক দেখিলে সি অকৃত্ৰিম আনন্দ প্ৰকাশ কৰে। এতিয়া তাৰ এটা দাঁতো নাই। তাৰ সোলা মুখৰ হাঁহি দেখিলে মোৰ সঁচাকৈ ভাল লাগি যায়। এজন ভাল বুঢ়া মানুহ। ডেকা কালতো সি বেয়া নাছিল। সৰল প্ৰকৃতিৰ নিৰ্বিৰোধী মানুহ। অক্লান্ত পৰিশ্ৰম কৰি সংসাৰ চলায়।

বাবুৰাম ৰামবিহাৰী সিঙৰ হত্যাৰ মামলাত জড়িত হৈ পৰিল। ৰামবিহাৰী সিং আছিল জমিদাৰৰ দাৰোৱান আৰু চকীদাৰবিলাকৰ মুৰব্বী। প্ৰকাণ্ড মানুহ, নামকৰা পালোৱান। বাবুৰামৰ সাধ্য নাই সি অকলে ৰামবিহাৰীৰ নোম এডাল লৰাব। ৰহিম, কৈলাস আৰু ভেলুৰ লগত লগ লাগি বাবুৰামে নৈৰ পাৰৰ পথাৰত থকা তাৰ ঘৰৰ ওচৰত ৰামবিহাৰীক হত্যা কৰিলে। খুব কেঁচা কাম। কোনো এজনো বৃত্তিধাৰী হত্যাকাৰী নহয়। তৎক্ষণাৎ গোটেইকেইজন ধৰা পৰিল। সিহঁতে অভিযোগ অস্বীকাৰ কৰি পৰস্পৰবিৰোধী কৈফিয়ৎ দিবলৈ ধৰিলে। শৈলেশ খুৰা আছিল সিহঁতৰ উকীল। তেওঁ বিৰক্ত হৈ উঠিল।

"কি কৰিবা ইহঁতক লৈ? ইটোৱে যদি কিবা কয়, সিটোৱে কয় তাৰ ওলোটাটো। শিকাই-বুজাই একো কৰিব নোৱাৰোঁ।"

শৈলেশ খুৰাৰপৰা মই আচল ঘটনাৰ সম্ভেদ পাওঁ। ৰামবিহাৰীৰ লগত বাবুৰামৰ পৰিবাৰৰ অবৈধ সম্বন্ধ আছিল। নিৰীহ বাবুৰামক ৰামবিহাৰীয়ে মানুহ বুলি গণ্য কৰা নাছিল। বাবুৰামৰ পৰা ঘটনাটো গোপন কৰি ৰখাৰো সি বিশেষ চেষ্টা কৰা নাছিল। বাবুৰামৰ হৈছে মৰিল। ৰামবিহাৰীৰ ভয়ত সি তাক তো একো ক'ব নোৱাৰেই, নিজৰ পৰিবাৰকো একো ক'বলৈ

সাহস নকৰে। ইফালে সহ্য কৰিও থাকিব নোৱাৰে। বাকীবোৰৰ লগত লগ লাগি সিহঁতে তাক কাঁদত পেলাবৰ যুক্তি কৰিলে। একো বুদ্ধি নহয়। সিহঁতৰ কিবা এটা মতলব আছে বুলি ৰামবিহাৰীয়ে অলপ আঁচ পাইছিল, কিন্তু খাতিৰ কৰা নাছিল। সিহঁতৰ দৰে দহজনেও তাৰ একো কৰিব নোৱাৰে। ৰামবিহাৰী শিৱৰ মহা ভক্ত। বৈ বৈ 'বোম বোম' বুলি চিঞৰি উঠে। বাবুৰামে শিৱ পূজা কৰাৰ কাৰণে ৰামবিহাৰীক মাতিলে, ভালদৰে ঘোটা বনাবলৈ কি কি লাগিব তাৰো তালিকাখন ল'লে। ইতিমধ্যে সিহঁতে ঘৰৰ কাষত কুঁৱাৰ দৰে গভীৰ গাঁত এটা খান্দি থ'লে। ৰামবিহাৰী সেই গাঁতটোত পৰি গ'ল। সিহঁতে মাটি, গোবৰ, জাবৰ যি পালে তাকে দি গাঁতটো পুতি দিলে। আনকি প্ৰাণৰ ভয়ত যশোদাইও পাচিতকৈ মাটি কঢ়িয়াই গাঁতটো পোতাত সহায় কৰিলে। সিহঁতৰ খৰখৰ লাগি গ'ল। ৰামবিহাৰীয়ে গাঁতত পৰি ষাঁড়গৰুৰ দৰে চিঞৰি আছে। ওচৰ-পাঁজৰৰ মানুহেও এই চিঞৰ শুনিছে। একেবাৰে অলায়ক কাম। লগে লগে গোটেইকেইজন ধৰা পৰি গ'ল।

শৈলেশ খুৰা আছিল খুব ভাল ফৌজদাৰী উকীল। যশোদাই খালাচ পালে, বাকীবোৰ জেললৈ গ'ল। জেলখপৰা ওলাই আহিলত মই প্ৰশ্ন কৰিছিলোঁ।

"বাবুৰামদা, কেনেকৈ কি কৰিছিলা কোৱাচোন।" সি বৰ অস্বস্তিবোধ কৰিবলৈ ধৰিলে।

"নহয় অ' আমৰা নাহং। ওয়ায় নিজেই গাঁতত পৰি মৰিছে।"

"তেনেহ'লে পুতিছে কোনে?"

সি আৰু বেছিকৈ অস্বস্তিবোধ কৰিলে।

"মানখিগুলা আমাক সন্দেহ কৰিবে বুলি ভয়ত পোতে থুইলং।"

অস্বীকাৰ কৰাৰ প্ৰয়োজন নাই। সকলোৱে জানে বৰং সকলোৰে তাৰ প্ৰতি এক ধৰণৰ সহানুভূতি আছে। ৰামবিহাৰীৰ মইমতালিৰ কাৰণে কোনেও তাক দেখিব নোৱাৰিছিল। তদুপৰি ৰামবিহাৰীৰ এনেকুৱা কাম একমাত্ৰ এইটোৱেই নহয়। ভয়তে সকলোৱে মনে মনে আছিল। ইচ্ছা থাকিলেও অইনে যিটো কাম কৰিব পৰা নাই বাবুৰামে সেই কাম কৰিছে কাৰণে বহুতৰে মনত তাৰ প্ৰতি এটা প্ৰচণ্ড প্ৰশংসাৰ ভাৱো আছিল।

মোক দেখিলে বাবুৰামদাৰ মুখখন নিৰ্মল হাঁহিত উজ্জ্বল হৈ উঠে। এই হাঁহিখিনি দেখি মোৰ ভাল লাগে। সি যে এজন খুনী এই কথা মোৰ মনত নপৰে। এই বয়সতো অত্যন্ত লাজকুৰীয়া মানুহ। অস্বস্তি ঢাকিবলৈ সি প্ৰয়োজনতকৈ বেছিকৈ হাত-মুখ জোকাৰিবলৈ আৰম্ভ কৰি দিয়ে। তাৰ পৰিয়াল যশোদা এজনী সৰল প্ৰকৃতিৰ তিৰোতা মানুহ। অপৰাধভিত্তিক কাহিনীৰ নায়িকাৰ ভূমিকা লোৱাৰ তাইৰ কোনো যোগ্যতা নাই। একেবাৰে ভাগ্যৰ পৰিহাস। তায়ো বুঢ়ী হৈছে। আমাৰ গাৰ্ডৰ ঘৰত মুড়ি বিক্ৰী কৰিবলৈ আহে। মোক দেখা পালে তায়ো ভাল পায়। প্ৰেমঘটিতনাটকৰ নায়িকা হোৱাৰ কোনো চিন মোৰ চকুত নপৰে। বাবুৰাম, ৰহিম এওঁলোকেও হাজিৰা কাম কৰে। প্ৰথম প্ৰথম মানুহৰ অলপ শংকা আছিল, সিহঁতৰো অলপ সংকোচ আছিল। লাহে লাহে অৱস্থা স্বাভাৱিক হৈ পৰিল। ভাল নিৰ্ভৰশীল কৰ্মী। কোনো এজনো জন্মসূত্ৰে অপৰাধপ্ৰৱণ নহয়। ঘটনা চক্ৰত পৰি এটা কুকৰ্ম কৰিছে। তাৰ কাৰণে শাস্তি

ভোগ কৰিছে। ঠিকেই হৈছে।

সৰুৰেপৰা মোৰ এই স্বভাব। ঘৰত সোমাই থাকিব নোৱাৰোঁ। এইকাৰণে কেতিয়াবা মই বৰ অস্বস্তিকৰ অৱস্থাত পৰিবলগীয়া হৈছে। ৰাখালদাই তামোল-পাণৰ কাৰবাৰ কৰে। ওচৰৰ গাওঁবোৰৰপৰা বস্তু গোটাই আনে। সিদিনা মোৰ স্কুল বন্ধ। ঘৰত সোমাই থাকি অসহ্য লাগি গ'ল। ৰাখালদাৰ পৰিবাৰ খুব ভাল, মোক খুব মৰম কৰে। গ'লে মোক বাৰীৰ ফল খাবলৈ দিয়ে। লেটেকু, পনীয়ল সাধাৰণতে নোপোৱা ফল। দুৱাৰখন ঠেলা মাৰি খুলি মই নিশ্চল হৈ গ'লোঁ। বিছনাৰপৰা প্ৰতাপদাই ইমান দীঘল এটা জাপ মাৰিলে যে অসম্বৃত ধুতিৰ আগফালে ভৰিৰ পাক লাগি তেওঁ লুটি খাই ঠিক মোৰ ভৰিৰ ওচৰত পৰি গ'ল। ইমান কৌতুকজনক দৃশ্য এটা দেখিও মই কৌতুকবোধ কৰিব নোৱাৰিলোঁ। মই বুজি পালোঁ যে হঠাতে এনেকৈ ঘৰত সোমোৱা মোঁৰ উচিত হোৱা নাই। ৰাখালদাৰ পৰিবাৰ সুৰবালা বৌয়ে কিন্তু স্থিৰতা নেহেৰুৱালে।

"আৰে ভদ্ৰ, ক'ৰপৰা আহিলি? থিয় হৈ ৰ'লি কিয়? আহ।"

প্ৰতাপদাই কলিকতাত এম. এ. পঢ়ি আছে, বন্ধত ঘৰলৈ আহিছে। ঠাইডোখৰৰ আটাইতকৈ ভাল ল'ৰা, লিখাই-পঢ়াই, স্বভাৱে-চৰিত্ৰই। প্ৰতিজন মানুহে নিজৰ ল'ৰা-ছোৱালীক আদৰ্শ হিচাপে প্ৰতাপদাক দেখুৱাই দিয়ে।

সুৰবালা বৌৰ মাত শুনি মোৰ সম্বিত আহিল। লৰ মাৰি মই পলাবলৈ বিচাৰিলোঁ। বিছনাৰ পৰা নামি আহি তেওঁ তৎক্ষণাৎ থাপ মাৰি মোৰ হাতত ধৰিলে।

"নাযাবি, ৰ। লেটেকু আছে, দিম।"

তেওঁৰ কথা-বতৰা, ভাব-ভংগী সম্পূৰ্ণ স্বাভাৱিক। কোনো লাজ বা শংকাৰ ভাব নাই। যিখন বিছনাত তেওঁলোক শুই আছিল, তেওঁ জোৰ কৰি মোক তাতেই বহুৱালে।

কথা প্ৰসংগত তেওঁ এবাৰ মাত্ৰ মোক ক'লে,

"ইয়ে নহয়? প্ৰতাপ ইয়ালৈ আহিছিল বুলি তোৰ দাদাক নক'বি দে।"

তেতিয়াও মোৰ মুখেৰে মাতিব পৰা অৱস্থা হোৱা নাই। মূৰৰ ভংগীৰে মই মোৰ সম্মতি জ্ঞাপন কৰিলোঁ। ৰাখালদাক কিয়? কাকোৱে মই কোৱা নাই। আগলৈও নকওঁ। হঠাৎ আজি মনত পৰি গ'ল।

মই যে কিবা দেখিছোঁ এই কথা মই নিজেই বিশ্বাস কৰিবলৈ নিবিচাৰোঁ। এটা কাল্পনিক দৃশ্য। এইটো মোৰ এটা চাৰিত্ৰিক দুৰ্বলতা। কোনো বিষয়ে মই এটা অনমনীয় মনোভাব পোষণ কৰি থাকিব নোৱাৰোঁ। সুৰবালা বৌয়ে এটা জঘন্য কাম কৰিছে। তথাপি মই তেওঁক ঘৃণা কৰিব নোৱাৰোঁ। তেওঁ মোক নিজৰ ভায়েকৰ দৰে অকৃত্ৰিমভাৱে মৰম কৰিছিল। আজি তেওঁ নাই। তেওঁৰ এই দুৰ্বলতাৰ কাৰণে মোৰ এই মৰমিয়াল বায়েকজনী নৰকবাস কৰিছে বুলি ভাবিলে মোৰ মনটো বেদনাত ভৰি উঠে। ভগৱান জানো মোতকৈ স্নেহশীল নহয়?

প্ৰতাপদা এজন ভাল মানুহ, সঁচাকৈ ভাল মানুহ। এজন পাৰদৰ্শী আৰু সফল অধ্যাপক। দীৰ্ঘদিন অধ্যাপনা কৰি থকাৰ পিছতো যিকেইজন সামান্য সংখ্যক অধ্যাপকৰ জ্ঞান আহৰণৰ

স্পৃহা অব্যাহত থাকি যায় তেওঁ তাৰ অন্যতম। বিভিন্ন সময়ত তেওঁ মোক বহুতো সহায় কৰিছে। আৰ্থিক সহায়তকৈ এইবোৰ সহায়ৰ মূল্য কম নহয়। নাই, প্ৰতাপদাৰ প্ৰতিও মোৰ কোনো অশ্ৰদ্ধা নাই।

কিমান বিচিত্ৰ মানুহৰ সমদল। মোৰ সৌভাগ্য যে মই বিভিন্ন মানুহৰ সংস্পৰ্শত আহিব পাৰিছোঁ। সাধু, চোৰ, ডকাইত আৰু বিদ্বান। তৎক্ষণাৎ কাকো মই ঘৃণা কৰিব নোৱাৰোঁ। স্বাভাৱিক অপৰাধপ্ৰৱণ মানুহৰ কথা মই কোৱা নাই। পৃথিৱীত নিশ্চয় অসংখ্য দুৰ্বৃত্ত আছে, যিসকলে স্বাৰ্থ সিদ্ধিৰ কাৰণে নিঃসংকোচে নৰহত্যা কৰে, বিনাদ্বিধায় অসহায় নাৰীক ধৰ্ষণ কৰে। মই এইবোৰৰ কথা কোৱা নাই। মানুহৰ ক্ষণিক দুৰ্বলতাৰ কথাহে কৈছোঁ।

মই জীৱনত অসংখ্য মানুহক লগ পাইছোঁ, বিভিন্ন ধৰ্মাৱলম্বী, বিভিন্ন ভাষা-ভাষী। বিভিন্ন স্তৰৰ মানুহ, বিভিন্ন জীৱন-যাত্ৰা প্ৰণালী।

মই আগতে কেতিয়াবা আমীৰ হোছেনৰ কথা কৈছোঁনে? বিহাৰী মুছলমান। মই চিৰকাল গভীৰ শ্ৰদ্ধাৰ সৈতে তেওঁৰ কথা স্মৰণ কৰিম। দেউতাৰ কৰ্মচাৰী আছিল। দেউতাৰ মৃত্যুৰ পিছতো তেওঁ ৰৈ গ'ল। ৰৈ গ'ল মানে ৰৈ যাবলৈ বাধ্য হ'ল। দোকানখন কোনে চলায়? তেওঁ আমাৰ অভিভাৱকৰ দৰে আছিল। আমাৰ ঠাইডোখৰৰ চাৰিওফালে মুছলমান মানুহৰ বাস। ভাৰতবৰ্ষ ভাগ হোৱাৰ ঠিক আগৰ কথা। বিৰাট উত্তেজনা, নিত্য নতুন অতিৰঞ্জিত গুজব। প্ৰত্যক্ষদৰ্শীৰ বিৱৰণ। স্থানীয় মুছলমান মানুহবোৰ শান্ত, নিৰীহ মানুহ। তথাপি বাতাৱৰণ উত্তেজনাপূৰ্ণ। আমাক আক্ৰমণ কৰাৰ কাৰণে মুছলমান মানুহবোৰ প্ৰস্তুত হৈ আছে বুলি জোৰ গুজব। আমীৰ হোছেনে (এজন নৈতিক মুছলমান মানুহ) আমাক সম্ভাব্য মুছলমানৰ আক্ৰমণৰপৰা ৰক্ষা কৰাৰ কাৰণে গোটেই ৰাতি অতন্দ্ৰ প্ৰহৰীৰ দৰে ৰখি থাকে। সম্প্ৰদায় হিচাপে মুছলমান মানুহৰ বিৰুদ্ধে কোনোবাই কিবা ক'লে মোৰ চকুৰ আগত আমীৰ হোছেনৰ মূৰ্তিটো ভাহি উঠে। হাতত প্ৰকাণ্ড এডাল লাঠী লৈ তেওঁ বাৰাণ্ডাত বহি আছে।

এই সূত্ৰে মোৰ 'কাকাবাবুৰ' কথাও মনত পৰিছে। খুব পাৰদৰ্শী ডাক্তৰ, বঙালী মানুহ। আমাৰ ঘৰখনৰ লগত খুব ভাল। দেউতাক দাদা বুলি মাতিছিল; সেই সূত্ৰে 'কাকাবাবু' অৰ্থাৎ খুৰাদেউ। দেউতাক অকল দাদা বুলি মতাই নহয়, তেওঁ দেউতাক নিজা ককাইদেউ হিচাপে মানিছিল আৰু ভক্তি কৰিছিল। ৰোগীৰ মৃত্যু হ'লে ডাক্তৰে নাকান্দে, নিৰ্বিকাৰ হৈ থাকে। দেউতাৰ মৃতদেহৰ কাষত বহি কাকাবাবুৱে হুকহুকাই কান্দি দিলে।

"এই ল'ৰা-ছোৱালীবোৰক এৰি যে গ'লা, ইহঁতক কোনে চাব?"

এইটোৱেই হ'ল মস্কিল। কোনো সম্প্ৰদায়ৰ বা কোনো বিশেষ গোষ্ঠীৰ মানুহৰ প্ৰতি মই মোৰ মনত যথেষ্ট পৰিমাণে বিদ্বেষ ভাবৰ সঞ্চাৰ কৰি ল'ব নোৱাৰোঁ। 'কাকাবাবু', আমীৰ হোছেন, এওঁলোকৰ কথা মনত পৰি যায়।

# চিনাকি-অচিনাকি

মই বেদান্ত দর্শনৰ কথা ক'বলৈ যোৱা নাই। অইনক চিনি পোৱাৰ কথা বাদেই, নিজকেই চিনি পোৱা হেনো কঠিন। মই সাধাৰণভাৱে চিনি পোৱা-নোপোৱাৰ কথাকেই কৈছোঁ। এই লৈ বিভিন্ন পৰিস্থিতিৰ উদ্ভৱ হয়। আজি গধূলিৰপৰা ইয়াকে চিন্তা কৰি আছোঁ। গধূলি পাণবজাৰত চিটী বাছত উঠিলোঁ। বাছত বেছ ভিৰ। ওপৰৰ মাৰিডালত ধৰি থিয় হৈ আছোঁ। বাওঁফালে মহিলাৰ আসনৰ ফালে চকু গ'ল। সাধাৰণভাৱে পিছলি নগৈ দৃষ্টি স্থিৰ হৈ ৰ'ল। কোন এইগৰাকী ভদ্ৰ মহিলা? বয়স হ'লেও তেওঁৰ কিবা এটা আকৰ্ষণ আছে। এই কিবা এটাটো কি ঠিক ধৰিব পৰা নাই। আভিজাত্য? পাৰি, আভিজাত্য বুলিও ক'ব পাৰি। তদুপৰি কিবা যেন এটা আছে। খুব ভালদৰে চিনি পাওঁ, চিনি পাওঁ যেন লাগি আছে, আকৌ হঠাতে সূত্ৰডাল হেৰাই যায়।

গধূলি বহি বহি তাকেই ভাবি আছোঁ। এই চিনি পোৱা আৰু নোপোৱাৰ জটিল কলা-কৌশল। প্ৰাসংগিক বহুতো ঘটনা মনলৈ আহিছে।

এজন মানুহে বাটৰ আনটো ফালৰপৰা মোৰ মনোযোগ আকৰ্ষণ কৰাৰ চেষ্টা কৰি আছে। গাড়ী-মটৰৰ কাৰণে ৰাস্তা পাৰ হৈ এইফালে আহিব পৰা নাই। ভৰি এখন দাঙি দিয়াৰ লগে লগে আৰু এখন গাড়ী। অলপ ফাঁক পোৱাৰ লগে লগে প্ৰাণৰ আশংকা তুচ্ছ কৰি তেওঁ লৰ মাৰি ৰাস্তা পাৰ হৈ আহিল। সাফল্যৰ আনন্দত আকৰ্ণ বিস্তৃত হাঁহি।

"দাদা"

মই শূন্য দৃষ্টিৰে তেওঁৰ ফালে চালোঁ। তেওঁৰ চেহেৰা বা কণ্ঠস্বৰে কোনো পুৰণি স্মৃতি কঢ়িয়াই নানিলে।

"মই নৃপেন।"

যেন আৰু ক'বলগীয়া একো নাই। মই বৰ অস্বস্তিবোধ কৰিবলৈ ধৰিলোঁ। একোৱেই মোৰ মনত নপৰিল। পিছে এইটো ঠিক যে মই তেওঁক চিনি পোৱা নাই বুলি ক'লে তেওঁ বৰ লাজ পাব, অপ্ৰস্তুত হ'ব।

"হয় নেকি? চেহেৰা-পাতি একেবাৰে বদলি গৈছে। মূৰৰ চুলিখিনি কি কৰিলা? একেবাৰে তপামূৰা হৈছে দেখোন। তুমি নিজে নক'লে ধৰিবই নোৱাৰিলোঁ হয়। কোৱাচোন কোৱা, খবৰবাতি কোৱা। ক'ত আছা, কি কৰি আছা?"

"কি আৰু কৰিম? ইলেকট্ৰিচিটী বৰ্ডতে আছোঁ।"

"ক'ত?"

"ধুবুৰীত।"

মানুহজন ইঞ্জিনীয়াৰ নেকি? চেহেৰাপাতি চাই সন্দেহ হয়। ইঞ্জিনীয়াৰ হ'লে এনেকৈ খোজ কাঢ়ি ফুৰিবই বা কিয়?

"কি পজিশ্যনত আছা এতিয়া?"

বয়স অনুযায়ী অন্ততঃ এক্সিকিউটিভ ইঞ্জিনীয়াৰতো হ'বই লাগে।

"কেৰানী মানুহৰ আৰু পজিশ্যন। একেই ধৰণে আছোঁ।"

"ইয়াত ক'ত আহিছিলা?"

"ডাঙৰ ছোৱালীজনীৰ ননদৰ বিয়া। নাহিলে বেয়া পাব, সেইকাৰণেই আহিছোঁ।"

"কি কোৱাহে? ছোৱালী বিয়া দিলাই?"

"কি কয় আপুনি? ডাঙৰ নাতিনী ছোৱালীজনী ক্লাছ ফাইভত পঢ়ে। তাইকেই বিয়া দিবলগীয়া হৈছে। নবৌ ভালে আছে? আপোনাৰ ডাঙৰ ল'ৰাজনে কি কৰে?"

পৰিস্থিতি আয়ত্তৰ বাহিৰলৈ যোৱাৰ উপক্ৰম। প্ৰথমেই চিনি নাপাওঁ বুলি ক'ব লাগিছিল। এতিয়া আৰু ক'ব নোৱাৰি, বহুদূৰ আগবাঢ়ি যোৱা হৈছে। এতিয়া আৰু কেনেকৈ কওঁ, "কোন নৃপেনহে তুমি? তোমাক মই চিনি-ফিনি নাপাওঁ।"

"এই বিস্না, ৰ'বা। এটা কথা হ'ল নহয়। দুই বজাত এখন মিটিং আছে। বৰ জৰুৰী মিটিং। পাছত লগ পাম। জোঁৱাই ক'ত থাকে?"

"হেংৰাবাৰীত। মই আজি নাইট ছাৰ্ভিচত যাম। ইয়াৰ পাছৰবাৰ আহিলে আপোনাৰ তালৈ যাম।"

"আহিবা।"

মিছাকৈ বিস্নাখন ল'লোঁ। কোনো দৰকাৰ নাছিল। অলপ দূৰ গৈহে মনত পৰিল। নৃপেন দাস। খুদিমাৰীৰ ল'ৰা, আমাতকৈ তিনি ক্লাছমান তলত পঢ়িছিল।

পৰিবাৰে আপত্তি কৰে, "কি যে কৰা ক'ব নোৱাৰোঁ। চিনি নাপালে চিনি পোৱা নাই বুলি কৈ দিব লাগে।" দিবতো লাগে, ঠিকেই। কিন্তু মোক লগ পাই নৃপেনৰ মুখত যি অকৃত্ৰিম আনন্দৰ ভাব ফুটি উঠিছিল, সেইটো লক্ষ্য কৰি মই কেনেকৈ তাক চিনি নোপোৱা বুলি কওঁ? বেচেৰাৰ মুখখন তৎক্ষণাৎ ক'লা পৰি নগ'লেহেঁতেন। মযো মোৰ যুক্তি দেখুৱাওঁ।

"বাটত থিয় হৈ তৰ্কাতৰ্কি কৰি থকাৰ কি প্ৰয়োজন? হঠাতেহে কেতিয়াবা এনেকুৱা মানুহক লগ পাওঁ। মানুহজনেও চিনাকি মানুহ এজনক লগ পাই ভাল পায়।"

"কিহৰ চিনাকি মানুহ? চিনিয়েই নোপোৱা দেখোন।"

"মানুহজনৰ মনততো মই চিনাকি মানুহ।"

"নাঃ, বৰ বেয়া কাম কৰা। সিদিনা বাটত লগ পাই এজন মানুহে তোমাক ডেকা বুলি মাতিলে, তুমি দেখোন একো নক'লা। কোন নো তেওঁ?"

"নাজানো। বাটত লগ পালে তেওঁ মোক সদায় ডেকা বুলি মাত দিয়ে। ডেকা, ভালনে? মযো হাঁহি এটা মাৰি ভাল বুলি কওঁ। কাজিয়া কৰাৰ কি প্ৰয়োজন? মই দত্ত, আপুনি মোক

কিয় ডেকা বুলি সম্বোধন কৰে?"

"ক'ব নোৱাৰোঁ। মই পিছে এইবোৰ ভাল নাপাওঁ।"

"তুমি ভাল নাপাব পাৰা। মোৰ বহুতো অভিজ্ঞতা আছে। চিনি নাপালে মানুহ ক্ষুণ্ণ হয়। তোমাক কোৱা নাছিলোঁ? পাণবজাৰত ছোৱালী এজনীয়ে সপ্রতিভভাৱে আগবাঢ়ি আহি হাঁহিমুখে মোক মাত দিলে, "মামা, ভালে আছে?" মোৰ শূন্য দৃষ্টি দেখি তৎক্ষণাৎ তাইৰ মুখৰ হাঁহিখিনি নোহোৱা হৈ গ'ল। মই ক'লোঁ, "ঠিক চিনি পোৱা নাই। কোৱাচোন কোন?" "নালাগে দিয়ক চিনি পাব" বুলি তাই আঁতৰি গ'ল। পিছতহে মনত পৰিল তাই বিনীতাৰ ছোৱালী। ইউনিভাৰ্ছিটী হোষ্টেলত থাকোঁতে আমাৰ ঘৰলৈ কেবাদিনো আহিছিল।" "কোন? মণিদীপা? মণিদীপাক চিনি নোপোৱা হ'লানে?"

"এইয়া, বহুদিনৰ মূৰত লগ পালে তৎক্ষণাৎ চিনি পোৱা মস্কিল। মগজুৰ ক্ষিপ্রতা কমি গৈছে। পিছে চিনি নাপালে মানুহে অৱজ্ঞা কৰা বুলি ভাবে। সুকুমাৰৰ কথা মনত নাই? বাটত লগ পাই চিনি নোপোৱা কাৰণে মাইৰ আগত আক্ষেপ কৰা নাই? খুৰা আজিকালি ডাঙৰ মানুহ, আমাক কিয় চিনি পাব?"

কথা ইমান সহজ নহয়। চিনি নাপালে কিছুমানে ফুটনি কৰা বুলি ভাবে। কথাষাৰ একেবাৰে মিছা নহয় বুলি মোৰ সন্দেহ। এটা ঘটনাৰ কথা মনত পৰিলে এতিয়াও মই অস্বস্তিবোধ কৰোঁ। এম. এছ. চি. পাছ কৰি মই কটন কলেজত সোমাওঁ। গজেন কলিতাই মোতকৈ দুবছৰমান আগতেই যোগ দিছে। সেই সময়ত ইউ. কেৰপৰা ডক্টৰেট ডিগ্ৰী লৈ এজনে নতুনকৈ কলেজত সোমালে। সেইকালত অসমত ডক্টৰৰ সংখ্যা আছিল তেনেই নগণ্য। ইতিমধ্যে তেওঁৰ আগমন উপলক্ষে যথেষ্ট আলোচনা হৈছে। তেওঁক পোৱাটো কলেজৰ ভাগ্য। প্রথম দিনা চা-চিনাকি কৰি দিয়াৰ কাৰণে প্রিন্সিপালে নিজে তেওঁক লগত লৈ কমন ৰুমলৈ আহিল। তেওঁলোক অহাৰ লগে লগে কলিতাই আগবাঢ়ি গৈ নৱাগত অধ্যাপকজনৰ হাতত ধৰি প্রত্যয়ৰ সৈতে মাত দিলে, "কি খবৰ? চিনি পাইছা?"

নৱাগত অধ্যাপকজনৰ চকুত শূন্য দৃষ্টি এটা। কলিতা থতমত খাই উঠিল। উপস্থিত সকলোৱে কলিতাক অপ্রস্তুত হোৱা দেখি বেছ ৰং পালে।

পাছত কলিতাই বিস্ময় প্রকাশ কৰি মোক কৈছিল, "আমি একেটা হোষ্টেলত আছিলোঁ। একেলগে টেনিচ খেলিছোঁ। কেইবছৰমানৰ ভিতৰত এনেকৈ পাহৰি যাব পাৰেনে?"

মই ক'ব নোৱাৰিম। নৱাগত অধ্যাপকজনে কলিতাক সঁচাকৈ পাহৰি গৈছিল, নে পাহৰাৰ ভাও জুৰিছিল। পাছত মই গম পাইছিলোঁ যে তেওঁলোক একেটা হোষ্টেলত থকা কথাষাৰ মিছা নহয়। তেনেহ'লে নৱাগত অধ্যাপকজনে কলিতাক চিনি নাপালে কিয়? হয়তো আপেক্ষিকভাৱে সৰু কাৰোবাৰ লগত চা-চিনাকি থকাটো নিজৰ হীনতাৰ নিদৰ্শন।

এই চিনাকি-অচিনাকি লৈ বহুতো সমস্যা। বয়স বঢ়াৰ লগে লগে এই দুৰ্বলতা আৰু বেছি প্ৰকট হৈছে। তাকেই বা কওঁ কেনেকৈ? কেতিয়াবা দেখোন বহু যুগ আগৰ কথাও তৎক্ষণাৎ মনত পৰে। ডাঢ়ি-চুলি পকি চেহেৰাৰ আমূল পৰিবৰ্তন হ'লেও বহুদিনৰ মূৰত লগ পালেও

একো একোজন মানুহক তৎক্ষণাৎ চিনি পাওঁ।

বিয়াঘৰত সকলোৱে মানুহ এজনক লৈ বৰ ব্যস্ত। ব্যস্ত হোৱাৰ কথাও। শুনিছিলোঁ যে সৰ্বানন্দ বৰুৱাই হেনো অজস্ৰ ধন ঘটিছে। চহৰত দুটা চিনেমা হল, এটা তিনিতৰা বিশিষ্ট হোটেল আৰু বহুতো কিবাকিবি। কইনাৰ ককায়েকে ক'লে, "খুৰা, এখেতক চিনি পায় নহয়?" মই ভুৰু কোঁচাই ক'লোঁ, "না তো, ধৰিব পৰা নাই।"

"সৰ্বানন্দ বৰুৱা, বৰুৱা এণ্টাৰপ্ৰাইজৰ মালিক।"

"হয় নেকি? নমস্কাৰ।"

ঘনিষ্ঠতা নাছিল কিন্তু ভালকৈ চিনি পাওঁ। মই চতুৰ্থ বাৰ্ষিক শ্ৰেণীত থাকোঁতে সি প্ৰথম বাৰ্ষিক শ্ৰেণীত নাম লগায়। একেই হোষ্টেলত আছিলোঁ। একেটা কোঠাত থকা লগৰ ল'ৰাজনৰ টকা চুৰ কৰি সি ধৰা পৰি গ'ল। ৰাতি কোঠা এটাত বন্ধ কৰি ল'ৰাবোৰে তাক যি শাস্তি দিবলৈ আৰম্ভ কৰিলে সেইটো ধৰ্ষকামৰ পৰ্যায়ত পৰে। আমি দুজনমান ওপৰৰ ক্লাছৰ ল'ৰাই সকলোকে ডাবি-ধমকি দি তাক উলিয়াই আনিলোঁ। সেই ৰাতিতেই সি হোষ্টেল এৰি পলাই গ'ল। তাৰ পিছত মাজতে মই সৰ্বানন্দক লগ পোৱা নাছিলোঁ। এতিয়া তাক চিনি পোৱাটো উচিত হ'ব জানো?

প্ৰথমেই কৈছিলোঁ নহয় চিটীবাছত মহিলা এগৰাকীক দেখি বৰ চিনাকি চিনাকি যেন লাগিছিল। তেওঁ মোৰ ঘৈণী। একেলগে চিটীবাছৰপৰা নামিলোঁ। নামিয়েই তেওঁ মোক ধৰিলে, "বাছত মোৰ ফালে এনেকৈ ট-টকৈ চাই আছিলা কিয়?"

# আকৰ্ষণ

প্ৰভাত ৰাজখোৱা ঠিক আগৰ দৰেই আছে। কোনো পৰিবৰ্তন নাই। এতিয়াও তেওঁ উজ্জ্বল ৰঙৰ ভমকাফুলীয়া হাৱাই চাৰ্ট পিন্ধি নিঃসংকোচে ঘূৰি ফুৰে। দেখা মাত্ৰকে দূৰৰপৰাই চিঞৰিবলৈ আৰম্ভ কৰি দিয়ে। লগত কোন আছে কোন নাই সেই লৈ ভ্ৰূক্ষেপ নাই। ৰাজখোৱাক লগ পালে হৰকুমাৰ দত্তৰ ভালো লাগে, ভয়ো লাগে। কেতিয়া কাৰ আগত কি কয় কি ঠিক।

দুয়ো এবাৰ একষ্টাৰনেল একজামিনাৰ হিচাপে ইম্ফললৈ গৈছিল। তেওঁলোকৰ লগত একেলগে কটন কলেজত আই. এছ. চি. পঢ়া স্থানীয় অধ্যাপিকাগৰাকীয়ে দুয়োকে ভাত খাবলৈ মাতিলে। ভাত খাই থাকোঁতে ৰাজখোৱাই হৰকুমাৰক কিলাকুটিৰে খোঁচ মাৰি দিলে।

"কি?"

মূৰ নদণ্ডাকৈ চেপা মাতেৰে ৰাজখোৱাই ক'লে,

"গাগিনী।"

ঠিকেই। আগবঢ়াই দিয়া প্লেটখনত এসোপা গাগিনী। হৰকুমাৰৰ গোটেই গাটো পাক দি উঠিল। তেওঁ লৰালৰিকৈ উঠিবলৈ গ'ল। ৰাজখোৱাই ব্যস্ত হৈ হাতত ধৰি টানি তেওঁক বহুৱাই দিলে।

"ধেৎ, নহয়। ধেমালি কৰিছোঁ।"

ঠিকেই, গাগিনী কিয় হ'ব? বিনৰ আঞ্জা।"

ৰাজখোৱাৰ ডাঙৰ ল'ৰাজন ডাক্তৰ; সুৰেশ চৌধুৰীয়ে তেওঁৰ ছোৱালীৰ কাৰণে ধৰিবলৈ বিচাৰিছে।

তেওঁ হৰকুমাৰক ক'লে, "সুধি চাবচোন।"

ৰাজখোৱাই হৰকুমাৰৰ কথা শুনি হাঁহিবলৈ ধৰিলে।

"ভাল কথা কৈছা। বাপেকে ছোৱালী ঠিক কৰি দিব বুলি আজিকালিৰ ল'ৰাই ৰখি থাকিব? বপুৰাই কইনা ঠিক কৰি থৈছে। এতিয়া ৰাষ্ট্ৰপতিৰ অনুমোদন হ'লেই হ'ল। অনুমোদন নকৰিলেও এনেয়ে বিল পাছ হৈ যাব।"

তাৰ পিছতেই তেওঁ একেবাৰে বেলেগ ফালে গুচি গ'ল।

"হেৰা, তুমি কেতিয়াবা কাৰোবাৰ প্ৰেমত পৰিছা নে?"

"আমাৰ দিনত ক'ত এইবোৰ সুবিধা আছিল?"

হৰকুমাৰ দত্তৰ এই কথাষাৰ সঁচা নে? নিশ্চয় সঁচা। তথাপিতো আজি ইমান দিনৰ মূৰত

ৰমাৰ কথা মনত পৰিছে কিয় ? অৱশ্যে এইটোৰেও একো নুসুচায়। হঠাতে, অপ্ৰাসংগিকভাৱে কিছুমান কথাইতো মনত পৰে। কিছুমান গুৰুত্বপূৰ্ণ, কিছুমান অতি তুচ্ছ। হঠাতে মনত পৰিল পৰ্বা ঠাকুৰৰ কথা। পৰমানন্দ শৰ্মা, জমিদাৰৰ প্ৰাক্তন বান্ধনি। নলবাৰী অঞ্চলৰ মানুহ, পিছে তাতেই স্থায়ীভাৱে থাকিবলৈ লৈছে। জমিদাৰে মৰম কৰে, স্থানীয় মানুহেও তেওঁক ভাল পায়। শ্বাস বেমাৰত কষ্ট পাই আছে। ভালে থাকিলে তেওঁ গলবন্ধ কোট এটা পিন্ধি পুৰণি মানুহবোৰৰ ঘৰে ঘৰে ঘূৰি ফুৰে। ভাল মানুহ। এটা মাত্ৰ দুৰ্বলতা আছে তেওঁৰ। সুবিধা পালেই নিজৰ ৰান্ধোনৰ গুণ বখানে। কোন চাহাবে তেওঁ বনোৱা কাটলেট খাই মুগ্ধ হৈছিল, অইন কোন জমিদাৰে তেওঁক প্ৰশংসা কৰিছিল, এইবোৰ কথা। খুব স্বাভাবিক দুৰ্বলতা। পৰ্বা ঠাকুৰ আছিল নিৰীহ প্ৰকৃতিৰ বৰ ভাল মানুহ। তেওঁ হৰকুমাৰক মৰম কৰিছিল। সৰলভাৱে তেওঁ হৰকুমাৰক ক'লে,

"বাপা, তুমি বোলে ৰমেশৰ ঘৰলৈ যোৱা ? অভিভাৱক নথকা ঘৰ, নাযাবা। মানুহে বদনাম দিব।"

যেন হৰকুমাৰে এই আষাৰ কথা নজনা কাৰণেহে গৈ আছে; জনাৰ পাছত আৰু নাযায়। হৰকুমাৰে যে নাজানে এনে নহয়। তেওঁ সকলো কথাই বুজি পায়, কিন্তু উপায় নাই। প্ৰেম ? নহয়, আদিমতৰ এক অনুভূতি, উদ্দাম এক আসক্তিয়ে তেওঁক উটুৱাই লৈ যায়। গছৰপৰা সৰিলে আপেলটো মাটিত পৰিবই। আপেলৰ ইচ্ছা-অনিচ্ছাৰ প্ৰশ্ন অবান্তৰ।

ৰমা যে দেখাত খুব ধুনীয়া আছিল সেইটোও নহয়। লিখা-পঢ়াতো ভাল নহয়। দুবাৰমান মেট্ৰিক পৰীক্ষাত ফেল কৰি পঢ়া-শুনা বাদ দিছে। পৰিয়ালটো খুব এটা সম্ভ্ৰান্ত পৰিয়াল নহয়। ৰমেশ বৰুৱাৰ মৃত্যুৰ পিছত অৱস্থা আৰু বেয়া হৈছে।

দুৱাৰমুখৰপৰা ৰমাই প্ৰথমে মাত দিছিল।

"হৰদা দেখোন। কেতিয়া আহিলা ? আহিবা নেকি ?" এই আহ্বানত বিশেষ কিবা ইংগিত আছিল। হৰকুমাৰৰ অজ্ঞাতে তেওঁৰ দেহৰ সকলোবোৰ কোষে এই আহ্বানত সঁহাৰি দিলে। এয়েই আৰম্ভণি। ৰমাৰ লগত আপোনপাহৰা হৈ হৰকুমাৰে কি কথা পাতিছিল আজি তেওঁ ক'ব নোৱাৰিব। গুৰুত্বপূৰ্ণ কথা একো নহয় নিশ্চয়। সুসংলগ্নভাৱে এটা বাক্য শেষ কৰাৰ শক্তি ৰমাৰ নাছিল। নিৰ্বোধ, অস্থিৰমতি, পিছে নিজৰ আকৰ্ষণী শক্তি সম্বন্ধে ৰমা আছিল উগ্ৰভাৱে সচেতন। "বিল্টুদা এইমাত্ৰ গ'ল। বাটত পাই তেওঁৰ মটৰ চাইকেলত তুলি মোক ঘৰত থৈ গ'ল। ইমান দুষ্ট! ইমান জোৰে মটৰ চাইকেল চলাইছে। সাবটি নধৰা হ'লে পেলাই মাৰিলে হয়।"

হৰকুমাৰৰ মনত এক অসহ্য অস্থিৰতাৰ সৃষ্টি হ'ল। বিল্টু জমিদাৰ পৰিয়ালৰ ল'ৰা। দুশ্চৰিত্ৰ বুলি সকলোৱে জানে। তাই নাজানে নে ?

"বিল্টুদাই কৈছে মোৰ চকু দুটা বোলে বৰ ধুনীয়া। হয় নেকি ? চোৱাচোন তুমি।"

"বিপিন সাহাই তাৰ দোকানত ইমান ধুনীয়া তাঁতৰ শাৰীবোৰ আনিছে। বাপ, কি দাম একোখনৰ। বিপিনটো ইমান দুষ্ট। মোৰ মুখখন হেনো ইমান ধুনীয়া যে মুখখন চালেই দাম

উঠি যাব।”

ৰমাই হৰকুমাৰক ভাল পাইছিলনে? কি অৰ্থত ভাল পোৱা বুলি কয় সেই লৈ কথা। তাই নিশ্চয় হৰকুমাৰক লগ পালে ভাল পাইছিল। যিকোনো ডেকা ল'ৰাক লগ পালে তাই ভাল পাইছিল। কাৰো প্ৰতি পক্ষপাতিতা নাই। অইন ডেকা ল'ৰাৰ লগত তাইৰ ঘনিষ্ঠতাৰ কথা তাই নিঃসংকোচে হৰকুমাৰক কৈছিল। কোনোদিনাই তাই হৰকুমাৰক প্ৰতাৰণা কৰাৰ চেষ্টা কৰা নাছিল।

“মদনদাটো যে ইমান তেলীয়া!”

“কোন মদনদা?”

“ইয়াৰ হস্পিতালৰ নতুন ডাক্তৰজন।”

“মদনদাক ক'ত লগ পালা?”

“মূৰটো গধুৰ হৈ থাকে, দেখুৱাবলৈ গৈছিলোঁ।”

“অকলে?”

“অকলে নহ'লে কাক লগত লৈ যাম? মোক নামাতেহে নামাতে। সকলো বেমাৰী যোৱাৰ পিছতহে মোক মাতি নিলে। মোক হেনো পাঞ্জাবী ছোৱালী বুলি ভাবিছিল। অসমীয়া ছোৱালীৰ হেনো এনেকুৱা ফিগাৰ নহয়। মানুহজন অলপ পগলা ধৰণৰ নেকি? ক'ত হাত দিয়ে-নিদিয়ে ঠিক নাই। ক'লে যে একো নহয়, মানসিক অসুখ। ভাল হৈ যাব। সি নিজেই এটা পগলা। বহা, লগ পাবা। আহিব বুলি কৈছে।”

হৰকুমাৰে ভাবি চালে যে তেঁৱেই বোধহয় একমাত্ৰ মানুহ যিয়ে ৰমাৰ ৰূপৰ প্ৰশংসা কৰা নাছিল বা কিবা অজুহাতত তাইৰ গাত হাত দিয়া নাছিল।

“তোৰ কলেজ খুলিব কেতিয়া?” হৰকুমাৰৰ মাকে তেওঁৰ মতিগতি লক্ষ্য কৰি উদ্বিগ্ন হৈ উঠিছে। জনাবুজা অধ্যাপক ল'ৰাক খোলাখুলিকৈ একো ক'বও নোৱাৰে। ৰমাইঁতৰ ঘৰখন ভদ্ৰলোকৰ ঘৰ নেকি? ৰাজ্যৰ ডেকা ল'ৰাবোৰৰ আড্ডা। ক'ৰবাত কিবা হ'ব লাগিলে অইনবোৰ সাৰি যাব, মৰিব ই। হৰকুমাৰৰ নিজৰ মনতো যে অস্বস্তি নাছিল তেনে নহয়; কিন্তু উপায় নাই।

পিছে কলেজখন খুলিলত ঠাইডোখৰ এৰি যোৱাত হৰকুমাৰে তৎক্ষণাৎ ৰমাৰ কথা পাহৰি গ'ল। বোধহয় আকৰ্ষণ আছিল সম্পূৰ্ণ দৈহিক স্তৰত। সংকেতবোৰ ইমান দূৰ গৈ নাপায়। দুৰ্বল ছিগনেল।

মাজতে হৰকুমাৰে শুনিলে যে বিপিন সাহাৰ লগত ৰমাৰ বিয়া হ'ব। বিপিন সাহাৰ পৰিয়ালৰ লগত তাই পূৰ্বীলৈ গৈছিল। মানুহে পিছে মিছা কথা বুলি কয়। বিপিনে হেনো মাক আৰু ভনীয়েকক শিলিগুৰিত ভিনিহীয়েকৰ ঘৰত থৈ ৰমাক লৈ কলিকতালৈ গৈছিল। খবৰটো শুনি হৰকুমাৰ মুঠেই অস্থিৰ হৈ নুঠিল। সংযোগকাৰী সূত্ৰডাল ইতিমধ্যে কিবাকৈ ছিঙি গৈছে।

ইউ. কে.লৈ যোৱাৰ আগতে হৰকুমাৰে শুনিলে যে মদন ডাক্তৰৰ লগত ৰমাৰ বিয়া ঠিক। খবৰ পাই মদনৰ মাকে মদনক তাৰপৰা লৈ গ'ল। হৰকুমাৰে পিছত মদনক লগ পাইছে।

ডাক্তৰৰ ধাৰণা যে তেওঁ এটা ভয়ংকৰ বিপদৰপৰা কথমপিহে ৰক্ষা পৰিছে।

ইউ. কে.ত থাকি হৰকুমাৰে ৰমাৰ কথা সম্পূৰ্ণৰূপে পাহৰি গৈছিল। তাৰপৰা আহিহে গম পালে যে ৰমা এজন পাঞ্জাবী ঠিকাদাৰৰ লগত গুচি গৈছে। ঠিকাদাৰজন আদহীয়া মানুহ। আগৰ পৰিবাৰ আছে, ল'ৰা-ছোৱালীও আছে।

হৰকুমাৰ দত্তই প্ৰভাত ৰাজখোৱাৰ প্ৰশ্ন এৰৰাহি গ'ল। দত্তৰ উত্তৰটোৱে ইয়াকেই বুজালে যে তেওঁ কাৰো প্ৰেমত পৰা নাছিল। পিছে কথাষাৰ সঁচানে? মাজ বয়স পাৰ হৈ যোৱা মানুহ এজনৰ কাৰণে প্ৰেম এটা অপৰিচিত শব্দ। প্ৰেমৰ স্মৃতিও এটা প্ৰাণশূন্য অনুভূতি। ৰমাৰ প্ৰতি তেওঁৰ আকৰ্ষণৰ আচল ৰূপটো কেনেকুৱা আছিল? অইন কোনোবাই কেতিয়াবা তেওঁক এনেকুৱা তীব্ৰভাৱে আকৰ্ষণ কৰিছিলনে?

ৰমাৰ কথা সতকাই মনত নপৰে, কিন্তু মনত পৰিলে এতিয়াও তেওঁ কিয় এক অদ্ভুত অস্থিৰতা অনুভৱ কৰে? হৰকুমাৰ দত্তই ভালকৈ বুজি পাইছিল যে বিপিন সাহা, মদন ডাক্তৰ আদিৰ লগত ৰমাৰ ঘনিষ্ঠতম সম্বন্ধ আছিল। আচলতে তাইতো দুষ্ট প্ৰকৃতিৰ ছোৱালী নাছিল। নিঃসংকোচে নিজকে বিলাই দিয়াত তাইৰ কোনো মানসিক প্ৰতিবন্ধক নাছিল। এইটোৱেই তাইৰ স্বভাৱ।

"আজি গধূলি মাইঁত সকলো ৰামকমল ভট্টাচাৰ্যৰ কীৰ্তন শুনিবলৈ যাব। মই নাযাওঁ বুলি ভাবিছোঁ, ভাল নালাগে। অকলে অকলে ভূতৰ দৰে থাকিব লাগিব। আহিবা নেকি?"

হৰকুমাৰ দত্তই মুখেৰে একো একাষাৰ মাতিব নোৱাৰিলে। যি বলে তেওঁক ৰমাইঁতৰ ঘৰৰ পিনে টানিবলৈ ধৰিলে সেই বল যেন মাধ্যাকৰ্ষণ শক্তিতকৈ প্ৰবল। কিন্তু তেওঁ যাত্ৰাপথত লৌহদণ্ডৰ দৰে বিৰাট এক প্ৰতিবন্ধকৰ উপস্থিতি অনুভৱ কৰিলে। এই আকৰ্ষণ আৰু বিকৰ্ষণত তেওঁ আৰু বেছিকৈ অস্থিৰ হৈ পৰিল। অসহ্য অৱস্থা, কিন্তু উপায় নাই।

হৰকুমাৰ দত্তই সজ্ঞানে এই কথা স্বীকাৰ কৰিবলৈ নিবিচাৰে। কিন্তু ৰমাৰ এই আহ্বান উপেক্ষা কৰাৰ কাৰণে হঠাতে কেতিয়াবা অস্পষ্টভাৱে এনেকুৱা এটা ভাব তেওঁৰ মনত উদয় হয় যে তেওঁৰ মনৰ অদৃশ্য কোনোবা ফাঁকত এটা আক্ষেপ এতিয়াও লুকাই আছে।

# পূৰ্ব নিদৰ্শন

বিশ্বৰ ছোৱালীৰ বিয়াত গৈছিলোঁ। সি নেৰানেপেৰাকৈ ধৰিলে, "দাদা, অলপ থাকি যাওঁক। দৰা সোনকালে আহিব, দৰা আহি পোৱাৰ পিছতেই আপুনি যাব পাৰিব।"

থাকি যোৱাত মোৰ আপত্তি নাই। বিশ্বই মোক যথেষ্ট শ্ৰদ্ধা কৰে, ময়ো তাক মৰম কৰোঁ, থাকি যাব পাৰিলে ভালেই আছিল। কিন্তু উপায় নাই। ৰাতিখন ইমান দূৰ যাম কেনেকৈ? চিটী বাছ বন্ধ হ'ব। এনেয়েও অলপ ৰাতি হ'লে আজিকালি চিটী বাছত উঠিবলৈ সংকোচবোধ কৰোঁ। তিনি চাৰিজনমান ল'ৰা আগভেটা দি ঠিক দুৱাৰমুখতেই থিয় হৈ থাকে। উঠিবলৈকেও বাট এৰি নিদিয়ে, নামিবলৈকেও বাট এৰি নিদিয়ে। 'বাট এৰি দিয়া' বুলি ক'বলৈ ভয় লাগে কিজানি কিবা জগৰ লাগে। সিদিনা এজন ল'ৰাই ভৰিৰ ওপৰত ভৰি তুলি চিটী বাছৰ দুজনীয়া আসন এখনৰ দুয়োখন আসন দখল কৰি নিৰ্বিকাৰভাৱে চিগাৰেট হুপি আছিল। আমি সকলোৱে মুখৰ ওপৰৰ লোৰ মাৰিডালত ধৰি মাজত থিয় হৈ থাকিলোঁ। অলপ ভালকৈ বহি অইন এজনকো বহিবলৈ দিয়াৰ কাৰণে তাক ক'বলৈ কাৰো সাহস নহ'ল। ৰাতি হ'লে বিস্মাবালাবোৰেও প্ৰধান বাটবোৰ এৰি ভিতৰৰ ফালে সোমাই যাবলৈ সাহস নকৰে। মাৰ খোৱাৰ ভয়।

বিশ্বই ক'লে, "আপুনি যোৱাৰ কাৰণে চিন্তা নকৰিব। মোৰ মামাৰ ল'ৰা মদন আপোনাৰ ওচৰতে থাকে। মদন বৰুৱা, চিনি পায় নহয়?"

"নাপাওঁ।"

"মদনৰ গাড়ীতেই যাব পাৰিব। সিও সোনকালে যাব বুলি কৈছে। তাৰো পানী লাগি গাটো বৰ ভাল নাই। মদনৰ লগত লগ লগাই দিওঁ, ৰ'ব।"

ৰাতি আজিকালি ওলাবৰেই নাই। বহুত কথাই নাজানো। বাটৰ কেঁকুৰিটোত এজাক ল'ৰা, মাজবাটতে থিয় হৈ আছে। কাষেৰে কোনোৰকমে গাড়ীখনে পাৰ হৈ যাওঁতে ল'ৰাবোৰে চিঞৰি উঠিল। বৰুৱাই নিৰ্বিকাৰভাৱে গৈ থাকিল।

মই উদ্বিগ্ন হৈ সুধিলোঁ, "কি হ'ল?"

"একো নহয়, গালি পাৰিছে।"

"গালি? কিয়?"

"কোনো কাৰণ নাই, এনেয়ে। কাষেৰে পাৰ হৈ যাওঁতে এনেকৈ গালি পাৰেই—ছালা ছুৱাৰকা বাচ্চা, আৰু নানা ধৰণৰ অবাইচ শব্দ। কাষেৰে পাৰ হৈ যাওঁতে অইন গাড়ীৰপৰাও এনেকৈ চিঞৰি চিঞৰি গালি পাৰে। গাড়ী চলাই থকাজনেতো একো ক'বই নোৱাৰে, পিছফালে

বহি যোৱাবোৰে মূৰ উলিয়াই গালি পাৰে। এই হ'ল স্ফূৰ্তি।"

"স্ফূৰ্তি? ই আকৌ কেনেকুৱা স্ফূৰ্তি?"

"আপুনি কেনেকৈ জানিব কেনেকুৱা স্ফূৰ্তি। আপোনালোকৰ দিনত এইবোৰ স্ফূৰ্তি আছিল জানো? ড্ৰাগছৰ নাম আপোনালোকে শুনিছিল জানো? ডাঙৰ মানুহৰ ল'ৰা-ছোৱালী, গাড়ী চলাই ফুৰে। যিহকে ইচ্ছা তাকেই কৰিব পাৰে। কোনেও একো নকয়।"

সিদিনা গগৈয়ে ঠিক একে ধৰণৰ কথাকেই কৈছিল। গগৈয়ে কৈছিল, "চিগাৰেট কিনিবলৈ ঘৰৰপৰা ওলাই আহিছিলোঁ। দেখিলোঁ পেট্ৰল পাম্পটোত হুলস্থূল চলি আছে। কিছুমানে কেবিনৰ আইনাবোৰ ভাঙিছে, কিছুমানে ধুমধামকৈ পাম্প কৰা মেচিনবোৰত কোবাইছে, ভয়ংকৰ বিশৃঙ্খল পৰিস্থিতি। দূৰৰপৰা আচৰিত হৈ চাই আছোঁ। ওচৰৰ ৰিক্সাষ্টেণ্ডৰ ৰিক্সাবালাবোৰেও নিৰ্বিকাৰভাৱে চাই আছে। সিহঁতৰ কথা শুনি উৎকৰ্ণ হৈ উঠিলোঁ। এজনে কৈ আছে, এইবোৰ চব ডাঙৰ মানুহৰ ল'ৰাৰ কাম। আমাকহে সকলোৱে কোবায়। ৰিক্সাৰে কঢ়িয়াই লৈ ভাৰা খুজিলে ল'ৰাবোৰে কোবায়, কথাই কথাই পুলিচেও কোব মাৰি দিয়ে। এই ল'ৰামখাই যে এনেকৈ উত্তগুলি কৰি আছে, কোনে ইহঁতক কি কৰে চাওঁচোন। পুলিচৰ কিবা কৰাৰ সাধ্য আছেনে? সকলোৱে ডাঙৰ মানুহৰ ল'ৰা।

ঘটনাটোৰ বিৱৰণতকৈ গগৈৰ মুখৰপৰা এজন অশিক্ষিত ৰিক্সাবালাৰ মন্তব্য শুনি মই অধিকতৰ শংকিত হৈ উঠিলোঁ। প্ৰচলিত ব্যৱস্থাৰ ওপৰত সাধাৰণ মানুহৰ আস্থা নোহোৱা হৈ আহিছে। অতিশয় আশংকাজনক পৰিস্থিতি। উপযুক্ত যোগসূত্ৰ থকা মানুহ এজনে যিকোনো অন্যায় কাম কৰি যাব পাৰে। হত্যা, বলাৎকাৰ, নিৰ্বিবাদে যিকোনো অপৰাধমূলক কাম কৰি যাব পাৰে। পিছে যদি গোটেই ৰাজ্যখনত দাউ-দাউকৈ জুই জ্বলি উঠে তেনেহলে ডাঙৰ-সৰু কোনোবাই অগ্নিনিৰোধক দুৰ্গ সাজি তাৰ ভিতৰত সোমাই লৈ নিজকে ৰক্ষা কৰিবলৈ সক্ষম হ'ব জানো?

অলপতে ক'ৰবাত এটা প্ৰবন্ধ পঢ়িছিলোঁ, লেখকজনৰ নামটো পাহৰিলোঁ।

"ইহঁতে ক'লা টকাৰ পাহাৰ সাজিব, সিহঁতে ডকাইতি কৰি সেই টকা কাঢ়ি ল'ব। ইহঁতে চকুত চাট মাৰি ধৰা সুদৃশ্য বিদেশী গাড়ী খৰিদ কৰিব, সিহঁতে জুই লগাই সেই গাড়ী জ্বলাই দিব। ইহঁতে....।"

পৰিস্থিতিৰ কথা কল্পনা কৰিলে আতংকত বুকুখন কঁপি উঠে।

বিৰাজ ফুকনক তেওঁৰ অফিচত লগ ধৰিবলৈ গৈছিলোঁ। নামী বাতৰি কাকতৰ সম্পাদক। ছুইংগিং দুৱাৰখন খুলি ল'ৰা এজন সোমাই আহিল। ফুকনে মাত দিলে।

"ৰূপক দেখোন, কি খবৰ?"

মোক দেখি ল'ৰাজনে সংকুচিত হৈ ওলাই যাবলৈ বিচাৰিলে। অতি নিৰীহ চেহেৰাৰ লাজকুৰীয়া ল'ৰা। ফুকনে ক'লে, "আহা, বহা। সংকোচ কৰিব নালাগে। এওঁ মোৰ ঘনিষ্ঠ বন্ধু। বহাচোন বহা, কি খবৰ কোৱাচোন।"

ল'ৰাজনে সুধিলে, "আছে নেকি কিবা কাম?"

"সদ্যহতেতো নাই। থাকিলে তোমাক কম।"

"আপুনি অইনৰ তাতো খবৰ কৰি চাব পাৰে, এই বেটত অইন কোনোবাই কাম কৰিবলৈ ৰাজী আছে নেকি খা-খবৰ লওক।"

"নাই, অইনৰ তাত কিয় খবৰ কৰিবগৈ লাগিছে? দৰকাৰ হ'লে তোমাকেই কম?"

"মোৰ দৰে 'অনেষ্ট' আৰু 'ৰিলায়েবল' পাৰ্টী ক'তো নাপায় কৈ থলোঁ।"

"জানো।"

"যাওঁ তেনেহলে। অইন এজন কাষ্টমাৰক লগ ধৰিব লাগিব।"

মোৰ কৌতূহলী দৃষ্টিৰ ফালে চাই ফুকনে ক'লে, "ভেৰি ছেড্ কেছ। আমাৰ চুবুৰীৰে ল'ৰা। বৰ ব্ৰিলিয়েন্ট ল'ৰা আছিল, ফিজিক্সত মেজৰ লৈ পঢ়ি আছিল। এদিনা গধূলি বায়েকক লৈ ওচৰৰ বিয়াঘৰ এখনৰপৰা খোজ কাঢ়ি ঘৰলৈ আহি আছিল। বাটত কেইজনমান ল'ৰাই আগচি ধৰিলে। সি বাধা দিবলৈ যোৱাত লোৰ মাৰিৰে তাৰ মূৰত কোবাই দিলে। তেতিয়াৰপৰা মূৰৰ গণ্ডগোল হৈছে।"

মই সুধিলোঁ, "এই যে কামৰ খবৰ কৰিলে, কি কাম?"

ফুকনে ক'লে, "ক'লোঁৱেই নহয় ভেৰি ছেড্। কোনোবা প্ৰতিপক্ষক মাৰিবলৈ হ'লে ৰূপকক ক'লে সি তাক মাৰি পেলাব। সি এটা পুতলা পিষ্টল গোটাই লৈছে। তাৰ ৰেট হেনো খুব কম। এই ব্যৱসায়ত ইয়াত এতিয়াও ভিৰ হোৱা নাই। এই কাৰবাৰত হাত দিয়া সিয়েই প্ৰথম অসমীয়া মানুহ। গতিকে যথেষ্ট উন্নতিৰ সম্ভাৱনা আছে।"

কৌতুকজনক পৰিস্থিতি। হাঁহিবলৈ গৈও মই হাঁহিব নোৱাৰিলোঁ। গভীৰ আতংকত মই শিয়ঁৰি উঠিলোঁ। ৰূপকৰ আজিৰ বলিয়ালি ভৱিষ্যতৰ কৰ্ম-কুশল মানুহ এজনৰ কৰ্মপন্থাৰ পূৰ্ব নিদৰ্শন নহয়তো?

# দুৰ্ভাগ্য

কেইদিনমান ধৰি পুৰন্দৰ বৰুৱাৰ পৰিবাৰে সবিস্ময়ে বৰুৱাৰ গতিবিধি লক্ষ্য কৰি আছিল। শেষ পৰ্যন্ত তেওঁ সুধিলে, "কি হৈছে তোমাৰ? গা অসুখ নেকি?"

"না তো।"

"গা অসুখ নহয় যদি ঘৰৰপৰা ওলোৱা নাই কিয়? বৰষুণ দি থাকিলেও তুমি ছাতি লৈ ওলাই যোৱা অথচ এই কেইদিনমান তুমি ঘৰৰপৰা এবাৰো ওলোৱা নাই। কি হৈছে কোৱাচোন।"

"একো হোৱা নাই।"

"একো হোৱা নাই বুলি ক'লেই মই বিশ্বাস কৰিম নে? কিবা নহ'লে এনেকৈ তুমি ঘৰত সোমাই থাকা?"

পুৰন্দৰ বৰুৱাই তেওঁৰ পৰিবাৰক কেনেকৈ কয় যে তেওঁ ঘৰৰপৰা ওলাবলৈ ভয় কৰে। অথচ তেওঁৰ পৰিবাৰে কোৱা এষাৰ কথা শুনিয়েই বৰুৱাৰ মনত অস্পষ্টভাৱে ভুমুকি মাৰি থকা অনুভূতিখিনিয়েই স্পষ্ট ভয়ৰ আকাৰ ধাৰণ কৰিছে। তেওঁৰ সৰু ল'ৰাজনে হেনো মাকক কৈছে যে সিদিনা তাৰ লগৰ ল'ৰা এজনে গধূলি চাৰি আলিত কেইজনমান ডেকা ল'ৰাই এজন বুঢ়া মানুহক লপাথপা কৰি থকা দেখিছে। এই তো মাত্ৰ কেইদিনমান আগৰ কথা। এজন ডেকা ল'ৰাই ফুটপাথৰ ওপৰেদি তীব্ৰ বেগে চাইকেল চলাই তেওঁৰ কাষেদি পাৰ হৈ গ'ল। তেওঁ জাপ মাৰি উঠিছিল। এনেকৈ হঠাতে জাপ মাৰি উঠিবলগীয়া হোৱাত তেওঁৰ খং উঠি গৈছিল। সাউৎকৰে গুচি নোযোৱা হ'লে তেওঁ ল'ৰাজনক ডাবি দিয়াৰ কথা ভাবিছিল। কথাষাৰ চিন্তা কৰি তেওঁ আতংকিত হৈ উঠিল। ল'ৰাজনে যদি তেওঁক এটা চৰ মাৰি দিলে হয়। কোনো এজনেও তো প্ৰতিবাদ নকৰিলে হয়।

পুৰন্দৰ বৰুৱাই জানে যে বাটত ওলালে দুৰ্ঘটনা হ'ব পাৰে, মৃত্যুও হ'ব পাৰে। সেই লৈ তেওঁৰ ভয় নাই। ৰাতি কেতিয়াবা তেওঁ চোৰ-বদমাচৰ হাতত্তো পৰিব পাৰে, টকা পইচাৰ কাৰণে সিহঁতে তেওঁক ছুৰী মাৰি বাটত পেলাই থৈ যাবও পাৰে। সেই লৈও তেওঁৰ সিমান ভয় নাই। এইবোৰ হ'ল বিপদ-আপদৰ কথা, কিন্তু অসন্মানৰ কথা নহয়। মানুহৰ জীৱনত এনেকুৱা বিপদ আছে। মানি নলৈ উপায় নাই। কিন্তু ৰাজআলিত অসংখ্য কৌতূহলী মানুহৰ চকুৰ আগত এই বুঢ়া বয়সত অকাৰণে অপমানিত হোৱাৰ কথা তেওঁ কল্পনা কৰিব নোৱাৰে। এনেকুৱা ঘটনা এটা ঘটি যোৱাৰ পিছত তেওঁ আকৌ বাটত কেনেকৈ ওলাব? আগলৈ তেওঁক বাটেৰে গৈ থকা দেখি বাটৰ কাষৰ পাণ দোকানীজনে খৰিদ্দাৰক কি ক'ব তেওঁ নিৰ্ভুলভাৱে

কল্পনা কৰি ল'ব পাৰে। "এই যে, এই বুঢ়াজনক দেখিছে নহয়। যোৱাকালি গধূলি এই বুঢ়াজনক ল'ৰা এজনে ঠাচ ঠাচ কৰে দুই গালত দুই চৰ লগাই দিলেহি। একেবাৰে মোৰ চকুৰ আগতেই।" সদায় চকুৰ আগত পৃথিৱীৰ কেৱল অন্ধকাৰ দিশটো দেখা পাই থকাটো সঁচাকৈ বৰ দুৰ্ভাগ্যজনক। ইমান দিন ধৰি বিশ্বাস কৰি অহা আটাইবোৰ কথাই কি তেনেহলে ভুল? মানৱিক গুণ বুলি যিবোৰক উল্লেখ কৰা হয় সেইবোৰ কি কেৱল অলীক কল্পনা?

আগতে মন নকৰা বহুতো ঘটনাৰ বিৱৰণ শুনি পুৰন্দৰ বৰুৱা শংকিত হৈ উঠে। কি হৈছে মানুহবোৰৰ? নে মানুহবোৰ এনেকুৱাই? প্ৰলয়ংকৰী বানপানীত প্ৰাণৰ ভয়ত গৌৰীপুৰৰ মানুহে একেলগে ওখ ঠাই বিচাৰি ধাপলি মেলিলে, লগে লগে নাও লৈ জাকজাক মানুহ আহি পৰিত্যক্ত ঘৰবোৰৰপৰা বস্তু-বাহানি লুট কৰিবলৈ লাগি গ'ল। মানুহৰ দুৰ্দশাৰ সীমা নাই, ইফালে সাহায্যৰ কাৰণে পঠিওৱা বস্তু ট্ৰাকৰ সৈতে মজুতদাৰৰ গুদামত জমা হ'ল। চাউল কিলো প্ৰতি বিছ টকা, কেৰাচিন তেল লিটাৰত পোন্ধৰ টকা। এই সুযোগ সহজতে পাবলৈ নাই। ট্ৰিবিউনৰ খবৰ—ভ্ৰষ্টাচাৰৰ অভিযোগত ই. এ. চি. গ্ৰেপ্তাৰ।

কিছুদিন আগতে পুৰন্দৰ বৰুৱাৰ চিনাকি ডেকা ল'ৰা এজনক নিৰ্জন বাটত মটৰে খুন্দিয়াই পেলাই দিয়ে। মানুহে মৰাশটোৰপৰা ঘড়ী, আঙঠি, আনকি কামিজ আৰু জোতাযোৰো খুলি লৈ গৈছে। কি হৈছে মানুহবোৰৰ?

গোটেই গাঁথনিটো যেন সোলোক-ঢোলোক হৈ পৰিছে, সন্ধিবোৰ শিথিল হৈ গৈছে, কেতিয়া ভাঙি পৰে ঠিক নাই। সকলো ক্ষেত্ৰতই চৰম অনুশাসনহীনতা। পানীৰ লাইন খুলি দিয়া মানুহজনে যেতিয়া ইচ্ছা হ'ল লাইন খুলি দিলে, ইচ্ছা নহ'লে নিদিলেই। ক'তো আপত্তি জনাই লাভ নাই। কাৰো কোনো ব্যৱস্থা লোৱাৰ শক্তি নাই, সাহসো নাই।

ডাক বিভাগৰ কাম-কাজ সিদিনালৈকে নিয়মীয়া আছিল। এই অৱস্থা নোহোৱা হ'বলৈ ধৰিছে। পিয়নে ফুকন, হাজৰিকা কাৰ চিঠি বাৰাণ্ডাত দলি মাৰি দি যায় কোনো পাত্তা নাই। পিছদিনা পুৰন্দৰ বৰুৱাই খাপ লৈ থাকে, পিয়নক বাটেৰে গৈ থকা দেখিলে চিঠিবোৰ ফিৰাই দিয়ে। তেওঁৰ নিজৰ চিঠিপত্ৰ বা কাৰ ঘৰত পেলাই থৈ যায়?

আগতে মৃত্যু হোৱা হ'লেই ভাল আছিল। পুৰন্দৰ বৰুৱাই এই কথাই চিন্তা কৰে। এটা ধুনীয়া সপোনৰ আৱেশত আবৃত হৈ মৰিব পৰা গ'লহেঁতেন। মিথ্যা হলেও ধুনীয়া। পৃথিৱীৰ এই নগ্ন, কদৰ্য ৰূপ নেদেখাকৈয়েই তেওঁ যাব পাৰিলে হয়। কিন্তু তেওঁ আজি কি দেখিছে?

শক্তি, প্ৰতিপত্তি আৰু সম্পদৰ কাৰণে অবিৰাম সংগ্ৰাম। এই সংগ্ৰামত নৈতিকতাৰ কোনো প্ৰশ্ন নাই। সীমাহীন ছলনা, অন্তহীন লালসা। এজন আশী বছৰীয়া বৃদ্ধই ক্ষমতাত থকা নাতি ল'ৰাৰ বয়সৰ ল'ৰাৰ ভৰিত ধৰি স্তুতিনতি কৰে। দৃশ্যটো কল্পনা কৰিলেই কিবা লাগি যায়। প্ৰেম, ভ্ৰাতৃত্ব এইবোৰ হ'ল অভিধানত অন্তৰ্ভুক্ত কৰা অৰ্থহীন শব্দ, যান্ত্ৰিকভাৱে উচ্চাৰণ কৰিব পৰা কিছুমান ধ্বনি।

পুৰন্দৰ বৰুৱা সাৱধানী মানুহ। খোজ কাঢ়োঁতে তেওঁ চাইচিতি সাৱধানে খোজ কাঢ়ে। বিয়াঘৰ এখনত অলপ ৰাতি হৈ গ'ল। "থাকক, থাকক থৈ অহাৰ ব্যৱস্থা হ'ব," ইত্যাদি।

সময়ৰ মূৰত কাৰো পাত্তা নাই। বৰুৱাই বাটৰ কাষেৰে খোজ কাঢ়ি আহি আছিল। সেই অৱস্থাতেই হঠাতে প্ৰচণ্ড গৰ্জন কৰি মটৰ চাইকেল এখনে তেওঁক খুন্দা মাৰি বগৰাই থৈ তীব্ৰ বেগে গুচি গ'ল। ৰাতি বৰ বেছি নহ'লেও বাটত মানুহ-দুনুহ বিশেষ নাই। তথাপি কেইজনমান ল'ৰা বৰুৱাৰ ওচৰত গোট খালে।

সিফালৰপৰা আহি গাড়ী এখনো ওচৰতে ৰৈ গ'ল। মনীন্দ্ৰ চৌধুৰী, লগত তেওঁৰ পৰিবাৰ আৰু ল'ৰাজন।

মনীন্দ্ৰই অলপ বিব্ৰত হৈ তেওঁৰ পৰিবাৰৰ ফালে চালে?

"কি কৰা যায়?"

"কি আৰু কৰিবা? মানুহজন এনেকৈয়ে বাটতে পৰি থাকিব নে? ঘৰলৈতো বেছি দূৰ নাই, ৰিক্সা-ফিক্সা কিবা এখন লৈ যাওঁ। খোজ কাঢ়িও যাব পাৰিম।" মৰাৰ আগতে পুৰন্দৰ বৰুৱাই গম নাপালে যে সম্পূৰ্ণ হতাশ হৈ পৰাৰ তেওঁৰ কাৰণ নাছিল। অপৰিচিত ল'ৰা এজনে এই ৰাতিখন নিজৰ পৰিবাৰ আৰু ল'ৰাজনক অকলে বাটত নমাই থৈ তেওঁক হাস্পতাললৈ লৈ গ'ল। এইয়া হ'ল তেওঁৰ দুৰ্ভাগ্য।

# ভিন্ন সমতল

মেট্ৰিক স্পেচ বা নৰ্মড্ লিনিয়াৰ স্পেচ কাক কয় সেইবোৰ কথা হয়তো ক'ব পাৰিম। কিন্তু পৃথিৱী বা ইয়াৰ মানুহৰ বিষয়ে মোৰ যি জ্ঞান সেইটো বৰ উপৰুৱা ধৰণৰ। বাহিৰত থাকি আহৰণ কৰা জ্ঞান। ৰাজনীতিৰ কথা যিখিনি জানো তাকো কাগজ-পত্ৰ পঢ়িহে। মই যি পৰিয়ালত জন্ম লৈছোঁ তাৰ প্ৰভাৱ, মোৰ শিক্ষা, মোৰ অৰ্জিত সংস্কৃতি আদিয়ে মোৰ দৃষ্টিভংগীক প্ৰভাৱিত কৰে। পুৰীৰ শংকৰাচাৰ্যই যেতিয়া বিধৱা মহিলাক পুৰি মাৰিব লাগে বুলি কয় মই অস্বস্তি বোধ কৰোঁ, কিন্তু হেজাৰ হেজাৰ মানুহেতো তেওঁক সমৰ্থন কৰে, ক'ৰবাত কোনোবা মহিলাক পুৰি মাৰিবলৈ লৈছে বুলি খবৰ পালে তৎক্ষণাৎ তাত উৎসাহী জনতাৰ ভিৰ লাগি যায়।

গল্প লিখোঁ অথচ কাৰ মনত কি আছে একোৱেই নাজানো। এজন অপৰাধপ্ৰৱণ ব্যক্তিৰ মনৰ ভাব কেনেকুৱা? এজন হত্যাকাৰীৰ? কলিংবেলৰ শব্দ শুনি নিঃশ্চিন্ত মনে ওলাই আহি কাৰোবাক পিস্তল টোৱাই থকা দেখিলে মানুহ এজনৰ মনৰ ভাব কেনেকুৱা হয়? মই বৰ্ণনা কৰা সকলোবোৰ অনুভূতি হ'ল কৃত্ৰিম অনুভূতি। অইনৰ ওপৰত জাপি দিয়া মোৰেই অনুভূতি। বিশেষ কোনো পৰিস্থিতিত মোৰ যি ধৰণৰ প্ৰতিক্ৰিয়া হ'ব পাৰে বুলি মই ভাবোঁ মোৰ গল্পৰ চৰিত্ৰবোৰো সেই একেই ধৰণৰ প্ৰতিক্ৰিয়া হয়। কৃত্ৰিম পৰিস্থিতি, কৃত্ৰিম প্ৰতিক্ৰিয়া।

লগ পাই থকা মানুহবোৰক যে চিনি পাওঁ সেই কথাও মই ক'ব নোৱাৰোঁ। মোৰ চাৰিওফালৰ মানুহবোৰ প্ৰতিজনেই মই সৃষ্টি কৰি লোৱা কাল্পনিক চৰিত্ৰ। বীৰেনদাৰ ঘৰত খাবলৈ গৈছিলোঁ। ঘৰত অইন মানুহ নাই। বীৰেনদা, নবৌ আৰু মই, একেলগে খাবলৈ বহিলোঁ। বৌৱে মাছ নল'লে। মই সুধিলোঁ, "কি হ'ল? ধৰ্মত মতি নেকি?" কোনেও একো নামাতিলে। মই লক্ষ্য কৰিলোঁ যে বীৰেনদাই এক বিশেষ দৃষ্টিৰে মুহূৰ্তৰ কাৰণে বৌৰ ফালে চালে।

পিছত বীৰেনদাই ক'লে, "দেখাত ইমান শান্ত হ'লে কি হ'ব? অসম্ভৱ জেদ। এজন বিহাৰী মানুহে ঘৰতেই মাছ লৈ আহে। মানুহজন বোধহয় ঘৰলৈ গৈছিল। বহুত দিন অহা নাই। মোক তো জানই, বজাৰৰ ভিৰৰ মাজত ঠেলাহেঁচা কৰি ফুৰিবলৈ ভাল নাপাওঁ। তোৰ বৌৱেৰাই ক'লে, বজাৰলৈ গৈ অলপ মাছ লৈ নহা কিয়? ভালকৈ ভাত খাব পৰা নাই দেখোন।" মই ধেমালি কৰিবলৈ গ'লোঁ। "মোৰ একো অসুবিধা নহয়, অভ্যাস আছে। তোমাৰ কথা বেলেগ। সৰুৰেপৰা মাছ-মাংস নোহোৱাকৈ এসাজ ভাত খাই পোৱা নাই।" বচ, হৈ গ'ল। সিদিনাৰপৰাই এওঁ মাছ খোৱা বাদ দিছে। কৈ কৈ এতিয়া কোৱা বাদ দিছোঁ। কিমাননো কাজিয়া কৰিবা? কাজিয়া বুলিয়েই বা কওঁ কেনেকৈ? মুখেৰে কিবা ক'লেহে।"

এনেকুৱা অনুভূতি মই বুজি পাওঁ। পৰিচিত অনুভূতি। মধ্যবিত্ত মানুহৰ মান-অভিমানৰ কথা।

কিন্তু নিজৰ পৰিচিত জগতৰ বাহিৰত ভৰি দিলেই মই অস্বস্তি বোধ কৰোঁ।

মোৰ সৰুকালৰ লগ আছিল দেৱ। আমি একে বয়সৰ। দেৱৰ মাকে আমাৰ ঘৰত কাম কৰিছিল। দেৱৰ কথা শুনি মই হতবুদ্ধি হৈ গ'লোঁ। সি ধনেশ্বৰক গালি পাৰি আছিল।

"উয়ায় মোৰ বাপ্ নাকি? তৈয়াৰী ছাওৱাৰ বাপ্ হৈছে ছালা। আৰু কোনোদিন মোৰ গাত হাত তুললে ছালাৰ নেলু কাটি দিম।"

"কোন তেনেহ'লে তোৰ বাপেৰ?"

"কেমন কৰি কইম? কায় মজা মাৰছে মুই কেমন কৰি কইম? মানষি তো কয় ধৰ্মবাবু মোৰ বাপ।"

"এই, আস্তে।"

"কিসেৰ আস্তে?"

এইখন এখন সম্পূৰ্ণ ভিন্ন জগত। মোৰ পৰিচিত জগতখনৰ লগত এইখন জগতৰ কোনো সাদৃশ্য নাই।

দেৱই ধনেশ্বৰৰ নেলু অৰ্থাৎ ডিঙি কাটিম বুলি ক'লেও শেষ পৰ্যন্ত সি তাৰ নেলু কটা নাছিল। নেলু নাকাটিলেও ফলা খৰি এডালেৰে কোবাই তাৰ মূৰ ফালি দিছিল। ধনেশ্বৰৰ মূৰ ফালি দি সেই যে সি পলালে তাৰ পিছত সাত-আঠ বছৰমান তাক আৰু লগ পোৱা নাই।

তাৰ পিছত তাক লগ পাওঁ পাণ্ডু-আমিনগাওঁ পাৰাপাৰ কৰা ষ্টিমাৰত। তেতিয়া শৰাইঘাট দলং হোৱা নাছিল। ষ্টিমাৰৰ তলৰ অংশত ঠাহ খাই থকা তৃতীয় শ্ৰেণীৰ যাত্ৰী। তিল ধাৰণৰ স্থান নাই। ওপৰত থাকে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ যাত্ৰী। মুষ্টিমেয় মানুহ। আমি যদিও তৃতীয় শ্ৰেণীৰেই যাত্ৰী, তথাপি আমি পটপট গৈ ওপৰলৈ উঠি গৈছিলোঁ। তেনেকৈয়েই যাব লাগে। সংকোচৰ ভাব দেখুৱালেই বিপদ। ওপৰত চাহাবী ধৰণৰ প্ৰাতৰাশ দিয়ে। আমি গহীনভাৱে প্ৰাতৰাশৰ অৰ্ডাৰ দিছিলোঁ।

"আপোনাৰ ঘৰ ক'ত?"

বগা পোছাক পিন্ধা পৰিবেশনকাৰী ল'ৰাজনে উৎসুক দৃষ্টিৰে মোৰ ফালে চাই আছে। মূৰত পাগুৰি, কৰ্কালত পেটী, দেৱক মই কেনেকৈ চিনি পাম?

"কিয়? তোমাক কিয় লাগিছে?"

"নহয়, মানে, খুব চিনাকি যেন লাগিছে।"

"তোমাৰ ঘৰ ক'ত?"

"মধুপুৰত।"

"মধুপুৰত? কি নাম কোৱাচোন।"

"দেৱ।"

তৎক্ষণাৎ তাক চিনি পালোঁ।

"আৰে, তই? ইয়াত কেতিয়াৰপৰা আছ?"

"তাকেই তো কং, ভদ্রদা ভদ্রদা যেন লাগ্‌ছে। হয় না নাহয়?" জাহাজ পাণ্ডু পালেই। কথা পতাৰ সময় নাই। লৰা-ঢপৰা নকৰিলে সিফালৰ গাড়ীত ঠাই নাপায়।

" যা, বিলখন আন।"

"নালাগে, মুই দিম।"

"কি তই দিবি? আন, আন সোনকালে কৰ। জাহাজ ঘাটত লাগিলেই।"

দেৱ নোহোৱা হৈ গ'ল। তাক বিচাৰি ফুৰাৰ সময় নাই। মালবস্তু তলত থৈ আহিছোঁ। জাহাজ ঘাটত লগাৰ আগতেই কুলিবোৰে জাপ মাৰি আহি মালবস্তু মূৰত তুলি লয়। মই উদ্ভ্রান্তৰ দৰে তললৈ নামি গ'লোঁ।

ইয়াৰ পিছত চাকৰি কৰি থকা অৱস্থাত মাজে সময়ে দেৱক গুৱাহাটীত লগ পাই আছিলোঁ। সি তেতিয়া বিদ্যুৎ পৰিষদত ড্ৰাইভাৰ কাম কৰে। দেখা হ'লেও সি মন খুলি কথা নকয়, দূৰত্ব বজায় ৰাখি চলে। মোক সন্মান কৰি 'আপুনি' বুলি সম্বোধন কৰে।

দেখা হ'লে মই সপ্রশংস দৃষ্টিৰে দেৱৰ ফালে চাওঁ। সহজাত সামৰ্থ্য আছে তাৰ। প্রতিকূল অৱস্থাৰ মাজতো কেৱল নিজৰ চেষ্টাতেই সি নিজকে প্রতিষ্ঠিত কৰি লৈছে। এজনী বান্দীৰ ল'ৰা, জন্মৰ কোনো সূত্র নাই। তাৰ মাক সুকমই অর্থাৎ সুখময়ীয়ে লোকৰ ঘৰত কাম কৰি সংসাৰ চলাইছিল। ধনেশ্বৰ হ'ল একেবাৰে অপদাৰ্থ, বয়সতো তাইতকৈ সৰু। আনুষ্ঠানিকভাৱে সুখময়ীৰ কেতিয়াও বিয়া হোৱা নাছিল।

সেই অৱস্থাতেই দেৱৰ জন্ম। তাৰ পিছত বঙাইগাৱঁৰ মংলু বোলা টিনমিস্ত্রী এজনে সুখময়ীক লগত ৰাখিছিল। কিছুদিন পিছত সিও তাইক এৰি থৈ ক'ত যে গ'ল কোনেও ক'ব নোৱাৰে। একেবাৰে বেপাত্তা। শেষত ধনেশ্বৰে তাইক নিজৰ ঘৰলৈ লৈ আনে। দেৱই মিছা কথা কোৱা নাছিল। ধনেশ্বৰ তাৰ জন্মদাতা পিতৃ নহয়।

অৱসৰ লোৱাৰ কিছুদিন পিছত সিদিনা বাটত আকৌ দেৱক লগ পালোঁ। মাজতে সি মোক লগ পালেও মোৰ লগত স্বচ্ছন্দে কথা পাতিব পৰা নাছিল। এটা সংকোচৰ ভাব আছিল। আনকি সি মোক 'আপুনি' বুলি মাতিবলৈ লৈছিল। এইবেলি তাৰ কথা-বতৰাত কোনো ধৰণৰ সংকোচ নাই।

"কি অ' ভদ্ৰ, তই বোলে ৰিটায়াৰ কৰিলি।"

"অ', তই?"

"মুইয়ো ৰিটায়াৰ কৰলু। এই একমাস হইল।" ৰিটায়াৰ কৰাটো যেন এটা মহা স্ফূর্তিৰ কথা।

"কি কৰিবি এতিয়া?"

"কি আৰ কৰিম? বাড়ী যাইম।"

"ঘৰলৈ গৈ কি কৰিবি? ইয়াত থাকিলে দেখোন কাম কৰি থাকিব পাৰিবি। মানুহে ভাল ড্ৰাইভাৰ বিচাৰি হাবাথুৰি খাই আছে। তোৰ গাওতো ভালে আছে।"

"নাই, নালাগে মোক কাম। বাপ্, এটি মান্ষি থাকে নাকি? মোৰ তো দম বন্ধ হয়া আইসে। বাপটাও বুঢ়া হৈছে; দেখাশুনা কৰাৰ কায়ো নাই। চকু দিয়াও নাদেখে। মুই ছাৱা উয়াৰ অন্য ছাওৱা পোৱাও নাই। মোৰ ঘৰেৰ মান্ষিটা চাইট্টা ৰান্ধি নাদিলে নাখায়া মৰবে।"

"তোৰ বাপ? কায় তোৰ বাপ?"

"কেনে? ধনেশ্বৰ ৰায়। তুই আগেৰ কথা গুলা সউক ভুলি গেলু?"

# হৃদয় বৃত্তি

বিহাৰৰ অতি অখ্যাত এটা ৰেল ষ্টেছন। ষ্টেছন এৰি গাৰঁৰ ফালে খোজ ল'লোঁ। পাৰিপাৰ্শ্বিকতা অস্পষ্ট। এটা দৃশ্য অইন এটা দৃশ্যৰ লগত মিহলি হৈ আছে। কোনো বস্তুৰে সীমাৰেখা স্পষ্ট নহয়। বুঢ়া এজনে গাই গৰু এজনীক চম্ভালিবৰ চেষ্টা কৰি আছিল।

সুধিলোঁ, "বাঁৰু কিষণৰ ঘৰটো কোনখিনিত জানেনে?"

"কোন কিষণ?"

"অসমত বহুত দিন আছিল। ৰামকিষণ মহতো।"

"সিটো কেতিয়াবাই ঢুকাল। দহ-বাৰ বছৰমানেই হ'ল।"

"জানো। তাৰ পৰিবাৰ, ল'ৰা-ছোৱালী, এইবোৰ? ক'ত থাকে সিহঁত?"

মানুহজনে হুমুনিয়াহ এটা কাঢ়িলে।

"কি ক'ম? কিষণৰ ল'ৰা এজনে কলিকতাতে ঠেলাগাড়ী চলায়। আনজনে কোচবিহাৰত ইটাৰ ভাটাত কাম কৰে।"

"এইবোৰ কথাও মই জানো। কিষণৰ পৰিবাৰ? বুঢ়ীজনী? জীয়াই আছে নে মৰিল?"

"ক'ত মৰিব? মৰিলে লেকাত ভুঞ্জিব কোনে? ল'ৰা এটায়ো খবৰ নলয়। খুজি-মাগি খাই আছে। বুঢ়ীৰ দুৰৱস্থাৰ কথা আৰু নক'ব।"

গাহৰিৰ গড়াল এটাও ইয়াতকৈ ভাল। বুঢ়াজনে মাতিলে, "আৰে, এ ৰামদুলাৰী।"

ঠিক কথা। কিষণৰ পৰিবাৰৰ নাম ৰামদুলাৰী।

উত্তৰত এজাক গালি ছিটিকি আহিল। অতি কৰ্কশ স্বৰ। বুঢ়াজনে জনালে যে বুঢ়ীৰ মূৰৰো অলপ দোষ হৈছে।

"বাৰু গালি পিছত পাৰিবা। ওলাই আহাচোন এবাৰ। কোন আহিছে চোৱাহি।"

জঁকা এটা ওলাই আহিল। পিন্ধনত শতচ্ছিন্ন লেতেৰা কাপোৰ এখন। আমাৰ ঘৰলৈ ভিক্ষা বিচাৰি অহা বিহাৰী বুঢ়ীজনীৰ নিচিনা।

মই ক'লোঁ, "মই মধুপুৰৰ ভূপতি চৌধুৰী।" মোৰ কথাষাৰে বুঢ়ীৰ মনত একো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰিলে। মই বহলাই ব্যাখ্যা কৰিলোঁ, মই মনু।"

হঠাতে বুঢ়ীজনী কিবা হৈ গ'ল।

"আৰে মনুৱা। তু? চাওঁ, চাওঁ, চাওঁ। বুঢ়া যেতিয়া আছিছিল, চৌবিছ ঘন্টা তোৰেই কথা। বুঢ়াটো মৰিল কিন্তু মোৰ এই অৱস্থা কৰি থৈ গ'ল। ল'ৰা দুজনে, কুত্তাৰ বাচ্চা দুটাই, এবাৰ

এখন চিঠি দিও খবৰ নলয়।"

"বাৰু যি হ'বৰ হৈছে। এই টকাখিনি ৰাখা, ঘৰটো অলপ ভাল কৰাই ল'বা। আগলৈ মাহে মাহে তোমালৈ মই পঁচিছ টকাকৈ পঠিয়াই থাকিম।"

জেপৰপৰা নোট কেইখন বাহিৰ কৰিলোঁ। নহয়, কম হ'ব। আৰু কেইখনমান নোট ল'লোঁ। গোটেইখিনি টকা বুঢ়ীজনীৰ ফালে আগবঢ়াই দিলোঁ।

হঠাতে বুঢ়ীজনী তাতেই বহি পৰিল। আবেগৰ আতিশয্যত তাইৰ মুখখন কেনেকুৱা হ'ল দেখা নাপালোঁ। কান্দিলে, নে হাঁহিলে? পোহৰৰ স্বল্পতা মোৰ দেখা নোপোৱাৰ কাৰণ নহয়। আচলতে বিহাৰৰ এটা অখ্যাত ষ্টেছনত মই নমাই নাছিলোঁ; সেই বুঢ়ীজনীৰ ঘৰলৈও যোৱা নাছিলোঁ। সঁচা কথা ক'বলৈ হ'লে মই সেই অখ্যাত ষ্টেছনটোৰ নামটোনো কি, তাকেই নাজানো। কাজেই বুঢ়ীজনীৰ মুখৰ চেহেৰা কেনেকুৱা হৈছিল মই কল্পনা কৰিব নোৱাৰিলোঁ।

কিষণে কেতিয়া আমাৰ ঘৰত কাম কৰিবলৈ আহিছিল আমি ক'ব নোৱাৰোঁ। ককাদেউতাৰ দিনৰে কথা।

মানুহজন বুঢ়া হৈছে কিন্তু ঘৰলৈ যাব নোখোজে। বুঢ়া বয়সত অসুখ-বিসুখ হ'লে কোনে চায়? অইন কথাতো বৰ জুলুম আৰম্ভ কৰিছে। কথাই কথাই খং আৰু অভিমান। কিবা কথাত অলপ ইফাল-সিফাল হ'লে ভাত-পানী নোখোৱাকৈ শুই থাকে? এইবোৰ অত্যাচাৰ কোনে সহ্য কৰে?

ঘৰত বহুতো মানুহ। সকলোৰে নিজৰ নিজৰ কথাত ব্যস্ত। এইবোৰ মান-অভিমানৰ কথাত সহানুভূতিৰ উদ্রেক নহৈ খংহে উঠে। বিৰক্তিকৰ কথা।

"তুমিতো বাহিৰে বাহিৰে থাকা। কি বুজিবা? সঁচাই বৰ অসহ্য হৈ উঠিছে। বুজাই-বঢ়াই ঘৰলৈ পঠিয়াই দিয়া।"

ৰাতিপুৱাই ওলাই যাওঁতে দেখিলোঁ কিষণে কোৰ এখন লৈ ঠিক দুৱাৰমুখৰ ঘাঁহখিনি চিকুনাই আছে। কেৱাহিকৈ মোৰ ফালে চালে। বুজিলোঁ, মোক দেখুৱাইছে। বেয়াও লাগিল। বেচেৰা।

কি প্ৰতাপ আছিল এই কিষণৰ। সকলোৱে ভয় কৰিছিলোঁ। আমি ওপজাৰ আগৰপৰাই সি আমাৰ ঘৰত। অদ্ভুত বিশ্বাসী আৰু কৰ্মঠ। বুঢ়াই হ'ল আমাৰ ঘৰতে থাকি।

বিহাৰৰ ঘৰত বুঢ়ীজনী আছে। বুঢ়াৰ দুজন ল'ৰাও আছে। ৰামা আৰু শ্যামা। সৰুতে মাজে মাজে একোটাক লগত লৈ আহিছিল। এতিয়া এজনে হেনো কলিকতাত ঠেলাগাড়ী চলায়, আনজনে কোচবিহাৰত ইটাৰ ভাটাত কাম কৰে।

সৰুতে দেখিছোঁ নহয়, ঘৰলৈ গ'লেও সি বেছিদিন থাকিব নোৱাৰিছিল। তাৰ চাল-চলন, কথা-বতৰা সকলোখিনিয়েই বেলেগ হৈ গৈছে। খাৰ নহলে ভাত খাব নোৱাৰে। টেঙাৰ আঞ্জা এখন নাথাকিলে খোৱাৰ জুতি নুঠে। ইফালে ৰাখাল দাস, ভৈৰৱ বুঢ়া এইবোৰ তাৰ নলে-গলে লগা বন্ধু। কি ফুচ-ফুচ গুজ-গুজ কথাবতৰা, কি হাঁহি। বিহু আহিলে তাৰ গাত তৎ নোহোৱা হয়। ব'হাগ বিহুত তাৰ জানো কম কাম? "দীঘলতী দীঘলপাত, গৰু কোবাওঁ জাত

জাত। মাৰ সৰু বাপেৰ সৰু তই হবি বৰ গৰু।" নিয়মৰ কামখিনি কৰে কোনে?

বিহাৰৰ গাৱঁত গৈ দুদিন পিছতে তাৰ অসহ্য লাগি যায়। দুমাহৰ কাৰণে ঘৰলৈ গৈ এমাহৰ ভিতৰতে গুচি আহে।

"কি হ'ল? আহিলি দেখোন।"

"নাই, বুঢ়ীজনীয়ে বৰ কেটকেটাই থাকে। ভাল নালাগে। আই, ভাত ৰন্ধা হ'ল নেকি? ঘৰত ঔ টেঙা আছে নে নাই? আনিম নেকি ভৈৰৱৰ তাৰপৰা এটা?"

বুঢ়া হৈছে। মেজাজটোও কিবা খিটখিটীয়া হৈছে। পেটটো ভাল নহয়, কিন্তু স্বীকাৰ নকৰে। আচলতে অলপ লোভো হৈছে। কাম কৰা ল'ৰা যদুৱে ক'লে, "কিষণে ৰাতিপুৱাৰপৰা পাইখানালৈ গৈয়েই আছে। সাতবাৰমান হ'ল কিজানি।" কিষণে গেৰগেৰাই উঠে। মুখৰো লাগবান্ধ নাই। যদুৱে নালিচ কৰে।

মই ক'লোঁ, "কি হ'ল? যদুক হেনো যা-তা গালি পাৰিছা?" কিষণে তীব্ৰভাৱে প্ৰতিবাদ কৰে।

"কি গালি পাৰিছোঁ কুকুৰ পোৱালিক?" লগতে আৰু এজোপ অশ্ৰাব্য গালি।

মাই ক'লে, "তোৰ পেটটো বেয়া হৈছে, বহুৰ দাইল খাব নালাগে।" কিষণে ভাতেই নাখালে। সঁচাই অসহ্য হৈ উঠিছে। কথা হ'ল, বেমাৰ-আজাৰ হৈ ঘৰ-দুৱাৰ নষ্ট কৰিলে কোনে ভাল কৰিব?

"ইমান দিন আছে মানুহজন, এতিয়া ক'ত পঠিয়াই দিবা? থাকক।"

তৃতীয় ভাই অপূৰ্বই মাজতে ঘপকৈ মাত লগালে। আগ পিছ নভবাকৈ মাজতে মাত লগোৱাতো তাৰ এটা অভ্যাস। দায়িত্বজ্ঞান অলপো নাই। এইজনক লৈয়েই ঘৰখনৰ সমস্যা। বি. এ. পাছ কৰি উঠি ইচ্ছা কৰি নপঢ়িলে। এতিয়া ঠিকা নে ফিকা কৰে সিয়েই জানে। ভাবপ্ৰৱণতাৰ কথা নহয়। গাৱঁত বুঢ়ীজনী আছে। বুঢ়াৰ আলপৈচান ধৰিব পাৰিব। বিদেশত নিঃসঙ্গ অৱস্থাত পৰি থকাতকৈ এই বয়সত নিজৰ ঘৰত আপোন মানুহৰ মাজত থকাটোৱে ভাল। উচিতো।

অপূৰ্বই ক'লে, "সি এইখন ঘৰকে নিজৰ ঘৰ বুলি ভাবে, আমাকেই সি আপোন বুলি ভাবে।"

এই ধৰণৰ ওলোটা তৰ্ক কৰা শুনিলে কাৰনো খং নুঠে?

কিষণক জোৰকৈ পঠিয়াই দিয়াটোৱেই উচিত। সেইটোৱেই ঠিক কৰা হ'ল। কি খং তাৰ। কাকো নামাতে। পিছত অৱশ্যে সি যাবলৈ মান্তি হ'ল। সিইতৰ ফালে যোৱা মানুহো পোৱা গ'ল। মৰাপাট গুদামত কাম কৰা মানুহ এজনো যাব। তাৰ লগ কৰি দিয়া হ'ল।

যোৱাৰ দিনা কিষণৰ কি কান্দোন। কেইবাদিনো ধৰি মধুপুৰৰ সকলোৰে ঘৰে ঘৰে মাত লগাই আহিল। ওচৰ-চুবুৰীয়া দুই-চাৰি ঘৰে মাতিও খুৱালে। যোৱাৰ সময়ত বহুতে মাত লগাবলৈ আহিল। তাৰ কান্দোন দেখি ৰাখাল দাস আৰু ভৈৰৱৰ চকুও চলচলীয়া হৈ উঠিল। মাৰো চকুপানী ওলাল। আমাৰো খুব বেয়া লাগিল। কিষণক নিৰ্দেশ দিয়া হ'ল দৰকাৰ হ'লেই

সি যেন পইচা-পাতি সম্বন্ধে আমালৈ লিখে।

লেঠাটো মাৰি কাৰ্যক্ষেত্ৰলৈ গুচি আহিলোঁ। কেইমাহমান পিছত হিন্দীত লিখা চিঠি এখন পালোঁ। কিষণে লিখা। ভালকৈ পঢ়িব নোৱাৰিলোঁ। মেট্ৰিকত সংস্কৃত আছিল। চেষ্টা কৰিলে জোঁটাই-জোঁটাই ছপা আখৰ পঢ়িব পাৰোঁ। সেইবুলি লিখা আখৰ পঢ়া টান। কাৰোবাক দি পঢ়ুৱাই ল'ম বুলি চিঠিখন থৈ দিলোঁ। ইতিমধ্যে কাৰ্যসংক্ৰান্ত কথাত চহৰ এৰি যাব লগা হ'ল।

এমাহৰ মূৰত আৰু এখন চিঠি পালোঁ। এইখন ইংৰাজীতে লিখা। লিখিছে বদ্ৰীপ্ৰসাদৰ জবানীত। নামটো মনত পৰিল। কিষণৰ খুলশালিয়েক। কিছুদিন মধুপুৰৰ মৰাপাট গুদামত কাম কৰিছিল।

চিঠিখন পাই মনটো বেয়া লাগিল। কিষণটো মৰিল। বেচেৰা। বৰ ভাল মানুহ আছিল। বুঢ়ীজনী বৰ বিপদত পৰিছে। এই সময়ত অলপ কিবা সহায় কৰিলে বৰ উপকাৰ কৰা হ'ব। নিশ্চয়। বদ্ৰীপ্ৰসাদে সকীয়াই দিব লাগিছেনে?

কিন্তু সেই মুহূৰ্তত মই টকা-পইচাৰ বৰ অসুবিধাত পৰিছিলোঁ। চহৰত এডোখৰ মাটি লৈছোঁ, তাৰ পইচাখিনি দিব লগা হ'ল। ৰেফ্ৰিজাৰেটৰ এটাও কিনিম বুলি ঠিক কৰাই আছিল। তৎক্ষণাৎ পঠিওৱা অলপ টান হ'ল। বাৰু ঠিক আছে। কেইদিনমান পিছতেই পঠিয়াম বুলি থৈ দিলোঁ।

লেঠা মোৰ কিবা এটানে? চব কথা মনত ৰখাও টান। পিছে এইটো এটা দৰকাৰী কথা। কিছু টকা পঠিওৱা মোৰ কৰ্তব্য।

কথাটো পাহৰা নাছিলোঁ। সঁচাই পাহৰা নাছিলোঁ। কিন্তু কিছুদিন পিছত চিঠিখন বিচাৰি নাপালোঁ। কিষণৰ ঠিকনাটো ক'ৰাবাত লিখাও আছে। কত ৰকমৰ নাম আৰু ঠিকনা। এছ. কে. পেটেল, ২৪, এপোলো ৰোড, নাগপুৰ। আৰ সিং ৩২ ওৱেষ্ট পেটেল নগৰ, নিউ দিল্লী। কোন এইজন? নাই নাপালোঁ। কিষণৰ ঠিকনা তাত নাপালোঁ। টকাখিনি পঠিয়াব নোৱাৰিলোঁ। বেয়া লাগিল। মধুপুৰৰ ঘৰত আছে নিশ্চয় ঠিকনাটো। খবৰ কৰিব লাগিব। নানা তালত থকা মানুহ মই। চব কথা মনত ৰখাও টান। কেতিয়াবা মনত পৰে। আজি লিখিম কালি লিখিম বুলি থাকোঁতেই বেলেগ এটা জঞ্জাল আহি যায়।

দিল্লীত আলোচনা সভা এখন আছিল। উভতি আহোঁতে ৰেলেৰে আহিলোঁ। ৰেলখন যেতিয়া বিহাৰৰ মাজেদি আহি আছিল তেতিয়া কিষণৰ কথা মনত পৰিল। কেতিয়াও চকুৰে নেদেখা বুঢ়ীজনীৰ কথাও মনত পৰিল। মনটো বেয়া লাগিল। কি হ'ল বা বুঢ়ীজনীৰ। গাড়ীৰ অবিশ্ৰান্ত গতিৰ লগত কল্পনাৰ পাখিও মেল খালে। আবেগপূৰ্ণ পৰিস্থিতি এটা সৃষ্টি কৰিলে। দুই-চাৰিটা চুটি গল্প লিখাৰ অভ্যাস আছে। অৱশ্যে তেনেকুৱাকৈ সময় নাপাওঁ। কল্পনা কিন্তু মোৰ ঠেকা খাই গ'ল। বুঢ়ীজনীয়ে কান্দিলে নে হাঁহিলে মই কোনো মতেই কল্পনা কৰিব নোৱাৰিলোঁ।

এইখিনিতে কথাবাৰ শেষ হ'লেই বেয়া নাছিল; কিন্তু ইয়াৰ পিছতো অলপ পুনশ্চ আছে। আহোঁতে মধুপুৰেদি আহিছিলোঁ।

অপূৰ্বই ফেচাং এখন লগালে। সদৰত থকা পেহীক মাত দি আহিব লাগে। পেহী মানে পিছে পেহী নহয়। যোগেন খুৰাৰ ভনীয়েক। যোগেন খুৰাও পিছে খুৰা নহয়। প্ৰতিবেশী। দুয়োঘৰৰ মাজত অসম্ভৱ মিল আছিল। আমাৰ নিজা পেহী নাই। মনো পেহীকেই পেহী বুলি জানিছিলোঁ। দেউতাইঁতে তেওঁক 'মাই' বুলি মাতিছিল। দেউতা থকা দিনত বছৰি পূজাৰ কাপোৰ দিছিল।

অপূৰ্বই ক'লে, "পেহা ঢুকালে, পেহীক এবাৰ মাত লগাই নাহা?"

মই আপত্তি কৰিলোঁ, "দুদিনৰ কাৰণে আহিছোঁ, ক'ত সময় হ'ব?"

"তোমাৰ কথা কৈয়েই থাকে, নগ'লে বৰ বেয়া পাব।"

"মই আহিছোঁ বুলি কেনেকৈ গম পাব?"

"গম পোৱা-নোপোৱা লৈ কি কথা?"

"নহয় নহয়। গম পোৱাৰ কথা মই কোৱা নাই। মানে....?"

মানে অপূৰ্বৰ লগত সদৰলৈ যাব লগা হ'ল। মধুপুৰৰপৰা দহ মাইল বাট। আধা ঘন্টা অন্তৰে অন্তৰে বাছ গৈ থাকে।

পেহীৰ ঘৰৰপৰা ওলাই অপূৰ্বই ক'লে, "মই পি. ডব্লিউ. ডি. অফিচৰপৰা খবৰ এটা লৈ যাওঁ। তুমি যোৱা। পলম কৰাৰ দৰকাৰ নাই।"

"বাছ পামনে?"

"পাবা। আধাঘন্টাৰ পিছে পিছে বাছ গৈয়েই থাকে।"

বাছৰ আগফালৰ ছিটতে বহিলোঁ। অসম্ভৱ ভিৰ। বাছ এৰিব এনেতে পিছফালে মাইকী মানুহ এজনীয়ে হুৰাওৰাৱে কান্দিবলৈ ধৰিলে।

"অ' আই, মোৰ কপালত কি জুই লাগিল ? মোৰ কি সৰ্বনাশ হ'ল?"

সকলোৱে উৎকৰ্ণ হৈ উঠিলোঁ। কি হ'ল? তিৰোতাজনীয়ে সদৰৰ হাটত বিকিবৰ কাৰণে চাউল এপাচি লৈ আনিছিল। বাৰ টকা পাইছিল। আঁচলত বান্ধি থৈছিল। হেণ্ডিমেনে ভাৰা খোজাত দেখিলে টকাকেইটা নাই। মনটো বৰ বেয়া লাগি গ'ল। এজনী বয়সস্থা মহিলাক বাৰটা টকাৰ কাৰণে প্ৰকাশ্যে এনেকুৱাকৈ কন্দা দেখি সকলোৱে একে ধৰণৰ অনুকম্পা মিশ্ৰিত অস্বস্তি বোধ কৰিবলৈ ধৰিলোঁ।

এজন আদহীয়া মানুহ পিছফালে বেঞ্চৰ ওপৰত ভৰি দাঙি বহি আছিল। তেওঁ ৰহস্য কৰাৰ চেষ্টা কৰিলে। চকু টিপ মাৰি লাহেকৈ মাত লগালে, "সঁচা কথাতো? নে বাছৰ পইচা নিদিয়াৰ বুদ্ধি?"

তিৰোতাজনীয়ে বিচুৰ্তি খাই তেওঁৰ মুখৰ ফালে চালে। "অ', আই, মিছা কথা কিয় হ'ব? মোৰ কপালত কি জুই লাগিল অ'?"

মানুহজনে বাকীবোৰৰ ফালে চাই ক'লে, "নহয়। কথাটো এনেকুৱাওতো হ'ব পাৰে। তোমাৰ এই বিপদ, হেণ্ডিমেনে পইচা খোজে কেনেকৈ? নহয় জানো?"

তেওঁ বাকীবোৰ মানুহৰ ফালে চাই মিচিকিয়াই হাঁহি এটা মাৰিলে। তেওঁৰ এই কথাবাৰক

আশ্ৰয় কৰি সকলোৱে স্বস্তিৰ উশাহ ল'বলৈ সুবিধা পালে। পৰস্পৰৰ মুখৰ ফালে নোচোৱাকৈ সকলোৱে হাঁহি উঠিল।

হেণ্ডিমেনো ঠগ নাখাবলৈ দৃঢ়প্ৰতিজ্ঞ।

"ক'ত যাবা?"

"মধুপুৰলৈ।"

"দিয়া, দহ আনা পইচা দিয়া।"

"নাই বোপাই, এটা পইচাও নাই মোৰ লগত। কোনে এনেকৈ মোৰ বুকুত কামোৰ মাৰিলে অ'?"

"হ'ব দিয়া, হ'ব দিয়া। পইচা নাই যদি....নামি যোৱা।"

"হে বোপাই....।"

হেণ্ডিমেনে একৰকম ঠেলা মাৰি তাইক বাছৰপৰা নমাই দিলে। মোৰ খুব বেয়া লাগিল। মানুহৰ এই নিষ্ঠুৰ ৰসিকতা, হৃদয় বৃত্তিৰ এই দৈন্য দেখি মোৰ খুব বেয়া লাগিল।

ভাত-পানী খাই বাহিৰৰ বাৰাণ্ডাত আৰাম কৰি বহি আছোঁ। বাছৰ ঘটনাটোৰ কথাই ভাবি আছোঁ। অলপ সাল-সলনি কৰি লৈ বঢ়িয়া এটা চুটি গল্প লিখিব পাৰি। যেনিবা ময়েই তাইৰ বাছৰ ভাৰাখিনি দি দিলোঁ। মধুপুৰত নামি তাই মোক নেৰে। তাইৰ ঘৰলৈ এপাক যাবই লাগিব। তাইৰ ধুনীয়া গাভৰু লাজকুৰীয়া ছোৱালীজনীয়ে সংকোচেৰে তামোলৰ বটাটো লৈ ওলাই আহিল। মানে কত ৰকমৰ সম্ভাৱনা।

পিয়নজনে আহি চিন্তাস্ৰোতত বাধা দিলে। ঘৰৰ সকলোৰে চিঠি-পত্ৰবোৰ মোৰ হাতত গতাই দি গ'ল। এখন মণিঅৰ্ডাৰ কুপনো আছে। কোনে কালৈ টকা পঠালে? শ্ৰীঅপূৰ্ব কুমাৰ চৌধুৰীয়ে পঠিয়াইছে শ্ৰীবদ্ৰীপ্ৰসাদ মহতোলৈ। নামটো মোৰ মনত পৰিল। কিষণৰ খুলশালিয়েক। ঠিক কথা। অপূৰ্বৰপৰা ঠিকনাটো লিখি ল'ব লাগিব।

অপূৰ্ব আহি পালেহি।

সুধিলোঁ, "ইমান পলম কৰিলি যে?"

"অফিচতে পলম হ'ল। বাছষ্টেণ্ডতো কাজিয়া কৰিলোঁ।"

"কিহৰ কাজিয়া?"

"তিৰোতা এজনীয়ে কান্দি আছিল। আমাৰ ইয়াৰে বাঁৰী তিৰোতা। চাউল বেচি বাৰটা টকা পাইছিল। হেৰালেই নে কোনোবাই ল'লে, হাতত এটাও পইচা নাই। বৰ যেন তামচাৰ কথাহে হৈছে। তাই বেচেৰীয়ে কান্দি আছে আৰু হেণ্ডিমেন কেইজনে তাইক জোকাই আছে। ঠাচকৰে এটাক মাৰি দিলোঁ এটা চৰ।"

"কি যে কৰ। তোকো যদি ওলোটাই মাৰে? এইবোৰ কথাত গাত পৰি লাগিবলৈ যাব কিয়?"

"ওলোটাই মাৰিলেই হ'ল। হেণ্ডিমেনক চৰ মাৰি দিয়াত সকলোৱে লাজ পাই তাকেই ককৰ্থনা কৰিলে। বাছৰ ড্ৰাইভাৰজনেও আথে-বেথে তাইক আগৰ ছিটত বহুৱাই আনিলে।

মোৰ জেপত পাঁচ টকা আছিল, সেইকেইটাকে দিলোঁ বেচেৰীক। আচল কথা হৈছে মানুহে কথাবোৰ বুজিবৰ চেষ্টা নকৰে। বুজাই দিলেহে বুজি পায়।"

তথাপি মই অপূৰ্বৰ এই মাৰপিট কৰা কথাটোক সমৰ্থন কৰিব নোৱাৰিলোঁ। বয়স হ'লে মানুহ শান্ত-সৌম্য হ'ব লাগে। ড্ৰাইভাৰ-হেণ্ডিমেনৰ লগত মিছা কথাতে মাৰ-পিট কৰাৰ কোনো অৰ্থ নহয়। নিজৰ মান নিজৰ হাতত। এহ্, যি কৰে কৰি থাকক।

মই চিঠি-পত্ৰবোৰ তাৰ হাতত গটাই দি সুধিলোঁ, "বদ্ৰীপ্ৰসাদলৈ যে টকা পঠিয়াইছ, কাৰ কাৰণে? কিষণৰ পৰিবাৰৰ কাৰণে?"

"হয়।"

"ভালেই কৰিছ। কিষণ মৰাৰ পিছতো অলপ টকা পঠিয়াব লাগিছিল।"

"হৈছে পঠিওৱা।"

"কোনে পঠিয়ালে?"

"মই।"

"ভালেই কৰিছ। ময়ো অলপ পঠিয়াই দিম। যোৱাৰ আগতে মোক ঠিকনাটো লিখি দিবিচোন এডোখৰ কাগজত।"

"আৰু পঠিয়াবৰ দৰকাৰ নাই।"

"কিয়?"

"কিষণৰ ঘৈণীয়েকজনীও মৰিল। খবৰ পায়েতো মই এই এশ টকা পঠিয়াই দিলোঁ। বদ্ৰীপ্ৰসাদৰ নামত।"

অপূৰ্ব ভিতৰলৈ সোমাই গ'ল। হঠাতে মোৰ কিষণৰ ঠিকনাটো মনত পৰি গ'ল। কিমান দিন তাক মণিঅৰ্ডাৰ ফৰম্ লিখি দিছিলোঁ। বহুত দিন আগৰ কথা, পাহৰাটো স্বাভাৱিক। আজি কিন্তু আকৌ মনত পৰি গ'ল।

চি, ও ঃ শ্ৰীৰামকিষণ মহতো।

পো ঃ দাৰগালা।

গাওঁ ঃ তিনা।

জিলা ঃ মজফৰপুৰ(বিহাৰ)।

# অপৰিচিত

তেতিয়াও বসন্ত বৰুৱাৰ সজ্ঞানে প্ৰেমত পৰিব পৰাৰ বয়স হোৱা নাছিল। তেওঁ অস্পষ্টভাৱে কিবা এক ৰহস্যজনক সংকেত পাবলৈ আৰম্ভ কৰিছেহে মাত্ৰ। তেনেকুৱা সময়ত তেওঁ এদিন নীলাক সিহঁতৰ বাৰাণ্ডাত থিয় হৈ থকা দেখিলে। তাই আপোন পাহৰা হৈ দূৰৰ পিনে চাই আছে, মুখত এটা স্নিগ্ধ হাঁহি। বসন্ত বৰুৱা আচৰিত হ'ল। ওচৰে-পাজৰে কোনো দেখোন নাই। নীলাই কাৰ ফালে চাই হাঁহি আছে?

"হাঁহি আছ কিয়?"

নীলাও আচৰিত হ'ল।

"হাঁহি আছোঁ? না তো।"

সঁচাকৈ,তাই মিছা কথা কোৱা নাছিল। হাঁহি আছিল বুলি তাই নিজেও গম পোৱা নাছিল। তাই বেলেগ এখন জগতত আছিল, বৰুৱাই দেখি থকা জগতখনতকৈ ভিন্ন। সেইখন জগতক গতানুগতিক জীৱনৰ মাজলৈ কঢ়িয়াই আনিব নোৱাৰি।

এনেকুৱা হয় বুলি বৰুৱাই এতিয়া জানে। অজ্ঞাতসাৰে এখন জগতৰপৰা অইন এখন জগতলৈ স্বচ্ছন্দ বিচৰণ। ধুনীয়া সপোন এটা দেখি থাকোঁতে হঠাতে সাৰ পাই গ'লে সপোনৰ কথা মনত থাকে জানো? কেৱল অস্পষ্ট মধুৰ আবেশ এটাহে থাকি যায়। প্ৰাত্যহিক জীৱনৰ অনুভূতিৰপৰা ভিন্ন।

সজ্ঞান অৱস্থাতো মানুহ এজনে তেওঁৰ চিন্তাধাৰাৰ গতি-গোত্ৰ নিৰ্ভুলভাৱে বুজিব পাৰেনে? প্ৰতি মুহূৰ্ততে চিন্তা আৰু অনুভূতিৰ সালসলনি হৈয়েই আছে। কিমান বিভিন্ন স্তৰ, কিমান বৈচিত্ৰ্য! ৰঙৰ আনুক্ৰমিক কিমান সূক্ষ্ম আৰু বিচিত্ৰ বিন্যাস।

মানুহ এজনে নিজৰ মনৰ কথাকেই ভালকৈ নাজানে, অইন কাৰোবাৰ মনৰ কথানো জানিব কেনেকৈ? আজিলৈ পৰস্পৰৰ লগত যোগসূত্ৰ স্থাপন কৰাৰ কোনো নিৰ্ভৰযোগ্য পন্থা আৱিষ্কৃত হোৱা নাই। অইন কোনোবাই কিদৰে চিন্তা কৰি আছে তাক সঠিকভাৱে জনাৰ কিবা উপায় আছে জানো? ভাব-ভংগী, শব্দ, এইবোৰ হ'ল কিছুমান সংকেত বা প্ৰতীক। এইবোৰ সংকেতৰ ভুল বা অসম্পূৰ্ণ ব্যাখ্যা কৰাটো খুবেই স্বাভাৱিক। সংকেতবোৰো যে নিৰ্ভুলভাৱে পঠিয়াই থকা হৈছে তাকোতো জনাৰ উপায় নাই। চিন্তাবোৰক চকুৰে দেখিব পৰা হ'লেও কিবা লাভ আছে জানো? অসংখ্য বিপৰীতমুখী বিশৃংখল স্তূপৰপৰা গ্ৰহণযোগ্য চিন্তাবোৰ বাছি উলিওৱা সম্ভৱ হ'ব জানো?

জীৱ-জন্তুৰ কথা বেলেগ। সিহঁতৰ মনৰ পৰ্দাত একেলগে বিভিন্ন তীব্ৰতাসম্পন্ন ইমান অসংখ্য বিচিত্ৰ অনুভূতিৰ প্ৰতিফলন নহয়। সিহঁতৰ শব্দ আৰু ভংগীৰ ব্যাখ্যা কৰা আপেক্ষিকভাৱে সহজ।

বসন্ত বৰুৱাই হঠাতে সাৰ পাই উঠি ভৰিৰে মাৰি গাৰপৰা লেপখন গুচাই দিলে। উঃ, কি অসহ্য গৰম। জাগ্ৰত চেতনাত প্ৰথমেই তেওঁ এন্দুৰটোৰ উপস্থিতি সম্বন্ধে সজাগ হৈ উঠিল। খাটৰ তলত 'কুৰকুৰ' কৰি কিবা কুটি আছে। কি আৰু কাটিব? কিতাপৰ দ'মৰ মাজত সোমাইছে নিশ্চয়? তেওঁ গাৰুৰ কাষত থোৱা টৰ্চটো লৈ বুতাম টিপি দিলে। টৰ্চটো নজ্বলিল। কেইবাৰমান জোকাৰি দিলে, তথাপি নজ্বলিল। থাকক, কিমান নো কুটিব? কিতাপবোৰ থাকিনো কি হ'ব, কোনে পঢ়িব? পিছে যিটো সপোন দেখি থকা অৱস্থাত তেওঁ সাৰ পালে সেই সপোনটোনো কি আছিল? এন্দুৰটোৰ নহয়, বেলেগ অইন এটা উপস্থিতি তেওঁ অনুভৱ কৰিলে। এই উপলব্ধি ইন্দ্ৰিয়গ্ৰাহ্য উপলব্ধি নহয়।

আজি তিনি বছৰেই হ'ল বৰুৱাৰ পৰিবাৰৰ মৃত্যু হৈছে। সপোনত বৰুৱাই তেওঁকেই দেখিছিল। এক সীমাহীন প্ৰান্তৰ। তেওঁৰ পৰিবাৰে আঁঠু দুটা কোঁচাই দুয়ো হাতেৰে সাৱটি ধৰি তাত বহি আছে। হাত দুখনৰ ওপৰত মূৰটো এফলীয়াকৈ ভেজা দি গভীৰ চিন্তাত মগ্ন হৈ দিগন্তৰফালে চাই আছে।

চাকৰি জীৱনৰ প্ৰথমছোৱাত বসন্ত বৰুৱা ডিব্ৰুগড়ত আছিল। চৰকাৰী বাসভৱন, বিৰাট ঘৰ, কেইবাটাও কোঠা। ঘৰৰ ইমানবোৰ দুৱাৰ খিৰিকীত পৰ্দা লগোৱাটোৱেই ডাঙৰ সমস্যা। আচবাব-পত্ৰ যি আছে দুটা কোঠাত থ'বলৈ নোজোৰে। ঘৰত দুজন মাত্ৰ মানুহ। দুটা কোঠা হ'লেই যথেষ্ট, শোৱনী কোঠা আৰু বহা কোঠা। ৰান্ধনী ঘৰটো পিছফালে। দুজন মানুহৰ ৰান্ধোন। ৰান্ধনী ঘৰটো ব্যৱহাৰ নকৰি থকা ঘৰৰ কোঠা এটাতেই তেওঁলোকে জনতা ষ্টোভ এটাৰে ৰন্ধাৰ ব্যৱস্থা কৰি লৈছিল।

গধূলি ফুৰি-চাকি উভতি আহোঁতে সিদিনা বসন্ত বৰুৱাৰ অলপ পলম হৈ গ'ল। ৰন্ধা কোঠাটোৰ খিৰিকীৰ পৰ্দা অলপ ফাঁক হৈ আছিল। ষ্টোভত কিবা এটা বহুৱাই বৰুৱাৰ পৰিবাৰ মজিয়াত বহি আছে। দুয়োখন ভৰি হাতেৰে সাৱটি ধৰি থুঁতৰিটো তাৰ ওপৰত থৈ গভীৰ চিন্তাত মগ্ন। শিলৰ মূৰ্তিৰ দৰে।

তেওঁৰ পৰিবাৰ ইমান কি গভীৰ চিন্তাত মগ্ন হৈ আছিল বসন্ত বৰুৱাই কেতিয়াও সেই কথা নাজানিব। বৰুৱাই কিবা শব্দ কৰিলে তেওঁৰ পৰিবাৰ চক খাই উঠিব। তেওঁ পৰিবাৰক প্ৰশ্ন এটা কৰিবলৈ গৈ বৈ গ'ল। মনত উদ্ভৱ হোৱা সকলো অনুভূতিক কোনোবাই বাক্যৰে প্ৰকাশ কৰিব পাৰে জানো? মনৰ ভাব গোপন কৰি ৰখাৰ উদ্দেশ্যে যে এনেকুৱা কৰা হয় তেনে নহয়। উপযুক্ত প্ৰতিশব্দ নাই কাৰণেহে এই বিড়ম্বনা। শব্দৰে দাঙি ধৰা চিত্ৰৰ লৈতে মূল চিত্ৰখনৰ বিসংগতি লক্ষ্য কৰি নিজৰেই অস্বস্তি বোধ হয়। প্ৰয়োজনভিত্তিক কথোপকথনৰ বাহিৰে শব্দৰ দ্বাৰা মানসিক যোগসূত্ৰ স্থাপন কৰা সম্ভৱ জানো?

সত্যও মানুহে নিজেই সৃষ্টি কৰি লয়। সকলো কথাতেই মানুহে নিজকে পতিয়ন নিয়াব

পাৰে। বসন্ত বৰুৱাৰ ধৰ্মদা অৰ্থাৎ ধৰ্ম চৌধুৰীৰ কথা মনত পৰিল। ভাল মানুহ, কিন্তু তেওঁৰ এটা দুৰ্বলতা আছে। অলপ বেছি বেছি দেখুওৱা অভ্যাস। মাত্ৰা চেৰাই যায়। বসন্ত বৰুৱাহঁতৰ লগত তেওঁৰ সম্বন্ধ যে কিমান ঘনিষ্ঠ তাকে দেখুৱাবলৈ গৈ তেওঁ বৰুৱাৰ আগতেই ক'লে যে বৰুৱাৰ মাক নৰিয়া পাটিত পৰি থকা অৱস্থাত তেওঁ নিজ হাতেৰে তেখেতৰ শৌচ-পেচাব পৰিষ্কাৰ কৰিছিল। হাত দুখন যে ব্যৱহাৰ কৰিছিল সেই কথাষাৰ তেওঁ মুদ্ৰা সহকাৰে বুজাই দিলে। বৰুৱাৰ মাকে কোনো দিনাই কাপোৰ-কানি নষ্ট কৰা নাছিল। বৰুৱাই তেওঁৰ কথাৰ প্ৰতিবাদ নকৰিলে। কথাষাৰ কোৱাৰ লগে লগে ধৰ্ম চৌধুৰীয়ে নিশ্চয় নিজেও কথাষাৰ বিশ্বাস কৰিবলৈ লৈছে।

তেনেহ'লে মানুহৰ কথাবোৰ জানো বিশ্বাসযোগ্য নহয়? বসন্ত বৰুৱাই অসহায় বোধ কৰিলে। চিন্তাধাৰাক প্ৰকাশ কৰাৰ কাৰণে ভাষাৰ প্ৰয়োজন, কিন্তু ভাষাই আকৌ পৰোক্ষভাৱে চিন্তাধাৰাকো নিয়ন্ত্ৰণ কৰে। চিন্তাবোৰতো নিৰাশ্ৰয় অৱস্থাত শূন্যত ওপঙি থাকিব নোৱাৰে, উপযুক্ত শব্দক আশ্ৰয় কৰি প্ৰতিভাত হৈ উঠে। উপযুক্ত শব্দ বিচাৰি নাপালে উপায় কি? চিন্তা এটাই নিৰুপায় হৈ আংশিকভাৱে সুচোৱা শব্দবোৰকেই আশ্ৰয় কৰে। ফলত চিন্তাৰ ৰূপান্তৰ ঘটে, মৌলিক ৰূপ বিকৃত হৈ পৰে।

আমাৰ ভাষাই আমাৰ চিন্তাক পৰিচালিত কৰে আৰু লগতে আমাৰ অনুভূতিবোৰকো নিয়ন্ত্ৰিত কৰে। প্ৰেম আৰু ঘৃণা। কিমান অসংখ্য স্তৰভেদ। বিভিন্ন স্তৰভেদ শব্দৰে শুদ্ধভাৱে প্ৰকাশ কৰিব পাৰি জানো? উপযুক্ত শব্দৰ অভাৱত আমি কিজানি উপযুক্ত অনুভূতিবোৰো অনুভৱ কৰিব নোৱাৰোঁ। সীমিত শব্দৰে আবদ্ধ নিৰ্দিষ্ট গণ্ডীৰপৰা আঁতৰি যোৱাৰ উপায় নাই।

হঠাতে এদিনাখন বসন্ত বৰুৱাই সবিস্ময়ে উপলব্ধি কৰিলে যে তেওঁ যেন শব্দৰ বন্ধনৰপৰা মুক্ত হৈ পৰিবলৈ লৈছে। আগতে প্ৰচলিত শব্দবোৰৰ লগত খাপখুৱাই ল'বলগীয়া হোৱাৰ কাৰণে অনুভূতিবোৰক সদায় কাটি-ছাটি ৰূপান্তৰিত কৰি ল'ব লাগিছিল। প্ৰকাশ কৰাৰ পিছত তেওঁৰ প্ৰকৃত অনুভূতি যে কি আছিল সেই বিষয়ে তেওঁ নিশ্চিত হ'ব পৰা নাছিল। মনৰ নিখুঁত প্ৰতিবিম্ব শব্দৰে প্ৰতিফলিত কৰা সম্ভৱ নহয়।

এটা অৰ্থহীন শব্দ, অভিধানগত কোনো অৰ্থ নাই। অথচ বিভিন্ন ধ্বনি বৈচিত্ৰ্য সহকাৰে এনেকুৱা এটা অৰ্থহীন শব্দৰে কেতিয়াবা বিভিন্ন জটিল ভাবো স্বচ্ছন্দে প্ৰকাশ কৰিব পাৰি। বিপৰীতক্ৰমে তীব্ৰ অনুভূতি এটা প্ৰকাশ কৰাৰ কাৰণে প্ৰচলিত শব্দবোৰ যথেষ্ট নহয়। বসন্ত বৰুৱাই কাৰো আগত তেওঁৰ এই নতুন অভিজ্ঞতাৰ কথা কোৱা নাই। মানুহে তেওঁৰ মূৰৰ গণ্ডগোল হৈছে বুলি ধৰি ল'ব। কোনেও কাৰো কথা বুজি নাপায়। বৰুৱাৰ নিজৰ অভিজ্ঞতা আছে, জীৱনত তেওঁ শত-সহস্ৰ মানুহক লগ পাইছে। তেওঁ কাৰো কথা ভালকৈ বুজি পোৱা নাই। হয় বুলি ক'লেও হয়তো আচলতে নহয় বুলি ক'বলৈ বিচাৰিছে, নহয় বুলি ক'লেও আচলতে হয় বুলি ক'বলৈ বিচাৰিছে। বৰুৱাই এইবোৰ কথা কাকো কোৱা নাই। মানুহে বৰুৱাৰ মূৰৰ দোষ হৈছে বুলি ভাবি শংকিত হৈ উঠিব।

এইটো এটা সঁচা কথা যে কাৰো মনৰ কথা আমি সঠিকভাৱে জানিব নোৱাৰোঁ। কোনোবাই

মনৰ ভাব প্ৰকাশ কৰাৰ কাৰণে যিবোৰ শব্দ ব্যৱহাৰ কৰে সৰল বিশ্বাসেৰে আমি তাকেই গ্ৰহণ কৰি লওঁ। প্ৰেম আৰু ঘৃণা নহয়, প্ৰেম আৰু ঘৃণাৰ বিকল্প এলানি অনিশ্চিত শব্দ।

এইটো অৱশ্যে এক হিচাপে ভালেই। চঞ্চল অনুভূতিৰ অচঞ্চল প্ৰতিলিপি হ'ব পাৰে জানো? বসন্ত বৰুৱাই তেওঁৰ পৰিবাৰক ভাল পাইছিল, গভীৰভাৱে ভাল পাইছিল। হঠাতে তেওঁ বৈ গ'ল। তেওঁ অবিচ্ছিন্নভাৱে তেওঁৰ পৰিবাৰক ভাল পাইছিলনে? অতি অস্বস্তিৰ সৈতে তেওঁ অনুভৱ কৰিলে যে তেওঁ অস্বীকাৰ কৰিব নোৱাৰে যে এই কথাষাৰ তেওঁ ডাঠি ক'ব নোৱাৰে। জীৱনৰ কোনো কোনো মুহূৰ্তত অকিঞ্চিৎকৰ কাৰণত হঠাতে তেওঁ তেওঁৰ পৰিবাৰক তীব্ৰভাৱে ঘৃণাও কৰিছিল।

বসন্ত বৰুৱাই উপলব্ধি কৰিলে যে জীৱনত কোনো এজন মানুহকেই তেওঁ ভালকৈ চিনি নাপালে। তেওঁৰ পৰিবাৰকো। বৰুৱাই অস্বস্তিবোধ কৰিলে।

"মই জানো মোৰ মনৰ কথা সঠিকভাৱে প্ৰকাশ কৰিব পাৰিছিলোঁ? প্ৰকাশ কৰিবলৈ বিচাৰিছিলোঁ জানো? মই কি ক'বলৈ বিচাৰিছিলোঁ তাকেই জানো মই নিশ্চিতভাৱে জানিছিলোঁ। তেওঁ কি ক'বলৈ বিচাৰিছে সেই কথাও জানো মই বুজি পাইছিলোঁ? উচ্চাৰিত প্ৰতিটো শব্দৰ অভিধানগত অৰ্থ জানিলেইতো যথেষ্ট নহয়।"

বহুত দিন আগতে, ডিব্ৰুগড়ত থাকোঁতে বসন্ত বৰুৱাই শব্দৰ অসম্পূৰ্ণতা সম্বন্ধে সচেতন হৈ উঠিছিল। আজি মাত্ৰ কিছুদিনৰপৰাহে তেওঁৰ ধাৰণা হৈছে যে তেওঁ যেন শব্দৰ দাসত্বৰপৰা লাহে লাহে মুক্ত হৈ আহিছে। আত্মিক যোগসূত্ৰ স্থাপন কৰাৰ কাৰণে শব্দৰ অৰ্থাৎ ভাষাৰ প্ৰয়োজন নাই। চিন্তাবোৰৰ শব্দ নিৰপেক্ষ নিজস্ব সত্তা আছে।

আজি তিনি বছৰ হ'ল, তেওঁৰ পৰিবাৰৰ মৃত্যু হৈছে। মৃত্যুৰ লগে লগে তেওঁৰ চিন্তাবোৰৰো জানো বিলুপ্তি ঘটিছে? কেতিয়াবা একো একোটা মুহূৰ্তত বৰুৱাই তেওঁৰ পৰিবাৰৰ উপস্থিতি সম্বন্ধে তীব্ৰভাৱে সচেতন হৈ উঠে। চকু মেলিলেই যেন স্পষ্টভাৱে দেখিবলৈ পাব, হাত মেলিলেই যেন চুব পাৰিব।

হঠাতে তেওঁ তেওঁৰ পৰিবাৰক স্পষ্টকৈ দেখা পালে। সপোনত নে দিঠকত বৰুৱা নিশ্চিত নহয়। এক সীমাহীন প্ৰান্তৰ। তেওঁৰ পৰিবাৰে আঁঠু দুটা কোঁচাই দুয়ো হাতেৰে সাবটি ধৰি আছে। হাতৰ ওপৰত থুঁতৰিটো ভেজা দি শূন্য দৃষ্টিৰে তেওঁ দিগন্তৰ পিনে চাই আছে। তেওঁ ইমান গভীৰভাৱে কি চিন্তা কৰি আছিল, সিদিনা ডিব্ৰুগড়ত বৰুৱাই তেওঁৰ পৰিবাৰক এই প্ৰশ্ন কৰা নাছিল।

নতুনকৈ আহৰণ কৰা তেওঁৰ ক্ষমতাৰ কথা ভাবি বৰুৱাই অস্বস্তিবোধ কৰিবলৈ ধৰিলে। উত্তৰ জনাৰ কাৰণেতো তেওঁৰ শব্দৰ মাধ্যমৰ প্ৰয়োজন নাই। কিন্তু উত্তৰ জানিবলৈ তেওঁ বিচাৰে জানো?

## যোগেন মাষ্টৰ আৰু ৰামপ্ৰসাদ

মধুপুৰত আগতে য'ত বেশ্যাপাৰা আছিল এতিয়া তাত নাই। তাত নতুন ঘৰ-দুৱাৰ হৈছে, গুদাম হৈছে, এটা পেট্ৰল পাম্পো হৈছে। ৰেল ষ্টেছনৰপৰা আহি তিনিআলিৰ চুকত এখন চাহৰ দোকান। দীঘলীয়া সাধাৰণ খেৰৰ ঘৰ। বাৰাণ্ডাত তামোল-পাণৰ দোকান। চিগাৰেট শেষ। তাত চাৰমিনাৰৰ বাহিৰে অইন চিগাৰেট নিশ্চয় নাই। তাৰেই দুটামান লওঁ বুলি বাৰাণ্ডাৰ ওচৰ চাপি গ'লোঁ। ভগা আলমাৰী আৰু মেজ এখনৰ মাজৰ সামান্য ফাঁকেৰে বহুতো কায়দা কৰি প্ৰকাণ্ড পেটটো লৈ দোকানৰ মালিকজন ওলাই আহিল। আহিয়েই প্ৰথম প্ৰশ্ন, "আপ কাহাছে আয়া?"

"গুৱাহাটীৰপৰা। আচলতে পিছে মই ইয়াৰেই মানুহ।"

"বাৰু ভদ্ৰ নেকি?"

"হয়। আপুনি?"

"ৰামপ্ৰসাদৰ কথা মনত নাই?"

"কিয় নাথাকিব? পিছে এই পেটুৱা গুঁফীয়া বুঢ়াজন যে ৰামপ্ৰসাদ তাক মই কেনেকৈ জানিম?"

"কেতিয়া অহা হৈছে?"

"দুদিনমান হ'ল অহা হৈছে। কেতিয়া যোৱা হ'ব সোধা নহ'ল? এনেকৈ কায়দা কৰি কথা ক'বলৈ কেতিয়া শিকা হৈছে? ইমান ডাঙৰ পেট কেতিয়া বনোৱা হৈছে?"

"আহ, ভিতৰলৈ আহ। চাহ একাপ খাই যাবি।"

পঞ্চম নে ষষ্ঠ শ্ৰেণীত থাকোঁতেই ৰামপ্ৰসাদে পঢ়া বাদ দিলে। একেলগে পঢ়িলেও সি আমাতকৈ বেছ ডাঙৰ আছিল। অতি সৰল প্ৰকৃতিৰ ল'ৰা। তাৰ দেউতাকৰ ৰেল ষ্টেছনত চাহৰ দোকান আছিল।

তাৰ প্ৰতি আমাৰ এক সম্ভ্ৰমৰ ভাব আছিল। তাৰ অলেখ গুণ। সি হেনো ঢোল বজাব পাৰে। ডেস্কত বোল তুলি প্ৰমাণ দিয়ে। টিফিনৰ সময়ত খৈনী ডলি বাওঁহাতৰ দুটা আঙুলিৰে তলৰ ওঁঠটো টানি ধৰি সি তাত খৈনী ভৰাই দিছিল। বেশ্যাপাৰাৰ বেশ্যাবোৰৰ নামো সি জানিছিল বুলি আমাক কৈছিল। তাৰ লগত হেনো চিনাকিও আছে। তাত কোনে কোনে যায় সেই সংবাদো সি আমাক দিছিল। তাৰ ভিতৰত দুজনমান শ্ৰদ্ধেয় মানুহৰ নামো আছিল।

"বাঃ।"

ৰামপ্ৰসাদে খগেক হাতত ধৰি কাবৌ কৰিছিল।

"এইবোৰ কথা নকবি ভাই। মই কোৱা বুলি জানিলে মোক খাই পেলাব।"

(২)

কেইদিনমান অনুপস্থিত থাকি হঠাতে এদিন ৰামপ্ৰসাদে হালধীয়া ৰং কৰা চুৰিয়া পিন্ধি ক্লাছত উপস্থিত । যোগেন মাষ্টৰে সুধিলে, "এনেকুৱা কাপোৰ পিন্ধি আহিছ কিয়? ধেমালি নেকি?"

ৰামপ্ৰসাদ নিৰুত্তৰ। আমিয়েই সমস্বৰে ছাৰক খবৰটো দিলোঁ।

"ৰামপ্ৰসাদৰ বিয়া হ'ল, ছাৰ।"

"কি হ'ল?"

"বিয়া।"

"সেই কাৰণে পীতবস্ত্ৰ। বাঁহীটো ক'ত থৈ আহিলি? এই শুৱাৰ, কথা নকৱ কিয়? লাজ লাগিছে? কিমান ডাঙৰ ছোৱালী? খোজ কাঢ়িব পৰা হৈছে?"

আমিয়েই ছাৰক খবৰটো দিলোঁ। "নহয় ছাৰ। ডাঙৰ ছোৱালী। ৰামপ্ৰসাদৰ বয়সৰ।"

যোগেন ছাৰ আহি পোৱাৰ আগতে ৰামপ্ৰসাদে আমাক তাৰ পৰিবাৰৰ কথাই কৈ আছিল। কেনেকুৱা তাইৰ লাজ, কেনেকুৱা খং, কথোপকথন কি হৈছে, এইবোৰ কথা। আৰু যিবোৰ কথা শুনাৰ কাৰণে আমি উদ্‌গ্ৰীৱ হৈ আছিলোঁ, সেইবোৰ শুনাই নহ'ল।

ইয়াৰ পিছত যোগেন মাষ্টৰৰ কিবা ভাৰসাম্য নোহোৱা যেন হ'ল। ৰামপ্ৰসাদক দেখিলেই খঙত জকি উঠে। ক্লাছত সোমাই তেওঁ ৰামপ্ৰসাদক প্ৰশ্ন সুধিব আৰু উত্তৰ দিব নোৱাৰিলে তাক উধাই-মুধাই কোবাব।

"বুঢ়া বয়সত পঢ়িবলৈ আহিছ, লাজ নালাগে? দুদিন পিছতে এওঁ বাপেক হ'ব। পঢ়াৰ কথা চিন্তা কৰাৰ সময় ক'ত? চৌবিছ ঘন্টা বেলেগ চিন্তা। সৰু সৰু ল'ৰাবোৰকো ই নষ্ট কৰিব।"

(৩)

যোগেন মাষ্টৰৰ মাৰৰ কোবত তিষ্ঠিব নোৱাৰি ৰামপ্ৰসাদে স্কুললৈ অহা বাদ দিলে। কিছুদিনৰ মূৰত হয়তো এনেয়ে সি স্কুল এৰিলে হয়, কিন্তু যোগেন মাষ্টৰৰ অত্যাচাৰে তাক কামটো অলপ আগতীয়াকৈ কৰিবলৈ বাধ্য কৰালে।

যোগেন মাষ্টৰৰ ইমান আক্ৰোশ কিয়? যোগেন দত্ত সম্বন্ধে পিছত যিবোৰ খা-খবৰ সংগ্ৰহ কৰিছোঁ তাকেই ভিত্তি কৰি এক মনস্তাত্ত্বিক বিশ্লেষণ দাঙি ধৰা সম্ভৱ। যেতিয়াৰ কথা কৈছোঁ তেতিয়া যোগেন মাষ্টৰৰ বয়স চল্লিছ বছৰৰ ওচৰা-উচৰি আছিল। বিপত্নীক। তেওঁ আছিল অতি সন্দেহপৰায়ণ মানুহ। তেওঁ ধৰি লৈছিল যে তেওঁৰ পৰিয়ালে সুযোগ পালেই অইন কাৰোবাৰ লগত যৌন সম্ভোগত লিপ্ত হ'ব। এই সুযোগ নিদিয়াটোৱেই আছিল তেওঁৰ নিৰন্তৰ

প্ৰয়াস।

বিয়াৰ পিছত যোগেন দত্তই কেতিয়াও তেওঁৰ পৰিবাৰক মাকৰ ঘৰলৈ যাবলৈ দিয়া নাছিল। কোনে তাত চৌবিছ ঘণ্টা চকু দি থাকিব? আগতে তেওঁ শ্বিলং সচিবালয়ত কাম কৰিছিল। শ্বিলঙত তেওঁৰ পৰিবাৰৰ পেহীয়েকৰ ল'ৰা এজন আছিল। তেওঁৰ পৰিবাৰৰ এই ককায়েকৰ ঘৰতো যোৱাৰ অনুমতি নাছিল। কোনো মতা মানুহৰ আগত তেওঁ পৰিবাৰক ওলাবলৈ নিদিছিল। মানুহজন আত্মীয়েই হওক বা অনাত্মীয়েই হওক। অৱস্থাই ক্ৰমাৎ গুৰুতৰ আকাৰ ধাৰণ কৰিলে। বিয়াৰ আগতে তেওঁৰ পৰিবাৰৰ কাৰ কাৰ সৈতে যৌন সম্বন্ধ আছিল সেই খবৰ উলিয়াবৰ কাৰণে তেওঁ অস্থিৰ হৈ উঠিল।

"কোনেও তোমাক হাতত ধৰি টনা নাছিল?"

যোগেন মাষ্টৰৰ পৰিবাৰ বিস্ময়ত হতবাক হৈ পৰিছিল।

"কিয় টানিব?"

"তোমাক মই দোষ দিয়া নাই। অকলে পাই কোনোবাই জোৰ কৰিলে তুমি কি কৰিব পাৰা? মোক সঁচা কথা কোৱাচোন। মই একো বেয়া নাপাওঁ।"

অফিচলৈ যাওঁতে তেওঁ পৰিবাৰক কোঠাৰ ভিতৰত থৈ বাহিৰৰপৰা তলা লগাই গৈছিল। এদিন গাৱঁৰপৰা সৰু ভায়েকজন আহি দুৱাৰত তলা দেখি উভতি গ'ল। সুজাতাই পৰ্দাৰ ফাঁকেৰে ভায়েকক দেখি তৎক্ষণাৎ লুকাই পৰিল। বিয়াৰ পাটৰ ৰিহাখন ডিঙিত লগাই তেওঁ আত্মঘাতী হ'ল।

সুজাতাৰ পেহীয়েকৰ ল'ৰা প্ৰশান্তৰ বিশ্বাস যে যোগেন দত্তই তেওঁক মাৰি ওলোমাই থৈছে। সুজাতাই হেনো তেওঁৰ পৰিবাৰক বহুতো কথাই কৈছে। যোগেন দত্তই হেনো তেওঁক মাৰধৰো কৰিছিল।

"সঁচা কথা নোকোৱা কিয়? কোনেও একো কৰা নাই? ক'লেই মই বিশ্বাস কৰিম?"

কথা ইয়াতেই শেষ নহয়। সুজাতাৰ মৃত্যুৰ পিছত যোগেন দত্তই সুজাতাৰ ভনীয়েক সুমিতাক তেওঁলৈ দিয়াৰ কাৰণে শাহুৱেকক প্ৰস্তাৱ দিলে। তাৰে কিছুদিন আগতে সুমিতাৰ বিয়া হৈছে।

প্ৰশান্তই মামীয়েকক ক'লে, "তাক সুমিতাৰ শহুৰেকৰ ঠিকনা দি এখন চিঠি দিয়ক। লিখক যে তাইৰ বিয়া হৈ গৈছে। এতিয়া তাইৰ দায়িত্ব শহুৰেকৰ। সি ইচ্ছা কৰিলে তেওঁক চিঠি লিখিব পাৰে। পাৰও ক'ৰবাৰ।"

(৪)

ৰামপ্ৰসাদে মোৰ হাতত ধৰি টানিলে।

"আহ, আহ, ভিতৰলৈ আহ। চাহ একাপ খাই যাবি।" দোকানৰ ভিতৰৰ ফালে চকু দিলোঁ। লেতেৰা অস্বাস্থ্যকৰ পৰিবেশ। কেইখনমান জৰাজীৰ্ণ ডেস্ক আৰু বেঞ্চ। কুলি-কামলা, ৰিক্সাৱালা এনেবোৰ মানুহৰ ভীৰ। বেঞ্চত ভৰি তুলি আৰাম কৰি বহি লৈছে। মোৰ মনটো

কোঁচ খাই গ'ল। পিছে ৰামপ্ৰসাদে মোক ইমান আগ্ৰহ কৰি মাতিছে, উপেক্ষা কৰোঁ কেনেকৈ?

ৰামপ্ৰসাদে মোক অৱশ্যে তাত বহিবলৈ নিদিলে। দোকানৰ পিছফালৰ দুৱাৰ এখনেদি মোক ভিতৰলৈ লৈ গ'ল। তাতেই তাৰ বাসস্থান। বয়সস্থা মহিলা এগৰাকীয়ে ৰামপ্ৰসাদৰ লগত এজন অচিনাকি মানুহক দেখি ব্যস্তভাবে মূৰত ওৰণি ল'লে।

"হৰিয়া ঘৰমে হ্যায়, ইয়া নিকাল গিয়া?"

"হোগা কহিব্।"

"ভেজ দেও।"

হৰিয়া ৰামপ্ৰসাদৰ সৰু ল'ৰা। এইবেলি বি. এ. পৰীক্ষা দিছে। ফলাফল এতিয়াও ওলোৱা নাই। ৰামপ্ৰসাদে মোৰ পৰিচয় দিলে।

"এওঁক চিনি পাইছ? ভদ্ৰ চৌধুৰী। নাম শুনিছ নে নাই? মোৰ ক্লাছ ফ্ৰেণ্ড। বিৰাট পণ্ডিত মানুহ। এক কাম কৰ্। চাইকেলখন লৈ যা। ঘোষ মিষ্টান্ন ভাণ্ডাৰৰপৰা ভাল মিঠাই অলপ লৈ আহ। যাবি আৰু আহিবি। পলম নকৰিবি।"

মই আপত্তি কৰিলোঁ।

"ঘোষ মিষ্টান্ন ভাণ্ডাৰ কিয় লাগিছে? তোৰ দোকানত মিঠাই নাই?"

"মোৰ মিঠাইৰ দোকানৰ মিঠাই আমিয়েই নাখাওঁ। তোক দিম? হৰিয়া, যা তই। মাইকো পানী ছড়ানেকো বোলো।"

মই ৰামপ্ৰসাদক সুধিলোঁ, "এতিয়া ক, তোৰ কথা ক।"

"কি কথা?"

"ল'ৰা-ছোৱালী কি? কোনে কি কৰে?"

"ডাঙৰ ল'ৰাজনে ভাগলপুৰত বিয়া কৰাইছে। তাতেই সি তাৰ সম্বন্ধীৰ লগত ঠিকাৰ কাম কৰে। হৰিৰামকতো তই দেখিলিয়েই। এইবাৰ বি. এ. পৰীক্ষা দিছে। পাছ কৰিব লাগে তো। ল'ৰাবোৰে কোনেও এই দোকানত নবহে। আৰু এনেকৈ মোৰ এই দোকান নচলেও। ওচৰতে আৰু দুখন চাহৰ দোকান হৈছে। তাত ধুনীয়া চকী-মেজ আছে, লাইট আছে, ফেন আছে। পুৰণি মানুহখিনি এতিয়াও আহে। কোনোৰকমে চলি আছে। এনেকৈ বেছি দিন নচলে। তই ভাল কৰিছ। এইখন ঠাইত নো আছে কি? কি দিন আছিল আৰু কি হৈ গ'ল।"

"কিয়? ৰামপ্ৰসাদতো আছে।" ৰামপ্ৰসাদে হো-হোৱাই হাঁহি দিলে।

"ঠিক বাতায়া। ইচ জাঘামে ৰামপৰসাদ হ্যায়। আউৰ কেয়া চাহ্না? এই, তোৰ যোগেন ছাৰৰ কথা মনত আছে?"

"কিয় নাথাকিব? আছে নেকি এতিয়াও জীয়াই? এশ বছৰমান নহ'ব বয়স?"

"ধেৎ, এইট্টিমান হ'ব কিজানি। বৰ দুখলগা অৱস্থা। চকুৰে ভালকৈ নেদেখে। এবাৰ দেখা কৰিবি নেকি?"

"কোনো দৰকাৰ নাই। তেওঁৰ ঘৰ ইয়াৰপৰা দুমাইলমান নহ'ব?"

"তেওঁৰ ঘৰলৈ কিয় যাব লাগিছে? এনেকুৱা সময়ত সদায় তেওঁ লাঠি ঠক্ ঠক্কৈ ইয়ালৈ

আছে। এটা গজা আৰু দুকাপ চাহ খাই যায়। বৰষুণ দিয়ক, ধুমুহা হওক, আহিবই। দোকানৰ সকলোকে কৈ থৈছোঁ। মই নাথাকিলেও কথা নাই। বুঢ়া মানুহ, শিক্ষক। দিনটোত কিজানি এই খায়েই থাকে। ঘৰত কোনো এজন চাওঁতা মানুহ নাই। বেয়াও লাগে।"

# মূৰ্ছনা

দেখিলে ধৰিব নোৱাৰি যে তেওঁ অন্ধ। ভব খুৰা বাহিৰৰ বাৰাণ্ডাত বহি আছে। দৃষ্টি দূৰৰ পিনে নিবদ্ধ। নিবিষ্ট মনে কিবা যেন চাই আছে।

মই খটখটিত ভৰি দিয়াৰ লগে লগে তেওঁ মোৰ ফালে চকু দুটা ঘূৰাই আনিলে।

"কায়? কায়ৰে?"

"মুই, ভদ্ৰ।"

"কোন ভদ্ৰ?"

"ভদ্ৰ, মানে নৰেন চৌধুৰীৰ ল'ৰা?"

"কি দেখিব আস্‌চিস্? দেখ মোৰ অৱস্থা।"

তেওঁ হুকহুককৈ কান্দিবলৈ ধৰিলে। শকত-আৱত মানুহ, কন্দাৰ লগে লগে তেওঁৰ গোটেই গাটো কঁপি উঠিবলৈ ধৰিলে। তেওঁ নিজকে চম্ভালি ল'লে।

"মুই সদায় তাকে কং। আমাৰ ভদ্ৰ আহিলে মোক একাবাৰ মাত নলগাই নাযায়। আহ, বহ।"

পঞ্চাছ্ বছৰ আগৰ চকী বেঞ্চ। ভগা আৰু আগঢ়ী। ওচৰৰ চকী এখনত বহিলোঁ। এফালৰ হেন্দেল নাই। ঘৰ-দুৱাৰ, ঘৰৰ মানুহ-দুনুহ সকলো জৰাজীৰ্ণ, হতশ্ৰী। একালত তেওঁৰ এই অসম টাইপৰ ঘৰটো বৰ ধুনীয়া ঘৰ আছিল। এতিয়া অৱস্থা নাই। বেৰৰ প্লাষ্টাৰ খহি পৰিছে, তেনেকৈ আছে। ঘৰৰ পশ্চিম কোণটো এফালে কাতি হৈ আছে। বাৰাণ্ডাখন সমতল হৈ থকা নাই। বহা কোঠাটোৰ মাজডোখৰ অৰ্ধগোলাকাৰ হৈ উখহি উঠিছে। প্লাষ্টাৰ ফাটি গৈছে; ঠায়ে ঠায়ে এৰাই গৈছে। বাহিৰৰ কোঠাৰ খিৰিকীত বিবৰ্ণ ফটা পৰ্দা। অকল দাৰিদ্ৰ্যৰ চিনেই নহয়, অযত্নৰ পৰিচয়। একো একোটা দিন যেন কিবাকৈ পাৰ কৰি দিব পাৰিলেই হ'ল।

ভব খুৰাৰ ল'ৰা কমলে ধুবুৰীৰ ডি. চি. অফিচত কাম কৰে। ৰাতিপুৱা ওলাই যায়, গধূলি আহি ঘৰত সোমায়। অইন কোনো ফালে সি চকু নিদিয়ে। চকু দিয়াৰ তাৰ উপায়ো নাই। ভব খুৰাৰ ডাঙৰ ল'ৰা শংকৰ আছিল মোৰ লগৰ। অতি বুদ্ধিমান ল'ৰা। কলিকতাত বি. এছ. চি. পঢ়ি থাকোঁতে তাৰ টি. বি. হ'ল। তেতিয়াৰ দিনত টি. বি.ৰ কোনো চিকিৎসা নাছিল। স্বাস্থ্যকৰ ঠাইত থকা আৰু পুষ্টিকৰ খাদ্য খোৱাই আছিল একমাত্ৰ উপায়। খুৰাই শংকৰক কাৰ্চিয়াঙৰ চেনেটোৰিয়াম এটাত ৰাখিছিল। অত্যন্ত ব্যয়সাপেক্ষ উপায়। শংকৰ বহুত দিন তাত আছিল। বিশেষ একো উন্নতি নহ'ল। শেষ পৰ্যন্ত তাক আনি ঘৰতেই ৰখা হৈছিল। তেতিয়াৰ দিনত

কাৰোবাৰ টি. বি. হোৱা মানে ঘৰখনৰ সৰ্বনাশ। ভয়ংকৰ অভিশাপ। সামাজিকভাৱে এঘৰীয়া নহ'লেও আৰু উৎকটভাৱে এঘৰীয়া। ঘৰখনত ভৰি দিবলৈ সকলোৰে আতংক। মানুহে সেইখন ঘৰৰ লগত সামাজিক সম্বন্ধ ৰাখিবলৈ ভয় কৰে। ঘৰখনৰ ল'ৰা-ছোৱালীৰ বিয়া-বাৰু হোৱাও টান হৈ পৰে। জানি-শুনি কোনে সম্বন্ধ পাতিবলৈ আগবাঢ়ি আহিব? ডব খুৰাৰ ডাঙৰ ছোৱালী দুজনীৰ আগতেই বিয়া হৈ গৈছিল। সৰু দুজনী অমলা আৰু বিমলাৰ বিয়াই নহ'ল।

গাত ফটা বেডক'ভাৰ মেৰাই কমল ওলাই আহিল। কমলৰ পৰিবাৰো ওলাই আহিল। মোক সেৱা কৰিলে। কমলে মুখেৰে একো নামাতিলে। অলপ হাঁহি আকৌ ভিতৰলৈ সোমাই গ'ল।

খুৰাই বোৱাৰীয়েকক ক'লে, "ইমান দিনৰ মূৰত ভদ্ৰ আহিছে, কিবা....।"

অনিশ্চিতভাৱে তেওঁ বৈ গ'ল।

"দীন হলাইৰ কথা তোৰ মনত আছেনে ভদ্ৰ?"

"কিয় নাথাকিব?"

"দীনৰ দোকানৰপৰা আমাৰ ঘৰত সদায় এক হাড়ী মিঠাই আহিছিল।"

তেওঁ আকৌ কন্দাৰ উপক্ৰম কৰিলে। কোনো ৰকমে নিজকে চম্ভালি ল'লে। তেওঁ এতিয়াও অতীতত বাস কৰি আছে। উজ্জ্বল বৰ্ণাঢ্য জীৱন। বৰ্তমান জগতখনৰ ফালে চকু দিয়াৰ তেওঁৰ সাহস নাই, শক্তিও নাই।

কমলৰ পৰিবাৰে মোক আম কাটি খাবলৈ দিলে। বস্তুখিনি দেখি মোৰ কিবা ঘিণ লাগি গ'ল। আমৰ গাত ক'লা ক'লা মলিৰ দাগ। বস্তুখিনি অলপ ভালকৈ ধুই-পখালিতো দিব পাৰে। বোধহয় এইবোৰ এওঁলোকৰ চকুত নপৰা হৈছে। সূক্ষ্ম ৰুচিবোধো মৰহি গৈছে। কোনো ৰকমে যান্ত্ৰিকভাৱে দিনবোৰ পাৰ কৰি দিব পাৰিলেই হ'ল।

"ইহঁত ক'ত?"

"কাৰ কথা কৈছে?"

"অমলা আৰু বিমলা?"

"আছে ভিতৰত। কি যে হৈছে? ইমান দিনৰ মূৰত দাদাৰ আহিছে, ওলাই আহি মাত একাষাৰতো দিব লাগে।"

অমলা আৰু বিমলা একালত বৰ ধুনীয়া আৰু সপ্ৰতিভ ছোৱালী আছিল। উজ্জ্বল চেহেৰা, চকুৰে মুখে কথা কৈছিল। শংকৰৰ মই ঘনিষ্ঠ বন্ধু আছিলোঁ কাৰণে মোৰ লগতো সিহঁতৰ সম্বন্ধ বৰ সহজ আৰু স্বাভাৱিক হৈ পৰিছিল। মই সিহঁতৰ ঘৰলৈ গ'লে ওলাই আহি মাত দিছিলেই।

খুব অনিচ্ছাৰ ভাব লৈ দুয়ো ওলাই আহিল। বহুদিনৰ মূৰত হঠাতে দুয়োৰে যেন নিজৰ অৱস্থা সম্বন্ধে উগ্ৰভাৱে সচেতন হৈ পৰিছে। হোৱাৰ কথাও। মইয়ো অস্বস্তি বোধ কৰিবলৈ ল'লোঁ। আগতে কেনেকুৱা দেখিছিলোঁ আৰু আজি কি দেখিছোঁ। অমলাজনী একেবাৰে বুঢ়ী হৈ গৈছে। মূৰৰ চুলিখিনি পকিবলৈ ধৰিছে, সন্মুখৰ দাঁতো দুটামান সৰিছে।

ভৱ খুৰাই মোঁক ফুচ্‌ফুচাই কিবা ক'লে। মই ধৰিব নোৱাৰিলোঁ।

"কি কৈছে?"

"অমলাৰ কথা বাদেই দিছোঁ। বিমলাৰ দৰা এটা ঠিক কৰি নিদিয় কিয়? আজিকালি প্ৰফেচৰ-ট্ৰফেচৰ বহুতেইতো বহুতো বয়সলৈ বিয়া নকৰাই থাকে। তোৰতো বহুত মানুহৰ লগত চিনাকি আছে। বৰ ভাল ছোৱালী এই বিমলাজনী। তোকনো আৰু কি কম? দেখাই-শুনাই কামে-কাজে এনেকুৱা ছোৱালী ক'ত পাবি?"

ভৱ খুৰাৰ এই হাস্যকৰ প্ৰস্তাবটোৱে মোৰ মনত কৌতুকৰ সৃষ্টি নকৰিলে। গভীৰ বেদনাত মোৰ মনটো গধুৰ হৈ গ'ল। ভৱ খুৰাই ঠিকেই কৈছে। অমলা আৰু বিমলা দুয়োজনী বৰণ কৰি ল'বলগীয়া ছোৱালী। ৰূপো আছিল, গুণো আছিল। শংকৰৰ টি. বি. হোৱাত কোনেও সাহস কৰি আগবাঢ়ি নাহিল। ভৱ খুৰা অন্ধ। আজিৰ বিমলাক তেওঁ চকুৰে নেদেখে। সম্বন্ধ কৰি এতিয়া আৰু তাইক বিয়া দিয়া সম্ভৱ নহয়। মই মনে মনে থাকিলোঁ। কিনো আৰু ক'ম?

মোক লগ পাই ভৱ খুৰাই খুব ভাল পাইছে। মনৰ অৱদমিত আশা প্ৰকাশ কৰাৰ এটা সুযোগ পাইছে। প্ৰকাশ কৰিব পাৰিলেও কিছু স্বস্তি।

"আছু নহয়? কমলৰ ডাঙৰ ল'ৰাজনক তোক লগ ধৰিবলৈ ক'ম। চহৰত কিবা কাম-কাজ গোটাই দিব পাৰ নেকি চাবিচোন।"

"কি কৰি আছে সি?"

"কি আৰু কৰিব? দুবাৰমান মেট্ৰিক পৰীক্ষাত ফেল কৰি আড্ডা মাৰি ঘূৰি ফুৰে।"

মই কাৰোবাক কাম দিব পৰা বিধৰ ডাঙৰ মানুহ নহওঁ। চিনাকি কোনোবা বিষয়াক অনুৰোধ কৰিবলৈ হ'লেওতো প্ৰাৰ্থীৰ যোগ্যতাৰ কথা ক'ব লাগিব। মধুপুৰৰ ধাৰাবাহিক ইতিহাসৰ এটা অধ্যায় হ'ল পতনৰ ইতিবৃত্ত। এই কাৰণে মধুপুৰলৈ আহিলে মনটো বিষণ্ণ হৈ পৰে।

যোৱাৰ সময়ত ভৱ খুৰাৰ ঘৰৰ সকলোকে মাত লগালোঁ। মই এনেয়ে অমলাক ধেমালি কৰি ক'লোঁ, "তই দেখোন একেবাৰে বুঢ়ী হৈ গ'লি।"

"নবৌ এতিয়াও ডেকেৰী হৈ আছে নেকি?"

মই ধেমালিৰ সুৰত প্ৰশ্ন কৰিলেও তাইৰ উত্তৰত ধেমালিৰ স্পৰ্শ নাই। পোনপটীয়া প্ৰত্যাহ্বান।

মই মনে মনে গুচি আহিলোঁ।

# সংগ্ৰাম

"মহেশ, এই মহেশ।"

মহেশে বুৰঞ্জীৰ কিতাপখন মেলি লৈছে মাত্ৰ, আকৌ ডাক পৰিল। একো উত্তৰ নিদি সি কিতাপখন পঢ়িবলৈ ল'লে।

"ক'ত গ'ল সি? এই মহেশ।"

"ক'ত আৰু যাব? ঘৰতে সোমাই আছে।" মাজতে অকণাই মাত দিলে। নাই, আৰু থাকিব নোৱাৰি। কিতাপখন জপাই থৈ মহেশ ওলাই আহিল।

"ঘৰতে সোমাই আছ, মাতিলে নামাত কিয়? যাচোন শইকীয়াৰ দোকানলৈ যা। মিঠাতেল আধাপোৱা লৈ আহ। সোনকালে আহিবি। বাটতে ক'ৰবাত লাগি ধৰি নাথাকিবি।"

মহেশে হাফচাৰ্টটো পিন্ধি তেলৰ বটলটো লৈ ওলাই গ'ল। অকণাই উত্তেজিত হৈ ক'লে, "মা শুনা, শুনা। মহেশে ভোৰভোৰাই গালি পাৰি পাৰি গ'ল।"

মাকে পাকঘৰত সোমাই কামত ব্যস্ত হৈ পৰিল; একো নক'লে।

মহেশে মহিম বৰুৱাৰ ঘৰত থাকি স্কুলত পঢ়ে। বৰুৱাহঁত স্বজাতি মানুহ। বৰুৱাহঁতৰ মাটি-বাৰী আছে। খোৱা-লোৱাৰ অভাৱ নাই। প্ৰথম অৱস্থাত গিৰিহঁতে মহেশ থকাত ভালেই পাইছিল। বহুতো কাম কৰি দিয়ে। বজাৰ কৰা, গৰু চোৱা, ল'ৰা-ছোৱালীক চম্ভালা, বাতি বুঢ়ী আইতাৰ মূৰত কবিৰাজী তেল ঘঁহা, আৰু অইন কামো ভালেখিনি কৰে। কিন্তু ক্ৰমাৎ সদায় কৰি থকা কামখিনি চকুত নপৰা হ'ল। বৰং এজন ডেকা-ল'ৰাক বহুৱাই ভাত-পানী যোগোৱা কথাটোৱে মনত অশান্তিৰ সৃষ্টি কৰিবলৈ ল'লে। পাকে-প্ৰকাৰে মহেশক কথাষাৰ সোঁৱৰাই দিয়াৰ সকলোৱে এটা চেষ্টা হ'ল। মহেশে বুজি পাইছিল, কিন্তু কেইমাহমান পিছতে টেষ্ট পৰীক্ষা। চকু-কাণ মুদি সকলো সহ্য কৰি গৈছিল। খং আৰু অভিমান কৰাটো নিজৰ সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰে। অভিমান কৰিব কাৰ ওপৰত? খং কৰি গুচি গ'লে কাৰ ক্ষতি? গিৰিহঁতৰ কি? লাগিলে দৰ্মহা দি কাম কৰা ল'ৰা এজনকে ৰাখি থ'ব। তেওঁলোকৰ কিছু পইচা খৰচ হ'ব, কিন্তু মহেশৰ গতি কি হ'ব?

গাৱঁৰ মানুহবো মহেশৰ প্ৰতি এটা আক্ৰোশ। "আমাৰ মহেশে লেখা-পঢ়া শিকি হাকিম হ'ব।"

খেতিয়কৰ ল'ৰা মহেশৰ এই প্ৰচেষ্টাত গাৱঁৰ সকলোৱে প্ৰতি যেন এটা অশ্ৰদ্ধা আৰু অৱজ্ঞাৰ ভাব মিহলি হৈ আছে। হাকিম হ'ব বুলি কোৱা কথাষাৰ আচলতে বিদ্ৰূপ। তথাপি

বিদ্রূপৰ মাজতে আশংকাৰ ভাব এটাও নথকা নহয়। ক'বতো নোৱাৰি। হাকিম নহ'লেও মণ্ডল, মহৰী কিবা এটা হয়েই যদি?

ঘৰতে ধুই লোৱা অতিৰিক্ত নহাতী চুৰিয়া এখন, এটা মাৰ্কিন কাপোৰৰ কামিজ, কানিৰ তলপৰা এখন, গামোচাত বান্ধি লোৱা অলপ চিৰা আৰু কেইখনমান ঘিলা-পিঠা, গোটেইখিনি এটা টোপোলা কৰি পিঠিত বান্ধি লৈ বৰষুণৰ বতৰত আঠ মাইল বাট খোজ কাঢ়ি আহি ষ্টেছনৰ কাষৰ খাল এটাত আঁঠুলৈকে লাগি থকা বোকাখিনি ধুই যেতিয়া প্লেটফৰ্মত থিয় হৈছিল, তেতিয়া মহেশ কলিতাৰ মনত এটা অশান্ত ভাবৰ উখল-মাখল লাগি গৈছিল। ভৱিষ্যতৰ অস্পষ্ট সপোন এটাক অনুসৰণ কৰি অনিশ্চিত পথেৰে আগবাঢ়িবলৈ লৈছে। আশাখিনি গোট বান্ধি এটা নিৰ্দিষ্ট ৰূপ ল'ব খুজিও বাৰে বাৰে ভাঙি যায়। মধুপুৰৰ জমিদাৰৰ স্কুলত দুখীয়া ল'ৰাক মাচুল নোলোৱাকৈ পঢ়িবলৈ দিয়ে। কাষৰ গাৱঁৰ মাখন কলিতাই মধুপুৰৰ মিঠাইৰ দোকান এখনত কাম কৰে। সি সাহস দিছে, কাৰোবাৰ ঘৰত থকা আৰু খোৱাৰ ব্যৱস্থা এটা কৰি ল'ব পৰা যাব। ওচৰ-চুবুৰীয়া গাৱঁৰ কেইবাজনো ল'ৰা তেনেকৈ আছে। তেনেকৈ থাকি মেট্ৰিক পৰীক্ষাটো পাছ কৰি ল'ব পাৰিলে....। নাই, ইয়াৰ পিছলৈ আৰু ভাবিব নোৱাৰি; চিন্তাবোৰত কিবা খেলিমেলি লাগি যায়।

মহেশ কলিতাৰ মনটো শিলৰ নহয়। এছাৰিৰে কোবালে তাত দাগ নবহাকৈ নাথাকে। কিন্তু কাণ্ডজ্ঞান বুলি বস্তু এটাও আছে। ভাবাবেগৰ বাষ্পই মহেশৰ সপোনৰ ৰূপটোক সম্পূৰ্ণভাৱে মচি পেলাব নোৱাৰিছিল। প্ৰতিকূল অৱস্থাৰ মাজতো জেদ এটাক সাৱটি ধৰি নিজকে স্থিৰ কৰি ৰাখিবৰ চেষ্টা কৰিছিল। নিজে উন্নতি কৰাতকৈ নিজে উন্নতি কৰি গাৱঁৰ মানুহক দেখুওৱাৰ প্ৰচেষ্টটোহে অধিকতৰ প্ৰয়োজনীয় কথা হৈ পৰিছিল। এই দৰ্শক শ্ৰেণীৰ মাজত মহেশে বৰুৱাইতকো সাঙুৰি লৈছিল।

মুখেৰে একো প্ৰতিবাদ নকৰিলেও মহেশ কলিতাৰ মনত আক্ৰোশ আৰু প্ৰতিহিংসাৰ ভাব ক্ৰমাৎ সবল হৈ উঠিবলৈ আৰম্ভ কৰিলে। গিৰিহঁতে ভাবি থাকিব—আমাৰ ইয়াতে থাই বৈ মহেশ মানুহ হ'ল, আমাৰ প্ৰতি সি চিৰকৃতজ্ঞ হৈ থাকিব। আচলতে মহেশ কলিতাই জ্ঞাত-অজ্ঞাত প্ৰত্যেকটো অপমান আৰু অত্যাচাৰৰ নিখুঁত হিচাপ এটা ৰাখি থৈছে। দিন আহিলে ভৱিষ্যতে এই অপমানৰ প্ৰতিশোধ ল'ব লাগিব।

মহিম বৰুৱাৰ নিজস্ব মতামত একো নাই। খোৱা-বোৱাৰ কথা লৈ চিন্তা কৰিব নালাগে। সকলোবোৰ হুজুগৰ সৈতে তৎক্ষণাৎ নিজকে সংযুক্ত কৰি পেলাইছিল। সম্ৰাট পঞ্চম জৰ্জৰ ৰজত জয়ন্তী অনুষ্ঠান কাৰ্যক্ৰমত মহোৎসাহে অংশ গ্ৰহণ কৰিছে, নিজৰ ঘৰত মমবাতি জ্বলাই তৃপ্তি পাইছে। তাৰে চাৰি বছৰ পিছত সুভাষ বসু এবাৰ মধুপুৰলৈ আহিছিল। সকলো গণ্যমান্য ব্যক্তিয়ে নানা ধৰণৰ অজুহাত দেখুৱাই সভাত যোগ দিয়াৰ হাত সাৰিলে। মহিম বৰুৱাইহে তেতিয়া এটা খদ্দৰৰ টুপী পিন্ধি গহীনভাৱে সভাৰ সভাপতি হৈ বহি থাকিল। হঠাতে লীলানন্দ বাবাজী আহি গোটেই মধুপুৰত তোলপাৰ লগাই দিলে। আনকি ৰাতাৰাতি মধুপুৰৰ মাতালবোৰেও উদ্বাহু হৈ নাম-কীৰ্তন আৰম্ভ কৰি দিলে। বৰুৱাও মত্ত হৈ পৰিল। ঘৰ-সংসাৰ

এৰি লীলানন্দৰ পিছে পিছে ঘুৰিবলৈ ধৰিলে। কেইদিনমান পাছতে তেঁৱেই তাৰস্বৰে লীলানন্দক গালি-গালাজ আৰম্ভ কৰিলে, "একো নাই, বেটা ভণ্ড এটা।" কথাটো হৈছে বৰুৱাৰ কোনো নির্দিষ্ট বৃত্তি আৰু আনুষঙ্গিক দায়িত্ব নাছিল। সকলো কথাতে লাগি ফুৰিছিল। মুঠ কথা তেওঁ নিজকে মধুপুৰৰ এজন বিশিষ্ট আৰু বিশেষ প্ৰভাৱশালী মানুহ বুলি ভাবিছিল।

আইতাকৰ প্ৰধান কাম আছিল অতীতৰ সুখ-সমৃদ্ধিৰ লগত বৰ্তমান অৱস্থাৰ তুলনা কৰি হাঁহাকাৰ কৰা আৰু বোৱাৰীজনীক অনাৰ দিনৰপৰাই যে ঘৰৰ লখিমী এৰা দিলে সেইটো প্ৰতিপন্ন কৰা। গধুলি তেওঁৰ মূৰত কবিৰাজী তেল ঘঁহি দিছিল আৰু তেওঁৰ সকলো কথা নীৰৱে শুনি গৈছিল কাৰণে মহেশক অলপ মৰমো কৰিছিল।

বৰুৱাৰ পৰিবাৰে নিজেও ধৰিব নোৱাৰিছিল সংসাৰত তেওঁৰ স্থান ক'ত। শাহুৱেকৰ গালি-শপনিবোৰ অৰণ্যে কিছুমান অৰ্থহীন যান্ত্ৰিক শব্দ হিচাপেহে তেওঁৰ কাণত সোমাইছিল। সেই লৈ একো কথা নাই। বৰুৱা ভালে থাকিলে খুব ভাল। পৰিবাৰৰ লগত সুখ-দুখৰ কথা পাতে, দিহা-পৰামৰ্শও লয়। মেজাজ বেয়া থাকিলে অতি তুচ্ছ কথা এটা লৈয়ো পৰিবাৰৰ চৈধ্য পুৰুষ উদ্ধাৰ কৰি দিয়ে।

ল'ৰা-ছোৱালী পাঁচোটা। ডাঙৰজনা ছোৱালী। মাজত ল'ৰা দুজন। তাৰ পিছত ছোৱালী এজনী। নুমলীয়াটো ল'ৰা। সৰুবোৰ সৰু হৈয়ে আছে, কিন্তু ডাঙৰজনী অৰুণা হ'ল বিহৰ গুটি। তেৰ-চৈধ্য বছৰ বয়স হ'ল। আগতে এনেকুৱা নাছিল। কিন্তু আজিকালি মহেশক কিবা চকু পাৰি দেখিব নোৱাৰে।

এবিধ মাৰাত্মক বীজাণুৱে অজ্ঞাতে অৰুণাৰ শৰীৰ আৰু মনত বহি লৈ তাইৰ ৰক্তধাৰাক চঞ্চল কৰি তুলিছে। তেজস্থ প্ৰাণ-কণিকাবোৰে এই বীজাণুক ধ্বংস কৰাৰ কাৰণে এটা নিৰলস কঠিন সংগ্ৰাম আৰম্ভ কৰি দিছে। এই অদৃশ্য সংগ্ৰামে তাইক অস্থিৰ কৰি তুলিছে।

বৰুৱানীয়ে মহেশৰ খোৱাখিনিত টোটক-নাটক নকৰে। ৰাতিপুৱা কাম-বন কৰি স্কুললৈ যোৱাৰ সময়ত মহেশৰ লৰালৰি লাগি যায়। বৰুৱানীয়ে কয়, "উঠিলেয়ে দেখোন। ৰবি, আৰু দুটামান ভাত ল।"

অৰুণাই কুটুচকৈ মাত দিব, "মাৰো যে কথা। আমাৰ নিচিনা শাকে-পাতে ভাত খাব পাৰেনে সি?"

নুমলীয়া সন্তান ভাইটিৰ মহেশৰ কিতাপ-বহীবোৰৰ ওপৰত অদ্ভুত এটা আক্ৰোশ। ফাক পালেই ফালি ছিঙি নষ্ট কৰিব। মহেশ সতৰ্ক হৈ থাকে। কোন তলকতে ভাইটিয়ে বুৰঞ্জীৰ কিতাপখন ফালিব লওঁতে মহেশে খাপ মাৰি ধৰিলে। ইতিমধ্যে তিনিখিলা পাত ফালিলেই। মহেশৰ অতি সংযত মনটোৱেও বোধহয় সমতা হেৰুৱাই পেলালে। ঠাচ্ কৰে ভাইটিৰ গালত এটা চৰ মাৰি দিলে। গোটেই ঘৰখনতে হুলস্থূল লাগি পৰিল। বৰুৱাই বোধহয় মহেশক মাৰিবৰ কাৰণেই আগবাঢ়ি গ'ল। কিন্তু মহেশৰ চিৰ নিস্তেজ চকুৰ ফালে চাই সিদিনা তেওঁ হঠাতে চক্ খাই উঠিল। তেওঁৰ নিচিনা সৰল বুদ্ধিৰ মানুহ এজনেও বুজি পালে যে কিমানখিনি আগবাঢ়ি যোৱা উচিত আৰু কিমানখিনি আগবাঢ়ি গ'লে যুক্তি-বুদ্ধিহীন ভয়ংকৰ বিপদৰ মাজত জপিয়াই

পৰিব।

বৰুৱাই মহেশক ক'লে, "যি হৈছে হৈছে। আগলৈ ল'ৰা-ছোৱালীৰ গাত হাত তুলিলে কথা কিন্তু বিষম হ'ব। সিহঁতে কিবা দোষ কৰিলে আমাক কবি। শাসন দমন যি কৰিব লাগে আমি কৰিম।"

অৰুণাৰ নাকৰ পাহিবোৰ ফুলি উঠিছিল। চৰম উত্তেজনাত মন্ত্ৰমুগ্ধৰ দৰে তাই পিতাক আগবাঢ়ি যোৱাৰ ফালে চাই আছিল। কিন্তু বৰুৱাই যেতিয়া মহেশক তেনেকৈ বিশেষ একো নকৰিলে বিতৃষ্ণাত তাই মুখখন ঘূৰাই ল'লে। দাঁতত দাঁত চেপি ক'লে, "ছোটলোকক লাই দিলে মূৰত উঠিবই, জনা কথা।"

মহেশে মহিম বৰুৱাৰ ঘৰত থাকি মেট্ৰিক পৰীক্ষা পাছ কৰিলে। নানাৰকম কচৰৎ কৰি কৰি বি. এ. পৰীক্ষাও পাছ কৰিলে। প্ৰথমতে ছাত্ৰ অৱস্থাতেই জীৱন বীমা কোম্পানী এটাৰ এজেণ্ট লৈছিল। মানুহৰ ওপৰত খণ্ডতে জ্বলি গালত ঠাচ্ কৰে চৰ মাৰি দিয়াৰ অদম্য ইচ্ছাটোক বিনয়াবনত মৃদু হাঁহিত ৰূপান্তৰিত কৰিব পৰা ক্ষমতাটোৱে এই কামত তেওঁক যথেষ্ট সহায় কৰিছিল। কিছুদিন পিছত তেওঁ বীমা কোম্পানীটোৰ ইন্সপেক্টৰ কামত নিযুক্ত হ'ল।

মহিম বৰুৱাৰ অৱস্থা লাহে লাহে বেয়া হৈ আহিল। মাটি-বাৰীক কেন্দ্ৰ কৰি তেওঁলোকে পুৰুষানুক্ৰমে এটা নিৰ্দিষ্ট জীৱনধাৰাত চলি আছিল। জীৱন-দৰ্শন সলনি হৈ আহিল। ব্যৱসায়-বাণিজ্য, লেখা-পঢ়াৰ ফালে আগবাঢ়ি যোৱাৰ প্ৰেৰণা আৰু শক্তি দুয়োটাৰে অভাৱ। বহু পুৰুষ ধৰি সঞ্চিত এটা জড়তা। পুৰণি গাড়ীখন ঠেলি ঠেলি বনেট তুলি চাই থাকোঁতেই, বহুত পিছত কিনা নতুন গাড়ীৰ যাত্ৰী ধূলি উৰুৱাই সাউৎকৰে কাবেদি পাৰ হৈ গ'ল। এই মাধৱ, এই জয়ন্ত। কি আছিল সিহঁতৰ ঘৰৰ অৱস্থা? আজি কোনোবা ঠিকাদাৰ, কোনোবা ডাঙৰ অফিচাৰ। নতুন যুগৰ নতুন জীৱন-ধাৰাৰ পিনে বৰুৱাই হতবুদ্ধি হৈ চাই থাকে। একো বুজি নাপায় কি হ'লনো দুনিয়াখনত।

মহেশ কলিতাই প্ৰতিজ্ঞা কৰিছিল বৰুৱাৰ ঘৰত পোৱা দুৰ্ব্যৱহাৰৰ প্ৰতিশোধ ল'ব। পাহৰিয়ে গৈছে। হাঁহিও উঠে নিজৰ। কিনো প্ৰতিশোধ ল'ব? তৰোৱাল এখন হাতত লৈ আটাইৰে মুণ্ডচ্ছেদ কৰিবলৈ যাবনে কিবা? হাঁহিৰ খুজিও মহেশ কলিতাই প্ৰাণ খুলি হাঁহিব নোৱাৰিলে।

মহেশ কলিতাই খবৰ লৈ জানিলে অৰুণাৰ বিয়া হৈ যোৱা নাই। মধুপুৰ স্কুলত একেলগে পঢ়া যতীনে কথাই কথাই ক'লে,

"ছোৱালী বিয়া দিয়ে কেনেকৈ? পুৰণি ধৰণ-ধাৰণ লৈয়েই থাকিল মানুহ ঘৰ। ছোৱালীক কলেজত পঢ়িবলৈ নিদিলে। অৱস্থাও নাই। ইফালে ভেমটো পূৰা আছে। ক'ত হ'ব ছোৱালীৰ বিয়া।"

কলিতা অলপ সজাগ হ'ল। তেওঁৰ লজ্জাজনক অতীতৰ স্মৃতি মচি পেলাব নোৱাৰি জানো? বিমান ডাঙৰ মানুহ নহওক, অৰুণাৰ চকুত তেওঁৰ কোনটো ৰূপ চিৰদিনৰ কাৰণে প্ৰকট হৈ থাকিব? তেওঁৰ এই প্ৰতিকৃতি নষ্ট কৰিব নোৱাৰিনে? অৰুণাক আপোন কৰি ল'ব নোৱাৰিনে? আবেগ আৰু সোহাগত আত্মহাৰা হৈ তাই যেতিয়া থৰথৰকৈ কঁপি উঠিব তেতিয়াও

জানো তাইৰ হাত দুখন শিথিল হৈ নাযাব? পুৰণি ছবিখন যদি তেতিয়া তাইৰ হাতৰপৰা খহি ধূলিত বাগৰি পৰে, সেইখন ছবি পুনৰ বুটলি ল'বৰ কথালৈ কি তাইৰ খেয়াল থাকিব? ধূলিতে বাগৰি খহি জহি নাযাব জানো?

মহেশে চকু-কাণ মুদি যতীনক ক'লে, " মোৰো বিয়াখন পাতিব লাগিছিল। তুমি ঘাৰু কৈ চাবাচোন পাকে-প্ৰকাৰে।"

যতীনে জাপ মাৰি উঠিল, "নালাগে দিয়া। অৱস্থাপন্ন ঘৰৰ লেখা-পঢ়া জনা কিমান ছোৱালী পাবা তুমি। কিয় লাগিছে সেইজনী ছোৱালীক বিয়া কৰাব?"

হঠাতে যতীন বৈ গ'ল। চকু পিৰিকাই ক'লে, "ব্যাপাৰ কিহে? প্ৰেমঘটিত কিবা নেকি?" মহেশ ৰঙা পৰি উঠিল। প্ৰবল আপত্তি জনাই ক'লে, "নহয়, নহয়। মানুহ ঘৰৰ কিবা উপকাৰ যদি হয়, এই আৰু কি? কাণ ছুৱাই চাবাচোন? মান্তি হয় নে নাই।"

"কি কোৱা হে? মান্তি নহ'ব মানে? সাতটা জাপ মাৰি কালিলৈয়ে বিয়াখন পাতিব। এনেকুৱা দৰা ক'ত পাব?"

মহিম বৰুৱাই খুব খোচ মেজাজত ঘৰত সোমালহি। পৰিবাৰক মাতিলে, "হেৰা, এবাৰ এই ফালে আহাচোন?" পৰিবাৰে পাকঘৰত ব্যস্ত হৈ আছিল। গৰম তেলত বেঙেনা কেইডোখৰ দি ক'লে,"গৈছোঁ।"

"গৈছোঁ নহয়। আহা সোনকালে।"

বৰুৱাই গহীনভাৱে হাঁহি এটা মাৰি ক'লে, "যতীনে আমাৰ অৰুণাৰ এটা সম্বন্ধ আনিছে। বৰ ভাল সম্বন্ধ। মহেশৰ লগত।"

বৰুৱানীয়ে আচৰিত হৈ সুধিলে, "কোন মহেশ?" বৰুৱাই পৰিবাৰক ভেঙুচিয়ালে, "কোন মহেশ তাকো নজনা হ'লা। দুদিন পিছত মোকো চিনি নাপাবা। ইমান দিন আমাৰ ঘৰতে থাকিল ল'ৰাজন, মহেশক চিনি নোপোৱা হ'লানে?"

বৰুৱানীৰ চকু দুটা উজ্জ্বল হৈ উঠিল।

"সঁচা?"

"মিছা কথা কৈ মই কিবা ধেমালি কৰিছোঁ নেকি?" কিন্তু গোটেইখন গণ্ডগোল কৰি দিলে অৰুণাই। কথা শুনি তাই হাঁহিয়েই অস্থিৰ।

"মই কিন্তু তাক নাম কাঢ়ি মহেশ বুলিহে মাতিম। আপুনি বুলিও ক'ব নোৱাৰিম, তই বুলিয়েই ক'ম কিন্তু।"

"কি যা-তা কথা কৈছ?"

"কি যা-তা কথা হ'ল? তোমালোকে যিহকে ইচ্ছা তাকেই কৰিব পাৰা নেকি? কাইলৈ আমাৰ তিথৰু হালোৱাই লটাৰীৰ টিকট কিনি টকা পাই ডাঙৰ মানুহ হ'লে তাৰে লগতে মোৰ বিয়াখন পাতিবা নেকি? হয়।"

মাকৰ মুখ গম্ভীৰ হ'ল। বৰুৱাক কথাষাৰ কৈ দিলে। "চাওকচোন কথাৰ ছিৰি।" বৰুৱাই গম্ভীৰভাৱে ক'লে, "কথাৰ ছিৰি চাব লগাটো কি হ'ল? ঠিকেইতো। আমাৰ ছোৱালী কিবা

পেলাই দিব লগা নেকি? নভবা-নিচিন্তাকৈ চকু-কাণ বন্ধ কৰি যাকে তাকে দিলেই হ'ল? সাহস চোৱাচোন মহেশৰ। ভাল কাম কৰে বুলিয়েই আমাৰ ঘৰৰ ছোৱালী দিব যামনে তাক? কি ভাবিছে সি? বাস্তৱিক। তাৰ সাহস দেখি মই আচৰিত মানিছোঁ।"

মধুপুৰৰ হীৰেন শৰ্মা এল. আই. চি.ৰ এছিষ্টেন্ট ব্ৰাঞ্চ মেনেজাৰ। মধুপুৰৰ ল'ৰা কাৰণে মহেশৰ লগত ঘনিষ্ঠতা অলপ বেছি। মহেশক ক'লে, "বলক দাদা। এইবাৰ পূজাত মধুপুৰলৈ ওলাওক। ইমান দিনে কৈ আছোঁ, বলক যাওঁ এইবাৰ। বিয়া-বাৰু নকৰা মানুহ, আপোনাৰনো কি লেঠা? ইমান পৰিবৰ্তন হৈছে ঠাই ডোখৰৰ, চিনিয়েই নাপাব। ৰাস্তাবোৰত পিচ দিছে। কিমানবোৰ অফিচেই হৈছে তাত। ব্লকৰ অফিচ, চুপাৰিণ্টেণ্ডিং ইঞ্জিনীয়াৰৰ অফিচ আৰু কিবাকিবি। কলেজ এখনো পাতিছে নহয়। তিনি বছৰ হ'লেই।"

"স্কুলৰ খবৰ কি? উমা দত্ত আছে নহয় হেডমাষ্টৰ।"

"নাই। কেতিয়াবাই ঢুকালে। আপোনালোকে স্কুল এৰাৰ পিছত বীৰেন দাস হেডমাষ্টৰ হৈছিল। মাজতে কেদাৰ শৰ্মা হেডমাষ্টৰ হৈ আছিল। তেঁৱেই আছে বোধহয় এতিয়াও।"

মহেশ এতিয়া এল. আই. চি.ৰ ব্ৰাঞ্চ মেনেজাৰ। হীৰেনক মধুপুৰৰ পুৰণি মানুহৰ কথা সোধে, খা-খবৰ লয়, কিন্তু বৰুৱাহঁতৰ খবৰ লোৱাটো হৈ নুঠে।

হীৰেনে নিজেই ক'লে, "বৰুৱা খুৰাৰ ল'ৰাবোৰৰ একো নহ'ল। মাজুজনে মেট্ৰিক পৰীক্ষাটো পাছ কৰি ব্লকৰ অফিচত কাম কৰে। ডাঙৰজনে মেট্ৰিক পৰীক্ষাও পাছ কৰিব নোৱাৰিলে। দোকান দিছে এখন। গেলামালৰ দোকান। নাই। দোকানৰ অবস্থাও দেখাত ভাল যেন নালাগে। ইফালে সৰুজন ল'ৰাই বছৰি বছৰি মেট্ৰিক পৰীক্ষা দিয়েই আছে।"

হীৰেনে আকৌ ক'লে, "অৰুণা বাইদেউৰ বিয়া ইয়াতেই হৈছে, জানে বোধহয়। সুৰেন ডেকা বুলি মানুহ এজনৰ লগত। শান্তিপুৰত নিজা ঘৰ আছে। ডি. চি.ৰ অফিচত কাম কৰে। আগতে দুই, এদিন গৈছিলোঁ অৰুণা বাইদেউক মাত দিবলৈ। আজিকালি বাদ দিছোঁ। ডেকা মানুহজনৰ কথা-বতৰা কিবা ভাল নালাগে। কিবা খুত খুত কৰি থাকে। সদায় বোলে অসুখ। আজি পানী লাগিছে, কালি পেটত গেছ হৈছে, কিবা এটা লাগিয়েই আছে। একো নহয়। মেনিয়া। মোৰ আগতেই অৰুণা বাইদেউক যেনেকুৱাকৈ ঠেচ দি দি কথা কয়, ভাল নালাগে। এদিন মই থাকোঁতেই কেনেবাকৈ কাপ এটা ভাগিল। ডেকাই বিদ্ৰূপ কৰি ক'লে, "একো নহয়, ভাঙিবই। জমিদাৰৰ ঘৰৰ ছোৱালী, কাম কৰা অভ্যাস থাকিলেহে।"

মহেশে সুধিলে, "ল'ৰা-ছোৱালী কি অৰুণাৰ?"

"তেতিয়ালৈকে একো নাছিল। মই অৱশ্যে দুবছৰমান যোৱা নাই। ইয়াৰ ভিতৰতে কিবা হৈছে যদি ক'ব নোৱাৰোঁ।"

শান্তিপুৰত সুৰেন ডেকাৰ ঘৰটো বিচাৰি উলিওৱাটো টান হ'লেও অসম্ভৱ নহয়। সুৰেন ডেকা নিজেই ওলাই আহিল।

"কাক বিচাৰিছে?"

"এইয়া সুৰেন ডেকাৰ ঘৰ নহয় জানো?"

"হয়। আহক।"

মহেশ কলিতাই ক'লে, "মোক আপুনি চিনি নাপায়। মই মহেশ কলিতা।"

ডেকাই ক'লে, "চিনি পাইছোঁ।"

কলিতাই অলপ স্বস্তি পালে। "তেনেহ'লে অৰুণাই মোৰ কথা আপোনাক কৈছে।"

ডেকাৰ দৃষ্টি তীক্ষ্ণ হৈ উঠিল। আপোনাৰ কথা? অৰুণাই। নাই কোৱাতো একো। কি কথা? আপুনি এল. আই. চি.ৰ ব্ৰাঞ্চ মেনেজাৰ সেইটোহে মই জানো।"

আচৰিত। কলিতা অলপ বৈ গ'ল। ক'বলৈ ভাল নোপোৱা কথাবাৰ নিজ মুখে ক'ব লগা হ'ল।

"মই অৰুণাহঁতৰ ঘৰত থাকি মধুপুৰৰ স্কুলত পঢ়িছিলোঁ।"

"অ হয় নেকি? অৰু, অৰু, বেগাই ওলাই আহা। কোন আহিছে চোৱাহি।" ডেকাই হুলস্থূল লগাই দিলে।

অৰুণা ওলাই আহিল। মহেশ কলিতাক দেখি চকু দুটা মুহূৰ্তৰ কাৰণে উজ্জ্বল হৈ উঠিল। তৎক্ষণাৎ আকৌ ক্লান্ত হৈ পৰিল। মাত দিলে, "আৰে! মহেশদা।" 'দা'টো পিছত যোগ কৰি দিলে, যেন অনেক বিবেচনা কৰি, অনেক চেষ্টা কৰি।

সুৰেন ডেকাই উথপথপ লগাই দিলে।

"বহক, বহক। আপুনি নিজৰে মানুহ। হেঃ হেঃ হে।" অনাবশ্যক পাক খাই ফুৰিবলৈ আৰম্ভ কৰিলে মানুহজনে। "ই ক'ত গ'ল? কি হে? কাম কৰা ল'ৰাটোৰ নামটো মনতেই নাথাকে।"

ল'ৰাটোক মাতিবলৈ বেগাই ওলাওঁতে টিপয়খন বগৰাই দিলে।

অৰুণাক ক'লে, "তুমিয়েই চাহৰ পানীখিনি বহাই দিয়া।"

মহেশক ক'লে, "আপুনি বহক। মই এই আহিছোঁ।"

মহেশে ক'লে, "নালাগে, নালাগে। ক'ত যায় আপুনি? একাপ চাহ হ'লেই হ'ব মোৰ। বহক, বহক।"

"বহকচোন, বহক। এই যাম আৰু আহিম। পাঁচ মিনিটো নালাগে।"

সুৰেন ডেকা লৰালৰিকৈ ওলাই গ'ল। কোঠাটোত অস্বাভাৱিক নীৰৱতা। সময়ৰ সোঁত আগফালে গৈছে নে পিছফালে গৈছে ধৰিব নোৱাৰি।

মহেশে ক'লে, "পিছে কি খবৰ?"

"এই আছোঁ আৰু কি?"

"মই ইয়াত আছোঁ বুলি তুমি জনা নাছিলা নেকি?"

"জানিছিলোঁ।"

"খবৰ এটা নকৰিলা কিয়?"

"এনেয়ে।" অৰুণাৰ মাতত নিৰাসক্তি।

সুৰেন ডেকাই বহুত দেৰী কৰিছে। অৰুণা ভিতৰ ফালে গ'ল। মহেশ কোঠাত অকলে

বেকুবৰ নিচিনাকৈ বহি ৰ'ল। বেৰত বৰুবা আৰু বৰুবানীৰ একেলগে তোলা ডাঙৰ ফটো এখন। দুয়ো কাঠৰ চকীত ওচৰা-উচৰিকৈ বহি গম্ভীৰভাৱে স্থিৰ দৃষ্টিৰে সমুখৰ ফালে চাই আছে। মুৰ দাঙিলেই চকুত পৰে। সময়ৰ সোঁত বৈ আছে। আগফালে নে পিছফালে ধৰিব নোৱাৰি।

"নির্লজ্জ নির্লজ্জ। ভাত মুঠিৰ কাৰণে লোকৰ ঘৰত চাকৰৰ নিচিনা পৰি আছ। লাজ নাই তোৰ। মাখনৰ মিঠাইৰ দোকানত কাম কৰি পঢ়িব নোৱাৰ?" সর্বনাশী যুক্তি। অৰুণাৰ কথা শুনি বাহাদুৰি দেখুৱাব যোৱাহেঁতেন আজি মহেশ ক'ত থাকিলহেঁতেন?

হঠাতে অৰুণাই দুৱাৰ মুখত থিয় হৈ মাত দিলে, "মহেশ।" তৎক্ষণাৎ মহেশ কলিতা চকীৰপৰা উঠি থিয় হ'ল। আগৰ দিনৰ মহেশ। মহিম বৰুৱাৰ ঘৰত ভাত মুঠিৰ কাৰণে সন্ত্ৰস্ত হৈ থকা মহেশ কলিতা। জীৱনত উন্নতি কৰিব লাগিব। গাৱঁৰ মানুহৰ মুখৰ ইতিকিঙৰ হাঁহি মচি দি মনত ঈর্ষাৰ জুই জ্বলাই দিব লাগিব।

"বহা। উঠিলা কিয়? চাহ কাপ খাই যোৱা।" অৰুণাই মহেশৰ সমুখত সুদা চাহ একাপ থ'লে।

হন্ত দন্ত হৈ সুৰেন ডেকা সোমাই আহিল। হাতত টোপোলা এটা।

"ইচ ৰাম। দেৰী হৈ গ'ল। গজেনৰ পাল্লাত পৰিলে আৰু ৰক্ষা আছেনে? ৰ'ব, ৰ'ব। বেলেগ এক কাপ চাহ দিব। ৰ'ব। হেৰা, লোৱা এইখিনি। মোকো এক কাপ চাহ দিবা।"

সুৰেন ডেকাই মহেশক দুৱাৰ মুখত গাড়ীত তুলি দি ক'লে, "আহিব। মাজে মাজে আহি থাকিব। এনেয়ে হ'লে নকলোঁ হয়। আমাৰ নিচিনা মানুহৰ ঘৰত আপোনাক আহিবলৈ নকলোঁৱেই হয়। অৰুণাৰ লগত, মানে অৰুণাইতৰ লগত আপোনাৰ সম্বন্ধ বেলেগ। নিজৰ মানুহেই ধৰকচোন, আপোন মানুহ। আহিব, আহি থাকিব।"

আহিব বুলি ক'লেই সদায় আহি থাকিব নোৱাৰি। বহুতো প্রতিবন্ধক।

গাড়ীখন নলৈ খোজ কাঢ়িয়েই মহেশ কলিতা সুৰেন ডেকাৰ ঘৰ পালেহি। গধূলি সময়। খোজ কাঢ়ি বেছ ভাল লাগিছে। দুৱাৰত টুকুৰিয়াবলৈ গৈ বৈ যাব লগা হ'ল। ঠিক সমুখতে বহা কোঠা। সোঁহাতে অৰুণাইতৰ শোৱা কোঠালি। কথাখিনি স্পষ্ট শুনা পায়।

"মাৰক মাৰি পেলাওক।" অৰুণাৰ মাতত প্রত্যাহ্বান।

"কোৱা তেনেহ'লে। নোকোৱা কিয়, নোকোৱা কিয়?"

"কি ক'ব লাগে?"

"আচল কথা। সঁচা কথা যিটো তাকেই কোৱা।"

"শুনিব সঁচা কথা? হয়, মই তাক ভাল পাওঁ। আগতেও পাইছিলোঁ, এতিয়াও পাওঁ আৰু ভৱিষ্যতেও যে মোৰ ভালপোৱা নাইকিয়া হ'ব তাৰো কোনো সম্ভাৱনা নাই।"

অৰুণাক বৰ অসহায় অসহায় যেন বোধ হ'ল। কাৰ প্ৰেমৰ বন্ধনত অৰুণাই এনেকৈ শ্বাসৰুদ্ধ অৱস্থাত বন্দী হৈ আছে যে ভৱিষ্যতেও তাইৰ মুক্তি নাই?

"চাই আছে কিয়? শুনিলেতো। মাৰক এতিয়া। মাৰিয়েই পেলাওক।"

অৰুণাই কাতৰ প্ৰাৰ্থনা জনাইছে তাইক মাৰি পেলাব লাগে, যেন মৃত্যু নহ'লে তাইৰ মুক্তি নাই।

এটা বৰ অস্বস্তিকৰ পৰিস্থিতি। কোনোবাই দেখাৰ আগতে পলাই যাব পাৰিলে ৰক্ষা। মহেশে বাৰাণ্ডাৰপৰা নামি আহিল। ইফালে-সিফালে চালে। পলাব নোৱাৰিলে। কাম কৰা ল'ৰাজন জপনাখন খুলি সোমাই আহিল। দেখা পালেই।

মহেশৰ মাতটো ওলাবই নোখোজে। চিঞৰটো আৰ্তনাদৰ নিচিনাকৈ ওলাই আহিল।

"ডেকা, হেৰি ডেকা, ঘৰত আছেনে?"

সাউৎকৰে সুৰেন ডেকা বাহিৰলৈ আহিল। গোটেই মুখখনতে হাঁহি।

"আৰে, কলিতা চাহাব দেখোন। আহক, আহক। ইমান দিনৰ মূৰত গৰীবৰ কথা মনত পৰিল। অৰু, অৰু, বেগাই ওলাই আহা। কোন আহিছে চোৱাহি।"

সুৰেন ডেকা খুব উৎফুল্ল। কথাই কথাই হাঁহি। যেন এটা উৎসৱ মুখ খুলি গৈছে। চেষ্টা কৰিও হাঁহিখিনি বন্ধ কৰিব পৰা নাই।

খুব ব্যস্ত হৈ পৰিল।

"বহক, বহক। আপোনাৰ লগতনো আৰু কিহৰ লৌকিকতা? নহয় জানো? মোৰ অলপ ওলাব লগা আছে। আপুনি বহকচোন। অৰুণা আছে। কথা পাতক। মই আহোঁগৈ।"

সুৰেন ডেকা ব্যস্তসমস্তভাৱে ওলাই গ'ল। কাম কৰা ল'ৰাজনকো মাতি ল'লে। "এই পবিন, আহচোন মোৰ লগত। অলপ বস্তু কিনি দিম, লৈ আহিবি।"

মহেশে অৰুণাক ক'লে, "পিছে, কি খবৰ?"

"এই, আছোঁ আৰু কি?"

অৰুণাৰ মুখখনত বুজিব নোৱাৰা ভাব। চুপচাপ বহি অৰুণাৰ কপালৰ কটা দাগটো দেখি নুসুধিম বুলি ভাবিও মহেশে হঠাতে সুধিলে, "কপালত কি হ'ল? পৰিলা নেকি?"

অৰুণাই কপালৰ দাগটো লাহেকৈ চুই চালে। "অ' এইটো? কলঙ্কৰ কালিমা বুলিও ধৰিব পাৰি, জয়ৰ ৰাজতিলক বুলিও ধৰিব পাৰি।"

মহেশৰ বুকুখন টিপটিপাব ধৰিলে।

"অৰ্থাৎ?"

"অৰ্থাৎ একো নাই।"

"কিয় ক'লা?"

"এনেয়ে।"

আচৰণটো শোভনীয় নহয়, সঙ্গতো নহয়। মহেশে অৰুণাৰ কটা দাগটো হাতেৰে চুই চালে। বুঢ়া আঙুলিটো দাগটোৰ ওপৰত অলপ বৈ গ'ল। অৰুণাই চকু মুদি আছিল, একো নামাতিলে।

হাতখন অৰুণাৰ কপালত অনন্তকাল ৰাখিব নোৱাৰি। লাহেকৈ গুচাই আনিলে। অৰুণাই চকু মেলি দিলে।

"যাওঁ। তোমাক চাহ একাপ দিওঁ।"

মহেশে ক'লে, "নালাগে চাহ। বহা।" আকৌ নীৰৱতা। দুয়োৱেই বহি আছে। অৰুণাই সোঁহাতৰ বুঢ়া আঙুলিটিৰে ওঁঠৰ তলডোখৰ লাহে লাহে খজুৱাই আছে।

"তোমাৰ আঙুলিত কি হ'ল?"

"ক'ত?"

অৰুণাই আঙুলিটো চাই ক'লে।

"একো নহয়। তৰকাৰী কাটোতে কাটিছে।"

"চাওঁ।"

অৰুণাই হাতখন আগবঢ়াই দিলে। মহেশে হাতখন ধৰি থাকিল। অৰুণাই বাধা নিদিলে।

মহেশৰ চেতনা লাহে লাহে আচ্ছন্ন হৈ আহিল। অতীত, বৰ্তমান, ভৱিষ্যৎ, সকলোৰেপৰা তেওঁ যেন ছিটিকি বাহিৰ হৈ আহিল। সময়ৰ সোঁত বৈ আছে। আগফালে নে পিছফালে ধৰিব নোৱাৰি।

মহেশে অৰুণাৰ হাতখন টানি আৰু কাষলৈ লৈ আনিব খুজিলে।

চক খাই অৰুণাই জাপ মাৰি থিয় হৈ উঠিল। হয়তো এতিয়াই চিঞৰি উঠিব, দূৰ দূৰ কৰি কলিতাক খেদি দিব। মহেশ কলিতাই থতমত খাই বিমূঢ়ভাৱে বহি থাকিল। অৰুণাই একোকে নকৰিলে। হঠাতে অদ্ভুত শব্দ কৰি হাঁহি উঠিল।

"কি হ'ল?"

"নাই হোৱা একো। এটা কথা ক'বৰ মন গৈছিল। আইতাই প্ৰায়েই কৈছিল।"

"কি কথা?"

"নাই। মনত থকা সকলো কথা জানো মুখ ফুটাই ক'ব পাৰি বা কোৱা উচিত?"

"তথাপি কোৱাচোন।" মহেশৰ সমস্ত সত্তা তৃষ্ণাত ছটফট কৰি উঠিল।

অৰুণাই খুব ধুনীয়াকৈ হাঁহি এটা মাৰি ক'লে, "কুকুৰক লাই দিলে মূৰত উঠে।"

# খিৰিকীখন নুখুলিবা

খিৰিকীখন কোনে বন্ধ কৰিছিল? মাই? দেউতাই? হঠাতে অপ্ৰত্যাশিত আৰু অশোভন দৃশ্য এটা চকুত পৰাত খণ্ডতে উন্মত্ত হৈ ধুমকৈ খিৰিকীখন বন্ধ কৰি দিছিল। হয়তো মুখামুখিকৈ প্ৰত্যাহ্বান কৰি এটা দৃশ্যৰ অৱতাৰণা কৰাৰ সহজাত সংকোচ এটাও আছিল। অথবা জয়ন্তই? কাণ্ড দেখি হতবুদ্ধি হৈ খিৰিকীখনকেই জপাই দিছিল। পুতুলো তো হ'ব পাৰে। মালাৰ নহয় লাজ-লজ্জা, ভয়-সংকোচ, হিতাহিত জ্ঞান লোপ পাইছে, কিন্তু দেখোঁতাৰ তো লাজ আছে। খোলা খিৰিকীখনেদি এই দৃশ্য আৰু বা কাৰ চকুত পৰে, কি ঠিক। ৰাম, ৰাম, ৰাম। কি সাংঘাতিক কথা। খিৰিকীখন বন্ধ কৰি দিয়াই ভাল। বাৰু, বতাহ নহয় তো? বতাহতো তো বন্ধ হ'ব পাৰে। বতাহ আছিল জানো? নাই তো। বতাহ নাছিল তো। কিয় নাথাকিব? বেছ বতাহ আছিল। ধেৎতেৰি।

মালাই ঘূৰি ঘূৰি বাৰে বাৰে আহি নিজেই আকৌ বন্ধ খিৰিকীখন খুলি দিয়ে। নাই, নোখোলোঁ। নাই নোখোলোঁ। দাঁতত দাঁত চেপি মালাই নিজকে সংযত কৰাৰ চেষ্টা কৰে। কিন্তু তেওঁৰ ইচ্ছাশক্তিতকৈ প্ৰবলতৰ আৱেগ এটাই তেওঁক খিৰিকীখনৰ কাষলৈ টানি লৈ যায়। আৱেগটো মনৰ গোপন চুকত লাহে লাহে মূৰ দাঙি উঠে, সিৰসিৰকৈ হাতখন বগাই আগবাঢ়ি যায়। ক্ৰমাৎ তাৰ গতিবেগ বাঢ়ি যায়। শেষ পৰ্যন্ত এই আৱেগটো উৰ্দ্ধশ্বাসে আঙুলিৰ মূৰলৈকে লৰি আহে। তাৰ পিছতেই আৰু চিন্তা-ভাৱনাৰ কোনো অৱকাশ নাই। মালাই টান মাৰি খিৰিকীখন খুলি দিয়ে আৰু কোঠালিৰ ভিতৰলৈ চাই পঠিয়ায়। লগে লগে চক খাই চকু বন্ধ কৰি ধুমকৈ খিৰিকীখন আকৌ বন্ধ কৰি দিয়ে।

তৃপ্তি নাই, শান্তি নাই। বিৰক্তি দেহত, বিৰক্তি মনত। আকণ্ঠ বিতৃষ্ণা লৈ পবিত্ৰ বিছনাৰপৰা নামি গ'ল। মালা শিলৰ দৰে নিশ্চলভাৱে বিছনাতেই পৰি থাকিল। বাউসিটোৱে চকু দুটা ঢাকি ৰাখিছে। ক্ষীণ পোহৰত মুখখন ভালকৈ দেখা নাযায়। কিন্তু মালাৰ মুখত ফুটি উঠা নীৰৱ যন্ত্ৰণাৰ চিনটো যে এতিয়াও মাৰ যোৱা নাই, পবিত্ৰৰ পক্ষে সেইটো কল্পনা কৰি লোৱাটো একো টান কথা নহয়।

বিয়াৰ আজি তিনি বছৰেই হ'ল। ইতিমধ্যে পাৰ হৈ গ'ল অনেক প্ৰশ্ন, অনেক তৰ্ক। খং আৰু অভিমানৰ অজস্ৰ দৃশ্য, অনুমান আৰু অভিযোগৰ অসংখ্য পুনৰাবৃত্তি। সকলোবোৰেই লাহে লাহে যান্ত্ৰিক হৈ পৰিছে। জীৱনটো ব্যৰ্থ হ'ল বুলি বিলাস কৰাৰ দুৰ্বলতা কাষ চাপি আহি আছে। এক অনন্ত সংগ্ৰামত লিপ্ত হৈ পবিত্ৰ ভাগৰি পৰিছে। জীৱনৰ লগত আপোচ

কৰাৰ প্ৰেৰণাই অনুভূতিৰ তীব্ৰতা হ্ৰাস কৰি আনি আছে।

"মালাই অইন কাৰোবাক ভাল পায়" এতিয়া আৰু এই সম্ভাৱনাৰ কথা চিন্তা কৰাৰ লগে লগে মুহূৰ্ততে পৃথিৱীখন গুড়ি গুড়ি হৈ ধ্বংসস্তূপত পৰিণত নহয়। বৰং অৱচেতন মনত পবিত্ৰই নিজৰ অপূৰ্ণতাৰ সংকেত এটা শুনাৰ কাৰণে কাণ পাতি ৰয়। অজ্ঞাতসাৰে অলপ সংকোচবোধ কৰে। ভাবটোক ঠিক হাতেৰে মুঠি মাৰি ধৰিব নোৱাৰি। ছুব পৰা-নোৱাৰা এনেকুৱা দূৰত্বত থাকি যেন অহা-যোৱা কৰি থাকে। মালাৰ আনুমানিক প্ৰেমৰ তীব্ৰতাৰ কথা চিন্তা কৰাৰ লগে লগে বহুতো কথাই আজিকালি মনত পৰে।

ৰেবা। বৰ ধুনীয়া ছোৱালী, বেছ সপ্ৰতিভ। ঠাট্টা তামচাও কৰা হৈছিল, কেতিয়াবা কাজিয়াও লাগি গৈছিল। প্ৰেমত পৰাৰ কথা কেতিয়াও মনলৈ অহা নাছিল। ৰেবাৰ বিয়া ঠিক হৈ যোৱাৰ পিছতো পবিত্ৰই সমানে জোকাই আছিল।

"কেতিয়াও নোৱাৰ।"

"পাৰিম।"

"নোৱাৰ।"

"পাৰিম।"

"বাজী মাৰা।"

ৰেবাই পবিত্ৰৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিলে। বিয়াৰ এমাহৰ ভিতৰতে তেওঁ দৰাৰ সুপুষ্ট গোঁফকোছা নিৰ্মূল কৰিহে এৰিব।

ৰেখাৰ বিয়া হৈ যোৱাৰ পিছত কিন্তু পবিত্ৰৰ বুকুখন কিবা খালী খালী হোৱা যেন বোধ হৈছিল। এইটোৱেই কি প্ৰেম?

শুভ্ৰা। হাতত এমুঠি ফাকু লৈ পবিত্ৰৰ ফালে অহা দেখি তেওঁ শাসন কৰি দিলে, "নিদিবা কিন্তু, ভাল নহ'ব।"

সঁচাই শাসন নে? নিমন্ত্ৰণো তো হ'ব পাৰে। অথবা মনৰ ইচ্ছা এটাক কাৰ্যকৰী কৰাৰ কৈফিয়ৎ নহয় বুলিয়েই বা ডাঠি ক'ব পাৰি জানো? শুভ্ৰাই অৱশ্যে মনা নাছিল। অতএৱ এই অজুহাতত....। বাৰু থাকক। কিন্তু সকলো ঘটনাই তো ছায়ামূৰ্তিৰ দৰে ক'ৰবাত হেৰাই গ'ল। পবিত্ৰৰ প্ৰেম কি তেনেহ'লে কেৱল মনৰ বিলাস? ছায়াৰ কম্পন?

মালাৰো টোপনি নাহে। পবিত্ৰৰ কথা ভাবি দুখ লাগে। নিজৰ অক্ষমতাৰ কথা ভাবি মৰি যাবৰ মন যায়। কিন্তু কি কৰিব তেওঁ? কোনোবাই টানি আজুৰি বাৰে বাৰে তেওঁক খিৰিকীখনৰ কাষলৈ টানি লৈ যায়। খিৰিকীখন কোনে বন্ধ কৰিছিল? মাই? দেউতাই? অথবা জয়ন্তই? পুতুলো তো হ'ব পাৰে। কি দেখিছিল? খিৰিকীখন খুলি দৰ্শকৰ ভূমিকা লৈ মালাই নিজেই সেই দৃশ্য দেখাৰ চেষ্টা কৰে। লগে লগে চক খাই উঠি লাজতে চকু বন্ধ কৰি দিয়ে।

জীৱনৰ অনুক্ৰম বোলছবিৰ ফিটাৰ দৰে নহয় কিয়? অনাকাঙ্ক্ষিত অংশ এটুকুৰা কাটি বাদ দি পুনৰ লগ লগাই দিব নোৱাৰি কিয়? কোনো ঘটনাই কিয় হেৰাই নাযায়, কোনো দৃশ্যই কিয় মচ খাই নাযায়?

মালাহঁতৰ খটখটিত ভৰি দিয়াৰ লগে লগে কোনোবাই দীঘলকৈ সুহুৰি এটা মাৰি দিলে। মনমোহন চৌধুৰীয়ে মুখ ঘূৰাই কাকো দেখা নাপালে। ঠিক বুজি পালে, ৰবি, দুলাল ইহঁতৰে কোনোবা এজন হ'ব। খং কৰি লাভ নাই। ইহঁতে নাৰী আৰু পুৰুষৰ মাজত এটা মাত্র সম্বন্ধৰ কথাহে জানে। ইয়ো এক ধৰণৰ ব্যাধিগ্রস্ত মন। এক ধৰণৰ মানসিক বিকৃতি। যৌন চিন্তাই সমস্ত সত্তাক আচ্ছন্ন কৰি ৰাখিছে। ইফালে কোনো ছোৱালীৰ লগতেই সহজ আৰু স্বাভাৱিকভাৱে মিলিব নোৱাৰে, চকুৰ ফালে চাই সহজভাৱে কথা এষাৰ পাতিব নোৱাৰে। ৰুগ্ন মন, ৰুগ্ন চিন্তা। মনমোহনৰ খঙো উঠে, দুখো লাগে।

মালাৰ দেউতাক ৰজনী বৰুৱালৈকো বেনামী চিঠি দিছে ইহঁতেই। অবিশ্বাস্য ধৰণৰ অশ্লীল ভাব আৰু ভাষাৰ প্রকাশ। অর্থাৎ নিজৰ ৰুগ্ন মনৰ বিকৃত প্রতিফলন। মালা আৰু মনমোহনক লগ লগাই জঘন্য কল্পনাৰ পাশৱিক উল্লাস। মালাৰ দেউতাক ৰজনী বৰুৱা গহীন প্রকৃতিৰ মানুহ। এই বিষয়ে তেওঁ কাকো একো কোৱা নাই। কিন্তু চিঠিৰ নকল মনমোহনকো দিয়া হৈছে। হঠাতে এনেকুৱা চিঠি এখন পাই মনমোহন হতবুদ্ধি হৈ পৰিছিল। এটা মানী আৰু ভদ্র পৰিয়ালৰ মান-সন্মান, মঙ্গল-অমঙ্গলৰ কথা। প্রথমতে মালাহঁতৰ ঘৰলৈ অহা-যোৱা বাদ দিয়াৰ কথাই চিন্তা কৰিছিল। লগে লগেই মত পৰিবর্তন কৰি পেলালে। এই ইতৰ কেইটাৰ কথাক গুৰুত্ব দিয়া মানে হ'ল সিহঁতক প্রশ্রয় দিয়া। মালাহঁতৰ ঘৰৰ খটখটিত ভৰি দিয়াৰ লগে লগেই সুতীক্ষ্ণ সুহুৰি এটা শুনি তেওঁ তৎক্ষণাৎ ঘূৰি চালে। কাকো দেখা নাপালে।

মালাহঁতৰ ঘৰখনত সৰুৰেপৰাই ইমান স্বচ্ছন্দ অহা-যোৱা যে কথাটো কাৰো চকুতেই নপৰে। মনমোহন সৰু আছিল, ডাঙৰ হ'ল। মালা আৰু সৰু আছিল, তায়ো ডাঙৰ হ'ল। ৰজনী বৰুৱাৰ দাঁতকেইটা যদিও ঠিকেই আছে, মূৰৰ চুলি গোটেইখিনিয়েই পকিল। খুৰীদেউৰ সমুখৰ দাঁত দুটা সৰিলেই। মালাহঁতৰ ঘৰলৈ মনমোহনৰ অহা-যোৱা আজিৰ নহয়। আকস্মিকভাৱে গঢ়ি উঠা সম্বন্ধ নহয়। পৰিয়ালটোৰ লগত মনমোহনৰ সম্বন্ধ গঢ়ি উঠিছে পৰস্পৰ মঙ্গল কামনাৰ সুদৃঢ় ভেটিত। লৌকিকতাৰ প্রশ্ন নাই।

"এই মালা, শুনাচোন।"

মালা সাজিকাচি ক'ৰবালৈ যাবলৈ ওলাইছিল। দুৱাৰমুখৰপৰাই ব্যস্তভাৱে কৈ দিলে, "এতিয়া একো শুনাৰ সময় নাই। পলম হ'ল?"

"ক'ত যোৱা?"

"পাৰুলৰ জন্মদিন। ইচ ৰাম, দেৰীয়েই হ'ল। থাব তাই মোক।"

ব্যস্তসমস্তভাৱে মালা ওলাই গ'ল।

"চাও, মালা। যোৱাচোন, সোনকালে চাহ একাপ কৰি আনা।"

মালাই খুব মনযোগ সহকাৰে মেজৰ ঢাকনিত ফুল তুলি আছিল। বিপন্নভাৱে মনমোহনৰ ফালে চালে।

"খাবা নেকি?"

"কি তেনেহ'লে? এনেয়ে কৈছোঁ নেকি? যোৱা, সোনকালে আনা। ৰবৰপৰা কেতিয়াবাই

ওলাইছোঁ, ভাটিবেলাৰ চাহকাপ খোৱা নাই।"

মালাই এঙামুৰি দি চকীৰপৰা উঠি থিয় দিলে।

"এই ফুলটো আজি শেষ কৰিম বুলি ভাবিছিলোঁ, নহ'ব। কি যে জুলুমখন লগোৱা।"

"হ'ব যোৱা, হ'ব যোৱা। পাইতাৰা মাৰিব নালাগে। সোনকালে চাহকাপ আনা। মোৰ ঘৰলৈ যোৱাৰ সময় নাই। ইয়াতেই চাহকাপ খাই ক্লাবলৈ যাওঁ।"

মনমোহনে এম. এ. পাছ কৰি আহিল। মালাই এইবাৰ লৈ দুবাৰ আই. এ. ফেল কৰিলে।

খুৰীদেউ, মালা, জয়ন্ত সকলোৰে আছিল। খুৰীদেৱে দুখ কৰিলে, "সৰু ভায়েকেটোৱে এইবাৰ বি. এ. পৰীক্ষা দিব। এইজনীয়ে যে কি কৰি আছে ক'বই পৰা নাই।"

মনমোহনে ঘপকৈ মাত লগালে, "মূৰত কিবা থাকিলেহে। পঢ়াই একো লাভ নাই। সোনকালে বিয়াখন পাতি আপদ গুচাব লাগে।"

মালা খঙতে তাৰপৰা উঠি গুচি গ'ল। জয়ন্তই অলপ হাঁহিলে। মাকে গম্ভীৰভাৱে ক'লে, "ঠিক কথাই কৈছা। ময়ো দেউতাকক সেই কথাই কৈ আছোঁ। দৰা পোৱাও মস্কিল নহয়।"

ওপৰ মহলাৰপৰা নামি দুৱাৰমুখ পোৱাৰ লগে লগে কঁকালটো কক্ককাই উঠিল মনমোহনৰ। ভাল ঘোচা এটা মাৰি দিছে মালাই। অলপ বেয়াকৈ লাগিছে কামিহাড়ৰ তলতে। থাপ মাৰি চুলিকোচা ধৰিবলৈ গৈয়ো পৰা ন'গল। মালা ইতিমধ্যে নিৰাপদ দূৰত্বলৈ গুচি গৈছে।

"আচ্ছা বাৰু, দেখা যাব।"

"ছোৱালীৰ বৰদেউতাক ওলাইছে এওঁ।"

"কি বেয়া কথা কৈছোঁ মই? ক্ৰমাগত আই. এ. ফেল কৰি থকাৰ কিবা মানে আছে?"

"যোৱা যোৱা। এম. এ. পাছ কৰি এওঁৰ বৰ ফুটনি হৈছে।"

পূজাত মালাহঁতৰ ঘৰত মোমায়েকৰ ল'ৰা সুৰেন ফুৰিবলৈ আহিছে। ককায়েক সুৰেন আৰু ভনীয়েক পুতুল আৰু তুতুল। সুৰেন মনমোহনৰ বয়সৰে হ'ব। পুতুল মালাৰ লগৰ। তুতুল মালাতকৈ দুবছৰমান সৰু। সুৰেনে কলিকতাৰপৰা এম. এ. পাছ কৰিছে। তাৰ প্ৰধান চখ ৰাজনীতি লৈ তৰ্ক কৰা। প্ৰথম দিনাই মনমোহনৰ লগত জমি গ'ল। তৰ্ক আৰম্ভ হ'লে সময়ৰ জ্ঞান নাথাকে। মালাহঁতে পাত্তা নাপায়। মালাই জোৰকৈ কেৰম ব'ৰ্ডখন লৈ আনিলে। এফালে মনমোহন আৰু সুৰেন, অইন ফালে মালা আৰু পুতুল। খেল অলপ পিছতেই ভাগি গ'ল।

মালাই চিঞৰি উঠিলে।

"দুটা ক'লা গুটি ইফালে আছিল, কি হ'ল?"

মনমোহনে গম্ভীৰভাৱে ক'লে, "ক'ত আছিল, কি ক'লা গুটি?"

"এই ইয়াতে। তুমি হাতেৰে ঠেলি পেলাই দিছা।"

মনমোহনে গেৰগেৰাই উঠিল, "মিছা কথা নকবা।"

"নেখেলোঁ আমি এনেকুৱা বেইমানী কৰিলে।"

"নালাগে যোৱা।"

মনমোহন আৰু সুৰেন দুয়ো আকৌ তৰ্কত মত্ত হৈ পৰিল।

মনমোহনে বাৰু কিয় ভাৰসাম্য হেৰুৱালে? আগৰেপৰাই অভিসন্ধি কিবা এটা থকা হ'লে অৰ্থ এটা কৰিব পাৰি। নে মনৰ আচল চেহেৰাটো ইমানদিনে নিজৰ আগতো লুকুৱাই ৰাখিছিল। সংযম, বিচাৰ-বুদ্ধি, ফু-তে উৰি গ'ল। মালা? মালাৰ কথাই বা কি? মালাইঁতৰ খটখটিত ভৰি দিয়াৰ লগে লগে ৰবি আৰু দুলালইঁতে সিফালৰপৰা সুহুৰি মাৰি উঠিছিল। চূড়ান্ত অসভ্যালি সন্দেহ নাই। কিন্তু....।

সঁচাই ধুনীয়া ছোৱালী মালা। দবাৰ মাকৰ ছোৱালী চাই খুব পছন্দ। সকলোৰে আগতেই কৈ দিলে, "এই ছোৱালীক মই নিমেই।" বিয়াখন হ'ব বুলিয়েই ধৰা হৈছিল। পিছে দবাই নিজেই আপত্তি কৰিছে। দুবাৰ আই. এ. ফেল কৰিছে। তাৰমানে মূৰত একো নাই—গোবৰ। এনেকুৱা গাধী এজনীক বিয়া কৰাব নোৱাৰি। গাত পৰি খবৰটো দি গ'ল মালাৰ সম্বন্ধীয়া বাইদেৱেকে। তেওঁ দবাৰো সম্বন্ধীয়া নবৌৱেক। আবেলি আহি বহন সনাই মালাৰ মাকক খবৰটো শুনাই গ'ল। মাকে অইন একো কৰিব নোৱাৰি মালাক গালি পাৰিলে। ঠিক মালাকো নহয়, নিজৰ অদৃষ্টক দোষ দি আক্ষেপ কৰিলে। মালাই মনত বৰ দুখ পালে। নিজৰ প্ৰতি এটা ধিক্কাৰ আহিল। কোনোপধ্যে সাজিকাচি তেওঁ পূজা চাবলৈ নোলাল। গালি পাৰি মাকৰ মনটোও বেয়া লাগি আছিল। তেঁৱো তোষামোদ কৰিলে। মালাক দোষ দিয়া নাই বুলি বাৰে বাৰে ক'লে। শেষ পৰ্যন্ত খং কৰি বাকীবোৰক জোৰকৈ পঠিয়াই দিলে।

গধূলি ৰজনী বৰুৱাও ওলাই যায়। নৈৰ পাৰেদি সান্ধ্য ভ্ৰমণ শেষ কৰি কোনোবাদিনা মহন্তৰ ঘৰতেই অলপ বহে। দুই এষাৰ কথা পাতি ঘৰলৈ উভতি অহাত সদায় অলপ পলম হয়।

ঘৰৰ আগফালৰ দুৱাৰ বন্ধ আছিল। ঘূৰি গৈ কাষতে আঁৰবেৰত লগোৱা টিনপাতৰ দুৱাৰখন খুলি মনমোহন পোনে-পোনে ভিতৰ চোতাললৈ সোমাই গ'ল। খুৰীদেৱেকে পাক ঘৰত কাম কৰি আছিল। সুধিলে,

"ইহঁত গ'ল নেকি পূজা চাবলৈ?"

"বাকীবোৰ গ'ল। অকল মালাহে নগ'ল।"

অভিযোগৰ সুৰতেই তেওঁ ক'লে। মালাৰ ওপৰত খং মাৰ যোৱা নাই।

"তাই নগ'ল কিয়? কিবা হৈছে নেকি? ক'ত তাই?"

"ক'ত আৰু থাকিব? শুই আছে বোধহয়।"

"শুই আছে? কিয়? গা অসুখ নেকি?"

"ক'ব নোৱাৰোঁ।"

ওলাই যাবলৈ গৈয়ো মনমোহন দুৱাৰমুখৰপৰা আকৌ ঘূৰি আহিল। কিবা এটা হৈছে নিশ্চয়। খবৰ এটা লৈয়েই যাওঁ। খটখটিৰে ওপৰলৈ উঠি গ'ল।

কোঠালিটো এন্ধাৰ হৈ আছিল। মনমোহনে চুইচ টিপি লাইটটো জ্বলাই দিলে। মনমোহনক

সোমোৱা বুলি জানিও মালা মুখ ঘূৰাই শুই থাকিল।

"পূজা চাবলৈ নগ'লা?"

নিৰৰ্থক প্ৰশ্ন। মালায়ো একো উত্তৰ নিদিলে।

"গা অসুখ নেকি?"

তথাপি উত্তৰ নাই।

মনমোহনে কপালত হাত দি চালে। মালাই সামান্যভাৱে উচুপি উঠিল। হীনম্মন্যতাবোধ এটাই তেওঁক উগ্ৰভাৱে সজাগ আৰু স্পৰ্শকাতৰ কৰি ৰাখিছিল। পৃথিৱীৰ ক'তো কাৰোপৰাই অকণ মৰম আৰু সহানুভূতি পোৱাৰ অধিকাৰ তেওঁৰ নাই, যোগ্যও নহয়। আত্মনিগ্ৰহৰ বিলাস এটাত তেওঁ বুৰ গৈ আছিল। মনমোহনৰ সামান্য স্পৰ্শ পাই তেওঁৰ বুকুখনক হেঁচামাৰি ধৰি থকা বৰফখিনি গলি গলি পানী হৈ দুয়ো চকুৰে ওলাই আহিল। মনমোহনেও হঠাতে উপলব্ধি কৰিলে যে এই মালা নামৰ ছোৱালীজনী সঁচাই বৰ ধুনীয়া, অতিপাত মৰম লগা। তেওঁক মৰম কৰাটো যেন এটা গৌৰৱ। বহু যুগৰ সাধনাৰ ফল। এই মৰমৰ প্ৰকৃতি কিন্তু বেলেগ। বুকুখন টনটনাই উঠে। ডিঙিত কিহবাই সোপামাৰি ধৰে।

"চাওঁ, কোবাচোন কি হৈছে।" মালাই মুখখন আৰু বেছিকৈ ঘূৰাই ল'লে। গাৰুত মুখখন গোঁজা মাৰি দি কটমটকৈ গাৰুটোকে সাবটি ধৰিলে।

মনমোহনে মালাৰ মুখখন ঘূৰাই অনাৰ চেষ্টা কৰিলে। দেখাত ক্ষীণ হ'লেও কি হ'ব? যথেষ্ট শক্তি আছে মালাৰ গাতো। হাতত ধৰি টান মাৰি বহুৱাই দিয়াত মালাই মুখখন লুকুৱাবৰ অইন একো উপায় নাপাই মনমোহনৰ বুকুতেই গোঁজা মাৰি লুকুৱাই পেলালে।

এটা ভাসমান মুহূৰ্ত। অতীত আৰু ভবিষ্যৎ লাহেকৈ বিচ্ছিন্ন হৈ পৰিল। এই মুহূৰ্তটো যেন অনন্তকালৰ কাৰণে বৈ গ'ল। এটা অনন্ত প্ৰসাৰী মুহূৰ্ত। আকৌ বিপৰীতভাৱে এই মুহূৰ্ত যেন হ'ল সময় আৰু ব্যাপ্তিৰ বাহিৰত ওপঙি থকা এটা নিৰালম্ব মুহূৰ্ত। মনমোহনৰ ওঁঠ দুখন স্বয়ংক্ৰিয়ভাৱে আগবাঢ়ি গ'ল। মালাৰ ওঁঠ দুখনো আগবাঢ়ি আহিল। এইটো যেন এটা প্ৰাকৃতিক নিয়ম। যুক্তি নাই, বুদ্ধি নাই, সজ্ঞান কোনো প্ৰচেষ্টাও নাই। ফল এটা মাটিত পৰে। ইয়াত ফলটোৰ চিন্তাৰ কোনো অৱকাশ নাই। একোতেই একো নহয়। অতীত আৰু ভবিষ্যতৰপৰা বিচ্ছিন্ন এটা মুহূৰ্ত। কোনো অনুশাসন, কোনো নীতি আৰু যুক্তি অতীতৰপৰা ঘাগৰি আহিব নোৱাৰে। কোনো প্ৰতিক্ৰিয়াই দেও দি গৈ ভৱিষ্যতক ভাৰাক্ৰান্ত কৰিব নোৱাৰে। মনমোহন আগবাঢ়ি গ'ল। মালাও আগবাঢ়ি আহিল। ৰাতি কি পুৱাল? কিমান দিন পাৰ হৈ গ'ল? কিমান বছৰ?

হঠাতে দুয়ো চক খাই উঠিল। ভাসমান মুহূৰ্তটো হঠাতে ভাগি গুৰি গুৰি হৈ পৰিল। অতীত আৰু ভবিষ্যতে আকৌ দুয়োফালৰপৰা হেঁচা মাৰি ধৰি এই মুহূৰ্তটোক নাইকিয়া কৰি পেলালে।

কোঠালিৰ খিৰিকী এখন খোলা আছিল। মনমোহন আৰু মালা কোনেও মন কৰা নাছিল। ধুমকৈ কোনোবাই খিৰিকীখন জপাই দিলে। মালাই দুয়োহাতে মনমোহনক ঠেলা মাৰি দিলে।

সামান্য এটা মৌলিক উপাদানৰ অভাৱ কিম্বা উপস্থিতিয়ে বস্তুৰ ৰূপ সম্পূৰ্ণভাৱে সলনি কৰি দিব পাৰে। ভাল-বেয়াৰ সীমাৰেখা অতি সূক্ষ্ম। ক'বলৈ গ'লে অদৃশ্য। দুই সংখ্যাটোৰ বৰ্গমূলৰ দৰে। যি কোনো সংখ্যা যাৰ বৰ্গ দুইতকৈ ডাঙৰ দক্ষিণৰ ঘৰত থাকিব আৰু যাৰ বৰ্গ দুইতকৈ সৰু বাওঁফালৰ ঘৰত থাকিব। অকৰণীগত কোনো সংখ্যা বিচাৰি নাপাওঁ যাৰ বৰ্গ দুইৰ সমান।

খিৰিকী বন্ধ কৰাৰ শব্দটো মালাৰ চেতনাত মিহলি হৈ মনমোহনক প্ৰেমিকৰপৰা তৎক্ষণাৎ লম্পটত ৰূপান্তৰিত কৰি পেলালে। শিয়ঁৰি উঠি মনমোহনক দুয়ো হাতে ঠেলা মাৰি মালাই আঁতৰি যাবলৈ চেষ্টা কৰিলে। ভীত, শংকিত, উদভ্ৰান্ত দৃষ্টিৰে তেওঁ মনমোহনৰ ফালে চালে। আতংকত তাইৰ চকুহাল বিস্ফাৰিত হৈ উঠিল। মনমোহনে কিবা ক'বলৈ গৈয়ো একো ক'ব নোৱাৰিলে। মালাই একো শুনাও নাপাব, বুজিও নাপাব। বৰং কিবা ক'বলৈ চেষ্টা কৰিলে উচ্চস্বৰে চিঞৰি উঠিব। মালাৰ চকুৰ ফালে এবাৰ মাত্ৰ চায়েই তলমূৰ কৰি মনমোহন কোঠালিৰপৰা ওলাই গ'ল।

# বহির্ভূত

আলস্য, অকল্পনীয় আলস্য। অৱসাদ বুলিও ক'ব পাৰি। আচলতে ৰবি চৌধুৰীয়ে সমস্যাৰ সন্মুখীন হ'বলৈ নিবিচাৰে। সকলো সমস্যা ভৱিষ্যতলৈ স্থগিত কৰি ৰাখে। তেওঁ আশা কৰে যে স্বয়ংক্ৰিয়ভাৱে সমস্যাৰ কিবা এটা সমাধান ওলাই যাব। সেই কাৰণেই ৰবি চৌধুৰীয়ে একো এটা সিদ্ধান্ত ল'ব নোৱাৰে। গুৰুত্বপূৰ্ণ কাম, তৎক্ষণাৎ সম্পাদন কৰা উচিত; তথাপি তেওঁ কাইলৈ বাট চায়। হ'ব, হৈ যাব। এইটোৱেই ৰবি চৌধুৰীৰ জীৱন দৰ্শন।

কি কৰা উচিত বা অনুচিত সেই কথা তেওঁ যে বুজি নাপায় এনেকুৱাও নহয়। কিন্তু হৈ নুঠে, ভাবি থাকোঁতেই যায়। এক অৰ্থহীন জীৱন দৰ্শন।

প্ৰথম জীৱনত বন্ধু-বান্ধৱ বা আত্মীয়-স্বজন কোনোবাই জোৰকৈ ধৰিলে ৰবি চৌধুৰীয়ে এৰুৱাব নোৱাৰি জীৱন বীমা কৰিছিল। প্ৰিমিয়ামৰ প্ৰথম কিস্তিটো দিয়েই তাৰ পিছত আৰু নাই। হাতত পইচা নাই কাৰণে যে দিব নোৱাৰিছিল তেনেকুৱাও নহয়। হেলা বা ঔদাসীন্য। জীৱনক গভীৰভাৱে লোৱাৰ অনিচ্ছা বা অক্ষমতা। এনেকৈয়েই জীৱনটো গ'ল।

কোনো ঘটনাৰ সৈতে তেওঁ যেন জড়িত নহয়। কাৰোবাৰ কাম, কোনোবাই কৰিছে। তেওঁ এক নিৰ্লিপ্ত দৰ্শক। গতিকে এটা কামো সময়মতে হৈ নুঠে। তেওঁ বিয়া কৰালে পলমকৈ, থিতাপি লাগি কামত সোমালেও পলমকৈ। তেওঁতকৈ কম বয়সীয়া মানুহো তেওঁৰ পদতকৈ উচ্চখাপৰ পদত অধিষ্ঠিত আছিল। তেওঁৰ লগৰবোৰৰ ল'ৰা-ছোৱালীৰ যেতিয়া বিয়া-বাৰু হৈ গ'ল তেতিয়া তেওঁৰ ডাঙৰ ল'ৰা হাইস্কুলৰ ডেওনা পাৰ হোৱা নাই।

ৰবি চৌধুৰী তেওঁৰ সমনীয়াবোৰৰপৰা লাহে লাহে বিচ্ছিন্ন হৈ পৰিল। তেওঁলোকে জীৱনত সফলতা লাভ কৰিছে। আত্মপ্ৰত্যয় থকা মানুহ। তেওঁলোকৰপৰা অদৃশ্য সাফল্য তৰংগ বিচ্ছুৰিত হৈছে, আলোক তৰংগৰ দৰে। তেওঁলোকে গৌৰৱ আৰু সন্তুষ্টিৰে নিজৰ অতীতক পৰ্যবেক্ষণ কৰিব পাৰে। তেওঁলোকে ৰবি চৌধুৰীক কৰুণা কৰে। মানুহজনৰ কিছু গুণ নথকা নহয়, কিন্তু একো নহ'ল। অসফল মানুহক সকলোৱে উপেক্ষা কৰে।

ৰবি চৌধুৰীৰ লগৰীয়াবোৰৰ প্ৰত্যেকজনেই নিজ নিজ ক্ষেত্ৰত একো একোজন সফল মানুহ। এইহে জীৱন। জীৱনত কেনেকৈ সফলতা লাভ কৰিব পাৰি, সকলোৱে নাজানে। ইও এক ধৰণৰ কলা। প্ৰকৃতিদত্ত গুণ বুলিও ক'ব পাৰি। জ্ঞান, দক্ষতা, এইবোৰ প্ৰয়োজনীয় হ'লেও পৰ্যাপ্ত নহয়। অংক শাস্ত্ৰত কোৱাৰ দৰে, নেচেছাৰী বাট ন'ট ছাফিচিয়েন্ট। কোনো এক বিন্দুত ফলন এটা অৱকলনীয় হ'লে অবিচ্ছিন্ন হ'বই, কিন্তু অবিচ্ছিন্ন হ'লেই অৱকলনীয় নহ'বও

পাৰে।

এই প্ৰসংগত ৰবি চৌধুৰীৰ অধ্যাপক ফ্ৰেড্ৰিক লেভিৰ কথা মনত পৰে। দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ আগৰেপৰাই জাৰ্মানীত জু-সকলৰ অৱস্থা সংকটপূৰ্ণ হৈ পৰে। আইনষ্টাইনৰ দৰে বিশ্ববিখ্যাত বৈজ্ঞানিকো জাৰ্মানী এৰি আমেৰিকালৈ গুচি যাবলগীয়া হয়। কলিকতা বিশ্ববিদ্যালয়ৰ সৌভাগ্য যে বিশ্ববিদ্যালয়ে লেভিক বিমূৰ্ত গণিত বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে পাবলৈ সক্ষম হয়। জনা মানুহে লেভিক আধুনিক বীজগণিতৰ অন্যতম বাটকটীয়া বুলি স্বীকাৰ কৰে। অধ্যাপক লেভিয়ে পিছে সাধাৰণ শ্ৰেণীত পঢ়ুৱাব নোৱাৰিছিল। সাধাৰণ শ্ৰেণীৰ শিক্ষক হিচাপে তেওঁ সম্পূৰ্ণ অসফল। ৰবি চৌধুৰীয়ে পঞ্চম বাৰ্ষিক শ্ৰেণীত (আজিকালিৰ প্ৰিভিয়াছ ক্লাছ) পঢ়ি থাকোঁতে এদিনা তেওঁ ক্লাছ ল'বলৈ আহিছিল। অতি কষ্টদায়ক দৃশ্য। মানুহজনৰ ফালে চাব নোৱাৰা অৱস্থা। তপামূৰা বিৰাট মানুহ। ঘামি জামি অস্থিৰ। গোটেই মূৰটোত ঘামৰ টোপালবোৰ বিৰিঙি উঠিল। তেতিয়াৰ দিনত ব'ৰ্ড মচাৰ কাৰণে এৰোখন টাৱেল দিছিল। ইমানবোৰ ছাত্ৰৰ শূন্যদৃষ্টি লক্ষ্য কৰি তেওঁ বোধহয় বৰ অসহায় বোধ কৰিলে। একো ক'ব নোৱাৰা হৈ তেওঁ মেজৰপৰা টাৱেলখন লৈ ভালকৈ মূৰ আৰু মুখখন মোহাৰি ল'লে। গোটেই মুখত চকৰ গুৰি। অতি কষ্টদায়ক দৃশ্য। ক্লাছৰপৰা ওলাই গ'লেই স্বস্তি। তাৰ মানে পাঠ্য বিষয়ৰ অগাধ জ্ঞান থাকিলেই সাৰ্থক শিক্ষক হ'ব নোৱাৰি। অথচ বীজগণিতৰ সমস্যাৰ সমাধান বিচাৰি পৃথিৱীৰ বিভিন্ন প্ৰান্তৰপৰা আগ্ৰহী শিক্ষাৰ্থীয়ে তেওঁৰ পৰামৰ্শ আৰু নিৰ্দেশ বিচাৰি আহিছিল। অধ্যাপক লেভিয়ে দুখন বিশেষ অৰ্থাৎ স্পেচিয়েল পেপাৰ পঢ়ুৱাইছিল। বিষয়টো হ'ল আধুনিক বীজগণিত। ছাত্ৰই এইটো বিষয় নলৈছিলেই। ৰবি চৌধুৰীহঁতৰ দিনত একমাত্ৰ তামুলী আছিল অধ্যাপক লেভিৰ ছাত্ৰ।

গতিকে জীৱনত সফলতা লাভ কৰিবলৈ হ'লে অন্যান্য বহুতো গুণৰ প্ৰয়োজন। অধ্যাপক লেভি হেনো এক দুৰ্ভাগ্যজনক পৰিস্থিতিত বিশ্ববিদ্যালয়ৰপৰা বিদায় ল'বলগীয়া হৈছিল। তামুলীয়ে অকৃত্ৰিম শ্ৰদ্ধাৰ সৈতে অধ্যাপক লেভিৰ নাম উল্লেখ কৰিছিল। প্ৰাচীন ভাৰতত থকা ঋষিৰ দৰে মানুহ। অমৃক সিঙে তেওঁৰ প্ৰবন্ধ এটাত এটা সৰু প্ৰশ্ন উত্থাপন কৰিছিল। এজন প্ৰাৰ্থীৰ ক্ষেত্ৰত এখন বিশ্ববিদ্যালয়ৰ আগৰজন উপাচাৰ্যই তেওঁৰ পদোন্নতি হোৱাটো বিচৰা নাছিল, আৰু কিছুদিন পিছতেই অহা পৰৱৰ্তী উপাচাৰ্যই সেই একেজন প্ৰাৰ্থীৰ পদোন্নতি হোৱাটোকেই বিচাৰিছিল। কিন্তু বিজন বিশেষজ্ঞই দুয়োজন উপাচাৰ্যৰ সৈতে একমত হৈছিল তেওঁৰ বিষয়ে কি ক'ব? কি আৰু ক'ব? বিশেষজ্ঞজন দুয়োজন উপাচাৰ্যৰ প্ৰিয়পাত্ৰ হৈ থাকিল। অধ্যাপক লেভি পিছে গুচি যাবলগীয়া হ'ল।

(২)

এই লৈ কোনেও একো চিন্তা কৰা নাই; কোনো উদ্বেগ অনুভৱ কৰা নাই। গোটেই চিন্তা ৰবি চৌধুৰীৰ।

ডিচেম্বৰৰ ছয় তাৰিখে উন্মত্ত জনতাই বাবৰি মছজিদটো ভাঙি পেলালে। ভাঙিছে, ভাঙিছে।

কি হ'ল?

চৌধুৰী কিন্তু উদ্বিগ্ন হৈ পৰিল। ইটো মাত্ৰ এটা পকী ঘৰত আঘাত কৰা নহয়, এক বিশেষ সম্প্ৰদায়ৰ মানুহৰ মনত নিৰাপদে থকা বুলি ভৱা বিশ্বাসত প্ৰচণ্ড আঘাত। ইয়াৰ সুদূৰপ্ৰসাৰী ফলাফলৰ কথা চিন্তা কৰি ৰবি চৌধুৰী উদ্বিগ্ন হৈ পৰিল। এইবোৰ কথা লৈ তেওঁৰ চিন্তাৰ অন্ত নাই।

"দেখিলে? শেষ পৰ্যন্ত মছজিদটো ভাঙিলে। ভাঙিব বুলি মই পিছে আগতেই সন্দেহ কৰিছিলোঁ।"

মনমোহন তালুকদাৰৰ মুখত বিৰক্তিৰ ভাব ফুটি উঠিল।

"এইয়া, ক'ত অযোধ্যাত জৰাজীৰ্ণ বিল্ডিং এটা ভাঙিলে সেই কথা লৈ আপুনি ইয়াত চিন্তা কৰি আছে। একোৱেই নাছিল, নহ'লে ঠেলা মাৰি দিওঁতে ভাঙি পৰেনে? এইবোৰ কথা লৈ আমাৰ একো চিন্তা কৰাৰ দৰকাৰ নাই।"

ঠিকেইতো। উমা ভাৰতীয়ে হেনো জনতাক উচটাই আছিল। "এক ধাক্কা আউৰ দো, বাৱৰি মছজিদ তোড় দো।"

পিছে ইয়াৰে পৰিণতি কি হ'ব পাৰে? দুই সম্প্ৰদায়ৰ মাজত সম্বন্ধ? আইন-শৃংখলাৰ ওপৰত ইয়াৰ প্ৰভাৱ? আভ্যন্তৰীণ ৰাজনীতি আৰু বিদেশী ৰাষ্ট্ৰৰ লৈতে সম্বন্ধৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ কেনেকুৱা হ'ব পাৰে?

ৰজনী ভট্টাচাৰ্য বি জে পিৰ সমৰ্থক। উচ্চপদৰপৰা অৱসৰ লোৱা উচ্চ বৰ্ণৰ হিন্দুবোৰ বি জে পিৰ সমৰ্থক হয় নেকি? কিয় হ'ব? ৰবি চৌধুৰীয়ে নিজৰ ভুল বুজি পালে। এনেকুৱা এক অযৌক্তিক ধাৰণা পোষণ কৰা উচিত নহয়।

ৰজনী ভট্টাচাৰ্য উত্তেজিত হৈ উঠিল।

"আপুনি সদায় কিবা হিন্দুবেই দোষ দেখে। আপুনি বুলি নহয়, তথাকথিত বুদ্ধিজীৱীসকলৰ এইটোৱেই ৰীতি। নিজৰ দেশখনক বেয়া বোলা, নিজৰ ধৰ্মক ইতিকিং কৰা, এইয়া যেন বাহাদুৰিৰ কথা। পাকিস্তানত এনেকুৱা বিতৰ্কৰ সৃষ্টি হ'লে কেতিয়াবাতেই মন্দিৰ ভাঙি খান্তাং কৰিলে হয়।"

ৰবি চৌধুৰীয়ে জানে তৰ্ক কৰি লাভ নাই। এওঁলোকে অবিচলিত ধাৰণা পোষণ কৰে। যুক্তি তৰ্কই এওঁলোকক তলাব নোৱাৰে। তথাপি তেওঁ নিজকে সংবৰত কৰি ৰাখিব নোৱাৰিলে।

"আমাৰ প্ৰধানমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিও মছজিদ ৰক্ষা কৰিব নোৱাৰিলে। পাকিস্তানৰ এটা ঘটনাৰ কথা কওঁ। যদিও প্ৰায় দুশ বছৰ ধৰি গুৰুদ্বাৰ হৈয়েই আছিল তথাপি ত্ৰিছৰ দশকৰ মাজভাগত মুছলমানসকলে দাবী তুলিলে যে লাহোৰৰ ওচৰৰ শহীদগঞ্জ গুৰুদ্বাৰ আগতে এটা মছজিদ আছিল। আদালতে এই দাবী অগ্ৰাহ্য কৰিলে। বৃটিছ চৰকাৰেও আদালতৰ এই নিৰ্দেশ ভংগ কৰিবলৈ নিদিলে। আজিৰ পাকিস্তানতো সেই গুৰুদ্বাৰ, গুৰুদ্বাৰ হৈয়েই আছে।"

ভট্টাচাৰ্যই মুখেৰে একো নামাতিলে। ক্ৰুদ্ধ দৃষ্টিৰে ৰবি চৌধুৰীৰ ফালে চাই গুচি গ'ল। এনেকুৱা মানুহৰ লগত কি কথা পাতিব? প্ৰত্যেক বিষয়ে বৰ বেছি জনা বুলি দেখুৱায়।

আনিলে নহয় কৰবাৰ কিবা গুৰুত্বৰ উদাহৰণ। ঠিকেই, ৰবি চৌধুৰী সকলোৰেপৰা বিচ্ছিন্ন হৈ পৰিছে। ভট্টাচাৰ্যক বুজনি দিয়াৰ চেষ্টা কৰাৰ তেওঁৰনো কি প্ৰয়োজন আছিল? অনাহকত মানুহৰ লগত বেয়া হোৱা। সেই কাৰণেইতো মানুহৰ লগত মিলিব নোৱাৰে বুলি তেওঁৰ বদনাম আছে। কাকো তেওঁ সন্তুষ্ট কৰিব নোৱাৰে।

(৩)

টুৰ্গেনিভ মৃত্যুশয্যাত। অশক্ত শৰীৰ, হাতত লেখনী ধাৰণা কৰাও কষ্টকৰ। এতিয়াই নিলিখিলে পিছত আৰু সময় নহ'ব। তেওঁ সেই অৱস্থাতেই টলষ্টয়ক এখন চিঠি লিখিলে। কিছুদিনৰপৰা টলষ্টয়ৰ লেখনী নিশ্চল হৈ পৰিছে। তেওঁ গভীৰ মানসিক অস্থিৰতাত কাতৰ। জীৱনৰ অৰ্থ বিচাৰি ব্যাকুল। চৌবিছ ঘন্টা ধৰ্মগ্ৰন্থ অধ্যয়নত নিমগ্ন। তেওঁ কাতৰভাৱে টলষ্টয়ক অনুৰোধ জনালে, "হে মহান স্ৰষ্টা, আপুনি আকৌ সাহিত্য জগতলৈ উভতি আহক।" আলোচনীৰ পাতত কথাখিনি পঢ়ি ৰবি চৌধুৰীৰ মনতো অৱৰ্ণনীয় অনুভূতি আৰু আৱেগৰ সঞ্চাৰ হ'ল। এজন মহান শিল্পীৰ প্ৰতি আইন এজন মহান শিল্পীৰ কি গভীৰ শ্ৰদ্ধা!

চৌধুৰীৰ মনত ইমান গভীৰ অনুভূতিৰ সৃষ্টি হ'ল যে তেওঁ তেওঁৰ পৰিবাৰকো এই অনুভূতিৰ ভাগ দিবলৈ বিচাৰিলে।

"বুজিছা? টুৰ্গেনিভে....।"

তেওঁৰ পৰিবাৰে বিনা প্ৰতিবাদে তেওঁৰ গোটেইখিনি কথা শুনিলে। শুনিও কি প্ৰতিক্ৰিয়া হ'ল চৌধুৰীয়ে ধৰিব নোৱাৰিলে।

"দুৱাৰৰ তলত ইমানখিনিকে ফাঁক ৰাখিছা। ৰাতি এই ফাকেৰে চিকা সোমাই গোটেই ঘৰত চিকচিকাই ফুৰে।"

নিশ্চয় অতি গুৰুত্বপূৰ্ণ কথা। ঘৰত চিকা সোমোৱাটো ভাল কথা নহয়। কিবা এটা ব্যৱস্থা কৰা উচিত। ভাল কৰিছে, বিষয়টো উত্থাপন কৰি চৌধুৰীৰ পৰিবাৰে ভালেই কৰিছে। কৰা উচিত।

তথাপি চৌধুৰীৰ মনত ভাব হ'ল যে চিকাৰ কথা উত্থাপন কৰাৰ আগতে তেওঁৰ পৰিবাৰে টুৰ্গেনিভৰ চিঠিখন সম্বন্ধে কিবা এটা মন্তব্য কৰা হ'লে তেওঁ বোধহয় ভাল পালে হয়।

# জীৱনৰ অৰ্থ

চাওঁতে চাওঁতেই দিনবোৰ পাৰ হৈ গ'ল। আজি জীৱনৰ সকলো উপাদান স্মৃতিত পৰিণত হৈছে। খেলা-ধূলা, গান-বাজনা, আনন্দ-উৎসৱ। সমৰ্থকৰ উদগনি নিৰ্দেশক ক্ৰমবৰ্ধমান শব্দতৰংগৰে অনুপ্ৰাণিত হৈ বিপক্ষ দলৰ গোলৰ ফালে বল লৈ তীব্ৰবেগে আগবাঢ়ি যোৱাৰ যি উত্তেজনা তাক অনুভৱ কৰিবলৈ হ'লে অস্পষ্ট আৰু অনিশ্চিত স্মৃতিৰ ওপৰত নিৰ্ভৰ কৰাৰ বাহিৰে আন উপায় নাই। কৃত্ৰিম অনুভূতি। প্ৰত্যক্ষ অনুভূতি লাভ কৰা আৰু সম্ভৱ নহয়। মৃত্যুৰ পিছত তো গোটেই জীৱনটোৱেই অতীত হৈ পৰিব। সেই অতীতৰ স্মৃতি থাকি যাবনে? জীৱনত তেওঁ কি কৰিলে আৰু কি কৰিব নোৱাৰিলে, কি পালে আৰু কি নাপালে, এইবোৰ কি তেনেহ'লে শূন্যত বিলীন হৈ যাব? বায়বীয় পদাৰ্থৰ দৰে বায়ুত মিলি যাব? আজি তুলনা কৰি লাভ নাই। তেওঁ কি হ'ল আৰু কি হ'ব পাৰিলে হয়, এইবোৰ হিচাপ কৰিও লাভ নাই। পথ ভিন্ন হ'লেও অন্তিম লক্ষ্য একেটাই। এই লৈ একো কথা নাই। শেষ পৰ্যন্ত কি? অতীত, ঐতিহ্য, এইবোৰ তেনেহ'লে কি অৰ্থহীন? তেওঁ যদি কালাহাৰি মৰুভূমিত চৰম প্ৰতিকূল পৰিস্থিতিত বাস কৰা অতি আদিম জনগোষ্ঠীৰ মানুহ হ'ল হয়, তেনেহ'লে কি তেওঁৰ মৃত্যুৰ চৰিত্ৰ বেলেগ হ'ল হয়? মৃত্যুৰ ধাৰণা ভিন্ন হ'ল হয়? সাংস্কৃতিক পটভূমিৰ কথা।

ভূদেৱ চৌধুৰীয়ে আজিকালি এইবোৰ কথা ভাবে। কিমান পৰস্পৰ বিৰোধী ধাৰণাক আমি সমানে প্ৰশ্ৰয় দিওঁ। সংহতিৰ কথাও কওঁ আৰু আমাৰ ঐতিহ্য লৈ মাত্ৰাধিক গৌৰৱ বোধ কৰোঁ। কালাহাৰিৰ আদিম জনগোষ্ঠীৰ কি হ'ব? আমাৰ সমতুল্য বুলি স্বীকৃতি পাব নে? ক'ত তেওঁলোকৰ শিল্প, সাহিত্য, অতীত গৌৰৱৰ ধ্বংসাৱশেষ? কলিকতাত এম. এ. পঢ়ি থাকোঁতে পূৰ্বাঞ্চলৰ পাৰ্বত্য জনগোষ্ঠীৰ ল'ৰা এজন ভূদেৱ চৌধুৰীৰ লগত পঢ়িছিল। অতি তীক্ষ্ণ বুদ্ধিৰ ল'ৰা। কথা-বাৰ্তাই, পোছাকে-পাতিয়ে অতি সপ্ৰতিভ। তেওঁ নিৰ্বিকাৰভাৱে চৌধুৰীক কৈছিল,

"মোৰ ককাদেউতাই নঙঠা হৈ ঘূৰি ফুৰিছিল। মই একে জাপে বিংশ শতাব্দীৰ মাজভাগত আহি পাইছোঁহি। মই নিজকে ইয়াত বহিৰাগত যেন বোধ কৰা নাই। কিছুদিন পিছত মই ছাত্ৰ-ছাত্ৰীক টি. এছ. এলিয়টৰ কবিতা পঢ়ুৱাম। তুমি কিন্তু তোমাৰ হেজাৰ হেজাৰ বছৰৰ সভ্যতা লৈয়ো এই বিংশ শতাব্দীৰ সৈতে নিজকে খাপ খুৱাই ল'ব পৰা নাই।"

মিছা নহয়। প্ৰাচীন সভ্যতাৰ ক্ষেত্ৰত পশ্চাদমুখী শক্তি এটাইও ক্ৰিয়া কৰে। হেজাৰ

হেজাৰ বছৰে কেৱল বৈভৱেই সঞ্চিত নহয়, ক্লেদো জমা হয়। ভৱিবোৰ পোত খাই যায়।

সেইকাৰণে ৰামমোহন ৰায়ক লাগে, ইশ্বৰ চন্দ্ৰ বিদ্যাসাগৰক লাগে। তথাপি সতীদাহ প্ৰথাৰ বিলুপ্তিৰ সপক্ষে প্ৰাচীন শাস্ত্ৰৰ উদ্ধৃতি দিব লাগে। প্ৰাচীনতাৰ এয়াই দুৰ্বলতা। যুক্তিতকৈ বিধান অধিকতৰ শক্তিশালী। সতীদাহ এটা জঘন্য পাশৱিক প্ৰথা, শাস্ত্ৰৰ সমৰ্থন থাকিলেও এই প্ৰথাৰ বিলোপ সাধন কৰিব লাগে। এনেকৈ কোৱাৰ সাহস গোটাব নোৱাৰি কিয়? বোধহয় ঐতিহ্যৰ পৰিপন্থী। নহয় জানো?

(২)

পশ্চিমৰ কিছুমান মানুহৰ ভাৰতীয় সভ্যতা আৰু সংস্কৃতি সম্বন্ধে এক অকল্পনীয় আকৰ্ষণ আছে। প্ৰাচীন ভাৰতীয় দৰ্শন আৰু সাহিত্যৰ শ্ৰেষ্ঠ উপাদানৰ সৈতে তেওঁলোক পৰিচিত। দুৰৰপৰা সঞ্চিত ক্লেদখিনি তেওঁলোকৰ চকুত নপৰে। ভূদেৱ চৌধুৰীৰ পেহীয়েকৰ ল'ৰা এজন জাৰ্মানীত আছিল। তেওঁ তাৰেই ছোৱালী এজনীক বিয়া কৰাইছে। ছোৱালীজনীৰ ককাদেউতাক আছিল এজন ডাঙৰ সংস্কৃত পণ্ডিত। তেওঁ কেইবাখনো মূল্যবান সংস্কৃত কিতাপ জাৰ্মানীলৈ অনুবাদ কৰিছে। ছোৱালীজনীৰ দেউতাকো সুপ্ৰসিদ্ধ প্ৰাচ্যতত্ত্ব বিশাৰদ।

ভূদেৱ চৌধুৰীৰ পেহীয়েকৰ ল'ৰা বিমান মাজে-মধ্যে মধুপুৰলৈ আহিছিল। পৰিবাৰকো লগত লৈ আনিছিল। চৌধুৰীৰ লগত মনিকাৰ এবাৰহে দেখা হৈছিল। শাড়ী পিন্ধা মনিকাক দেখি চৌধুৰীৰ শকুন্তলাৰ কথা মনত পৰিছিল। তেওঁ যেন দেখাত ঠিক শকুন্তলাৰ দৰে, অথবা শকুন্তলা যেন দেখাত ঠিক মনিকাৰ দৰেই আছিল। চৌধুৰীয়ে শুনিছিল যে মনিকাই হেনো মাছ-মাংস নাখায়, আনকি কণীও নাখায়। পৰিবাৰৰ অকাল মৃত্যু হোৱাত বিমান হঠাতে বুঢ়া হৈ গ'ল। জীৱনৰ অকলশৰীয়া শেষ দিনকেইটা তেওঁ মধুপুৰত কটাব বুলি ভাবিছিল, চৌধুৰীকো এখন চিঠিত সেই কথা লিখিছিল। তেওঁলোকৰ এজন মাত্ৰ ল'ৰা, বহুজাতীয় প্ৰতিষ্ঠানৰ উচ্চ খাপৰ বিষয়া। আজি নিউয়ৰ্ক, কালি হংকং, কেতিয়া ক'ত থাকে ঠিক নাই। বিমানৰ অকলে জাৰ্মানীত পৰি থকাৰ অৰ্থ নাই।

বিমান ভূদেৱ চৌধুৰীতকৈ কেইবা বছৰে সৰু। তেওঁৰ মৃত্যু সংবাদ পাই চৌধুৰীৰ মনটো বৰ বেয়া হৈ গ'ল। মৃত অৱস্থাতে হেনো দুদিনমান বিছনাতে আছিল। কোনেও গম পোৱা নাছিল।

(৩)

ৰচনা এখন সংশোধন কৰাৰ দৰে জীৱনটো সংশোধন কৰিব নোৱাৰি। ভূদেৱ চৌধুৰীয়ে জানে যে তেওঁৰ জীৱনটো জীৱনীকাৰে লিখা গল্পৰ দৰে নহয়। জীৱনত তেওঁ এনেকুৱা কিছুমান কাম কৰিছে যাৰ কাৰণে তেওঁ গৰ্বিত, কিন্তু এনেকুৱা কিছুমান কামো তেওঁ কৰিছে যাৰ কাৰণে তেওঁ লজ্জিত। পিছে গৰ্ব আৰু লজ্জাৰ কিবা অৰ্থ আছে জানো? জীৱনটোৱেই অৰ্থহীন। এনেকৈ ভাবিলে তেওঁ আকৌ অসহায় আৰু নিঃসঙ্গ বোধ কৰে।

আচলতে বিমানৰ মৃত্যু সংবাদটোৱে ভূদেৱ চৌধুৰীক বৰ চঞ্চল কৰি তুলিছে। মনৰ মাজেৰে বহুতো বিপৰীতমুখী সোঁত বৈ গৈ আছে। এজন মানুহ মৃত অৱস্থাত কেইবাদিনো বিছনাত পৰি আছে, কথাষাৰ মনত পৰিলেই এক উকা প্ৰান্তৰৰ দৃশ্য চকুৰ আগত ভাহি উঠে। অন্তহীন শূন্যতা, গভীৰ নিঃসঙ্গতাবোধ? চৌধুৰীয়ে নাজানে তেওঁ কেনেকৈ মৰিব, কিন্তু কেনেকৈ জীয়াই আছিল, এই কথা তো তেওঁ জানে। পিছে সঁচাকৈ জানেনে?

কেতিয়াবা ভূদেৱ চৌধুৰীৰ মানসিক অস্থিৰতা সাময়িকভাৱে আঁতৰি যায়, এটা সুথিৰ অৱস্থা আহি পৰে। একোৰেই একো অৰ্থ নাই, যদিহে অৰ্থ আৰোপ কৰা নহয়। সকলোৱে এক কৃত্ৰিম জগত বিচাৰি ফুৰে। মৌলবাদীয়ে এনেকুৱা এখন জগতলৈ উভতি যাবলৈ বিচাৰে যিখন জগত কেতিয়াও নাছিল, আৰু বিপ্লৱবাদীসকলে এনেকুৱা এখন জগতলৈ লৈ যাবলৈ বিচাৰে, যিখন জগত কেতিয়াও সৃষ্টি কৰা সম্ভৱ নহয়।

আজি দৌলযাত্ৰা। ভূদেৱ চৌধুৰীৰ কাৰণে এই দিনটোৰ বিশেষ কোনো তাৎপৰ্য নাই। অইন যিকোনো দিনৰ দৰে আন এটা দিন, বৰ্ণহীন, ধূসৰ।

"ককা।"

ভূদেৱ চৌধুৰীয়ে ঘূৰি চালে। তেওঁৰ আঁঢ়ে বছৰীয়া নাতিল'ৰাজনে হাতত এমুঠি ফাকু লৈ তেওঁৰ ওচৰলৈ আহিছে। তেওঁ মুখখন আগবঢ়াই দিলে।

"দিয়া।"

"নহয়, তুমি পলোৱা।"

ঠিকেই। তেওঁ লৰ মাৰি পলাই যাব। নাতিল'ৰাজনে খেদি গৈ তেওঁক ফাকু দিব। এইটোৱেই নিয়ম।

এয়েই জীৱন।

# মনোবৃত্তি

সময়, পৰিস্থিতি, পৰম্পৰা, সামাজিক অনুশাসন এই সকলোবোৰ লগ লাগি যৌন জীৱন সম্বন্ধে দৃষ্টিভংগী গঢ়ি তোলে। তদুপৰি ব্যক্তিগত ধ্যান-ধাৰণাৰ প্ৰশ্নতো আছেই। গতিকে এইটো হ'ল বহুতো ধাৰণাৰ প্ৰতিফলন।

অৰুণ বৰুৱা হঠাত মোৰ ঘৰত উপস্থিত। লগত ধুনীয়া ছোৱালী এজনী।

"অই, এইজনীয়ে হেনো অংকৰ কিছুমান কথা বুজি নাপায়। ইহঁতৰ কলেজত এই প্ৰথম মেজৰ আৰম্ভ কৰিছে। ফাৰ্ষ্ট বেট্‌চ। কিবা পিঅ'ৰ অংকৰ বোলে ক্লাছেই হোৱা নাই; প্ৰফেছাৰেই নাই। পৰীক্ষালৈও দিন নাই। মই হোষ্টেললৈ যাওঁতে ফেচফেচকৈ কান্দিবলৈ ধৰিলে। "সক দাদা, মই ফেল কৰিম।" মই ক'লোঁ, "বল ভদ্ৰৰ তালৈ যাওঁ। আছে নেকি তোৰ জনা পিঅ'ৰ ভাল কোনোবা টিচাৰ? ঠিক কৰি দিব নোৱাৰিলে তয়েই চাই দিবি।"

"পি. ইউ.ত অংকত কেনেকুৱা নম্বৰ পাইছা?" মই ছোৱালীজনীক সুধিলোঁ।

অৰুণেই উত্তৰ দিলে।

"অংকত লেটাৰ আছিল। আপীৰ চখ কি চাবি। আই. এ. এছ. অফিচাৰ হ'ব। ষ্টেটিষ্টিকছ, মেথেমেটিকছ্ আৰু ইক'নমিক্স লৈছে।"

"কাৰ ছোৱালীনো এইজনী?"

"মোৰ দেউতা স্বৰ্গীয় গোবিন্দ বৰুৱাৰ ছোৱালী। গতিকে মোৰ ভনী।"

"তোৰ ভনীয়েৰ? তোৰ দুগৰাকী বায়েৰাহে আছিল?"

"মোৰ বাই আছে, ভনীও আছে। তইতো এটা ইডিয়ট। জান কি? অংকৰ কথাবোৰ পাহৰিছ, নে আছে মনত?"

মোৰ তৎক্ষণাৎ মনত পৰি গ'ল। বৰ লাজ পালোঁ। অৰুণ নিৰ্বিকাৰ। এইবোৰ বহুদিন আগৰ কথা। সঁচাকৈয়ে বিজুলীয়ে আই. এ. এছ. পাইছিল। আগতে যোগাযোগ আছিল। মেজৰত প্ৰথম শ্ৰেণী পাই এসোপা মিঠাই লৈ আহিছিল। বোধহয় অৰুণৰ লগত। এম. এ.ত প্ৰথম শ্ৰেণী পাই সেৱা কৰিও গৈছিল। এতিয়া ক'ত আছে ক'ব নোৱাৰোঁ।

অৰুণৰ দেউতাক গোবিন্দ বৰুৱাৰ এগৰাকী উপপত্নী আছিল। তেওঁ বেলেগ এটা ঘৰ সাজি মহিলাগৰাকীক তাতেই ৰাখিছিল। গোবিন্দ বৰুৱাই এই ঘটনা গোপন কৰাৰ চেষ্টা কৰা নাছিল। তেওঁ প্ৰকাশ্যে সেই ঘৰলৈ অহা-যোৱা কৰিছিল। কৈছোঁৱেই নহয়, মানুহৰ দৃষ্টিভংগী হ'ল কেইবাটাও ধাৰণাৰ প্ৰতিফলন। গোবিন্দ বৰুৱা আছিল বিত্তশীল আৰু প্ৰতিপত্তিশীল

মানুহ। গোপনে গৰিহণা দিলেও প্ৰকাশ্যে কোনেও তেওঁৰ সমালোচনা কৰা নাছিল।

অৰুণ আৰু অসীম দুয়োজন ককায়েক, ভায়েকে কলেজত মোৰ লগত পঢ়িছিল। অসীম অৰুণতকৈ এবছৰমানহে ডাঙৰ। অসীমে কাৰো লগত কথা নাপাতে। তলমূৰকৈ নীৰৱে ক্লাছত বহি থাকে। ক্লাছ শেষ হ'লে নীৰবে ওলাই যায়। অৰুণ আছিল বহিৰ্মুখী। মোৰ লগত কিবাকৈ তাৰ বিশেষ ঘনিষ্ঠ বন্ধুত্ব হৈ গ'ল।

তেতিয়াৰ দিনত মানুহনো কিমান আছিল? সকলোৱে সকলোৰে সকলো কথা জানিছিল, কুৎসাজনক ঘটনা হ'লেতো কথাই নাই। আজিকালি কোনে কাৰ কথা লৈ খাতিৰ কৰে? কাৰ লগত কাৰ অসংগত সম্বন্ধ আছে—এইবোৰ সংশ্লিষ্ট মানুহৰ ব্যক্তিগত কথা। আপোনাৰেই বা কি, মোৰেই বা কি?

বাগানৰ ঘটনাটোৰ কথা এতিয়াও মনত আছে। অইনৰ যৌনশুচিতা ৰক্ষা কৰাৰ কাৰণে কিছুমান মানুহ মাত্ৰাধিকভাৱে ব্যগ্ৰ। নিশা একমান বজাত সদানন্দ নামৰ অফিচৰ কেৰাণীজন উপস্থিত। উত্তেজিত আৰু উদ্ভ্ৰান্ত। উত্তেজনাত মুখেৰে মাতিব নোৱাৰা অৱস্থা।

"ছাৰ।"

"কিহে? ইমান ৰাতি? কি হৈছে?"

"ছাৰ।"

"কোৱা।"

"নাৰ্ছজনী ডাক্তৰৰ ঘৰত সোমাইছে, ছাৰ। ডাক্তৰৰ পৰিবাৰ এতিয়া ইয়াত নাই। আপুনি আহক ছাৰ, হাতে-লোটে ধৰিব পাৰিব।"

মোৰ মূৰত জুই জ্বলি উঠিল। মই আক্ৰমণাত্মক ভংগীত সদানন্দৰ ফালে আগবাঢ়ি গ'লোঁ।

"এই নিশাখন তুমি ডাক্তৰৰ ঘৰৰ ওচৰত কি কৰি আছিলা?" ফেক্টৰী বাবুৰ পৰিবাৰৰ প্ৰসৱ বেদনা আৰম্ভ হৈছে। ডাক্তৰে অলপ কিবা জটিলতা আছে বুলি মোক কৈছিল। নাৰ্ছজনী লাগি আছে। পাৰ্বত্য জনজাতীয় ছোৱালী। খুব দক্ষতাসম্পন্ন আৰু নিষ্ঠাৱতী। কথা-বতৰা, চাল-চলনত অতিশয় সপ্ৰতিভ। নিজেই নিজৰ দায়িত্ব ল'ব পৰা বিধৰ ছোৱালী। কিবা পৰামৰ্শ বিচাৰি নিশা ডাক্তৰৰ তালৈ যোৱাটো তাইৰ কাৰণে একো ডাঙৰ কথা নহয়।

অসীমে তাৰ দেউতাকৰ ঘটনাটো সহজভাৱে ল'ব পৰা নাই। অৰুণে লৈছে। বিজ্ঞৰ দৰে ব্যাখ্যা কৰি সিয়েই মোক বুজাই দিছিল।

"মা চৌব্বিছ ঘণ্টা পূজা-পাৰ্বণ লৈ ব্যস্ত। দিনটো গোসাঁই ঘৰতে থাকে। শাৰীৰিক সম্বন্ধক নিশ্চয় ঘিণ কৰে।"

"ধেৎ।"

অৰুণৰ কথা শুনি মই অস্বস্তি বোধ কৰিবলৈ ল'লোঁ। নিজৰ মাকৰ সম্পৰ্কত এইবোৰ কি মন্তব্য?

'ধেৎ কি? সঁচা কথা কৈছোঁ। ভদ্ৰলোকৰ উপায় কি? মই দেউতাক বৰং শ্ৰদ্ধা কৰোঁ। আশ্ৰিত জীয়ৰী-বোৱাৰী কাৰো ফালে হাত বঢ়োৱা নাই।

ঘটনা এটা কি ধৰণে লোৱা যায় সেইটোৱেই হ'ল আচল কথা। এইবোৰ বৰ জটিল কথা। প্ৰচলিত ধ্যান-ধাৰণা, সামাজিক পটভূমি, এইবোৰৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ এইটো হ'ল মধ্যবিত্ত শ্ৰেণীৰ বিশেষত্ব। যৌন শুচিতা সম্বন্ধে উগ্ৰভাৱে সচেতন। এই শ্ৰেণীৰ মাজত বিচ্যুতি নাই নেকি? আছে। আন শ্ৰেণীত যি ধৰণে আছে তাতকৈ কমো নহয়, বেছিও নহয়। পিছে তেওঁলোকে গোপনীয়তা ৰক্ষা কৰাৰ চেষ্টা কৰে। কপটচাৰণ? হ'ব পাৰে। বহুত দিন আগৰ কথা। মোৰ চিনাকি ল'ৰা এজন আত্মঘাতী হৈছিল। অতি তীক্ষ্ণ বুদ্ধিৰ ল'ৰা, পোন্ধৰ বছৰমান বয়স হৈছিল। সঁচানে মিছা নাজানো, কাৰণ এটা প্ৰচাৰিত হৈ গ'ল। ল'ৰাজনৰ ঘৰত কাম কৰা তিৰোতা মানুহজনীয়ে হেনো প্ৰচাৰ কৰি দিলে। ল'ৰাজনৰ দেউতাকে বাহিৰত কাম কৰে, মাহেকে-পষেকে ঘৰলৈ আহে। তেওঁৰ ঘনিষ্ঠ বন্ধু এজনৰ সৈতে হেনো মাকৰ অবৈধ সম্বন্ধ গঢ়ি উঠে। ল'ৰাজনে হেনো তেওঁলোকক বেয়া অৱস্থাত দেখা পায়।

ঘটনাটো যদি সঁচা হয় তেনেহ'লে ল'ৰাজনৰ মানসিক অৱস্থাটো কল্পনা কৰি লোৱা টান নহয়। আদৰ্শবাদী ল'ৰাজনৰ মানসিক দিগন্তত বগা আৰু ক'লা ৰঙৰ বাহিৰে মিশ্ৰিত ৰঙৰ আলেখ্য নাই। কিবা কাৰণে দুইমান বজাতেই স্কুল ছুটি হৈ গ'ল। অনিচ্ছাকৃতভাৱে সি তাৰ মাকক তাৰ দেউতাকৰ ঘনিষ্ঠ বন্ধুৰ সৈতে অশোভন অৱস্থাত দেখা পালে। খুব সন্তৰ্পণে মনে মনে সি শুচি গ'ল। তাৰ প্ৰধান চিন্তা হ'ল যে তাৰ মাকে আৰু যিজন মানুহক সি খুৰা বুলি মাতে তেওঁ সি তেওঁলোকক দেখিছে বুলি গম পাইছে নে নাই। যদি সি দেখা পাইছে বুলি গম পাইছে। হঠাতে তাৰ সীমিত পৃথিৱীখন বিধ্বস্ত হৈ পৰিল। নিৰালম্ব অৱস্থাত সি চলন্ত ট্ৰেইন এখনৰ সমুখত জাপ মাৰি দিলে।

সি বাটৰ দাঁতিত তাৰ নামটো লিখি থৈ গৈছিল কাৰণে ল'ৰাজনক তৎক্ষণাৎ চিনাক্ত কৰিব পৰা গ'ল। ৰেলপথৰ কাষত সমান্তৰালভাৱে ৰাজপথ এটা আছে। ৰাজপথ মেৰামতি কৰাৰ কাৰণে পথৰ দাঁতিত কিছুদূৰ অন্তৰে অন্তৰে সৰু সৰু শিলগুটি দ'ম কৰি থোৱা আছিল। বাটৰ কাষত শিলগুটিবোৰ সজাই ধুনীয়া আৰু স্পষ্টকৈ সি তাৰ নামটো লিখি থৈ গৈছে। এক অৰ্থহীন মৃত্যু।

ঘটনা বা পৰিস্থিতি এটাক কি ধৰণে লোৱা হয় সেই লৈ কথা। দেউতাকৰ কাৰ্যক্ৰম অৰুণে সহজভাৱে ল'ব পাৰিছে, অসীমে নোৱাৰিলে। কিছুদিন পিছতে সি কলেজলৈ অহাই বাদ দিলে। অৰুণে দুখ কৰিছিল। উদ্বিগ্ন হৈ উঠিছিল।

নাই, সি কাৰো লগত কথা নাপাতে, মানুহ দেখিলে বৰং লুকাবৰ চেষ্টা কৰে। আজিকালি কোঠাৰপৰাও একৰকম নোলায়। এনেকৈ থাকিলে নিৰ্ঘাত পগলা হ'ব। হ'ব কি? হৈছেই।

অৰুণৰ দৃষ্টিভংগী সম্পূৰ্ণ বেলেগ। সি তাৰ দেউতাকৰ....কি বুলি কম? এই অবিবাহিতা পৰিবাৰৰ তালৈ নিঃসংকোচে গৈছিল, চাহ-জলপান খাইছিল। কেতিয়াবা ভাতো খাইছিল। কেতিয়াবা মোকো টানি লৈ গৈছিল। ভদ্ৰ মহিলাৰ দুজনী ছোৱালী আছে। অৰুণৰ খুব অনুগত। অৰুণক দেখিলে সৰু দাদা, সৰু দাদা বুলি অস্থিৰ।

অৰুণে যেন এক ঐতিহাসিক ঘটনাৰ বিৱৰণ দিছিল।

যিমান দূৰ জানো আমাৰ পূৰ্বপুৰুষ কোনো এজনো একপত্নীত্ববাদী নাছিল। মোৰ প্ৰপিতামহৰ বিবাহিতা পত্নী আছিল চাৰি গৰাকী। অবিবাহিতা কিমান আছিল কোৱা টান। আমাৰ গাৱঁৰ ঘৰৰ পিছফালৰ চুবুৰীৰ পঞ্চাছ শতাংশ হেনো এই প্ৰপিতামহৰ সতি-সন্ততি। গেলব্ৰেইথৰ উপন্যাস এখনত কাল্পনিক ৰাজ্য এখনৰ স্বৈৰাচাৰী ৰাষ্ট্ৰপতিৰ বৰ্ণনা আছে। সন্ত্ৰস্ত জনসাধাৰণে তেওঁক জাতিৰ পিতা বুলি উল্লেখ কৰিছিল। তেঁৱো আক্ষৰিক অৰ্থত জাতিৰ পিতা হ'বলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলাই গৈছিল।

অসীম আৰু অৰুণ। কেতিয়াবা কিবা ঘটনা সংক্ৰান্তত সিহঁতৰ কথা মনত পৰে। অসীমে বিয়াবাৰু কৰোৱা নাই। দিনটো কোঠাৰ ভিতৰতে সোমাই থাকে। অৰুণ এজন সফল শিল্পপতি, সফল স্বামী আৰু সফল পিতৃ।

আগতে এজন সবল, নিষ্পাপ ল'ৰা আত্মঘাতী হোৱাৰ কথা কৈছোঁ। এই ক্ষেত্ৰত অৰুণে কি ক'লেহেঁতেন সেয়া স্পষ্টকৈ শুনিবলৈ পাওঁ।

ভদ্ৰ মহিলাৰ উপায় কি? ইফালে ভদ্ৰলোকৰ দেখা-দেখি নাই। তেঁৱেই আকৌ বন্ধুজনক লগাই দি গৈছে, আহিবা, খা-খবৰ লৈ থাকিবা। কিবা এটা হৈ যোৱাটো অনুচিত হ'লেও, অস্বাভাৱিক নহয়।

# সংগী

বিৰাজ চৌধুৰী সমুখৰ বাৰাণ্ডাত বহি থাকে। সমুখৰ ফালে চাই থাকিলেও আচলতে তেওঁৰ দৃষ্টি পিছফালেহে নিবদ্ধ। অতীতৰ অসংখ্য ছবি তেওঁৰ চকুৰ আগত ভাঁহি উঠে। ঠিক ছবি নহয়, ছবিৰ খণ্ডিতাংশ। কোনো এখন ছবি সম্পূর্ণ নহয়। এখন মুখ, সম্পূর্ণ মুখো নহয়। মুখৰ এটা অংশ। হাৰ্ৰাই চেগুেল পিন্ধা এখন ভৰি। এখন মেল খাই থকা কিতাপ। অপ্রাসংগিক, অসংলগ্ন। ইমান দিন ধৰি স্মৃতিৰ কোঠাত সঞ্চিত হৈ থকা অসংখ্য ছবি কোনোবাই যেন তীব্র বেগে লৰাই আছে। ছবিবোৰ বিশৃংখলভাৱে ওপৰলৈ উঠি আহিছে। আৰু সম্পূর্ণৰূপে দৃষ্টিগোচৰ হোৱাৰ আগতেই আকৌ তললৈ নামি আহিছে। বিৰাজ চৌধুৰী প্ৰায়ে সমুখৰ বাৰাণ্ডাত বহি থাকে। নিঃসংগ জীৱনত কৰেই বা কি?

তেওঁৰ পৰিয়াৰ অসুস্থ। বৰ বেছি সময়ৰ কাৰণে অকলে এৰি থৈ ওলাই যাবলৈ তেওঁ টান পায়। আৰু যাবই বা ক'ত? লগৰবোৰ অসুস্থ, শাৰীৰিকভাৱে, মানসিকভাৱেও। ৰক্তচাপ, বহুমূত্র ৰোগ, এইবোৰ উলাই কৰিবলগীয়া বিষয় নহয়। কিন্তু চৌধুৰীৰ প্রিয় আলোচ্য বিষয় নহয়।

(২)

শুদ্ধ ঠিকনা নাজানিলে এই মহানগৰত সাধাৰণ মানুহ এজনৰ ঘৰ বিচাৰি উলিওৱা সহজ কথা নহয়। ৰঘুনাথে ঠিকেই উলিয়াইছে। ৰঘুনাথ ৰায়, মধুপুৰৰ মানুহ। ৰঘুনাথৰ মাকে চৌধুৰীহঁতৰ কাম কৰিছিল যদিও তেওঁ আছিল চৌধুৰীৰ লগৰীয়া। সৰু কালৰ বন্ধু বুলিও ক'ব পাৰি। একেলগে মাৰ্বল খেলিছিল। ডাংগুটি খেলিছিল। ৰবাৰ টেঙাৰ বলেৰে ফুটবলো খেলিছিল। পৰস্পৰক তই বুলি সম্বোধন কৰিছিল।

বিচাৰি বিচাৰি ৰঘুনাথে ঠিকে ঠাকে বিৰাজ চৌধুৰীৰ ঘৰত উপস্থিত। ভিক্ষাৰীৰ বেশ আৰু চেহেৰা। মুখ, ভৰি-হাতবোৰ ফোলা ফোলা। আগে-পিছে যেনেকৈ থাকে তেনেকৈ বিৰাজ চৌধুৰী বেতৰ চকী এখনত বাৰাণ্ডাত বহি আছিল। মানুহজনে তেওঁৰ ভৰিৰ তলত বহি কান্দিবলৈ ধৰিলে।

"মোৰ অৱস্থা দেখেন। কি হাবাতীয়া অৱস্থা হৈছে দেখেন। পাপেৰ শাস্তি ভুগি আছং।"

"তই ক'ৰ পৰা?"

বহুদিনৰপৰা ৰঘুনাথৰ অসুখ। মধুপুৰৰ ডাক্তৰক দেখুৱাইছে। দৰৱ-পাতিও খাইছে। একো লাভ হোৱা নাই। আচল কথা তেওঁৰ এসাজ ভাত খোৱাৰ উপায় নাই। অনাহাৰজনিত অসুখ।

তেওঁৰ ভতিজা ল'ৰা মধু চহৰত যোগান বিভাগত পিয়নৰ কাম কৰে। ৰঘুনাথ তাৰ তাত উপস্থিত। সি উপায় নাপাই তেওঁক হাস্পতালত ভৰ্তি কৰি দিলে। তাৰ পিছত কোনো খা-খবৰ কৰা নাই। ৰঘুনাথ হাস্পতালৰপৰা পলাই আহিছে। মধুৰ তাতো থকাৰ উপায় নাই। সি অফিচৰ বাবু এজনৰ ঘৰতে থাকে। বাবুজনে অইন মানুহক, বিশেষকৈ বেমাৰী মানুহ এজনক তেওঁৰ ঘৰত থাকিবলৈ নিদিয়ে।

ৰঘুনাথে ক'লে, "ঘৰত যায়া মৰিম।" অৰ্থাৎ ঘৰলৈ গৈ তাতেই মৰিব। মধুই হাস্পতালত থৈ তাৰ পিছত এদিনাও এটা খবৰ লোৱা নাই। কুকুৰ পোৱালি। হাতত এটা পইচা নাই। হাস্পতালত মৰিলে জমাদাৰে টানি লৈ যাব।

"তোমাৰ পাও ধৰং, যাওবাৰ ভাৰাটো দেন। আজিৰ দিনটা তোমাৰ এটি থাকং। কালি বাৰী যাইম। আজিৰ দিনটো ৰাখেন। মুই এই বাৰাণ্ডাতে পৰি থাকিম।"

ৰঘুনাথে ইয়াৰ মাজতো হাঁহিলে। আহোঁতে বিনা টিকটে ট্ৰেইনেৰে আহিছে। বঙাইগাৱঁত নমাই দিছিল। আকৌ বেলেগ ট্ৰেইনত উঠি আহিছে। এতিয়া সাহস নহয়। নমাই দিলে বাটতে মৰি থাকিব। জমাদাৰে টানি পেলাই দিব, শিয়াল কুকুৰে খাব।

(৩)

কাইলৈ যাব বুলি ক'লেও ৰঘুনাথৰ যোৱাৰ মন নাই। নিয়মমতে খাবলৈ পাই কেইদিনমানৰ ভিতৰতে তেওঁৰ চেহেৰা-পাতি ভাল হৈ গ'ল। সুস্থ হোৱাৰ লগে লগে তেওঁ অভিযোগ কৰিলে।

"এইবোৰ কি খানা? মাছ নাই, মাংস নাই?"

"মাছ-মাংস ৰান্ধে কোনে? দেখিছাইতো এওঁৰ গা সিমান ভাল নহয়?"

"কোনো আৰু ৰান্ধে? মুই ৰান্ধিম। আগমনীৰ কাছাৰীত মই সাত বছৰ বসন্ত বাবুক ৰান্ধি খাওয়াং নাই?"

স্বয়ংক্ৰিভাৱে ৰঘুনাথ বিৰাজ চৌধুৰীৰ ৰান্ধনি হৈ পৰিল। আচলতে ৰন্ধা-বঢ়া, বজাৰ কৰা সকলো দায়িত্ব তেওঁ জোৰকৈ নিজৰ হাতত ল'লে। আপুনিৰপৰা তুমি আৰু তুমিৰপৰা আকৌ তুই অৰ্থাৎ তই।

দুজন ভিন্ন সাংস্কৃতিক স্তৰৰ মানুহ। কি লৈ ইমান কথা পাতে ক'ব নোৱাৰি। দৰ্শন, সাহিত্য বা ৰাজনীতি লৈ নিশ্চয় নহয়। পিছে বিৰাজ চৌধুৰীয়ে উপলব্ধি কৰিছে যে, এইবোৰ বিষয় লৈ কথা পতাৰ কোনো যুক্তি নাই। অৰ্থহীন অনুশীলন, শব্দৰ কাৰচাজি। তেওঁলোক যেন আকৌ সেই আদিম অৱস্থালৈ উভতি গৈছে। ব্যাখ্যাহীন যোগাযোগ।

ৰঘুনাথে চৌধুৰীক ক'লে, "চচেদি পটল খাইছ? জমিদাৰৰ সৰু ছোৱালীৰ ঘৰত খাইছোঁ। বঙালী ঠাকুৰে ৰান্ধিছিল। দে পইচা দে। এক বটল চচ্‌ আনো।"

বিৰাজ চৌধুৰীয়ে এতিয়া কিবা এক প্ৰত্যাশা লৈ ৰখি থাকিব পাৰে। দুপৰীয়া চচেৰে পটলৰ আঞ্জা। কেইটা পটল খাব সেইটো ভাৱৰ কথা নহয়।

এই এক জীৱন ৰঘুনাথৰ। অতীতৰ কথা লৈ কোনো ক্ষোভ নাই। ভৱিষ্যতৰ কথা লৈ কোনো উদ্বেগ নাই। মাজে মাজে যান্ত্রিকভাৱে ভতিজা ল'ৰা মধুক গালি পাৰে।

"ছালা শুৱাৰকা বাচ্চা।"

চৌধুৰীয়ে ডাবি দিয়ে।

"কি কৈছ? নিজৰ ভতিজা ল'ৰা নহয়?"

"মই মোৰ ভতিজা ল'ৰাক ছালা কোৱা নাই। দাদাকো মই শুৱাৰ কোৱা নাই।"

"এইমাত্র কলি দেখোন?"

"সি দাদাৰ ল'ৰা নহয়। কৰিমুদ্দিন শ্বেখৰ ল'ৰা। হাৰামীৰ বাচ্চা।"

"কেনেকৈ জানিলি?'

"আগতো ল'ৰা-ছোৱালী নাই, পিছতো নাই। দাদাই যেতিয়া কৰিমুদ্দিনৰ লগত মৰাপাটৰ কাৰবাৰ কৰিবলৈ ল'লে তেতিয়াহে মধু হ'ল। কি খাতিৰ চাবি? যেতিয়াই-তেতিয়াই কৰিমুদ্দিনক দাদাৰ ঘৰতে পাবি।"

"বাৰু, কৰিমুদ্দিনক কোনে কাটিছিল অ'? তই জান নেকি?"

ৰঘুনাথ জাপ মাৰি উঠিল।

"মই কেনেকৈ জানিম?"

তেতিয়াৰ দিনত মানুহক হত্যা কৰাটো ইমান এটা সাধাৰণ ঘটনা নাছিল। হঠাতে মধুপুৰত হুলস্থূল। ওচৰৰ গাৱঁৰ কোনোবাই কৰিমুদ্দিনক কাটিলে। কোনেও বৰ বেছি আচৰিত হোৱা নাছিল। অতি দুশ্চৰিত্র বুলি মানুহজনৰ বদনাম আছিল। হত্যাকাৰী ধৰা নপৰিল। পুলিচেও তেনেকৈ চেষ্টা কৰা নাছিল।

(৪)

কৰিমুদ্দিনক দাৰে কটাৰ কাৰণে ৰঘুনাথৰ কোনো অনুশোচনা নাই। অৱশ্যে এইবোৰ অনুভূতি তাৰ নায়েই। কিয় তেওঁ ইমান উত্তেজিত হৈ উঠিছিল, কেতিয়াবা সেই কথা মনত পৰিলেহে তেওঁ আচৰিত হয়। ককায়েকে যদি মন-কাণ নকৰে তেওঁৰনো কি? নে কিবা আছিল? ৰঘুনাথে এই প্রশ্ন আহি থকা যেন দেখিলে তৎক্ষণাৎ পলাই যায়। বিৰাজ চৌধুৰীৰপৰা পইচা বিচাৰে।

"দে পইচা দে। কালি ইলিচ মাছ ওলাইছিল। আজিও ওলায় যদি এটা লৈ আনিম। সৰিয়হ দি ৰান্ধিম। ইফালৰ মানুহে ৰান্ধিব জানে নেকি?"

বিৰাজ চৌধুৰী বাৰাণ্ডাত বেতৰ চকীখনত বহে। ৰঘুনাথে লেপেটা কাঢ়ি তলত বহি লয়। সম্পূর্ণ ভিন্ন স্তৰৰ মানুহ। সম্পূর্ণ ভিন্ন সাংস্কৃতিক পটভূমি। এজন অৱসৰপ্রাপ্ত অধ্যাপক, এজন হত্যাকাৰী। ঘণ্টাৰ পিছত ঘণ্টা কি লৈনো কথা পাতে? ৰাজনীতি, সমাজনীতি, অর্থনীতি? নে অর্থহীন কথাৰ ফুলজাৰি?

ৰঘুনাথে কয়, "যাং আৰ কদ্দিন এটি থাকিম?"

বিৰাজ চৌধুৰী ব্যস্ত হৈ উঠে।

"ৰাখি, ইমান ব্যস্ত হোৱাৰ কি আছে। বাৰু তোৰ বাধা ঠাকুৰৰ কথা মনত আছেনে? কাপৰে ধৰা ঘোঁৰা এটাত উঠি ফুৰিছিল।"

"কেনে নাথাকৰে। আমৰা পাছে পাছে হাততালি দিয়া চিক্‌ৰি গেছলু। বাধা ঠাকুৰেৰ ঘোঁৰা, এক ঠেং খোৰা। বাধা ঠাকুৰে চৰে, উল্টি উল্টি পৰে।"

দুয়ো মুক্তকণ্ঠে হাঁহি উঠিল।

# ব্যতিক্ৰম

সিদিনা দূৰদৰ্শনত দেখিলোঁ অসমৰ এগৰাকী আগশাৰীৰ নেতাই ৰাইজক উদ্বুদ্ধ কৰাৰ চেষ্টা কৰি আছে।

"অসমৰ হৃত গৌৰৱ পুনৰুদ্ধাৰ কৰিব লাগিব।" বাৰু এই বাক্যটোৰ অৰ্থ কি? ঠিক কি কৰিব লাগিব বুলি তেওঁ ক'বলৈ বিচাৰিছে। কোনটো যুগৰ কথা চকুৰ আগত ৰাখি তেওঁ এই কথা কৈছে? কোন যুগ, কোন শতিকা?

এইটোৱেই হৈছে আমাৰ মানসিক বিজুতি। এই অতীতমুখিতা, ভৱিষ্যতৰ ফালে দৃষ্টি প্ৰসাৰিত কৰাৰ অনাগ্ৰহ। বৰ্তমান পৰিস্থিতিত হতাশ হৈ অতীতৰ এক কাল্পনিক চিত্ৰ দাঙি ধৰি ৰাইজক সম্মোহিত কৰাৰ চেষ্টা। সমুখৰ ফালে নাচাই, পিছফালে চাই চাই খোজ কঢ়াৰ চেষ্টা। অতীতত ভাল বস্তু কিছুমান নিশ্চয় আছিল, পিছে ততোধিক পৰিমাণে বেয়া বস্তুও আছিল।

আমিয়েই আমাৰ জীৱনৰ প্ৰথমছোৱাত কিছুমান নিষ্ঠুৰ সামাজিক প্ৰথা লক্ষ্য কৰিছিলোঁ। এইবোৰ প্ৰথা একেবাৰে নিৰ্মূল ন'হলেও বহুতো পৰিশোধিত হৈছে। বসেশ্বৰ আতাক মই দেখা নাই। আমি ক'ব পৰা হোৱাৰ আগতেই তেওঁৰ মৃত্যু হৈছে। কইনা আবুক দেখিছোঁ। আতাই ডি-চি অফিচত কেৰাণী কাম কৰিছিল। অৱসৰ লোৱাৰ পিছত তেওঁ এঘাৰ বছৰীয়া ছোৱালীজনীক বিয়া কৰাই আনে। বিয়াৰ দুই বছৰ পিছতেই আতাৰ মৃত্যু হয়। ভাগ্য ভাল যে আতাৰ লগত তেওঁকো চিতাত তুলি দিয়া হোৱা নাছিল। তেতিয়াৰ দিনত আমাৰ সিফালৰ উচ্চবৰ্ণৰ বিধৱাসকলে বৰ কঠোৰ নিয়ম মানি চলিছিল। বোধহয় বঙালী সংস্কৃতিৰ প্ৰভাৱ। পিন্ধনত পাৰি নথকা বগা ডাঠ ধুতি আৰু দিনটোত মাত্ৰ এসাজ নিৰামিষ আহাৰ। তদুপৰি একাদশী আদি তিথিত গোটেই দিন উপবাস। কোনো ধৰণৰ উৎসৱ আনন্দত অংশগ্ৰহণ কৰাৰ অধিকাৰো নাই।

(২)

আমাৰো আগৰ দিনৰ কথা প্ৰতুলদাৰ মুখত শুনিছোঁ। প্ৰতুল চক্ৰৱৰ্তী, চলমান বিশ্বকোষ।

"সেলাৰ নিয়মগুলা বৰ বয়া আছিল। বিয়াৰ আগত পুষ্পিতা হইলে বামুণেৰ ঘৰেৰ আপীৰ বিয়াই নাহৈছিল। অমন আপীক ঘৰত ৰাখাও দোষ। তেনেকুৱা হ'লে ছোৱালীজনীক যেই সেই নিম্নবৰ্ণৰ মানুহক দি দিছিল। মোৰেই সম্বন্ধীয় পেহী এজনীক মুছলমানক দিছিল।"

"ধেৎ।"

"কি খেৎ? বাপেকৰ ঘৰৰ কাৰো লগত কোনো সম্বন্ধ নাই। মই কিন্তু গৈছিলোঁ। কি যে ভাল পাইছিল। মোক খুব মৰম কৰিছিল। অইন বস্তু দিলেও কোনোপধ্যেই তেওঁ মোক তেওঁলোকৰ ঘৰত ভাত খাবলৈ দিয়া নাছিল। মই গ'লেই বাপেকৰ কথা, মাকৰ কথা, ভাই-ভনীয়েকবোৰৰ কথা সুধিছিল। কোনো ৰকম অভিযোগ নাই।"

(৩)

বৰ্তমানৰ ঘটনাৱলী লক্ষ্য কৰি হতাশ হৈ অতীতলৈ উভতি গৈ লাভ নাই। অতীত আৰু বৰ্তমানৰ অভিশাপৰপৰা মুক্ত হৈ ভৱিষ্যতলৈ যাত্ৰা কৰাৰ প্ৰয়াস কৰাহে উচিত। চকুত মায়াঞ্জন সানি লৈ মোহময় দৃষ্টিৰে অতীতৰ ফালে চাই হমুনিয়াহ কাঢ়ি থকাৰ কোনো অৰ্থ নাই। বিৰজা আইতাৰ কথা মুনুক-ঘানাককৈ শুনিছিলোঁ। শুনাৰ কাৰণে মোৰো সিমান আগ্ৰহ নাই আৰু পুৰণি মানুহকো লগ পোৱা নাই। বিৰজা আইতা মানে আমাৰ অতি দূৰ সম্পৰ্কীয় আইতা। আচল বৃত্তান্ত প্ৰঁতুলদাৰপৰাহে জানিলোঁ। তেতিয়া ব্ৰাহ্মণ আৰু কায়স্থৰ মাজত এক আন্তৰিকতাপূৰ্ণ সম্বন্ধ আছিল।

"বিৰজা পিসীৰ কথা মুই কেনে নাজানিম?"

আঠ বছৰ বয়সত বিয়া, দহ বছৰত বিধবা, চৈধ্য বছৰ বয়সত গৰ্ভসঞ্চাৰ। দায়ী নিজৰেই সম্বন্ধীয় বিবাহিত বয়সস্থ মানুহ। গুৰুজন, গণ্যমান্য ভদ্ৰলোক। অভিভাৱকৰ দৰে। বিৰজা আইতা তেতিয়া সৰু নাবালিকা ছোৱালী। কি পৰিণতি হ'ব পাৰে কি বুজি পায়? তদুপৰি বয়সস্থ গুৰুজন। প্ৰতিবাদ কৰাৰ কোনো কথা ভৱাই নাছিল।

"কোননো? আপুনি জানে নেকি?"

"কিয় নাজানিম? তেওঁ কেনেকুৱা চৰিত্ৰৰ মানুহ সকলোৱে জানিছিল। ইমান দিনৰ মূৰত নামটো নকওঁ।"

নাই, নাম জানি মোৰো একো লাভ নাই। পিছে সকলো দোষ বিৰজা আইতাৰ। কি অসহ্য শাস্তি, কি নিদাৰুণ লাঞ্ছনা। হৃদয়হীন মানুহৰ ঘৰত থকা ভতুৱা কুকুৰ এটাতকৈ শোচনীয় অৱস্থা। যাওঁতেও এক লাথি, আহোঁতেও এক লাথি। কাৰোপৰা অকণো সহানুভূতি নাই। সৰু ছোৱালী তাই। তাইৰ যৌন চেতনাই হোৱা নাছিল। তাইৰ কি দোষ? বৰং যৌনক্ৰিয়া সম্বন্ধে তাইৰ সীমাহীন আতংক, এক নিদাৰুণ যন্ত্ৰণাদায়ক প্ৰক্ৰিয়া। অত্যন্ত আদিম পদ্ধতিৰে তাইৰ গৰ্ভপাত কৰোৱা হ'ল। মানুহে কথাবোৰ নজনাকৈ নাথাকিল। তাইক ঘৰত ৰাখিলে ঘৰখনৰে বিপৰ্যয়।

প্ৰতুলদাই ক'লে, "তেওঁক চহৰৰ সম্বন্ধীয় মোমায়েকৰ ঘৰলৈ নি পাঞ্জাবী ল'ৰা এজনক দি দিলে।"

"দি দিলে মানে? বিয়া?"

"কিহৰ বিয়া? অসমত কাম বিচাৰি অহা ল'ৰা। এনেকৈ বহুতেই ইয়াত কাম বিচাৰি আহি, ঘৰ পাতি ইয়াতেই থাকি যায়।"

"এনেকৈ এজন অজ্ঞাত কুলশীল মানুহক দি দিলে? সি বা আকৌ কি কৰে, কোন নৰকত তোলে কি ঠিক? পিছত কি হ'ল কিবা খবৰ পাইছিল নেকি?"

"ভালেই হৈছে। দহ বছৰমান পিছত এহাল ল'ৰা-ছোৱালী লৈ মহিন্দৰ সিঙৰ সৈতে তেওঁ মাকৰ ঘৰলৈ আহিছিল। চেহেৰা-পাতিয়ে, সাজে-পোছাকে এগৰাকী অতি সম্ভ্ৰান্ত মহিলা।"

"আপুনি কেনেকৈ জানিলে?"

"কিয় নাজানিম? ময়ো সিদিনা তেওঁলোকৰ ঘৰত আছিলোঁ। বিৰজা পেহীৰ ঠিক তলৰ ভায়েক নাৰায়ণ মোৰ লগৰ, আমি একেলগে পঢ়িছোঁ। তাৰ লগত বাৰাণ্ডাত বহি কথা পাতি আছিলোঁ, এনেতে গাড়ী এখন আহি দুৱাৰমুখত ৰ'ল। তেতিয়ানো গাড়ী ক'ত? জমিদাৰৰহে দুখন গাড়ী, এখন চেভ্ৰোলেট, এখন পন্টিয়াক। বচ্। গাড়ীৰপৰা নামি আহিল ডাড়িৱালা এজন পাঞ্জাবী ভদ্ৰলোক, স্বাস্থ্যৱতী সুসজ্জিতা এক ভদ্ৰমহিলা আৰু এহাল ল'ৰা-ছোৱালী। প্ৰত্যেকৰে হাতত এসোপা টেপোলা।"

প্ৰতুলদাই কৈ গ'ল।

"বিৰজা পেহীয়ে ওলাই আহি মোকো মাত দিলে। দেখিলেই ক'ব পাৰি সঁচাকৈ সম্ভ্ৰান্ত মহিলা। কথা-বতৰাত কোনো সংকোচ বা আড়ষ্টতা নাই। চহৰৰ ঘৰৰ ঠিকনা দিলে। কেতিয়াবা গ'লে তেওঁলোকৰ তাত উঠিবলৈ ক'লে। মহিন্দৰ সিঙেও মাত দিলে। বৰ ভাল মানুহ। ৰেলৱেৰ ঠিকাদাৰ। কি বুলি ক'লে পাহৰিলোঁ, এ, বি নে চি, মানে আটাইতকৈ ওপৰৰ শ্ৰেণী। যিকোনো পৰিমাণৰ ধনৰ কামৰ টেণ্ডাৰ দিব পাৰে।"

মই স্বগতোক্তি কৰিলোঁ।

"কাটি পানীত উটুৱাই দিয়া বুলি যে কয় তেনেকুৱা কথা। বৰং কাটি পানীত উটুৱাই দিয়াও ভাল। নিশ্চিন্ত। কি যে নিষ্ঠুৰ কাম। এজন অজ্ঞাত কুলশীল ল'ৰা, জাতিৰ মিল নাই, ধৰ্মৰ মিল নাই, মাত-কথাও বেলেগ। দি দিলে ছোৱালীজনীক? কি ভয়ংকৰ নিষ্ঠুৰ। দুদিন পিছতে ল'ৰাজনে কি কৰে কি ঠিক? গোৰ মাৰি খেদি দিয়ে নে বেশ্যালয়ত বিক্ৰী কৰি দিয়ে, একোৱেইতো ক'ব নোৱাৰি।"

"তাকেইতো কৰে। বিৰজা পেহীৰ ঘটনাটো এটা ব্যতিক্ৰম।"

বাৰু বিৰজা দেৱী মাকৰ ঘৰলৈ কিয় আহিছিল? কোন সাহসত? ইমান আত্মপ্ৰত্যয় ক'ৰপৰা আহিল? কাৰণটোনো কি? মৰম? ইয়াৰ পিছতো? নে দেখুৱাবৰ কাৰণে? চোৰা, লেতেৰা বস্তুৰ দৰে মোক জাবৰৰ দ'মত পেলাই দি শুদ্ধ হ'বলৈ বিচাৰিছিলা, ভালেই কৰিছা। মই পিছে পুনৰ্জন্ম লাভ কৰিছোঁ। মানুহৰ মনত কি আছে মই কেনেকৈ জানিম?

এটা বিশেষ পৰিস্থিতিত নিজৰ মনত যি ধৰণে প্ৰতিক্ৰিয়া হয়, অনুৰূপ পৰিস্থিতিত আইন এজনৰো একে ধৰণৰ প্ৰতিক্ৰিয়া হয় বুলি ধৰি লওঁ। নহ'বওতো পাৰে।

# মোপাচাঁৰ নিৰ্দেশ

কলিং বেলটো বাজি উঠিল। এই অসময়ত কোন আহিব পাৰে? ৰেজিষ্টাৰ্ড চিঠি নেকি? আজি ডাকঘৰ বন্ধ নে খোলা? ঠিকেইতো, আজি দৌলযাত্ৰা। অৱশ্যে ৰঘু চৌধুৰীৰ কাৰণে এই দিনটোৰ বিশেষ কোনো তাৎপৰ্য নাই। আইন দিনৰ দৰে এইটোও এটা দিন, সমানেই বৰ্ণহীন, সমানেই ধূসৰ।

সুধীৰ মিশ্ৰক, মূৰ আৰু মুখত বিভিন্ন ৰঙৰ অপৰ্যাপ্ত ফাকু সানি আহিছে কাৰণে তৎক্ষণাৎ চিনি পোৱা টান। লগত আইন দুজন অপৰিচিত মানুহ। এনেকৈ ক'ৰপৰা আহি ওলাল? থাকে দেখোন চহৰৰ সিটো মূৰত। ইতিমধ্যে বেছ খাই লৈছে। ভালকৈ এক ঠাইতে স্থিৰভাৱে থিয় হৈ থকাৰ অৱস্থা নাই। এনেয়েতো বিশেষ অহা-যোৱা নাই। আজি কিয়? মদাহী মানুহ। কেতিয়া কি কথা মুখত খেলে কি ঠিক? আশ্চৰ্য কাণ্ড। চৌধুৰীৰ লগৰ। এই বয়সত এইবোৰ কি?

"তই? ক'ৰপৰা?"

"হঠাতে আজি তোৰ কথা মনত পৰিল। ভাবিলোঁ বুঢ়াটোনো আৰু কেইদিন থাকিব? যাওঁ, মৰাৰ আগতে তাক অলপ ফাকু সানি দি আহোঁ।"

"আহ, ভিতৰলৈ আহ।"

মিশ্ৰই ফুচ্‌ফুচাই সুধিলে।

"তেওঁ আছে নে গ'ল?"

"কাৰ কথা কৈছ?"

"কাৰ কথা আৰু কম? তোৰ পৰিবাৰ?"

"আছে। ক'ত যাব?"

"এই বয়সত ক'ত আৰু যাব?"

"নাই, নাই। আছে।"

"তেনেহ'লে নোসোমাওঁ। এনেকৈ সোমালে আমাকতো এৰো নকয়। যোৱাৰ পিছত তোক ভাল মজা দিব। আহ, বাৰাণ্ডালৈ ওলাই আহ।"

"এতিয়া আৰু এইসোপা নিদিবি। গা পা ধোৱা হৈ গৈছে।"

কোনে শুনে কাৰ কথা? ৰঘু চৌধুৰীয়ে তৎক্ষণাৎ সিদ্ধান্ত ল'ব নোৱাৰিলে। অসময়ত এনেকৈ গোটেই মূৰটোত এসোপা ফাকু সানি দিয়া কাৰণে তেওঁ খং কৰিব নে ইমান দূৰৰপৰা

তেওঁকে বিচাৰি তেওঁৰ ঘৰলৈ অহা কাৰণে আনন্দিত হৈ উঠিব।

(২)

তেতিয়াৰ দিনত মেট্ৰিক পৰীক্ষাত খুব কম পৰীক্ষাৰ্থীয়ে ষ্টাৰ পাইছিল। অৱশ্যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও বহুত কম আছিল। সেই বছৰ চৌধুৰী, মিশ্ৰ এওঁলোক কেইজনমানেহে ষ্টাৰ পাইছিল। দুয়ো কটন কলেজত পঢ়িছিল; চৌধুৰী বিজ্ঞান শাখাত আৰু মিশ্ৰ কলা শাখাত। মিশ্ৰই নিজেই আগবাঢ়ি আহি তেওঁৰ লগত চিনাকি হৈ লয়। শেষত এই পৰিচয় ঘনিষ্ঠতাত পৰিণত হ'লগৈ। ঘনিষ্ঠ নহৈ উপায়ো নাছিল, বিশেষকৈ যদি সাহিত্য-সংস্কৃতিৰ প্ৰতি অলপ ৰাপ থাকে। মিশ্ৰৰ এক বিশেষ আকৰ্ষণ ক্ষমতাও আছিল।

তেতিয়ালৈ চৌধুৰীয়ে বাহিৰা কিতাপৰ ভিতৰত আলেকজেণ্ডাৰ ডুমা, জুল ভাৰ্ণ এনেকুৱা কেইজনমান লেখকৰ কেইখনমান কিতাপহে পঢ়িছিল। এইটো সম্ভৱ হৈছিল গুৰুপ্ৰসন্ন মুখাৰ্জী ছাৰৰ কাৰণে। মধুপুৰ হাইস্কুলৰ পাঠাগাৰত যথেষ্ট ভাল ভাল বাহিৰা কিতাপ আছিল। যিবোৰ ল'ৰা পঢ়াত ভাল মুখাৰ্জী ছাৰে তেওঁলোকক বাহিৰা কিতাপ পঢ়িবলৈ উদগনি দিছিল।

সুধীৰ মিশ্ৰই ইতিমধ্যে মোপাচাঁৰ কিতাপো পঢ়িছে। তেওঁ মোপাচাঁৰ বিশেষ ভক্ত আছিল। ৰঘু চৌধুৰীকো তেওঁ মোপাচাঁৰ গল্প পঢ়িবলৈ দিছিল। এইবোৰ গল্প পঢ়ি চৌধুৰীও মুগ্ধ হৈছিল। কলেজত থাকোঁতেই মিশ্ৰই মোপাচাঁৰ কিছুমান গল্প অনুবাদ কৰিছিল। কিতাপ আকাৰে প্ৰকাশ কৰিছে নে নাই ৰঘু চৌধুৰীয়ে ক'ব নোৱাৰে।

মানুহে নানা ৰকমৰ বদনাম গালেও সুধীৰৰ প্ৰতি চৌধুৰীৰ মনত বিৰূপ ভাব নাই। আচলতে সুধীৰ মিশ্ৰৰ মনটো হ'ল অত্যন্ত স্পৰ্শকাতৰ। ভালকৈ এবাৰ কথা নপতাকৈ প্ৰথম বাৰ্ষিক শ্ৰেণীতেই তেওঁ সহপাঠিনী মাধুৰী শৰ্মাৰ প্ৰেমত পৰিল। একেবাৰে নৈষ্ঠিক ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী। অৱশ্যে একপক্ষীয় প্ৰেম। পূজাৰ বন্ধত প্ৰেম নিবেদন কৰিবলৈ সুধীৰে মাধুৰীৰ গাওঁ পালেগৈ। মাধুৰীৰ ঘৰলৈ গৈ তেওঁক দেখা কৰিবলৈ বিচাৰিলে। অভিভাৱকে দেখা কৰিবলৈ নিদিলে। কিবা প্ৰয়োজন থাকিলে তেওঁকেই জনাবলৈ ক'লে। জনোৱা নহ'ল।

আই. এ. পৰীক্ষা মিশ্ৰই বোধহয় দ্বিতীয় বিভাগত পাছ কৰিলে। বি. এ.ত ইংৰাজীত অনাৰ্ছ লৈছিল যদিও অনাৰ্ছ নিদিলে। সেই যুগত শিল্পী, সাহিত্যিক সম্বন্ধে ডেকাবোৰৰ কিছুমান মনেসজা ধাৰণা আছিল। সুধীৰ মিশ্ৰ হ'ল তাৰেই সাক্ষাৎ নিদৰ্শন। কলেজত থাকোঁতেই তেওঁ মদ খাবলৈ লয়।

(৩)

ৰঘু চৌধুৰীয়ে মাজৰ খবৰ নাজানে। সুধীৰ মিশ্ৰই কোনোবা এখন স্কুলত কাম কৰি আছিল। কোনোবা এখন নহয়, কেইবাখনো স্কুলত তেওঁ কাম কৰিছিল। পঞ্চাছৰ দশকৰ শেষৰফালে তেওঁৰ সম্বন্ধীয় মানুহ এজনে গুৱাহাটীত এখন সাপ্তাহিক কাকত উলিয়ালে। তেঁৱেই মিশ্ৰক লৈ আনিলে। কিছুদিন পিছত কাকতখন দৈনিক কাকত হ'ল। ইতিমধ্যে মিশ্ৰ কামৰপৰা খেদা

খালে। একেটা কামতে তেওঁ বেছি দিন লাগি থাকিব নোৱাৰে। কেনেকৈ থাকিব? শৃঙ্খলা নাই, সময়ানুবৰ্ত্তিতা নাই, সম্পাদকৰ ভুল দেখুৱাই দিব। এইবোৰ উৎপাত কোনে সহ্য কৰিব? পিছে মানুহজনৰ প্ৰতিভা আছে, সঁচাকৈ লিখিব পাৰে। নানা ধৰণৰ কাগজ ওলাই আছে। মিশ্ৰই কোনোবা নহয় কোনোবা এখনত কাম এটা পায়। কিছুদিন পিছত নিজেই এৰি দিয়ে, নহ'লে এৰিবলৈ বাধ্য হয়। এনেকৈ চলি আছে। কিন্তু কোনো বিকাৰ নাই। মহানন্দে আছে। জীৱনটো যেন এক প্ৰহসন। মাত্ৰাধিক গুৰুত্ব আৰোপ কৰাৰ অৰ্থ নাই।

(৪)

চল বেলোৰ গ্ৰন্থ 'দ্য ওল্ড চিষ্টেম'ত বিখ্যাত বৈজ্ঞানিক ডঃ ব্ৰুন সম্বন্ধে এইদৰে কোৱা হৈছে: "তেওঁৰ বিষয়ে মানুহে কয় যে তেওঁ কেতিয়াও কাৰো প্ৰেমত পৰা নাছিল। কথাষাৰ সম্পূৰ্ণ সঁচা নহয়। তেওঁ একনিষ্ঠভাবে হয়তো কাকো ভাল পোৱা নাছিল, কিন্তু তেওঁ বিভিন্ন সময়ত বিভিন্ন মহিলাৰ প্ৰেমত নপৰাকৈ থকা নাছিল।"

সুধীৰ মিশ্ৰ সম্বন্ধে একেটা কথাই ক'ব পাৰি। যথেষ্ট বয়স হোৱাত শেষ পৰ্যন্ত তেওঁ সুমিতা ৰয় নামেৰে বেংকত কাম কৰা ছোৱালী এজনীক বিয়া কৰায়। ছোৱালী এজনী নুবুলি মহিলা এগৰাকী বুলিয়েই কোৱা উচিত। মিশ্ৰ যেনেকুৱা তেওঁ মিশ্ৰক ঠিক সেই ধৰণে গ্ৰহণ কৰিছে। কোনো সমস্যা নাই। মিশ্ৰৰ চৰিত্ৰ সলনি কৰাৰ চেষ্টা নাই। গতিকে অশান্তি নাই।

ইতিমধ্যে ৰঘু চৌধুৰীৰ কৰ্মসূত্ৰে কৃষ্ণ বৰুৱাৰ সৈতে চিনাকি হ'ল। আচলতে দুয়োটা পৰিয়ালৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধৰ সৃষ্টি হ'ল। বৰুৱাৰ পৰিবাৰ মাধুৰী বৰুৱা চৌধুৰীৰ সহপাঠিনী। তেতিয়া তেওঁ আছিল শৰ্মা, ঠিক শৰ্মাও নহয়। তেওঁ দেৱী বুলি লিখিছিল, মাধুৰী দেৱী। শ্ৰীযুতা বৰুৱাই এদিনা চৌধুৰীক সুধীলে।

"বাৰু, আমাৰ বেচ্‌চত মিশ্ৰ বুলি এজন ল'ৰা পঢ়িছিল। নামটো পাহৰিলোঁ।"

"সুধীৰ মিশ্ৰ।"

"জানো? কবিতা লিখে নহয়? কলেজত থাকোঁতেই এখন কবিতাৰ পুথি ছপা কৰি উলিয়াইছিল। বৰ দুষ্ট আছিল। কিতাপখনৰ নাম দিছিল মাধুৰিমা। লগৰ ছোৱালীবোৰে সেই লৈ মোক জোকাইছিল।"

ৰঘু চৌধুৰী মনে মনে ৰ'ল।

শ্ৰীযুতা বৰুৱাই সুধিলে, "তেওঁক কেতিয়াবা লগ পায়নে?"

"প্ৰায়েই পাওঁ। লৈ আনিম এদিন।"

শ্ৰীযুতা বৰুৱাই একো নক'লে। চৌধুৰীয়ে সম্মতি আছে বুলি ধৰি ল'লে।

সুধীৰ মিশ্ৰক লগ পায়েই চৌধুৰীয়ে তেওঁক ধৰিলে।

"বল মাধুৰী দেৱীৰ ঘৰলৈ যাওঁ।"

মিশ্ৰৰ ভুৰু কোঁচ খাই গ'ল।

"কোন মাধুৰী দেৱী?"

"পাহৰি গলি? আমি একেলগে পঢ়িছিলোঁ। তই দেখোন...।"
মিশ্ৰই চৌধুৰীক নিৰন্ত কৰিলে।
"হ'ব দে। তেওঁৰ হেনো বৰ ডাঙৰ বিষয়াৰ সৈতে বিয়া হৈছে। নিশ্চয় বেছ শকত হৈছে।"
"হৈছে।"
"মই নাযাওঁ।"
"কিয়?"
"মোপাৰ্চাৰ নিৰ্দেশ।"
"অৰ্থাৎ?"
"তেওঁ বয়সস্থা প্ৰাক্তন প্ৰেমিকাক লগ ধৰিবলৈ হাক দিছে।"

# বন্ধু

অসংখ্য বিভিন্ন ধৰণৰ সম্বন্ধ বুজাবলৈ একেটা শব্দ 'বন্ধু' ব্যৱহাৰ কৰা হয়। ৰঙা বুলি ক'লে ঠিক কি ধৰণৰ ৰঙা তাৰ এটা নির্ভুল ধাৰণা হয় জানো? কত ৰকমৰ বর্ণ-বিন্যাস! তেজ ৰঙা গোলাপ ফুল ৰঙা, নগা শ্বালৰ একো একোটা ষ্ট্ৰীপ ৰঙা। ৰঙাবে কিমান বর্ণ-বৈচিত্র্য।

সৰুতে যিসকলৰ লগত খেলিছোঁ, মাৰামাৰি কৰিছোঁ, তলৰ শ্ৰেণীত পঢ়িছোঁ, তেওঁলোক মোৰ বন্ধু। এই বন্ধুত্বৰ ধর্ম বেলেগ। অংক শাস্ত্ৰত যেনেকৈ কয়—প্ৰপার্টিজ অব্ এ ৰিং, এ ফিল্ড, ইত্যাদি। তেওঁলোকৰ কোনো এজনেও ডাঙৰ মানুহ হোৱা নাই।

আমাৰ বহুতো বিখ্যাত মানুহৰ আত্মকাহিনী পঢ়িছোঁ। লক্ষ্য কৰিছোঁ যে প্ৰতিজন ডাঙৰ মানুহ সৰুৰপৰাই ভাগ্যবান। বন্ধু-বান্ধৱ সকলোৱে ভৱিষ্যতে লেখত ল'বলগীয়া মানুহ হৈছে, অথবা যিসকলে ভৱিষ্যতে ডাঙৰ মানুহ হ'ব তেওঁলোকৰ লগতহে তেওঁৰ বন্ধুত্ব হৈছিল। শিল্পী, সাহিত্যিক, বুদ্ধিজীৱী, প্ৰখ্যাত ৰাজনৈতিক নেতা, সফল শিল্পপতি, এওঁলোক। এইটোৱেই স্বাভাৱিক। নহ'লেনো নিজেও এজন ডাঙৰ মানুহ হয় নে?

সৰুতে মোৰ লগ আছিল টুকুৰা, কান্দু, ৰামপ্ৰসাদ, এওঁলোক। আমাৰ ওচৰৰ মাঝিপাৰা, নাপিতপাৰা আৰু নেপালীপট্টীৰ ল'ৰা। প্ৰায়বোৰেই নাই। কি হ'ল? ক'ত গ'ল? মৰিল নেকি? সময়ৰ সোঁতত কোন ক'ত উটি গৈছে ক'ব নোৱাৰোঁ।

যোৱা বছৰ ভতিজা ছোৱালীজনীৰ বিয়াত ঘৰলৈ যাওঁতে প্ৰভাত ভূঁইমালীৰ নাতিল'ৰাজনক লগ পালোঁ। বয়সত আমাতকৈ ডাঙৰ হ'লেও প্ৰভাতো আমাৰ লগ আছিল। আগতে এওঁলোকে বাদ্যকৰ হিচাপে জীৱিকা নির্বাহ কৰিছিল। আজিকালি যিয়েই যি পাৰে তাকেই কৰে। পকেটমাৰো হ'ব পাৰে, পাণ-বিড়িৰ দোকানো দিব পাৰে, পথ পৰিবহন নিগমৰ অফিচৰ চকীদাৰো হ'ব পাৰে। প্ৰভাতৰ নাতিল'ৰাজনে এতিয়াও সম্পূর্ণভাৱে পৈতৃক বৃত্তি ত্যাগ কৰা নাই। বিছ বছৰমান বয়স হৈছে। হ'বই। আমি ক্লাছ ফাইভত থাকোঁতে প্ৰভাতৰ বিয়া হয়।

সিফালৰ বিয়াত এক বা একাধিক 'বৈৰাতী' থাকে। বিয়াৰ কিছুমান আনুষ্ঠানিক কাম এই তিৰোতা মানুহবোৰে অর্থাৎ বৈৰাতীবোৰে কৰে। বৈৰাতী সিফালৰ বিয়াৰ এক অপৰিহাৰ্য অংগ। সকলোৱে বৈৰাতী হ'ব নোৱাৰে। বহুতো নিয়ম-নীতি আৰু আনুষ্ঠানিক কর্মপদ্ধতি আছে। বিয়াঘৰত এওঁলোকৰ বেলেগ সম্মান। বৈৰাতীক সন্তুষ্ট কৰি ৰখাটো গৃহস্থৰ দায়িত্ব। তেওঁক তেওঁৰ পছন্দমতে কাপোৰ-কানি আৰু উপযুক্ত দক্ষিণা দিয়া হয়। বৈৰাতীবোৰ সাধাৰণতে ৰাজবংশী সম্প্ৰদায়ৰ মহিলা।

আজিকালি মধুপুৰৰ নতুন চাময় চিনি নাপাওঁ। সম্ভ্ৰান্ত বৈবাৰ্তাজনীয়ে মোক খুৰা বুলি সম্বোধন কৰি ভৰি ছুই সেৱা কৰিলে। মই ঠিক ধৰিব নোৱাৰিলোঁ। মোৰ বিমূঢ় ভাব লক্ষ্য কৰি তাই ওচৰত থকা মোৰ ভনীজনীক চিনাকি দিবলৈ ক'লে।

"মুই কায় কয়া দেনতো।"

"গোবিন্দৰ পৰিয়াৰ।"

তথাপি মই ধৰিব নোৱাৰিলোঁ।

"বিষাদুৰ ল'ৰা গোবিন্দ।"

"তাকেই ক।"

বিবাদু মোৰ সৰু কালৰ লগ। লগ লগ বুলিনো কিয় কৈ আছোঁ? বন্ধু বুলি কোৱা নাই কিয়? কি আপত্তি? বিবাদুৱে বোধহয় চতুৰ্থ শ্ৰেণীতেই পঢ়া বাদ দিলে। স্বাভাৱিকতে যোগসূত্ৰ ছিন্ন হৈ গ'ল। মাজতে ট্ৰাক চলাইছিল বুলি জানো। এতিয়াও ট্ৰাক চলাই আছেনে? আমাতকৈ বয়সত ডাঙৰ। অৱশ্যে বয়স লৈ কথা নাই। মাজতে ঘৰলৈ আহোঁতে দেৱান ড্ৰাইভাৰক লগ পাইছিলোঁ। বঙালী মানুহ, আগতে সত্য খুৰাৰ ট্ৰাক চলাইছিল। বগা চুলি, বগা ডাড়ি। মোক দেখি হাঁহিমুখে আগবাঢ়ি আহি মাত দিয়াতহে চিনি পালোঁ।

"আৰে কি খবৰ? ডাড়ি কেতিয়াৰপৰা ৰাখিছে?"

"আমাৰ আৰু কি খবৰ? এতিয়াও এই বয়সত গাড়ী চলাই আছোঁ।"

"গাড়ী চলাই আছে? ট্ৰাক?"

"বাছ, ট্ৰাক চলাব নোৱাৰোঁ। মগনলাল বাবুৰ কিয়েটখন চলাওঁ।"

"কিমান বয়স হ'ল আপোনাৰ?"

"আশীমানতো হ'ব?"

"এই বয়সত কিয় এইবোৰ কাম কৰি আছে?"

"নহ'লে কোনে খুৱাব?"

তেওঁৰ পৰিয়াৰ ঢুকাইছে। তেওঁৰ মতে ভালেই হৈছে। তেওঁৰ ল'ৰা তিনিজন। একেবাৰে নষ্ট হৈ গৈছে। কোন ক'ত আছে, কোনে কি কৰিছে তেওঁ একেবাৰেই নাজানে।

"জেলত আছে নে মানুহে কোবাই মাৰিছে একেবাৰেই নাজানো। গুণ্ডা-বদমাচবনো অইন কি গতি হ'ব? কপাল। পিছে দোষ মোৰেই। গোটেই জীৱন বাটে বাটে ঘূৰিলোঁ। ল'ৰাবোৰৰ ফালে চকু দিবৰ নহ'ল।"

মই নেছনেল হাইওৱেত শিলগুটি যোগান ধৰা কামৰ ঠিকা লওঁতে সত্য খুৰাৰ ট্ৰাকখনো ভাৰা লৈছিলোঁ। ওপৰৰ ফালে গংগাধৰ নৈৰ তলিত অপৰ্যাপ্ত শিলগুটি। নাৱেৰে সেই শিলগুটি আনি আগমনীৰ ঘাটত দ'ম কৰা হৈছিল। তাৰপৰা ট্ৰাকেৰে বাটলৈ লৈ যাব লাগিছিল।

তেতিয়া দেৱানৰ লগত ঘনিষ্ঠতা হয়। খুব দায়িত্বশীল মানুহ। দোকমোকালিতে উঠি কেম্পত থকা বাকী ড্ৰাইভাৰ আৰু ট্ৰাকত কাম কৰা বনুৱাবোৰক মাতি মাতি জগাই দিছিল।

মোতকৈ বয়সত বহুতো ডাঙৰ কাৰণে দেৱানক মই 'আপুনি' বুলি সম্বোধন কৰিছিলোঁ।

অন্য মানুহে কৈছে আচলতে তেওঁ হেনো সম্ভ্ৰান্ত পৰিয়ালৰ মানুহ। মদ খোৱাতো আছিলেই লগতে আনুষংগিক অইন গুণো আছিল। মদ তেতিয়াও খাইছিল কিন্তু মাত্ৰা চেৰাই নগৈছিল। গধূলি অলপ খাই ইমান গম্ভীৰ হৈ আছিল যে মই কিবা সুধিলেও তেওঁ একো উত্তৰ দিয়া নাছিল। মহৰী ৰঘুনন্দনে মোক কাৰণটো ব্যাখ্যা কৰি কৈছিল।

"দেৱানজী সাম্‌সে থোৰা পি লেতা হ্যায়। মানুহে গম পাব বুলি মুখেৰে একো নামাতে।" দেৱানক মোৰ বন্ধু বুলি ক'ব পাৰোঁ নে নাই? কিয় নোৱাৰিম? বন্ধুৰ সংজ্ঞানো কি? তেওঁ নিশ্চয় মোৰ শুভানুধ্যায়ী। নহ'লে মোকনো কিয় ক'বলৈ যাব?

"আপুনি এই কাম বাদ দিয়ক। দিনটো আমাৰ দৰে অশিক্ষিত মদাহী মানুহৰ লগত কিয় লেটিপেটি কৰি থাকিব লাগিছে? শান্তি পাইছেনে?"

বৰ কঠিন প্ৰশ্ন। শান্তিৰ সংজ্ঞা কি তাকেই নাজানো। দেৱানৰ লগত ঘনিষ্ঠতা হৈ গ'ল। মোৰ ধাৰণা তেওঁ মোৰ কাৰণে প্ৰয়োজন হ'লে প্ৰাণ দিবৰ কাৰণেও সাজু আছিল। প্ৰয়োজন হোৱা নাই কাৰণে দিয়া নাছিল। এইবোৰৰ কোনো যুক্তিসংগত ব্যাখ্যা নাই। কাৰোবাৰ লগত গোটেই জীৱন একেলগে থাকিও ঘনিষ্ঠতা নহ'ব পাৰে। সামাজিক বা আৰ্থিক অৱস্থাৰ লগত সম্বন্ধ নাই। ৰেজোনেন্স বা অনুনাদৰ কথা। মানসিক অনুভূতিৰ তৰংগ দৈৰ্ঘ্য এক হ'লেহে বোধহয় এনেকুৱা হয়।

আজি, এই বয়সত, বন্ধু-বান্ধৱৰ নামবোৰ মনত পেলাবলৈ চেষ্টা কৰিলে এওঁলোকৰ কথাই মনত পৰে। টুকুৰা, কান্দু, ৰামপ্ৰসাদ, বিষাদু, দেৱান। এওঁলোকৰ কোনো এজনো ডাঙৰ মানুহ নহয়।

মেছেৰৰ কথা নকওঁ কিয়? সিয়ো পঞ্চম শ্ৰেণীতেই পঢ়া এৰিলে। একেলগে পঢ়িলেও সি বয়সত আমাতকৈ কমেও পাঁচ-ছয় বছৰে ডাঙৰ। কি মুখ। প্ৰতিটো বাক্যত যৌনক্ৰিয়া সম্বন্ধীয় এক বা একাধিক শব্দ থাকিবই। কিবা দোষ কৰিলে শিক্ষকে শাস্তি দিব বুলি নকৈ তাতো সি যৌনক্ৰিয়া সম্বন্ধীয় শব্দ ব্যৱহাৰ কৰিছিল।

বহুত দিন আগতে ঘৰলৈ যাওঁতে দেখিছিলোঁ মেছেৰ কচ্চাই হৈছে। পিন্ধনত কোনো প্ৰকাৰে আঁঠুৰ তললৈ নমা এখন নীলা লুঙি, গাত এটা লেতেৰা ফতুৱা। ৰুক্ষ চেহেৰা, কথা-বতৰা অতিশয় কৰ্কশ। মই তাক এক সেৰ মাংস দিবলৈ ক'লোঁ। সি জোখ-মাখ নকৰাকৈ প্ৰায় দুই সেৰমান উৎকৃষ্ট মাংস বনাই দিলে।

"ইমান কিয় দিলি? কি কৰিম?" সি মানুহে মাংস লৈ কি কৰে বুলি প্ৰশ্ন কৰিলে আৰু নাজানো যদি গুহ্যদ্বাৰেদি ঠেলি সুমুৱাই দিয়াৰ প্ৰস্তাৱ দিলে। সি মোৰপৰা মাংসৰ দামো নল'লে। বৰ বেছি জোৰ কৰাবো সাহস নহ'ল। আৰু বা কি কয়।

মোৰ লগত একেলগে স্কুলত পঢ়াসকলৰ ভিতৰত কোননো ডাঙৰ মানুহ হৈছে? ক্লাছ থ্ৰিৰপৰা হিচাপ কৰা যাওক। ক্লাছত চহৰৰ তথাকথিত ভদ্ৰলোকৰ ল'ৰানো আছিল কেইজন? বেছিভাগ ল'ৰা হ'ল মধুপুৰক পৰিবেষ্টন কৰি থকা গাওঁবোৰৰ। চাড়ালডাঙা, আসাৰিকান্দি, বাইগনতলি, টিয়ামাৰী আনকি আলমগঞ্জৰপৰাও ল'ৰা আহিছিল। বহুতে গদাধৰ নৈ পাৰ হ'ব

লাগিছিল। বাৰিবা এই গাৰ্ডৰ ল'ৰাবোৰে যে কিমান কষ্ট কৰিছিল ধাৰণা কৰা টান। পিছে এই ল'ৰাবোৰ বেছিদিন স্কুলত থকা নাছিল। পঞ্চম বা ষষ্ঠ শ্ৰেণী পোৱাৰ লগে লগে পঢ়া-শুনা বাদ দিছিল। প্ৰায়বোৰ শিক্ষকে এই ল'ৰাবোৰৰ সৈতে অতিশয় দুৰ্ব্যবহাৰ কৰিছিল। সিইতৰ স্কুললৈ অহাটো যেন অনাধিকাৰ প্ৰৱেশ, সেই যুগত হৰিজনৰ মন্দিৰত প্ৰৱেশ কৰাৰ দৰে। সকলোৰে পক্ষে এই ধৃষ্টতা সহ্য কৰা টান। শেষ পৰ্যন্ত আমি মেট্ৰিক পৰীক্ষা দিছিলোঁ বোধহয় পোন্ধৰজনমানে। পাছ কৰা সকলৰ ভিতৰত কলেজলৈ গৈছোঁনো কেইজনে? মই, প্ৰভাত, সদানন্দ, আজিজুৰ এনেকুৱা কেইজনমানে। শ্যামাপদকো ধৰিব পাৰি। সি কলিকতাৰ কেম্বেল মেডিকেল স্কুলত পঢ়িছিল।

জীৱনত সৰু-ডাঙৰ বহুতো মানুহৰ সৈতে ঘনিষ্ঠতা হৈছে। কিন্তু আজি বন্ধু-বান্ধৱৰ কথা সুঁৱৰিবলৈ গৈ বাকীবোৰ নাম বাদ দি কেৱল ডাঙৰ মানুহকেইজনৰ নাম উল্লেখ কৰাটো নীতিবিৰুদ্ধ কাম হ'ব।

মই বাগানত থাকোঁতে ৰোলিং মেচিন বহুৱাবৰ কাৰণে তিনিচুকীয়াৰ মিলছুৱাখৰ্ব্বপৰা মেকানিক এজন আহিছিল। খুব পাকৈত মেকানিক। মানুহে যাদুকৰ বুলি কৈছিল। প্ৰশিক্ষণপ্ৰাপ্ত ইঞ্জিনীয়াৰে ভাল কৰিব নোৱাৰা মেচিনো হেনো তেওঁ ভাল কৰি দিব পাৰিছিল। থাকে, কিছুমানৰ জন্মগত প্ৰতিভা থাকে। ঠিকাদাৰী কৰি থকা সময়ত বীৰসিং বুলি মণিপুৰী ড্ৰাইভাৰ এজনক পাইছিলোঁ। বাটত গাড়ী বেয়া হ'লে এটুকুৰা তাঁৰ, চিগাৰেটৰ পেকেটত থকা ৰাংপতা, এই ধৰণৰ বস্তু ব্যৱহাৰ কৰি হ'লেও গাড়ীখন অন্ততঃ ঘৰলৈ লৈ আনিছিল।

মেকানিকজনক দেখি মই খুব কৌতুক বোধ কৰিলোঁ। আৰে, ই দেখোন আমাৰ ৰামলাল, ৰামলাল সিং। মধুপুৰৰ পুলিচ আউটপ'ষ্টৰ হাবিলদাৰৰ ল'ৰা। আমি একেলগে পঢ়িছিলোঁ। সি ক্লাছ ছেভেনত থাকোঁতে তাৰ দেউতাক বদলি হ'ল। তাৰ পিছত তাৰ কোনো খবৰ পোৱা নাই।

"তই?"

সি নীৰব।

"মোক চিনি পোৱা নাই?"

"কিয় নাপাম?"

"তেনেহ'লে মতা নাই কিয়?"

তাৰ মনৰ অৱস্থা বুজি নোপোৱা নহওঁ। সি এজন মেকানিক, মোৰ লগত কেনেকুৱা ব্যৱহাৰ কৰিব লাগে ঠিক ধৰিব পৰা নাই। মই তাক জোৰ কৰি মোৰ লগত ৰাখিলোঁ। তাৰ কি অস্বস্তি। একে টেবুলত বহি মোৰ লগত খোৱাতো তাৰ আপত্তি।

"এ্যাঃ, লেতেৰা-পেতেৰা হৈ আছোঁ। মই পাকঘৰত গৈ পটকৈ খাই লওঁ।"

মই বাগানৰ কামত তিনিচুকীয়ালৈ গৈছিলোঁ। ৰামলালে মোক জোৰকৈ ধৰিলে, সি মোক এসাজ খুৱাব। ভাল কথা। আপত্তিৰ কি আছে? এইবোৰ কথাত মোৰ কোনো ক্ষতি নাই। লোকবাকাৰত হাস্পতাল বনাই থাকোঁতে কাঠৰ কামৰ দায়িত্বত থকা তাৰে স্থানীয় কাঠমিস্ত্ৰীজনে

কিম্বা বিশেষ পাৰ্বণ উপলক্ষে মোক তেওঁৰ ঘৰত ভাত খাবলৈ মাতিছিল। মহৰী যদুনন্দনৰ বিৰাট খং।

"তাৰ ইমান সাহস। আপোনাক তাৰ ঘৰত ভাত খাবলৈ মাতিছে।"

"তোমাকো মাতিছে বুলি কৈছে দেখোন। ব'লা, বাতি কৰি কি লাভ?"

গধূলি বিল্লা এখন লৈ ৰামলাল উপস্থিত। কিমান দূৰত বা তাৰ ঘৰ? ক'ত ঘৰ? সি মোক চহৰৰ আটাইতকৈ ভাল হোটেলখনত নি তুলিলে।

"ইয়াত কিয়? তোৰ ঘৰৰ কি হ'ল?"

"হ'ব, হ'ব। এইবোৰ কথা পিছত হ'ব।" সি ব্যস্ত হৈ উঠিল। আগতেই সকলো বন্দবস্ত কৰি থৈ গৈছে। যেনেগ এটা কোঠাত মোক বহুৱালে। তাৰ হুকুমমতে বিভিন্ন খাদ্যদ্ৰব্যৰ সমদল।

"তই নখহ?"

"হ'বচোন, হ'ব।"

অকাৰণে সি পাক মাৰি ফুৰিবলৈ ধৰিলে। কোঠাত কোনো নাই। তথাপি কাণৰ কাষত মুখখন আনি সি ফুচফুচাই ক'লে।

"ইহঁতে একেবাৰে খাঁটি বিলাতী বস্তু ৰাখে। দিব নেকি?"

"নালাগে।"

মই দ্বিতীয়বাৰ ৰামলালক মোৰ লগত বহি খাবলৈ অনুৰোধ নকৰিলোঁ। এজনে এই খানা খালে যি খৰচ হ'ব, দুজনে খালে তাৰ পৰিমাণ দুগুণ হ'ব।

আকৌ সি বিল্লা এখনেৰে মোক থ'বলৈ আহিল। হাক দিলোঁ, নুশুনিলে। মই আকৌ তাক প্ৰশ্ন কৰিলোঁ।

"ঘৰত ব্যৱস্থা নকৰিলি কিয়?"

"ঘৰত ব্যৱস্থা কৰাৰ উপায় নাই নহয়। ঘৰৰ মানুহজনী থাকিব নালাগিব? এই নিজে ৰান্ধি মচুৰ দাইল আৰু আলু পিটিকা দি খুৱালেহে হ'ব।"

"বিয়া কৰোৱা নাই এতিয়াও? তইঁতবতো সৰুতেই বিয়া হয়।"

"কৰাইছিলোঁ। সকলোৰে ভাগ্যত সকলো বস্তু নহয়। মোৰ প্ৰতি মৰম নাই, মানিলোঁ, অকণমানি ছোৱালীজনীক কেনেকৈ অকলে ঘৰত এৰি থৈ গ'লি? ছোড় দো।" এই প্ৰথম সি মোক আকৌ তই বুলি সম্বোধন কৰিলে। ইমানদিনে সি ভাববাচ্যত কথা পাতি আছিল।

(২)

মাজতে ৰামলালৰ কথা সম্পূৰ্ণৰূপে পাহৰি গৈছিলোঁ। ভৱিষ্যতে আকৌ পাহৰি যাম। এয়াই স্বাভাৱিক। মৰো বাগানৰ কাম এৰি গুচি আহিলোঁ। গতিকে ৰামলালৰ লগত দেখা হোৱাৰ সম্ভাৱনা খুবেই কম। সাত বছৰমান পাছত ডিব্ৰুগড়লৈ গৈছিলোঁ। মোৰ খুলশালি এজন চিকিৎসা মহাবিদ্যালয়ৰ অধ্যাপক। তাতেই উঠিছিলোঁ। কলেজ টোহদৰ গেটৰ মুখত

ৰামলালৰ সৈতে দেখা। মই লক্ষ্য কৰা নাছিলোঁ। সিয়েই মাত দিলে।

"আৰে ভদ্ৰ, তই ইয়াত কিয়? কাৰোবাৰ অসুখ নেকি?"

"নাই। বেলেগ কামত আহিছোঁ। মোৰ খুলশালি এজন কলেজৰ ডাক্তৰ। তেওঁৰ তাতে আছোঁ। তোৰ কি?"

"ওৱাইফক থৈছোঁ। অলপ টান।"

"ওৱাইফ? কেতিয়া আকৌ বিয়া কৰালি?"

"আকৌ নহয়, আগৰজনীয়েই।"

মই একো মন্তব্য নকৰিলোঁ, এইবোৰ তাৰ কথা। ৰামলালে নিজেই কৈফিয়ৎ দিলে।

"ৰাতিপুৱা টোপনিৰপৰা উঠি আগফালৰ দুৱাৰখন খুলি দেখোঁ সমুখৰ জামু গছজোপাৰ তলত কোনোবা এজনী পৰি আছে। ঘৰৰ সমুখত কোন এনেকৈ পৰি আছে? মৰিছে যদি আৰু এক জুলুম। ব্যস্ত হৈ আগবাঢ়ি গ'লোঁ। দুখোজমান গৈ চক্ খাই উঠিলোঁ। আমাৰ তেওঁ। ভিক্ষাৰীৰ অধম অৱস্থা। চেহেৰা-পাতিয়েই চাবি নে কাপোৰ-কানিয়েই চাবি। কেঁকনিৰ শব্দ শুনি বুজি পালোঁ যে জীয়াই আছে। ভালকৈ কেঁকাৰও পৰা নাই। কি কৰা উচিত আছিল? তাইক তেনেকৈ গছৰ তলতেই মৰিবলৈ দিব লাগিছিল নেকি?"

ৰামলালে প্ৰত্যাহ্বান জনাই স্থিৰ দৃষ্টিৰে মোৰ ফালে চালে। নিশ্চিতভাৱে উপলব্ধি কৰিলোঁ যে ভৱিষ্যতে তাক কেতিয়াবা লগ পাওঁ বা নাপাওঁ সঁচাকৈ সি মোৰ বন্ধু। তাক বন্ধু বুলি স্বীকাৰ কৰাত একো লাজ পাবলগীয়া নাই।

# অনুভূতি

ঘৰটোৱে সঁচাকৈ দৃষ্টি আকৰ্ষণ কৰে। কেৱল বিৰাট বুলিয়েই নহয়, অপূৰ্ব নিৰ্মাণশৈলী। হৰিপদ চৌধুৰীয়ে অলপ বৈ সপ্ৰশংস দৃষ্টিৰে ঘৰটোৰ ফালে চালে।

চৌধুৰীৰ লগত আছিল মহিম বৰুৱা। বৰুৱাই সুধিলে, "কি হ'ল? বৈ গ'লা যে?"

"এই ঘৰটো-চোৱাচোন, কি অদ্ভুত ডিজাইন?"

"শশধৰক মনত আছে? শশধৰ কলিতা? আমাৰ লগত ফাৰ্ষ্ট ব্লকত আছিল।"

"কিয় নাথাকিব? বৰ শান্ত স্বভাৱৰ ল'ৰা আছিল।"

"কিমান ভাত খাইছিল মনত আছে? সকলোৱে খোৱা হৈ যোৱাৰ পিছতো সি একান্ত মনে খাই গৈছিল। বামুনিয়ে বিৰক্তি প্ৰকাশ কৰিছিল, সি হ'লে নিৰ্বিকাৰ। বাৰু, তুমি লক্ষ্য কৰিছিলানে?"

"কি?"

"ৰাতিপুৱা গা ধোৱাৰ আগতে সদায় সি হাতপাতি পাকঘৰৰ দুৱাৰমুখত থিয় হৈছিল?"

"কিয়?"

"মূৰত ঘঁহাৰ কাৰণে অলপ মিঠাতেল লাগে।"

"হয় নেকি? মই মন কৰা নাছিলোঁ।"

"কৰিব লাগে। মানুহৰ এই ভংগীবোৰৰপৰা কাৰ স্বভাব কেনেকুৱা ধৰিব পাৰি। তুমি বোলে আকৌ গল্প লিখা। কি যে লিখা ভগৱানে জানে। মই অৱশ্যে পঢ়া নাই।"

"দিম এখন কিতাপ। পঢ়ি চাবা।"

"কোনো দৰকাৰ নাই। তোমাৰ কিতাপ পঢ়ি মই সময় নষ্ট কৰিব নোৱাৰোঁ। তাতোকৈ বাৰীত কোৰ মাৰি দুডালমান বেঙেনা পুলি লগাম।"

"তোমাৰ বাৰী আছে জানো?"

"নাথাকিলে কি হ'ল? এইয়া হ'ল চিম্বলিক। মানে তোমাৰ কিতাপ পঢ়াতকৈ অইন দৰকাৰী কাম কিবা এটা কৰিম।"

"বাৰু বাদ দিয়া। পিছে হঠাতে শশধৰ কলিতাৰ কথা কিয় উলিয়ালা?"

"মই কিয় উলিয়াম? তুমিহে উলিয়ালা?"

"মই?"

"শশধৰ কলিতাৰ ঘৰ দেখি তুমিয়েই সেখোন বাটত ফিট হৈ পৰি যোৱাৰ উপক্ৰম

কৰিছিলা।”

হৰিপদ চৌধুৰীৰ এইবেলিহে ফিট হোৱাৰ দৰে অৱস্থা হ'ল।

“কলিতাৰ ঘৰ? তেওঁতো বৰ ডাঙৰ কাম কৰা নাছিল। ইম্‌মান ডাঙৰ ঘৰ সাজিছে? কিমান লাখ টকা কৰিছে তেনেহ'লে?”

“তুমি এতিয়াও কিবা লাখৰ ঘৰতেই আছা। আজিকালিৰ হিচাপ লাখত নহয়, কোটিত হয়। লাখ টকা একো টকাই নহয়। দুনিয়াৰ একো খবৰেই নাজানা, ইফালে আকৌ গল্প লিখা। জ্ঞানৰ পৰিধি বিস্তৃত কৰা। নহ'লে লিখা বাদ দিয়া বা কেনেকৈ লিখিব লাগে সেই সম্বন্ধে নতুন চাম লেখকক উপদেশ দিবলৈ আৰম্ভ কৰা।”

“নিজে লিখিব নোৱাৰিলে অইনক কেনেকৈ উপদেশ দিম?”

“এইটোৱেইতো দস্তুৰ। খেলুৱৈবোৰক দেখা নাই? নিজে খেলিব নোৱাৰা হ'লে কোচ হয়।”

অকল শশধৰ কলিতাৰ ঘৰটোৱেই নহয়, গোটেই অঞ্চলটোত বিৰাট বিৰাট অট্টালিকা। একো একোটা যেন ৰাজপ্ৰাসাদ। ছবিত দেখা বিত্তশালী দেশৰ এটা অংশ, বিদেশৰপৰা আনি ইয়াত বহুৱাই দিছে। অসমৰ সামগ্ৰিক পৰিৱেশৰ লগত কোনো মিল নাই।

(২)

ৰাতিপুৱা দহমান বজাত মহিম বৰুৱা হৰিপদ চৌধুৰীৰ ঘৰত উপস্থিত। চৌধুৰীৰ পুৰণি বন্ধু-বান্ধৱৰ ভিতৰত তেঁৱেই এতিয়াও যোগাযোগ ৰক্ষা কৰি আছে। মাজেমধ্যে খা-খবৰ ল'বলৈ আহে। চৌধুৰী মোৰ তালৈ নাযায়, মই কিয় বাৰে বাৰে আহি থাকিম—এইবোৰ হিচাপ-নিকাচ কৰিবৰ নাই।

চৌধুৰীয়ে সুধিলে, “চাহ খাবা?”

“মোৰ আপত্তি নাই। পিছে তৎক্ষণাৎ হুকুম নিদিবা। মেজাজ কেনেকুৱা আছে আগতে চাই লোৱা।”

“মেজাজ আৰু কেনেকুৱা থাকিব।”

“এইয়া, সংসাৰৰ কি খবৰ ৰাখা? আমাৰ তেওঁতো জ্বলি উঠে। এই কেৰাহিত দাইল উতলি আছে, এই বেঙেলা কেইডোখৰ দেৱাই যায়। চাহৰ কথা ক'লে জকজকাই উঠে।”

“কি যে কোৱা।”

“ঠিকেই কৈছোঁ। আৰু তুমি বুলি জানিলেতো কথাই নাই। বহ্বাৰীত কম নহয়, একো কাম নাই যদি আখে ভাজি থাকা। 'নাই কাজ তো খৈ ভাজ।' তুমি হেনো তাকেই কৰা।”

হৰিপদ চৌধুৰীয়ে হাঁহিলে। মহিম বৰুৱাৰ পৰিবাৰ অতি অতিথি পৰায়ণ মহিলা। এতিয়াও ঘৰত নানা ধৰণৰ খোৱা বস্তু বনায়। মানুহক খুওৱাই তৃপ্তি পায়।

হৰিপদ চৌধুৰীয়ে মহিম বৰুৱাক আগৰ্যাই নিয়াৰ কাৰণে গেটৰ মুখলৈ আহিলে।

“কিহেৰে যাবা? চিটী বাছত খুব ভিৰ হ'ব নিশ্চয়।”

"নাই, চিট বাহুত কিয় যাম?"

"এই বিল্লা।"

চৌধুৰীয়ে সমুখেৰে গৈ থকা বিল্লাখন বখাই দিলে। মহিম বৰুৱাই কৌতূহল প্ৰকাশ কৰিলে।

"বিল্লাখন ৰখালা কিয়? ক'ৰবালৈ যাবা নেকি?"

"নহয় তোমাৰ কাৰণে।"

"মোক বিল্লা নালাগে। খোজ কাঢ়ি যাব পাৰিম। আহাঁচোন আঁহা, অলপ আগবঢ়াই দিবা। অলপ খোজ কাঢ়িলে বাটত ফিট হৈ পৰি নোযোৱা তো?"

(৩)

আশ্চৰ্য! এই অঞ্চলত যে ইতিমধ্যে ইমানবোৰ ঘৰ-দুৱাৰ হৈছে চৌধুৰীয়ে ক'বই নোৱাৰে। ইফালে ট্ৰেজাৰী আৰু সিফালে ষ্টেট বেংক, এয়াইতো তেওঁৰ ভ্ৰমণসূচী। বয়স হোৱা বুলি আজিকালি সামাজিক ক্ৰিয়া-কৰ্মতো তেওঁ যোগদান নকৰে। মহিম বৰুৱাৰ সকলো নখ দৰ্পণত। শশধৰ কলিতাৰ ঘৰো তেওঁ চিনি পায়।

ভিক্ষাৰিণীজনীৰ কোলাত এটা কেঁচুৱা। মানুহ এজনীৰ কোলাত আছে যেতিয়া মনুষ্য সন্তানেই হ'ব। অকলশৰীয়াকৈ দেখিলে অৱশ্যে ধৰা মস্কিল। ভিক্ষাৰিণীজনীৰ পিন্ধনত শতচ্ছিন্ন লেতেৰা শাৰী। হয়তো এটা সময়ত শাৰীখনৰ ৰং নীলাই আছিল। গাত ব্লাউজ-ব্লাউজ একো নাই। মলিৰে কাপোৰৰ ৰঙেই ঢাক খোৱা নাই, শৰীৰৰ দৃশ্যমান অংশত মলিৰ তৰপ। তাইৰ দৰে হৃতসৰ্বস্ব কোনোবা এজনৰ বাহিৰে কোনেও তাইৰ সৈতে যৌনক্ৰীড়াতো লিপ্ত হ'বলৈ নাযায়। তাইক দেখিলে দয়াৰ সলনি মনত ঘৃণাহে ওপজে।

"বাবু দশটা পইচা দেন।"

মহিম বৰুৱাই তাইক ভাবি দিলে।

"দহটা পইচাৰে তোমাৰ কি হ'ব? তোমাক এটা ঘৰ লাগে, আচবাব-পত্ৰ লাগে। বিছনা-পত্ৰ, কাপোৰ-কানি লাগে। কেঁচুৱাটোৰ কাৰণে বেবীফুড আৰু ভাইটামিন ড্ৰপচ্ লাগে। কমেও পাঁচ লাখ টকাৰ প্ৰয়োজন। মই ক'ৰপৰা দিম? ভাগ্।"

এনেকৈ উপেক্ষিত হোৱাটো তাইৰ জীৱিকাৰ আনুষঙ্গিক অংগ। কোনোবাই তিৰস্কাৰ কৰে, কোনোবাই উপদেশ দিয়ে, কোনোবাই কাম কৰাৰ পৰামৰ্শ দিয়ে। ভিক্ষাৰিণীজনীয়ে নিৰ্বিকাৰভাৱে হাতখন আঁতৰাই ল'লে।

হঠাতে মহিম বৰুৱাই জেপৰপৰা এখন দহটকীয়া নোট উলিয়াই আনি তাইৰ ফালে আগবঢ়াই দিলে।

"হোঃ সৰবৰ দোকানৰপৰা বিহ কিনি ল'বা। কেঁচুৱাটোকো খুৱাবা, নিজেও খাবা।"

হৰিপদ চৌধুৰীয়ে হাঁহিলে, "দোকানীয়ে তাইক বিহ দিব জানো?"

মহিম বৰুৱা খণ্ডত জ্বলি উঠিল, "মই কেনেকৈ জানিম দিয়ে নে নিদিয়ে? দেট ইজ নট

মাই লুক আউট।"

(৪)

হৰিপদ চৌধুৰীৰ ভতিজা জোঁৱায়েক এজনে বেংকত কাম কৰে। অলপতে মহিম বৰুৱাৰ ঘৰৰ ওচৰতে ঘৰ ভাৰা লৈছে। বস্তুৰ গাড়ীত ভতিজা ছোৱালীজনীৰ ঘৰলৈ যাওঁতে চৌধুৰী মহিম বৰুৱাক এবাৰ মাত দিবলৈ গ'ল। বৰুৱা ঘৰত নাই। চৌধুৰীক দেখি বৰুৱাৰ পৰিয়ালে খুব ভাল পালে।

"এওঁ আপোনাৰ কিতাপ কিনিবলৈ গৈছে।"

"মোৰ কিতাপ?"

"বিয়াৰ বতৰ, কেইবাখনো বিয়ালৈ যাব লাগিব। বিয়াত তেওঁ আপোনাৰ কিতাপহে দিয়ে। সকলো দোকানত হেনো নাপায়। তেওঁ প্ৰকাশকৰপৰা একেলগে কেইবাখনো কিতাপ কিনি আনে।"

এইবোৰ কথাৰ উত্তৰত অলপ হঁহাৰ বাহিৰে অইন একো কৰিবৰ নাই। চৌধুৰীয়ে তাকেই কৰিলে।

"তেওঁ খবৰ কৰিয়েই থাকে। আপোনাৰ কিতাপ ওলালেই লগে লগে লৈ আনে। নিজেতো পঢ়েই, পঢ়ি থাকোঁতে কোনোবাখিনি ভাল পালে পাকঘৰত গৈ মোকো পঢ়ি শুনাই আহে। বহক, আহিবৰ হৈছে। চাহ একাপ তো খাওক।"

"চাহ নাখাওঁ। মোৰ ভতিজা ছোৱালীজনীৰ তাত খালোঁ।"

"কোন নো আপোনাৰ ভতিজা ছোৱালী?"

"সেইয়া, সেই ৰঙা ঘৰটোৰ দোতলাত থাকে। ৰঞ্জন দত্ত, অলপতে আহিছে।"

যাম, খবৰ কৰিম। কঁঠালৰ চপ কৰিছোঁ, এটা খাই চাওকচোন, কেনেকুৱা হৈছে?"

হৰিপদ চৌধুৰীয়ে কৌতুক বোধ কৰিলে, "মহিমে মোৰ কিতাপ পঢ়ে নেকি?"

"ভাল কথা কৈছে। আপোনাৰ কিতাপ কেতিয়া ওলায় খবৰ লৈ থাকে। আপোনাৰ প্ৰকাশকক তো গালি পাৰি থাকে। সদায় সদায় মানুহৰ কিতাপ উন্মোচন হৈ থাকে, আপোনাৰ নাম কৰি কয়—এওঁৰ কিতাপ তো উন্মোচন নহয়, বিজ্ঞাপনো চকুত পৰা নাই। মানুহে কেনেকৈ জানিব?"

লেখক হিচাপে চৌধুৰী আনন্দত উচ্ছ্বসিত হৈ নুঠিল। মহিম বৰুৱাৰ কথা শুনি অজ্ঞাতে তেওঁৰ বুকুখন টনটনাই উঠিল। কাৰোবাৰ অকৃত্ৰিম শুভেচ্ছাই মনত এক অনৈসৰ্গিক অনুভূতিৰ সৃষ্টি কৰে। চৌধুৰীয়ে জানে যে মহিম বৰুৱাৰ মতামত পক্ষপাতশূন্য নহয়। বৰুৱাই তেওঁক ভাল পায় কাৰণে তেওঁৰ লিখাও ভাল পায়। তথাপি। অন্ততঃ এজন মানুহে তো তেওঁৰ কিতাপ পঢ়ি ভাল পায়।

# অন্য এক মধুপুৰ

এইবেলি মই মোৰ মধুপুৰৰ ঘৰলৈ যাওঁতে এজন বুঢ়া মানুহ মোক লগ ধৰিবলৈ আহিল। ক্ষীণ চেহেৰাৰ ধুনীয়া বুঢ়া। বুঢ়া মানুহ এজনো যে ইমান ধুনীয়া হ'ব পাৰে, এওঁক দেখিহে সেই কথাষাৰ উপলব্ধি কৰিব পাৰি। বুকুলৈ নামি অহা ধকধকীয়া পকা ডাঢ়ি। ক্রমাৎ প্রস্থ কমি আহি বুকুৰ তলত এটা বিন্দুত শেষ হৈছে। তেওঁৰ চকুৰ দৃষ্টি স্নিগ্ধ আৰু শান্ত।

"আপুনি আহিছে বুলি শুনিলোঁ। ভাবিলোঁ যাওঁ, এবাৰ লগ ধৰি আহোঁ। বাপৰে, কিমান দিন আগৰ কথা।"

মানুহজনৰ মাতটোও অতি কোমল আৰু শান্ত। বহাকোঠাত মই মোৰ ভাইৰ লগত কথা পাতি আছিলোঁ। মই সপ্রশ্ন দৃষ্টিৰে তাৰ ফালে চালোঁ। অর্থাৎ এওঁ নো কোন?

"সুনীল বাবু। চিনি পোৱা নাই?" কেনেকৈ চিনি পাম? চিনি পোৱাৰ কথা নহয়। কিমান যুগ আগৰ কথা। মাজতে কেতিয়াও লগ পোৱা নাই। শেষবাৰৰ কাৰণে যেতিয়া সুনীল চক্রবর্তীক দেখোঁ তেতিয়া তেওঁ ৰামবাবুৰ দোকানত আছিল। কিবাকৈ চলি থাকক বুলি ৰামবাবুৱে তেওঁৰ সাময়িক ব্যৱস্থা এটা কৰি দিছিল। অতি শান্ত, ভদ্র, ধুনীয়া ডেকা ল'ৰা। অথচ এই শান্ত ল'ৰাজনে প্রায়েই ৰাতি মদ খাই দোকানৰ বাৰাণ্ডাত মৰাৰ দৰে পৰি থাকিছিল। আৰু আচৰিত কথা এই যে মদ খাই বেহুচ হৈ পৰি থাকিলেও কোনেও তেওঁক খং বা ঘৃণা কৰা নাছিল। এজন ৰুগ্ন অসহায় মানুহৰ প্রতি যেনেকৈ সহানুভূতি আৰু কৰুণা হয় তেওঁৰ প্রতিও তেনেকুৱাই হৈছিল। ৰাতি ঘৰলৈ যোৱাৰ আগতে ৰামবাবুৱে ৰাতি দোকানত থকা ঠেলাৱালা ৰামযশক নির্দেশ দিছিল।

"এইটোক গাদীত তুলি থবিচোন।" মইও প্ৰায় ৰামদাৰ দোকানলৈ গৈছিলোঁ। মই কিয়? মধুপুৰৰ সকলোৱে গৈছিল। তেওঁৰ দোকানখন আছিল এখন আড্ডাখানা। সুনীলে বাৰাণ্ডাত বহি তলমূৰকৈ কাম কৰিছিল। অতি ভদ্ৰ ল'ৰা, কথা-বতৰা অত্যন্ত মার্জিত। এইজন মানুহেই গধুলি মদ খাই ৰাস্তাত পৰি থাকে বুলি ভাবিবই নোৱাৰি। মদ খাই এনেকৈ নিমাত আৰু নিশ্চল হৈ থকা মানুহ মই দ্বিতীয় এজনক দেখা নাই।

দিনটো একেবাৰে শান্ত। কোনোবা বয়সস্থ মানুহে কেতিয়াবা তেওঁক মাত দিছিল।

"সুনীল।"

"আজ্ঞে?"

আজ্ঞে মানে আজ্ঞা কৰক অর্থাৎ হুকুম দিয়ক।

এই মধুপুৰতেইতো আছিল মহাদেৱ। মহাদেৱ কানু। এটোপ মদ পেটত পৰাৰ লগে লগে একেবাৰে আটিলা দি হৈ। দুয়োখন হাত কঁকালত দি সি সকলোকে প্ৰত্যাহ্বান জনাইছিল। প্ৰতিজন মানুহক সি সাৱধান কৰি দিছিল—কোনেও যেন তাৰ বিৰুদ্ধে লাগিবলৈ নাযায়। অন্যথা সি মানুহজনক চৰম শাস্তি দিব আৰু এই শাস্তিৰ পদ্ধতি হ'ল যৌন অত্যাচাৰ। সি অৱশ্যে এই ভীতি প্ৰদৰ্শন কৰোঁতে হিন্দী শব্দ প্ৰয়োগ কৰিছিল। কোনোবাই প্ৰতিবাদ কৰিলে সি জকি উঠে, প্ৰতিবাদ নকৰিলে আৰু বেছিকৈ জকি উঠে। হাতমূৰ জোকাৰি ঢলংপলংকৈ বাটেৰে গৈ থাকোঁতে উত্তেজনাত ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি সি বাগৰি পৰে। উঠিবলৈ চেষ্টা কৰিও উঠিব নোৱাৰিলে তাৰ মেজাজ আৰু গৰম হৈ যায়।

মহাদেৱে মাৰো খায়। প্ৰায়বোৰ মানুহে তাৰ গালাগালিত কাণ নিদিয়ে, উপেক্ষা কৰি যায়। কিছুমানে প্ৰতিবাদ কৰে, পিটনিও দিয়ে। বিবেচক মানুহে হাক দিয়ে।

"নামাৰিবাহে, মদাহী মানুহ। সামান্য মাৰতো হঠাতে মৰি যাব পাৰে। প্ৰেছাৰ খুব হাই হৈ থাকেতো। মৰি গ'লে বিপদত পৰিবা।"

মানুহৰ ধাৰণা যে মাতাল এজনে সামান্য আঘাত পাই তৎক্ষণাৎ মৰি যাব পাৰে। বৈজ্ঞানিক ব্যাখ্যাও আছে। কিন্তু এইয়া কিমান সত্য ক'ব নোৱাৰোঁ। মহাদেৱে জানো কম মাৰ খাইছিল? সি মাৰ খাই মৰা নাছিল, লিভাৰ চিৰোছিছ হৈ মৰিছিল।

বিজয়দাইও এসময়ত অত্যধিক মদ্যপান কৰিছিল। তেওঁ মোক খুব মৰম কৰিছিল। নিজে মদ খালেও তেওঁ মোৰ চৰিত্ৰ নিষ্কলুষ ৰখাৰ কাৰণে নিৰন্তৰ সচেষ্ট আছিল।

"মদ খাইছ বুলি গম পালে বাটতেই ধুতি খুলি চাবুক মাৰি তোৰ তপিনা ৰঙা কৰি দিম। পাছত যি হয় হ'ব, দেখা যাব।" তেঁৱেই মোক কৈছিল, "মদ খাই বাটত কেতিয়া ক'ত কেনেকৈ পৰোঁ একো তো ঠিক নাই। ব'ভাৰৰ দ'মৰ ওপৰত পৰোঁ, উজুটি খাই পিচৰ ড্ৰামৰ ওপৰতো পৰোঁ। ক'ত নপৰোঁ? একো তো নহয়। এনেয়ে পৰিলে হাতভৰি নাভাঙিলে হয়।"

বিভিন্ন মানুহে বিভিন্ন কাৰণে মদ খায়। কিছুমান আচল কাৰণ, কিছুমান সাজি লোৱা কাৰণ। কিছুমানে প্ৰেমত ব্যৰ্থ হ'লে মদ খায়। এইটো স্বাভাৱিক কাৰণ নে শৰৎচন্দ্ৰই দেৱদাসক মদ খুওৱাই এই নিয়মৰ প্ৰচলন কৰিছে তাকো নিশ্চিতভাৱে ক'ব নোৱাৰি।

বহুতেই মদ খায়। তাৰে কিছুমান সঁচাকৈ ভাল মানুহ, কিছুমান জঘন্য চৰিত্ৰৰ মানুহ। মদ খোৱা প্ৰতিভাশালী মানুহো থাকিব পাৰে। সুপ্ৰসিদ্ধ বঙালী কবি শক্তি চট্টোপাধ্যায়ৰ অলপতে মৃত্যু হয়। তেওঁৰ হেনো মদ্যপানৰ কোনো মাত্ৰা নাছিল।

মানুহে মদ খাই হুলস্থুল কৰে, চিঞৰ-বাখৰ কৰে। কিছুমানে পাত পৰি কাজিয়া কৰাৰ তালতেই থাকে। সুনীল চক্ৰৱৰ্তীয়ে মদ খাই সম্পূৰ্ণ নিৰ্বাক হৈ পৰিছিল। তেওঁ ৰামবাবুৰ দোকানৰ বাৰাণ্ডাত কোঁচমোচ খাই শুই থাকে। কেতিয়াবা বাৰাণ্ডা নাপায়গৈ। বাটতেই নিৰ্বিকাৰভাৱে শুই থাকে। মানুহে দাঙি মাজবাটৰপৰা বাটৰ কাষত থৈ দিয়ে। সুনীল বাবুৰ কোনো হুচ নাই, লেহেকা জড় পদাৰ্থ। বাটেৰে ট্ৰাকবোৰ যায়, মৰিব কোনোৱা দিনা।

মানুহে আক্ষেপ কৰিছিল, কিন্তু খং কৰা নাছিল। এনেয়ে ল'ৰাজন তো খুবেই ভাল।

বিলয়ৰ অৱতাৰ।

(২)

সুনীল চক্ৰবৰ্তীক লগ পাই পুৰণি দিনৰ কথাবোৰ মনত পৰিবলৈ লৈছে। জীৱনতকৈ কম মানুহক লগ পোৱা নাই। কিমান ঘনিষ্ঠতা, কিমান অন্তৰংগতা। এতিয়া কোনে ক'ত আছে, কি কৰিছে, জীয়াই আছে নে মৰিছে, জীৱনত উন্নতি লাভ কৰিছে নে নাই, একেবাৰেই নাজানো। কিছুমানতো কোনো শুংসূত্ৰ নোহোৱাকৈ অদৃশ্য হৈ গৈছে। স্কুলৰ সহপাঠীবোৰ প্ৰায় সকলোৱে অন্তৰ্হিত। আমি যি কেইজনে একেলগে মেট্ৰিকুলেচন পৰীক্ষা দিছিলোঁ তাৰে কেইজনমানৰ লৈতেহে ক্ষীণ যোগসূত্ৰ আছে। হঠাতে তাৰে কাৰোবাৰ ল'ৰা বা ছোৱালীৰ বিয়াৰ নিমন্ত্ৰণ পত্ৰ পাই চিন্তা কৰিব লাগে; কোনে মাতিছে, কিয় মাতিছে। বাকীবোৰৰ কোনো খবৰেই নাপাওঁ। নিত্যেনৰ ঘৰ মধুপুৰতেই। মেট্ৰিকুলেচন পৰীক্ষাৰ পিছত তেওঁ মধুপুৰ যি এৰিলে তো এৰিলেই। তেওঁ দুনাই ঘূৰি নাহিল। অনাথৰ লগত অৱশ্যে কিছুদিনলৈ যোগাযোগ আছিল। বি. কম. পাছ কৰি তেওঁ শিলং সচিবালয়ত কাম কৰিছিল। মই শিলঙলৈ গ'লে তেওঁৰ মেছতেই উঠিছিলোঁ। খোৱাবোৱাৰ ব্যৱস্থা ওচৰৰ এটা হোটেলত। মাহিলি বন্দোবস্ত। মই অনাথৰ আলহী। আলহীৰ কাৰণেও খাদ্যবস্তুৰ দাম কম। কিছুদিন পিছত অনাথ কলিকতাৰ অসম ভৱনলৈ স্থানান্তৰিত হ'ল। আগতে মাজেমধ্যে তেওঁ মধুপুৰলৈ আহিছিল, এতিয়া সেইয়াও বাদ। কলিকতাৰ উপকণ্ঠত ঘৰ সাজি ল'ৰা-ছোৱালী লৈ এতিয়া তেওঁ তাতেই থাকে। মধুপুৰৰ লগত কোনো সম্বন্ধ নাই। দুৰ্ঘটনা হৈ তেওঁৰ সোঁ-ভৰিখন হেনো ভাঙিছে। সম্পূৰ্ণৰূপে ভাল হোৱা নাই। খোৰাই খোৰাই খোজ কাঢ়ে।

সিদিনাহে শুনিলোঁ মধুপুৰৰ চাৰু হেনো ঢুকাইছে। তিনি বছৰমানেই হ'ল। ইমান গুৰুত্বপূৰ্ণ খবৰটোও মই জনা নাছিলোঁ। চাৰুৰ ভাগিনিয়েক এজনে সিহঁতে নতুনকৈ উলিয়াবলৈ লোৱা আলোচনীৰ কাৰণে মোৰপৰা কিবা লিখা বিচাৰি মোৰ ইয়ালৈ আহিছিল। সি তাৰ পৰিচয় দিয়াতহে খবৰটো পালোঁ।

"মই চাৰু সৰকাৰৰ ভাগিনা।"

"হয় নেকি? কেমন আছে চাৰু?"

"নাই। মামাতো ঢুকালে।"

"ঢুকালে? কেতিয়া?"

"তিন বছৰেই হইল।"

সিয়েই ক'লে, "আপুনি মামাৰ দোকানৰ কথা কেইবাটাও গল্পত লিখিছে নহয়।"

লিখিছোঁ। এসময়ত দুই বেলা চাৰুৰ দোকানত আড্ডা মৰাটো আছিল আমাৰ কাৰণে বাধ্যতামূলক। নোযোৱাকৈ থাকিব নোৱাৰিছিলোঁ। মেঘ ক'লাকৈ আহিছে, বৰষুণ আহেই।

মাই কৈছিল, "মেঘ ক'লাকৈ আহিছে, ধুমুহা-বৰষুণ আহেই দেখোন। কিনো আছে চাৰুৰ দোকানত? এবেলা ন'গলে নহয়।"

কি আছে মাৰ পক্ষে বুজা টান। দেউতাৰ আৰু আমাৰ আলাপৈচাৰ যদি খাবোঁতেই তেওঁৰ

গোটেই জীৱন পাৰ হৈ গ'ল। আড্ডাৰ আকৰ্ষণৰ কথা তেওঁ কেনেকৈ জানিব? আৰু আজি? চাৰুৰ মৃত্যু সংবাদো মই নাৰাখোঁ।

কোনো সম্বন্ধই কি স্থায়ী নহয়? প্ৰচলিত পৰম্পৰা আৰু সংস্কাৰ ত্যাগ কৰিলে পৰিস্থিতি কেনেকুৱা হ'ব? পৰিবাৰ, ল'ৰা-ছোৱালী, আত্মীয় বন্ধু, এওঁলোকৰ প্ৰতি প্ৰেম-প্ৰীতিৰ সম্বন্ধও কি এক প্ৰচলিত সংস্কাৰ? আঁতৰি গ'লে কি বন্ধন লাহে লাহে ছিন্ন হৈ যাব? কোৱা টান। বৈজ্ঞানিক গৱেষণা কৰি প্ৰতিপন্ন কৰা কঠিন। ক'ব নোৱাৰোঁ—'দিনান্তে নিশান্তে শুধু পথপ্ৰান্তে ফেলে যেতে হয়।'

জীৱনত কিমান অসংখ্য মানুহক লগ পাইছোঁ। একেলগে যাত্ৰা আৰম্ভ কৰি মই ভিন্ন শাখা পথেৰে আগবাঢ়িছোঁ, ভিন্ন ভিন্ন সহযাত্ৰীয়ে বিভিন্ন শাখা পথেৰে আগবাঢ়ি গৈছে। কেতিয়া, ক'ত কাৰ লগত যোগাযোগ ছিন্ন হৈছে, মই লক্ষ্যও কৰা নাই। কাৰো কাৰণে কাৰো বৈ থকাৰ সময় নাই। মোৰ মনত যিবোৰ ছবি আছে সেইবোৰ পুৰণি ছবি। মোৰো সলনি হৈছে, তেওঁলোকৰো সলনি হৈছে। আমি এতিয়া সম্পূৰ্ণ অপৰিচিত।

এইবোৰ কথা মনত পৰে। স্কুলত মোৰ ঘনিষ্ঠ বন্ধু কোন আছিল? অনাথ, হিটু, ছাবেদ আলি, অন্টু, যতিন, অনিমেষ, গহেৰ। আব্দুল ৰহমানৰ কথা মই আগতেই ক'বৰাত কৈছোঁ। আৰু আছিল চাৰু, চুনী, প্ৰভাত, সদানন্দ। কিছুমানৰ মৃত্যু হৈছে বুলি খবৰ পাওঁ; কিছুমানে জীয়াই আছে নে নাই তাকো নাজানো। চুনীৰ মৃত্যু হৈছে বুলি জানো, কিছুদিন আগতে প্ৰভাতো গ'ল। সদানন্দ এই চহৰতেই থাকে। মাজে মাজে তেওঁৰ ডাঙৰ ল'ৰাজনক লগ পাওঁ। সদানন্দৰ শৰীৰ বৰ ভাল নহয়, ঘৰৰপৰা বৰ বেছি নোলায়। কিছুদিন আগতে মই কিবা এটা বঁটা পোৱা বুলি খবৰ পাই তেওঁ মোক অভিনন্দন জনাবলৈ আহিছিল। অকৃত্ৰিম আনন্দ। মাত্ৰ কেইদিনমান আগতে তেওঁ পেচমেকাৰ লগাইছিল।

মোৰ জীৱনত মই লগ পোৱা প্ৰতিজন মানুহৰ কিবা নহয় কিবা অৱদান আছে। কিবা প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ আছে।

মই আই. এছ. চি. পঢ়ি থাকোঁতে কটন কলেজৰ এক নম্বৰ ছাত্ৰাবাসত আছিলোঁ। এই ছাত্ৰাবাসটোক ওল্ড ব্লক বুলি কোৱা হৈছিল। মোৰ এখন দামী ধুনীয়া ইটালিয়ান কম্বল আছিল। কলেজৰ বছৰেকীয়া খেল-ধেমালিত বিভিন্ন ছাত্ৰাবাসৰ মাজত হোৱা টাগ অৱ ওৱাৰ বা টাগোৱৰ অৰ্থাৎ ৰচি টনা আছিল এক আকৰ্ষণীয় খেল। প্ৰতিটো দলৰ এজন গুৰিয়াল থাকে। দলৰ বাকীবোৰে হাতেৰে ধৰি ৰচি টানে কিন্তু ৰচিৰ এটা মূৰ গুৰিয়ালজনৰ কঁকালত মেৰিয়াই ভালকৈ গাঁঠি দি বান্ধি দিয়া হয়। আমাৰ ছাত্ৰাবাসৰ গুৰিয়াল আছিল প্ৰতাপ চৌধুৰী। শকত আৱত স্বাস্থ্যবান ল'ৰা। হঠাৎ সচকিত হৈ মই লক্ষ্য কৰিলোঁ যে প্ৰতাপ চৌধুৰীৰ ঊৰ্দ্ধাংগত মোৰ কম্বলখন। মই উদ্বিগ্ন হৈ পৰিলোঁ। খহটা ৰচিৰ ঘাঁহনি লাগি কম্বলখন ফালি যাব পাৰে। টাগোৱৰত আমাৰ ছাত্ৰাবাসে জয়লাভ কৰাত সাময়িক উত্তেজনাত মই কম্বলৰ কথা পাহৰি গ'লোঁ। হোষ্টেলৰ ওচৰ পাইহে আকৌ কম্বলখনৰ কাৰণে উদ্বিগ্ন হৈ উঠিলোঁ। ল'ৰালৰিকৈ কোঠাত সোমাই দেখিলোঁ কম্বলখন মোৰ বিছনাতেই আছে। অৱশ্যে জাপিজুপি বেডক'ভাৰেৰে

ঢাকি থোৱা অৱস্থাত নাই; অবিন্যস্ত অৱস্থাত আছে।

জীৱনৰ লেখ এটা অবিচ্ছিন্ন লেখ নহয়। জীৱন হ'ল সময়ৰ ফলন। একেটা গণিতীয় সূত্ৰৰে এই ফলন নিৰ্দেশ কৰিব নোৱাৰি। বিভিন্ন অন্তৰৰ কাৰণে বিভিন্ন সূত্ৰ।

(৩)

ইমানদিনে মই হৰিপদ দত্তৰ কথা পাহৰি আছিলোঁ। পৰিবৰ্তিত পৰিস্থিতিত মোৰ জীৱনত হৰিপদৰ কাহিনী অপ্ৰাসঙ্গিক হৈ পৰিছে। পিছে হৈছে জানো? ৰবি ঠাকুৰৰ গানৰ কথা মনত পৰিছে—"জীৱনে আজও যাহা ৰয়েছে পিছে, জানি হে জানি তাও হয়নি মিছে।" ইমান দিনৰ মূৰত সুনীলদাৰ মুখত হৰিপদৰ কথা শুনি আকৌ হৰিপদৰ কথা মনত পৰিছে।

হৰিপদ দত্ত। লাহে লাহে মানুহজনৰ ছবিখন চকুৰ আগত স্পষ্ট হৈ উঠিল। মানুহজন চুটিচাপৰ, অলপ শকত। তেতিয়া তেওঁৰ বয়স আছিল ত্ৰিছ বছৰমান। বাগৰি পৰিলেও তেওঁ আকৌ থিয় হৈ উঠিব পাৰে। এক ধৰণৰ পুতলা আছে, যেনেকৈ বগৰাই দিয়া নহওক কিয় পুতলাটো তৎক্ষণাৎ আকৌ উলম্ব অৱস্থালৈ আহি যায়। ভৰকেন্দ্ৰৰ বিশেষ অৱস্থানৰ কাৰণে এনেকুৱা হয়। হৰিপদে যিকোনো অৱস্থাৰ সৈতে তৎক্ষণাৎ নিজকে খাপ খুৱাই ল'ব পাৰে।

তেওঁ বাহিৰৰপৰা মধুপুৰলৈ আহিছিল। কিছুদিনৰ ভিতৰতে তেওঁ মধুপুৰৰ সকলো গণ্য-মান্য মানুহৰ সৈতে ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰি ল'লে। লাহে লাহে গদাধৰ নৈৰ পাৰত তেওঁ এটা কাঠৰ ডিপ' খুলিলে। অস্থায়ী চালি এটাৰ তলত বিভিন্ন প্ৰামাণ্য আকাৰৰ ফলা কাঠ, বাটাম আৰু তক্তা। ছ' মিল নহয়। তেতিয়া সিফালে ছ' মিল নাছিলো। কৰতীয়াই কাঠ ফালিছিল। গদাধৰ নৈৰ বিপৰীত ফালৰ গাৱঁত থকা এক বিশেষ সম্প্ৰদায়ৰ মানুহ। কাঠ ফলাই ইহঁতৰ জীৱিকা। শ্ৰীদাম কৰতীয়া, মহেন্দ্ৰ কৰতীয়া, এওঁলোক আছিল পাকৈত কৰতীয়া। কাঠ ফলাৰ পদ্ধতি আছিল এটা চাবলগীয়া পদ্ধতি। অতি বিপজ্জনক পদ্ধতি যেন লাগে, কিন্তু কৰতীয়াবোৰে সাবলীলভাৱে কাম কৰি গৈছিল। মানুহতকৈ ওখ প্লেটফৰ্মত বিৰাট বিৰাট একো একোটা কাঠৰ কুণ্ডা তুলি লোৱা হয়। একোখন কৰত সাত ফুট আঠ ফুট দীঘল। প্লেটফৰ্মৰ কুণ্ডাৰ ওপৰত থাকে এজন মানুহ আৰু তলত থাকে দুজন। মানুহবোৰে পৰ্যায়ক্ৰমে কৰতখন টানি থাকে আৰু ঠেলি থাকে। কৰতখন যেতিয়া তলৰ ফালে নামি আহে তেতিয়া ওপৰত থকাজনে ঠেলি দিয়ে আৰু তলত থকা দুজনে টানি আনে। ওপৰলৈ লওঁতে তলৰ দুজনে ঠেলে আৰু ওপৰৰজনে টানি লয়। আজিকালি এই ধৰণে কাঠ ফলা মই লক্ষ্য কৰা নাই। ছ' মিলত কাঠ ফলা হয়। চাৰ্কুলাৰ ছ', বেণ্ড ছ' বৈদ্যুতিক শক্তিত চলে। বিনা প্ৰয়াসে স্বচ্ছন্দে কাঠ ফালি যায়। মেচিনৰ কাম। কৰতীয়াবোৰে নিশ্চয় বৃত্তি সলনি কৰি লৈছে।

হৰিপদ দত্তই জমিদাৰৰ বন মহলৰপৰা নৈৰে উটুৱাই কাঠৰ কুণ্ডা লৈ আনিছিল। তেওঁ কৰতীয়া লগাই ডিপ'ত কাঠ ফলাই লৈছিল। চাৰি তিনি বাটাম, খৰ এক তক্তা, এইবোৰ হ'ল প্ৰামাণ্য আকাৰ। অলপ দিনৰ ভিতৰতে হৰিপদৰ ব্যৱসায় ঠন ধৰি উঠিল। অৱশ্যে তাতোকৈ কম সময়ৰ ভিতৰতে তেওঁ কাঠৰ ব্যৱসায় বন্ধ কৰি দিলে।

মোৰ লগত হৰিপদৰ খুব ঘনিষ্ঠতা হৈছিল। কাৰ লগত নো হোৱা নাছিল? অতি সপ্রতিভ ডেকা ল'ৰা। তেওঁৰ মুখত সৰুসুৰা কথা নাই। ডাঙৰ ডাঙৰ কথা, ডাঙৰ ডাঙৰ আঁচনি।

সেই সময়ত ত্রিপুৰাৰ ধর্মনগৰৰপৰা বিভিন্ন আকাৰৰ নাওৰ যোগান ধৰাৰ কাৰণে নিবিদা আহ্বান কৰা হৈছিল। বেছ ডাঙৰ কাম। তেতিয়া তাৰ চুপাৰিণ্টেনডিং ইঞ্জিনীয়াৰ আছিল উপেন দত্ত। তেওঁ ধুবুৰীৰ মানুহ, খুব ভাল মানুহ। মোক খুব ভালকৈ চিনি পায়, মৰমো কৰে।

হৰিপদে ক'লে, "টেণ্ডাৰ এখন দিলে বেয়া নাছিল।"

"দিয়ক।"

"নহয়, আপোনাৰ নামত দিব লাগিব।"

"কিয়? মোৰ নামত কিয়?"

"আপোনাৰ নামত দিলেহে মিত্রহঁতে ফিনান্স কৰিবলৈ মান্তি হৈছে। আৰ্নেষ্ট মানিয়েই তো দহ হেজাৰ টকা।"

"টেণ্ডাৰ দি পিছে লাভ আছে জানো? ইমান ডাঙৰ কাম মোক কিয় দিব? মোৰ কি অভিজ্ঞতা আছে?"

"আপুনি লোকেল ব'ৰ্ডত কেইবাখনো মাৰ নাওৰ যোগান ধৰিছে।"

"সেইটো কিবা কাম নেকি?"

"আপুনি উপেন দত্তক নিজে গৈ লগ ধৰিলে কামটো দিবওতো পাৰে। চান্স লোৱাত আপত্তি কি? গোটেই কামটো নিদিলেও আমাক তাৰে এটা পাৰ্ট দিয়ক।"

হৰিপদৰ লগত মই ধর্মনগৰলৈ গৈছিলোঁ। সেইয়াই লাভ। যাত্রাৰ অনুক্রম এতিয়া আৰু মোৰ ভালকৈ মনত নাই। কৰিমগঞ্জৰপৰা ট্রেইনেৰে পূৰ্ব পাকিস্তানৰ ষ্টেছন এটাত নামি আগৰতলালৈ গৈছিলোঁ। আগৰতলাত আমি গুহ বুলি ধুবুৰীৰ এজন চিনাকি ঠিকাদাৰক লগ পালোঁ। তেঁৱো নাওৰ কামৰ টেণ্ডাৰ দিবলৈ আহিছে। আমি একেটা হোটেলত উঠিছিলোঁ। গুহ বেছ ৰসিক মানুহ।

"উপেন দত্তই নিবিদা আহ্বান কৰিছে। উপেনদা ধুবুৰীৰ মানুহ, সৰুৰেপৰা মোক চিনি পায়। কিবা সুবিধা হ'ব পাৰে বুলি মইও টেণ্ডাৰ দিবলৈ আহিছোঁ।"

গুহ আমাতকৈ বয়সত বহুত ডাঙৰ। গহীন গম্ভীৰ মানুহ। আমি সমীহ কৰি চলিছিলোঁ। তেঁৱো অলপ দূৰত্ব ৰক্ষা কৰি চলিছিল। ল'ৰা মানুহৰ সৈতে বয়স্ক মনুষ্যোচিত আচৰণ। ভিন্ন ঠাইত ভিন্ন পৰিবেশত তেওঁক বেলেগ ৰূপত পালোঁ। তেওঁৰ গাম্ভীৰ্যৰ মুখাখন সুলকি পৰিল। ভিতৰত থকা মুখখন অধিক আকৰ্ষণীয়।

ৰবীন্দ্রনাথ, ৰাজনীতি, যৌন সম্ভোগত আটাইতকৈ বেছি তৃপ্তি লাভ কৰাৰ কৌশল, আমাৰ আলোচনাত কোনো এটা বিষয় বাদ নগ'ল। সম্পৎ সিং ধুবুৰীৰ ডাঙৰ ঠিকাদাৰ। তেওঁৰ পৰিয়ালৰ মানুহবোৰ বিহাৰত থাকে। তেওঁ ধুবুৰীত থাকি ঠিকাৰ কাম কৰে। সিঙৰ মহৰীজন কম বয়সৰ ধুনীয়া ল'ৰা। কথাই কথাই গুহই ক'লে যে সম্পৎ সিঙো টেণ্ডাৰ দিবলৈ আহিব পাৰে। তেওঁৰ পৰিয়াৰে হেনো গুহক তেনেকৈ কৈছে।

"সম্পৎ সিঙৰ পৰিবাৰ? আপুনি তেওঁক ক'ত লগ পালে?"

"কিয়? তাৰ মহৰীজনক দেখা নাই? ফুলাই ক'বপৰা যে এই ধুনীয়া ল'ৰাবোৰক যোগাৰ কৰে? স্কাউণ্ড্ৰেল।"

সম্পৎ সিঙৰ লগত সুন্দৰক দেখি সকলোৱে ৰহস্যজনকভাৱে হাঁহে, প্ৰকাশ্যে কোনেও একো নকয়। গুহইও ধুনুৰীত আমাক কোনো দিনাই এনেকৈ নক'লে হয়।

গুহ এজন ভাল সংগী। ধৰ্মনগৰলৈ জীপেৰে গৈছিলোঁ। প্ৰাইভেট জীপ। একেলগে কেইবাজনো যাত্ৰী পালে লৈ যায়। ৰাস্তাৰ কাম আৰম্ভ হৈছে মাত্ৰ। পিটচ্‌তো নায়েই, বাটত শিলগুটিও দিয়া হোৱা নাই। বিদপসংকুল অভিযান। জঙ্ঘলৰ মাজেৰে বাট। বাটত হেনো বনৰীয়া হাতীও ওলাব পাৰে। বৰষুণৰ বতৰ নহ'লেও বাটত জীপৰ চকা লাগি ধৰিব পাৰে। এজাক বৰষুণ দিলেতো কথাই নাই। তেতিয়া জীপে যাত্ৰীক কঢ়িয়াই নিব নোৱাৰে, যাত্ৰীবোৰেহে জীপক কঢ়িয়াই লোৱাৰ চেষ্টা কৰিব লাগে। ডেকা কালত মানুহে ইমান হিচাপ-নিকাচ কৰি কাম কৰিবলৈ নলয়। যি হয় হ'ব। অৱস্থা বুজি ব্যৱস্থা কৰা যাব।

আমি অৱশ্যে নাও সজাৰ ঠিকা পোৱা নাছিলোঁ। আমাৰ যোগ্যতা নাছিল কাৰণে যে পোৱা নাছিলোঁ সেয়া নহয়। কামটো কোনেও পোৱা নাছিল। আচলতে শেষ পৰ্যন্ত গোটেই পৰিকল্পনাটো বাদ দিয়া হৈছিল।

ইতিমধ্যে হৰিপদে তাৰ ব্যৱসায় বন্ধ কৰি দিয়াৰ দৰে কৰিছে। নতুনকৈ কাঠৰ কুণ্ডা অনা বাদ দিছে, কৰতীয়াবোৰকো এৰি দিছে। আগৰ ফলা কাঠ যি আছে তাকেই বিক্ৰী কৰি আছে। ডি'পত কাঠ প্ৰায় নায়েই। মই মোৰ চিন্তা ব্যক্ত কৰিলোঁ।

"কি হ'ল? কাৰবাৰ বাদ দিলে নেকি?"

দত্তই ব্যস্ত হৈ প্ৰতিবাদ কৰিলে, "না, না,। কিয় বাদ দিম? আজিকালি এনেকৈ কৰতীয়া লগাই কাঠ ফালি ফলা কাঠৰ কাৰবাৰ কৰিব নোৱাৰি। সকলোৱে কাঠ ফলা মেচিন বহুৱাই লৈছে। সিদিনা কোকৰাঝাৰলৈ গৈ দাগা মিলটো চাই আহিলোঁ। কেনেকৈ কাঠ ফালেহে? এজন মানুহে লাহেকৈ ঠেলি দিলেই হ'ল। চাইত্‌ চাইত্‌কৈ তৎক্ষণাৎ ফলা হৈ যায়। বঠিৰে বঙালাও ফলা দেখিছেনে? তেনেকুৱা। মইও সৰুসুৰাকৈ এটা ছ' মিলৰ কথা চিন্তা কৰি আছোঁ। প্ৰথমে চাৰ্কুলাৰ ছ' দুখনমান আনি কাম আৰম্ভ কৰিব লাগিব।"

"ইলেকট্ৰিচিটীৰ কি কৰিব?"

"ডাইনামো এটা লাগিব। খৰচ আছে। মিত্ৰ বাবুৰ লগত কথা হৈছোঁ। মিত্ৰবাবুই টকা দিব কিন্তু এটা চৰ্তত।"

"কি চৰ্ত?"

"মিলত আপুনিও থাকিব লাগিব। আপুনি থাকিলেহে টকা দিব।"

"নাই, মই এইবোৰত নাই।"

অপ্ৰয়োজনীয় জঞ্জাল। পিছে কোনো আহুকাল নহ'ল। কেইদিনমান পিছতেই হৰিপদ দত্ত নোহোৱা হ'ল। প্ৰথমে কোনেও লক্ষ্য কৰা নাছিল। দত্ত বহুতো ধান্দাত ঘূৰা মানুহ। মাজে

সময়ে এনেকৈ নোহোৱা হয়। আহিব। পিছে ক'ত? এমাহ গ'ল, দুমাহ গ'ল। নাইতো নায়েই। পাওনাদাৰবোৰ উদ্বিগ্ন হৈ উঠিল। দুই এজনে মোৰ ওচৰলৈ আহে। হৰিপদ ক'লৈ গৈছে, কেতিয়া আহিব মই কিবা জানো নেকি? এই এক জুলুম। তমিজুদ্দিন বেপাৰীয়ে কাঠৰ কুণ্ডাৰ দাম পাব। ডিপ'ৰ মাটিডোখৰ আশু বাবুৰ। তেওঁ হেনো ভাড়া হিচাপে আজিলৈ এটা পইচাও পোৱা নাই। চকীদাৰ ৰবিচন্দ্ৰই কাঠবোৰ বিক্ৰী কৰাৰ পিছত চালি ভাঙি টিনপাতবোৰো বিক্ৰী কৰি দিলে। সেই লৈ আশু বাবুৰ ৰবিচন্দ্ৰৰ ওপৰতো খং। চালিটো তেওঁৰ মাটিত, টিনপাতকেইখন তেওঁৰহে প্ৰাপ্য। আনকি শ্ৰীদাম কৰতীয়াৰো হেনো বহুত টকা পাওনা আছে। হৰিপদ ক'লৈ গ'ল, কিয় গ'ল? মই একোৱেই নাজানো। বেলেগ ক'ৰবাত আকৌ নিশ্চয় তেওঁ তেওঁৰ সম্মোহিনী শক্তি প্ৰয়োগ কৰিব। তাকো মই নাজানো। কোনো চিন নৰখাকৈ হৰিপদ দত্ত মধুপুৰৰপৰা অন্তৰ্হিত হৈ গ'ল।

মই হ'লে মানুহজনক ভালেই পাইছিলোঁ। তেওঁৰ মানুহক মুহিব পৰা বিশেষ এক ক্ষমতা আছিল। এইয়া চেষ্টা কৰি আয়ত্ত কৰিব পৰা বস্তু নহয়, জন্মগত প্ৰতিভা। মই হৰিপদৰ লগত আগৰতলা আৰু ধৰ্মনগৰলৈ গৈছিলোঁ। ধৰ্মনগৰত সৰু দোকান এখনত আছিলোঁ। দোকানীজনে পেয়িং গেষ্টো ৰাখে। তেওঁ শিলচৰৰ মানুহ। তাত তেওঁ অকলে থাকে। তেওঁ নিজেই ৰান্ধিবাঢ়ি আলহীক খুৱায়। চুৱা বাচন ধোৱা কামো তেওঁ নিজেই কৰে। মানুহজনক মোৰ ভাল লাগিছিল। নালাগে বুলি ক'লেও তেওঁ জোৰকৈ পাতত আৰু এডোখৰ মাছ দিয়ে।

"একোৱেই নাখালে দেখোন। আৰু এডোখৰ মাছ লওক।"

মানুহৰ এনেকুৱা সৰুসুৰা তুচ্ছ ভংগীবোৰ কিবাকৈ মনত থাকি যায়। মই জয়পুৰৰ হোটেল এটাতো এনেকুৱা আতিথেয়তা পাইছিলোঁ। মোৰ পৰিবাৰৰ খোৱাৰ পৰিমাণ কম। বেয়াৰাজন উদ্বিগ্ন। মালিক বা মেনেজাৰজনেও অপৰাধীৰ দৰে ওচৰত থিয় হৈ কি দোষ হৈছে জানিবলৈ বিচাৰিলে।

"কেয়া কচুৰ হুৱা? কুছভি নাহি খায়া। ৰান্ধোন ভাল হোৱা নাই? দহী লেও। নেহিতো ৰাবৰি লিজিয়ে। বহুত উমদা চিজ। এই ৰঘুবীৰ একে প্লেট ৰাবৰি লাও।"

(৪)

সুনীল চক্ৰৱৰ্তীৰ দেউতাক মধুপুৰৰ জমিদাৰৰ কৰ্মচাৰী আছিল, উচ্চ পদস্থ বিষয়া।

তেওঁ আছিল জমিদাৰৰ ল-অফিচাৰ অৰ্থাৎ আইন বিষয়া। জমিদাৰী সংক্ৰান্ত মামলা মোকৰ্দমা লাগিয়েই থাকে। মামলা কেতিয়াবা হাইকোৰ্ট পৰ্যন্ত যায়। তেতিয়া হাইকোৰ্ট আছিল কলিকতাত। ব্ৰজমোহন চক্ৰৱৰ্তীয়ে মামলা তদাৰক কৰে, মামলা হাইকোৰ্টলৈ গ'লে কলিকতাৰ বিখ্যাত আইনজীৱীক নিয়োগ কৰা হয়। এই সকলোবোৰ কাম ব্ৰজবাবুৱে চম্ভালে। তেওঁ নিজেও ভাল উকিল, বি. এল. পাছ। সেই অঞ্চলৰ স্থানীয় মানুহৰ ভিতৰত তেঁৱেই বোধহয় প্ৰথম বি. এল. পাছ কৰা মানুহ।

আমি সৰু থাকোঁতেই ব্ৰজবাবু মধুপুৰ এৰি গুচি যায়। তেওঁ গয়াত ওকালতি কৰিবলৈ

লয়। তেওঁলোকে তাতেই ঘৰ-দুৱাৰ সাজি স্থায়ীভাবে থাকিবলৈ লৈছে। ব্ৰজবাবুৰ ডাঙৰ ল'ৰা উপেন চক্ৰবৰ্তীও উকিল। তেঁৱো গয়াত ওকালতি কৰে। দেউতাকৰ নে মাকৰ পিণ্ড দিবলৈ যাওঁতে পবিত্ৰদাই তেওঁক এবাৰ গয়াত লগ পাইছিল। পবিত্ৰদাক লগ পাই উপেন চক্ৰবৰ্তীয়ে খুব ভাল পাইছিল। আন্তৰিক অভ্যৰ্থনা জনাইছিল।

মধুপুৰৰ জমিদাৰৰ বেনাৰচৰ বাঙালীটোলাত এটা বেছ ডাঙৰ দালান আছিল, বাঙামাটি সত্ৰ। এবাৰ এই সত্ৰৰ কথা লৈ ব্ৰজবাবু বেনাৰচলৈ গৈ আছিল। ৰেলৰ খোটালিত আৰু দুজন সহযাত্ৰী আছিল। তাৰে এজন বিহাৰৰ এক জমিদাৰ। তেওঁ লগৰ মানুহজনৰ সৈতে কিবা মামলা সম্বন্ধে আলোচনা কৰি আছিল। জমিদাৰজনে মামলাৰ ফলাফল আশানুৰূপ নহ'ব বুলি আশংকা প্ৰকাশ কৰিলে। মামলা পৰিচালনা কৰি থকা তেওঁৰ উকিলে হেনো তেওঁক তেনেকৈ কৈছে। ব্ৰজমোহন চক্ৰবৰ্তী অতি অভিজ্ঞ আইনজীৱী। তেওঁ আগ্ৰহ সহকাৰে উৎকৰ্ণ হৈ এই আলোচনা শুনি আছিল। তেওঁ আলোচনাৰ মাজত অনুপ্ৰবেশ কৰি আইনৰ এক সূক্ষ্ম বিধি উনুকিয়াই দিলে। জমিদাৰ গজানন সিঙে সশ্ৰদ্ধ আৰু সপ্ৰংশস দৃষ্টিৰে ব্ৰজবাবুৰ ফালে চালে। তেওঁ তেওঁৰ মামলা পৰিচালনা কৰি থকা উকিলজনক ছালা বুলি উল্লেখ কৰিলে।

"তো উ ছালা কেয়া কৰ ৰহা? অইন পক্ষৰপৰা টকা লৈছে। জোতাৰে কোবাই ছালাক খেদি দিম। কুত্তাকে বাচ্চা।"

এনেকৈ জমিদাৰ গজানন সিঙৰ সৈতে ব্ৰজ চক্ৰবৰ্তীৰ ঘনিষ্ঠতা হয়। ইফালে মধুপুৰৰ জমিদাৰৰো তেওঁৰ প্ৰতি আগৰ দৰে সৌহাৰ্দ্য নাই বুলি তেওঁ গম পায়। ব্যক্তিগত প্ৰতিষ্ঠানত এনেকুৱা ঘটনা ঘটি থাকে। এজন মানুহৰ মেজাজৰ ওপৰত নিৰ্ভৰ। কোনোবা এজন জমিদাৰৰ প্ৰিয়পাত্ৰ হ'লে তেওঁৰ বহুতো শত্ৰুৰ সৃষ্টি হয়। মানুহে সঁচাই মিছাই তেওঁৰ বিৰুদ্ধে নানা ধৰণৰ কথা লগায়। ইয়াকেই চুকলি খোৱা বুলি কয়। জমিদাৰে কৰ্মচাৰীজনক পোনে পোনে কৰ্মচ্যুত নকৰে, কিন্তু এনেকুৱা আচৰণ কৰে, আৰু পৰিস্থিতি এনেকুৱা কৰি তোলে যে এজন আত্মমৰ্যাদাসম্পন্ন মানুহে নিজেই কাম ইস্তফা দি সসম্মানে প্ৰস্থান কৰে। এইয়া অৱশ্যে কৰ্মচাৰীজনৰ মানসিক গঠনৰ ওপৰত নিৰ্ভৰ কৰে। কোনোবা কৰ্মচাৰীক বৰ্খাস্ত কৰিলে সেই উচ্চবৰ্ণৰ কৰ্মচাৰীজনৰ মাক আৰু পৰিবাৰে জমিদাৰৰ ভৰিত দীঘল দিও পৰিব পাৰে। কোনোবাই জমিদাৰ অসন্তুষ্ট হৈছে বুলি ইঙ্গিত পালেই নিজৰ সম্মান বজায় ৰাখি নিজেই গুচি যায়।

ব্ৰজ চক্ৰবৰ্তীয়ে গজানন সিঙৰ আশ্ৰয়ত থাকি গয়াত ওকালতি কৰিবলৈ ল'লে আৰু অলপ দিনৰ ভিতৰতে গয়াৰ অন্যতম শ্ৰেষ্ঠ আইনজীৱী হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। মধুপুৰ অঞ্চলৰ মানুহে ভাল সুবিধা পালেও সাধাৰণতে মধুপুৰ এৰি বাহিৰত ক'ৰবাত থাকিবলৈ টান পাইছিল। কিন্তু সেই যুগতেই তাৰে এঘৰ মানুহ এনেকৈ বিহাৰৰ স্থায়ী বাসিন্দা হৈ পৰিল। পবিত্ৰদাই কৈছে যে উপেন চক্ৰবৰ্তীয়ে গোৱালপৰীয়া দোৱানত কথা ক'লেও তেওঁৰ ল'ৰা-ছোৱালীয়ে স্থানীয় দোৱানত সলসলীয়াকৈ লগৰবোৰৰ লগত কথা পাতে, হিন্দী মাধ্যমত পঢ়াশুনা কৰে। এইটো একো এটা আচৰিত ঘটনা নহয়। অসমৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ

পৰিয়াল তাৰেই এক উজ্জ্বল নিদৰ্শন। ব্ৰজবাবুৰ দ্বিতীয় ল'ৰাজনো উকিল। তেওঁ পাটনাত ওকালতি কৰে।

ব্ৰজমোহন চক্ৰবৰ্তীৰ তৃতীয় ল'ৰা হ'ল সুনীল। ব্ৰজবাবু যেতিয়া মধুপুৰৰপৰা গুচি যায় তেতিয়া সুনীল নৱম শ্ৰেণীৰ ছাত্ৰ। তেওঁৰ পঢ়া-শুনাৰ যাতে ক্ষতি নহয় সেই বুলি ব্ৰজবাবুৱে সুনীলক মধুপুৰত হোষ্টেলত থৈ গ'ল। বোধহয় এইখিনিতেই ব্ৰজবাবুৰ অলপ ভুল হ'ল। তেওঁ ল'ৰা-ছোৱালীক কঠোৰ শাসনত ৰাখিছিল। হঠাতে এনেকৈ মুকলিমূৰীয়া হৈ পৰাত সুনীলে অলপ ভিন্ন ধৰণৰ ব্যক্তিত্ব আহৰণ কৰিলে। নহ'লে তেঁৱোতো এজন উকিল হ'লে হয়।

(৫)

কেৰিছমা বস্তুটো এটা বেলেগ বস্তু! হাও টু ইনফ্লুৱেন্স পিপ্‌ল জাতীয় কিতাপ পঢ়ি আয়ত্ত কৰিব পৰা বস্তু নহয়। এইয়া মানুহ এজনৰ দৈহিক বা মানসিক উৎকৰ্ষৰ ওপৰত নিৰ্ভৰশীল নহয়। জন্মগত ক্ষমতা। এনেকুৱা মানুহ এজনে দোষ কৰিলেও মানুহে বিশ্বাস নকৰে বা সেই কাৰ্যৰ যুক্তি বিচাৰি উলিয়ায়।

মধুপুৰলৈ অহাৰ কেইমাহমানৰ ভিতৰতে হৰিপদ দত্তই মধুপুৰৰ সকলো গণ্যমান্য মানুহৰ সৈতে ঘনিষ্ঠ হৈ পৰিল। কথাও ক'ব পাৰে মানুহজনে। এনেকুৱা এটা বিষয় নাই যাৰ ওপৰত তেওঁ বিশেষজ্ঞৰ দৰে মন্তব্য দিব নোৱাৰে। কথা কোৱাও যে এটা সুকুমাৰ কলা সেইয়া হৰিপদৰ কথা শুনিলেহে উপলব্ধি কৰিব পাৰি। মানুহে তেওঁক কিবা সহায় কৰিব পাৰিলে ভালেই পাইছিল। এবছৰৰ ভিতৰতে তেওঁ মধুপুৰৰ এজন সফল কাঠৰ ব্যৱসায়ীত পৰিণত হ'ল আৰু দুবছৰমান পাছত হঠাতে তেওঁ অদৃশ্য হৈ গ'ল। তাৰ পাছত তেওঁৰ কোনো খবৰ পোৱা নাছিলোঁ। মানুহজন যেন শূন্যত বিলীন হৈ গ'ল। মই কেতিয়াবা নিজৰ লগতেই কৌতুক কৰোঁ; হৰিপদ সঁচাকৈ আছিল নে মোৰ সৃষ্ট গল্পৰ চৰিত্ৰ।

মানুহ এজনে নিজে নিজৰ বিষয়ে কি কয় তাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁৰ মূল্যায়ন কৰাটো শুদ্ধ নহ'বও পাৰে। মই হৰিপদৰ লগত ধৰ্মনগৰলৈ গৈছিলোঁ। সেই সময়ত প্ৰায় চৌবিছ ঘণ্টা আমি একেলগে আছিলোঁ। তেতিয়া হৰিপদে মোক তেওঁৰ জীৱনৰ বহুতো কথা কৈছিল। জলপাইগুৰিত তেওঁ হেনো এগৰাকী বৃদ্ধাৰ ঘৰত পেয়িং গেষ্ট হিচাপে আছিল, অৰ্থাৎ পইচা দি তাতেই থকাৰ লগতে খোৱাবো ব্যৱস্থা কৰিছিল। ঘৰত আইন কোনো নাই, বিধবাগৰাকী আৰু তেওঁৰ নাতিনীয়েক। ছোৱালীজনীয়ে হেনো হৰিপদৰ লগত প্ৰেমত পৰি গ'ল। সদ্যযৌৱনা ছোৱালীজনীৰ বোধহয় ধাৰণা যে প্ৰেমত পৰাটো হ'ল আধুনিকতাৰ চিন। ছোৱালীজনীৰ ধৰণ-কৰণ দেখি হৰিপদৰ অস্বস্তি। এদিন মাজৰাতি তাই আহি হৰিপদৰ দুৱাৰত টুকুৰিয়াবলৈ ধৰিলে। কোন এই ৰাতিখন? দুৱাৰ খুলি ছোৱালীজনীক দেখি তেওঁ শংকিত হৈ পৰিল। বুঢ়ীৰ কিবা অসুখ নেকি? এনেয়েও বুঢ়ীৰ গা বৰ ভাল নহয়।

"কি হ'ল? দিদিমাৰ শৰীৰ খাৰাপ?" এৰো নম্ৰতাকৈ ছোৱালীজনীয়ে পোনে পোনে গৈ আঠুৱা দাঙি হৰিপদৰ বিছনাত উঠিলে। হৰিপদে একে কোবেই গৈ বুঢ়ীক মাতিলে।

"অ' দিদিমা, উঠকচোন পুষ্পৰ বোলে গাটো খুব বেয়া লাগিছে। মোক গৈ মাতিছে।"

বুঢ়ীয়ে সন্দিগ্ধ দৃষ্টিৰে হৰিপদৰ ফালে চালে।

"তোমাক কিয় ? মোকতো মাতিব পাৰিলে হয়।"

"আপোনাৰ গা ভাল নহয় কাৰণে আপোনাক জুলুম কৰা নাই। নাৰ্ভাচ হ'ব।"

ইতিমধ্যে পুষ্পই কোনোফালে নোচোৱাকৈ তেওঁলোকৰ কাষেদি পাৰ হৈ নিজৰ কোঠাত সোমালে।

"কি হৈছে অ' তোৰ ?"

"নাই হোৱা একো।"

এইয়া হৰিপদৰ ভাষ্য। সঁচা নে মিছা ক'ব নোৱাৰোঁ।

মই ৰংপুৰ কাৰমাইকেল কলেজত বি. এছ. চি. পঢ়িছিলোঁ। যুদ্ধৰ সময়। কলিকতাৰ অৱস্থা ভাল নহয়। জলপাইগুৰিৰ বহুতো ল'ৰাই ৰংপুৰত পঢ়িছিল। আমি একেটা ছাত্ৰাবাসত আছিলোঁ; ৰমেন ভৌমিক, অচিন্ত দাসগুপ্ত, অৰুণ বোস, অসীম বেনাৰ্জী আৰু বহুতো। একোজন একোধৰণৰ। হোষ্টেলত পৰমানিক উপাধিৰ এজন ল'ৰাও আছিল। মোৰ লগত তেওঁৰ বেছ ঘনিষ্ঠতা আছিল, অথচ এতিয়া তৎক্ষণাৎ তেওঁৰ নামটো মনত পেলাব পৰা নাই। চেহেৰাপাতি স্পষ্টকৈ চকুৰ আগত ভাহি উঠিছে, খোজৰ ভংগী, কথা কোৱাৰ বিশেষ ধৰণো লক্ষ্য কৰি আছোঁ। তেওঁৰ চকুৰ মণি দুটা আছিল পিঙ্গল, তাকো দেখি আছোঁ কিন্তু নামটো মনত পৰা নাই। তেওঁ কথাই কথাই ফকৰা-যো... না প্ৰয়োগ কৰিছিল। এদিন ক্ৰিকেট খেলত তিনিটা বাউণ্ডেৰী মাৰি অসীমে গৰ্ব কৰি আছিল। পৰমানিকে গম্ভীৰভাৱে মন্তব্য কৰিলে।

"ঝড়ে বগুলা মৰে, ফকিৰেৰ কেৰামতি বাড়ে।" অৰ্থাৎ ধুমুহাত বগলী মৰিল কিন্তু ফকিৰৰ মহিমা বৃদ্ধি পালে।

এই ল'ৰাবোৰৰ ভিতৰত কেৱল অসীমকহে এবাৰ টিটাগড়ত লগ পাইছিলোঁ। তেওঁ টিটাগড় কাগজ কাৰখানাত কাম কৰিছিল। এবাৰ কলিকতালৈ যাওঁতে তেওঁৰ তালৈ গৈছিলোঁ। অসীমে ইতিমধ্যে বিয়াও কৰাইছিল। অসীম বৰ ধুনীয়া ল'ৰা আছিল, তেওঁৰ পৰিবাৰ তেওঁতকৈ ধুনীয়া।

সেইবোৰ হ'ল অতীত যুগৰ বিলুপ্ত জগতৰ কাহিনী। জলপাইগুৰিৰ ল'ৰাবোৰ আছিল মোৰ বন্ধু, অকৃত্ৰিম বন্ধু। পিছত অসীমৰ বাহিৰে আৰু কাকনো লগ পাইছোঁ ? কাৰো লগত পত্ৰালাপো নাছিল। এইতো সম্বন্ধ। সকলো সম্বন্ধই ক্ষণস্থায়ী আৰু ভঙ্গুৰ। ভঙ্গুৰ শব্দটো বোধহয় উপযুক্ত নহ'ব। ৰবৰৰ দৰে গোট মাৰি আছে, সময়ত নিশ্চলভাৱে বন্দী। হঠাতে কাৰোবাক লগ পালে মই সঁচাকৈ আনন্দিত হ'ম। আজি মই অকস্মাৎ তেওঁলোকৰ কথা ভাবিছোঁ। তেওঁলোকৰ কোনোবা এজনে কেতিয়াবা কোনো এক অলস মুহূৰ্তত মোৰ কথাও ভাবেনে ?

পঞ্চাছৰ দশকত মই এবাৰ জলপাইগুৰিলৈ গৈছিলোঁ। সৰু মামাই বেলবৰে কিবা ঠিকাৰ কামৰ কাৰণে যাবলৈ ওলাওঁতে মইও তেওঁৰ গাড়ীত গৈছিলোঁ। তিনি খেপত তিস্তা নৈ পাৰ

হৈছিলোঁ। প্ৰথম এটা পাৰ হৈ দ্বিতীয়টো সোঁতা। সেইটো পাৰ হৈ আৰু এটা সোঁতা। মাজৰটো হ'ল প্ৰধান। পানীৰ কি শব্দ!

অৰুণহঁতৰ কোনোবা এজনক লগ পোৱাৰ ইচ্ছা আছিল। কাকো লগ নাপালোঁ। হাতত বেছি সময় নাছিল। পিছদিনাই গুচি আহিলোঁ। বমেন ভৌমিকহঁতৰ অট্টালিকা দেখি আচৰিত হৈছিলোঁ। হোষ্টেলত তেওঁৰ চালচলন দেখি মই তেওঁক ইমান ধনী মানুহ বুলি ভবা নাছিলোঁ। তাত গৈ গম পালোঁ যে তেওঁলোকৰ চাহ-বাগিচা আছে। বমেন সিদিনাই বাগিচালৈ গৈছে, দুদিনমান তাতেই থাকিব।

দীৰ্ঘ জীৱনত বহুতো অভিজ্ঞতা হ'ল। বহুতো ঠাইত ঘূৰিলোঁ, বহুতো মানুহক লগ পালোঁ, বহুতো কথা শুনিলোঁ। হাঁহিলোঁ, কান্দিলোঁ, গান গালোঁ, গান শুনিলোঁও। বহুতো আঘাত পালোঁ, অনিচ্ছাকৃতভাৱে হয়তো বহুতকে আঘাত কৰিলোঁও। পৃথিৱীখন ভাল কৰিম বুলি ভাবিছিলোঁ, একোৱেই কৰিব নোৱাৰিলোঁ। আচলতে জীৱনত কি বিচাৰিছিলোঁ ভালকৈ নাজানিলোঁৱেই। হয়তো মই জীৱনত একো এটাকেই এনেকুৱা তীব্ৰভাৱে বিচৰা নাছিলোঁ, যাৰ অবিহনে জীয়াই থকাই অৰ্থহীন। সীমিত অনুভূতি। এক বৈচিত্ৰ্যহীন, বৰ্ণহীন গতানুগতিক জীৱন। বাটৰ শেষত কিবা মহৎ প্ৰাপ্তিয়ে জীৱন সাৰ্থক কৰি তুলিব সেই বিশ্বাসো নাই। জীৱন যেনেকুৱা অৰ্থহীন, মৃত্যুও তেনেকুৱা অৰ্থহীন।

পুৰণি কথাবোৰ পাহৰি আছিলোঁ। সুনীলক লগ পাই আকৌ স্পষ্টভাৱে কথাবোৰ মনত পৰিল। সুনীল এক সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। তেওঁ মোতকৈ পাঁচ-ছয় বছৰে ডাঙৰ। মই যেতিয়া পঞ্চম শ্ৰেণীত, তেওঁ তেতিয়া দশম শ্ৰেণীত। স্কুলৰ ল'ৰাবোৰৰ ভিতৰত তেওঁৰ পোছাক-পাতি আছিল সকলোতকৈ ভাল। অতি সপ্ৰতিভ। তেওঁ আছিল স্কুলৰ ফুটবল টিমৰ আটাইতকৈ দক্ষ খেলুৱৈ। চেন্টাৰ ফৰবাৰ্ড। তেওঁ কঁকালত হাত দি নিৰ্লিপ্তভাৱে বৈ থাকে, হঠাতে বল লৈ বিদ্যুৎ গতিৰে আহি চকুৰ পচাৰতে বিপক্ষ দলৰ গোলত সোমাই গৈছিল। আমাৰ চকুত আছিল তেওঁ হিৰ'।

কেইবছৰমান পিছত সুনীল চক্ৰৱৰ্তী মধুপুৰলৈ যেতিয়া আকৌ উভতি আহিল, তেতিয়া তেওঁ এজন বেলেগ মানুহ। পোছাক-আচ্ছাদনত আগৰ সেই পাৰিপাট্য নাই, কম চেহেৰা। তেওঁৰ আগৰ সপ্ৰতিভ ভাবো নাই। স্কুলত থাকোঁতে সুভাষ ৰায় আছিল সুনীলৰ অভিন্ন বন্ধু। মানুহে দুয়োকো 'মানিক-যোৰ' বুলি উল্লেখ কৰিছিল, এজনক অকলে দেখিলে স্বয়ংক্ৰিয়ভাৱে আনজন ক'ত বুলি প্ৰশ্ন সুধিছিল। সুনীল সুভাষৰ আলহী হৈ আহিল।

মই লক্ষ্য কৰিছোঁ যে মদাহীবোৰৰ এটা সহজাত জ্ঞান থাকে। যি কোনো অপৰিচিত ঠাইতো তেওঁলোকে মদ ক'ত পোৱা যায় তৎক্ষণাৎ উলিয়াব পাৰে, আৰু মদাহী লগো গোটাই ল'ব পাৰে। মই ভাবো মৰুভূমিত এৰি দিলে তেওঁলোকে পানী ক'ত পোৱা যায় সেই খবৰ উলিয়াব নোৱাৰিলেও মদ ক'ত পোৱা যায় ঠিকেই উলিয়াই ল'ব।

সুভাষ মধুপুৰৰ এক সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা। তেওঁলোকৰ অজস্ৰ মাটি-বাৰী, মা-সম্পত্তি। সুভাষহঁতৰ ডাঙৰ পৰিয়াল। সুভাষৰ মাক-দেউতাক জীয়াই আছে, ভায়েক-ভনীয়েক আছে।

সুনীলক পাই তেওঁৰ খুব ভালেই লাগিল।

কেইদিনমান পিছতেই মাজৰাতি সুনীল উভতি আহি যেতিয়া চ'ৰাঘৰৰ খটখটিৰ তলত লাং খাই বাগৰি পৰিল, তেতিয়া ঘৰৰ সকলোৱে অস্বস্তি বোধ কৰিবলৈ ল'লে। প্ৰথমে অৱশ্যে সকলোৱে ব্যস্ত হৈ পৰিছিল। কি হ'ল ল'ৰাজনৰ? হঠাতে এনেকৈ ফিট হ'ল কিয়? ডাক্তৰক মাতা, মূৰত পানী ঢালা। সুভাষৰ দেউতাক অভিজ্ঞ মানুহ। তেওঁ সকলোকে শান্ত কৰিলে।

"একো কৰিব নালাগে। দাপ্তি লৈ বিছনাত থৈ দিয়া। ডিজগাষ্টিং। সুভাষ, সুনীল তোৰ বন্ধু। মই নকওঁ, তয়েই তাক কৈ দিবি, এইটো ভদ্ৰলোকৰ ঘৰ, ইয়াত এইবোৰ নচলিব। মদ কেতিয়াবা আমিও খাওঁ, কিন্তু ছোটলোকৰ দৰে মাতলামি কৰি নুফুৰোঁ।"

মদ্যাসক্ত মানুহ এজনে অৰ্থাৎ এলকোহলিক এজনে মদ নোখোৱাকৈ থাকিব নোৱাৰে। কিমান প্ৰতিজ্ঞা, কিমান অনুশোচনা, কিমান আত্মধিক্কাৰ। এটা নিৰ্দিষ্ট সময়ত সকলো ভাঁহি যায়। দেহৰ প্ৰতিটো কোঁহে এটুপি মদৰ কাৰণে আকুল হৈ উঠে। সমাজ, সংস্কাৰ, লোকলজ্জা, বদনামৰ ভয়, এইবোৰ কোনো কথাই মনত নাথাকে। ছমাৰচেট মমৰ বেজৰুহ এজ কিতাপখনত এনেকুৱা ঘটনা এটাৰ বৰ্ণনা আছে। পিছে এই কথা জনাৰ কাৰণে মমৰ কিতাপ বিচাৰি যাব লাগে কিয়? গোৱালপাৰাৰ কিমান জমিদাৰে মদ খাই সকলো শেষ কৰি দিলে। মধুপুৰৰ প্ৰতিবেশী জমিদাৰৰ ল'ৰা এজনে অসুস্থ হৈ পৰাত তেওঁৰ চিতাত ব্ৰেণ্ডি আৰু হুইস্কি বাকি দিবলৈ নিৰ্দেশ দি গৈছিল বুলি ময়েই জানো।

মানুহে বোধহয় একো একোটা মুহূৰ্তৰ কাৰণেহে জীয়াই থাকে। অতীতৰপৰা শিক্ষা নলয়, ভৱিষ্যতৰ কথা চিন্তা নকৰে। নিৰন্তৰ অতীত আৰু ভৱিষ্যতৰ সীমাৰেখাত অৱস্থান। এইডছুৰ ভয়াবহতা সম্বন্ধে জনাই লাভ নাই, মাদক দ্ৰব্যৰ অপকাৰিতা সম্বন্ধে বাতৰি কাকত আৰু টি ভিত আতংকজনক বিজ্ঞাপন দিও লাভ নাই। নহ'লেনো মানুহে নিৰ্বিচাৰে বনাঞ্চল ধ্বংস কৰি গৈ থাকিব পাৰেনে? প্ৰদূষণ ৰোধ কৰাৰ চেষ্টা নকৰাকৈ থাকিব পাৰেনে? ভৱিষ্যতে কি হয় হ'ব? এই মুহূৰ্তটোহে মোৰ কাৰণে গুৰুত্বপূৰ্ণ।

মদ খালেও সুনীল চক্ৰৱৰ্তী অমানুহ হৈ পৰা নাছিল, তেওঁৰ বুদ্ধি বিবেচনাও লোপ পোৱা নাছিল। তেওঁৰ প্ৰতি মানুহৰ সহানুভূতি আছিল। ৰামায়ণ সিঙে বহুদিনৰপৰা এজন ভাল কাম জনা মানুহ বিচাৰি ফুৰিছিল। তেওঁ সুনীল চক্ৰৱৰ্তীক তেওঁৰ কামত লগাই দিলে। আজিকালি ব্যৱসায় কৰিবলৈ হ'লেও বহুতো চিঠি-পত্ৰ আদান-প্ৰদান কৰিব লাগে, ৰেকৰ্ড ৰাখিব লাগে। সুনীলে ভাল ড্ৰাফ্ট কৰিব পাৰে বুলি ৰামবাবুৱে চুপাৰিছ কৰিলে। আৰু পাৰেও; শুনীয়া ইংৰাজী লিখে। সুনীলে গধূলি অলপ মাদ খায় খাব, ৰামায়ণ সিঙৰ কামখিনি ঠিক মতে কৰি দিলেই হ'ল। সিঙৰ ঘৰতেই থাকিব, তাতেই খোৱা-বোৱা কৰিব। কিমান মানুহে খায় হিচাপ নাই। পিছে নিৰামিষ খানা।

তেতিয়া ৰামায়ণ সিং আছিল অঞ্চলৰ আটাইতকৈ ডাঙৰ ঠিকাদাৰ, আটাইতকৈ বিত্তশালী মানুহবো এজন। ধুবুৰীত তেওঁৰ কেইবাটাও ঘৰ, মধুপুৰত বিৰাট অট্টালিকা। তেওঁৰ পোছাক-পাতি পিছে আগৰ দৰে আছিল। পিন্ধনত মলিয়ন চুৰিয়া, গাত পাঞ্জাবিও নহয় চাৰ্টো নহয়

এনেকুৱা এটা কামিজ আৰু ভৱিত জনমত বং নিদিয়া এযোৰ পাম্প শু। তেওঁ ইমান কম সময়তে কেনেকৈ ইমান সম্পদ গোটালে ক'ব নোৱাৰোঁ। অৱশ্যে তেওঁ যুদ্ধৰ সময়ত অপ্ৰত্যাশিত সুযোগ পাইছিল আৰু সেই সুযোগৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰিছিল। আমি সৰুতে তেওঁক দেউতাৰ তলত ৰাজমিস্ত্ৰী কাম কৰা দেখিছিলোঁ। নান্নু মিস্ত্ৰীয়েও যুদ্ধৰ সময়ত ঠিকাৰ কাম কৰি যথেষ্ট ধন আৰ্জিছিল, কিন্তু সেইয়া ৰামায়ণ সিঙৰ তুলনাত একো নহয়। অস্বাভাৱিক পৰিস্থিতিত সাধাৰণ মানুহৰ চৰম দুৰৱস্থা হ'লেও কেইজনমানৰ হাতত হঠাতে প্ৰচুৰ পৰিমাণৰ ধন আহি যায়।

ইমান বয়সিয়াল প্ৰতিপত্তিশালী মানুহজনক মই তেতিয়াও মিস্ত্ৰী বুলি মাতিছিলোঁ আৰু তুমি বুলি সম্বোধন কৰিছিলোঁ। অতি অশালীন আচৰণ। এতিয়া কথাবাৰ মনত পৰিলে মই অস্বস্তি বোধ কৰোঁ।

"কি খবৰ মিস্ত্ৰী? ভালনে তোমাৰ?"

"আৰে খোখাবাবু, আইয়ে আইয়ে।"

ৰামায়ণ সিঙৰ ল'ৰা দুজন মোতকৈ বয়সত ডাঙৰ। তেওঁলোকক মই পিছে আপুনি বুলি সম্বোধন কৰিছিলোঁ। এইবোৰ হ'ল সংস্কাৰ। মোৰ চকুত ৰামায়ণ সিং এজন ৰাজমিস্ত্ৰী কিন্তু তেওঁৰ ল'ৰা দুজন হ'ল ধনী মানুহৰ ল'ৰা। ৰামায়ণ সিঙৰ ল'ৰা দুজনেও বেছি লিখা-পঢ়া নাজানে; জনাৰ প্ৰয়োজনো নাই। সিঙৰ বহুত ধৰণৰ ব্যৱসায়। ইংৰাজীত লিখা নানা ধৰণৰ গুৰুত্বপূৰ্ণ চিঠিপত্ৰ আহে, তাৰো উত্তৰ ইংৰাজীতেই দিব লাগে। তেওঁ সুনীলক কৰ্মচাৰী হিচাপে নিযুক্তি দিলে। টাইপ কৰাৰ কাৰণে প'ৰ্টেবল টাইপ ৰাইটাৰ এটাও কিনি দিলে। কিছুদিন পিছতেই ৰামায়ণ সিঙে তেওঁক খেদিলে।

"বাপৰে বাপ। হামাৰা দোনো লেড়কাকো উনে বিলকুল নষ্ট্ কৰণে লাগা।"

ৰামবাবুয়ে বিদ্ৰূপৰ হাঁহি হাঁহিলে।

"সুনীলেহে ৰামায়ণৰ ল'ৰাক নষ্ট কৰিব লাগিছে। তাৰ ল'ৰাৰ গুণৰ কাহিনী কোনে নাজানে?"

সুনীলৰ প্ৰতি মধুপুৰৰ মানুহৰ সহানুভূতি আছিল। ব্ৰজমোহন চক্ৰৱৰ্তীৰ ল'ৰা। আগতে এইবোৰ কথাও বিবেচনা কৰা হৈছিল।

মধুপুৰত ৰামবাবুৰ কাপোৰৰ দোকান আছিল। আগতে দোকানৰ বাৰাণ্ডাত বহি যদুবাবুৱে কাপোৰ চিলাই কৰিছিল। ৰামবাবুৱে যদুবাবুক চিলাই কল এটা কিনি দিছিল। যদুবাবু ঢুকোৱাৰ পিছত কলটো এনেয়ে দোকানৰ চুকত পৰি আছিল। হঠাতে এদিন দেখিলোঁ সুনীলে ৰামবাবুৰ দোকানৰ বাৰাণ্ডাত বহি পেন্ট চিলাই কৰি আছে। তেওঁ হেনো কলিকতাত থাকোঁতে পাৰ্ক ষ্ট্ৰীটত চখ কৰি দৰ্জিৰ কাম শিকিছিল। তাত শিক্ষা ল'লে কিবা মাষ্টাৰ টেইলৰ বুলি কয়। ৰামবাবুৱে কথাবাৰ গম পাই সুনীলক ডাবি দিলে।

"এই কথা কোৱা নাছিলা কিয়? কাম কৰিবা, লাজৰ কি? আজিকালি কোনে কি কাম কৰে সেই লৈ কি? মই কাপোৰৰ দোকান দিওঁতে প্ৰথমে মোকো মানুহে ইতিকিং কৰিছিল।

আজিকালি ল'ৰাবোৰে লংপেন্ট, হাৱাই চার্ট পিন্ধিবলৈ লৈছে। পেন্ট এটা সিয়াবলৈ ধুবুৰীলৈ দৌৰিব লাগে। ইয়াত ভূধৰ দর্জি হেনো বেষ্ট। পেন্ট এটা সিয়াবলৈ দিলে হৈ গ'ল। দুটা চুঙা সাজি লগ লগাই দিয়ে। মোৰ ইয়াতেই বহি কাম কৰা। কিছুদিন পিছত কি হয় চাবাচোন। মন লগাই কাম কৰা, মদাহীবোৰৰ লগ নহ'বা।"

সুনীল চক্ৰবৰ্তীয়ে লাজতে মুখ দাঙিব নোৱাৰে। এইটোৱেতো মস্কিল। অইনবোৰ মদাহীয়ে মদ খাই হুলস্থূল কৰে, চিএৰ-বাখৰ কৰে, মাৰপিটো কৰে, কিন্তু সুনীলে যিমানে বেছিকৈ মদ খায় সিমানেই বেছিকৈ নির্বাক হৈ পৰে। তাৰ পিছত নিঃশব্দে আবাসস্থানৰ ফালে যাত্ৰা আৰম্ভ কৰে। তেওঁ প্ৰায়েই গন্তব্য স্থান গৈ নাপায়, বাটত ক'ৰবাত পৰি গভীৰ টোপনিত বুৰ যায়।

সুনীলৰ মদ্যপান বন্ধ কৰাৰ সাধ্য ৰামবাবুৰ নাছিল। কোনেও কাকো উদ্ধাৰ কৰিব নোৱাৰে। এইয়া হ'ল একক যাত্ৰা।

সুনীল এজন অপৰাধপ্ৰৱণ ডেকা ল'ৰা নাছিল। স্কুলত থাকোঁতে আমাৰ চকুত সুনীল আছিল এজন হিৰ'। আকর্ষণীয় কথা-বতৰা, ধুনীয়া পোছাক-পাতি, ফুটবল খেলত গোল দিয়াৰ অদ্ভুত দক্ষতা। তেওঁৰ এইবোৰ গুণে আমাক মুগ্ধ কৰি তুলিছিল। অপৰাধী হ'বলৈ হ'লে সীমাহীন লোভ থাকিব লাগিব। ক্ষমতাৰ লোভ, সুখ সম্পদৰ লোভ, টকা-পইচাৰ লোভ। কোটি কোটি টকা আত্মসাৎ কৰোঁতে ৰাজনৈতিক নেতা বা উচ্চপদস্থ বিষয়া আৰু চন্দন কাঠৰ চোৰাং কাৰবাৰী বীৰাপ্পানৰ মাজত কোনো মৌলিক প্ৰভেদ নাই। উদ্দেশ্য একেটাই, পদ্ধতিহে ভিন্ন। এটা পদ্ধতিক স্বীকাৰ কৰি লোৱা হৈছে, এটাক হোৱা নাই। ৰুল্‌ছ অৱ দ্য গেইম।

এদিন হঠাতে সুনীল চক্ৰবৰ্তী মধুপুৰৰপৰা আকৌ অন্তৰ্হিত হৈ গ'ল। তেওঁৰ লগত থকা প্ৰতিজন মানুহৰ কাপোৰত পিন মাৰি নাম লিখা কাগজ এডোখৰ লগাই থৈ গৈছে। ৰামবাবুৰ নামত চিঠি এখনো লিখি থৈছে। মানুহক কাপোৰ ফিৰাই দিবলৈ কৈছে, অইন একো নাই। ৰামবাবুৱে আক্ষেপ কৰিলে।

"মোৰেই ভুল। সামান্য কমন চেন্স নাই। তাৰ আগত দেবেনৰ চিঠি পোৱা বুলি ক'ব নালাগিছিল।"

ব্ৰজমোহন চক্ৰবৰ্তীৰ দ্বিতীয় ল'ৰা দেবেন চক্ৰবৰ্তীয়ে পাটনাত ওকালতি কৰে। ৰামবাবুৰ লগত ভাল। দেবেনৰ চিঠিৰ উত্তৰ দিওঁতে তেওঁতো নিশ্চয় সুনীলৰ কথাও লিখিব। ঘৰৰ লগত তেওঁৰ কোনো সম্বন্ধ নাই বুলি সুনীলৰ কথাৰপৰা বুজা গৈছেই। দেবেন চক্ৰবৰ্তীয়ে তেওঁৰ ছোৱালীজনীৰ বিয়াৰ কথা লৈ ইকালৰ ল'ৰা এজনৰ খবৰাখবৰ সুধি ৰামবাবুক এখন চিঠি দিছিল। সুনীল মধুপুৰত আছে বুলি জানিলেও কোনেও তেওঁক টানি লৈ যোৱাৰ কাৰণে দৌৰি নাহে। তথাপি সুনীলে মধুপুৰত থাকি অস্বস্তি বোধ কৰিবলৈ ল'লে।

(৬)

আকৌ বহুতদিনৰ মূৰত বুঢ়া বয়সত সুনীল চক্ৰবৰ্তীক লগ পাই এইবোৰ কথা মনত

পৰিছে। পুৰণি কথা যে মনত নপৰে তেনেকুৱা নহয়, বহুতো কথা মনত পৰে। পিছে স্মৃতিও হ'ল নিৰ্বাচিত। চিলেকটিভ ৰিমেমব্ৰেঞ্চ। বহুত কথাও জানিলোঁ। পিছে জানিয়েই বা কি লাভ? বহুত কথাই নাজানো। বহুত কথা নজনাকৈ মৰি যাম। বয়স হৈছে, আৰু নো কিমান দিন? জানিলোঁ বা নাজানিলোঁ, শেষ পৰ্যন্ত এইবোৰৰ একো মূল্য নাই। একোৰেই একো মূল্য নাই। জীৱনত কি কৰিলোঁ বা নকৰিলোঁ সেই লৈয়েই বা কি কথা? এটা ডাঙৰ অট্টালিকা সাজি থৈ নগ'লোঁ। তাতেই বা কি? কেইখনমান কিতাপ লিখি থৈ গ'লোঁ। তাতেই বা কি? বুঢ়া বয়সত বৃদ্ধ সুনীল চক্ৰৱৰ্তীক লগ পাই সাময়িকভাৱে মনত এক অনাসক্ত ভাৱৰ সৃষ্টি হৈছে। আমাৰ মানদণ্ডৰে জুখিবলৈ হ'লে সুনীলৰ জীৱন হ'ল অসাৰ্থক জীৱন। কিন্তু তেওঁৰ মনত কিবা ক্ষোভ থকা যেনতো নালাগে। তেওঁ পাঁচচূড়া মন্দিৰৰ অতিথিশালাত থাকে। কোনো লম্ফজম্ফ নাই, কোনো উদ্বেগ নাই। দিনটোৰ সৰহ ভাগ সময়ত মন্দিৰৰ খটখটিত বহি গদাধৰ নৈৰফালে চাই থাকে।

এইবেলি মই মোৰ মধুপুৰৰ ঘৰলৈ যাওঁতে বহুযুগৰ মূৰত সুনীল চক্ৰৱৰ্তীক লগ পালোঁ। মই ঘৰলৈ আহিছোঁ বুলি শুনি তেওঁ মোক লগ ধৰিবলৈ আহিলে।

"আপোনাক লগ ধৰিবলৈ আহিলোঁ। বাপৰে কিমান দিন আগৰ কথা।"

মই আগতে তেওঁক সুনীলদা বুলি মাতিছিলোঁ। গতিকে প্ৰতিবাদ কৰিলোঁ।

"মোক আপুনি বুলি কৈছে কিয়?"

"আপুনি এজন গণ্যমান্য ব্যক্তি আৰু মই হ'লোঁ...।"

"হ'ব দিয়ক মোৰ কাৰণে আপুনি এতিয়াও সুনীলদা আৰু মই হ'লোঁ ভদ্ৰ।"

মই মাজ বয়সত অলপ লিখামেলা কৰিবলৈ আৰম্ভ কৰোঁ। মোৰ এটা স্বাভাৱিক কৌতূহল আছিল। সম্ভ্ৰান্ত পৰিয়ালৰ প্ৰতিশ্ৰুতিসম্পন্ন ল'ৰা এজনে তেওঁৰ জীৱনটো কিয় এইদৰে নষ্ট কৰিলে? মই লক্ষ্য কৰিলোঁ যে ঘনিষ্ঠতা হ'লে মানুহে নিঃসঙ্কোচে তেওঁলোকৰ মনৰ কথা মোৰ আগত খুলি কয়। বোধহয় বাষ্পৰ দৰে মনক হেঁচা মাৰি ধৰি থকা প্ৰচণ্ড চাপৰ পৰা মুক্তি পায়। ইয়াকেই বোধহয় ইংৰাজীত কেথাৰছিছ বুলি কয়।

সুনীল চক্ৰৱৰ্তী তেওঁলোকৰ গয়াৰ ঘৰতেই আছিল। গয়াত বহুতো বংগদেশৰ মানুহে বিভিন্ন ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছিল। সুনীলদাই গয়াৰ এজন সন্মানীয় মানুহৰ পৰিবাৰৰ প্ৰেমত পৰিলে। আচলতে মহিলাগৰাকীয়ে সুপৰিকল্পিতভাৱে সুনীলক সেইদৰে পৰিচালনা কৰি ল'লে। তেওঁৰ কাৰণে এইয়া আছিল খেল-ধেমালি, কিন্তু সুনীলদাৰ কাৰণে এয়েই আছিল জীয়াই থকাৰ অৰ্থ। সুনীলদাই মহিলাগৰাকীৰ সৈতে তেওঁৰ দৈহিক মিলন হোৱা বুলিও ইঙ্গিত দিলে। সুনীলৰ আকৰ্ষণ আৰু অনুভূতিৰ তীব্ৰতা দেখি ভদ্ৰমহিলা আতংকিত হৈ পৰিল। উন্মাদ, কোনো কাণ্ডজ্ঞান নাই। এইবোৰতো ভদ্ৰমহিলাৰ কাৰ্য তালিকাত নাছিল। সুনীল তেওঁৰ নিৰ্ধাৰিত ভূমিকাত নিজকে সীমাবদ্ধ ৰাখিবলৈ প্ৰস্তুত নহয়। সুনীলে ভদ্ৰমহিলাক তেওঁৰ লগত পলাই যোৱাৰ প্ৰস্তাৱ দিলে। মহিলাৰ সামাজিক প্ৰতিষ্ঠা, সুনাম সকলো ধ্বংস হোৱাৰ উপক্ৰম। ইমান বিস্ফোৰক বস্তু লৈ খেলিবলৈ লৈছিল বুলি তেওঁ কল্পনাও কৰা নাছিল।

সুনীলৰ কাণ্ডজ্ঞান লোপ পাইছে বুলি তেওঁৰ বুদ্ধি বিবেচনাতো লোপ পোৱা নাই। সুনীলে সাংঘাতিক কিবা কৰাৰ আগতেই তেওঁৰ কিবা এটা ব্যৱস্থা ল'ব লাগিব। আক্ৰমণ আত্মৰক্ষাৰ শ্ৰেষ্ঠ উপায়। সুনীলৰ অবাঞ্ছিত প্ৰেমৰ উত্তাল তৰংগৰপৰা নিজকে ৰক্ষা কৰাৰ কাৰণে তেওঁ তেওঁৰ স্বামীৰ শৰণাপন্ন হ'ল। তেওঁ এক নিখুঁত কল্পচিত্ৰ দাঙি ধৰিলে।

"তোমাক নকওঁ বুলি ভাবিছিলোঁ। কিন্তু কোৱাই ভাল নেকি? এই ল'ৰাজন দেখাত খুব ভদ্ৰ হ'লেও সি বৰ ভাল ল'ৰা নহয়।"

"কাৰ কথা কৈছা?"

"এই, সুনীল।"

"কিবা কৰিছে নেকি?"

"তাৰ ইমান সাহস নাই, ৰ'বাচোন। প্ৰশ্ৰয় নাপালে সাহস কৰিব নোৱাৰে। কিন্তু সি আমাৰ ইয়ালৈ এনেকৈ অহাই আহি থকাটো মই ভাল পোৱা নাই। তাৰ ক'লেজ নাই, পঢ়াশুনা নাই? মানুহে আমাকেই দোষ দিব।"

তেওঁৰ স্বামী আচৰিত হৈ গ'ল। দেখাত ল'ৰাজন ইমান ভদ্ৰ, ইমান মাৰ্জিত। তেওঁতো তেওঁৰ পৰিবাৰক জানে। কিবা ধৃষ্টতা প্ৰকাশ নকৰিলে তেওঁক এনেকৈ ক'বলৈ নাযায়।

"হাৰামজাদা। ইমান বজ্জাত? ইয়াৰ পিছত আহিলে চাবুক মাৰি তাৰ তপিনা ফালি দিব।"

"বৰ ভাল কাম কৰিবা। মানুহক কি বুলি ক'বা? মানুহে নোহোৱাটোকো ধৰি ল'ব। মই তাক আহিবলৈ হাক দিছোঁ। তুমিও হাক দিবা।"

"কি বুলি ক'ম?"

"একোৱেই ক'ব নালাগে। জাষ্ট হাক দি দিবা। বচ্।"

চাৰুদত্ত আধাৰকৰ যে বঙালী লেখক যাযাবৰৰ কিতাপ 'দৃষ্টিপাত'তেই আছে এনে নহয়। সকলো যুগতে সকলো ঠাইতেই চাৰুদত্ত আধাৰকৰবোৰ থাকে।

সুনীলে কাকো নজনোৱাকৈ ঘৰ এৰিলে? ভাঁহি থকা অনিশ্চিত জীৱন। ক'তো শিপা নাই, কাৰো প্ৰতি কোনো আকৰ্ষণ নাই। এনেকৈ তেওঁ কলিকতা পালেগৈ। তাত তেওঁ কি কৰা নাই? টিউশ্বনি কৰিছে, জমিদাৰৰ মোচাহেবী কৰিছে। অতি অস্থায়ীভাৱে তেওঁ বিভিন্ন প্ৰতিষ্ঠানতো আছিল; ক'ৰবাত পিয়ন, ক'ৰবাত মেনেজাৰ। তাত থাকোঁতে তেওঁ টাইপ কৰাও শিকিলে। সকলোৱে তেওঁক ভাল পাইছিল, সকলোৱে মৰম কৰিছিল। ৰংপুৰৰ জমিদাৰ এজনৰ লগত থাকোঁতে তেওঁ মদ খাবলৈ শিকিলে। মদ খাই সকলো পাহৰি থাকিব পৰা এক ধুনীয়া উপায় তেওঁ আৱিষ্কাৰ কৰি ল'লে। কোনো আশা নাই, কোনো আকাংক্ষা নাই, কোনো বেদনাও নাই, কোনো আনন্দও নাই। উদ্দেশ্যহীন অৱলম্বনহীন এক যান্ত্ৰিক জীৱন। পাৰ্ক ষ্ট্ৰীটত হানিফ মিৰ্ধাৰ টিপ্‌টিপ্ টেইলৰিঙৰ ঠিক ওলোৱা সোমোৱা বাটটোত নিশ্চল হৈ পৰি থকা কাৰণে সুনীলৰ সৈতে হানিফ মিৰ্ধাৰ পৰিচয় হয়। হানিফো কম নহয়। যেতিয়া নাথায় নাই, কিন্তু যেতিয়া তেওঁ মদ খাবলৈ লয় তেতিয়া তেওঁ দুই-তিনি দিন একেৰাহে মদ খাই পাৰ কৰি দিয়ে। হানিফে স্বতঃপ্ৰবৃত্তভাৱে সুনীলৰ অভিভাৱকৰ ভূমিকা ল'লে। তেওঁ অতি পাকৈত

দৰ্জী, মাষ্টাৰ টেইলৰ। কলিকতাৰ বিখ্যাত মানুহে তেওঁক খাতিৰ কৰে।

"চুটযোৰ আপুনি নিজে কাটিব দেই। আপোনাৰ এছিছটেন্টবোৰক নিদিব।"

চখ কৰি সুনীলে হানিফ মিৰ্ধাৰপৰা কাম শিকি ল'লে। তেওঁ যিকোনো কামেই তৎক্ষণাৎ শিকি ল'ব পাৰে। হানিফে সপ্ৰশংস দৃষ্টিৰে সুনীলৰ কাম চায়।

"আৰে বেটা, তুমিতো এই কেইদিনতে একেবাৰে এক্সপাৰ্ট হৈ গৈছা।"

সুনীল চক্ৰবৰ্তীৰ ভাল লাগে, নিজৰ কৃতিত্বৰ গৰ্ববোধ কৰে। কিন্তু কেইদিন? কিছুদিন পিছতেই তেওঁৰ উৎসাহ স্তিমিত হৈ আহে। নিষ্ফল অনুশীলন। কলিকতাৰ জীৱন সুনীলৰ অসহ্য লাগি যায়। হঠাতে বৰকৈ তেওঁৰ মধুপুৰৰ কথা মনত পৰিবলৈ ধৰিলে। তাতেই তেওঁৰ জন্ম, তাতেই তেওঁ ডাঙৰ হৈছে। মই সুনীল চক্ৰবৰ্তীৰ মানসিক অৱস্থা বুজি পাওঁ।

(৭)

অলপতে ঘৰলৈ যাওঁতে যি কেইদিন ঘৰত আছিলোঁ হয় মই সুনীলবাবুৰ তালৈ গৈছিলোঁ, নহয় তেওঁ মোৰ তালৈ আহিছিল। ঘৰৰ সকলোৱে খুব কৌতুক বোধ কৰিছিল। সুনীলৰ লগত মোৰ ইমান কি কথা? সম্পূৰ্ণ ভিন্ন স্তৰত থাকিলেও মানসিক স্তৰত আমাৰ এক নিবিড় যোগসূত্ৰ আছে।

মই সুনীলদাক সুধিলোঁ, "আপুনি কলিকতাৰপৰা মধুপুৰলৈ কিয় আহিলে?"

"হানিফ মিৰ্ধাই মোক জীৱনত প্ৰতিষ্ঠিত কৰি থোৱাৰ কাৰণে ব্যস্ত হৈ উঠিল। লাগিলে তেওঁ মোক বেলেগ এখন দোকান কৰি দিবলৈ বিচাৰিলে।"

"মধুপুৰৰপৰা হঠাতে গুচি গৈছিল কিয়?"

"ৰামদাই সৰু ককাইদেউৰ চিঠি পোৱা বুলি ক'লে। নাহে, তথাপিতো ক'ব নোৱাৰি। ৰামদাৰ চিঠিত মই ইয়াত আছোঁ বুলি জানি কোনোবাই মোক বিচাৰি ইয়ালৈ আহিবওতো পাৰে।"

সুনীলদাৰ মুখত আৰু এটা খবৰ পালোঁ। মোৰ কৌতূহল আছিলেই, এতিয়া নিৰসন হ'ল। হঠাতে সুনীলদাই মোক সুধিলে, "তোমাৰ হৰিপদৰ কথা মনত আছেনে? হৰিপদ দত্ত। নৈৰ পাৰত কাঠৰ দোকান দিছিল, হঠাতে ইয়াৰপৰা নোহোৱা হৈ গ'ল।"

"কিয় নাথাকিব? তেঁৱেইতা এবাৰ মোক জোৰকৈ ধৰ্মনগৰলৈ লৈ গৈছিল।"

"মই নাজানো। কিন্তু শিলিগুৰিত তেওঁ মোক বচাইচে।"

"বচাইচে মানে?"

"বচাইচে মানে জীৱন ৰক্ষা কৰিছে। মোৰ কথাতো জানাই। বাটেৰে ঢলংপলংকৈ গৈ থাকোঁতে ঠিক হৰিপদৰ হোটেলৰ সমুখত ট্ৰাক এখনে মোক বগৰাই থৈ পলাই গ'ল।"

"শিলিগুৰিত হৰিপদৰ হোটেল আছে নেকি?"

"বেছ ডাঙৰ হোটেল। বাটতেই মৰি থাকিলোঁ হয়। হৰিপদে মোক চিনি পাই হাস্পতালত লৈ গ'ল। চাৰি মাহ হাস্পতালত আছিলোঁ। বাচি উঠিলোঁ হয় কিন্তু শৰীৰ সম্পূৰ্ণ ঠিক নহ'ল।

কিন্তু এটা উপকাৰ হ'ল। উপকাৰ বুলিয়েই কোৱা। মদ খোৱাৰ ইচ্ছাটো পিছে নোহোৱা হৈ গ'ল। তুমিতো জানাই, আগতে বাপৰে।"

"ভালেই হ'ল। গোৰ মাৰি গঙ্গাত পেলোৱা নে কি বুলি কয়?"

"চোৱাচোন হৰিপদৰ লগত নো মোৰ কি সম্বন্ধ? তেওঁ ৰামদাৰ দোকানলৈ আহিছিল। কেতিয়াবা তাতেই দুই একাষাৰ কথা পাতিছিল। এই পৰ্যন্ত। যথেষ্ট কৰিছে। নিজৰ মানুহেও ইমানখিনি নকৰে। হাস্পতালৰপৰা এৰি দিয়াত তেওঁ মোক তেওঁৰ ঘৰলৈ আনিলে। পুষ্পবৌয়েও মোৰ কাৰণে কম কৰা নাই।"

হঠাতে মই সজাগ হৈ উঠিলোঁ। এই নামটো মই ক'ত শুনিছোঁ? ঠিকেই, হৰিপদৰ মুখত শুনিছোঁ।

"পুষ্প, কোন পুষ্পবৌ?"

"হৰিপদৰ পৰিবাৰ। জলপাইগুৰিৰ ছোৱালী। ছোৱালীজনীৰ মাক দেউতাক কোনো নাছিল, আইতাকে ডাঙৰ কৰিছে। বুঢ়ী হেনো মহা কিৰ্পিণ। পইচা লৈ পেয়িং গেষ্ট ৰাখিছিল। হৰিপদ আগতেও হেনো বুঢ়ীৰ ঘৰত পেয়িং গেষ্ট হিচাপে আছিল। মধুপুৰৰপৰা আহি হৰিপদে ছোৱালীজনীক বিয়া কৰাই বুঢ়ীৰ লগতেই আছিল। দত্তই চাহ-বাগিচাত বস্তুৰ যোগান ধৰিছিল।"

বুঢ়ী খুব পকৈত মহিলা। ঘৰমাটি নাতিনীয়েকক দি গৈছে। টকা-পইচা, আ-অলংকাৰো তেওঁৰ বহুতো আছিল। মৰাৰ আগতে সকলো নাতিনীয়েকৰ হাতত দি গৈছে। বুঢ়ীৰ ইমান সা-সম্পত্তি আছে বুলি হৰিপদইতো কল্পনাও কৰা নাছিল।

জলপাইগুৰিৰ সম্পত্তি বিক্ৰী কৰি হৰিপদ দত্তই শিলিগুৰিত হোটেল খুলিলে। সঁচাকৈ খুব দূৰদৰ্শিতাৰ কাম কৰিছে। তেতিয়া শিলিগুৰিতনো আছিল কি? এতিয়া শিলিগুৰি বংগৰ এখন ডাঙৰ চহৰ, এটা প্ৰধান বাণিজ্যকেন্দ্ৰ। নেহৰু ৰোডত পাঞ্জাব নেছনেল বেঙ্কৰ সমুখত হৰিপদৰ হোটেল। অলপতে নতুনকৈ বিৰাট বিল্ডিং সাজিছে। হোটেলত ছিট পোৱা টান।

আৰু প্ৰায় ছমাহমান পাছতহে সুনীল চক্ৰবৰ্তী ভালকৈ খোজ কাঢ়িব পৰা হ'ল। সুনীলদাই একো কাৰণ বিচাৰি পোৱা নাই। হৰিপদে তেওঁৰ কাৰণে কিয় ইমান কৰিছে? দেখাততো মানুহজনক দাতাকৰ্ণ যেন নালাগে। হৰিপদ অইন ব্যৱসায়ত জড়িত বুলি সুনীলদাই সন্দেহ কৰে। সেইবোৰ সম্পূৰ্ণ আইনসংগত নহয়। হৰিপদক প্ৰশ্ন কৰিলে তেওঁ হাঁহে, ঋণ পৰিশোধ কৰা বুলি কয়। মধুপুৰৰ ঋণ।

"তেওঁ তোমাৰো হেনো কিছু টকা মাৰি দিছে।"

ইমান দিন পাছত মোৰ একো মনত নাই। এক আদ্‌শ টকা ল'ব পাৰে। পাহৰি গৈছোঁ।

সুনীল চক্ৰবৰ্তী হৰিপদৰ হোটেলত থাকি গ'ল। মেনেজাৰ বুলিলে মেনেজাৰ, আশ্ৰিত বুলিলে আশ্ৰিত। তেওঁ তাত থাকি বেয়া পোৱা নাছিল। তেওঁৰ কোনো উচ্চাভিলাষ নাছিল। নিৰ্বিবাদে দিনবোৰ পাৰ কৰিব পাৰিলেই হ'ল। ডেকা কালত তেওঁ কিমান সপোন দেখিছিল যদিও সেই সপোন কেতিয়াবাই মনৰপৰা বিলীন হৈ গৈছে।

এইবেলি মই সুনীলক আচল প্ৰশ্নটো সুধিলোঁ, "শেষ পৰ্যন্ত আপুনি ইয়ালৈ আহিল কিয়?

এই বুঢ়া বয়সত এনেকৈ অকলে আছে কিয় ? হৰিপদে বেয়া ব্যৱহাৰ কৰিবলৈ লৈছিল নেকি ?"

সুনীলদা জাপ মাৰি উঠিল।

"ছিঃ ছিঃ এনেকুৱা কথা নক'বা। কোনো ৰকমে এৰি নিদিয়ে। পুষ্পইতো কন্দাকটা আৰম্ভ কৰি দিলে। মই তেওঁলোকক আশ্বস্ত কৰিলোঁ। মধুপুৰনো কিমান দূৰ ? ইমানবোৰ বাছ গৈ থাকে, উঠি বহিলেই হ'ল। মাজে মাজে আহিম বুলি কৈছোঁ।"

"মাজ মাজে গৈ থাকে নেকি ?"

"নাই, যোৱা নাই। অলপতে হৰিপদৰ মাজু ল'ৰাজন মোৰ খবৰ ল'বলৈ ইয়ালৈ আহিছিল। বৰ ভাল ল'ৰা। নৰ্থ বেঙ্গল ইউনিভাৰ্চিটীত এম. এ. পঢ়ি আছে। পুষ্পই মাতি পঠিয়াইছে। তেওঁ নিজেই আহিব বুলি কৈ পঠিয়াইছে।"

"কিন্তু নাযায় কিয় ?"

"এই বয়সত তাত গৈ হঠাতে যদি অসুস্থ হৈ পৰোঁ। হঠাতে যদি মৰি থাকোঁ।"

"অৰ্থাৎ ?"

"মই মধুপুৰতেই মৰিব বিচাৰোঁ। মই জানো, কোনো যুক্তি নাই। গোটেই জীৱন তো যুক্তিহীন কাম কৰিয়েই গ'লোঁ। মানুহৰতো বহুতো আশা-আকাংক্ষা থাকে। ধৰা এইটোৱেই মোৰ এমবিশ্বন। আই ওৱাজ বৰ্ণ হিয়াৰ, আই ওৱান্ট টু ডাই হিয়াৰ।"

অইনে হয়তো সুনীলদাৰ কথা শুনিলে হাঁহিব। মই কিন্তু হাঁহিব নোৱাৰিলোঁ।

# অভিজাত

মাত্ৰাৰ সলনি হ'লেও গুণগতভাৱে বিশেষ পৰিবৰ্তন হোৱা নাই যেন লাগিল। আগতে য'ত শ বা হেজাৰ টকাৰ লেনদেন হৈছিল এতিয়া তাত লাখ বা কোটি টকাত হয়। কেইবছৰমান আগতে অনন্ত মেধিক দিল্লীত লগ পাওঁ। আচলতে আমি যোৱা বুলি কিবাকৈ খবৰ পাই সিয়েই আমাক জোৰ কৰি অসম হাউছৰপৰা তাৰ তালৈ লৈ গ'ল। সি থাকোঁতে আমাৰ অইন ঠাইত থাকিব লাগিছে কিয়? তাৰ ঘৰ-দুৱাৰ আৰু জীৱন-ধাৰণৰ মান দেখি তাক যথেষ্ট পইচা থকা মানুহ যেন লাগিল। বিজিনেছ কৰে বুলি ক'লে। এইটো এটা অনিশ্চিত শব্দ। পকেটমাৰ, ডকাইতৰপৰা আৰম্ভ কৰি টাটা, বিড়লাকে ধৰি ধীৰুভাই আম্বানি পৰ্যন্ত সকলোৱে বিজিনেছ কৰে। দালালিও ব্যৱসায়ৰ অংগ।

অনন্ত মোৰ চিনাকি লৰা। তাক মই বহুত দিনৰপৰাই জানো। মোক সি খুৰা বুলি মাতে আৰু মোৰ প্ৰতি তাৰ এক ধৰণৰ শ্ৰদ্ধাও আছে। ডেকা কালত সি যে মাজেমধ্যে মোৰপৰা দহ টকা, বিছ টকা লৈছিল, সেয়া মোক ঠগাবৰ কাৰণে নহয়, তাৰ স্বভাৱে তাক বাধ্য কৰাইছিল। এই লৈ তাক মই বেয়া পোৱা নাছিলোঁ। তাৰ কাৰণে সি যিবোৰ গল্প কৈছিল তাৰ মূল্য বহুত বেছি। আমিওতো গল্প লিখি দুই চাৰি টকা পাওঁ? অনন্তই কথাও ক'ব পাৰে, অনৰ্গল ওলাই থাকে।

এবাৰ শনিবাৰে দুপৰীয়া দুইমান বজাত সি উদ্ভ্ৰান্তৰ দৰে উপস্থিত।

"খুৰা, এটাতো ভয়ানক বিপদত পৰিলোঁ।"

মই আতংকিত হৈ উঠিলোঁ, তাৰ বিপদৰ কথা শুনি নহয়, মোৰ সম্ভাব্য বিপদৰ কথা চিন্তা কৰি।

"কি বিপদ?"

"চাইকেলেৰে গৈ থকা অৱস্থাত মোৰ পাৰ্টনাৰজনক ট্ৰাকে খুন্দা মাৰি বগৰাই দিলে। নাই, তেনেকৈ একো হোৱা নাই কিন্তু খুব শ্বক পাইছে। ডাক্তৰে কেইবাটাও ইনজেকশ্বন দিবলৈ দিছে। বহুত দাম। আজি শনিবাৰ। বেংক বন্ধ হ'ল। কাইলৈ দেওবাৰ। ইফালে বিজয় ঘৰত অকলে আছে।"

"তোৰ পাৰ্টনাৰৰ নাম বিজয় নেকি? সিদিনা অজয় বুলি কৈছিলি দেখোন।"

অনন্ত অলপো অপ্ৰস্তুত নহ'ল।

"নাই অজয়ৰ লগত কাম কৰা বাদ দিছোঁ। সি একেবাৰে এটা বেলবুং।

"বেলবুং মানে কি?"

"মানে একো কামৰ নহয়। ৰাৰ্থলেছ। এতিয়া বিজয়ৰ লগত কাম কৰি আছোঁ। বৰ ভাল ল'ৰাজন। ইকনমিক্সত এম. এ.। হাই চেকেন কেলাচ। আজিকালি টকা-পইচা নিদিলে ক'ত কাম পায়? বাপেকে দিবও খুজিছিল। বিজয়ে আপত্তি কৰিলে। বাপেকক ক'লে—টকা দিয়া যদি মোকেই দিয়া, ব্যৱসায় কৰিম। ঠিক কথা, নহয় খুৰা? বিজয়ৰ মোৰ লগত খুব ভাল। সিয়েই জোৰ কৰি মোক তাৰ পাৰ্টনাৰ কৰি লৈছে। জনা-বুজা মানুহ নহ'লে আজিকালি বিজিনেছ কৰা টান। এতিয়া কথা হ'ল বিজয়ৰ দেউতাকো ঘৰত নাই।

"ক'লৈ গৈছে?"

"বুঢ়াৰ চখ। ঘৰৰ গোটেইবোৰক লৈ পুৰীত ফুৰিবলৈ গৈছে। বিজয় ঘৰ ৰখীয়া হৈ আছে। সেই কাৰণেইতো মস্কিল। আপুনি এটা কাম কৰক। মোক পাঁচশমান টকা দিয়ক। সোমবাৰে বেংক খুলিলে টকা তুলি আপোনাক দি যাম।"

জানো মিছা কথা। ইংৰাজীত যাক কয়—টেকিং বান ফৰ এ ৰাইড।

"ইমান টকাতো মোৰ লগত নাই। অলপ যি আছে মোকেই লাগিব।"

"যি পাৰে তাকেই দিয়ক। মই তৎক্ষণাৎ লগা দৰবখিনি কিনি লওঁ। হাতত অলপ সময় পালে বাকীখিনি যোগাৰ কৰি ল'ব পাৰিম। প্ৰথমেই আপোনাৰ কথা মনত পৰিল কাৰণে আপোনাৰ তালৈ আহিলোঁ।"

অনন্তই দুশ টকা লৈ গ'ল। জানো ফিৰাই নিদিয়ে। সিও তাৰ ঐতিহ্য ৰক্ষা কৰি দিয়াও নাই। অলপতে ৰবীন্দ্ৰ ঠাকুৰক লৈ লিখা এটা প্ৰবন্ধ পঢ়িলোঁ। ঘৰুৱা বৈঠকত ৰবীন্দ্ৰনাথে কোৱা গল্প। এজন মানুহে ৰবীন্দ্ৰনাথৰপৰা টকা ধাৰলৈ লৈ কৃতজ্ঞতাত অভিভূত হৈ তেওঁক ক'লে যে এই উপকাৰ কৰা কাৰণে তেওঁৰ প্ৰতি মানুহজন চিৰঋণী হৈ থাকিব। ৰবীন্দ্ৰনাথে ক'লে, মানুহজন পিছে সত্যবাদী। আজিলৈ তেওঁ ঋণ পৰিশোধ কৰা নাই।

(২)

অনন্তৰ ডেকা কালৰ কথা। সি ব্যৱসায় কৰা বুলি কয়। সদায় ব্যস্ত, কি বিজিনেছ কৰে বুলি এবাৰ সুধিছিলোঁ।

"বস্তুৰ যোগান ধৰোঁ।"

"কি বস্তু?"

"যেতিয়া যি হয়।"

"এতিয়া কি কৰি আছ?"

"অফিচৰ কাৰণে হেণ্ড টাবেল ছাপ্লাই কৰি আছোঁ।"

"কি ছাপ্লাই কৰিছ?"

"হেণ্ড টাৱেল, হাতমোচা গামোচা।"

"অফিচে টাৱেল লৈ কি কৰে?"

"একো নকৰে। টাৱেল কিনা হয় বুলি অফিচৰ মানুহেও নাজানে। ব্ৰিটিছৰ দিনৰপৰা চলি আহিছে, এতিয়াও তেনেকৈ চলি আছে। বাকিংহাম পেলেচৰ চৌহদৰ এডোখৰ বিশেষ ঠাইত সদায় এজন চন্তৰী থাকে। এজন মানুহৰ কৌতূহল হ'ল। তাত কি পহৰা দি আছে? একোৱেই দেখোন নাই। তেওঁ নথি-পত্ৰ বিচাৰি দেখিলে যে এসময়ত বিদেশৰপৰা আনি এটা অতি দুষ্প্ৰাপ্য গছৰ পুলি তাত ৰোৱা হৈছিল। পুলিটোৰ যাতে কোনো হানি-বিঘিনি নহয় তাকেই চোৱাৰ কাৰণে চন্তৰীৰ ব্যৱস্থা কৰা হৈছিল। গছজোপা কেতিয়াবাই মৰি গ'ল, কিন্তু চন্তৰীৰ ব্যৱস্থা থাকিয়েই গ'ল।"

"কিমান টাৱেল ছাপ্লাই কৰিলি?"

"আপুনি শুনিলে বেয়াহে পাব! ইমান দিনে ইউপিৰ মানুহ এজনে এই কামটো কৰি আছিল। কাগজে-পত্ৰেহে ছাপ্লাই। নিয়ম ৰক্ষা কৰি অলপ দিয়া হয় তাকো গুদামত নিগনিয়ে কুটে, ভেকুৰা লাগি পঁচি যায়। পিছৰ বছৰত আকৌ নতুনকৈ লয়। হিউজ এমাউণ্টৰ কাম। মই কিবাকৈ গম পাই গ'লোঁ। ভিতৰখনত কি যে চলি আছে আপুনি ধাৰণা কৰিব নোৱাৰিব।"

অৱশ্যে অনন্তৰহে কথা, সঁচা নে মিছা কোৱা টান। য'ত কোনো প্ৰয়োজন নাই, নিজৰ কোনো স্বাৰ্থ নাই, তাতো সি স্বয়ংক্ৰিয়ভাৱে মিছা কথা নোকোৱাকৈ থাকিব নোৱাৰে।

(৩)

অকল ময়েই নহওঁ। তাৰ চিকাৰৰ তালিকাত আৰু বহুতৰে নাম আছে। মোৰপৰাতো এশ-দুশ এনেকৈহে লৈছিল। কাৰপৰা কিমান পাব পাৰি এই সম্বন্ধে নিখুঁত ধাৰণা তাৰ আছে। যিকোনো মানুহক যিকোনো বিষয়ে অনন্তই পতিয়ন নিয়াব পাৰে। এয়া আহৰণ কৰা দক্ষতা নহয়, জন্মগত প্ৰতিভা। ইংৰাজীত বোধহয় কেৰিছমা বুলি কয়। অনন্তৰ এই গুণ আছে। এই গুণ থাকিলে মানুহ সফল ধৰ্মগুৰু বা ৰাজনৈতিক নেতা হ'ব পাৰে। ধৰ্মগুৰুৰ কেলেংকাৰি, আনকি ধৰ্ষণত লিপ্ত হোৱাৰ প্ৰত্যক্ষ প্ৰমাণ প্ৰকাশ পালেও শিষ্যসকলৰ ভক্তি কমি নাযায়। ৰাজনৈতিক নেতাৰ হিমালয় সদৃশ ভ্ৰষ্টাচাৰৰ জাজ্বল্যমান নিদৰ্শন প্ৰকাশ পালেও তেওঁৰ জনপ্ৰিয়তা কমি নাযায়। তেওঁক চোৱাৰ কাৰণে মানুহ উন্মাদ হৈ পৰে, ভিৰত গচকত প্ৰাণ দিবও পাৰে। শাৰদ পাৱাৰৰ কি হ'ল? খয়েনাৰৰ নামহে নুশুনা হ'লোঁ।

দ্বিজেশ দত্তই মোক বিচাৰি আহিল। মোৰ ছাত্ৰ নহ'লেও মোক ছাৰ বুলি সম্বোধন কৰে। ভাল মানুহ। দেউতাকৰ মণিহাৰী দোকান আছিল। দ্বিজেশেও সেইখন চলায়। সি সাৱধানী মানুহ। দোকানৰ উন্নতি হোৱা নাই, অৱনতিও হোৱা নাই। দ্বিজেশ বেছ চিন্তিত।

"ছাৰ অনন্তৰ খবৰ জানে?"

"না তো। বহুত দিন সি মোৰ ইয়ালৈ অহাও নাই। ক'ত আছে নো?"

"তাকেইতো। দৰকাৰ হ'লে আপোনাৰ তাত খবৰ কৰিবলৈ কৈছিল।"

"মোৰ তাত? তাৰ ঘৰত খবৰ নকৰা কিয়?"

"ইয়াত যিটো তাৰ ঘৰ বুলি কৈছিল, সেইটো তাৰ বন্ধু এজনৰ ঘৰ। তৈৰো জকি আছে।

তেওঁৰপৰা কেইবা হেজাৰ টকা লৈ কাঞ্চিভৰম শাৰী আনিম বুলি মাদ্ৰাজলৈ যোৱা বুলি কৈছে। নিজে গৈ উপযুক্ত মানুহক লগ ধৰিলে ইয়াত যি দামত বিক্ৰী হয় তাৰ চাৰি ভাগৰ এভাগ দামতেই হেনো আনিব পাৰি।"

"তোমাৰপৰা কিমান লৈছে? কিহৰ কাৰবাৰ বুলি কৈছে?"

"পনিয়লৰ কাৰবাৰ।"

"পনিয়ল?"

"পনিয়লৰ নিৰ্যাসৰপৰা বোলে মূৰ ঘূৰণিৰ কিবা অব্যৰ্থ দৰব উলিয়াইছে। আমেৰিকাত পনিয়লৰ ভীষণ চাহিদা। পাবলৈ নাই। মোকেই প্ৰশ্ন কৰিলে—দত্ত, চাৰিওপিনে ইমান গছ কিন্তু পনিয়লৰ গছ ক'ৰবাত দেখিছেনে? চাৰিশ-পাঁচশ শতাংশ লাভ। নিজে পঠিয়াব পাৰিলে কিমান লাভ হয় সেই কথা শুনিলে মূৰ ঘূৰাই ঠাচ কৰে পৰি যাব। আপোনাকেই সেই দৰবৰ ইন্‌জেকশ্যন দিব লাগিব। সদ্যহতে অনন্তই কলিকতাৰ পাৰ্টী এটাৰ সৈতে বন্দোবস্ত কৰিছে। পিছত নিজেই পঠিয়াব।"

মই দ্বিজেশক খুব সাৱধানী আৰু হিচাপী মানুহ বুলি জানিছিলোঁ।

"সিও ক'লে আৰু তুমিও টকা দিলা?"

তাৰ মুখত এটা অসহায় ভাব ফুটি উঠিল।

"সি আপুনি তাক মোৰ ওচৰত পঠিওৱা বুলি ক'লে। সেই কাৰণেতো টকা দিলোঁ।"

"তুমিও তাকেই বিশ্বাস কৰিলা?"

দ্বিজেশ অলপ বিৰক্ত হোৱা যেন পালোঁ।

"সি ক'লে বোলে মোৰ কথা যদি বিশ্বাস নহয় ছাৰক সুধি চাব। তেওঁ কেমিষ্ট্ৰিৰ মানুহ। তেঁৱেইতো মোক বুদ্ধিটো দিলে। কোনোবা জাৰ্নালত হেনো তেওঁ বিজ্ঞাপন দেখিছে।"

ইমান প্ৰতিভাশালী মানুহৰ প্ৰতিভাৰ পূৰ্ণ বিকাশৰ কাৰণে এখন বৃহত্তৰ ক্ষেত্ৰৰ প্ৰয়োজন। ইয়াত সকলোৱে অনন্তক চিনি পায়, তাৰ ইতিবৃত্তও জানে। সেই যুগতেই আমি গুৱাহাটীৰ এজন মানুহৰ কথা জানিছিলোঁ। তেওঁৰ ল'ৰা এজনে সমাজবিৰোধী কামত লিপ্ত হয়। তাৰ বাপেকে হেনো মাৰি ধৰি তাক ঘৰৰপৰা উলিয়াই দিয়ে।

"ইয়াত কি গুণ্ডামি কৰি আছ? যা, কলিকতালৈ যা। তেতিয়াহে প্ৰমাণ পাবি তই কিমান ডাঙৰ গুণ্ডা।"

বহুত দিনৰ মূৰত দিল্লীত অনন্তক লগ পালোঁ। সিয়েই আমাক লগ ধৰি জোৰকৈ তাৰ ঘৰলৈ লৈ গ'ল। ঘৰতো নহয়, ৰাজপ্ৰাসাদ। আমাৰ জীৱন-ধাৰণৰ মানদণ্ড সম্পূৰ্ণ বেলেগ। অস্বস্তিয়েই লাগে। মোক অনন্তই বিজিনেছ কৰা বুলি ক'লে। সি কিন্তু সঁচাকৈ ব্যস্ত। ফোন আহিয়েই আছে, মানুহো আহিয়েই আছে। মন্ত্ৰীয়ে হেনো ফোন কৰে, চেক্ৰেটাৰীয়ে হেনো লগ ধৰে। সঁচা নে মিছা ক'ব নোৱাৰোঁ। কিবা এটা ৰহস্য আছে। থাকক। মোৰ কি? পিছে সি যে দিল্লীৰ অভিজাত শ্ৰেণীৰ মানুহ, সেই লৈ কোনো সন্দেহ নাই।

মই ভাবোঁ যে আমাক তাৰ ঘৰত দুদিনমান ৰখাৰ অনন্তৰ বেলেগ এটা উদ্দেশ্যোও থাকিব

পাৰে। দেখুৱাবৰ ইচ্ছা। উভতি গৈ অইনকো ক'ব পাৰিম। যি অনন্তক সকলোৱে লেইলেই-ছেইছেই কৰিছিল সি আজি এজন লেখত ল'বলগীয়া মানুহ। মন্ত্ৰী, শিল্পপতি, উচ্চপদস্থ বিষয়া, সকলোৰে সৈতে তাৰ ঘনিষ্ঠতা।

অসমৰ ৰাজধানী যেতিয়া শ্বিলঙত আছিল, তেতিয়া শ্বিলঙতো এনেকুৱা মানুহক লগ পাইছিলোঁ। তেওঁলোকৰ জীৱন-ধাৰণৰ মান যথেষ্ট উন্নত, অমিতব্যয়ী বুলি ক'ব পাৰি। দেখাত কোনো উপাৰ্জনৰ পথ নাই, নাই কোনো চাকৰি-বাকৰি, নাই কোনো ব্যৱহাৰিক বৃত্তি, নাই কোনো ব্যৱসায়-বাণিজ্য। কিন্তু চৌবিছ ঘন্টা ব্যস্ত। এই মন্ত্ৰীক লগ ধৰিছে, এই কোনোবা ব্যৱসায়ী বা বিষয়াক ফোন কৰিছে। আহৰি নাই। তেওঁলোকৰ বংশ পৰিয়ালৰ মানুহ এতিয়া সমাজৰ শীৰ্ষস্থানত, ইংৰাজীত যাক কয় ইলাইট।

(৪)

এই দুই দিনতে অনন্তই আমাৰ কাৰণে যথেষ্ট খৰচ কৰিছে। পঞ্চ তাৰকাবিশিষ্ট হোটেলত ৰখা দি ৰাখিছে, নিজৰ এখন গাড়ীৰে নিজেই এয়াৰ প'ৰ্টত লৈ আনিছে। বিদায় জনাই যোৱাৰ আগতে হঠাৎ সি মোক ক'লে।

"খুৰা, এটা কথা হ'ল নহয়। চিগাৰেট, নহয়, কিবা এটা বস্তু কিনিবলৈ গৈ দেখিলোঁ ভুলতে পাৰ্চটো এৰি থৈ আহিলোঁ। উভতি যাওঁতে অলপ তেল লৈ গ'লে ভাল আছিল। আপোনাৰ লগত এশমান টকা হ'বনে? অসুবিধা নহয় যদি দিয়কচোন। মই চেক এখন পঠিয়াই দিম।"

মই বৰ স্বস্তি পালোঁ। এয়া মোৰ চিৰপৰিচিত অনন্ত। এশ টকা তাৰ কাৰণে একো টকাই নহয়। অভ্যাসটো ঠিকেই ৰাখিছে। ৰখা উচিতো।

# সহযাত্ৰী

চৰকাৰী আবাসত থাকোঁ। গেটৰ মুখত ৰিক্সাৰপৰা নামি দুটকাৰ নোট এখন উলিয়াই ল'ৰাজনৰ ফালে আগবঢ়াই দিলোঁ। পইচাখিনি লোবাৰ কাৰণে সি তাৰ হাতখন আগবঢ়াই নিদিলে। মোৰ খং উঠি গ'ল।

"কি হ'ল? কিমান ভাৰা ইয়ালৈ?"

"এঃ, মোক ভাৰা দিব নালাগে।"

"কিয় নালাগে? কম হৈছে?"

"নাহয়। মুই তোমাক চেনঙ।"

"চেনঙ? ক'ৰ ল'ৰা তুমি?"

"মুই মধুপুৰৰ চেঙৰা।"

"মধুপুৰৰ? মধুপুৰৰ কোটেকাৰ?"

"পাইচ্‌লা বস্তীৰ।"

"কাৰ বেটা তুই?"

"মুই সুকৰুৰ বেটা।"

"আচ্ছা। এটি কেমন কৰি আসলু?"

"আসল। ওটি কামকাজ নাই। কি কৰি খাং? আসন এটি। আমাৰ ওটিকাৰ মোছলমান ছাওবা বহুতে এটি ৰিক্সা চলায়। উমাৰ লগত মুইয়ো আসল।" ভাল লাগিল। আমাৰ সিফালৰ ল'ৰাবোৰে, বিশেষকৈ হিন্দু ল'ৰাবোৰে, ঘৰ এৰি ক'লৈকো যাবলৈ নিবিচাৰে। আগতে অৱশ্যে প্ৰয়োজনো নাছিল।

সিফালৰ সাধাৰণ মানুহৰ এই এক বিশেষত্ব। আচলতে মানুহবোৰ অতি সৰল। সিফালৰ মানুহক লগ পালে সিফালৰ ভাষাত কথা পাতিবলৈ পালে মহা আনন্দ। মই চিনি নাপালেও সুকৰুৰ ল'ৰা মতিয়ে মোক ভালকৈ চিনি পায়।

"তোমৰা বৰুৱাপট্টিৰ ধনবাবুৰ দাদা নাহন?"

"হুওঁ।"

আমাৰ সিফালে 'তুমি' আৰু 'আপুনি' এই দুবিধ সম্বন্ধৰ প্ৰচলন নাই। সকলোৱে সকলোকে 'তুই' অৰ্থাৎ 'তই' বুলিহে সম্বোধন কৰে। বিশেষ সম্মান দেখুৱাবলৈ হ'লে তোমৰা বুলি কয়। বাটেপথে সুকৰুৰ ল'ৰা মতিক লগ পাওঁ। ৰিক্সা খালী থাকিলে সি মোক তাৰ ৰিক্সাত উঠাব

কাৰণে ধস্তাধস্তি লগাই দিয়ে।

"কোটে যান? ওটেন।"

"নাই, নুঠো। এনেয়ে অলপ খোজ কাঢ়ি আছোঁ।"

আজিকালি লাহে লাহে তাৰ মাতবোল সলনি হ'বলৈ লৈছে।

"কোনফালে যায়? উঠক।" মই গোৱালপৰীয়া দোৱানত কথা ক'লেও সি নিভাঁজ অসমীয়াত উত্তৰ দিয়ে।

"ক'লৈ যায়?"

মতি। তাৰ ৰিক্সাত ল'ৰা এজন আছিল। মোক দেখি সিও জাঁপ মাৰি ৰিক্সাৰপৰা নামিল। মতিয়ে ক'লে যে ল'ৰাজনক লৈ সি মোৰ তালৈ গৈ আছিল।

"কায়? মোৰ ওটি কেনে?"

ল'ৰাজনে মাত দিলে—মই জীৱন, ভুটু বৰুৱাৰ ল'ৰা। আপোনাক লগ ধৰিবলৈ আহিছোঁ।

"অ'। তুমি ভুটুদাৰ ল'ৰা? কি খবৰ কোৱাচোন।"

"মোক কিবা এটা কাম ঠিক কৰি দিয়ক। আপোনাৰতো বহুতৰে লগত চা-চিনাকি আছে।"

এই এক মস্কিল। মধুপুৰৰ মানুহৰ চকুত মই এজন ডাঙৰ মানুহ। কিন্তু ইয়াত মোক কোনে চিনি পায়।

"কিমান দূৰ পঢ়িছা?"

"ক'ত আৰু পঢ়া হ'ল? মেট্ৰিক পাছ কৰিছোঁ।"

"কোন ডিভিজন?"

"কোনো ৰকমে চেকেণ্ড ডিভিজন।"

"আৰু নপৰিলা কিয়?"

"কেনেকৈ পঢ়োঁ? আমাৰ ঘৰৰ অৱস্থাতো জানেই।"

জানো কাৰণেইতো অস্বস্তি। মই জীৱনক কি কাম ঠিক কৰি দিম? আমাৰ অফিচতেই মেট্ৰিক পাছ কৰা ল'ৰাৰতো কথাই নাই বি. এ. পঢ়ি থকা ল'ৰায়ো পিয়নৰ কাম কৰি আছে। গধূলি ক্লাছ কৰে।

জীৱনক সুধিলোঁ—ইয়াত আছা ক'ত?

"মতিৰ লগত আছোঁ।"

অভয় বৰুৱাৰ নাতিল'ৰা সুকৰুৰ ল'ৰা ৰিক্সা চালক মতিৰ লগত আছে, এই কথাষাৰ হৃদয়ংগম কৰিবলৈ হ'লে গোটেই পৰিস্থিতিটো দকৈ চিন্তা কৰিব লাগিব। বহুত দিন আগলৈ উভতি যাব লাগিব।

প্ৰথম যুগৰ সুকৰুৰ চেহেৰাটো স্পষ্টভাৱে চকুৰ আগত ভাঁহি উঠিল। পেশীবহুল দেহ, বিৰাট একোটা কলাফুল। টিকটিকীয়া, ৰঙা ওলাই আহিব খোজা চকুহাল। সুকৰুৰ ফালে চালে মানুহৰ তাৰ লগত তৰ্ক কৰাৰ উৎসাহ তৎক্ষণাৎ নাইকিয়া হৈ গৈছিল। একমাত্ৰ বৰুৱাৰ বাহিৰে সুকৰুৱে অইন কাকো মানুহ বুলি গণ্য কৰা নাছিল। বৰুৱাৰ সমাজৰ মানুহক মানি

চলিলেও সূক্ষ্ম ভংগীৰে বুজিবলৈ দিছিল যে এইখিনি কেৱল বৰুৱাৰ খাতিৰতহে। সুকৰুৰ দৃষ্টিত অভয় বৰুৱা আছিল আটাইতকৈ ডাঙৰ মানুহ, সৰ্বজ্ঞ আৰু সৰ্বশক্তিমান। বৰুৱাৰ ইংগিতত সুকৰুৱে জুইত জাঁপ মাৰি পৰিব পাৰিছিল। স্বয়ংক্ৰিয় আনুগত্য। কোনো প্ৰশ্ন নাই, কোনো প্ৰতিবাদ নাই।

বৰুৱা আৰু সুকৰুৰ মাজৰ সম্বন্ধটো আছিল অলপ জটিল। ব্যাখ্যা কৰা টান। সামন্ততান্ত্ৰিক ব্যৱস্থাৰ এক সংজ্ঞাহীন বিশেষত্ব। প্ৰভু আৰু প্ৰভুভক্ত কুকুৰৰ মাজত থকা সম্বন্ধৰ দৰেও নহয়, আকৌ ঠিক দুজন মানুহৰ মাজত থকা সম্বন্ধৰ দৰেও নহয়।

সুকৰু আছিল বৰুৱাৰ বলত বলী। মই আজি মতিক চিনি নাপালেও সেই যুগৰ মধুপুৰৰ সকলোৱে মতিৰ দেউতাক সুকৰুক চিনি পাইছিল। তাৰ সাহস আৰু শক্তিৰ কথা সকলোৰে মুখে মুখে। আচল কথা হ'ল তাৰ এই শক্তিৰ উৎস আছিল অভয় বৰুৱা।

মধুপুৰৰ সকলোৱে সুকৰুক চিনি পাইছিল। তাৰ শাৰীৰিক শক্তি আৰু মইমতালি আছিল সকলোৰে আলোচ্য বিষয়। তাৰ এই মইমতালি তাৰ খোজৰ ভংগীত, তাৰ কথা-বতৰাৰ ধৰণ, আনকি তাৰ উচ্চাৰণতো প্ৰকাশ পাইছিল।

বাটত চমচেৰে তাক মাতি দিলে—

"এই সুকৰুদা।"

এবাৰতে সুকৰুৱে কেতিয়াও উত্তৰ নিদিয়ে। মটমট শব্দ কৰি খোজ কাঢ়ি গৈয়েই থাকে। সম্বোধনৰ পুনৰুক্তি ঘটিলে ভেঙুচাই উঠে—

"ক্যা? সুকৰুদ্যাক কেনে?"

"এবাৰ চাড়ালডাঙাত খুব মাছ আস্‌চে।"

"মাজ আস্‌চে ত্যা কি হৈছে?"

কি হৈছে সুকৰুৱে ভালকৈ জানে। ইচ্ছা কৰিলে সুকৰুৱে বৰুৱাৰ নাও আৰু হেজাক বাতি লৈ চাড়ালডাঙাৰ ফালে বস্তি পুৰিবলৈ যাব পাৰে। চমচেৰকো লগত ল'ব পাৰে। তেতিয়া হ'লে চমচেৰৰ ভাগ্যতো দুটামান মাছ জুটিব পাৰে।

অভয় বৰুৱাৰ লগত আমাৰ কিবা সম্বন্ধ আছে। পিছে একো সম্বন্ধ নাথাকিলেও মই তেওঁক খুৰা বুলিয়েই মাতিলোঁহেঁতেন। মধুপুৰৰ মানুহৰ মাজত পৰস্পৰক কিবা নহয় কিবা এটা সম্বন্ধ লগাই মতাটোৱেই আছিল নিয়ম। আমাৰ ডাঙৰ মামাৰ বন্ধু প্ৰফুল্ল দাসগুপ্তক আমি মামা বুলি মাতিছিলোঁ জাত বাঙালীতো। জাত পাত, ধৰ্ম বা ভাষা লৈ কথা নাই। ডাক্তৰ দিদাৰুদ্দিনকো আমি মামা বুলি মাতিছিলোঁ। ৰজনী গুহ অ'ভাৰচিয়াৰক কাকা বুলি মাতিছিলোঁ। বঙালীত খুৰাক কয় কাকা। বেছি ঘনিষ্ঠ হ'লে কাকাবাবু। সেইকাৰণে ছোৱালী বাসুদিৰ কথা এতিয়াও মনত আছে। তেওঁ মোক ভাই বুলি মাতিছিল। কাকাবাবুৰ ল'ৰা নাছিল, চাৰিজনী ছোৱালী। মোৰ ওপৰত তিনিগৰাকী বাইদেউ, তাৰ পিছত মই। মাই কৈছিল যে সৰুতে কোনোবাই যদি বাসুদিক সুধিছিল—তোমালোক ভাই-ভনী কেইজন?—বাসুদিয়ে তেতিয়া হেনো উত্তৰ দিছিল—"আমৰা চাৰ বোন, এক ভাই।"

মধুপুৰত হঠাতে এদিন ৰাতিপুৱা এক চেপা উত্তেজনা। ফুচফুচ, গুজগুজ। আগৰাতি ফুলকুমাৰী গাৱঁত কেইজনমান মানুহে সুকন্দক আগচি ধৰিছিল। পিছে সুকন্দৰে ওলোটাই সিহঁতকে হেনো ভাল পিটন দিলে। ধনেশ্বৰৰ হেনো আগদাঁত দুটা ভাঙিল।

কিহৰ কাৰণে এই মাৰপিট আমাক হ'লে কোনেও একো নকয়।

"তোক ইয়াত কি লাগে?"

দেউতাই অনাহকতে এই ডাবি দিয়াত মোৰ মনটো বেয়া লাগি গ'ল। গালি শুনাৰ অভ্যাস নাছিল।

তেওঁ মাজৰ কোঠাত সদানন্দ খুৰা আৰু ৰাধিকা মামাৰ লগত কি কথা পাতি আছিল সেইবোৰ শুনাৰ মোৰ কোনো উদ্দেশ্য নাছিল। মোৰ বেডমিণ্টন ৰেকেটখন সেইটো কোঠাত থকা আলমাৰিটোৰ ওপৰত আছিল। অৱশ্যে সদানন্দ খুৰাই কৈ থকা কথাখিনি আংশিকভাৱে মোৰ কাণত নপৰাকৈ থকা নাছিল।

পিছতহে জানিছিলোঁ যে কুমলীয়া ছোৱালীৰ প্ৰতি আছিল অভয় বৰুৱাৰ অপ্ৰতিৰোধ্য লোভ। ওচৰ-পাজৰৰ গাৱঁৰপৰা সুকন্দৰে তেওঁৰ কাৰণে তেনেকুৱা ছোৱালী যোগাৰ কৰিছিল।

কেইদিনমান পিছত এদিন দেখিলোঁ সুকন্দৰে বাটত ধনেশ্বৰক জোকাই আছে—

"ক্যা? লাগবু নাকি মোৰ লগত? হয়য়া যাইবে নাকি আৰো এক হাত?"

ধনেশ্বৰে গম্ভীৰভাৱে ক'লে, "অতো তৰপোৰাব নালাগে। এক মাঘতে জাৰ নাগালায়।"

ঠিকেই। সকলো ঘটনাৰ পৰিণতি সদায় একে ধৰণৰ নহয়। এইবেলি কাম জনা কেইজনমানক গোটাই ধনেশ্বৰহঁতে বাটত আগুৰি ধৰি সুকন্দক নিৰ্মমভাৱে প্ৰহাৰ কৰিলে। মৰা বুলি ভাবি সিহঁতে সুকন্দক গদাধৰ কুঁৰুত পেলাবলৈ ঠিক কৰিছিল। ঠিক সেই সময়তে মাছমৰীয়া নাও দুখনমান আহি পোৱাত নৈৰ পাৰত তাক পেলাই থৈ আটাইকেইজনে পলালে।

ইমান মাৰ খোৱাৰ পিছতো সুকন্দ কেনেকৈ জীয়াই থাকিল, এই কথা ভাবি মানুহ আচৰিত হয়। আসুৰিক জীৱনীশক্তিয়ে তাক লাহে লাহে জীয়াই তুলিলে। কেইবামাহো ধৰি সি ধুবুৰীৰ চৰকাৰী হাস্পতালত আছিল। সোঁ ভৰিখন শুকাই একেবাৰে অকামিলা হৈ গ'ল।

ইয়াৰ পিছত সুকন্দক আমি মধুপুৰৰ বজাৰত ভিক্ষা কৰি থকা দেখা পাইছিলোঁ। ঘোঁৰা বা কুকুৰ জখম হ'লে মালিকে হেনো এইবোৰক মাৰি পেলায়। মানুহৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য নহয়, মানুহক খেদি দিয়া হয়। গতিকে ভিক্ষা কৰাৰ বাহিৰে সুকন্দৰ অইন উপায় নাছিল। সোঁ কাষলতিৰ তলত এডাল শকত বাঁহৰ টাঙোন লগাই সি গাটো জোকাৰ মাৰি মাৰি বজাৰত ঘূৰি ফুৰিছিল। সি মুখেৰে একো নকয়, হঠাতে মানুহৰ আগত টেমা আগবঢ়াই দিয়ে।

মই এদিনাখন অভয় খুৰাৰ আগতো সুকন্দক এনেকৈ টেমাটো আগবঢ়াই দিয়া দেখিছিলোঁ। মই অভয় খুৰাৰ চকুত এটা অসহায় আতংকৰ ভাব খেলি যোৱা যেন দেখা পাইছিলোঁ। এইটো মোৰ কল্পনাও হ'ব পাৰে। খুৰাই সুকন্দৰ টেমাত এটা আধলি পেলাই দিলে। সুকন্দ নিৰ্বিকাৰভাৱে গুচি গ'ল। তাৰ চকুত কৃতজ্ঞতা বা ধন্যবাদৰ কোনো চিনেই ফুটি নুঠিল।

আজি এইবোৰ ঐতিহাসিক ঘটনা যেন লাগে। বৰ্তমান মধুপুৰৰ লগত কোনো সংগতি নাই। এক বিস্মৃত অধ্যায়। অতীতৰ সম্ভ্ৰান্ত মানুহবোৰ প্ৰায় সকলোবোৰৰে আজি দুৰৱস্থাৰ সীমা নাই। পৰিবৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই লোৱাৰ শিক্ষাও নাই, উৎসাহো নাই। প্ৰাক্ ঐতিহাসিক জন্তুৰ দৰে লুপ্ত হৈ যাব। মোৰ এই ধাৰণা অৱশ্যে ভুল হ'বও পাৰে।

বাটেৰে খোজ কাঢ়ি গৈ থাকোঁতে হঠাতে ৰৈ গ'লোঁ। যাত্ৰী লৈ ৰিক্সা চলাই গৈছে, কোন এইজন? জীৱন নহয় জানো? মই লৰালৰিকৈ মুখখন ঘূৰাই ল'লোঁ। চকুত চকু পৰিলে লাজ পাব। জীৱনে ৰিক্সাখন ৰখালে।

"খুৰা, ভালে আছে?"

মই উত্তৰ দিব নোৱাৰিলোঁ। বেকুবৰ দৰে তাৰ মুখৰ ফালে চাই ৰ'লোঁ।

"মতিৰ গা ভালে নাই। মুই উয়াৰ ৰিক্সাখন নিয়া বিৰাইচং। মোক এটি কায় চিনি পায়?

ভিন্ন পৰিস্থিতিত সিহঁত আকৌ একেলগ হৈছে। অভয় বৰুৱাৰ নাতি ল'ৰা জীৱন আৰু সুকৰুৰ ল'ৰা মতি।

# উত্তৰ নাই

এতিয়াও মানুহে মোৰ ইয়ালৈ গল্প বিচাৰি আহে। মই বৰ অস্বস্তি বোধ কৰোঁ। মোৰ কল্পনা শক্তি কম। কেৱল কল্পনাৰ ওপৰত নির্ভৰ কৰি এটা আটকধুনীয়া গল্প লিখিব নোৱাৰোঁ। ঘটনা এটা বর্ণনা কৰিবলৈ হ'লে তাৰ এটা বাস্তৱ ভিত্তি লাগে। মই তাকেই সম্পাদনা কৰি লওঁ। কিছু যোগ কৰোঁ, কিছু বিয়োগো দিওঁ। মুঠতে মোক জুমুঠি এটা লাগে। এয়া মোৰ দুর্বলতা, অক্ষমতা বা অসম্পূর্ণতা।

বয়স হ'লে মানুহ এজনে বহুতো কামেই কৰিব নোৱাৰে। পেলেক ফিল্ডত নমাই দিলে তেওঁ এতিয়া ফুটবল খেলিব পাৰিব জানো? ব্যতিক্রম যে নাই তেনে নহয়। ইংলেণ্ডৰ ফুটবল খেলুৱৈ এজনে চল্লিছ বছৰ বয়সতো ফুটবল খেলিছিল। তেওঁৰ খেলৰ পাৰদর্শিতাৰ কাৰণে তেওঁ 'ছাৰ' উপাধিও পাইছিল। তেওঁৰ নামটো পাহৰিলোঁ। তেওঁৰ কিয়? আজিকালি ঘনিষ্ঠ সম্বন্ধ থকা মানুহৰ নামো পাহৰি যাওঁ। গ্যেটে হেনো পঁয়সত্তৰ বছৰ বসয়ত এজনী পোন্ধৰ বছৰ বয়সীয়া ছোৱালীৰ প্ৰেমত পৰিছিল। উপায় নাপাই ছোৱালীজনীৰ অভিভাৱকে তাইক অইন ঠাইলৈ স্থানান্তৰিত কৰিছিল।

এতিয়া মানুহৰ লগত মোৰ যোগাযোগ নোহোৱা হৈছে, ঘটনা প্ৰবাহৰ সৈতে যোগসূত্ৰ ছিন্ন হৈ পৰিছে। এতিয়া যি খা-খবৰ পাওঁ সেয়া প্ৰত্যক্ষ অভিজ্ঞতাপ্ৰসূত নহয়। পৰোক্ষ বাতৰি। সংবাদ মাধ্যমৰ জৰিয়তে পোৱা সংবাদ। এইবোৰ সংবাদ পঢ়ি বা শুনি মনত যি অনুভূতিৰ সঞ্চাৰ হয় সেয়াও পৰোক্ষ অনুভূতি।

এনেকুৱাবোৰেইতো খবৰ। সিদিনা বাতৰি কাকতত দেখিলোঁ যে পুৱাতেই আততায়ীয়ে ঘৰত আহি দাঁত ঘঁহি থকা অৱস্থাত দুজন ল'ৰাক গুলীয়াই হত্যা কৰি থৈ গ'ল। এজন ল'ৰাৰ বয়স ওঠৰ বছৰ, এজনৰ উনৈছ বছৰ। উনৈছ বছৰীয়া ল'ৰাজন সেই ঘৰৰ ল'ৰাও নহয়। ওঠৰ বছৰীয়া ল'ৰাজনৰ বন্ধু। আগদিনা বন্ধুৰ ঘৰত আলহী হৈ আহিছিল। ল'ৰা মানুহ। গোটেই জীৱন সমুখত পৰি আছিল। কিন্তু ক'ত থাকিল? অপ্ৰয়োজনীয়, অর্থহীন মৃত্যু। বেমাৰ হৈ মৰিলে বেলেগ কথা, দুর্ঘটনাত মৃত্যু হ'লেও মানি ল'ব পাৰি। দুর্ঘটনা ঘটে। পানীত পৰি মৃত্যু হয়, সর্প দংশনত মৃত্যু হয়। উপায় নাই। এনে ধৰণেও মৃত্যু হোৱা উচিত নহ'লেও আমি এনেকুৱা মৃত্যুক মানি লোৱাত অভ্যস্ত হৈছোঁ। বেয়া লাগিলেও আচৰিত নহওঁ। দুর্ভাগ্য বা কপাল।

আজিকালি মৃত্যুৰ নতুন নতুন কাৰণৰ উদ্ভৱ হৈছে। গুলীবিদ্ধ হৈ মৃত্যু, বোমা বিস্ফোৰণত

মৃত্যু। কাৰ, ক'ত, কেতিয়া, কেনেকৈ মৃত্যু হয় ক'ব নোৱাৰি। আজিৰ কাগজতেই দেখিলোঁ, 'কোকৰাঝাৰ জিলাত সশস্ত্র দুৰ্বৃত্তৰ আক্ৰমণত এটা পৰিয়ালৰ এগৰাকী মহিলাসহ তিনিজন লোক নিহত হয় আৰু আন এজন লোক গুৰুতৰভাৱে আহত হয়।' তাৰে এজন বৃদ্ধ। মহিলা গৰাকীয়ে বা বুঢ়া মানুহজনেনো এনে কি গুৰুতৰ অপৰাধ কৰিছে যে তেওঁলোকক মৃত্যুদণ্ড দিবলগীয়া হৈছে? এয়া কোনো বিচ্ছিন্ন ঘটনা নহয়। এয়া এক নিয়মেই হৈ পৰিছে। এক ধৰণৰ খেল-ধেমালি। স্প'ৰ্টছ। মৃগয়া বুলিও ক'ব পাৰি।

(২)

আজিকালি মোৰ কিতাপ পঢ়াও কমি গৈছে। পুৱা বাতৰি কাকত দুখন চাওঁতেই বাৰ বাজি যায়। ৰাতি বাহিৰা কাগজ, আলোচনী ইত্যাদি চোৱাৰ পিছত অইন কোনো কিতাপ পঢ়াৰ সময় নহয়। তাকেইতো ভাবোঁ। অৱসৰ লোৱাৰ আগতে নিয়াৰিকৈ কাম কৰিছিলোঁ, ফাঁকি দিয়াৰ চেষ্টা কৰা নাছিলোঁ। সাধ্যানুসাৰে কৰ্তব্য কৰ্ম সমাধান কৰিছিলোঁ। তাৰ মাজতেইতো অসংখ্য কিতাপ পঢ়িছিলোঁ। নিজেও কিতাপ কিনিছিলোঁ, অইনৰপৰা আনিও পঢ়িছিলোঁ। ভোৰেস্বাছ বীডাৰ। কিন্তু এতিয়া? ক'ত সেই আগ্ৰহ? মই কিতাপ পঢ়ি ভাল পাওঁ বা পাইছিলোঁ কাৰণে ভাল কিতাপ পালে ল'ৰাবোৰে মোৰ কাৰণে কিনি লৈ আহে। আজিকালি নামকৰা লেখকৰ লিখা পকেটবুক এখন ডেৰশ টকাৰ কমত নাপায়। সিদিনা সৰু ল'ৰাজনে টাইটানিক জাহাজ সম্বন্ধে পকেটবুক এখন আনিছে। দাম হেনো দুশ ওঠৰ টকা। অসমীয়া কিতাপ এখনৰ দাম পঞ্চাছ টকা হ'লেই বৰ বেছি দাম বুলি পাঠকে আপত্তি কৰে। অলপতে ল'ৰাজনে মোক টনি মৰিছনৰ 'টাৰ বেবি' বোলা কিতাপখন আনি দিছে। পঢ়িম পঢ়িম বুলি এতিয়াও পঢ়িবলৈ আৰম্ভ কৰিব পৰা নাই।

তাকেইতো কৈছোঁ। আগতে নিয়মমতে চাকৰি সংক্ৰান্ত কাম কৰাৰ পিছতো গোগ্ৰাসে কিতাপ পঢ়িছিলোঁ। তদুপৰি কিবাকিবি লিখিছিলোঁও। মৌলিক ৰচনা নহয়। যি দেখিছোঁ আৰু যি শুনিছোঁ তাকেই লিখিছোঁ। অৱশ্যে মোৰ দৃষ্টিশক্তি কিমান স্বচ্ছ আৰু শ্ৰৱণশক্তি কিমান নিৰ্ভুল আছিল সেয়াও বিচাৰ্য বিষয়। এতিয়া বয়স হৈছে। এতিয়া বুজি পাওঁ আমি যি দেখিবলৈ বিচাৰোঁ তাকেই দেখোঁ, যি শুনিবলৈ বিচাৰোঁ তাকেই শুনো। এয়া কেতিয়াও ব্যক্তিনিৰপেক্ষ নহয়। লেখকৰ লিখাৰ মূল্যায়ন কৰাটোও ব্যক্তি নিৰপেক্ষ নহয়। মোৰ বন্ধু-বান্ধৱে মোৰ লিখা ভাল বুলিয়েই কয়। পিছে, সৰহভাগ মানুহে শীলভদ্ৰৰ নামেই শুনা নাই। কিছুমানে মোৰ লিখাৰ প্ৰশংসাও কৰিছে। সেয়াও একো ডাঙৰ কথা নহয়। কিছুমান সমালোচকে কাৰো কিতাপকে বেয়া বুলি নকয়। উচ্ছ্বসিত প্ৰশংসাও নকৰে, কটু সমালোচনাও নকৰে। আগতে কোনোবা আলোচনীত মোৰ কিতাপৰ সমালোচনা ওলালে কাটি যত্ন কৰি থৈ দিছিলোঁ। আজিকালি বিশেষ একো প্ৰতিক্ৰিয়া নহয়। কোনোবাই কিবা লিখিছে? হয় নেকি?

(৩)

মানুহে সকলো পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই ল'ব পাৰে। এনেকুৱাই জীৱন।

ওৱে অব লাইফ। এইটোৱেইতো চিন্তাৰ কথা। এই বিনা দ্বিধাই, বিনা প্ৰতিবাদে সকলো অবস্থাকে মানি লোৱাটো।

আজিকালি ঘৰৰপৰা বিশেষ নোলাওঁ। সিদিনা সৰু ল'ৰাজনে মোক ডাক্তৰৰ তালে লৈ গৈছিল। এটা চিনেমো হলৰ ওচৰত ডাক্তৰৰ চেম্বাৰ। চেম্বাৰত অসম্ভৱ ভিৰ। কিমান দেৰি ৰখি থাকিব লাগে ক'ব পৰা নাই। বেমাৰীৰ লগত অহা সুস্থ মানুহবোৰে অধৈৰ্য হৈ মাজে মাজে বাহিৰলৈ গৈছে, বিশেষকৈ ডেকা ল'ৰাবোৰে। বোধহয় চিগাৰেট খোৱাৰ কাৰণে। তাৰে এজনে ব্যস্তভাৱে আহি খবৰ দিলে যে চিনেমা হলৰ সমুখৰ পদপথত মানুহ এজনক কোনোবাই গুলীয়াই মাৰিলে। যেন এটা অতি সাধাৰণ আৰু স্বাভাৱিক ঘটনা। শ্ৰোতাবোৰ ব্যস্ত হৈ নুঠিল। মৃদু কৌতূহল প্ৰকাশ কৰিলে মাত্ৰ। কাক মাৰিলে, কোনে মাৰিলে? বৰং পিছত অহা বেমাৰী এজনে আগতেই সোমাবলৈ চেষ্টা কৰাত এটা আলোড়নৰ সৃষ্টি হ'ল।

"ৰ'ব। ক'ত যায়? ইয়াৰ পিছত মইহে।"

"নহয়, এওঁৰ গাটো বৰ বেয়া লাগিছে, থাকিব নোৱাৰা হৈছে।"

"আমিও থাকিব নোৱাৰা হৈছোঁ। আমি সকলোৱে বেমাৰী। টান বেমাৰ নহ'লে ইয়ালৈ নাহোঁ নহয়।"

পদপথত পৰি থকা মৃত মানুহজনৰ কথা তল পৰিল। অকল ডাক্তৰৰ চেম্বাৰতেই নহয়। বাটত যান-বাহনৰ চলাচল অলপো কমি নগ'ল, সমুখৰ ৰেস্তৰাঁত ভিৰ নকমিল, চিনেমা হলতো প্ৰদৰ্শনী বন্ধ নহ'ল। মই উদ্বিগ্ন হৈ উঠিলোঁ। ঘটনাবোৰ ওচৰ চাপি আহি আছে। আগতে এনেকুৱা ঘটনাৰ কথা বাতৰি কাকতত পঢ়িছিলোঁ। এতিয়া মোৰপৰা কেইমিটাৰমান আঁতৰতো এনেকুৱা ঘটনা ঘটিবলৈ লৈছে। উদাসীন হৈ থকা সম্ভৱ নহয়। ক্ৰমাৎ এনেকুৱা ঘটনাই যিকোনো মানুহকে আৰু যিকোনো ঘৰকেই চুই যাব পাৰে।

(৪)

বিপিন তালুকদাৰ অতি নিৰ্বিৰোধী মানুহ। বয়সত মোতকৈ বৰ বেছি সৰু নহয়। মোক খুব শ্ৰদ্ধা কৰে। মোক দাদা বুলি মাতে। চৌধুৰী বা মিষ্টাৰ চৌধুৰী বুলিও মাতিব পাৰিলে হয়। তেওঁৰ বয়সৰ মোৰ পৰিচিত মানুহবোৰে মোক তেনেকৈ মাতে। তালুকদাৰৰ ঘৰ আমাৰ ঘৰৰপৰা বেছি দূৰত নহয়। তেওঁ মোৰ ইয়ালৈ প্ৰায়েই আহে, তেওঁৰ ঘৰলৈ যোৱাৰ কাৰণে মোকো মাতে। আজিকালি মানুহৰ লগত যোগাযোগ প্ৰায় নোহোৱা হৈ গৈছে। এই চহৰত আমাৰ নিজৰ মানুহ বহুত আছে। বিশেষ কাৰণ নাথাকিলে কেৱল সামাজিকতা ৰক্ষা কৰাৰ কাৰণে কোনেও কাৰো ঘৰলৈ নাযাওঁ।

বিপিন তালুকদাৰ মোৰ ভক্ত। মোৰ সমুখত তেওঁ চিগাৰেটো নাখায়। এতিয়া তেওঁ বোধহয় মোক চিনিয়েই নাপায়। নিঃসংকোচে মোৰ সমুখত চিগাৰেট খায়। বাৰে বাৰে প্ৰশ্ন কৰে, "কিয়, কিয়?"

অতি মৰ্মান্তিক ঘটনা। তালুকদাৰৰ দ্বিতীয় ল'ৰা প্ৰদীপে এম. এছ. চি. পঢ়ি আছিল। খুব

ভাল ল'ৰা। তীক্ষ্ণ বুদ্ধিৰ ল'ৰা। বি. এছ. চি.তো মেজৰ আছিল। তাতো প্ৰথম শ্ৰেণী পাইছিল।

ঘৰৰ সকলোৱে ভাৰত আৰু শ্ৰীলংকাৰ মাজত হোৱা ত্ৰিদলীয় এদিনীয়া ক্ৰিকেট খেলৰ ফাইনেল খেলখন চাই আছিল। খেলখন খুব উত্তেজনাপূৰ্ণ অৱস্থালৈ আহি গৈছে। কোনে জিকে ঠিক নাই। জিকিবৰ কাৰণে ভাৰতক তিনি অ'ভাৰত এশৈছ ৰাণ লাগে। সকলোৱে উদ্বিগ্ন হৈ আছে।

এনেতে কলিং বেলটো বাজি উঠিল। তালুকদাৰৰ সৰু ল'ৰা সমীৰে দুৱাৰ খুলি মূৰটো উলিয়াই আকৌ ভিতৰলৈ সোমাই আহি প্ৰদীপক ক'লে।

"তোৰ লগৰ ল'ৰা দুজনে তোক বিচাৰিছে।"

প্ৰদীপ বিৰক্ত হৈ ওলাই গ'ল। বাহিৰৰ দুৱাৰখন খোলাই থাকিল। খেল শেষ হ'ল। ভাৰত জিকিলে। সকলোৰে মনত মহা স্ফূৰ্তি।

প্ৰদীপ দেখোন নাই। তালুকদাৰে সমীৰক সুধিলে।

"এইটো ক'ত গ'ল?"

"মেইন ৰাস্তাৰ ফালে ওলাই গ'ল নেকি?"

"কোননো আহিছিল?"

"মুখবোৰ নেদেখিলোঁ নহয়।" তালুকদাৰে বিৰক্তি প্ৰকাশ কৰিলে।

"দুৱাৰ খোলাৰ আগতে বাৰাণ্ডাৰ লাইটটো জ্বলাই ল'ব লাগে।"

অলপ সময় পাছত কেইটামান গুলীৰ শব্দৰ দৰে শব্দ হ'ল।

"কিহৰ শব্দ অ'?"

"আমাৰ ইয়াত আৰু অইন কিহৰ শব্দ হ'ব? ভাৰত জিকিছে কাৰণে কোনোবাই ফটকা ফুটাইছে।"

অলপ পিছতেই খবৰ আহি গ'ল। কোনোবাই গুলীয়াই প্ৰদীপক মাৰি থৈ গৈছে। □

# পৰিশিষ্ট-১

## হোমেন বৰগোহাঞিৰ এখন চিঠি

১৯৬৪ চনত শীলভদ্ৰৰ প্ৰথম গল্প 'বাস্তব' প্ৰকাশ পায়। তাৰ পাছত ১৯৬৬ চনলৈকে তেওঁৰ 'শোকসভা' কে ধৰি কেইটামানহে গল্প প্ৰকাশ পাইছিল। কিন্তু এই গল্পকেইটাৰপৰাই ৰসজ্ঞ পঢ়ুৱৈয়ে শীলভদ্ৰৰ স্বকীয়তা নিৰ্ভুলভাৱে উপলব্ধি কৰিব পাৰিছিল। ১৯৬৬ চনৰ ৩০ মে'ত প্ৰসিদ্ধ লেখক হোমেন বৰগোহাঞিয়ে যোৰহাটৰপৰা শীলভদ্ৰলৈ লিখা এই চিঠিখনেই ইয়াৰ প্ৰমাণ। চিঠিখনৰ সাহিত্য মূল্যৰ প্ৰতি লক্ষ্য কৰিয়ে ইয়াত যথাযথ ছপা কৰা হ'ল।

যোৰহাট

শ্ৰদ্ধাস্পদেষু,

৩০/৫/৬৬

মই বহুত চেষ্টা কৰিও আপোনালৈ এই চিঠিখন লিখাৰ ইচ্ছাক বাধা দিব নোৱাৰিলো। আপোনাৰ নাম-ধাম একো নেজানো কাৰণে চিঠিখন বন্ধুবৰ শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া দেৱৰ মাৰফতে পঠালো।

আপুনি শীলভদ্ৰ ছদ্মনাম লৈ গল্প লিখিবলৈ আৰম্ভ কৰিবৰ পৰা এটাও গল্প বাদ নিদিয়াকৈ মই আপোনাৰ সকলোবোৰ লিখা পঢ়িছো। মই চকুৰ অসুখৰ কাৰণে বাছি বাছিহে পঢ়ো, অৰ্থাৎ যিবোৰ বস্তু নপঢ়িলেই নচলে সেইবোৰহে পঢ়ো। আপোনাৰ লিখা পঢ়াৰ প্ৰথম কাৰণ আছিল ছদ্মনামত আত্ম-প্ৰকাশ কৰা নতুন লিখক এজনৰ প্ৰতি কৌতূহল। পিছে কৌতূহল মুহূৰ্ত্ততে প্ৰশংসালৈ ৰূপান্তৰিত হ'ল। তেতিয়াৰ পৰা আপোনাৰ লিখা দেখিলেই পঢ়ো। প্ৰশংসা গৈ আসক্তিত পৰিণত হ'ল। আজি এই মাত্ৰ মণিদীপত ওলোৱা 'শোকসভা' নামৰ গল্পটো পঢ়ি মোৰ বিন্দুমাত্ৰ সন্দেহ নেথাকিল যে আপুনি বৰ্ত্তমান মোৰ আটাইতকৈ প্ৰিয় অসমীয়া লিখক। আন কোনো অসমীয়া লিখকৰ ৰচনাতে এনে নিৰলংকাৰ পৈণত ভাষা, বুদ্ধিদীপ্ত ৰসবোধ, অতি কম কথাৰে একোটা চৰিত্ৰক পাঠকৰ মনসচক্ষুত তুলি ধৰিবৰ ক্ষমতা মই অন্ততঃ দেখা নাই। আপোনাৰ গল্পত যুগ-মানসো নিৰ্ভুল ভাবে চিত্ৰিত হৈছে। বিলাত-আমেৰিকাত বোলে কোনোবা লিখকৰ লিখা পঢ়ি ভাল লাগিলে পাঠক বা লগৰীয়া লিখকে সেই কথা লিখকজনক জানিবলৈ দিয়ে। এইটো বৰ ভাল দস্তুৰ নহয়নে? আপোনাৰ গল্প পঢ়ি মই যি বিমল আনন্দ পাইছো তাৰ কাৰণে ধন্যবাদ জনাবলৈকে এই চিঠিখন লিখিলো। মোৰ বিশ্বাস আপোনাৰ গল্পই অসমীয়া সাহিত্যৰ মান বহুত ওপৰলৈ তুলিছে। মই আপোনাৰ দুটা কি তিনিটা গল্পক সমসাময়িক ভাৰতীয় গল্প-সাহিত্যতে শ্ৰেষ্ঠ গল্প বুলি ভাবো।

মোৰ সশ্ৰদ্ধ নমস্কাৰ গ্ৰহণ কৰিব। ইতি—

আপোনাৰ গুণমুগ্ধ

হোমেন বৰগোহাঞি

# পৰিশিষ্ট-২

## শীলভদ্ৰ ঃ জীৱনপঞ্জী

প্ৰকৃত নাম ঃ ৰেৱতীমোহন দত্তচৌধুৰী

১৯২৪ ঃ জন্ম, ধুবুৰী জিলাৰ গৌৰীপুৰত। পিতৃ ৺ৰমনীমোহন দত্তচৌধুৰী, মাতৃ ৺অমিয়লতা দত্তচৌধুৰী। বৰ্তমান গুৱাহাটী নিবাসী।

১৯৪০ ঃ প্ৰৱেশিকা পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ।

১৯৪২ ঃ কটন কলেজৰপৰা আই. এছ. চি পাছ। তাৰ পাছত ৰংপুৰৰ (বৰ্তমান বাংলাদেশত) কাৰমাইকেল কলেজৰপৰা বি. এছ. চি পাছ।

১৯৪৬ ঃ কলিকতা বিশ্ববিদ্যালয়ৰপৰা গণিতত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰি এম. ছি. চি পাছ।

১৯৪৭ ঃ কটন কলেজত গণিতৰ প্ৰবক্তাৰূপে অধ্যাপনা।

১৯৪৯ ঃ অধ্যাপনা বাদ দি প্ৰথমে ঠিকাদাৰী, তাৰ পাছত চাহ বাগিচাৰ এছিষ্টেণ্ট মেনেজাৰ আৰু সাংবাদিকতা বৃত্তিত জড়িত।

১৯৫৭ ঃ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত গণিতৰ প্ৰবক্তাৰূপে যোগদান। পাছলৈ মুৰব্বী অধ্যাপকৰূপে ১৯৮২ চনত অৱসৰ গ্ৰহণ। ১৯৬৪—১৯৮৪ চনলৈ গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ অংশকালীন অধ্যাপক। ১৯৫৭ চনতে তেওঁৰ বিয়া হ'য়।

১৯৬৪ ঃ শীলভদ্ৰ ছদ্মনামত 'অসম বাতৰি'ৰ পূজা সংখ্যাত প্ৰথম গল্প 'অভিযোগ' প্ৰকাশ।

১৯৭১ ঃ প্ৰথম প্ৰকাশিত গ্ৰন্থ দুখন উপন্যাসিকাৰ সংকলন 'মধুপুৰ আৰু তৰংগিনী'।

১৯৭৫ ঃ প্ৰথম গল্প সংকলন 'বাস্তৱ' প্ৰকাশ।

১৯৯০ ঃ 'দায়িত্ব আৰু অন্যান্য' গল্পৰ বাবে 'ভাৰতীয় ভাষা পৰিষদ' বঁটা।

১৯৯২ ঃ 'অনুসন্ধান' নামৰ উপন্যাসৰ বাবে 'অসম প্ৰকাশন পৰিষদ' বঁটা।

১৯৯৪ ঃ 'মধুপুৰ বহুদূৰ' গল্প সংকলনৰ বাবে 'সাহিত্য অকাডেমী বঁটা'।

### গ্ৰন্থপঞ্জী

**উপন্যাসঃ** (১) মধুপুৰ আৰু তৰংগিনী, ১৯৭১ (২) আগমনীৰ ঘাট, ১৯৭৩ (৩) আঁহতগুৰি, ১৯৭৩ (৪) অবিচ্ছিন্ন, ১৯৮০ (৫) প্ৰাচীৰ, ১৯৮০ (৬) গধূলি, ১৯৮১ (৭) অনুসন্ধান, ১৯৮৭

**গল্প সংকলনঃ** (১) বাস্তৱ, ১৯৭৫ (২) কোনো ক্ষোভ নাই, ১৯৭৬ (৩) সমুদ্ৰ তীৰ, ১৯৭৮ (৪) তৰুৱা কদম, ১৯৭৯ (৫) বীৰ সৈনিক, ১৯৭৯ (৬) শীলভদ্ৰৰ কুৰিটা গল্প, ১৯৮২ (৭) মেজাজ, ১৯৮৩ (৮) বটুবাবুৰ গেৰেজ, ১৯৮৪ (৯) প্ৰতীক্ষা, ১৯৮৫ (১০) উত্তৰণ, ১৯৮৭ (১১) বিশ্বাস আৰু অন্যান্য গল্প, ১৯৮৯ (১২) দায়িত্ব আৰু অন্যান্য গল্প, ১৯৯১ (১৩)

জীৱন আৰু অন্যান্য গল্প, ১৯৯১ (১৪) আকৌ মধুপুৰ, ১৯৯১ (১৫) মধুপুৰ বহুদূৰ, ১৯৯২ (১৬) তৰ্পণ, ১৯৯৩ (১৭) চিঠি আৰু অন্যান্য গল্প, ১৯৯৪ (১৮) নিৰ্বাচিত গল্প, ১৯৯৪ (১৯) লগৰীয়া, ১৯৯৪ (২০) অন্য এক মধুপুৰ, ১৯৯৬ (২১) দূৰগত আৰু অন্যান্য গল্প, ১৯৯৬ (২২) উত্তৰ নাই, ১৯৯৯

**আত্মজৈৱনিক ৰচনাঃ** স্মৃতিচাৰণ, ১৯৯৭

**অন্যান্য প্ৰকাশনঃ** (১) অপৰাজেয় (শীলভদ্ৰৰ গল্পৰ হিন্দী অনুবাদ), ভাৰতীয় জ্ঞানপীঠ, নতুন দিল্লী, ১৯৯০ (২) জো মন টুটা অপ্না ('অনুসন্ধান'ৰ হিন্দী অনুবাদ) ভাৰতীয় জ্ঞানপীঠ, ১৯৯৮, দ্বিতীয় সংস্কৰণ এপ্ৰিল, ২০০০ (৩) সাঁজ কী বেলা মেঁ ('গধূলি'ৰ হিন্দী অনুবাদ) নেছনেল বুক ট্ৰাষ্ট, নতুন দিল্লী, ১৯৯৯ (৪) মধুপুৰ বহুদূৰ ('মধুপুৰ বহুদূৰ'ৰ বঙালী অনুবাদ) সাহিত্য অকাডেমী, নতুন দিল্লী, ১৯৯৯ (৫) অবিচ্ছিন্ন ('অবিচ্ছিন্ন'ৰ বঙালী অনুবাদ) অভিজাত প্ৰকাশনী, কলিকতা, ১৯৯৮ (৬) Agomony ferry crossing ('আগমনীৰ ঘাট'ৰ ইংৰাজী অনুবাদ) বি আৰ পাবলিছিং কৰ্পোৰেছন, নতুন দিল্লী, ২০০০।

ইযাৰ উপৰি শীলভদ্ৰৰ বহু গল্প ইংৰাজী, হিন্দী, তেলুগু, বঙালী, মাৰাঠী, উৰ্দু, নেপালী আদি ভাষালৈ অনূদিত হৈছে।